
REFERENCE
Not to be lent out

স্বাধীনতা ৰণৰ সংস্মৰণত





REFERENCE
Not to be taken out.

স্বাধীনতা ৰণৰ সংস্পৰ্শত

শ্ৰীপদ্মনাথ ৰৱঠাকুৰ
ডিব্ৰুগড়



অসম প্ৰকাশন পৰিষদৰ আৰ্থিক সাহায্যত প্ৰকাশিত
১৯৬৮

'স্বাধীনতা ৰণৰ সংস্পৰ্শত'—ভাৰতৰ মুক্তি-ৰণৰ সন্দৰ্ভত অসমত হোৱা আন্দোলনৰ কাহিনী,—শ্ৰীপদ্মনাথ ৰৱঠাকুৰৰ দ্বাৰা ৰচিত আৰু অসম প্ৰকাশন পৰিষদৰ আৰ্থিক সাহায্যত লিখকৰ দ্বাৰা প্ৰকাশিত। দাম : ন টকা।

প্ৰকাশক :
শ্ৰীপদ্মনাথ ৰৱঠাকুৰ
এখেলৰবন্দ টি এস্টেট্
ডিব্ৰুগড়, অসম।

প্ৰথম প্ৰকাশ : ১৯৬৮

মূল্য : ন টকা

বেটুপাতৰ ছবি আকোতা :
শ্ৰীসংযুক্ত ভৌমিক

মুদ্ৰক :
শ্ৰীকালীচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

REFERENCE
Not to be lent out



পরম পূজনীয়
স্বর্গতীত রাজেশ্বর বরঠাকুর
পিতৃদেবতার শ্রীশ্রীচরণে

STATE CENTRAL LIBRARY
Call No.---
ASSAM

পাতনি

১৯৫১ চনতে শ্রীমহাদেৱ শর্ম্মাদেৱে স্বৰাজ আন্দোলনৰ বিষয়ে ব্যক্তিগত অভিজ্ঞতাৰ বিবৃতি এটি বিচাৰিছিল। তাক সংক্ষেপে কিছু লিখা হৈছেহে, এনেতে লিখকৰ পিতৃদেৱৰ লোকান্তৰ হয়। লগে লগে অন্যান্য বহু সমস্যায়ো জুমুৰি দি ধৰিলেহি। চাহনিৰ বাতাবৰণে চাহ চাকৰিয়ালৰ মস্তিষ্কৰ সাৰ ভাগ দিনে দিনে শোহা যেন লাগে। লাগতিয়াল পুথি-পাঁজি কাকত-পত্ৰ আদিৰ লগতো তেওঁলোকৰ সম্বন্ধ বিৰল হোৱাই স্বাভাৱিক। অথচ একাৱন্ন চনলৈকে ত্রিশ্ বছৰীয়া অত পুৰণি কথাবোৰ পৰি অহা বয়সৰ উৰ্ব্বলি যোৱা স্মৰণ শক্তিৰ আৱাসৰ পৰা ঘাটি উলিৱাটোও সহজ কথা হৈ থকা নাই। সাত-পাঁচ গুণি লিখাখিনিৰ ওপৰত তিমানতে ঢাকনি লগোৱা হল।

১৯৫৬ চনৰ ২৫ ফেব্রুৱাৰীৰ সংখ্যা "আছাম ট্রিবিউন"ত "হিষ্ট্রী অৰ ইণ্ডিয়াজ ফ্রীদম্ মুভমেণ্ট" শীর্ষক বাতৰি এটিত শ্রীকেশৱনাৰায়ণ দত্ত ডাঙৰীয়াই "পাবলিক বেচপঞ্চ টু কুৱেৰীজ ইজ্ বাডাৰ নট্ এনক'ৱেজিং" বুলি আক্ষেপ কৰা দেখি তেখেতৰ "কুৱেৰীজ্" নো কি সুধিলত উত্তৰ আহিল "ইয়াৰ লগতে ফর্ম্ম এখন পঠিওৱা হল, সেই অনুসাৰে সকলো কথা লিখি সোনকালে আমালৈ পঠালে বাধিত হম।" ফর্ম্মখনৰ প্রথম নটা প্রশ্নৰ উত্তৰৰ লগত দশমটোৰ সমিধান স্বৰূপে আগতে শ্রীমহাদেৱ শর্ম্মাক দিবলৈ বুলি লিখি থোৱা খিনিৰে ইংৰাজী অনুৰূপ এখনি ২৮ মার্চত পঠিওৱা হল। শ্রীদত্তই আকৌ লিখিছিল যদিও, বাকীছোৱা লিখা হৈ নুঠিল।

'কংগ্রেছৰ কাঁচিয়লি ৰ'দত'খনে অকল ধুবুৰীৰ পৰা সদিয়া-

লৈকেই নহয়, স্বয়ং ভাৰত চৰকাৰৰ হাততো বিশেষ সমাদৰ লাভ কৰিলে। সেই পুৰস্কাৰতে উৎসাহিত হৈ বন্ধুবৰ শ্ৰীবেণুধৰ শৰ্ম্মাদেৱে কিতাপখনিৰ দ্বিতীয় সংস্কৰণটি আৰু পৰিপুষ্ট কৰাৰ অভিলাসত লিখকৰো অবিহনাৰ দাবি জনালে। তাৰ সমিধান স্বৰূপে শ্ৰীকেশৱ নাৰায়ণ দত্তলৈ পঠিওৱা খনিৰ অবিকল প্ৰতিলিপি এটিৰে তেখেতৰো মান ধৰিলো।

গ'ল কথা গুচিল বুলি টলকা মাৰি থাকোঁতেই তেখেতৰ সুযোগ্য জেষ্ঠ পুত্ৰ অধ্যাপক শ্ৰীমান অজিৎ কুমাৰ শৰ্ম্মাই হেঁচা দি ধৰিলেহি বোলে কিবা এখন লিখিবই লাগিব। সেইবুলি, জীৱনৰ অন্তিম কালত এতিয়া সাহিত্য চৰ্চ্চাৰ নো আৰম্ভণিৰ মৰ-সাহ হয় কেনেকৈ? পিচে শ্ৰীমানেও বিহুৰে সংক্ৰান্তিয়ে যি চিঠিকে লিখক, সদায় সেই একেদাল তাঁৰতে বেপি বেপি, শেহান্তৰত "ল'ৰাই পানী পেলায়, ৰৰে পিচলি পৰে" বোলা বাক্যযাৰ ফলিওৱাইহে এৰিলে। নিৰুপায়ত পৰি ১৯৬৪ চনৰ মাজ ভাগত লিখিবলৈ আৰম্ভ কৰিলো।

তথাপি আউল নেভাগেহে নেভাগে। সমূলি নিজৰ সংস্পৰ্শত নহা কথাৰ উঁহ পালেও তাৰ ভিতৰ সোমাবলৈ সাহ নোহোৱাত, সেই দোষতে, দেশৰ মহৎ মহৎ নীৰৱ কৰ্ম্মী প্ৰায় সকলোৰে এযাৰ কথাহে নেলাগে নামটি পৰ্য্যন্তৰো উল্লেখ নোহোৱাকৈ বৈ গ'ল। হেজাৰ হেজাৰ সিসকলৰ ওচৰত লিখকে কৰপুতে ক্ষমা ভিক্ষা মাগিছে। সিহাতে আকৌ, যিমানে লিখা হয় তিমানে দেখোন লিখকৰ আত্ম-কাহিনীৰ ছাঁটোৰে ভূতে ধৰা দি ধাৰ, নেৰেহে নেৰে। পিচে আমাৰ স্বাধীনতাৰ আন্দোলন বিলাকো পূৰ্ণ মাত্ৰাই বণ আৰু ছোভীয়েৎ ঔপন্যাসিক চাৰ্জ্জেণ্ট স্মীৰ্নভে কোৱা মতে "টু আছ ওৱাৰ ইজ্ নট্ হিষ্ট্ৰী বাট্ এ পাৰ্ট অৱ আৱাৰ অ'ট'বায়গ্ৰাফী"। তাতে মন পতিয়াই লিখি যোৱা হ'ল, স্বাধীনতা ৰণৰ সন্দৰ্ভত চলোৱা অসহযোগ আন্দোলনত হেজাৰ-বিজাৰ আমাৰ জকাই-ছুকীয়া সমাজ ফুলনিৰ যি দুই এখনিত সোমাৰৰ সৌভাগ্য লাভ কৰা হৈছিল,

তাৰ পৰাই দুই-চাৰি পাহ ফুল তুলি আনি নমুনা স্বৰূপেহে ইয়াত সন্নিবিষ্ট কৰা হৈছে, যাতে আমাৰ গাওঁবিলাকলৈ এই নিঃকিনৰ অবিহনা স্বৰূপে বুৰঞ্জীৰ ঠাঁচৰ সেই সমসাময়িক কথাখিনিৰ আভাস এটি যাচিব পৰা যায়, তেনে সংকল্প লৈয়েই ৰচনা খনিত ধৰা হৈছিল। এই কামনাৰে লিখি গৈ থাকোঁতে থাকোঁতে শেহাস্তৰত ই দেখোন সকলো সাহিত্যৰ ৰূপলৈ পিঠি দি নোম-নেগুৰ বৰ্জ্জিত কিবা মূৰ্ত্তি এটিহে ধাৰণ কৰিলে। যি সকলক উদ্দেশ্য কৰি এই পুথিখনি যুগুত কৰা হ'ল, এতিয়া সি সকলৰ ওপৰতহে বিচাৰৰ ভাৰ নির্ভৰ কৰিছে।

১৯২০-২২ চনত স্বাধীনতা-ৰণত নমা সকলৰ ভিতৰৰ সৰহীয়া ভাগেই আজি ইহ-সংসাৰত নাই। অসমতো বাদ বাকী যি কৈছেগৈ সিসকলক এতিয়া আঙুলিৰ মুৰতে গণিব পাৰি। লিখকৰ স্বাধীনতা-ৰণৰ ভাগ লোৱা কালো যথার্থতে ১৯২১ ৰ পৰা ১৯২৩ চনলৈকে বুলিব পাৰি।

বেটুপাতৰ শিল্পীৰ কল্পনা মতে নাগফণা স্বাধীনতা সংগ্রামৰ ত্যাগ আৰু নিপীড়নৰ, সূর্য্য স্বাধীনতাৰ আৰু মহাত্মা গান্ধীৰ প্রতিচ্ছবি সর্ব্বার্থক নেতৃত্বৰ প্রতীক। ইতি—

শ্রীপদ্মনাথ ৰবঠাকুৰ

শলাগৰ শৰাই

এই পুথিখনিত সন্নিবিষ্ট কৰা বহুখিনি, পাহৰণিত পৰি নাম হেৰোৱা দুই চাৰিখনি কিতাপ আলোচনীৰ উপৰিও, ঘাইকৈ লোৱা হৈছিল এড্‌ৱার্দ টম্‌চন্‌ আৰু জি. টী. গাৰাটৰ "ৰাইজ্‌ এণ্ড ফুল্‌ফিল্‌-মেণ্ট অৱ ব্রিটীছ ৰুল ইন ইণ্ডিয়া", লুই ফিছাৰৰ "গান্ধী", সমসাময়িক যুগৰ "নালন্দা ইয়েৰ বুক্‌", "দা আছাম ডিৰেক্‌টৰী এণ্ড টী এৰিয়াজ্‌ হেণ্ড বুক্‌", "আছাম্‌ ৰিভীউ এণ্ড টী বুক" ; তদুপৰি, "দা ডিস্কোভাৰী অৱ্‌ আছাম্‌" ইত্যাদি ঃ সংস্পর্শত অহা বাঁহী, আৱাহন, জয়ন্তী, ৰৰদৈচিলা আদি পুৰণি পুৰণি আলোচনী ; তাৰ উপৰিও বিয়াল্লিছৰ আন্দোলনৰ সন্দর্ভত "দা ষ্টেটছ্‌মেন", "দা হিন্দুস্থান ষ্টেণ্ডার্ড" আৰু "অসম গেজেট" আদিৰপৰা কাটি ৰখা টুকুৰীয়া কাগজ বিলাকত থকা কথাৰ পৰা। ওপৰৰ উল্লিখিত কিতাপ, আলোচনী, বাতৰি কাকত, ডাই�ৰেক্টৰী আদিৰ লিখক, প্রকাশক, সম্পাদক, পৰিচালক আদি সকলোৰে ওচৰত লিখক চিৰকাললৈ ধৰুৱা হৈ থাকিল। এই সন্দর্ভত বিশেষ উল্লেখযোগ্য, সেই পুৰণি "আৱাহন"ৰ সম্পাদক শ্রীদীননাথ শর্ম্মাৰ সম্পাদকীয় বিলাক, য'ৰ পৰা অনেক কথা এই পুথিত উদ্ধৃত কৰাৰ লোভ সামৰিব পৰা নগল।

পাণ্ডুলিপিৰ প্রস্তুতিৰ প্রসঙ্গত গুৱাহাটীৰ শ্রীমান দীপককুমাৰ ৰৰঠাকুৰ, শিৱসাগৰৰ শ্রীমান প্রফুল্লকুমাৰ শর্ম্মা, ডিব্রুগড়ৰ অধ্যাপক শ্রীমান ধীৰেন্দ্রনাথ বৰুৱা, অধ্যাপক শ্রীমান · ৰজনীনাথ শর্ম্মা, কলামোদী শ্রীমান অৱনী চক্রৱর্ত্তী আদিৰ উপৰিও পৰম আত্মীয় যি সকলে অতিৰঞ্জিত বুলি ভাবি তেওঁবিলাকৰ নাম উল্লেখ কৰাৰ বাঞ্ছা নকৰে, সিৰিলাক সকলোৰে প্রতি ধন্যৱাদ জ্ঞাপন কৰা হল।

অধ্যাপিকা শ্রীমতী অমলা বরুৱাই পৰিশিষ্ট এখনৰ এছোৱা ৰূপান্তৰ কৰি আৰু বন্ধুৱা নেতা শ্রীমান বেণুধৰ হাজৰিকাই লিখিত বিবৃতি এটি প্রদান কৰি লিখকৰ লগতে শাৰী পুৰাইছে ; হাতে লিখা অৱস্থাতে কিতাপখনি চাই-চিতি পদ্মশ্রী শ্রীমতী নলিনীবালা দেবীয়ে আগবঢ়োৱা পৰামর্শৰ ফলতে কিতাপখনৰ অনেক অংশ বাদ পেলোৱা হল ; তাৰ বাদেও অনেক অংশ আনকি সম্পূর্ণ এটি অধ্যায়ো গুচাই দিয়া হল,—পাৱ্লিকেছন ৰ'দৰ দ্বাৰা নিয়োজিত বিভাউৱাৰ সকলৰ নির্দ্দেশক্রমে। শ্রীঅমিয়কুমাৰ দাস পদ্মভূষণ ডাঙৰীয়াৰ পৰা কিছু তথ্য-পাতিৰ টোকা লোৱা হৈছিল। তেজপুৰৰ শ্রীমান গোপালকৃষ্ণ বৰুৱা আৰু শ্রীদেবীচৰণ ভট্টাচার্য্যৰ পৰাও অনেক সম্বলৰ টোকা লোৱা হৈছিল। মুখ্যমন্ত্রী শ্রীবিমলাপ্রসাদ চলিহা ডাঙৰীয়াই কিতাপখনি ওপৰে ওপৰে চকু ফুৰাই চাই সন্তোষিত হৈ প্রকাশনৰ উপায় দিয়ে, শ্রীবিশ্বনাৰায়ণ শাস্ত্রী এম-পিয়ে অনুগ্রহ কৰি প্রকাশন পৰিষদৰ বিবেচনার্থে কিতাপখন গ্রহণ কৰে, আৰু শ্রীচন্দ্রপ্রসাদ শইকীয়া ডাঙৰীয়াই সময়ৰ মূল্য ৰাখি প্রকাশনৰ কার্য্যত মনোনিবেশ কৰে। সামৰণিৰ সময়ত যশস্বী সাহিত্যিক শ্রীবেণুধৰ শর্ম্মা দেৱ আৰু শ্রীমান অজিৎকুমাৰ শর্ম্মায়ো কিছু চাই-চিতি দিয়ে। নিচলা লিখকক উৎসাহিত কৰোতা এই সকলোৰে প্রতি আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰা হল।

কিতাপখনি যুগুত কৰোতে কিতাপ, মেপ, ফটো আদিৰ যোগান ধৰা সকলৰ ভিতৰত শ্রীদলবীৰছিং লোহাৰ, শ্রীমান পুণ্ডৰিকাক্ষ শর্ম্মা, শ্রীমতী ভুবনেশ্বৰী দেবী, শ্রীমতী কমলা বৰঠাকুৰ, শ্রীমান ধ্যানদাচৰণ শর্ম্মা, ডাঃ শ্রীহেড়ম্ব বৰপূজাৰী, ডাঃ শ্রীদেৱজিৎ শর্ম্মা, শ্রীকালীচৰণ পাল, শ্রীমান জ্ঞানদাচৰণ শর্ম্মা, শ্রীদীনমণি বৰা, শ্রীমান পৰেশচন্দ্র শর্ম্মা বৰুৱা আৰু শ্রীআশ্রফ আলিক আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

বিশেষ শলাগৰ পাত্র শ্রীমান ভুবনেশ্বৰ বৰঠাকুৰ। কিতাপখনৰ

দুটা মাত্র ফর্ম্মা প্রস্তুত হওঁতে নহওঁতেই কলিকতাৰ অশান্ত ৰাজনৈতিক পৰিস্থিতিৰ কবলত মুদ্রণ কার্য্য যেতিয়া স্থগিত থাকে, তেনে সময়ত তেওঁ কলিকতাতে প্রুফ আদি চাই প্রেছক যৎপৰোনাস্তি সহায় কৰি দিলে বুলিহে কিতাপখনিয়ে পোহৰৰ মুখ দেখিবলৈ পালে।

কিমধিকমিতি

লিখক

সূচী

প্রথম অধ্যায়

সন্ধিক্ষণ

১।	অসহযোগ আৰু ঘনশ্যাম বৰুৱা	১
২।	সহযোগিতা	২
৩।	অহিংস অসহযোগৰ দীক্ষা	২
৪।	বৰনগৰ (বৰপেটা)	৪
৫।	বৰনগৰত অহিংস অসহযোগৰ প্ৰাথমিক পৰীক্ষা ...	৪
৬।	অসহযোগৰ অতৰ্কিত ভূমুকি	৬
৭।	অসহযোগৰ আখৰা	৭
৮।	বৰনগৰত তৃতীয় সফলতা	৭
৯।	বৰনগৰত কংগ্ৰেছ-কটকী চন্দ্ৰনাথ শৰ্ম্মাৰ পদাৰ্পণ ...	৮
১০।	ৰাজহুৱা সভাখন	১১
১১।	নবীনচন্দ্ৰ বৰদলৈৰ প্ৰতি আক্ৰমণ	১২
১২।	সাৱধান ! সাৱধান !! সাৱধান	১৩
১৩।	নলৰাৰী	১৫
১৪।	বাঘ চিকাৰত মাউত খতম	১৫
১৫।	চন্দ্ৰনাথ শৰ্ম্মাৰ মহানুভৱতা	১৬
১৬।	আতঙ্ক	১৭
১৭।	কৃতকৃত্য	১৭
১৮।	উজনিলৈ এপাক	১৮
১৯।	সূতা কটা আদিত দেউতা	১৯
২০।	স্থানীয় শিক্ষা বিভাগৰ লগত যুক্তি-তৰ্ক ...	১৯
২১।	সমস্যা গহীনেই	২০

২২। বিষ্ণুপ্রসাদ দুৱৰা ২৩
২৩। সহকাৰী পৰিদৰ্শকৰ (এচিষ্টেণ্ট ইন্‌স্পেক্টৰৰ) পৰিদৰ্শন ২৪
২৪। ৰৱনগৰৰ ৰাজহুৱা সভাৰ বিৱৰণ ২৫
২৫। ৰাজহুৱা সভাৰ ওপৰঞ্চি প্ৰতিক্ৰিয়া ... ২৬
২৬। ৰাতৰি কাকতৰ যোগে প্ৰচাৰ কাৰ্য্য ... ২৬
২৭। ৰৱনগৰত সংগঠন ২৮
২৮। সৰ্ব্বভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰত অসম ... ২৯
২৯। অসমত অসহযোগ মন্ত্ৰৰ প্ৰথম প্ৰতিক্ৰিয়া ... ৩০
৩০। নিজৰ পালি ৩১
৩১। প্ৰাদেশিক কংগ্ৰেছ স্থাপন ৩২

দ্বিতীয় অধ্যায়

আগ বঢ়ৰা

১। ছিটিকাত যেন চৰাইহে পৰিল ৩৬
২। থানাৰ বন্দী-গৰাঁলত বাবাজী ৩৬
৩। বন্দী-গৰাঁলৰ পৰা হাজত ৩৭
৪। হাজোতীয়া আৰু মিয়াদী ৩৭
৫। শিৱসাগৰত পোনতে ফাটকত পৰা সকল ... ৩৮
৬। হালে হালে জোঁটা অসহযোগী কয়দী ... ৩৮
৭। চিলটত অসহযোগী কয়দী ৩৯
৮। চিলটৰ বিষয়াৰ চিনাকি ৩৯
৯। যোৰহাটে গোৰ মাৰি যেন গঙ্গাতহে পেলালে ... ৪০
১০। "ইইতলৈ আকৌ কিহৰ বিশেষ সুবিধা?" ... ৪০
১১। গোটেইখিনি কংগ্ৰেছীৰ মাজত বাবাজীক লৈ সমস্যা .. ৪০
১২। আমাৰ গ্ৰেপ্তাৰ ৪১
১৩। বলিয়া শিয়াল ৪২
১৪। স্বৰাজ আশ্ৰমত প্ৰবেশ ৪২
১৫। ফুচুলনিত নপৰাৰ পোটক ৪২
১৬। মচলুকাৰ প্ৰস্তাৱ ৪৩

১৭। অশ্রম গুছি সশ্রম ৪৩
১৮। প্রতিশ্রুতিৰ অপযশ ৪৩
১৯। "মহাত্মা গান্ধী যোগভ্রষ্ট পুৰুষ" ৪৫
২০। গো-শ্রম বিনা উৎপাদিত খাদ্য ৪৬
২১। শ্রীহট্ট জেইল-অফিচত বাবাজী ৪৬
২২। বাবাজীৰ আলমত ৰাজ-অতিথিৰ জয়লাভ ... ৪৭
২৩। বাবাজীৰ বিধ সত্যাগ্রহ ৪৮
২৪। ৰায়চাহাবৰো মন গলিল ৪৮
২৫। হোমৰ আহুতিতে অন্ন অন্ত ৪৯
২৬। দীঘলীয়া ব্রতৰ পাৰণা ৪৯
২৭। চিলটৰ বন্দীশালত আমি থকা ঘৰটো ... ৪৯
২৮। ফাঁচিশালৰ বলি ৰখা ঘৰ ৫০
২৯। আমাৰ ৰান্ধনি-শাল ৫০
৩০। কুকুৰা কণী ৫১
৩১। চেঙেলীয়াৰ বাহৰ ৫২
৩২। গহ্বৰী গৰাঁল (চেল) ৫২
৩৩। গোৰাৰ আৰু তিৰোতাৰ হাউলি ... ৫৩
৩৪। জেইল পৰিচালক ৫৩
৩৫। খৰে খোৱা ৫৪

তৃতীয় অধ্যায়

বকতা থাওৰা

১। যাত্রাতে নিস্ফল ৫৫
২। বকতা বনাম ৰৱনগৰ ৫৬
৩। নতুন কৰ্ম্মস্থল ৫৬
৪। পিতৃদেৱতাৰ সহযোগ ৬১
৫। ইংৰাজে পুলিচ সকলক বিলাতত জম্মোৱাই অনা নাই ৬২
৬। ভুবনচন্দ্র দত্ত ৬৩
৭। ন-কাটনি গাওঁ ৬৪

৮। হোমিওপেথিক ৬৫
৯। আন্দোলনৰ ক্ষিপ্ৰ গতি ৬৬
১০। মহাত্মাজী যোৰহাটত ৬৭
১১। অলক্ষিত জাতীয় প্ৰেৰণা ৬৯
১২। অসমৰ মানুহ ৭২
১৩। জুটুলি টিং ৭৯
১৪। কোৱঁৰ আৰু গোহাঁই ৭৯
১৫। বাগিচাৰ ঠাইত বাইজৰ হাট ৭৯
১৬। চাহ-বন্ধুৰাৰ ধৰ্ম্মঘট ৮৩
১৭। গোপীনাথ গাওঁবুঢ়া ৮৫
১৮। শিৱসাগৰ ৮৭
১৯। বেটবাৰীৰ সভা ৮৯
২০। কেন্দুগুৰিৰ সভা ৮৯
২১। হৰতাল ৯১
২২। শোৱন খাৱন হৰিল ৯৩
২৩। ভয় দেখুৱাই লোৱা সাহসৰ পৰীক্ষা .. ৯৪
২৪। দোকান ৯৫
২৫। শিৱসাগৰ অভিমুখে ৯৬
২৬। শিৱসাগৰত ৯৮
২৭। ওৱাৰেণ্টৰ আগবতৰা ১০১

চতুৰ্থ অধ্যায়

কয়দী জীৱন

১। দেউতা গ্ৰেপ্তাৰিত ১০৩
২। হাজৎ ১০৪
৩। শিশু সদানন্দ ১০৫
৪। গনিঙৰ উদ্ভাগলি ১০৬
৫। যাদৱ প্ৰসাদ চলিহা ১০৭
৬। অভিযোগ ১০৮

৭। বিচাৰ ১০৯
৮। হুকুম ১১১
৯। স্থানান্তৰ ১১২
১০। শিমলুগুৰি ষ্টেছনত ১১৩

পঞ্চম অধ্যায়

যোৰহাট

১। চেনীমৰা ১১৫
২। ৰৰভেটা জেইল ১১৫
৩। অসহযোগৰ জোকাৰত যোৰহাট ... ১১৬
৪। জেইল-মাছ ১১৮
৫। ৰৰদিন ১২০
৬। যোৰহাট জেইললৈ অসহযোগীৰ সোঁত ... ১২২
৭। নগয়াঁ দল ১২৪
৮। শিৰসাগৰীয়া ১২৫
৯। গুৱাহাটীৰ সকল ১২৫
১০। গোলাঘাট জেইলৰ পৰা ১২৫
১১। ৰৰভেটাৰ জেইলত ১২৬
১২। সৈনিকৰ কচৰত ১২৭
১৩। গুহু বৌচুৰি আদি ১২৭
১৪। "স্বৰাজ্যং দেহি কৃপাবলম্বনকৰী মাতাঽপূৰ্ণেশ্বৰী" ... ১২৮
১৫। প্ৰাৰ্থনা ১২৯
১৬। গীতা চৰ্চ্চা ১২৯
১৭। বাতৰি কাকত ১৩৩
১৮। চোৰাং খবৰ ১৩৩
১৯। জেইল পৰিদৰ্শকৰ মন্তব্যৰ প্ৰতিক্ৰিয়া ... ১৩৩
২০। ডেকা ডি-এছ-পি ১৩৪
২১। সাক্ষাৎ ১৩৪
২২। বিহু ১৩৫

২৩। সাম্প্রদায়িকতা ১৩৫
২৪। শ্রীহট্টলৈ স্থানান্তৰ ১৩৭
২৫। ৰৱদলৈৰ উদ্বিগ্নতা ১৩৮
২৬। সাজ-সলনি ১৩৯
২৭। জোঁটা শালী ১৩৯
২৮। যুদ্ধ-বন্দী ১৪০
২৯। মৰিয়নী ষ্টেচনত ১৪১
৩০। জনতাৰ আদৰ ১৪২
৩১। ৰৱদৌলি-চৌৰীচৌৰা ১৪২
৩২। কুলাউৰা পালত ১৪৩

ষষ্ঠ অধ্যায়

শ্রীহট্ট

১। চিলট ৰেল-ষ্টেচনৰ পৰা ১৪৪
২। জনতাৰ ওপৰত লাঠি চালনা ১৪৫
৩। লাঠিৰ কোবত আই-চী-এছ ১৪৫
৪। চিলট জেইলৰ বুকুত ১৪৬
৫। শিলচৰ জেইল ১৫০
৬। বাবাজী, হলধৰ ভুঞাঁ আৰু গোলোক গোস্বামী ... ১৫০
৭। সশিষ্যে বাবাজী যোৰহাটলৈ ১৫১
৮। ৰৱদলৈ আৰু চলিহা ১৫২
৯। যোৰহাট জেইলত বাবাজী ১৫২
১০। পঢ়াৰ সুযোগ ১৫৩
১১। আৰু সহবাসীৰ আমদানি ১৫৪
১২। বাবাজীৰ দেহত্যাগ ১৫৫
১৩। যোৰহাটত জেলে বাহিৰে দলন ... ১৫৫
১৪। চন্দ্রনাথ শর্ম্মা ১৫৬
১৫। পদ্মশ্রী নলিনীবালা দেবীৰ পুত্র ১৫৬
১৬। স্বাস্থ্য ১৫৭

১৭। তেজে নেমানিলে ১৫৭
১৮। ভোজন ১৬০
১৯। গীতা ব্যাখ্যা ১৬৪
২০। স্বৰাজ্যং দেহি ১৬৫
২১। সংকীর্ত্তন ১৬৫
২২। মুছলমান সকলৰ প্ৰাৰ্থনাদি ১৬৫
২৩। সঙ্গীত ১৬৭
২৪। আলোচনী ১৬৭
২৫। টলষ্টয়ৰ সাধু ১৬৮
২৬। স্বাধীনতা সংগ্ৰামৰ কাৰণে পুনঃ প্ৰস্তুতি ... ১৬৮
২৭। ক্ৰীড়া কৌতুক ১৭০
২৮। হলধৰ ভূঞাঁৰ ধনিকৰী গুণ ১৭১
২৯। চিঠি ১৭২
৩০। আওবটীয়া বাতৰি ১৭৪
৩১। বিপিন বিহাৰী দে ১৭৪
৩২। জেইল অফিছ ১৭৫
৩৩। আমনি নকৰিলে দিগ্ নিদিবা ১৭৬
৩৪। মানুহ পাতলিলে ১৭৭

সপ্তম অধ্যায়

ম্যাদৰ অন্ত

১। এঘাৰ মহীয়া বছৰ ১৭৮
২। শ্ৰীহট্টৰ সাদৰ ১৮০
৩। নামতি আলি ১৮১

অষ্টম অধ্যায়

পৰিবৰ্ত্তিত পৰিস্থিতি

১। বকতা ১৮৪
২। মিছা সাক্ষী হাণ্ট চাহাব ১৮৫

৩। জিবণিত যদিও জাগ্রত ১৮৫
৪। যেনে গনিং তেনে নৰমৌজাদাৰ ১৮৮
৫। শিৱসাগৰত আদৰণি ১৮৯
৬। আমাৰ কৃষি বাণিজ্য ১৮৯
৭। কংগ্রেছী ধান-বেপাৰী ১৯০
৮। মহাত্মাজী ওলাল ১৯২
৯। আন্তর্জ্জাতিক কানি সম্মিলন ... ১৯৩
১০। ব্যক্তিগত নির্ব্বাচনী প্রতিযোগিতা ... ১৯৪
১১। মহাত্মাজীৰ অনশন ১৯৫
১২। চিলটৰ অসম-ত্যাগ সংকল্প ১৯৬
১৩। ভ্রমণ ১৯৭
১৪। ব্যৱস্থাপক সভাৰ নির্ব্বাচন ১৯৮
১৫। নীল খেতিৰ দশাই বোলে চাহ খেতিবো দশা ... ২০০
১৬। আমি দুই বন্ধু ২০২
১৭। কংগ্রেছৰ প্রথম অসম অধিবেশন (১৯২৬) ... ২০৩

নৱম অধ্যায়

আলেজে আলেজে

১। বাতৰি কাকতৰ বাতৰি ২০৫
২। লোণ-আইন অমান্য ২০৭
৩। আইন অমান্যৰ উত্তৰ ২০৯
৪। মনে যে নেমানে ২০৯
৫। বৃটেনৰ অভিনৱ অস্ত্রোপচাৰ ২১০
৬। হৰিজন সেৱা ২১২

দশম অধ্যায়

কাষবে পাঁজবে

১। নতুন শাসনতন্ত্রীয় নির্ব্বাচন ২১৪
২। ভাই ভাই ঠাই ঠাই ২১৫

৩। নির্ব্বাচন সংগ্রাম ২১৭
৪। অমুছলমান সমষ্টি (শিৱসাগৱ মহকুমা) ... ২২০
৫। চাহ খেতিয়ক সমষ্টি ২২৩
৬। নির্ব্বাচনৱ ফল (১৯৩৭) ২২৫
৭। দায়িত্ব গ্রহণ ২২৫
৮। চাৱ চাদুল্লা চাহাবৱ ৱাজত্ব ২২৫
৯। অসমত কংগ্রেছ-যুক্ত মন্ত্রীসভা (১৯৩৮) ... ২২৮

একাদশ অধ্যায়

নিকানীয়াকৱণ পর্ব্ব

১। নিকানীয়াকৱণ পর্ব্ব ২৩০
২। কানি-নিবাৱণী সমিতি ২৩১
৩। খণ্ডত একো নাই কানীয়া ২৩২
৪। বেণুধৱ হাজৱিকাৱ লিখিত বিবৃতি ... ২৩৩
৫। চোৱাং বেপাৱীৱ চলনা ২৩৪
৬। দুতীৱাম ফুকনটি ২৩৫
৭। আইনৱ কবলত চোৱাং বেপাৱী ২৩৭
৮। বহ্নাৱম্ভে লঘুক্রিয়া ২৩৮
৯। কাৱ ওপৱত কিহৱ ৱৱাদ ২৪১
১০। মানসিক উন্নতি ২৪২

দ্বাদশ অধ্যায়

দ্বিতীয় মহাৱণ

১। দ্বিতীয় মহাৱণ ২৪৪
২। নেতাজী বসু ২৪৬
৩। ভুবনচন্দ্র গগৈ ২৪৭
৪। গগৈদেৱৱ লোকান্তৱত ২৪৯
৫। উপ-নির্ব্বাচনৱ সংস্পর্শত ২৫০
৬। ভোটৱ সন্ধানত ২৫৩

৭। পাবত গজা উম্মা ২৫০
৮। যুদ্ধ-বিৰোধী ধ্বনি ২৬১
৯। ধৰ্ম্মীয় ৰাজনীতি ২৬৪
১০। লীগ মন্ত্রী-সভা আৰু ৯৫ ধাৰা ২৬৫
১১। সতৰ্কতা ২৬৫
১২। শান্তি সেনা ২৬৬
১৩। বিভীষিকাময় পৰিস্থিতি ২৬৬

ত্ৰয়োদশ অধ্যায়

ভাৰত ত্যাগ

১। ভাৰত ত্যাগ ২৬৯
২। খাই পাত ফলা আচৰণ ২৭০
৩। ভয়াতুৰ কুল ২৭১
৪। যুদ্ধ প্ৰস্তুতিৰ ঠিকাদাৰ ২৭২
৫। অঘৰী জাতীয়তা ২৭৩
৬। আকাশী অভিযান ২৭৪
৭। অগুণকাৰীৰ দেশত্যাগ ২৭৪
৮। অনাটনি ২৭৫
৯। চৰকাৰী ঘৰত কংগ্ৰেছ পতাকা ২৭৬
১০। দৃঢ় সংকল্প ২৭৭
১১। ঢাক ঢুক নাই ২৭৭
১২। মাহমৰা কংগ্ৰেছৰ সেনা বাহিনী ২৭৮
১৩। হোৱাটো হৰই ২৭৯
১৪। বনবিভাগৰ বঙলা ২৮০
১৫। কুলধৰ চলিহা ২৮১
৬। চলিহা বাচিল ২৮৩
১৭। ৰেল পেলোৱা ২৮৪
১৮। আটকৰ অভিসন্ধি ২৮৫
১৯। চোৰাং চোৰা ২৮৭

২০। সমূহীয়া জৰিমনা ২৮৯
২১। ৰণমুখীয়া ২৯০
২২। ধান চাউলৰ ভিতৰ ৰপ্তানি ২৯০
২৩। মহার্ঘ বজাৰ ২৯১
২৪। চুকতে থাকি বুকুতে কামুৰিলে ২৯৩

চতুর্দ্দশ অধ্যায়

পৰিবর্ত্তন


১। টিংখাং ২৯৫
২ চাহ বগুৰাৰ হাজিৰা ২৯৬
৩। বুৰঞ্জীৰ পাতত ২৯৭
৪ ১৯৪৬—৪৭ ... ... ২৯৮
৫। শিবসাগৰ জিলাত বিৰাট আয়োজন .. ২৯৯
প্রথম পৰিশিষ্ট ৩০০
দ্বিতীয় পৰিশিষ্ট ৩০৯
তৃতীয় পৰিশিষ্ট ... ৩১৭



দাণ্ডী অভিযানত



১৯১৭ চনৰ প্রতিনিধি দল


ভূটান
ভারত
বাংলাদেশ
ব্রহ্মদেশ
বঙ্গোপসাগর
কর্কটক্রান্তি রেখা
শিলং
চেরাপুঞ্জি
তুরা
কহিমা
ইম্ফল
আইজাল
সদিয়া
ডিব্রুগড়
দিসপুর
গৌহাটি
তেজপুর
গোলাঘাট
নগাঁও
গোয়ালপাড়া
ধুবরী
শিলচর
কাছাড়
ত্রিপুরা
মিজো পার্বত্য অঞ্চল
ব্রহ্মপুত্র নদী
চিন্দ্বিন নদী
বরাক নদী
ঘাঘরা নদী
ধলেশ্বরী নদী
ব্রহ্মপুত্র নদী
ঋষিকুল্যা নদী
সুবর্ণরেখা নদী
মহানদী
ইন্দ্রাবতী নদী
গোদাবরী নদী
কৃষ্ণা নদী
পেন্নার নদী
পালার নদী
কাবেরী নদী
ভাইগাই নদী
বেতোয়া নদী
কালী সিন্ধ নদী
চম্বল নদী
যমুনা নদী
গঙ্গা নদী
সোন নদী
দামোদর নদী
সুবর্ণরেখা নদী
ব্রহ্মপুত্র নদী
ঋষিকুল্য

স্বাধীনতা ৰণৰ সংস্পর্শত

প্ৰথম অধ্যায়

সন্নিক্ষণ

১। অসহযোগ আৰু ঘনশ্যাম বৰুৱা।

মহাত্মা গান্ধীৰ ভাৰত-চৰকাৰৰ প্ৰতি সহযোগিতা বৰ্জনৰ বাণী ১৯২০ চনত উমি উমি পৰশিছেহি যদিও তাৰ অন্তৰায় বিস্তৰ। অসমৰ নায়ক মাণিকচন্দ্ৰ বৰুৱাই বহুত আগতেই মাতৃভূমিক কন্দুৱাই গ'ল। অসমৰ ৰাজনৈতিক ক্ষেত্ৰত তেখেতৰ সুযোগ্য উত্তৰাধিকাৰী আছিল ঘনশ্যাম বৰুৱা। এইজন গুণী, জ্ঞানী, সভা-শুৱনী, বিদ্বান, বিবেকী পুৰুষক বিশিষ্ট নেতা-স্বৰূপে পাই সদৌ অসমৰে অপাৰ আনন্দ। সেইকাৰণে তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ আদি নেতাসকলে সতৃষ্ণ নয়নে প্ৰতীক্ষা কৰি আছিল ঘনশ্যাম বৰুৱাদেৱৰ নেতৃত্বতে অসম এচোচিয়েচনখনিক সৰ্বভাৰতীয় জাতীয় ৰূপত বোলাই লবলৈ। বিধিৰ যে কি বিড়ম্বনা! অসমৰ প্ৰতিনিধি স্বৰূপে নবীনচন্দ্ৰ বৰদলৈ আৰু ডিব্ৰুগড়ৰ প্ৰসন্ন কুমাৰ বৰুৱা উভয়ে বিলাতলৈ গৈ অসমক পূৰ্ব-প্ৰস্তাৱিত অজান্তি মুলুকীয়া (পলিটিকেল এজেন্সীৰ গৰ্ভস্থ হোৱা) শাসনৰ মেৰপাকৰ পৰা মোকোলাই আনি মণ্টেগু-চেমচ্‌ফোৰ্ডৰ শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত কৰা প্ৰস্তাৱটো বিলাতৰ আইনসভাত স্বীকৃত কৰাই লোৱাৰ ফলত অসমে সেইমতে আগবাঢ়ি যাবলৈ আকাঙ্ক্ষা কৰিছেহে মাথোন,

এনেতে মণ্টেগু-চেমচ্‌ফোর্ড শাসন সংস্কাৰৰ বিপক্ষে সদৌ-ভাৰত জাতীয় মহাসভাই মহাত্মাজীৰ নেতৃত্বত অহিংসা মন্ত্ৰৰ ৰণশিঙাৰে সমৰোত্থমৰ ডাক দিলে, আৰু সেই মহাজাতিৰ খোজৰ লগত অসমেও খোজ মিলাই যাব লগাত পৰিল। এনেবোৰ গুৰুতৰ কাৰণতে নিশ্চয় অসহযোগৰ নীতি জয়ন্তয়তে মানি লোৱা সম্পৰ্কে তৰুণ ফুকন, নবীন বৰদলৈকে আদি কৰি নেতাসকলে অনেক ভাবিৰ-চিন্তিৰ লগীয়াত পৰিল।

২। সহযোগিতা।

অনেক দেশপ্ৰেমিক ৰাজনৈতিক নেতাৰ আন্তৰিক যুক্তিমতে ভাৰতৰ ভাগ্যবিধাতা বৃটিছ আৰু তেওঁবিলাকৰ ৰাজনীতিৰ গুৰিয়াল পার্লামেণ্টৰ মহাসভা। অথচ পার্লামেণ্টো চালিত হয় গৰিষ্ঠ-সংখ্যক সদস্যৰ ভোটৰ বলত। এতেকে যি আন্দোলনে পার্লামেণ্টৰ সৰহ সংখ্যক সদস্যক আমাৰ সপক্ষে গা লৰোৱাব পাৰিব, ভাৰতৰ স্বাধীনতা অর্জনৰ অর্থে তেনে আন্দোলনহে কার্যকৰা হোৱাৰ সম্ভৱ। আৰু তদর্থে বৃটিছ পার্লামেণ্টে সময়ে সময়ে স্বীকৃতি দিয়া উন্নতিমূলক গাঠনিৰ মাজেদি স্তৰে স্তৰে আগুৱান হৈ যোৱাটোৱেই স্বতঃসিদ্ধ পদ্ধতি। এতেকে যথার্থতে ভাৰতৰ শুভাকাঙ্ক্ষীসকলৰ পক্ষে চৰকাৰৰ সহিত সহযোগিতা সততে অনিবার্য। এনে আত্ম-বিশ্বাসৰ কবলত পৰি স্বদেশী আন্দোলনৰ পিতা সু�ৰেন্দ্ৰনাথ বেনার্জী হেন ৰাজনীতিজ্ঞয়ো অসহযোগ আন্দোলনত সহযোগ নকৰি কায়মনোবাক্যে যে তাৰ তীব্ৰ বিৰোধিতাহে কৰিলে, তাত মায়া নেদেখাই মঙ্গল।

৩। অহিংস অসহযোগৰ দীক্ষা।

চকুৰ পচাৰতে অহিংস অসহযোগৰ মন্ত্ৰই কংগ্ৰেছ জয় কৰি তাৰ ওপৰত একাধিপত্য ৰাজত্বৰ সূচনা কৰিলে, আৰু কাশ্মীৰৰ

পৰা কুমাৰিকালৈ আৰু বেলুচিস্থানৰ পৰা মানদেশ পৰ্যন্ত তল-ওপৰ কৰি পেলালে। অসহযোগৰ নীতি উপেক্ষা কৰি মুখ্য নেতা ঘনশ্যাম বৰুৱা ডাঙৰীয়াই মণ্টেগু-চেমচ্‌ফোৰ্ড শাসন সংস্কাৰ আইনক কাৰ্যত খটুৱাই কৃতিত্ব লাভ কৰাৰ প্ৰয়াসেৰে মন্ত্ৰীত্ব গ্ৰহণ কৰিলেগৈ যদিও, নল মৰি গজালি উঠাৰ দৰে চন্দ্ৰনাথ শৰ্মাৰ পিচতে আৰু দুজন ডেকা উকীল গোপীনাথ বৰদলৈ আৰু কুমুদৰাম বৰা আৰু তাৰ লগে লগে নবীনচন্দ্ৰ বৰদলৈ, বিষ্ণুৰাম মেধিকে মুখ্য কৰি অনেক উকীলে সাময়িকভাৱে ওকালতি বৰ্জন কৰিলে, আৰু ওকালতি বৰ্জন কৰিব নোৱাৰাৰ ভিতৰতো বহুত উকীলে পূৰ্ণ উদ্যমে গা দাড়ি উঠিল। আকৌ প্ৰৱসুৱা ছাত্ৰবিলাকে শিক্ষানুষ্ঠান বৰ্জন কৰি গুৱাহাটী পোৱাৰ লগে লগে বিদ্যাধৰ শৰ্মা, তৰুণ ভট্টাচাৰ্য, বেদ বৰঠাকুৰ, জগদীশ মেধি, শুকদেৱ গোস্বামী, গুঞ্জ বৰুৱা আদি ছাত্ৰৰ নেতৃত্বত অসমৰ একমাত্ৰ শিক্ষানুষ্ঠান কটন কলেজৰ ছাত্ৰসকলেও ধৰ্মঘট কৰি ওলাই আহিল। সদৌ-ভাৰতৰ খোজৰ লগত খোজ মিলাই অসহযোগ নীতিৰ প্ৰচাৰ আৰু তাৰ প্ৰয়োগত ব্যৱস্থাপক সভা, আদালত, শিক্ষানুষ্ঠান, বিদেশী বস্তু আদিৰ বিসৰ্জন, তদুপৰি কানি, ভাং, মদ আদি বৰ্জনৰ আন্দোলনৰ সংগঠিত হোৱা কাৰ্যপন্থা যুগুত কৰাৰ মানসে চন্দ্ৰনাথ শৰ্মাই প্ৰতি জিলাতে কংগ্ৰেছৰ বাণী শুনোৱাৰ উদ্দেশ্যে ভুমুকিয়াবলৈ ধৰিলে। কালৈকো অপেক্ষা নকৰি একেজন মানুহে প্ৰথমে অকলৈ ওলোৱা উদ্যমটো সুৱঁৰিলে মনত পৰে মুকুন্দ দাসে জনমত জাগ্ৰত কৰাৰ কাৰণে গোৱা সেই গানটি ঃ—

"যদি তোৰ ডাক শুনে কেউ না আসে
তবে একলা চল্‌বে।
একলা চল্, একলা চল্, একলা চল্‌বে।...

৪। ৰৱনগৰ (ৰৱপেটা)।

কংগ্রেছৰ বয়কট আচনিৰ প্ৰথম দফাই হ'ল 'মণ্টেগু-চেমচ্-ফোৰ্ড শাসন সংস্কাৰ আইন'। আদিতে যিসকল ৰৱপেটা সমস্তিৰ পৰা অসম ব্যৱস্থাপক সভাৰ সভ্যপদ প্ৰাৰ্থী, তেওঁবিলাকক অন্ততঃ ৰৱনগৰ অঞ্চলত বঢ়িয়াকৈ বুজাই দিয়া হৈছিল যে অসহযোগৰ প্ৰস্তাৱটো কংগ্রেছৰ সাধাৰণ অধিবেশনতো গৃহীত হব লাগিলে তেওঁবিলাকৰ অনুৰোধ অথলে যাব। প্ৰাৰ্থী তিনিজনৰ ভিতৰত ৰৱপেটাৰ প্ৰথম বি, এল, উকীল আৰু প্ৰাক্তন ওৱাৰ ই, এ, চি[১] লোহিতচন্দ্ৰ নায়ক, দ্বিতীয়জন হ'ল ৰৱপেটা লোকেল-বোৰ্ডৰ সুদক্ষ উপাধ্যক্ষ মাটিগিৰি আৰু ৰৱপেটা নগৰস্থ ৰামদাস ইনষ্টিটিউচনৰ[২] মালিক উমেশচন্দ্ৰ দাস আৰু তৃতীয়জন প্ৰাণেশ্বৰ দাস, অসমীয়া লিখক। কংগ্রেছে ব্যৱস্থাপক সভা বৰ্জন কৰাৰ সিদ্ধান্ত লোৱাত তাকে মানি এওঁবিলাকৰ কোনেও শেষ মুহূৰ্ত্তলৈকে মনোনয়ন-পত্ৰ দাখিল নকৰিলে আৰু এইদৰেই প্ৰথম উদ্যমতে ৰৱপেটীয়া ৰাইজে কংগ্রেছৰ প্ৰতি সহাৰি জনাই গৌৰৱ লাভ কৰিলে।

৫। ৰৱনগৰত অহিংস অসহযোগৰ প্ৰাথমিক পৰীক্ষা।

অসহযোগৰ প্ৰথমটোতে ৰৱনগৰখনক কণা-মুনাকৈ পেলাই দিবৰ সুযোগ এটি উলিয়ালে ৰৱনগৰ মধ্য-ইংৰাজী স্কুলখনৰ পুঁজিৰ সমস্যাই। ১৯১৯ চনৰ আদিতে ৰৱপেটাৰ মহকুমাধিপতি বিষ্ণুপ্ৰসাদ দুৱৰাদেৱৰ সভাপতিত্বত দমকা-চকাবাউসী, ৰূপচী আৰু বিজনি মৌজাৰ একাংশৰে গঠিত সমগ্ৰ ৰৱনগৰ অঞ্চলৰ বিৰাট এখন ৰাজহুৱা সভাত সৰ্বসম্মতৰূপে সিদ্ধান্ত হ'ল যে ৰৱনগৰৰ অন্তৰ্ভুক্ত

১। War E. A. C.

২। Ramdas Institution (M. E. Standard).

মাটিৰ খাজনাৰ লগতে সকলো মাটিগিৰীৰ পৰা স্থানীয় কৰৰ সমানে স্কুলৰ চান্দা (স্কুল-ৰেট্)[৩] লোৱা হব। লাগতিয়াল দহহেজাৰ টকা এই উপায়ে তিনি বছৰত উঠিব বুলি 'স্কুল-ৰেট'ৰ মিয়াদো তিনি বছৰত বন্ধা হ'ল। শিক্ষা বিভাগে অস্থায়ীভাৱে বছৰেকীয়া মন্‌জুৰীত স্কুলখন ৰাখিছে। চর্ত হ'ল, ৰাইজে স্কুলৰ কাৰণে চাৰে সাত হেজাৰ টকীয়া ঘৰ এটা তেওঁবিলাকৰ আচনিমতে সাজি দিব। অথচ স্কুলৰ পুঁজি উদং। মাহে আশী টকাৰ ঘাটি। পিচে ভুক্কাত হাতী ভৰোৱাৰ দায়িত্বটো আমাৰহে, চৰকাৰে যে ফুটা কড়ি এটাও যঁচা নাই! সিহাতে ১৯১৯-২০ চনৰ ঘাটি পূৰাবলৈকো যেতিয়া স্কুল-ৰেট্ নুঠিল, তেতিয়াহে অনুসন্ধানৰ মূৰত ধৰা পৰিল যে ৰৰনগৰীয়া-খিনিৰ বাদে অনা-ৰৰনগৰীয়াবিলাকে স্কুল-ৰেট্ দিয়া নাই। অথচ ৰৰনগৰীয়াৰ নিজৰ বুলিবলৈ মাটি অতি কম। বাহিৰ-মাটিগিৰীয়ে বোলে—আমাৰ লৰাই ৰৰনগৰত পঢ়াগৈ নাই। ৰৰনগৰ স্কুলৰ কাৰণে ৰৰনগৰৰ মানুহে ৰৰঙণি যোগাব, আমাৰ ভাবিৰৰ কিহৰ গৰজ? ইয়াৰ পিছত আকৌ এক বিৰাট সভা মহকুমাধিপতিৰ সভাপতিত্বত পাতি প্রস্তাৱ লোৱা হ'ল যে ৰৰনগৰ এলেকাৰ মাটিৰ বাবদ বাহিৰা মাটিগিৰীসকলে তিনিবছৰৰ স্কুল-ৰেট্ এককালীন আদায় দি মৌজাদাৰৰ ৰছিদ নেদেখুৱাই মানে কোনেও সি-সকলৰ মাটি চহাবলৈ পথাৰত নেনামিব। মাটিগিৰী কিন্তু অচল অটল। যি মাটিত ওৰে বছৰে এটা নহয় এটা খেতি লাগিয়েই থাকে তেনে মাটিত মাঘ গল, ফাগুন গল, চ'ত মাহো যায় যায়, তথাপি কোনো হালোৱা নেনামিলে। এনেতে উমেশচন্দ্র দাস ডাঙৰীয়াই খেদ্ কৰিলেহি—"স্কুল-ৰেট্ নিদিয়াটো যিমান বেয়া, মাটিবোৰ ছন্ পেলাই থোৱাটো ততোধিক বেয়া।" তেওঁ হেনো স্কুল-ৰেট্ দিয়াৰ পৰা বিৰত আছিল এই যুক্তিত যে তেওঁৰ দেউতাকৰ স্মৃতিচিহ্ন স্বৰূপ তেওঁৰ ৰামদাস ইনষ্টিটিউচন্‌খন স্বাৱলম্বী নোহোৱাত মাহে

৩। School rate.

প্রতি তেওঁৰ ঘাটিৰ ধন ভৰিব লাগে, আৰু সেইকাৰণে ৰৱনগৰ স্কুলতো ছতিয়াবলৈ তেওঁৰ পুঁজিৰ নাটনি। আমি পিছে আমাৰ দাবিতে আকোৰ-গোঁজালিকৈ লাগি থকাত তেখেতে তিনিবছৰৰ স্কুল-ৰেট্ আদায় দি দমকা, চকাবাউসী আৰু কপচীৰ মৌজাদাৰ-সকলৰ পৰা ৰছিদ দেখুৱালেহি, আৰু তেতিয়াই তেওঁৰ মাটিত নাঙল লাগিলগৈ। ৰৰে হেচুকি দিয়াৰ ফলত ধুমধাম স্কুল-ৰেটৰ ৰছিদে ৰায়তৰ ফাললৈ বাট ল'লে আৰু সেইদৰেই অসহযোগ নীতিয়ে ৰৱনগৰীয়াৰ হাতত প্রাথমিক পৰীক্ষাত জয়লাভ কৰিলে। এই জয় হয় এমে দিনত—যেতিয়ালৈকে অসমত কংগ্রেছীয় সত্যাগ্রহ নীতিক কার্যকৰীভাবে খটোৱা হোৱা নাছিল বুলিলে বঢ়াই কোৱা নহয়।

৬। অসহযোগৰ অতর্কিত ভুমুকি।

সমসাময়িক ভাৱে হোৱা ঘটনাৰ ভিতৰত উল্লেখযোগ্য হ'ল যোৰহাটৰ আৰু বহাৰ[৪] দুটা ঘটনা। পণ্ডিত কণকচন্দ্র কাব্যতীর্থই চৰকাৰী চাকৰি ত্যাগ কৰি বহাত স্কুল পাতিছিল। সেই ঠাইতে এখেতৰ নেতৃত্বত তৈয়াৰ হৈ উঠা স্বেচ্ছাসেৱক জনদিয়েক কানি মহলৰ মুখত পিকেটিং কৰাৰ অপৰাধত গ্রেপ্তাৰ হ'ল। অসহযোগ আন্দোলনৰ ক্ষেত্রত অসমত এয়ে প্রথম ধৰ-পাকৰ, আৰু এই ঘটনায়েই সমস্ত নগাঁও জিলালৈ আনিলে জাতীয় জাগৰণ। লগতে পণ্ডিতজীকো নগাঁও জিলাৰ মুকুটবিহীন ৰজাৰ আসনত থাপিলে।

সেইদৰে লাহিড়ৰ[৫] হেমনাথ ফুকন দেওক জুৰীত বহিবলৈ মাতোতে আদালত বিসর্জনৰ অজুহাতত চৰকাৰৰ আদেশ অমান্য কৰাৰ অপৰাধত ফাটেক দিয়ে। এই ঘটনাই জগাই তুলিলে যোৰহাট অঞ্চল।

৪। নগাঁওৰ বহা।

৫। যোৰহাট মহকুমাৰ বামুনপুখুৰী (জাজী) অঞ্চলৰ।

৭। অসহযোগৰ আখৰা।

ৰৱনগৰৰ স্কুলঘৰ সাজিবলৈ লওঁতেই চৰকাৰক তাৰ খৰচৰ আধাভাগ এককালীন সাহায্য, আৰু হেড্‌মাষ্টাৰৰ দৰমহাটো মাসিক সাহায্য স্বৰূপে পাবলৈ আবেদন কৰা হৈছিল। ওপৰা-ওপৰিকৈ স্মাৰক-পত্ৰাদি দি থকাৰ মূৰত এদিন সমিধান আহিল যে স্কুলৰ ঘৰ-দুৱাৰকে আদি কৰি যথা-সৰ্বস্ব জামিনৰ বিনিময়ত গৱৰ্ণমেণ্টে মাহে পঁচিশ টকাকৈ সাহায্য দিব। মানুহৰ দলদোপ হেন্দোল-দুপিয়া ৰাজহুৱা সভা এখনিত এই মৰ্মে প্ৰস্তাৱ লোৱা হল যে, হেজাৰ হেজাৰ ধন ভাঙি তিনিখন মৌজাৰ ভিতৰত উমৈহতীয়াকৈ পতা একমাত্ৰ মধ্য-ইংৰাজী স্কুলখনিৰ কাৰণে যাবতীয় সম্পদৰ বন্ধকত কেবল পঁচিশ টকা মাসিক সাহায্য নিতান্ত অপমানসূচক হেতু, অতি কষ্টোপাৰ্জিত সত্ত্বেও, এই সাহায্য প্ৰত্যাখ্যান কৰা হওক। বিষ্ণুপ্ৰসাদ দুৱৰাৰ ন্যায় বিচাৰৰ আৰু অসীম সাহসিকতাৰ নিদৰ্শন আমাৰ এই খোজটোত পোৱা গ'ল, কিয়নো তেখেত মহকুমাধিপতি সত্ত্বেও, প্ৰকাৰান্তৰে অসহযোগমূলক এই প্ৰস্তাৱটি তেখেতৰ সভাপতিত্বতে গৃহীত হ'ল।

৮। ৰৱনগৰত তৃতীয় সফলতা।

আকৌ ব্যৱস্থাপক সভাৰ সভ্যপদৰ কাৰণে মনোনয়ন-পত্ৰ দাখিল কৰা দিন দিলে। কংগ্ৰেছে অসহযোগ কৰিছে যেতিয়া নিৰ্বাচনৰ সম্মুখীন হব নালাগিব ভাবি আমাৰ স্কুলৰ চেক্ৰেটাৰী ৰায়চাহাব ৰজনীকান্ত চৌধুৰী মৌজাদাৰ ডাঙৰীয়াই হাতত সাৰে ভৰিত সাৰে গৈ মনোনয়ন-পত্ৰ দাখিল কৰিলেহে মাথোন, লোহিত চন্দ্ৰ নায়ক উকীল ডাঙৰীয়ায়ো সিজনক অনুসৰণ কৰিলে। নিৰ্বাচনত উকীল জিকিল। পিচে প্ৰশ্নটো হৰা-জিতাতে সীমিত নহয়। ঘাই কথা হৈছে, ৰৱনগৰৰ ভোটৰ বাকচত এটুকুৰা কাকতো

নোসোমাল। (সোমোৱা হলে হয়তো ৰৱনগৰীয়াৰ নিজৰ ৰায়চাহাব চৌধুৰী ডাঙৰীয়াৰহে জিত্ হ'লহেঁতেন)। এইটি লৈ ৰৱনগৰে অসহযোগ পাশুপাতৰ তিনি খেলাত জয়লাভ কৰিলে। প্ৰথম, স্কুল-বেট্ নিদিয়া অনা-ৰৱনগৰীয়াৰ মাটি ছন পেলাই, দ্বিতীয়তে স্কুললৈ পোৱা চৰকাৰী সাহায্য প্ৰত্যাখ্যান কৰি, আৰু তৃতীয়তে, ভোটৰ শূন্য-বাকচক শূন্য কৰি জাতিৰ মান ৰাখিলে।

৯। ৰৱনগৰত কংগ্রেছ কটকা চন্দ্রনাথ শৰ্মাৰ পদাৰ্পণ।

শিশু-আলোচনী 'অকন'ৰ[৬] যুটীয়া সম্পাদক লোহিত চন্দ্র ভূঞাঁ আৰু কটন কলেজ ত্যাগ কৰি অহা তৰুণ ভট্টাচাৰ্যক[৭] লগত লৈ গধূলি এটাত চন্দ্রনাথ শৰ্মা ডাঙৰীয়া ওলালহি। পিচদিনাই তেখেতক এখন ৰাজহুৱা বিধৰ সভা পাতি দিব লাগে। এনেকৈনো কেনেকৈ ভুকুতে কলটো পকাই দিওঁ? দেওবাৰলৈ শ-দেৰশমান ৰাইজ স্কুলৰ ময়দানত চপাই দিবলৈ গাত লৈ শনিবাৰে ঘূৰি আহি পোৱাৰ বন্দোৱস্তত পিচদিনা পুৱা তেওঁবিলাকক ৰৱপেটালৈ বুলি পঠিয়াই দিয়া হল।

শনিবাৰে গুৱাহাটীৰ উকীল (পিচলৈ আমাৰ মুখ্যমন্ত্রী আৰু মাদ্রাজৰ গবর্ণৰ) বিষ্ণুৰাম মেধিৰ পৰা তাৰ পালো, 'চন্দ্র শৰ্মাক বেগতে পঠিয়াওক (চেন্দ্ চন্দ্র শৰ্মা ইমিদিয়েত্লি)'[৮]। বিশেষ নেভাবি নিচিন্তি আমিও বিজুলী ডাকেৰেই উত্তৰিলো, 'বিৰাট সভা আয়োজিত, আৰু নেতাৰ প্রয়োজন (হিউজ্ মিটিং এৱেন্জড, ম'ৰ লীদাৰচ্ বিকোয়ার্দ)'[৯]। দেওবাৰে ৰাতিপুৱা দোপালপিটা ৰৱযুণ।

৬। প্রথম মাহেকীয়া শিশু আলোচনী ৪৩ নং আমহার্ষ্ট ষ্ট্রীট (কলিকতা)ৰ পৰা প্রকাশিত পণ্ডিত হেমচন্দ্র গোস্বামী, কামাখ্যাৰাম বৰুৱাৰ সৌজন্যত।

৭। অগ্নিঋষি কমলাকান্ত ভট্টাচাৰ্যৰ পুত্র।

৮। Send Chandra Sarma immediately.

৯। Huge meeting arranged, more leaders required.

এনে গেলা ডাৱৰীয়াত মানুহ চাপখোৱা উজু কথা নহয়। যি-সময়ৰ কথা কোৱা হৈছে, তেতিয়া ৰৱনগৰ স্কুলখন আছিল দক্ষিণ গণকৰাৰী আৰু আমগুৰিৰ দোমোজাত। কি জানি টেলিগ্রাম পাই কোনোবা ওলায়হি এনে ভাবি দহমান বজাত ষ্টেচনলৈ বুলি ওলালো। সভাৰ সময় দুপৰীয়া। এতিয়াও জন-প্রাণী শূন্য-প্রায় সভাৰ ঠাই। চন্দ্র শর্মাৰ কথামতে ৰৱষুণ এৰিৰৰ কাৰণে ৰৱপেটা থানৰ নামঘৰতে ঘিউচাকি এটি জ্বলোৱা হল। ষ্টেচন পাওঁতে ৰ'দে ৰেঙালে। নবীনচন্দ্র ৰৱদলৈ, বিষ্ণুৰাম মেধি, ৰোহিণী কুমাৰ চৌধুৰী (পিচলৈ মন্ত্রী), গৌৰী তালুকদাৰ, অম্বিকাগিৰি ৰায়চৌধুৰী, নিধিৰাম দাস মোক্তাৰ আদি বাৰজনমান নেতা আৰু তেইশজনমান কলেজীয়া ছাত্রক পাই হৰিষ পোৱাৰ লগে লগে বুকুৱে ঢিপিং ঢিপিং কৰিছিল, সভাথলীত ৰাইজ নাই যদি কি কথা হব বুলি। এনেতে ৰৱদলৈ ডাঙৰীয়াই ৰোলে, "ভোকত আটাইৰে পেটে কলমলাই আছে; আগতে পেট-পূজা, তেহে মিটিং।" লগতে মোৰ চিন্তাৰ ধাৰাও সভাৰ সমাজখনৰ ধান্দাৰ পৰা ফালৰি কাটি ভূৰি-ভোজনলৈহে পৰিৱর্তিত হ'ল। অনাদি ৰায়নৰ লগত চাউল, দাইল, আলু, ময়দা, চেনি আৰু চাহ পাতৰ বন্দোৱস্ত কৰা হ'ল। অতিথিসকলৰ সৈতে আমি গৈ পোৱাৰ আগতেই ৰছদ-পাতিখিনি আৰু কিমানখিনি ডাঙৰ ডাঙৰ মানুহ পিছে পিছে খোজ কাঢ়ি আহি আছে, তাৰ খবৰ-বাতৰি যথাস্থানত ওলালগৈ। মতিকাই ধৰীয়া চকিদাৰকো লগত লৈ গৈ প্রকাণ্ড ৰৌ মাছ এটা পেলালেহি। এইদৰে নৰনাৰায়ণৰ সেৱা উপলক্ষে সমবেত ভকতসকলৰ ভোজৰ ব্যৱস্থা আচম্বিতে হৈ গ'ল। তাৰ প্রধান উদ্যোক্তা হল মতিকা। টিলিকা হলেও আটিল এই চহা মতিকাটি ৰৱনগৰৰ মৌনী বন্ধু। সাজৰ নামত আঠুমুৰীয়া চুৰীয়া এখনি, গামোচা এখন আৰু এটা ফটহু চোলা, এয়ে সম্বল। ৰৱনগৰত সৰভোগ, চকচকা আৰু বহা প্রত্যেক ঠাইতে সপ্তাহত দুদিনকৈ বহা ছখন হাটতে, তাতে কিনি

তাতে বেচি, যি দুপয়চা ৰাহি কৰিব পাৰে সেয়েই তেওঁৰ অৰ্জন। চিৰকুমাৰ বেচেৰাৰ ঘৰত দেহি নিজৰ বাদে কোনো নাই। যেই কোনো কামতে দৰ্শক হিচাপে ঠিয় দি থাকিব লগীয়া হলেও তেওঁ যোগ দিবই। আমাৰ স্কুলৰ পৰিচালনা সমিতি (মেনেজিং কমিটি) বহিলে তেওঁ চোৰাংকৈ সকলো শুনি থাকে। পিচতে তেওঁ বুজামতেই সমিতিৰ সমালোচনা এটি কৰিবহিয়েই। সেই সময়ত সৰভোগহে ৰৰপেটা নগৰৰ ৰেলষ্টেচন্। তেতিয়া যানবাহন বুলিবলৈ গৰু-গাড়ী, বাইচাইকেল বা ঘোঁৰা। চীফ্ কমিচনাৰ চাৰ্ বীটচন্ বেল্ চাহাৰ আহক ৰৰপেটাৰ পৰা সৰভোগলৈ বুলি। আগতে ভূ পাই মতিকা দুপৰ ৰ'দত ৰাজ-আলিত ঠিয় দি আছেগৈ,—লাট চাহাবৰ লগত দৰ্শনৰ হেপাহত। তেওঁ চাহাবৰ পোনে পোনে ঠিয় হৈ দীঘলীয়াকৈ কৰপুতে দন্দৱৎ জনাই কৈ গ'ল, "হুজুৰ ধৰ্মাৱতাৰ, গৰীৱ দুখীয়াৰ প্ৰাৰ্থনা ;—পেঞ্চিল আৰু ৰবৰ দুয়োটা পাই মণ্ডলবোৰে চহাৰ মাজত কন্দল লগাই ফুৰে। সিহঁতক চিয়াহীৰে লিখিব দিব লাগে। পেঞ্চিল দিলে ৰবৰ টুকুৰা সিহঁতৰ পৰা কাঢ়ি নিব লাগে। আৰু, গ্ৰেজিং টেক্স[১০] লগাই কেচুৱাৰ মুখৰ গাখীৰ হৰি নিছে। এইটো ভাল হোৱা নাই। এই টেক্সদাল গুচাব লাগে।" মোক সদায় বুজায়, "বাপা,. খাটিৰৰ নাম লোকচান। ডাঙৰ ডাঙৰ মানুহৰ লগ ৰৰকৈ লৰ নেলাগে। ৰৰপেটাৰ ৰৰহাকিমৰ ৰঙলাত পুৱাৰপৰা গধূলিলৈকে পানী উতলি থাকে। তুমি গ'লে তোমাক তেওঁৰ নোকৰে তাৰে এপিয়লা আনি দিব। তোমাৰ ঘৰলৈ ৰৰহাকিম আহিলে তুমি খুৱাবা একেবাৰে লুচী-পুৰী। তাৰ তলপ সাত শ, তোমাৰ মুঠে আঢ়ৈকুৰী।"

সেই ভোজটিৰ ৰান্ধনি উঠিছিল স্কুলৰ তৃতীয় শিক্ষক দধিমোহন গোস্বামী আৰু মোৰ লগত থাকি পঢ়া টিহু অঞ্চলৰ দালদৰিদ্ৰ গোঁসাই এঘৰৰ ল'ৰা, ঘনকান্ত গোস্বামী।

১০। Grazing Tax.

১০। ৰাজহুৱা সভাখন।

ৰেল ষ্টেচনৰপৰা ফিৰাৰ বহু আঁতৰৰ পৰাই মণিৰ পৰা গৈছিল, স্কুলৰ আহল-বহল খেল-পথাৰত জুম জুম মানুহৰ সমাগম। থলী পাই হেজাৰ হিচাবে গণিৰ লগীয়া মানুহ দেখি অতিথিবৃন্দৰ হৰিষ চাই কোনে? ইমান মানুহ যে কৰপৰা তেনেই হিল্‌দল্ ভাঙি আহিল, সিও ভাবিবৰে কথা। চন্দ্রনাথ শর্মাদেৱে সভাপতিৰ আসন গ্রহণ কৰিছিল। সভালৈ নিমন্ত্রিত স্থানীয় চৰকাৰী চাকৰীয়াল সকলো আহিছিল। ৰায়চাহাব ৰজনীকান্ত চৌধুৰী, ঘোৰ অকংগ্রেছী আৰু চৰকাৰ-সেৱী যদিও, নেতাসকলৰ লগত বহিব দিলত তাতে বহিলে। বহাৰ দলিছা বুলিবলৈ বননিহে।

ৰৰদলৈ ডাঙৰীয়াৰ বক্তৃতাৰ মাজত দুবাৰ বহুতৰে চকুলো দুধাৰে বৈ গৈছিল। জনদিয়েকে হুকহুকুকৈ কান্দি পেলাইছিল, এবাৰ জালিনৱালাবাগৰ নৃশংস হত্যাকাণ্ডৰ বর্ণনা শুনি, আৰু সিবাৰ খিলাফতৰ ঘোৰ অবিচাৰৰ হৃদয়-বিদাৰক বিবৃতি শুনি। চন্দ্র শর্মাদেৱে কিমানবাৰ যে ভৰিৰ আঙুলিৰ ওপৰতে ভৰ দি ঠিয় হৈ বক্তৃতাৰে সমজুৱাৰ তেজ উতলাই আছিল নিজে বোধকৰো তাৰ উমানকে নেপাইছিল। বিষ্ণুৰাম মেধি ডাঙৰীয়াৰ ঘূৰণীয়া অলপ তেলেকা-মূৰীয়া চচ্‌মাজোৰত প্রকাশিত হোৱা ঘোৰ মূর্তিৰ লগত সেনাপতিৰ গাজনিৰ নিচিনা কথাবোৰে সকলোকে তৰক্ মনাইছিল। কবি-সাহিত্যিক অম্বিকাগিৰি ৰায়চৌধুৰীৰ কথা-বিলাকো বিশেষ উদ্দীপনাময় হৈছিল। সেইদিনাৰ সেই সভাখনিত হাঁহি আৰু কান্দোনৰ ৰোল তুলি জাতি-বর্ণ আৰু সম্প্রদায় নির্বিশেষে সকলোকে যেনে তন্ময় কৰা দেখিছিলো, তেনে ধৰণৰ পন্থাৰে দিয়া বক্তৃতা আৰু নুশুনা হলো। সেই সময়ত সর্বজন-পূজিত লোকপ্রিয় নেতা একোজনে মাইল মাইলকৈ খোজকাঢ়ি গৈ একেবাৰে হাঁহি-মাতিয়েই পোনচাতেই সভা একোখনত সোমাই কাম চলাই দিব পাৰিছিল।

মেজ আৰু বেঞ্চবোৰ দীঘে-পথালিয়ে সুবিধা অনুযায়ী জোৰা দি সকলোটি ৰাতিটোলৈ স্কুল ঘৰতে পৰি থাকি পুঁৱতীয়া নিশা দলপাতি ওলোৱা হ'ল ৰেলেদি, চৌখুটি আৰু পাটাচাৰ-কুচি বুলি।

১১। নবীন চন্দ্র বৰদলৈৰ প্রতি আক্রমণ।

চৌখুটিত, মূৰত গামোছা-মৰা হজুৰা যেন মানুহ এজনে, বৰদলৈৰ বক্তৃতাৰ মাজতে নিজেহে কবলৈ উঠি ঘনাই আমনি দিবলৈ ধৰিলে। স্থানীয় ৰাইজৰ মাজত কোহাঁল উঠিল, "থঁ, থঁ, কত ভাগ্যৰ গুণে আজি নিজৰ গাঁৱতে এনেহেন ডাঙৰ ডাঙৰ মানুহসকলৰ সাক্ষাৎ পাইছো, সিবিলাকৰ কথা শুনো দেঁ, তইনো কলৈ পলাই যাবি? পিচেপৰেও তোৰ কথা যতমানে কৈ থাকিবি, শুনি থাকিম।" এনে কথা কটাকটিৰ মাজত সভাপতি চন্দ্রনাথ শর্মা ডাঙৰীয়াই ক্ষন্তেক ৰবলৈ বৰদলৈ ডাঙৰীয়াক অনুৰোধ জনাই, কিনো কৰ খোজে তাকে মানুহজনক কবলৈ নির্দেশ দিলে।

মানুহজনে এনেদৰে আৰম্ভ কৰিলে—"ৰাইজসকল, এইযে বক্তৃতা দি আছে, সেইজন হাইকোর্টৰ উকীল নবীনচন্দ্র বৰদলৈ ডাঙৰীয়া। দুখীয়া ৰাইজৰ গাঁঠিৰ ধন ভাঙি সৌ সিদিনাহে তেওঁ স্বৰাজ আনিবলৈ বুলি বিলাতলৈ গৈছিল। তাতে লাগিল কিহবাত পাক্। আজি আকৌ আহি আমাৰ মাজত ঠিয় দিছে কবলৈ ৰোলে তেওঁ অনাখন স্বৰাজ তেওঁক নেলাগে, গান্ধী মহাত্মাই যিখন স্বৰাজ আনিবলৈ বিচাৰিছে, সেইখনকহে বোলে তেওঁও বিচাৰিছে, আৰু আমাকো দিব খুজিছে। ৰাইজসকল, তাকেহে ভাবিছো বোলো এইখন দিঠক নে সপোন? এখেত স্বর্গীয় ৰায়বাহাদুৰ মাধৱ চন্দ্র বৰদলৈ ডাঙৰীয়াৰ পুতেক। কুৰি-পছিশ বছৰমানৰ আগতেও এবাৰ এইদৰে ৰাইজখনক মহাৰাণীৰ বিৰুদ্ধে উচতাই দি ডাঙৰ ডাঙৰ মানুহখিনি দিহিঙে দিপাঙে পলালে। তেতিয়া এওঁ বৰদলৈৰ

পিতাক মাধৱচন্দ্ৰ ৰৱদলৈয়েই আছিল আমাৰ ৰৱহাকিম। তেওঁ গোটেই ৰাইজখনকে বোলে যিহে নগুৰ শাস্তি বিহিলে। বামুণ মহন্তক বোলে নাঙলৰ খুটিত ধৰালে। দেশখনৰ প্ৰজাৰ হেনো দুখে কুলাই পাচিয়ে নধৰা কৰিলে।[১১] সেইজন স্বৰ্গীয় মাধৱ চন্দ্ৰ ৰৱদলৈৰ পুতেক এইজন মাননীয় নবীন চন্দ্ৰ ৰৱদলৈ। ৰৱ ডাঙৰ উকীল! ৰাইজে গম পাইছেই সেই সুৰেন্দ্ৰ নাথ বেনার্জীৰ কথা। তেওঁ বঙালী! তেওঁ নেতা হৈ যতমানে ডেকা ডেকা বঙালী লৰাবোৰক ফাঁচী-কাঠত তোলালে! কিমান এতিয়া জেলত জহিছে পচিছে! অ' খাই কাৰ্শলা দালতহে উঠিল। সেইজন মহাপুৰুষ বোলে এতিয়া ইংৰাজৰ মন্ত্ৰী। এই আমাৰ ৰৱদলৈ ডাঙৰীয়ায়ো যে সেই খোজত নচলিব কোনে জানে? আমি উকীলৰ আঁসে নেপাওঁ ৰাইজ! এই উকীল বিলাকৰ কথাত ভোল নাযাব। কাটকে বা মাৰকে, বন্দীয়ে হক কথাহে কৈছোঁ। ৰাইজকো হুঁচিয়াৰ কৰি দিলোঁ।"

১২। সাৱধান! সাৱধান!! সাৱধান!!!

ৰৱদলৈ ডাঙৰীয়াক উত্তৰ দিবলৈ বুলি বহুৱাই থৈ সভাপতিৰ সম্মতিক্ৰমে তৰুণ ফুকনদেৱে মানুহজনক সমিধান দিবলৈ ললে। "...তেখেতে অন্তৰ খুলি কথা কেইষাৰ কোৱাত ৰৱ ৰং পাইছোঁ। 'মেলত থাকি নেমাতে উচিত, দোষে পাই তাক কিঞ্চিৎ কিঞ্চিৎ।' এইদৰে হক্ কথা একেষাৰ সাহসেৰে দহৰ মাজত ডাঙি ধৰিব পৰাটো ৰৱ আনন্দৰ কথা। আপোনাসকলক সম্প্ৰতি কৈছোঁ, আৰু বাৰে বাৰে ক'মও, তেখেতৰ আশংকা উলাই কৰি দিব পৰা বিধৰ নহয়।

(১১) অমিয় কুমাৰ দাসৰ উক্তি, স্মৃতি-তীৰ্থ, (পদ্মশ্ৰী নলিনী বালা দেবীৰ) প্ৰথম সংস্কৰণৰ ২৭ পৃষ্ঠাতো এনে ভাব এটাৰ উল্লেখ দেখা যায়। যিটো আন্দোলনৰ কথা কৈছে সেইটো মাটিৰ শ্ৰেণী বিভাগ কৰি খাজনা বঢ়াওঁতে ১৮৯৪ চনত হোৱাটোৱেই কিজানি।

তেখেতৰ ভয়টো সঁচা। ধৰক মোৰে কথা, মোক বোলে বেলেষ্টৰ। কথা বেচি খাওঁ। সুযোগ মিলিলেই মন্ত্রী হৈ মই যে ত'ত ৰায়-বাহাদুৰ ঘনশ্যাম বৰুৱা ডাঙৰীয়াৰ লগত সমানে নবহিমগৈ তেনে সৈ কাঢ়িব নোৱাৰো। অসমক স্বায়ত্ব শাসন দিয়াৰ কথাই নুঠিছিল। অসমক সদিয়া অঞ্চলৰ লগতে জাপি অজান্তি মুলুকত (পলিটিকেল্ এজেন্সাত) সুমুৱাই লোৱাৰ কথা হে আছিল। এই ৰৱদলৈ ডাঙৰীয়াই বিলাতলৈ গৈ লাগি-ভাগি ৰজা-ঘৰৰ মন ঘূৰালে। গতিকে মন গলেই তেখেত মন্ত্রীৰ গাদীত বহি থাকিবগৈ। এতেকে ভবিষ্যতলৈয়ো যে মন্ত্রীৰ আসনৰ মোহ পৰিহাৰ কৰি আপোনা-সকলৰ মাজত এতিয়া থকাদি থাকিম তাৰ আশ্বাস আমি কোনো পধ্যেই দিব নোৱাৰোঁ। পিছে তাতো এযাৰি কথা কবলৈ আছে। সুৰেন্দ্রনাথ বেনাজীয়ে সকলোৰে মাজত বঙ্গদেশখনকে বেচিকৈ জগাই তুলিলে। এইজন পুৰুষ জাতিৰ পিতা। তেওঁৰ জহতে এতিয়া দেশ সজাগ। আজি তেওঁ মন্ত্রী হ'ল হয়, তাকো ঈশ্বৰে ভালকৈকে কৰিলে। এতিয়া এজন মাত্র সুৰেন বেনার্জীৰ স্থান কুৰি কুৰি বঙালী সুৰেন বেনার্জীয়ে অধিকাৰ কৰিলে। নামনো কিমানৰ কম? সুৰেন বেনাজী নোহোৱা হলে পাতৰ আঁৰত লুকাই থকা চিত্তৰঞ্জন দাস, যতীন্দ্র মোহন সেনগুপ্ত আদিয়ে আজি বঙ্গদেশত অহিংস অসহযোগৰ অস্ত্রেৰে বিদ্রোহৰ অগ্নি এনেকৈ ছলাই তুলিব নোৱাৰিলেহেঁতেন। তেনেকৈয়ে সময় থাকোঁতেই আপোনালোকো জাগি উঠক, যাতে আমি, ঈশ্বৰে নকৰক বাক, ৰাইজৰ দ্রোহ আচৰিলেও আপোনালোকৰ ভিতৰৰ পৰা শই শই তৰুণ ফুকন, নবীন ৰৱদলৈ আদি আহি আমাৰ অভাৱ অনুভৱ কৰিব নলগা কৰিব। আপোনালোকেই হেলাৰঙে কংগ্রেছক বাট দেখুৱাই নিব পাৰিব।" সভাস্থল কাঁহ পৰি জীন যোৱাৰ দৰে নিতাল মাৰিলে।

১৩। নলবাৰী।

ইয়াৰ পিচত নলবাৰী। তাত বেচেৰা ইন্দ্রেশ্বৰ বৰঠাকুৰে তেতিয়া চাটিফুটি কৰি আছে, কোন বাটে যাব পাবে তাকে ভাবি গুণি। মই আচৰিত মানিলো, তেনেই অকলশৰীয়া এই মানুহজনে কাম এৰিলেও কিবা উপায়ে জীৱিকাৰ বাট হে লব লাগিব, আন্দোলনততো বৰঠাকুৰৰ পৰা লেশমাত্রও সহায় নহব! শেহত কথাটো বুজাৰ লগে লগে তেখেতো গহীন হৈ গ'ল। সভাত প্রতাপ-চন্দ্র গোস্বামী দেও সভাপতি আছিল। ইন্দ্রেশ্বৰ বৰঠাকুৰে দুআষাৰ মান কৈছিল যদিও সংযত ভাৱেহে। তথাপি নবীন বৰদলৈয়ে কংগ্রেছত বৰঠাকুৰ লাগিবহি বুলি আশা ৰাখিছিল, সেই সম্পর্কে মই বৰঠাকুৰক কি কৈছিলো তাকো জনা সত্ত্বেও। এনেদৰে আমি হেজাৰে নপতিয়াওঁ লাগে, বৰদলৈয়ে কিন্তু বৰ আশা কৰিছিল ছাত্রল্লা চাহাবো কংগ্রেছত নামিবহি বুলি। অথচ তেখেতে ছাত্রল্লাক মোকর্দমাৰ নথীৰে এনেদৰে কলিকতাত পুতি থৈ আহিছিল যে জীৱনত ইমানখিনি সুবিধা এবাৰ পালে এৰাটো সহজ হৈ নাথাকে।

১৪। বাঘ চিকাৰত মাউত খতম্।

বোলে হিলাপাকৰীৰ (হাউলীৰ) চিকাৰত মাটিৰ বাঘলৈ মৰা গুলি হাতীৰ ওপৰত থকা মাউতৰ বুকুৱেদি সৰকি গ'ল। যতে মৰিল ততে বেচেৰাক পুতি পেলালে। ঘটনাত সাফঁৰ লগাই চিকাৰো সামৰি চিকাৰীৰ দলে সৰভোগ ডাকবঙলা অধিকাৰ কৰিলেহি। চিকাৰীসকলৰ ভিতৰত আছিল অসম ব্যৱস্থাপক সভাৰ প্রথম সভাপতি অনাৰেবেবোল্ আৰবথনট্ চাহাব, তেওঁৰ জীয়েক বা চীফ কমিচনাৰৰ পৰিবাৰ মিচেছ্ বীট্চন্ বেল্, সভাৰ্যে অসম উপত্যকাৰ আয়ুক্ত বীদ্ চাহাব, নায়েব নে চেক্রেটাৰী সমেত সপুত্রে গৌৰীপুৰৰ জমিদাব, আৰু আমাৰ ৰায়চাহাব ডাঙৰীয়া।

প্রত্যক্ষদর্শীৰ মতে, থোৱতে কবলৈ হ'লে খেদাৰ তাপত দুফালে মুখামুখিকৈ থকা হাতী দুলানিৰ মাজতে ওলালহি ঘপৰাই এক প্রকাণ্ড বাঘ। বাঘ, তলৰ মাটিত, মানুহবিলাক ওপৰত,—হাতীত। চিকাৰী এজনৰ হিলৈৰ জাঁই মাটিৰ বাঘলৈ নেনামি ৰজাবাহাদুৰৰ পুতেক উঠি থকা হাতীটোৰ মুৰৰ ওপৰেদি মাউতজনৰ বুকুৰে সৰকি ৰজাৰ বিষয়াজনৰ ভৰি ঘাইল কৰিলে। ৰজাৰ পুতেক বাচিল। এই মাউত বধ ঘটনাটো যে গোপনে ৰাখিছে, সেই বাতৰিটো মই দিয়াৰ দৰেই হুবহু কলিকতাৰ 'অমৃত বাজাৰ পত্রিকা'ই প্রকাশ কৰিলে। তাকে দেখি ৰাজ-হাউলীত হুলস্থুল লাগিল, আৰু সেই প্রত্যক্ষদর্শীজনেই এইবাৰো মোক কলেহি বোলে "ৰীড্ চাহাবে বাতৰি যোগনীয়াৰজনৰ নাম বিচাৰি 'অমৃত বাজাৰলৈ লিখিছে" আৰু এই প্রত্যক্ষদর্শীজনৰ মতেই, 'এনে গোকাট মিছা কথা কাগজত উলিওৱাৰ পোটক সেই জাল সংবাদদাতাজনে পাৰও লাগে বোলে।" ইমান সোনকালে এই বন্ধুজনে তেৱেঁ মোক কৈছিল বুলি যে পাহৰি পেলালে, তাকে ভাবি মোৰ বুকুৱে চিৰিং কৰি উঠিল। টান পাই ৰাম বুলি চন্দ্রনাথ শর্মাকে আদ্যোপান্ত জনালো।

১৫। চন্দ্রনাথ শর্মাৰ মহানুভৱতা।

মোৰ ভয়টো বুজি চন্দ্রনাথ শর্মাই 'অমৃত বাজাৰ পত্রিকা'ৰ মালিক-সম্পাদক মতিলাল ঘোষলৈ এই মর্মে জনালে যে, বাতৰিটো দিওঁতাজনৰ নাম কেনেবাকৈ জনাব লগীয়া হলে তেওঁৰ (শর্মাৰ) নামহে জনাব, কাৰণ সংবাদটো প্রকৃতপক্ষে তেওঁৰহে। চন্দ্র শর্মাৰ পৰামর্শমতেই মই দিনে দিনে 'অমৃত বাজাৰ'লৈ লিখিবলৈ ধৰিলো, "মৃত মাউতৰ পৰিয়ালক এতিয়ালৈকে কোনো ক্ষতিপূৰণ দিয়া হোৱা নাই।"—বুলি।

১৬। আতঙ্ক।

ইতিমধ্যে এদিন ধৰীয়া চৌকিদাৰে খবৰ দিলে বোলে, পুলিচ এটাই মোক বিচাৰি জপনামুখ পাইছেহি। পুলিচৰ নাম শুনি চিন্তা লাগিল। ৰীদ চাহাবৰ শৰ পাতেই পালেহি বুলি ধাৰণা হল। পৰোৱানাখন পঢ়িবলৈকো ধৈর্যচ্যুতি হৈছিল। পিছে মোক পুলিচ চাব্‌ইন্‌স্পেক্টৰৰ কামৰ কাৰণেহে চিঠি। সেই কথা সিমানতে ওৰ পৰিল। মনৰ ভয়ৰ প্ৰকোপ এইবাৰহে প্ৰথম উপলব্ধি কৰিলো।

১৭। কৃতকৃত্য।

এদিন প্ৰত্যক্ষদৰ্শীজনে যি বাতৰি দিলেহি, তেওঁৰ ঠাচতে কওঁ বাৰু, "বুজিছেনে হেডমাষ্টাৰ বাবু, এই ইংৰাজ জাতিটো বাহিৰেহে বগা এনে নহয়, সিবিলাকৰ অন্তঃকৰণো বৰ চাফা। উঃ, সেই যে মাউতটো চিকাৰত মৰিছিল, তাৰ তিৰীজনীক আজি ৰীদ চাহাবে ৰজা বাহাদুৰৰ হকে ডাকবঙলালৈ মাতি আনি বাৰ বিঘা ৰূপিত মাটি যে দিলেই, নগদ বাৰশ টকাও দিলে, তাই বৰ খুচী হৈ গৈছে। বগা, যেনে বাহিৰে ভিতৰেও তেনেকুৱা বগাই। আপুনি কি কয়?" সেইদিনাৰ পৰা আৰু 'অমৃত বাজাৰ পত্ৰিকা'লৈ "বাঁৰী মাউতনীয়ে পয়চা নাই পোৱা" বুলি লিখিবলৈ এৰিলোঁ।

এইখিনিতে কৈ থোৱা হৈছে যে এই চিকাৰটোৰ কৰ্তা গৌৰীপুৰৰ জমিদাৰ। বাকী চিকাৰীসকল আমন্ত্ৰিত ৰাজ-অতিথি। নিজকে নিজে হাড়ে হিমজুৰে অসমীয়া বুলি উপলব্ধি কৰিছিল কাৰণেই অসমৰ একমাত্ৰ ৰজা বাহাদুৰ, এই প্ৰভাতচন্দ্ৰ বৰুৱা ডাঙৰীয়াই বছৰৰ পিচত বছৰকৈ অসম এচোচিয়েচনৰ সভাপতিৰ আসন সুশোভিত কৰি আছিল। অসম এচোচিয়েচনৰ সভাপতিৰ মৰ্যাদা অসমৰ কাৰণে, কংগ্ৰেছৰ সভাপতি সদৌ ভাৰতীয়ৰ পক্ষে

যেনে, তেনে আছিল। এই ৰজা বাহাদুৰৰ ষ্টেটৰ পৰাই বৃত্তি লাভ কৰি অসমীয়া ডেকাই পোন প্ৰথম জাপানলৈ শিক্ষার্থে যায়। ১৯০৫ চনত যোৱা সেই ছাত্ৰজন লক্ষেশ্বৰ ৰৰঠাকুৰ। ঘূৰি আহি ৰজা বাহাদুৰৰ সহযোগত কুহিয়াৰ বাগান আৰু চাহ বাগিছা পাতেহি[১২]। চৰকাৰী মহলৰ প্ৰৰোচনাতেনে গোৱালপাৰাক টানি আজুৰি বঙ্গভুক্ত কৰিব খোজা সকলৰ প্ৰভাৱতেনে বা দুয়ো পক্ষৰ হেঁচাতে, কিছুদিনলৈ ৰজা বাহাদুৰ বঙ্গলুৱা ভাৱত মোহিত হৈছিল, আৰু সেই সময়ছোৱাত অনুমানিক দেৱলাখ টকীয়া এই চিকাৰ-টোৱে ৰজা বাহাদুৰক খৰচান্ত কৰিছিল।

১৮। উজনিলৈ এপাক।

'সম্পৎ সম্পদম্ বিপদি বিপদম্ অনুবধ্নাতি', বুলি থকা কথাষাৰ কেনেবাকৈ নিজৰ গাতে খাটিছিলেহি। শিক্ষা-বিভাগৰ (ৰৰপেটাৰ) চাব্ইনস্পেক্টৰ চিত্ৰমল্ল বৰুৱাৰ ছুটিত বোলে মই বদলি দিব লাগে, তিনিমাহলৈ। চমুতে দিয়া চিঠিয়ে বিপৰীত অৰ্থ কৰে বুলি নিজে যোৰহাটত ইন্স্পেক্টৰক দেখা কৰি ভালকৈ বুজাই দিলো যে কথাটো পিচুৱাই থোৱাই ভাল। কোৱা বাহুল্য যে আগৰ পৰা মই প্ৰার্থী হৈ থকাৰ কাৰণেহে এই টোপটিও মুখৰ আগতে পৰিছিলহি।

যোৰহাটত চকুত লগাকৈ একো নেদেখিলো। কলেজ ত্যাগ কৰি অহা ছাত্ৰ কেইজনমানেই মাথোন যি পাৰে চেষ্টা চলাই আছে। জনতাৰ সংস্পর্শত আহিবলৈকো পোৱা নাই যদিও ৰৰনগৰ আদি আওহতীয়া ঠাইৰ তুলনাত ইয়াৰ গাঁৱে-ভূঁয়ে যেন বাগৰ সলোৱাই নাই এনে লাগিল।

---

(১২) অসম চৰকাৰৰ কৃষিবিভাগৰ ডেপুটী ডিৰেক্টৰৰ বাব খাই থাকোতেই ৰৰঠাকুৰদেৱৰ লোকান্তৰ ঘটে।

বকতা পালোহি। ইয়াৰ মানুহে পিতৃদেৱৰ নেতৃত্বহে মানিব যেন লাগিল। তেখেতৰ অসহযোগ আন্দোলনখন মনঃপুত হোৱা নাই। চালুকীয়া লৰাই স্কুল এৰা, আৰু অভিভাৱকে মাটি-বাৰীৰ বন্ধকতো টকা লৈ কলেজৰ খৰছ যোগাই থকা লৰাই কলেজ এৰা; এইখন বোলে ভাল নাই লগা।

১৯। সূতা-কটা আদিত দেউতা।

সূতা-কটা, কাপোৰ-বোৱা আদিত দেউতাই মানুহক ইমান উদগণি দিছে যে মই ববপেটাৰ ফালৰ পৰাই কেইমোনমান গাড়ো কপাহ পঠিয়াব লগাত পৰিল, আৰু তাৰ তিনি-চতুর্থাংশ নি তেখেতে ভুবনচন্দ্ৰ গগৈৰ পাটসাঁকো স্কুলত দান দিলেগৈ,—ল'ৰাক সূতা কাটিবলৈ আৰু কাপোৰ ববলৈ শিকাবলৈ বুলি।

২০। স্থানীয় শিক্ষা বিভাগৰ যুক্তি-তর্ক।

উজনিৰ পৰা ফিৰি স্কুলত পদার্পণ কৰিয়েই ডেপুটী ইন্‌স্পেক্টৰৰ যি চিঠিখন পালোহি তাৰ সাৰাংশ হৈছে 'মেনেজিং কমিটিৰ আদেশত নে হেড্‌মাষ্টাৰৰ ইচ্ছানুক্ৰমে স্কুলৰ ময়দানত অসহযোগৰ সভা বহিছিল? আৰু হেড্‌মাষ্টাৰে, চৌখুটী, পাটাচাৰকুচী, নলবাৰী আদি ঠাইত অসহযোগৰ সভাত কিয় যোগ দিছিল? তাৰ কৈফিয়ত। আৰু স্কুলখন জাতীয় হল যদি, তাৰ মঞ্জুৰী কিয় উঠাই লোৱা নহব, তাৰ কাৰণ দেখুৱাব লাগে। চিঠিখনিৰে চেক্রেটাৰীৰ[১৩] ঘৰ পালোগৈ। তাত পালোগৈ, চেক্রেটৰীলৈকো আহিল এখন চিঠি। তাত উপ-পৰিদর্শকে (ডেপুটী ইন্‌স্পেক্টৰে) লিখিছে এনে মর্ম্মে, ববনগৰ স্কুলৰ প্ৰধান শিক্ষকে অসহযোগত যোগ দিয়াত স্কুলতো অসহযোগৰ বাজহুৱা সভা পতা হৈছে। স্কুল কমিটীয়েও

১৩। চেক্রেটাৰী, ৰায় চাহাব (পিচলৈ ৰায় বাহাদুৰ) ৰজনীকান্ত চৌধুৰী, দমকা চকাবাউসী মৌজাৰ মৌজাদাৰ।

চৰকাৰে যচা সাহায্য প্রত্যাখ্যান কৰি অসহযোগৰ নীতিকে অৱলম্বন কৰিছে। এতেকে, যদিহে স্কুলখন জাতীয় পর্যায়ত পৰিণত কৰা হৈছে, তেন্তে শিক্ষা বিভাগক তুৰন্তে সেইকথা জনাব লাগে। ন চেৎ অসহযোগৰ সভা আহ্বান কৰিবলৈ প্রধান শিক্ষকক (হেড্-মাষ্টাৰক) পৰিচালক সভাই (মেনেজিং কমিটীয়ে) অনুমতি দিয়াৰ কৈফিয়ত দিব লাগে।

২১। সমস্যা গহীনেই।

এই স্কুলখনিত ৰায় চাহাবৰ অৱদান অপাৰ। কায়মনোবাক্যে খটাৰ উপৰিও আর্থিক সাহায্যৰ বিষয়তো তেখেতে অশেষ ত্যাগ স্বীকাৰ কৰিছে। জাতি-বর্ণ, সম্প্রদায় আৰু আঞ্চলিক প্রীতিৰ ক্ষেত্রত মানুহজন পক্ষপাত-শূন্য আছিল। পক্ষপাতিত্বৰ ভিতৰত ৰৱনগৰ-প্রীতি আৰু ততোধিক ৰৱনগৰ স্কুলখন, আৰু চুড়ান্ত পর্যায়ত ৰাজ-বিষয়াৰ প্রতি প্রীতিয়েই উল্লেখযোগ্য। গোটেই ৰৱনগৰ অঞ্চলতে ৰায় চাহাবৰ সমকক্ষ-প্রায় প্রতিপত্তিশালী দ্বিতীয় এজন পুৰুষ নথকাৰ হেতুকে অনেক ক্ষেত্রত এওঁৰ ওপৰত বিৰূপ সমালোচনা হোৱাটো স্বাভাৰিক; আৰু এনেবোৰ ভিতৰুৱা আলোচনাই মানুহ-জনৰ লোকপ্রিয়তাৰ ওপৰত যে আঘাত নিদিছিল এনে নহয়। তথাপি স্বীকাৰ কৰিবই লাগিব যে নন্দমোহন মজুমদাৰকে আদি কৰি স্থানীয় মুৰ-জিলিকা মানুহবিলাকৰ অশেষ চেষ্টা সত্ত্বেও ৰায় চাহাব ৰজনীকান্ত চৌধুৰীৰ ব্যক্তিগত প্রভাৱ আৰু ত্যাগ স্বীকাৰ নোহোৱা হলে সদৌ ৰৱনগৰ অঞ্চলত ইংৰাজী শিক্ষাৰ একমাত্র অনুষ্ঠান ৰৱনগৰ মধ্য-ইংৰাজী স্কুলখন ১৯২১ চনৰ ভিতৰতে এনে গপ্‌গপীয়া এটি শিক্ষানুষ্ঠান হৈ মুঠিলহেঁতেন। ৰৱনগৰ স্কুলখন সেই অঞ্চলৰ ভিতৰৰ সকলো বিষয়তে কেন্দ্রস্থল আছিল। ৰায় চাহাবৰ লিখকৰ প্রতিও কিবা এটা আপোন ভাব আছিল। উপ-পৰিদর্শকৰ চিঠি পায়েই চেক্রেটাৰী পদ ইস্তফা দিয়াটোকে ৰায় চাহাবে স্থিৰ

কৰিলে। তাত বাধা দি তেতিয়াই তেওঁক জবাবদিহি দায়িত্বৰ পৰা অব্যাহতি দিয়াৰ ভাবেৰে তলত লিখামতে চিঠি এখন উপ-পৰিদৰ্শক মহোদয়লৈ বুলি লেখি চহী কৰাই ডাকত দিয়াই দিলো,—

'যিহেতু এই পত্ৰৰ উত্তৰৰ দায়িত্ব একমাত্ৰ প্ৰধান শিক্ষকৰহে, এতেকে মোৰ হৈ তেওঁকে উত্তৰ দিবলৈ বুলি কোৱা হৈছে।' চহীটো দি চেক্ৰেটাৰী ডাঙৰীয়াই যেন এক ভীষণ চিন্তাৰ পৰা নিষ্কৃতি পালে, অথচ চেক্ৰেটাৰীৰ বাবটোও ত্যাগ কৰিব লগীয়াত নপৰিল। তথাপি নতুন পৰিস্থিতিৰ বিকাশত চেক্ৰেটাৰীৰ পদ নিষ্কণ্টক হৈ যে নেথাকিব, এইকথা তেওঁ একেবাৰতে উপলব্ধি কৰিলে আৰু মই অহাৰ পিচত বোলে নন্দমোহন মজুমদাৰক চেক্ৰেটাৰীৰ বাবটি দিলে।

একেদিনাই উভটি যোৱাকৈ বহাৰ এখন সভালৈ বুলি নবীন বৰদলৈ আৰু ৰোহিণীকুমাৰ চৌধুৰী[১৪] দুয়ো মোৰ বাসাত সোমালহি। ইয়াৰ সুযোগ লৈ উপ-পৰিদৰ্শকৰ চিঠি কেইখন আৰু চেক্ৰেটাৰীৰ চহীৰে যোৱা চিঠিৰ নকল আদি দেখুৱাই পৰামৰ্শ বিচাৰিলো। বৰদলৈ সেইদিনা ফিৰিবই লাগিব। সেই কাৰণে ৰোহিণী চৌধুৰীক মোৰ লগত এৰিলে। পিচে চিঠিৰ পাণ্ডুলিপি শ্ৰুতলিপিৰ দৰে একৰকম দিয়ে গ'ল। কবলৈ গলে ৰোহিণী চৌধুৰীদেৱলৈ নকল-নবীছৰ কামখিনিহে এৰি গ'ল। বৰদলৈ ডাঙৰীয়াই এনে সন্ধিক্ষণত চৰকাৰী চাকৰি আদি পোৱাৰ লগে লগে প্ৰত্যাখ্যান কৰিবলৈ, আৰু যি পৰ্যন্ত স্থানীয় শিক্ষাবিভাগে সম্পূৰ্ণৰূপে হাৰ নেমানে তেতিয়া-লৈকে স্কুলখন এৰি নাযাবৰ কাৰণে মোক সৈ কঢ়োৱাদি কঢ়াই থৈহে গ'ল।

উপ-পৰিদৰ্শকলৈ[১৫] লিখা চিঠিখনি প্ৰায় এনে ধৰণৰ—'আপুনি চেক্ৰেটাৰী ডাঙৰীয়া আৰু মোলৈ দিয়া দুয়োখন চিঠিৰ উত্তৰত

১৪। পিচত মন্ত্ৰী

১৫। Deputy Inspector

ইয়াকে জনাওঁ যে, গুৱাহাটীৰ বাচকৰনীয়া কেইজনমান বিদ্বান লোকৰ এঠাইত সমাগম হবৰ খবৰ পাই, বহুদিনৰ বাঞ্ছিত মতে ৰাইজৰ লগতে তেনেই পিচ পৰি থকা আওহতীয়া এই অঞ্চলৰ লৰা-ছোৱালীয়ে যাতে তেখেতসকলৰ সাৰগর্ভপূর্ণ বাণী শুনিবলৈ পায়, সেই উদ্দেশ্যে সভাখনি স্কুলৰ চৌহদতে পাতিবলৈ দিয়া হ'ল। ৰৰনগৰ মধ্য-ইংৰাজী স্কুলৰ মেনেজিং কমিটিৰ সৰহ সংখ্যক সভ্যৰ উপৰিও স্থানীয় মৌজাদাৰসকল, পুলিচ কর্মচাৰীসকল, মণ্ডল, গাঁওবুঢ়া আদি সকলো, আৰু ময়ো আমাৰ স্কুলৰ শিক্ষকমণ্ডলী আৰু ছাত্রবর্গ সমন্বিতে সভাত যোগদান কৰিছিলো। ই চৰকাৰৰ বিৰোধী ধৰণৰ কিবা অনুষ্ঠান হোৱা হলে নিশ্চয় চৰকাৰী আৰু চৰকাৰ সংশ্লিষ্ট সকলৰ সহায় সহানুভূতিৰ পৰা বঞ্চিত হলহেঁতেন। 'অন্যান্য বিষয় ৰাদ দিও সভাত বিশেষ জোৰ দি কোৱা হৈছিল কানি, ভাং, মদ, চুৰত আদি মাদক দ্রব্যৰ অপকাৰিতা, আৰু এই ৰাগিয়াল বস্তু-বিলাকৰ স্বেচ্ছাপ্রণোদিত ভাবে নিৰাৰণ, বিদেশী সামগ্রীৰ বর্জন, আৰু নিজ নিজ অঞ্চলৰ আৱশ্যকীয় যাবতীয় সামগ্রীৰ উৎপাদন আৰু প্রচলন ইত্যাদি, যিবিলাক উপদেশ সদাসর্বদায় আমাৰ ছাত্র-সকলক দি থকা হৈছে, আৰু যিবিলাক বিষয়ত তেওঁবিলাককো ছাত্র সভাৰ সাপ্তাহিক অধিবেশনত আৰু শ্রেণীতো ৰচনা লিখিবলৈ আৰু বক্তৃতা দিবলৈ শিকোৱাটো আমাৰ দৈনন্দিন কার্যক্রমত ধৰা থাকে। এনেবোৰ কথাই যদি যথার্থতে অসৎ বা ৰাজদ্রোহাত্মক, বা বে-আইনী বা চৰকাৰ-বিৰোধী, বা চৰকাৰৰ লগত অসহযোগৰ বিষয় বুলিহে বিবেচিত হয়; তাক সুস্পষ্টভাবে জানিবলৈ পালে, লগে লগে আমাৰ বিবেকেও কোনো বিৰোধিতা নকৰিব। আমাৰ ছাত্রসকলক বিদেশী দ্রব্যহে কিনিবলৈ আৰু ব্যৱহাৰ কৰিবলৈ শিক্ষা দিয়া হ'ব; আৰু তালৈকে নিজক নিজে অসমর্থ বুলি বিবেচিত হলে, অন্ততঃ নিম্নস্বাক্ষৰকাৰীজনে নিঃসংশয়ে প্রধান শিক্ষকৰ পদৰ পৰা আপোনমনে অব্যাহতি লাভ কৰিব।'

'আপোনাৰ দ্বিতীয় অভিযোগত স্কুলখনৰ জাতীয়কৰণ সম্পর্কে কি জানিব খুজিছে মই একো তর্কিব পৰা নাই। কাৰণ, ৰৱনগৰ মধ্য-ইংৰাজী স্কুলখনিৰ কাৰণে চৰকাৰৰ ঘৰৰ পৰা পাতি-পয়চা এটিৰো সহায় নোপোৱাকৈয়ে ছাত্ৰ সংখ্যা উন্ত্রিছৰ ঠাইত দেৱশ কৰা হ'ল, ভাগি উৱলি যোৱা কুটীৰ যেন স্কুলঘৰৰ পৰা স্কুলখন ছহেজাৰ টকীয়া স্থায়ী ঘৰলৈ স্থানান্তৰিত কৰা হ'ল, কমপক্ষেও কুৰি বিঘা মাটিৰ এখন ময়দান হ'ল, বাসা প্রণালী (বাছা চিষ্টেম[১৬]) অনুযায়ী চৌৱিছজন ছাত্ৰৰ আৱাস হ'ল ; হেড্‌মাষ্টাৰৰ কাৰণেও এখন বাসা হ'ল, আৰু সবাৰো উপৰি এটি বঢ়িয়া ধৰণৰ পুস্তকাগাৰ হ'ল ; এনে এখন আজন্মকাল জাতীয় স্কুলৰ জাতীয়তা দোহাৰিবৰ কোনো সমুচিত হেতু আমি বিচাৰি নেপাওঁ।'

২২। বিষ্ণুপ্রসাদ দুৱৰা।

স্কুল ছুটীৰ পাছত এদিন পৰিচালনা কমিটিৰ সভাপতি বিষ্ণুপ্রসাদ দুৱৰা মহকুমাধিপতি[১৭] মোৰ ঘৰত ওলালহি। উপ-পৰিদর্শকক বোলে কৈফিয়ৎখনৰ কথাবে আৰু লিখা-লিখি নকৰিবৰ কাৰণে দুৱৰাদেৱে পৰামর্শ দিছে। তেখেতে বোলে যাতে চাউলো সিজে আৰু মিতিৰো ৰয় এনে ধৰণেৰেহে আমি চলিব লাগে। দুৱৰাদেৱৰ বিশ্বাস, আন্দোলনৰ অগ্রগতিৰ লগে লগে জাতীয়তা ভাবাপন্ন মানুহে এই স্বাধীনতাৰ যুদ্ধত এনেভাবে সঁহাৰি দিব যে তেখেতসকলৰ ধৰণৰবিলাকে চাকৰি কৰি থকা সম্ভৱ নহবগৈ। এই মানুহজনৰ আন্তৰিক জাতীয় প্রেমৰ নিদর্শন বিভিন্ন ক্ষেত্রত বিভিন্নৰূপে পাই অহা হৈছে। আনকি, আমাৰ অসহযোগমূলক কেইবাখনিও সভাতে তেখেতক সভাপতি স্বৰূপে যেনেকৈ পাইছিলো, এনেকৈ নিৰিকাৰ চিত্তে আন্দোলনমূলক সভাৰ সভাপতি হবলৈ আৰু সমজুৱাৰ ইচ্ছা মানি প্রস্তাৱ লৈ চহী দিবলৈ, আনদেশৰ কথা নাজানো যদিও,

১৬। Basa System ১৭। Subdivisional Officer

অসমত বিষ্ণু দুৱৰাৰ নিচিনাকৈ সাহ-পিত-তেজ লৈ থকা দ্বিতীয় এজন কর্ম্মচাৰী নাছিল যেন লাগে।

সেই কাৰণেই ভিতৰুৱাকৈ তেখেতৰ লগত আমাৰ আন্দোলনৰ কথা মুকলি মনেৰে আলচ কৰিছিলোঁ। তেখেতে কেতিয়াও ভীতি প্ৰদৰ্শন কৰা মনত নপৰে। ৰৰং কৈছিলহে, "তুমি দেখোন স্কুলখন যেনেকুৱাকৈ পাতিব খুজিছা, তেনেকৈ সুবিধাও পাইছা; আৰু স্কুলখনে জাতীয় ধৰণ ধৰি আহিছেই, সেই কাৰণে কামবোৰ হুৱ্-মুৰকৈ নকৰাই শ্ৰেয়।"

দুৱৰাদেও যেতিয়া মহকুমাৰ শাসনকর্তা তেতিয়া তেওঁৰ ৰৰ ল'ৰাটিয়ে ৰৰপেটা চৰকাৰী উচ্চ-ইংৰাজী বিদ্যালয়ৰ পৰা নিজে মুখিয়াল হৈ ছাত্ৰৰ ধর্মঘট কৰাই শিক্ষানুষ্ঠান ত্যাগৰ আন্দোলন চলাইছিল। বৃটিছ-ভাৰতীয় ৰাজ-বিষয়াৰ লৰাৰ এনে আচৰণৰ দৃষ্টান্তও বিৰল[১৮]।

২৩। সহকাৰী পৰিদর্শকৰ[১৯] পৰিদর্শন।

মোৰ কৈফিয়ৎখন পৰিদর্শকৰ (ইন্‌স্পেক্টৰ) হাতত পৰিলগৈ, আৰু সহকাৰী পৰিদর্শক ৰায় চাহাব গোলাপ চন্দ্র বৰুৱা ডাঙৰীয়াই, তেখেত স্কুল পৰিদর্শনার্থে কোনখন ৰেলত সৰভোগ পাবহি, জনাই চিঠি দিলে।

আগবঢ়াই আনিবৰ কাৰণে গৈ সৰভোগ ষ্টেচনত কোট-পটলুং-টুপী পৰিহিত এজনৰ পৰিচয় বিচাৰিলত জনালে, তেওঁ স্কুলৰ চাব্-ইন্‌স্পেক্টৰ (চিত্রমল্ল বৰুৱাৰ বদলি, অস্থায়ী)। পিচে, ধুতী-কোট আৰু এড়ি চাদৰ পৰিহিত দেখিয়েই হবলা মোৰ চিনাকি নিবিচাৰিলে বা পৰিচয় পাবৰ প্রয়োজন নুবুজিলে। অলপ পিচতে ৰেল পালেহি। প্লেটফর্মত ৰেলখনে ভালকৈ থিত্ দিবলৈ পাওঁতে

১৮। এই লৰাটি কলিকতাত মেডিকেল কলেজত পঢ়ি থাকোতে ঢুকায়।

১৯। Assistant Inspector of Schools, Assam Valley Circle.

নৌ পাওঁতেই চাব্-ইন্স্পেক্টৰে চোঁচা ললে সহকাৰী পৰিদৰ্শক অহা প্ৰথম শ্ৰেণীৰ ডবাটোলৈ। চাব্-ইন্স্পেক্টৰে পৰিচয় দি দুৱাৰমুখত ঠিয় দি থাকোতে মই যেতিয়া তেওঁৰ পিঠিৰ পিনে বৈছোঁগৈ, তেওঁৰ আঁৰত মোক নেদেখি সহকাৰী পৰিদৰ্শকে তেওঁক শুধিলে, "ৰৰনগৰ স্কুলৰ হেড্মাষ্টাৰ ক'ত[২০] ?" উত্তৰত এওঁ কলে, "তেওঁ অসহযোগী, নাহে চাৰ[২১]।"

এনেতে মোৰ চকুৱে চকুৱে পৰাত বৰুৱাদেৱে কলে, "অ, তুমি আহিছাই।

মন্তব্য নিষ্প্ৰয়োজন।

চাব্-ইন্স্পেক্টৰ ডাঙৰীয়াই বোলে সহকাৰী পৰিদৰ্শকক ডাক-বঙলাতে থবৰ কাৰণে বঢ়িয়া বন্দোৱস্ত কৰি ৰাখিছিল। কিন্তু ডাক্-বঙলাটোৱেই নটাত প্ৰকাণ্ড প্ৰকাণ্ড তম্বুৰে তাক ঘেৰি গৌৰীপুৰৰ ৰজা বাহাদুৰে চিকাৰ সমাপ্তিৰ পৰাই তাত ৰাজ হাউলি পাতি আৰাম কৰিছেহি ; তেনে স্থলত পলিটিকেল এজেন্সী লগাই সাতজন উপায়ুক্তৰ এলেকাৰে সংগঠিত এনে ব্যাপক্ত খণ্ডৰ শিক্ষাবিভাগৰ এচিষ্টেণ্ট ইন্স্পেক্টৰ হেন প্ৰকাণ্ড বিষয়া এজনক ডাকবঙলাৰ কেৰাণী চাপ্ৰাচীৰ নিবাসত[২২] এজনে থবলৈ ওলালেও মনে নস'লে, আৰু তেখেতক মোৰ বাসাটোকে এৰি দিয়া হ'ল।

২৪। ৰৰনগৰ ৰাজহুৱা সভাৰ বিৱৰণ।

ৰায় চাহাব ডাঙৰীয়াই তেখেতৰ গুপুত চিঠিৰ টোপোলাৰ পৰা কামৰূপৰ উপায়ুক্ত বেণ্টিক চাহাবলৈ স্কুলৰ ফিল্ডত হোৱা সভাৰ কাৰ্যবিৱৰণীৰ যিটি টোকা পঠিয়াইছিল, বন্ধুত্বৰ আলমত অযাচিতে সেইখন দেখুৱাত পঢ়ি মই অবাক। তেওঁ সকলো কথা ভালেই

২০। "Where is the Head Master of Barnagar school ?"

২১। "He is a non-co-operator, may not come, Sir."

২২। Subordinate quarters.

লিখিছিল যদিও, 'অম্বিকাগিৰী ৰায়চৌধুৰীৰ বক্তৃতাৰ পিচত খাজানা তোলা অতি কষ্টকৰ হ'ব' বুলি সন্দেহ দর্শাইছিল। কিয় তেখেতে এনে কাম কৰিলে বুলি সোধাত কন্দনামুৱা হৈ বুঢ়াই ক'লে, "বুজিছে, হেড্‌মাষ্টাৰবাবু, সি মোৰ অতি আপোন। ইমানবিলাক বক্তাৰ মুখত যি কথা নোলালে, তেনে খাজানা বন্ধ কৰাৰ কথা, মোৰ সাক্ষাততে, ৰায়তক আস্ফালন কৰি শুনাব নেলাগিছিল নহয়। এতিয়া ৰায়তে ডাঙৰ ডাঙৰ মানুহৰ কথা বুলি তাৰ কথা মানিবলৈ হ'লে, সি মোৰ ঘৰৰ ল'ৰাটো হৈ মোৰ বুকুত কামোৰ মৰা নহ'ল জানো?" সিহঁতে আকৌ আব্দুল মজিদ নামৰ বঙ্গ ভাষাভাষী যিজন সবভোগ থানাৰ ভাৰপ্রাপ্ত বিষয়া, তেওঁ কাৰো গাত চেকা নেপেলোৱাকৈ সুন্দৰ এখন ৰিপোর্ট পঠাইছিল। এই ৰিপোর্টখন কিয় দেখুৱালে তাৰ কাৰণটো এনে বাহুল্য ধৰণৰ যে, তাক আৰু ইয়াত নিদিলোঁ।

২৫। ৰাজহুৱা সভাৰ ওপৰঞ্চি প্রতিক্রিয়া।

ৰৰনগৰৰ এই সভাখনৰ প্রতিক্রিয়াখিনি সংক্রামক ধৰণৰ হ'ল। ৰায় চাহাবক অমূৰি কৰিলে; মোকো। অম্বিকা চৌধুৰীৰ 'চেতনা'[২৩] কার্যালয় উৰাই দিলে আৰু ৰেচেৰা আব্দুল মজিদটিক স্থানান্তৰ কৰাৰ উপৰিও দর্মহাৰ বাঢ়নি বন্ধ হ'ল সঁচা (?) ৰিপোর্ট নিদিয়াৰ দোষত।

২৬। বাতৰি কাকতৰ যোগে প্রচাৰ কার্য।

অসমত দৈনিক বুলিবলৈ কোনো বাতৰি কাকত নাছিল। সাপ্তাহিক বুলিবলৈ ডিব্রুগড়ৰ "টাইমচ্‌ অৱ আসাম" ইংৰাজী, 'অসমীয়া' অসমীয়া আৰু এখন অসমীয়া ভাষাৰ কাকত আছিল

২৩। 'চেতনা'খন মাহিলী কাকত। অম্বিকাগিৰী ৰায়চৌধুৰী যদিও প্রকৃত সম্পাদক, চন্দ্রনাথ শর্মা যুটীয়াৰ দৰে আছিল যেন মনত পৰে।

যোৱহাটৰ 'আসাম বিলাসিনী'। বয়সত বুজন আছিল, ৰাধানাথ চাংকাকতীৰ 'টাইমচ্ অৱ আচাম্'খনেই। সৰহভাগ গ্ৰাহক আছিল চৰকাৰী অফিচবিলাক আৰু প্ৰায় সকলোবিলাক বাগিচাৰ মেনেজাৰ। গতিকে, এই দুই শ্ৰেণীৰ লোকৰ বিৰক্তিভাজন হ'ব লাগিলে কাগজখনেই মৰা পৰিব পাৰে। 'টাইমচ্ অৱ আসাম' ৰ কানি-বিৰোধী আছিল। কিন্তু কংগ্ৰেছে কানি এৰুৱাওঁতে যেতিয়া চৰকাৰৰ লগত সংঘৰ্ষ হল, তেতিয়া 'টাইমচ্ অৱ আসামে' পিকেটিং কৰা স্বেচ্ছাসেৱকক ডাকু (হুলিগানছ)[২৪] বুলিহে উল্লেখ কৰিছিল। আমি অনেকেই তেতিয়া এই কাকতখন পৰিত্যাগ কৰিছিলোঁ। মুঠতে এইখন শত্ৰুপক্ষৰ অস্ত্ৰতহে পৰিণত হ'ল। 'অসমীয়া'খনো কিবা মুনিয়া ধৰণৰ আছিল। 'আসাম বিলাসী'খনৰ ধাতুটো বলী হোৱাৰ কাৰণেই চৰকাৰৰ প্ৰেছ এষ্টৰ হেঁচাত হাতী পৰাদি পৰিল। প্ৰেছ এষ্টৰ দোহাই দি চৰকাৰে বাতৰি কাকতৰ পৰা নগদ টকাৰ জামিন লৈছিল আৰু আগৰ বাৰৰ জামিন বাজেয়াপ্ত হলে পিচৰ বাৰ আগৰবাৰৰ দুগুণ বা কেবাগুণো জামিনৰ হুকুম দিয়ে। দিব পাৰিলে কাগজে পুনৰ্জীৱন লাভ কৰিব, আৰু নোৱাৰিলে নিগমে মৰিব। যদিহে স্মৰণশক্তিয়ে প্ৰতাৰণা নাই কৰা, 'অমৃত বাজাৰ পত্ৰিকা'ৰ, জালিৱানৱালাবাগৰ হত্যাকাণ্ডৰ সময়ত এইদৰে আগৰ কেইহেজাৰ টকা বাজেয়াপ্ত কৰি তাৰ দুগুণ নতুনকৈ জমা দিবলৈ হুকুম হওঁতে ৰাতিটোৰ ভিতৰতে মৌলবী ফজলুল হক (পিচলৈ অখণ্ডিত বঙলা প্ৰদেশৰ প্ৰধান মন্ত্ৰী, পাকিস্তানৰ দিনতো পূৰ পাকিস্তানৰ গৱৰ্ণৰ) চাহাবে জমা দি কাগজখনক এদিনৰ বাবেও অপ্ৰকাশিত হৈ থাকিব নিদিলে, পিচদিনা উকা সম্পাদকীয় স্তম্ভৰে নিয়মিত সময়তে কাগজে দেখা দিলে। সেইখন দৈনিক কাকত, এদিনলৈ বন্ধ হলেও নচলে। 'অসম বিলাসিনী' কিন্তু সাপ্তাহিক। গতিকে এসপ্তাহৰ সময় হাতত পায়। এনেস্থলতো যে অতবিলাক ঐশ্বৰ্যশালী সম্ভ্ৰান্তৰ স্থান

২৪। Hooligans.

যোৰহাট নগৰতে সেই কাগজখনিয়ে ইহলীলা পৰিত্যাগ কৰিব লগীয়া হ'ল, ই কম পৰিতাপৰ কথা নহয়।

ইয়াৰ পিচত যেতিয়া বাতৰি কাকতৰ চিন্তা আহিল তেতিয়া চায়ক্লোষ্টাইলৰ আশ্রয় লোৱা হ'ল। তাকেতো পুলিচে পালে পাৰ কৰিব। গতিকে চৰকাৰৰ চোৰাংচোৱাক তধা লগাই দিয়া হ'ল,—চোৰাংকৈ চায়ক্লোষ্টাইল[২৫] কৰা বুলেটিন আদিবে। চাইক্লোষ্টাইল ক'ত নাৰদৰ ঢেকীৰ দৰে ভ্রমি ফুৰে কোনে জানিব পাৰে? এনে সময়তে কলিকতীয়া বঙলা 'সঞ্জীৱনী', 'বসুমতী' আদি সাপ্তাহিক কাগজবোৰ চাহবাগিচা আৰু উন্নত গাওঁবিলাকত চলি আছিল; নগৰীয়া ঠাইত দৈনিক কাগজৰ ভিতৰত 'অমৃত বাজাৰ পত্রিকা'ত-কৈয়ো শ্যামসুন্দৰ চক্রৱৰ্ত্তীৰ 'চার্ভেণ্ট্' নামৰ দৈনিকখনে, বিশেষকৈ ছাত্র-সমাজৰ তেজ উতলোৱাত কৃতকার্য হৈছিল। চাহ খেতিয়ক-সকলে চৰকাৰী মুখপত্র আৰু উৎকট ধৰণৰ অজাতীয় 'ষ্টেটচমেন', 'ইংলিচমেন'হে লৈছিল। তেতিয়াতো পিচৰ ধৰণে কাগজৰ এজেণ্ট নাছিল। কাগজ আহিছিল গ্রাহকৰ ব্যক্তিগত ঠিকনাত, ডাক যোগে। ৰেলৰ গার্ডবিলাকৰ হাতেদিও জাপে জাপে কাগজ আহি ষ্টেচন মাষ্টৰৰ জৰিয়তে বিলি হৈছিল। কেনেকৈ যে এনেকুৱা গুপ্ত ডাকৰ প্রচলন আছিল, তাৰ গুৰিকথা জনা নগ'ল। কিন্তু এই কার্যৰ মাজতে লুকাই আছিল ৰাইজৰ জাতীয় চেতনাবোধ।

২৭। ৰৱনগৰত সংগঠন।

প্রথমছোৱাত 'অসম জাতীয় সভা' নে এনেধৰণৰ কিৰা নামত কংগ্রেছৰ কাৰণে এককালীন দুটকা কি তিনি টকাকৈ ৰৱঙণি তোলা হৈছিল। দক্ষিণ-গণকগাৰী গাঁৱৰ নন্দমোহন মজুমদাৰ আছিল সৰভোগৰে (উত্তৰ গণকগাৰীৰ) নিম্ন প্রাইমেৰি স্কুলৰ পণ্ডিত।

২৫। Cyclostile ২৬। Servant.

দৰমহাৰে তেওঁৰ ঘৰ-সংসাৰ চলাবলৈ নাটে, অথচ কামটো এৰি পেলাবলৈকো মন সঙ্কুচিত। ৰৰনগৰৰ স্কুলঘৰটো সজাৰ কাম পৰিচালনা কৰিবলৈ এওঁক ছুটী লোৱালো। ৰাজহুৱা কামত মানুহজন ৰৰ উদ্যোগী। আমাৰ ৰাজহুৱা সভাখনৰ পিচত এওঁক শিক্ষা বিভাগৰ লগত সম্বন্ধ চিঙাই দিয়া হল। আৰু স্কুল ছুটীৰ পিচত দুয়ো তাল-বেতাল এখন নহয় এখন গাৱঁলৈ যাওঁ আৰু তাত গাৱঁলীয়া কংগ্রেছ এখনেৰে সৈতে পঞ্চায়ত একোখনো স্থাপন কৰি আহোঁ। কার্যপ্রণালীৰ প্রথম পথ-প্রদর্শকৰূপে অনেক সময়ত ধনীৰাম তালুকদাৰ (শেহান্তৰত এম্., এল্, এ.) আৰু কেতিয়াবা উমেশচন্দ্র দাসৰ সক্রিয় সহযোগিতা লাভ কৰিছিলো। মৈমন-চিঙিয়া পমুৰাৰ মাজত সংগঠনৰ এই প্রথম প্রচেষ্টাত তেওঁলোকে আমাক উপযুক্ত সঁহাৰি দিছিল আৰু আমাৰ কথা মানিছিল; আনকি তেওঁবিলাকৰ মাজত অসমীয়া স্কুলৰ অভাৱ পূৰণ কৰি দিবলৈকো আমাক খাটনি ধৰিছিল। এই যে আমি 'অসম জাতীয় সভা'ৰ নামত চান্দা তুলিছিলো, (অকল মোৰ ক্ষেত্রতে নহয়, তালুকদাৰেও), প্রতিশ্রুতিৰ লগে লগে ৰছিদ কাটি দিয়া হৈছিল। গুৱাহাটীত যেতিয়া চন্দ্র শর্মা আদি কেৰাজনেও "এইবিলাকে কালিয়নে স্বৰাজ আনিবৰ দিহা কৰিছে" বুলি সভাত কোৱাকুই কৰিলে, তেতিয়াহে সাৰ পালোঁ, ভয়ো লাগিল, ইমানখিনি টকা নিজৰ পৰা দিবলৈ হলে দিম কেনেকৈ বুলি। পিচে ঘূৰি অহাৰ পিচত অযাচিতে যেতিয়া পয়চাখিনি আহি গ'ল, তেতিয়াহে বেয়া লাগিছিল এনে সৰলপ্রাণ গাৱঁলীয়া সমাজক যে কিয় সন্দেহ কৰিছিলো বুলি।

২৮। সর্বভাৰতীয় ৰাজনীতি ক্ষেত্রত অসম।

সর্বভাৰতীয় ৰাজনীতি ক্ষেত্রত অসম যেন অঘৰীহে। কংগ্রেছৰ ১৯১৭ চনৰ কলিকতাৰ অধিবেশনত প্রতিনিধিৰ আচুতীয়া ঠাইবোৰৰ

এটা যেন দেখিছিলো—'বেঙ্গল এণ্ড আসাম' বুলিহে। যেন বঙ্গৰ কোলাতহে অসম! অসহযোগ আন্দোলনৰ আলমতে অসমৰ কাৰণে সুকীয়া স্বীকৃতি লাভৰ এটি সুযোগ আহিলে। কিন্তু কার্যতঃ শ্বেতাঙ্গ-শাসিত এখন প্রদেশত বৃটিছ হেন এক বিৰাট ৰাজশক্তিৰ শাসনযন্ত্র চূৰমাৰ কৰিব নোৱাৰিলেও অচল কৰি তাৰ বিকল্পে মহাত্মাজী তথা ভাৰতীয় জাতীয় কংগ্রেছৰ সপোনৰ স্বৰাজক বাস্তৱত ৰূপ দিবলৈ হলে ল'ৰাৰ পৰা বুঢ়ালৈকে সকলোৱে গাৱেঁ-ভুঁয়ে সোমাই কংগ্রেছ মন্ত্রত জনতাক দীক্ষিত কৰি কংগ্রেছৰ বাণী কার্য-কৰীভাবে প্রচাৰ কৰিব নোৱাৰিলে ভাৰতৰ জাতীয় সংগঠনৰ ক্ষেত্রত সুকীয়া স্বীকৃতি পালেও তাৰ সংৰক্ষণ সহজ নহব।

২৯। অসমত অসহযোগ মন্ত্রৰ প্রথম প্রতিক্রিয়া।[২৭]

চন্দ্র শর্মাই হ'ল অসমত অসহযোগ আন্দোলনৰ দূত। জয়-জয়তে অসমীয়া ছাত্রসমাজে হুৰহুৰকৈ শিক্ষানুষ্ঠান এৰি আন্দোলনত যি প্রবল পৰাক্রমেৰে সহাঁৰি দিলেহি সি চিৰস্মৰণীয়। এওঁ-বিলাকৰ উৎসাহ উদ্দীপনা অটুত ৰাখিবলৈ শর্মাদেৱে চল কৰি অনাদি তৰুণ ফুকন আৰু নবীন ৰৱদলৈক এওঁবিলাকক সাদৰি অনাৰ ভাৰ দিলে। ইয়াৰ ভিতৰত কিছুমান ছাত্রই ঘৰলৈ গৈ তাত বিৰূপ ভাব দেখি আকৌ উভতি আহি গুৱাহাটীত থকা-খোৱাৰ সুবিধা নেপাই নাজল্-নাথল্ অৱস্থাত পৰিছিল। এওঁবিলাকে শেহত

'আপনজনে ছাড়্বে তোৰে,
তা বলে ভাব্না কৰা চল্বে না'—সুৰতে সুৰ মিলাই

যতে যেনেকৈ পাৰিলে তাতে তেনেকৈ কর্মক্ষেত্র উলিয়াই ল'লে। ইয়াৰ ভিতৰত উজনিৰ ফালৰ ছাত্র বেচি। ৰামেশ্বৰ ভট্টাচার্যৰ ভাগত পৰিছিল ৰৱপেটা নগৰত এখন জাতীয় বিদ্যালয় (নেচনেল স্কুল) খোলাৰ। কিছুদিনৰ পিচত ৰামেশ্বৰ ভট্টাচার্যদেৱে শিৱসাগৰ

২৭। ১৯২১ চনৰ জানুয়াৰী ফেব্রুৱাৰী।

(যোৱহাট) বামুণ পুখুৰী নিজৰ ঠাইকে কার্যস্থল পাতি সেই এটি অঞ্চল যুগমীয়াকে জাতীয় ভাৱাপন্ন কৰি তুলিলে। যেই দুই-এজনে এনে পৰিস্থিতি অসহনীয় যেন ভাবি পুনৰ কলেজলৈ উভতি গ'ল, তেওঁবিলাকৰ ভিতৰত কিজানি গুঞ্জ বৰুৱা আৰু জগদীশ মেধি আদি। সেইদৰে একোলৈকে ভ্রূক্ষেপ নকৰি বৈ যোৱাৰ সংখ্যাই বেচি। এই সকলৰ আশাগুধীয়া পুৰুষার্থৰ বলতে দেশত নেতা ওলাই আহিল, আৰু সকলোৰে সমূহীয়া প্রচেষ্টাত অসমেও ভাৰতৰ আন আন প্রদেশৰ লগত সমানে খোজ মিলাই যাবলৈ সমর্থ হল।

৩০। নিজৰ পালী।

যুৱক সম্প্রদায়ৰ কর্তব্যৰ যথাৱৎ অংশ এই অভাজনৰ কাৰণেও পালনীয়। আমাৰ নিচিনা ঋণৰ সাগৰত ডুব দি থকা এঘৰ মানুহ বাধা-বিঘিনিৰ পাৰ নোহোৱা স্বাভাৱিক। অথচ ঘৰ-সংসাৰৰ আর্থিক উন্নতিৰ প্রচেষ্টা আৰু বাজদ্রোহীৰ কর্তব্য, দুয়ো লগে-সঙ্গে মুসুজায়। তেনেতে শুনালেহি আমাৰ মুকুন্দ দাসে :— [২৮]

'বন্ধ দুয়াৰ দেখ্‌বি বলে,
তাই বলে কি ৰইবি থেমে?
বাৰে বাৰে ঠেলতে হবে,
হয়তো দুয়াৰ খুলবে না।
তা বলে ভাব্‌না কৰা চলবে না॥
আপন্‌জনে ছাড়্‌বে তোৰে,
তা বলে ভাব্‌না কৰা চল্‌বে না।'

যাতে গ্রীষ্মৰ বন্ধৰ শেষত কার্যভাৰ শোধাই দিব পৰা হয় সেই সঙ্কল্পেৰে চাকুৰীত সংহাৰ মুদ্রা দিয়া হল।

২৮। মুকুন্দ দাসৰ যাত্রাভিনয়ে জাতীয়তাবোধত মানুহক অনুপ্রাণিত কৰাত প্রবল ইন্ধন যোগাইছিল।

৩১। প্রাদেশিক কংগ্রেছ স্থাপন।

প্রাদেশিক কংগ্রেছ সভা এখন গঠনৰ উপলক্ষে আহুত হোৱা সভাখনিলৈ ৰৰপেটা মহকুমাৰ প্রতিনিধিদলৰ ভিতৰত এই নিঃকিনো এজন। সভাখন গুৱাহাটীত; নবীন ৰৰদলৈ ডাঙৰীয়াৰ 'শান্তি ভৱনত'। এই সভাৰ প্রতিনিধিৰ সংখ্যা কলৈকো নির্দিষ্ট কৰি দিয়া হোৱা নাছিল। বোধকৰো প্রতিষ্ঠাপক সমিতি বুলিয়েই। গৈ পোৱাৰ লগে লগে যোৰহাটৰ কৃষ্ণনাথ শর্মা আৰু দেবেশ্বৰ শর্মাই মত সংগ্রহার্থে ধৰিলেহি, যাতে প্রাদেশিক সভাপতিৰ বাবটো কুলধৰ চলিহাক দিব পাৰি, 'যেন তেন প্রকাৰেণ'। তেওঁবিলাকৰ যুক্তি যে কামৰূপ জিলাৰ যেনে আশাতীত অগ্রগতি, শিৱসাগৰ জিলা তদনুপাতে পিচপৰা; পিচে কুলধৰ চলিহাক পুৰাকৈ কংগ্রেছলৈ নমাই ল'ব পাৰিলে, দ্রুতগতিত আগবাঢ়িব পৰা যাব। দুর্গাপ্রসাদ ৰৰঠাকুৰ আৰু ভুবনচন্দ্র গগৈয়ে মোক হেঁচা দি ধৰিছে, শিৱসাগৰলৈ যাবলৈ। অন্ততঃ এটা মৌজাৰ ভাৰ ললেও বোলে ৰৰ উপকাৰ হয়।

গোৱালপাৰাত বান-পানী বিপর্যয়ে ৰৰদলৈক তাতে আৱদ্ধ কৰি ৰাখিলে। উপস্থিতসকলৰ ভিতৰত সৰহভাগেই মোৰ পূর্ব-পৰিচিত নাছিল। চিনাকি বিলাকৰ ভিতৰতো যিবিলাকৰ নাম বিণিকি বিণিকি মনলৈ আহিছে সি সকল হ'ল, তৰুণ ফুকন, গোপী-নাথ ৰৰদলৈ, চন্দ্রনাথ শর্মা, বিষ্ণুৰাম মেধি, যোগেন্দ্রনাথ ৰৰুৱা, সিদ্ধিনাথ শর্মা, মৌঃ তৈয়ব উল্লা, মোহিণীকুমাৰ চৌধুৰী, সুৰেশ্চন্দ্র ভট্টাচার্য, মহেন্দ্রনাথ ফুকন, গৌৰীকান্ত তালুকদাৰ, নিধিৰাম দাস মুক্তিয়াৰ, কালিপ্রসাদ ৰৰুৱা, ধনীৰাম তালুকদাৰ, উমেশচন্দ্র দাস, পণ্ডিত কণকচন্দ্র শর্মা কাব্যতীর্থ, কমলানন্দ ভট্টাচার্য, হেমচন্দ্র ৰৰুৱা, মহাদেব শর্মা, কৃষ্ণকান্ত তালুকদাৰ, অম্বিকাগিৰি ৰায়চৌধুৰী, কুমুদৰাম ৰৰা, সর্বেশ্বৰ শর্মা ৰৰুৱা, গঙ্গাধৰ ৰৰঠাকুৰ, ৰাজেন্দ্রনাথ ৰৰুৱা, মহেশ্বৰ ৰৰুৱা, কুলধৰ চলিহা, কৃষ্ণনাথ শর্মা, দেবেশ্বৰ শর্মা,

কৃষ্ণকান্ত ভট্টাচার্য্য (সভাৰ সভাপতি), বিদ্যাধৰ শৰ্ম্মা, গোপীনাথ বেজবৰুৱা, ভুবনচন্দ্ৰ গগৈ, বেণুধৰ শৰ্ম্মা, লক্ষেশ্বৰ শৰ্ম্মা, ৰজনীকান্ত বৰুৱা, অমিয়কুমাৰ দাস, শিশিৰ বৰুৱা ইত্যাদি ইত্যাদি।

প্ৰাদেশিক সভাপতি পদৰ কাৰণে ফুকনৰ নাম প্ৰস্তাৱ হোৱাৰ লগে লগে এজনে কুলধৰ চলিহাৰ নাম প্ৰস্তাৱ কৰিলে আৰু তাকে দেবেশ্বৰ শৰ্ম্মাই সমৰ্থন কৰিলে। চন্দ্ৰ শৰ্ম্মাই তৰুণ ফুকনৰ নাম সমৰ্থন কৰি তেখেতক অনুৰোধ কৰিলে উকীলৰ ব্যৱসায় বৰ্জ্জন কৰিবলৈ। শৰ্ম্মাৰ মতে মহাত্মা গান্ধী অসমলৈ আহেহে লাগে আৰু আহি অসমৰ সবাতো উপৰি মুখ্য নেতা অৰ্থাৎ প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি হেন পুৰুষজনৰ পৰিচয়ত তেওঁক ওকালতী নেৰা এজন বেৰিষ্টাৰ বুলি কবলৈ হলে গোটেই প্ৰদেশখনৰ ওপৰতে তেওঁৰ মনোভাব অন্য ৰকমৰ হব পাৰে। ফুকন ডাঙৰীয়াৰ মতে তেখেতে আইন কলেজৰ অধ্যাপকৰ কাম এৰিলেই, আৰু এতিয়া ওকালতী ব্যৱসায়েৰে অৰ্জ্জন কৰা পয়চা কেটাৰেহে ঘৰ-সংসাৰ চলোৱা হৈছে; তেতিয়াও যে নচলিব এনে নহয়, কোনোবা পথেদি দুপয়চা উলিওৱাৰ উপায় কৰিবই লাগিব; কিন্তু তাত লাগোতে কংগ্ৰেছৰ কাৰণে খাটিবলৈ যে সময় ৰাচিব, তাত সন্দেহ। এই কাৰণেই ওকালতী ব্যৱসায় পৰিত্যাগ কৰিব লগীয়া হলে ফুকন ডাঙৰীয়াই কংগ্ৰেছৰ কৰ্ম্মক্ষেত্ৰৰ পৰা অব্যাহতি বিচাৰে।

এনেতে অম্বিকা চৌধুৰী আৰু উমেশ দাসে বোলে, ফুকনে আইন কলেজৰ অধ্যাপকৰ বাবদ পাই থকা মাসিক দুশ টকাকে পৰিত্যাগ কৰিলে, চলিহাৰ ক্ষেত্ৰত-তো তেনে ধৰণৰ দৃষ্টান্ত এটিও নাই; অথচ ফুকনৰ সম্পৰ্কে ওলোৱাটো আশঙ্কা চলিহাৰো আছে। এতেকে চলিহাতকৈ ফুকনকহে সভাপতিৰ আসনত বহুৱা শ্ৰেয়ঃ। দেবেশ্বৰ শৰ্ম্মা আৰু কৃষ্ণ শৰ্ম্মাই এই কথাৰ প্ৰতিবাদকল্পে জনালে যে আগদিনা মাথো ওকালতী ত্যাগ কৰি চলিহাদেও তেওঁবিলাকৰ

লগত আহিছে। সভাৰ সভাপতি 'অসমবিলাসিনী' কাকতৰ সম্পাদক কৃষ্ণপদ ভট্টাচার্য্যদেৱৰ প্রশ্নৰ সমিধানত চলিহায়ো জনালে যে তেখেত আহোতে ওকালতী বর্জ্জনৰ সংকল্প লৈহে গুৱাহাটীলৈ আহিছে। এইদৰেই সেইদিনা কুলধৰ চলিহা ডাঙৰীয়া অসম প্রাদেশিক কংগ্রেছৰ প্রথম সভাপতিৰূপে নির্ব্বাচিত হয়। নবীন চন্দ্র ৰৱদলৈ ডাঙৰীয়া সাধাৰণ সম্পাদক। আগষ্ট মাহত মহাত্মা গান্ধীৰ অসম ভ্রমণ। তাৰ আগতে দেশভক্ত ফুকন ডাঙৰীয়া সভাপতি, কর্ম্মবীৰ ৰৱদলৈদেও সাধাৰণ সম্পাদক আৰু বাকী বিষয়-ৰবীয়া সকল হল কুলধৰ চলিহা, চন্দ্রনাথ শর্ম্মা, কণকচন্দ্র শর্ম্মা কাব্যতীর্থ আদি অনেক।

ফুকন ডাঙৰীয়াৰ যুক্তি নিটিকিল। ওকালতী এৰি জীবিকা নির্ব্বাহৰ কাৰণে তেখেতে কংগ্রেছৰ পৰা অব্যাহতি লোৱা দূৰৰ কথা, ৰৱং ৰৱদলৈ ডাঙৰীয়াৰ লগেৰে উজাই স্বাধীনতা সংগ্রামৰ প্রতি উত্তেজনাৰে সমগ্র অসমৰ চিত্ত উতলোৱাত ব্যস্ত হৈ পৰিল। অসহযোগৰ পথত দেশ প্রখৰ গতিত আগুৱান হল। যঁতৰ, নেওঠনী, তাঁতশাল আদি হল আমাৰ বাপতি সাহন। কিন্তু আগতে যঁতৰ লগুণৰ পাঁজি কটা বা এৰি সূতাৰ সূতলাহি পকোৱা, মহুৰা ফুৰোৱা কামত হে লাগিছিল, তাক কপাহী সূতাকটাৰ কামত নিয়োগ কৰি পুনৰ হেৰোৱা এটি শিল্প উদ্ধাৰ কৰা হল। ঘৰে ঘৰে যঁতৰ নেওঠনীয়ে সুৰ তুলি স্বৰাজৰ সন্ধানত জনতাক মতলীয়া কৰিব ধৰিলে।

পালেহি এনেতে মহামানৱ মহাত্মা গান্ধী। তেওঁক ফুকন ডাঙৰীয়াই আদৰিলে মুগাফুলীয়া খদ্দৰৰ চাদৰ এখনিৰে। ফুকন-ৰৱদলৈৰ বুলিয়েই নহয়, সেই শ্রেণীৰ ব্যৱহৃত ইউৰোপীয় সাজ-পাৰৰ তো কথাই নাই—বিদেশী কাপোৰ মাত্রকে বস্ত্রমেধ যজ্ঞত আহুতি দিয়াৰ সূত্রপাত দেশভক্তৰ ঘৰৰ সমুখত হবলৈহে পালে, সি সংক্রামক ৰূপে নগৰে নগৰে, গাঁৱে-ভূঁয়ে, সকলোতে বস্ত্রমেধ যজ্ঞৰূপে ব্যাপ্ত

হৈ পৰিল। অনেক মানুহে সাজি-কাচি আটক-ধুনীয়া একোটি হৈ সভাস্থল পায়হি। তাতে নিজ ইচ্ছাতে সকলোখিনি কাপোৰ মেজিত উছৰ্গা কৰি দিগম্বৰ-প্ৰায় হৈ হৰিষ মনেৰে ঘৰলৈ ওভতে —যেন তীৰ্থস্থানৰ পৰাহে ঘৰমুৱা হৈছে। তাৰ পৰা অৰ্দ্ধ শতাব্দী হয়হে লাগে, কিন্তু এতিয়াও সেই দৃশ্য-পট্ সিদিনাৰ মাত্ৰ কথাৰ দৰে জল্-জল্ পৎ-পৎ হৈ চকুৰ আগত ভাহি উঠেহি।

মহাত্মাজীৰ আগমনৰ মুৰামুৰি সময়ত তেখেতৰ দৰ্শনাৰ্থে খদ্দৰ কাপোৰৰ পোচাকেৰে সজ্জিত হৈ যাবৰ কাৰণে চাওঁতে চাওঁতে হেজাৰ হেজাৰ পঞ্জাবী-চোলা, গান্ধী-টুপী আদি নিমিষতে যেন তৈয়াৰ হৈ উঠিল। এইবোৰৰ সৰহভাগ মানুহৰ ঘৰে ঘৰে তৈয়াৰ হৈছিল। ৰৰদলৈদেৱৰ ঘৰতে পদ্মশ্ৰী নলিনীবালা দেৱীয়ে কোৱা মতে, তেখেত সকলৰ বোলে ভাবিৰ নোৱাৰা খাটনি হৈছিল অকল স্বেচ্ছাসেৱক-সকলক সজাবলৈ কাপোৰ চিলাওঁতে চিলাওঁতে।

ধীৰ-গম্ভীৰ সৌম্যমূৰ্ত্তিৰ পুৰুষ দেশভক্ত ফুকন, কৰ্ম্মবীৰ ৰৰদলৈ আদিয়ে নিজে খদ্দৰ কাপোৰৰ বোজা কাবুলীৰ দৰে পিঠিত বান্ধি লৈ ফেৰীৱালাৰ দৰে ধুবুৰীৰ পৰা সদিয়ালৈকে কংগ্ৰেছ কৰ্ম্মী সকলক খদ্দৰ বিক্ৰিৰ উদগণি দিলে। লিখকে নিজে এবাৰ এবোজা কাপোৰ শিৰসাগৰৰ পৰা আৰু পিচৰবাৰ নাজিৰাৰ পৰা আনোতে বকতা নৌ পাওঁতে বাটতে ঢুকাই গল। তেনেই নগদ কাৰবাৰ।

এইদৰেই খদ্দৰৰ মৰ্য্যাদা ইদিনৰ পিচত সিদিনকৈ বাঢ়ি যাবলৈ ধৰিলে।

যোৰহাটত মহাত্মাজীৰ বক্তৃতা ফুকন ডাঙৰীয়াই তেনেই ঘৰুৱা অসমীয়ালৈ এনে নিখুঁত ভাবে ভাঙি শুনাইছিল যেন এটা কলহৰ পৰা আন এটা কলহলৈ কলকল কৰে পানীহে ঢালি দিছিল। ভাঁজ বুলিবলৈ নায়েই।



দ্বিতীয় অধ্যায়

আগ বঢ়া

১। ছিটিকাত যেন চৰাইহে পৰিল

ভাৰতৰ অন্যান্য ঠাইৰ তুলনাত নগণ্য হলেও অসম খণ্ডত গো-শালা আৰু ধৰম-শালা সংখ্যাত নিচেই তাকৰ নহয়। নকলেও হব যে গো-জাতিৰ প্ৰতিপালনৰ অৰ্থে আদৰ্শ আশ্ৰম খনিয়েই গো-শালা আৰু ধৰম-শালা হ'ল ডাক-বঙলা আৰু চাৰ্কিত-হাউচ[২৯] আদিৰ অনাদৃত শ্ৰেণীৰ যাত্ৰীসকলৰ বিশ্ৰামৰ স্থান। আমি যিজন সাধুৰ কথা কবলৈ লৈছো, সেই ব্ৰহ্মচাৰী বাবাজী ধৰম-শালাত থিত হৈ গো-সংৰক্ষণী অনুষ্ঠানৰ প্ৰচাৰ কাৰ্য্যত ৰত। সমবেত লোকসকলক তেওঁ গো-পালনৰ বিষয়ে বুজাই আছিল, আৰু সিবিলাকেও তন্ময় হৈ শুনি আছিল। বক্তৃতাৰ সামৰণিৰ লগে লগেই অতৰ্কিতে কেইটামান ৰঙা পাগুৰিৰ আবিৰ্ভাৱ হৈ সকলোকে তবধ মনালে; বিস্ময়ৰ মাত্ৰা অতি চৰিল যেতিয়া গুৰুজী আৰু তেওঁৰ চেলা দেউচৰণ পাণ্ডেৰ প্ৰত্যেকৰে হাতৰ ঠাৰিয়ে পতি একোপাটকৈ লোহাৰ খাৰু[৩০] পিন্ধাই দুয়োটিকে সাঙুৰি পেলালে—যেন ছিটিকাত চৰাইহে পৰিল।

২। থানাৰ বন্দী-গৰাঁলত[৩১] বাবাজী

মাইলচেৰেকৰ মূৰতে থানা। থানাৰ বন্দী-গৰাঁলত এই দুই বন্দীৰ কাৰণে দাৰোগাসকলে আশ্ৰয়ৰ ব্যৱস্থা কৰিলে। আগতেও

২৯। Circuit House. ৩০। Hand-cuff. ৩১। Lock up.

কেইজনমানক আনি এই গৰাঁলত ৰখা হৈছে, বহিবলৈ ঠাইৰ নাটনি পৰাত সকলোৱে থিয়ৈ থিয়ৈ অগণন উৰহৰ চুমাৰ ওপৰত চুমাৰ পৰশ লৈ গা ঢাকি, সর্ব্বাঙ্গ-শৰীৰ কলীয়া কৰা মহৰ বিনন্দীয়া সুৰৰ গুণ-গুণনিত উজাগৰে হলেও নিশাটো যেনিবা কটালে।

৩। বন্দী-গৰাঁলৰ পৰা হাজত[৩২]

ফিৰিকা দিনা ভাৰতীয় ফৌজদাৰী দণ্ডবিধিৰ সংশোধিত আইনৰ সোতৰ এক আৰু সোতৰ দুই ধাৰাত পেলাই উভয়কে শিলচৰৰ বন্দীশাললৈ স্থানান্তৰ কৰা হ'ল আৰু এই অনুক্রমেই আৰম্ভ হ'ল তেওঁবিলাকৰ হাজোতীয়া জীৱনৰ দ্বিতীয় পর্য্যায়।

৪। হাজোতীয়া আৰু মিয়াদী

আন অনেক বন্দীশালৰ দৰে, শিলচৰৰ খনতো অসহযোগ আন্দোলনত জড়িত, কি হাজোতীয়া[৩৩], কি মিয়াদী[৩৪] উভয় শ্রেণীৰে সকলো কয়দীকে মিহলি কৰি ৰখা হৈছিল। ঘটনাৰ সময়ত দেশ-ভক্ত ফুকন ডাঙৰীয়ায়ো শিলচৰৰ জেইল খনিকে পোহৰাই আছিল। ১৭ (১) আৰু ১৭ (২) ধাৰা অনুসৰি ভাৰতীয় জাতীয় মহাসভাৰ (ইণ্ডিয়ান নেছনেল কংগ্রেছৰ) স্বেচ্ছাসেৱক বাহিনীক[৩৫] বে-আইনী বুলি ঘোষণা কৰি, তাৰ অজুহাতত অসহযোগী (নন-কো-অপাৰেটৰ) সকলক ছমাহ মানৰ ম্যাদত বন্দীশালত আটক কৰি ৰখা হৈছিল; বা দোষটো ১০৭, ১০৮, ১০৯, ১১০ আদি ধাৰালৈ পিছলাই সেইমতে মিয়াদ দিছিল। ফুকন ডাঙৰীয়াৰ প্রতি বিনাশ্রম[৩৬] আৰু বিশেষ ব্যৱহাৰ প্রাপ্তিৰ[৩৭] দণ্ডাদেশ আছিল।

৩২। Undertrial prisoners' ward (jail).
৩৩। Undertrial. ৩৪। Convicts.
৩৫। Volunteer Corps. ৩৬। Simple Imprisonment, চমুতে S. I.
৩৭। With special treatment.

দণ্ডাদেশ পত্রৰ সশ্রম[৩৮], বিশেষ ব্যৱহাৰ প্রাপ্তি বা আব্দাৰিত আৰু অনাব্দাৰিত এই সকলো লিখা থাকে। তাৰ এটাহে ব্যতিক্রম ঘটিছিল, শিৱসাগৰৰ মহকুমাধিপতি চি. এচ. গানিং, আই-চী-এচৰ কলমত[৩৯]।

৫। শিৱসাগৰত পোনতে ফাটকত পৰা সকল

গানিঙে ২৪-১২-১৯২১ তাৰিখত দণ্ডাদেশ দিয়া সকল হ'ল, দুর্গাপ্রসাদ বৰঠাকুৰ, ভুবনচন্দ্র গগৈ, পিতৃদেৱ ৰত্নেশ্বৰ বৰঠাকুৰ, বাহাৰুদ্দিন আদি তিনিজন ল'ৰা। দেউতাৰ বাদে আমাৰ সকলোটিকে সেইদিনাই যোৰহাটলৈ চালান দিলে।

৬। হালে হালে জোটা অসহযোগী কয়দী

১০-২-১৯২২ তাৰিখে ওপৰোক্তৰ ভিতৰৰ মোকো লৈ তিনিজন আৰু অন্যান্য বহুতকো, তলত লিখাৰ দৰে হালে হালে সাঙুৰি যোৰহাটৰ পৰা শিলচৰ জেললৈ চালান দিলে—একে সাঙো�ৰত নগাঁও জিলা কংগ্রেছৰ সহকাৰী সভাপতি প্রবীন উকীল বৃন্দাবন চন্দ্র গোস্বামী আৰু মই, দ্বিতীয় সাঙো�ৰত নগাঁও জিলা কংগ্রেছৰ সভাপতি পণ্ডিত কণকচন্দ্র শর্ম্মা আৰু ধর্ম্মনাথ বৰঠাকুৰ (ধর্ম্মমাষ্টৰ), তৃতীয় সাঙোৰত চৰকাৰী চাকৰী-ত্যাগী সাহিত্যিক কমলানন্দ ভট্টাচার্য্য আৰু গোলোকচন্দ্র গোস্বামী (বৃন্দাবন গোস্বামীৰ ভায়েক), চতুর্থ সাঙোৰত গোলাঘাট দেৱগাঁওৰ ব্যৱসায়ী পূর্ণদেৱ ঠাকুৰ আৰু প্রাক্তন চাহ-কর্ম্মচাৰী বগাই দত্ত হাজৰিকা (দেৱগাঁৱৰে), পঞ্চম সাঙোৰত নগাঁও জিলা কংগ্রেছৰ সম্পাদক হলধৰ ভূঞা আৰু কলিয়াবৰৰ লক্ষ্মীপ্রসাদ বৰা গোস্বামী (পিছলৈ গহপুৰত চাহ-কর্ম্মচাৰী), ষষ্ঠ সাঙোৰত ওপৰোক্ত লক্ষ্মীপ্রসাদ

৩৮। সশ্রম : Rigorous Imprisonment বা R. I. অশ্রম : S. I.

৩৯। C. S. Gunning, I. C. S.

গোস্বামীৰ ককাইদেৰেক কালিপ্রসাদ বড়া আৰু বকোৰ মুন্সি ওৱাৰেদ আলি, সপ্তম সাঙোৰত কালুগাঁওৰ পুণাৰাম গগৈ আৰু মোৰ সহপাঠী কণক চেতীয়া, অষ্টম সাঙোৰত কেশবানন্দ ভট্টাচার্য্য (কমলানন্দ ভট্টাচার্য্যৰ সহোদৰ) আৰু কলীয়াবৰৰ ফালৰ কালীনাথ ভূয়াঁ, আমাৰ মুৰৰ পৰা জুটি নিয়া ৰছিডালৰ নেজ টুকুৰাৰে ককালত মেৰ দি বান্ধত লোৱা গুৱাহাটীৰ চুভকচিং পঞ্জাবী।

এইদৰে গুৱাহাটীৰ পৰাও ফঁইৰে সাঙুৰি[৪০] ৰোহিণীকুমাৰ চৌধুৰী, গৌৰীকান্ত তালুকদাৰ, মৌঃ তৈয়াবউল্লা চাহাব, নিধিৰাম দাস মোক্তাৰ আৰু অম্বিকাগিৰি ৰায়চৌধুৰীক তেজপুৰ জেললৈ নিছিল।

৭। চিলটত[৪০ক] অসহযোগী কয়দী

১২-২-১৯২২ তাৰিখে চিলট জেলত পাইছোগৈ কুমুদৰাম বৰা, শশীধৰ শর্ম্মা, শিৱপ্রসাদ আগৰৱালা, কদ্রকান্ত শর্ম্মা আৰু ফজলৰ ৰহমান আদিক। কেউজন তেজপুৰ জেলৰপৰা অহা। স্থানীয় বুলিবলৈ আব্দুল মতিন চৌধুৰী আৰু কুৰিজন মান। তদুপৰি শিবেন্দ্রচন্দ্র বিশ্বাস, সুৰেশচন্দ্র দে আৰু সর্ব্বোপৰি উল্লেখযোগ্য আমাৰ চিনাকি বাবাজী আৰু পাণ্ডেজী।

৮। চিলটৰ বিষয়াৰ চিনাকী

উপায়ুক্ত লয়দ্ চাহাব, অতিৰিক্ত উপায়ুক্ত হেজলেট চাহাব, চিভিল চার্জন আৰু চুপাৰিণ্টেডেণ্ট কর্ণেল ইনিচ, এই কেউজনেই ইংৰাজ; আৰু মুখ্য জেইলাৰ, ৰায় চাহাব ভট্টাচার্য্য।

৪০। শ্রীযুতা নলিনীবালা দেবীৰ "স্মৃতিগ্রন্থ"—৩১ পৃঃ

(৪০ক)। শ্রীহট্ট।

৯। যোৰহাটে গোৰ মাৰি যেন গঙ্গাত হে পেলালে।

লয়ড্ চাহাবৰ আদেশ অনুসৰি তেওঁৰ চিলট জেলত সকলো ৰাজনৈতিক বন্দীকে আৱদাৰ প্ৰাপ্ত[৪১] বুলি পৰিগণিত কৰা হৈছিল আৰু আমিও চিলট জেলত ব্যৱহাৰ সেই ধৰণেৰে দেখিছিলোহি। অথচ আমি জনাত আৰু যোৰহাটত কৰ্ম্মৰীৰ ৰৰদলৈ দেৱে শঙ্কা কৰা মতে, যোৰহাট জেলৰ পৰা আমাৰ দলটোক চিলটলৈ পঠিয়াইছিল 'তাত এপোটক পাওকগৈ' বুলিহে। চিলট জেলত প্ৰৱৰ্ত্তা পাশৰিক অত্যাচাৰে পৰিবৰ্ত্তিত ৰূপ ধাৰণ কৰি সদাচাৰত যে পৰিণত হ'ল তাৰ মূলতে কিন্তু বাবাজী বুলিয়েই কথাষাৰ সম্প্ৰতি উনুকিয়াই থৰ পাৰি।

১০। ইহঁতলৈ আকৌ কিহৰ বিশেষ সুবিধা?

শিৱসাগৰৰপৰা অহা আমি তিনিজনৰ পক্ষে বিশেষ সুবিধাৰ আদেশ আছেনে নাই আমি ফাটেকৰ অধ্যক্ষক কৰ নোৱাৰিলত ৰায়চাহাবৰ খচমচনিত তেওঁ শিৱসাগৰলৈ লিখিলে। গাণিঙে সমিধান দিলে বোলে এনেবোৰ মানুহক নো কিয় বিশেষ সুবিধা দিব লাগে তাক তেওঁ নুবুজে[৪২]।

১১। গোটেইখিনি কংগ্রেছীৰ মাজত বাবাজীক লৈ সমস্যা

বাবাজীৰ অপ্রত্যাশিত আৱির্ভাবে শিলচৰ জেইলৰ ৰাজনৈতিক বন্দীৰ মহলত চিন্তাৰ এক আলোড়ন তুলিলে, কাৰণ অসহযোগ আন্দোলনৰ লগত বাবাজীৰ কোনো সংশ্ৰৱ নাই। তেওঁৰ অজ্ঞাত-

---

৪১। With special treatment.

৪২। I cannot see any reason why these people should be accorded special treatment.

সাৰত আজি তেওঁৰ দেহা-পিঞ্জৰ অসহযোগীৰ সমাজত ভুক্ত হৈছেহি। হৃদিস্থিত জনে তেওঁক কংগ্রেছ আন্দোলনত লেশ মাত্রও জড়িত কৰোৱাহি নাই। চৰকাৰৰ মতেহে তেওঁ কংগ্রেছ-কৰ্ম্মী। তেওঁ কংগ্রেছৰ প্রচাৰ-কার্য্যত ব্যস্ত হৈ থাকোতেই পুলিছে ধৰিছে বুলি প্রমাণিত হব। তেনেস্থলত "তেওঁ কংগ্রেছ কৰ্ম্মী বা অসহযোগ আন্দোলনৰ স্বেচ্ছাসেৱক নোহোৱাটো ধ্রুবসত্য" বুলি কৈ চাপৰি দিলেই মেঘ নিশ্চয় নেৰায়। বিচাৰত অসহযোগীৰ পক্ষে আত্মপক্ষ সমর্থন সম্পূর্ণ ৰূপে নীতি-বিগর্হিত। কিন্তু বাবাজীৰ (সশিষ্য) আত্মপক্ষ সমর্থন নকৰিবৰ কোনো হেতু নাই। অথচ তেওঁবিলাকে আত্মপক্ষ সমর্থন কৰিব লাগিলে বা বিচাৰত, তেওঁবিলাক যে স্বৰূপার্থত কংগ্রেছসেৱী নহয়, এনে কথা ব্যক্ত কৰিলে কিবা স্বৰূপে, কংগ্রেছৰ আদর্শতে বোলক বা খ্যাতিতে বোলক, কলংকৰ কালিমা পৰিব আৰু সেয়ে হলে স্থানীয় ভাবেৰে হলেও আন্দোলনটি দুর্ব্বল হৈ পৰিব।

১২। আমাৰ গ্রেপ্তাৰ

১৫-১২-২১ তাৰিখে গধূলি আমাৰ ঠাকুৰবাৰী (আজি-কালি কৃষ্ণবিহাৰী) বাগিছাৰ ঘৰতে পিতৃদেৱ ৰত্নেশ্বৰ বৰঠাকুৰ গ্রেপ্তাৰ হয়। তেতিয়া এই লিখক শিৱসাগৰৰ আমোলাপটিৰ আনন্দৰাম বৰুৱাৰ ঘৰত। পিচদিনা প্রত্যুষতে ঠাকুৰবাৰীলৈ ওলাব ধৰোতেই দেখোন দুজন পুলিচৰ লগত দেউতা। দেউতাই বোলে, "ওলাঁ, তোৰে মোৰে দুয়োৰো নামত ওৱাৰেণ্ট।" পুলিচ বিষয়া কেজনে আমাক বৰ ততাভুকুতা নকৰি ভাত মুঠি ধৰি লোৱাৰ পৰামর্শ দিলে। কথা ৰখা হ'ল।

নগৰখনৰ মানুহে ইতিমধ্যে এই চৰকাৰী আমোলাজনৰ ঘৰ তোলপাৰ লগালেহি। আজানুলম্বিত হস্তৰ দীর্ঘকায় সেই পিতৃ-দেৱতাৰ লগত কতীয়া-মতীয়া এই অভাজন পুত্রই স্বৰাজ আশ্রম

প্রাপ্তিৰ গৌৰৱ কামনাত ৰাওনা হলো, লগে লগে জয়ধ্বনিৰ ৰব তুলি দলে দলে ৰাইজ আমাৰ পিছ ললে।

১৩। বলিয়া শিয়াল

ডী-ক্লা-মণ্ট্ নামৰ গোৰা পুলিচ অধ্যক্ষ জনে ঘোঁৰাত উঠি সহকৰ্ম্মী অশ্বাৰোহী দুজন লৈ বলিয়া শিয়ালৰ দৰে আগচি ধৰি সমদলৰ ভিতৰলৈকে ঘোঁৰা সুমুৱাই নিছিল। আমি দুয়ো কৰপুটে ৰাইজক প্রার্থনা জনালো, যাতে আগ নাবাঢ়ি যেন তাৰ পৰাই সকলো স্বস্থানে প্রস্থান কৰে।

১৪। স্বৰাজ আশ্রমত প্রৱেশ

মোৰ শৰীৰৰ ওজন তেতিয়া ৮০ পাউণ্ডলৈ নামিছিল, তিমানতে কৃপাময়ে জেল নামৰ এই স্বৰাজ আশ্রম খনিলৈ ননা হলে, হেজাৰ মনৰ উছাহতে হলেও ৰাহিৰত নো আৰু কেইদিন এই জুকলা দেহাৰে খাটিব পাৰিলোহেঁতেন? তাত লগ পালোগৈ দুর্গাপ্রসাদ ৰৰঠাকুৰ, ভুবনচন্দ্র গগৈ আৰু মৌঃ ৰাহাৰুদ্দিনক, ৰাকী বিলাকে পিছত লগ লৈছেহি। ২০ তাৰিখে দেউতাক মুকলি কৰি দিলে।

১৫। ফুচুলনিত নপৰাৰ পোটক

গাণিং চাহাবে মতাৰ কাৰণে চৌবিশ ডিচেম্বৰৰ দিনা দেউতা মহকুমাধিপতিৰ বঙলা পোৱাত, পৰামর্শৰ সুৰত চাহাবে বুজালে "ফাটকত নোসোমাই ৰাহিৰত থাকিও 'কংগ্রেছৰ ভলণ্টিয়াৰ নহঁও' বুলিলে দেখোন পদ্মনাথে কংগ্রেছৰ কাম চলাই থাকিব পাৰে। এটা মৌখিক প্রতিশ্রুতি[৪৩] দিবলৈ আপুনি বুজালে নিশ্চয় তেওঁ মানিব।" সেইদৰে বুজাবলৈ দেউতা মান্তি নহ'ল।

৪৩। প্রতিশ্রুতি—Undertaking.

দেউতাকো লগতে লৈ গৈ তেতিয়াই জেলৰ আপিচতে ১০৮ ধাৰা মতে এবছৰৰ বিনাশ্রম কাৰাদণ্ড হুকুম জাৰি কৰিলে।

১৬। মচুলুকাৰ প্রস্তাৱ

জেলঘৰৰ বাৰাণ্ডাতে আদালতৰ আখৰা পাতি ৰৰঠাকুৰ গগৈদেও আৰু বাহাৰুদ্দিনক দণ্ডাদেশ বিধানি বিচাৰক গাণিং চাহাবে মোলৈ চাই কলে—"পদ্মনাথ, স্বেচ্ছাসেৱক দলৰ লগত সংশ্রৱ ত্যাগ কৰাৰ প্রতিশ্রুতি পালে তোমাক যাবলৈ দিব পৰা হব।" মই বোলো—"নিচোৰ এজনে যদি মই আৰু চুৰ কৰি নেখাওঁ বুলি মুচুলুকা দিয়ে, তেন্তে তেওঁ নিচোৰ সত্ত্বেও চোৰ বুলি গণ্য কৰা হব। কংগ্রেছ স্বেচ্ছাসেৱক বাহিনীটো এনে অপৰাধী নহয় যে তাৰ লগত আমি সম্বন্ধ চিঙিব লাগে।"

১৭। অশ্রম গুছি সশ্রম

গাণিং চাহাবে তদ্দণ্ডে বিচাৰৰ ৰায় লিখি থোৱা কাগজ কিখন লৈ চেতিয়া, পুণাৰাম গগৈ আৰু মোৰ এচ্ আই (S. I.) বোলা আখৰ কেটাৰে 'এচ্' (S) টো কাটি 'আৰ্' (R) কৰি পেলালে। অর্থাৎ আমাক বিনাশ্রমৰপৰা সশ্রম কাৰাদণ্ডৰ আদেশ দিলে। চেতিয়া আৰু গগৈয়ে মাত এষাৰো মাতিবৰ সুযোগ নেপাই, নিমাত হৈ থকা সত্ত্বেও, কি কাৰণত তেওঁবিলাকৰ ওপৰৰ আদেশটোৰ সালসলনি ঘটালে, তাক গাণিং চাহাবেহে জানিছিল।

১৮। প্রতিশ্রুতিৰ অপযশ

প্রতিশ্রুতি আদায়ৰ দ্বাৰা মুক্তি প্রদান কৰি কংগ্রেছ আন্দোলনক জনতাৰ ওচৰত হেয় প্রতিপন্ন কৰাবলৈ চৰকাৰৰ যে কি এক অবিৰাম চেষ্টা চলিছিল তাৰ আৰু এটা উদাহৰণ দিয়া যাওক। শিৱসাগৰৰ গাণিং চাহাবে অনেকক অশ্রম কাৰাবাসো দিছিল। কিন্তু নগাঁৱৰ

উপায়ুক্ত হিগিঞ্চ চাহাবৰ হাতত সকলোৰে ভাগ্যত সশ্রমহে ঘটিছিল। বৃন্দাৱনচন্দ্র গোস্বামী জখলাবন্ধীয়া গোঁসাই। গোস্বামীৰ ককায়েক সত্রাধিকাৰ। অধিকাৰ-গোঁসাইক হিগিঞ্চ চাহাবে লাগিলেগৈ— ভায়েকক হাজোতৰপৰা উলিয়াই নিবলৈ, বিশেষতঃ "জখলাবন্ধা হেন অসমৰ প্রখ্যাত সত্র এখনৰ সন্মানিত পুৰুষ, জিলাৰ সকলো-বিলাক অবৈতনিক মুখ্য বিষয়-বাৰ ভোগ কৰি থকা বৃন্দাৱন গোস্বামীৰ পক্ষে সাধাৰণ মানুহৰ দৰে ফাটক খাই থকাটো বোলে দেখাতে তেনেই আপচু। গোস্বামী উকিল ডাঙৰীয়াই ওলাই যাবৰ ইচ্ছা প্রকাশ কৰিলেই ঘৰলৈ গুছি যাব পাৰিব।"

দুজনৰ ভিতৰৰ কথাই যেতিয়া গোঁসাই দেৱকো চুলেগৈ, তেখেত অবাধে ওলাই গ'ল। এই যাত্রাত আনকি নিজৰ পৰিবাৰৰো সমর্থন নোপোৱাত গোঁসাই মানে যহে আকৌ জেলতে ওলালগৈ, যেন বাহিৰৰ মানুহ বিলাকৰ মনৰ পৰীক্ষা লবলৈহে বাহিৰলৈ ওলাই গৈছিল। ইয়াৰ পিছত ন মাহৰ সশ্রম কাৰাদণ্ড, ৩০০ টকা জৰীমনা, অনাদায়ত আৰু তিনি মাহৰ ফাটকৰ দণ্ডাদেশ গোঁসায়ে পালে।

অসহযোগত লাখ লাখ দেশবাসীয়ে আপোনমনে আত্মপক্ষ সমর্থন নকৰাকৈ অকাতৰে বৃটিছৰ জেইলবোৰ ওপচাই পেলালে। এযাৰ মৌখিক প্রতিশ্রুতিৰে চকুৰ পচাৰতে খালাছ পাব পৰা পানী যেন সহজ পন্থা থকা সত্ত্বেও তাৰ অৱলম্বনত কংগ্রেছী সকলে পোতাশাল ত্যাগ নকৰি তাতে মৰহি যোৱা কথাষাৰৰ কল্পনাতে অকংগ্রেছী সকলে তাজ্জব মানিছিল, অথচ এই আকোৰ-গোজালি ভাৰটি কংগ্রেছীলৈ অক্ষয় কবচ। কাৰোবাৰ মাক, দেউতাক বা কোনো সন্তানৰ হানি হলে, বা উৎকট বিধৰ আকস্মিক দুর্ঘটনা ঘটিলে, তেওঁবিলাকৰ আত্মীয় স্বজনৰ কোনোবাই কয়দীজনৰ অজ্ঞাতসাৰে জামিনতীৰ খট-পত্র চহী কৰি অপ্রত্যাশিতভাৱে উলিয়াই নিয়াৰ দৃষ্টান্ত যেনে বিৰল নহয়, সেইদৰে আকস্মিক শোক বা দুর্ঘটনাৰ বাতৰি পায়ো নির্বিকাৰ চিত্তে স্বৰাজ আশ্রমখনিতে বৈ

যোৱাৰ উদাহৰণো অলেখ। এজনক আকৌ বিয়াৰ ৰভাতলৰ পৰা পুলিচে ধৰি লৈ যোৱাত ৰৰৰ ইচ্ছানুযায়ী (তেওঁৰ) ফটোখনিৰ লগতে বোলে কন্যাৰ লগত লগুণ গাঁঠি দি বিয়া পতা হৈছিল। তেখেতৰ নামটো (যদিহে সঠিক মনত আছে), সিদ্ধেশ্বৰ গগৈ।

১৯। মহাত্মা গান্ধী যোগভ্রষ্ট পুৰুষ

বাবাজীৰ যে মহাত্মা গান্ধীজীৰ প্রতি অশেষ শ্রদ্ধা, কথাই কথাই ওলাই পৰিল। মহাত্মা গান্ধী যে পূর্ব্বজন্মৰ যোগভ্রষ্ট পুৰুষ তাক বুজাবলৈ বুলি শ্রীমদ্ভাগবত গীতাৰপৰা বাবাজীয়ে তলৰ শ্লোকটো উদ্ধৃত কৰিছিল—

"অথবা যোগিনামেব কুলে ভবতি ধীমতাম্
এতদ্ধি দুর্লভ তৰং লোকে জন্ম যদীদৃশম্।"

"অথবা বৈৰাগ্যবান্ পুৰুষ উন্লোকোমে ন জাকৰ জ্ঞানৱান্ যোগিয়োকে হী কুলমে জন্ম লেতা হ্যায়, পৰন্তু ইস্ প্রকাৰ্কা জো য়হ্ জন্ম হ্যায় সো সংসাৰমে নিঃসন্দেহ অতি দুর্লভ হ্যায়"[৪৪]। বাবাজীৰ মতে গান্ধীজী যোগভ্রষ্ট পুৰুষ হেতু এই জন্মত তেওঁ সাধাৰণ মানুহে ঢুকি নোপোৱা স্তৰৰ আত্মজ্ঞান লাভ কৰি মহামানৱৰ শাৰী পুৱাইছে। এনে মহাত্মা জগতত অতি বিৰল।

এই সুযোগতে বাবাজীক বুজুৱা হ'ল যাতে মহাত্মা গান্ধীৰ বাক্যকো সাৰোগত মানি তেওঁ আত্ম-সমর্থনৰপৰা বিৰত থাকে। বাবাজীয়েও আত্মপক্ষ সমর্থন নকৰিবৰ উদ্দেশ্যে, মৌনী-হৈয়েই বিচাৰৰ আধ্যা সমাপ্ত কৰালে। "মৌনং সম্মতি লক্ষণং"—বুলি মানি আৰু ১১০ ধাৰাত[৪৫] অসৎ উপায়ে জীৱন নির্ব্বাহ কৰা

৪৪। যোগভ্রষ্ট পুৰুষ সকলৰ বিনা যত্নতে পূর্ব্বজন্মৰ অভ্যাসৰ প্রতি প্রবৃত্তি হয় আৰু এৰা সকলে এইদৰে আগবাঢ়ি থকা হেতুকে আন লোকৰ তুলনাত অতি আগে আগে আত্মজ্ঞান লাভ কৰে।

৪৫। Bad livelihood.

দোষত দোষী সাব্যস্ত কৰি, তেওঁক বিশেষ সুবিধাৰপৰা বঞ্চিত কৰি, এবছৰৰ সশ্রম কাৰাদণ্ডৰে দণ্ডিত কৰিলে।

২০। গো-শ্রম বিনা উৎপাদিত খাদ্য

বাবাজীয়ে গৰুৰ শ্রমেৰে উৎপাদিত শস্যৰ খাদ্য নাখায়। তেওঁৰ বিধ চাউল বন ধানৰ। নিচেই কণ কণ চাউল। বাবাজীৰ শিলচৰ জেইলত সোমোৱাৰ লগে লগে তেওঁৰ শিষ্যবৰ্গই তেওঁৰ কাৰণে দুথৈলা চাউল জেইলত জমা দিছিল। কিন্তু দণ্ডাদেশত তেওঁৰ বিশেষ ব্যৱহাৰৰ কথা নাই। তেওঁ ফাইলত খাবলৈ বাধ্য। সি যিকি নহওঁক, জিদ্ বজাই ৰখা কাৰণে হব পাই, ম্যাদৰ আদেশৰ লগে লগে বাবাজীৰ স্থানান্তৰৰো হুকুম হ'ল, যাতে ৰাজনৈতিক বন্দীৰ কপালত যিমান যাতনা হব পাৰে তাৰ সোৱাদ লবগৈ পাৰে শ্রীহট্ট জেলত। ৰাজনৈতিক বন্দী এজনক (নাম ফজলুল হক নে তেনে কিবা) খাইবাৰ পাচৰ ওচৰৰ পৰা ধৰি আনি এই চিলট জেলত বোলে লো তপতাই গাত লগাই সেই সময়ত নগুৰ শাস্তি দিছিল। এইটো নিজৰ অঙ্গ-প্রত্যঙ্গত সাঁচ দেখুৱাই তেওঁ নিজে কোৱা কথা। তেতিয়া তেওঁ চফল ডেকা।

২১। শ্রীহট্ট জেল অফিচত বাবাজা

বাবাজীক শিলচৰীয়া পুলিচে শ্রীহট্ট জেলখানাত—অধ্যক্ষ চাহাবৰ সাক্ষাততে গতাই দিয়ে। নিজে কিমান মাত্রাই কংগ্রেছ-বিৰোধী তাক দেখুৱাবৰ মানসেই হবলা, ৰায় চাহাবে সশ্রম বন্দী বাবাজীৰ আনকি বস্ত্র খণ্ডকো বখলিয়াই লৈ জেইলৰ ঠেঙা আৰু চোলা (জেইলৰ কিট্[৪৬]) পিন্ধোৱাই, জেল ৰামায়ণ যাতে অশুদ্ধ নহয়, তদর্থে—ব্রহ্মচাৰীৰ কাষলতি শুৱাই থকা গীতাখন দেখি—"জেলৰ ভিতৰলৈ কিতাপ সুমুওৱা মানা" বুলি তাকো কাঢ়ি ললে,

৪৬। জেইল কীট, Jail kit.

সমিধ, ধূপ, চন্দন আদি যে আগতে থপিয়াই ললেই। অপ্রত্যাশিত এই বৰ্বৰ আচৰণত সাধুজন তেনেই অতীষ্ঠ হৈ পৰিল। "তোমালোকে মোৰ লেংটি ললা। গীতাখন কাঢ়ি নিলা, লগুণ দালো লৈ যোৱা। (তোমলোক হামাৰা লেঙুত লিয়া, গীতামে ধৰম লিয়া, আভি পৈতাভী লেও) বুলি চকুৰ পচাৰতে লগুণদাল সোলোকাই চাট কৰে ৰায়চাহাবলৈ দলি মাৰি দি জুই আঙনিৰ দৰে তৰৰবাই জ্বলি উঠা দুয়োটা চকু কৰ্ণেল ইনিচ চাহাবৰ দু-নয়নৰ ওপৰত থাপি এনে সংগ্রামমূলক দৃশ্য ঘটাই দিলে যে কুলিন ব্রাহ্মণ ভট্টাচার্য্য ৰায়চাহাৰ থৰহৰি কম্পমান। ইপিনে কোনোৰা টলকত পৃষ্ঠভঙ্গ দি কৰ্ণেল ইনিচৰ অন্তর্ধান।

সর্ব্বশেষত বাবাজীক নি ভৰালেগৈ[৪৭] চেল নামৰ গহ্বৰত, পাণ্ডেজীক আশ্রয় দিলে অন্যান্য কয়দীৰ লগত।

২২। বাবাজীৰ আলমত ৰাজ-অতিথিৰ জয়লাভ

পিছদিনা উপায়ুক্ত মিঃ লয়ড্ জেল পৰিদর্শনার্থে আহি ৰাজ-নৈতিক বন্দীৰ জেল সংক্রান্ত সংশোধিত বিধান কেইটামান শুনাই দিলেহি; যেনে—তেওঁৰ জেলত পৰিদর্শকৰ কাৰণে শাৰী পাতিব (ফাইল কৰিব) নালাগে[৪৮], কাপোৰ-কানি, আঠুৰা আদি বাহিৰৰ পৰা, যাৰ মন যায় অনাই লব পাৰে। "চৰকাৰ চেলাম[৪৯]" প্রথা উঠি গ'ল, জেল কর্ত্তৃপক্ষৰ আপত্তি নথকা সকলো বিধৰ কিতাপ-পত্র অনাই লব পাৰে। সকলোটি বিশেষ ব্যৱহাৰপ্রাপ্তি বুলি পৰিগণিত হ'ল।

৪৭। Cell.

৪৮। ফাইল কৰা মানে জেইলৰ সংশ্লিষ্ট কর্ম্মচাৰীৰ আদেশত সকলোৱে শাৰী পাতি ঠিয় দিয়া।

৪৯। ফাইল কৰা অবস্থাত "চৰকাৰ চেলাম" বুলি আদেশ শুনাৰ লগে লগে চেলাম দিয়া।

২৩। বাবাজীৰ বিধ সত্যাগ্রহ

এই উদাৰ নিয়মাবলীৰ গুণত সাধুবাবাই চেলমুক্ত হৈ কাপোৰ-কানি আৰু গীতা ওলোটাই পালে। তথাপি এই খিনিয়েই তেওঁৰ ধৰ্ম্মক্ষেত্ৰ চহাবলৈ নাটিলে। বাবাজীয়ে ব্ৰতৰ কালত মৌনব্ৰত অবিচ্ছেদ্যভাৱে পালন কৰে। "সংস্কাৰাৎ দ্বিজ উচ্যতে।" গতিকে যি নৰ গুণ লৈ সংস্কাৰ লাভ কৰিছিল সেই লগুণেই নোহোৱাত তেওঁৰ দ্বিজত্ববো বোলে বিনাশ ঘটিলে। আমাৰ বাবাজীৰ ভাষা বুজিবৰ সুবিধা পাবলৈ তেওঁক শিলৰ ফলি এখন দিয়া হ'ল। জনা গ'ল যে তেওঁৰ লগুণৰ অভাৱ। আগৰ লগুণদাল বুটলি আনি নিপিন্ধে। "সেই পৈতা বোলে যুথা হ'ল। আৰু বিনা যজ্ঞোপবীতে তেওঁৰ খোৱা অসম্ভৱ। একে লেথেৰিকৈয়ে অতকাল পেটত খাদ্যৰ নামত সঁচ অকণো নপৰাকৈ কেনেকৈ এই তিনিকুৰি সাত বছৰীয়া ক্ষীণকায় বুঢ়া ফকীৰজন জীয়াই আছিল তাক বুজা দিনে দিনে কঠিনতৰ হৈ পৰিছিল।

২৪। ৰায় চাহাবৰো মন গলিল

বাবাজীৰ গতি-গোত্ৰত ৰায়চাহাবৰ গাতো পোৰণি উঠিল। বেচেৰাৰ গাত অনিদ্রা লম্ভিলেহি। লগুণৰ এটা ব্যৱস্থা কৰিবৰ মানসে কংগ্রেছ অফিচৰপৰা কপাহৰ পাঁজি এটোপোলাৰ সৈতে যঁতৰ এটা বাবাজীৰ চৰণত অর্পণ কৰিলেহি। বাবাজীয়েও সুপ্রসন্ন হৈ ব্যস্ত সমস্ত ভাৱে সূতা কাটি শন্ ৰচি যেন একোদালেৰে লোধোমাকৈ লগুণ এদাল বান্ধি মন্ত্র-পুত কৰি পিন্ধিলত লগৰ লগৰীয়া সকলৰ আনন্দ চাই কোনে? তথাপি মাত-বোল আৰু খোৱা-বোৱাৰপৰা বাবাজী সম্পূর্ণ বিমুখ। শেহাস্তৰত বাবাজীৰ বিধ চাউল, সমিধ কাঠ, ঘিউ আদি আৰু আগতে লুটি থোৱা বস্তু-খিনিও দি দিলেহি।

২৫। হোমৰ আহুতিতে অন্ন অন্ত[৫০]

অতকালৰ মূৰত মৌনব্রতীয়া বাবাজীয়ে আধা সেৰ (আধা-কিলো) চাউলেৰে ভাত বহালে। লগতে দাইলো মিলাই খিচিৰি কৰিলে। ভাত হ'ল। কয়দীৰ লোহাৰ বাটি এটাত বাঢ়ি ললে। তাৰ পিছত সমিধ এমুঠিত ঘিউ দি জ্বলাই ললে আৰু অন্নেৰেই আহুতি দিওঁতে দিওঁতে গোটেইখিনি ভাত খতম্ হ'ল। তেওঁৰ প্রতিনিধি স্বৰূপে সর্ব্বভক্ষহুতাশন অগ্নিদেৱতাই গোটেইখিনি গ্রহণ কৰিলে। এই দৃশ্য অকল জেল দাৰোগা সকলৰ বুলিয়েই নহয়, চাই থকা সকলৰ পক্ষেও বিস্ময়কৰ হৈ পৰিছিল।

২৬। দীঘলীয়া ব্রতৰ পাৰণা

ফিৰিক দিনা বাবাজীয়ে আগদিনাৰ দৰেই পাগ্ কৰিবলৈ বহিল। সকলোৰে দৃষ্টি বাবাজীৰ ওপৰত। ৰন্ধা-বঢ়া হ'লত আগদিনাৰ দৰেই সমিধ কাঠৰ চলি জ্বলালে। মাখি লৈ অলপ অলপ ভাতেৰে হোমাগ্নিত আহুতি দিবলৈ ধৰিলে। ঘিউসনাখিনি ভাত ঢুকালত দীঘলীয়া এটি ধ্যানত সাধুবাবা মগ্ন হ'ল। জপৰ অন্তত বাকী আধা অত দিনৰ সেই খালি পেটটোলৈ তেওঁৰ সশ্রম কয়দী জীৱনত পোন প্রথমবাৰৰ কাৰণে পাৰ কৰিলে। চাউল মুঠি ধৰিলত অমাতৰ যিহে সুৰদি মাতেৰে বাবাজী আলোচনাত বহিল।

২৭। চিলটৰ বন্দীশালত আমি থকা ঘৰটো

শ্রীহট্টৰখন অসমৰ কেন্দ্রীয় বন্দীশাল। কম পক্ষেও বাৰশ কয়দীলৈ এই জেলত অবাধে ঠায়ে জোৰাব পাৰি। সত্তৰ আশী হাতমান দীঘল আৰু পুতলে ওঠৰ বিশ হাত মানৰ জয়মুনি এটি ছুটুপীয়া ঘৰত, অসহযোগ আন্দোলনত অভিযুক্ত কি হাজোতীয়া কি ম্যাদি, সকলোকে আছুতীয়াকৈ ৰখা হৈছিল। ইয়াৰ আগতে বোলে এইটো হাজোতত আৰু একোঠাত দেৱানী দায়ত আৱদ্ধ হোৱা

৫০। অমিয়কুমাৰ দাস ডাঙৰীয়াৰ মতে বাবাজী অগ্নিহোত্রী।

বন্দীসকল আছিল। ঘৰটোৰ ভেটি ওখ, পকা। বেৰবোৰ গোটা বাঁহৰ। ইকৰা বা গাধৈৰ বোৱা বেৰ নহয়। যোৰ কামীৰ ঠাইত বাতাম, বল্টু দি লগাই বন্ধোৱা। চাল খেৰৰ। ৰৰ ডাঠ চাউনি। মাজত বেৰ দি এটা টুপ ঘাই ঘৰটোৰপৰা পৃথকে ৰাখিছে। ঘাই ঘৰৰ একাষে চালি অকণমান বঢ়াই থোৱা আছে—মূত্র ত্যাগৰ কাৰণে। দিনৰ কাৰণে পিৰালি চুকতে পিপা পাতি থোৱা আছে। তাতে ঠিয়ৈ ঠিয়ৈ ক্ষুদ্র শৌচ কৰাৰ নিয়ম। এমূৰীয়া কোঠাটোত প্রধানতঃ অশ্রমীসকল আৰু সশ্রমীৰো জনদিয়েক আছিল। ঘৰটোৰ ইমূৰৰ পৰা সিমূৰলৈ এটা চাৰিহাতমান বহল বাৰান্দা। এই বহল বাৰান্দাটোতে, টহল দি শৰীৰৰ তেজ পৰিচালনা কৰাৰ সুবিধা লোৱা হৈছিল।

২৮। ফাঁচীশালৰ বলি ৰখা ঘৰ

এমূৰে আছে ফাঁচীৰ হুকুম প্রাপ্ত আচামী ৰখা ঘৰটো। এইটো ঘৰ সর্ব্বতোভাৱে ইটাৰ গাঁঠনিৰ। বায়ু পোহৰ সোমাবলৈ কোনো বিন্ধা এটি দেখিবলৈ পোৱাকৈ নাই। শুনাত দেৱালৰ আগত বোলে ক্ষুদ্র ক্ষুদ্র ছিদ্র আছে। দুৱাৰখন লোহাৰ। বাদুলি সঁচাৰটি যে জয়মুনি বিধৰ; যেন ভিতৰত দঁতাল হাতীহে ভৰাই থোৱা আছে। কবগৈ গলে ই এটা ভয়াবহ জয়াল ঘৰ। এই ঘৰটোত আৱদ্ধ কৰি ৰখা মানুহটো ফাঁচী কাঠলৈ নিয়াৰ আগতে কেলেই নমৰে সিও এক আচৰিত বিষয়। সঁচাকৈয়ে এই মানুহটোৰ কথা কল্পনা কৰিলে গাৰ নোম দাল দাল হয়। বলিৰ হাঁহ-ছাগলীয়ে যি ত্রাস পায়, তাৰ তুলনাত এই নৰবলি অতি ভয়াবহ, নিকৰুণ আৰু উৎকট হিংসাত্মক।

২৯। আমাৰ ৰান্ধনিশাল

ঘাই ঘৰটোৰ সমুখত এবেঁও মান আঁতৰত এখন বগিতামৰ ছাউনি আৰু বেৰৰ চালি। চৌকাৰে সৈতে সেইয়েই আখল। তাৰে দুটিৰ এটি হ'ল হবিগঞ্জৰ শিবেন বিশ্বাস আৰু সুৰেশচন্দ্র দেৱৰ আৰু সেই লগতে সময়ানুযায়ী ওলাই সোমাই থকা চিলটীয়া হিন্দু

ৰাজনৈতিক বন্দীসকলৰ। ইটি কোঠাত তেজপুৰীয়া চাৰিজন হিন্দু আৰু মুছলমান, কেউজন অসমীয়া। তাতে যোগ হৈ গৈ আছিল, আমাকে লগাই পিছত সোমাই পৰা অসমীয়াবিলাক।

এই বিলাকৰ উপৰিও আৰু এটা মেছ চিলটীয়া মুছলমান ৰাজনৈতিক বন্দীসকলৰ। তদুপৰি বাবাজীৰ সশিষ্যে এপাগ। আমাৰ মেছটোত ৰান্ধনী আছিল প্ৰায় বামুন-গোঁসাইখিনি। জেলৰ ভিতৰত এনে জাতৰ বিচাৰ কি সূত্ৰে প্ৰবৰ্ত্তিলে, এই বিষয়ে এদিনো কাকো আলোচনা কৰা নেদেখিলো।

৩০। কুকুৰা কণী

পৰস্পৰ ধৰ্ম্মভাৱৰ সন্মান অটুত ৰাখি মিলিজুলি থকাৰ হাবিয়াস এটা আমাৰ মাজত এনে প্ৰৱল আছিল তাৰে যৎসামান্য উদাহৰণ এটি দিছোঁ। মোৰ চকুত চলিহা ধৰাৰ নিচিনা হ'ল—বোধকৰো দীঘে, পুতলে আৰু ওখই চাৰি হাতকৈ সেই লৌহ পিন্‌জৰাৰ স্বাভাৱিকতে অগ্নিময় উত্তাপত ভাত পাগ কৰাৰ কাৰণেই। চিভিল চার্জ্জন কর্ণেল ইনিচে কিছুদিন কণী খাবলৈ বিধান দিলে। লগে লগে কৰ্ম্মবীৰ বৰদলৈয়ে কুকুৰা কণীৰ ব্যৱস্থা লগালেই। ৰান্ধনী দলৰ ভিতৰত ময়ো এটা যেতিয়া, মই কলো "পণ্ডিতজীৰ মতটোও লৈ থওঁ।" কবলৈহে পালো বৰদলৈ, চলিহা, বৰা, মটিন চৌধুৰী, গোস্বামী আদিয়ে সমাজ পাতি কণক কাব্যতীৰ্থক বুজাবলৈকে লাগিল যে ঔষধাৰ্থে কণী খোৱাটো কোনো কথাৰ কথাই নহয়, তাকে যেন পণ্ডিতজীয়ে বৰঠাকুৰক বুজাই দিয়ে। পণ্ডিতজীয়ে কিন্তু যুক্তি দিলে বোলে ৰায়বাহাদুৰ চুনিলাল বসুয়ে কলিকতা বিশ্ববিদ্যালয়ত খাদ্য সম্পৰ্কে এলানি বক্তৃতা দিওতে কৈছিল যে হাঁহ আৰু কুকুৰা কণীৰ ৰাসায়নিক বিশেষ পাৰ্থক্য নাই, মাত্ৰ হাঁহ কণীতকৈ কুকুৰাৰ কণী সোনকালে হজম হয়। গতিকে বৰঠাকুৰৰ দৰে ডেকা মানুহ এজনৰ কাৰণে কুকুৰাৰ কণীতকৈ হাঁহ কণীহে বেচি প্ৰশস্ত হ'ব। সেই কথাই ৰজিলে।

৩১। চেঙেলীয়াৰ বাহৰ

আমাক ৰখাটোৰে একে জোখৰ ঘৰ বহুতো। এই আটাইবোৰ কয়দী নিবাস। তাৰ এটা চেঙেৰা লৰাৰ কাৰণে (জুভেনাইল ৱার্দ)[৫১]। এইটো ঘৰ দীঘলে দীঘলে আমাৰটো ঘৰলৈ পিছ দি আছে আৰু ইয়াত একোজন মানুহে কাতিকুতা নকৰাকৈ দীঘল দি পৰি থাকিব পৰা একোটাকৈ পকা ভেটি আছে। এইটোৰ ভিতৰত আকৌ দীঘলে বহলে সেই ভেটিটোৰ সমান ঠাইখনক তিনি ফালে লোহাৰ চিলিঙৰ বেৰে আগুৰি ৰাখিছে আৰু ভৰি পথাৰ ফালে এখন পিছলাই নিয়া দুৱাৰ। এই দুৱাৰবোৰ ইখনৰ লগত সিখন এনেকৈ আও দীঘল লোহাৰ শলখাৰে যুতি ৰাখিছে যে তাৰ এমূৰত চকা ঘূৰাই দিলেই গোটেইখিনি দৰজা মন গলে একেলগে খুলিব বা বন্ধ কৰিব পাৰি আৰু সেই এমূৰৰ তলাটো লগালেই গোটেইখিনি দুৱাৰ বন্ধ হৈ থাকিব। এই নিকপকপীয়া বান্ধটিৰ কাৰণে জেলত ৰাতি এক, দুই, তিনি, চাৰিকৈ কৰা চিৎকাৰ প্রণালীও নিষ্প্রয়োজন হৈ পৰিল। লানী নিছিগাকৈ লগোৱা এনে চোঁচৰা দুৱাৰৰ ব্যৱস্থা আসামৰ ভিতৰত বোধকৰো চিলট জেলখনতেহে আছে।

৩২। গহৰী গৰাঁল (চেল)

ক্ষুদ্র ক্ষুদ্র পকা গহৰ বহুতো। দুৱাৰখন গোটা লোহাৰ চিলিঙৰ। ইয়াত জেল-অপৰাধী বন্দীক চিৰিয়াখানাৰ চিম্পাঞ্জীৰ দৰে ৰাখি শাস্তিমূলক বাস দিয়া হয়। শাস্তিৰ মাত্রা চৰাবলৈ হলে এটা বা দুয়োটা ভৰিত লোৱা (বাৰ ফেটাৰচ্)[৫২] আৰু সিয়ো নাটিলে লোহাৰ জিন্‌জিৰিৰে বান্ধোন দি ৰখা হয়। এইবিধ গঁৰালকে চেল বোলা হয়। ই কোনোমতে ঠায়ে অঁটাকৈ এজন মানুহৰ কাৰণে টিপচী বন্দীশালহে।

৫১। Juvenile ward বা Reformatoryও বোলে।

৫২। Bar fetters.

৩৩। গোৰাৰ আৰু তিৰোতাৰ হাউলি

সকলোবে উবাৰি গৌৰবৰ্ণৰ চাহাব-বন্দীৰ কাৰণে ইউৰোপীয়ান ৱার্দ[৫৩] বোলা এখন ভিতৰ বন্দীশালো আছে। পিছে আমাৰ সময়ত তাত নবীন বৰদলৈ আৰু কুলধৰ চলিহাকো থৈছিল। তেখেত সকলে প্রত্যুষতে আমাৰখন ঠাই পায়হি, দিনটো খোৱা লোৱা কৰি আলাপ আলোচনা আদিবে ইয়াতে কটাই ৰাতি সেই বগাবঙালৰ পঁজাত পৰি থাকে গৈ। কুলধৰ চলিহা আগতে খালাচ হোৱাত পিচলৈ বৰদলৈ তাত অকলে অকলে আছিল গৈ।

তিৰী কয়দীবিলাকৰ কাৰণে মূল বন্দীশালতে অন্তঃপুৰ এখন আছিল, এইখনকে ফিমেল্ ৱার্দ বা তিৰী-নিবাস বুলিছিল। তেতিয়া তাত ৰাজনৈতিক বন্দী নাছিল।

৩৪। জেইল পৰিচালক

চিভিল চার্জ্জনেই জেইলৰ অধ্যক্ষ (চুপাৰিণ্টেদেণ্ট)। তেওঁৰ অধীনত জেইলাৰজনেই যেনিবা জেইলৰ ওপৰত লাট চাহাব। পালি জেইলৰবিলাক হ'ল মন্ত্রী আৰু পাত্রমন্ত্রী। তাৰ পিছতে আহি পৰিল জমাদাৰ। এওঁ যেন সেনাপতিহে। তেওঁৰ সহকাৰী ওৱার্দাৰসকল, ইয়াৰ তলৰবিলাক অর্থাৎ কলা-পাগুৰি, মেঠ্ আদি, এই সকলো বিলাককে বেচি দিনৰ ম্যাদ পোৱা কয়দী সকলৰ ভিতৰৰ পৰা মনোনীত কৰি লোৱা হয়। নিজৰ অধীন দেশ এখন, সেই দেশৰ মানুহৰ দ্বাৰাই কেনেকৈ চলাব পাৰি, তাৰ প্রশিক্ষণৰ কাৰণে জেলবিলাকৰ শাসনতন্ত্রৰ জ্ঞান বেচি লাগতিয়াল। আনকি প্রবাসত উদ্যোগৰ অধিপতি হৈ সেই উদ্যোগৰ পৰিচালনাৰ ক্ষেত্রতো জেল পৰিচালনাৰ ব্যুৎপত্তিয়ে পৰম উপকাৰ সাধিব পাৰে।

স্বাস্থ্য বিভাগত যদিও চিভিল চার্জ্জনেই বৰমূৰীয়া, চিলট জেইলত তেওঁৰ নামনাচতেই হ'ল এচিষ্টেণ্ট চার্জ্জন জন।

৫৩। European বা Special ward.

৩৫। খৰে খোৱা

চিকিৎসালয়টো দুমহলীয়া। তাৰৈ এদিনহে যাব লগীয়াত পৰিছিল। কোন কয়দীয়ে লোৱা কোন কলুষিত কম্বল কেতিয়া যে কাৰ ভাগ্যত পৰেহি সি কল্পনাৰো অতীত। এনে এখনে, খৰৰ বীজাণু কঢ়িয়াই অনাৰ দোষত হঠাত হৈ পৰিলো খৰীয়া। ডাক্তৰৰ লগতে হস্পিতেল পোৱাৰ লগে লগে ছেলিচাইলিক[৫৪] নে এনে কোনোবা এবিধ এচিদত চকু পৰিল। কপাহৰ আৰিয়া এটি তাতে জুবুৰিয়াই খৰে ধৰা ঠাইখনত লগাবহে পালো, চেকচেকনি ভক্‌ভকনিৰ তাপত তৰানৰা চিড়ি জঁপিয়াবলৈ ধৰিলো। অতি অসহ্য হ'ল। তথাপি মনে নেমানিলে। অলপ ভাল পালোহে মাথোন, আকৌ আগৰ দৰে টিপতে এবাৰ লগালো। এইবাৰ চেকচেকনি পোৰণিৰ নাম গোন্ধেই নাই। গধূলিলৈ চোকোৰা সৰি খৰৰ নামকে নুমুৰালে।

হস্পিটেলত দুঘণ্টামান বলো, তেনেই স্ব-ইচ্ছাতে। ওপৰ তলাৰ পৰা বাহিৰৰ মনোৰম প্রাকৃতিক শোভা, মানুহৰ ঘৰ-বাৰীৰ দৃশ্য, ৰাজপথ আৰু তাৰ ওপৰেদি মানুহ-দুমুহ, যান-বাহন সকলোৰে ইদিশ-সিদিশ আহ-যাহ, দৌৰাদৌৰি আৰু ব্যস্ত-সমস্ত ভ্রমণ আদিৰ জীৱন্ত ছবি এটাৰপৰা চকু ল'ৰাবলৈকে সমূলি পাহৰি তেনেই আপোনভোলা হৈ আছিলো। অন্তর্নিহিত দেৱতাজনৰ আনন্দ উল্লাস এই ভাগ্যবানৰ বাহিৰে তেতিয়া আন কোনোবায়ো যদি উপলব্ধি কৰিছিল তন্ময়তাই তাৰৈ লক্ষ্য কৰাৰ পৰা বিৰত কৰি ৰাখিলে। চিলট জেলৰ কথা আৰু বহুতো কবলৈ আছে। যি সময়ত এইবোৰ কথা লিখিবলৈ কলম ধৰা হৈছে, তাৰ বহুতো আগতেই বাতুলীমতীয়া চিলট জিলাখন ভাৰতৰ অঙ্গক্ষতৰ সুযোগতে শূর্পণখাৰ ৰূপ লৈ পাকিস্তানৰ গর্ভস্থ হৈ নাৰে-গাঁৰে বিদেশী হৈ পৰিল।

৫৪। ছেলিচায়লিক্ এচিদ : Acid Salicylic

তৃতীয় অধ্যায়

বকতা-থাওৰা (শিৰসাগৰ)

১। যাত্ৰাতে নিষ্ফল

থাওৰা মৌজাত দেউতাৰ ঠাকুৰবাৰী বাগিচাখনেই আমাৰ ঘৰ। নৈখন পাৰ হলেই বকতা। বকতা আৰু থাওৰাৰ এক সঙ্গমৰ স্থলত আছে দেউৰিটিং বাগিচা। তাৰে মহৰী এজনৰ ভায়েক হ'ল, তোষেশ্বৰ বৰুৱা। এই এজন ডেকাই অকল-শৰীয়া হেতু, কামৰ মোৰ নেপাই চটফটাই আছে। তাৰপৰা ছমাইলমান পূবত বকতা আৰু খালৈঘোগোৰা মৌজাৰ সঙ্গমত ভুবনচন্দ্ৰ গগৈদেৱৰ পাটসাঁকো স্কুলখন। ইয়াৰ চৌপাশেও আন্দোলনৰ অলপ বুৰবুৰণি উঠিছে,—ইমানেই। নতুবা উমান ধৰিব পৰাকৈ বকতা আৰু থাওৰা দুয়োখন মৌজাৰ চুকে কোনেও কতো কাৰো আন্দোলন সম্পৰ্কে ভ্ৰূভঙ্গ নাই বুলিলে অত্যুক্তি নহয়। তোষেশ্বৰ বৰুৱাই চাৰিমাইল হাবি বননি আৰু দ' পথাৰ ভেদ কৰি মোক লগ পালেহি। কথা প্ৰসঙ্গতে ওলাল বোলে বকতাৰ নেমুগুৰি মহলটোতে মাহে চৈধ্য সেৰ মানকৈ কানি বিক্ৰি হয়। বৰুৱাৰ সৈতে গাঁৱৰ দুই চাৰিজন মুখীয়াল মানুহৰ লগত ভেঁট হলোগৈ। এওঁবিলাকে গান্ধী ভলণ্টিয়াৰৰ নাম শুনিছে। আমি ওলালোগৈ যেনিবা ধনে দৌলতে উপচি থকা আমেৰিকাত সাম্যবাদৰ ধ্বজা তুলি মন্ত্ৰ প্ৰচাৰ কৰিবলৈ ৰুচিয়াৰ কমিউনিষ্টহে। এওঁবিলাকে কংগ্ৰেছৰ দুই নামকে নসঁয়। গোটেই জাঙুৰ খাই উঠিল। এনেতে ন কাটনি গাওঁৰ দবা কানীয়া গোপীনাথ গাওঁবুঢ়াই শেষ সমিধান দিলে বোলে "কংগ্ৰেছ-ফংগ্ৰেছৰ যি

কথা হওঁক বাপুটী, তত পণ্ডিৎ দেউতাই[৫৫] যদি কয়হি, বাইজে ভাবি চাব।"

এইদৰেই প্রথম যাত্রা বিফলে উৰিল।


২। বকতা বনাম বৰনগৰ

যিমানখিনি দৈবিক ঘটনাৰ সোপানেদি বৰনগৰত সহজে অগ্রসৰ হব পৰা হ'ল, তেনে ধৰণৰ একোৰে একোটোকে বকতা থাওৰাত নোহোৱা হেতুকে এই মৌজা দুটা জাগৃত কৰাটো শক্তিশেলে শায়িত কৰি থোৱা লক্ষ্মণক সঞ্জীবিত কৰাটোৰে একে কথা। এনেয়ে বৰনগৰে হাৰ্ডভৰি মাৰি উবুৰি হবলৈ কুৰুং কাৰাং কৰিছিলেই, তাতে চন্দ্র শর্ম্মা, নবীন বৰদলৈ আদিয়ে ইকোলা সিকোলা কৰি নচুৱাই তাক আগতীয়াকৈয়ে টক্‌টকীয়া কৰিলে; পিচে, এই দুটি মৌজাততো আনকি মহকুমা পর্য্যায়ৰে নেতা এজনেও কাণৰ গুৰিত ডাঙৰকৈ মাত একেষাৰ মাতি চক খুৱাই সাৰ পোৱাই দিবলৈ বুলিও নাই অহা। তাতে, চাহবাগিচাবোৰে বিয়াগোম বিয়াগোম বিষধৰ অজগৰৰ মূর্ত্তিৰে দুয়োখন মৌজা ছাটি ধৰি আছে। এতিয়া আমাৰ আক্রমণ হব লাগিব মানুহবিলাকৰ প্রাণৰ সৰলতাৰ যোগেদি। তালৈকো জহৰ বন্ধৰ দিন উকলিল। গতিকে বৰনগৰত ওলালোগৈ। ইষ্টফা পত্র নিদিলো যেনিবা মৌৰ বাহতহে হাত দিলো। কোনেও তাৰ নামকে উলিয়াব নিদিয়াত ছুটী লৈহে যৰ বস্তু ততে এৰি ঘৰমুৱা হব লগাত পৰিল।

৩। নতুন কর্ম্মস্থল

কবলৈ গলে বকতাখন মোৰ পুৰণি চিনাকি। ল'ৰা কালৰ ষোল বছৰ মান ঘৰ বুলি সদায় বকতাৰ মহখুটী বাগিচালৈকে

৫৫। "পণ্ডিৎ দেউতা" মানে ৰত্নেশ্বৰ শর্ম্মা বৰঠাকুৰ, ঠাকুৰবাৰী বাগিচাৰ মালিক।



মনৰ আণ্ডাজত সুঁৱৰি অঁকা


বকতা আৰু থাওৰা (১৯২১)




কর্ম্মবীর চন্দ্রনাথ শর্ম্মা




নেতাজী সুভাষচন্দ্র বসু



কর্ম্মপ্রাণ হাতীবরুয়া



ত্যাগবীর হেমচন্দ্র বরুয়া




দেশভক্ত তৰুণৰাম ফুকন



পণ্ডিত জওহৰলাল নেহেৰু



কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ



লোকপ্ৰিয় গোপীনাথ বৰদলৈ

আহিছিলো, বিহুৰে সংক্রান্তিয়ে। প্রথমে বকতাৰে ন-কাটনি গাঁৱত পতা গোলোক বৰুৱাৰ[৫৬] প্রাথমিক স্কুলখনিৰ, আকৌ মহখুটীৰ ফনি মাষ্টৰৰ স্কুলৰ, পিছতো নবীন মাষ্টৰে খোলা নেমুগুৰিৰ ইংৰাজী স্কুলখনিৰও মই ছাত্র আছিলো,—১৯০২ ৰ পৰা ১৯০৫ চনৰ ভিতৰত। বকতাৰ চান্দৰাসাত, (পিতৃদেৱ) ৰত্নেশ্বৰ ৰৰঠাকুৰ আৰু তেতিয়াৰ আমোলগুৰি বাগিচাৰ ৰৰমহৰী চৰণচন্দ্র গগৈৰ উদ্যোগত, যিখন মধ্য ইংৰাজী স্কুল স্থাপন কৰিছিল, ১৯১৬ চনত তাতো কিছুদিন শিক্ষকতা কৰিছিলো। সেই সময়ত ৰৰগোঁহাইগাঁৱৰ হিতেশ্বৰ ৰৰ গোঁহায়েও এখন মধ্য ইংৰাজী স্কুল তৰঙালে। এনে পিছপৰা ঠাইত দুখনকৈ স্কুল নচলা হেতু ৰৰঠাকুৰে বেঞ্চ, দেস্ক, চকী, মেজ আদি যাৱতীয় সৰঞ্জামখিনি পাটসাঁকো স্কুলৰ কাৰণে দান দিলে। এই দৰেই শিঙিগাঢ়া, চান্দৰাছা, জুতুলিটিং, নেমুগুৰি, পটীয়াগাঁও, জলহুপথাৰ পুনিবিল, কুকুৰাচোৰাগাঁও, ৰৰগোহাই গাঁও, নকাটনি গাঁও আদিৰ লগত আমাৰ যি পৰিচয় ঘটিছিল তাক মাথোন দোহাৰিব লগীয়াত হে পৰিল।

থাওৰা মৌজাৰ মাছে গাঁওখন পমুৰা বাগান-বনুৰাৰ বস্তি। এইবাৰ তাৰ লোচন গাঁওবুঢ়াৰ গাতে লম্ভিলোগৈ। আমাৰ যুক্তি মতেই সভা পতা হ'ল, সভাপতি "তত পণ্ডিৎ দেউতা"; প্রথমে ময়ে মোখনি মেলিলো।

এই সময়ত যিবিলাক ঠাইত আগতে কংগ্রেছৰ বাণী প্রচাৰিত হোৱা নাছিল, অথচ অন্যান্য একো ঠাইত সংগঠনৰ কামেই পূর্ণ উদ্যমে চলিছে, তেনে ক্ষেত্রত একেজন কর্ম্মীয়েই পোণ প্রথম যাত্রাতে সংগঠনৰ কাম পর্য্যন্তও একৰকম সমাধা কৰি আহিব লগীয়াত পৰিলে; এবাৰ ঠিয় দিলে আঢ়ৈ ঘণ্টাৰ ভিতৰত বহিব যে নোৱাৰি-ছিলেই সর্ব্বমুঠ চাৰি-পাচ ঘণ্টা মানতহে কার্য্যসূচী খৰচি মাৰি

৫৬। আচলতে জাঁজীৰ এই গোলকচন্দ্র বৰুৱা। পিছত নিজাকৈ সুন্দৰপুৰ নামে এখন চাহ বাগিচা খুলিছিল।

সামৰিব পাৰিছিল। অতি চমুকৈ হলেও, য'ত প্ৰতি কুৰিজন মানুহৰ ভিতৰত উনৈচ্ জনেই নিৰক্ষৰ, তেনে অঞ্চলত সমবেত সমজুৱা সকলে মূল কথাখিনি উপলব্ধি কৰিবৰ জোখাৰে ফঁহিয়াই ফঁহিয়াই বুজাই কৰই লাগিব যে "অতীজৰ ইষ্ট ইণ্ডিয়া কোম্পানী, যাৰ সময়খিনিক 'কোম্পানীৰ দিন' বোলে, ই কোনো ৰাজ নহয় বৰং নিভাঁজ লাভখোৰ বেপাৰীৰ দলহে। এই বেপাৰীহঁতৰ চলনাত পৰি সিহঁতৰ 'খাক্ মিট্টী' আমাৰ 'জওহৰ হো'তি' আৰু আমাৰ 'জৱাহৰ হো জঞ্জাল।' এই লুটপাটৰ কাৰচাজিত পৰি আমাৰ যত মানে ঘৰুৱা শিল্প আছিল, আনকি সূতা-কটা আৰু কাপোৰ বোৱাৰো ওঁৰ পৰিল। এবাৰ যদি তেওঁবিলাকক ওফৰাব খুজিছো বুলি তত ধৰিব পাৰে, বৃটীছে আমাৰ দেশলৈ কাপোৰৰ আমদানিৰ ব্যৱস্থা বন্ধ কৰিলেই আমি সকলো উলঙ্গ হৈ পৰিম দেখোন। গতিকে সূতা কটা আৰু কাপোৰ বোৱাই আমাৰ সৰ্ব্ব প্ৰথম কাম। কিন্তু কানীয়া, সেই একেলগৰে ভঙুৱা আৰু মদাহীৰপৰা কোনো কাম আশা কৰা নচলে। এনে পৰিস্থিতিত আমি সকলোৱে লগ হৈ আকৌ এটা ধোদৰ আলি বান্ধি অসমীয়াৰ শৌৰ্য্য বীৰ্য্যৰ কীৰ্ত্তি পো-নাতিহঁতলৈ এৰি গলেহে হব আৰু আমাক ইংৰাজে 'উঠ'—বুলি কলে জাপ মাৰি দিম আৰু 'বহ'—বুলি কলে শুই পৰাৰ বাহিৰে 'জননী জন্মভূমি শ্চ স্বৰ্গাদপি গৰিয়সী'ৰ সেৱাৰ কোনো কামতে নহা হৈ পৰিম। ইয়াৰ পৰিণামত আমি অৰ্জ্জনৰ ক্ষেত্ৰত এনে এক নিঃসহায় অৱস্থাত পৰিমগৈ যে বৃটীছৰ চাকৰি বিনা আমাৰ আৰু অন্য গতি নোহোৱা হব আৰু আমাৰ লাগতিয়াল যাবতীয় সামগ্ৰী বিলাতৰপৰা কিবা স্বৰূপে যোগাৰ নধৰিলে আমি চালৰ মাজত জীৱটো ৰাখিও টিকিব নোৱাৰিম। এইদৰেই আমাৰ ভাৰতমাতৃ অনন্ত কাললৈকে বৃটীছৰ শিকলিৰ বান্ধত বাধ্য হৈ পৰি থাকিব লাগিব।" তেতিয়া বুজোৱা হব কংগ্ৰেছৰ জন্ম বৃত্তান্ত ; আজন্মকাল চৰকাৰৰ লগত সহযোগ কৰাটোৱেই কংগ্ৰেছৰ

নীতি থকা হেতুকে ভাৰতৰ সহযোগিতাৰ গুণত হে যে যোৱা মহাৰণত[৫৭] বৃটীছ জয়যুক্ত হব পাৰিলে। এই সহযোগৰ এক মাত্ৰ চৰ্ত্ত আছিল যে জয়ী হলে আমাৰো স্বাধীনতা মানি লব। কিন্তু তেওঁবিলাকক জিকোৱাৰ পিছতো আমাৰ আগৰ দশাই দশা হৈ নাথাকিল, বৰং দুৰ্দ্দশাৰ মাত্ৰা কোবত কোবে চৰিলহে। জাৰ্ম্মেনীয়ে যুজত ইংৰাজক কেউখন বিয়া দেখুৱালে। আমি বিপদৰ বন্ধু হৈ হেজাৰ হেজাৰ ভাৰতীয় সৈনিকৰ তেজ দি বচোৱাৰ ফলত এতিয়া সেই বান্দৰবোৰে কৃতজ্ঞতাৰ পোতক তুলিছে,—শোধপোচ নোহোৱাকৈ যাকে পাই তাকে, যতে পাই তৰে পৰা ধৰি নি বাচ বিচাৰ নোহোৱাকৈ ফাটক ফাঁচী দিবলৈ ক্ষমতা দিয়া ৰৌলাৎ বিল[৫৮] আইনত পৰিণত কৰি আৰু সেই দৰেই হানিছেহি খিলাফৎ অৰিচাৰেৰে।

ইমানতে ৰাওলেৎ এক্ট আৰু খিলাফটী অবিচাৰৰ বিতং বৰ্ণনা আৰু ৰাওলাৎ এক্টৰ প্ৰতি দেশৰ তীব্ৰ বিৰোধিতাৰ বিৱৰণ দিয়া হয়। "এই বিৰোধিতাৰ কাৰণে জালিৱানৱালাবাগত হোৱা সভাৰ হেজাৰ হেজাৰ মানুহক পলাবলৈকো বাট নিদি গুলিয়াই গুলিয়াই মানুহৰ তেজৰ পুখুৰীত মৃতকক ওপঙাই তুলিলে। এয়ে যুদ্ধৰ পিছত নিজৰ মুখ ৰাখি দিয়া বান্দৰীয় স্বৰাজ। এই অমানুষিক নৃশংস অত্যাচাৰ অবিচাৰে নিঃসন্দেহে প্ৰমাণ কৰিলে যে ইবিলাকৰ লগত সহযোগ কৰাৰ জলপান পোৱাৰ পিছত অসহযোগৰ বাহিৰে আৰু কোনো উপায় নাই।"

বুজাৰ লাগিব যে "আমি দুৰ্ব্বল হোৱা হলে হিংসা-নীতিহে পালিব লাগিলহেঁতেন। অহিংস নীতি কিন্তু দুৰ্ব্বলৰ কাৰণে নহয়। ই প্ৰহ্লাদৰ নীতি। প্ৰহ্লাদ দুৰ্ব্বল নাছিল কাৰণে এই বালকৰ অহিংস নীতিত ভগবান সন্তুষ্ট হল আৰু হিৰণ্যকশিপুক

৫৭। মহাৰণ—প্ৰথম মহাৰণ (প্ৰথম জাৰ্ম্মান যুদ্ধ)।

৫৮। Rowlat Act.

ৰধ কৰিবলৈ প্ৰহ্লাদৰ কোনো হিংসাৰ অস্ত্ৰ প্ৰয়োজন নহ'ল। হিৰণ্যকশিপু প্ৰহ্লাদ আদি চৰাচৰ বিশ্ব ব্ৰহ্মাণ্ডৰ সেই একেজন ভগবান।"

ইয়াৰ পিছত বৰ্ণনা কৰা হয় মহাত্মাজীৰ অসহযোগ নীতিৰ প্ৰয়োগ—আফ্ৰিকাত আৰু ভাৰততো তাৰ ফলাফল। অসহযোগ নীতিৰ প্ৰয়োগ সম্পৰ্কে আত্মশুদ্ধি আৰু শক্তি সঞ্চয়ৰ অৰ্থে মাদক দ্ৰব্য আদি যি কেইদফা পৰিহাৰ্য্য তাৰ বৰ্ণনা। তদুপৰি যি শিক্ষাৰ দ্বাৰা আমাক কেৱল চাকৰিৰ উপযোগীহে কৰা হৈছে, সেই গোলামখানা ত্যাগ কৰিবলৈ আৰু যি আইনৰ জোৰত এই চৰকাৰ প্ৰতিষ্ঠিত সেই আইন প্ৰচলনৰ মূল কাৰখানা স্বৰূপ, তেনে আদালত বৰ্জ্জন কৰিবলৈ অনুৰোধ কৰা হয়।

তাৰ পিছত শিক্ষক ছাত্ৰ আদিৰ প্ৰতি কংগ্ৰেছৰ জৰীয়তে অহিংস অসহযোগ আন্দোলনত সহযোগিতাৰ আহ্বান।

ৰজাৰ উপাধিবোৰে সমাজৰ মুখীয়াল মুখীয়াল মানুহ বিলাকক লৈ এক শ্ৰেণী অবৈতনিক গোলামৰ সৃষ্টি কৰি মায়াৰ পাশত বান্ধি তেওঁবিলাকক গঙ্গাটোপ কিছুমান কৰি ৰাখিছে ; সেই হেতুকে ৰায় চাহাব, ৰায়বাহাদুৰ আদি উপাধি আৰু আনকি গাওঁবুঢ়া পদও বৰ্জ্জন কৰিবলৈ অনুৰোধ। ইয়াৰ পিছতহে পঞ্চায়ত স্থাপন, কংগ্ৰেছ স্থাপন আৰু কংগ্ৰেছৰ সভ্য ভৰ্ত্তি কৰা হয়।

পুনৰ তিলক স্বৰাজ ফাণ্ডৰ সম্পূৰ্ণ ব্যাখ্যা দি তাৰ বৰঙণি তোলা[৫৯], তদুপৰি সেই সম্পৰ্কে সময়ৰ গুৰুত্ব বুজাই দিয়া হয়। শেহত সদ্য সংগঠিত গাঁৱলীয়া কংগ্ৰেছৰ বিষয়-বৰীয়াৰ বাচনি আৰু সম্পাদকৰ হতুৱাই ৰছিদ পত্ৰ দিওৱাই পুজি ধন-ভৰালীৰ হাতত প্ৰত্যাৰ্পণ। সদৌ শেহত বিলাতী কাপোৰ গোটাই তাক অগ্নিত দাহ কৰা হয়।

৫৯। এপ্ৰিল, মে আৰু জুন, এই তিনিমাহৰ ভিতৰত তিলক স্বৰাজ ফণ্ডলৈ এক কোটী টকা তুলিব লাগিব (অসমৰ ভাগত এক লাখ)।

ঘণ্টাৰ পিছত ঘণ্টাকৈ খাটি এই আটাইখিনি কার্য্য তালিকা খতম কৰিলেও পুনৰ সেই ঠাইত এসপ্তাহ মানৰ ভিতৰত আৰু এখন সভা আহ্বান কৰি, ইতিমধ্যে কার্য্যত পৰিণত হোৱা সকলো বিষয় বিশ্লেষণ কৰি যি যি দোহাৰিব লগীয়া থাকে তাকো দুনাই বুজোৱা হয়। কংগ্রেছ আৰু পঞ্চায়তৰ কাৰণে গৃহ নির্মাণৰ ব্যৱস্থা লোৱা হয়। ৰৱঙণি স্বৰূপে বাঁহ বেত খেৰ আদি কাৰপৰা কি পোৱা যাব আৰু পিচদিনাৰ পৰা গা-খাটনি ধৰি অন্যূন সপ্তাহটোৰ ভিতৰত কংগ্রেছ ভৱন তৈয়াৰ কৰাৰ দিহা পৰামর্শৰে সামৰণি মৰা হয়।

বাট পথ দুর্গম হেতু একোখন গাওঁ ঢুকি পাওঁগৈ মানেই বহুত সময় যায়।

ইয়াৰ উপৰিও যাৰ লগীয়া হয় চাহ বাগিচা বোৰলৈ। অনেক বাগিচাত সোমোৱাটোৱেই এটা সমস্যা। কংগ্রেছী মানুহে কোনো চাহ কর্ম্মচাৰীৰ ঘৰত ভূমুকি মৰাৰ খবৰটো তেওঁৰ সহকর্ম্মীৰ কোনোবাই মেনেজাৰ চাহাবৰ কানত পিন্ধাব পাৰিলে অতিথি-সৎকাৰী জনৰ চাকৰিৰ যে পৰালি পৰিবই, সেই কামটো হয়তো বাতৰি যোগনীয়া জনৰ ইষ্ট-মিত্র-কুটুম্ব কাৰবাৰ ভাগ্যইহে টানি নিব, এনে নিয়ম। তাৰ প্রতিবাদৰ স্থল নাই। আপত্তি গ্রহণ কৰিবলৈকো ৰাজনৈতিক, সামাজিক সংঘ বা চৰকাৰী ব্যৱস্থা নাই। মেকীপুৰ আৰু ৰাজমাই, এই দুখন বাগিচাত সেই উৎপতীয়া কাণ্ড দেখা নাছিলো, কিন্তু অসম কোম্পানীৰ মেজেঙ্গা[৬০] বাগিচাৰ মহৰী এজনৰ হাতত দুর্গা প্রসাদ ৰৱঠাকুৰৰ চিঠি ওলোৱাত তেওঁৰ তদন্তে ৰৱখাস্ত হৈছিল।

৪। পিতৃদেৱতাৰ সহযোগ

মাচৈ গাৱঁৰ সভাখনে দেউতাৰ মন তেনেই ঘূৰালে। তেখেতৰ মনটো যেন তেখেতৰ বাগিচাৰ চিন্তাতকৈ কংগ্রেছৰ গঠনমূলক

৬০। Mazenga Tea Estate.

কার্য্যইহে মোৰ বুলি ললে। তেখেতৰ উদ্যমে স্থানীয় কংগ্রেছ আন্দোলনৰ শক্তি কিমান বঢ়ালে তাক বর্ণোৱাও টান। মুঠতে, তেখেতৰ সহযোগত মই কাম কৰিছিলোনে মোৰ সহযোগতহে তেখেতে কাম চলাইছিল, তাক অনেক সময়ত নিজেই তর্কিব নোৱাৰিছিলো।

৫। ইংৰাজে পুলিচ সকলক বিলাতত জন্মোৱাই অনা নাই

কুলীগাঁৱঁৰ[৬১] সভা এখন পাতি নিমন্ত্রণ জনাইছে বুলি তোষেশ্বৰ বৰুৱাকো লগত লৈ মানুহ এজন ওলালহি। আমিও খৰখেদাকৈ তেওঁৰ লগতে ওলালো। আমাক বাট দেখুৱাই নিয়া মানুহজনে নি নি কুলীগাঁওখনো কৰবাতে এৰি থৈ উলিয়ালেগৈ আমাক মানুহেৰে ভৰপূৰ হৈ সমাজ বহা ঠাই এচমকাত। আমাক থৈয়ে মানুহজন পলাল যি পালল! সভাখনি কিন্তু জমিছিল। কৰ লগীয়াখিনি কৈ বহোঁ বোলোতেই মানুহবিলাকৰ ইজনে সিজনলৈ কিবা সন্দেহত চোৱা চুই কৰা যেন চকুত পৰিল। কেৰাহিকৈ চাওতে ৰঙা পাগুৰি দেখি সন্দেহ ভাগিল। গতিকে নবহি বক্তৃতা চলায়েই যাব লগীয়তে পৰিল। আকৌ আৰম্ভ কৰিলো "চাকৰিৰ মায়াত পৰি যদিও অনেকে, বিশেষকৈ পুলিচবিলাকে, আমাৰ ওপৰত চকু ৰাখি চলিব লগীয়াত পৰিছে, তথাপি ৰাইজে ধুকুপ বুজা উচিত আৰু তেওঁবিলাকেও বাঢ়িয়াকৈ জানে যে যিখন দেশৰ স্বাধীনতাৰ কামনাৰে আমাৰ এই অহিংস আন্দোলন চলিছে, সেই দেশমাতৃৰে তেওঁবিলাকো সন্তান যেতিয়া আৰু তেওঁবিলাকেও আমাৰ সৈতে একেলগে স্বাধীনতা পাম বুলি বুজিছে যেতিয়া, সময় বেচি নাই, তেওঁবিলাকেও নিজমনে আমাৰ অসহযোগ আন্দোলনত যোগ দিবহি, হয়তো তেওঁলোকৰ সৈতে আমাৰো বহুতে একেলগে ফাটক খাম বা গুলী খাই মৰিম। তেওঁবিলাক

৬১। গাঁওখনৰ নামেই "কুলীগাঁও"।

আমাৰেই ভাই-ককাই, দদাই-ভতিজা, মোমাই-ভাগিন। তেওঁ-বিলাকক বগা ইংৰাজে বিলাতত জন্মোৱাই তাৰ পৰা আমাৰ এই কলা মানুহৰ দেশখনলৈ ৰপ্তানি কৰি পঠিওৱা নাই। অসহযোগৰ অর্থ, চৰকাৰৰ কামত আমি সহযোগ নিদিয়া। এসপ্তাহলৈকো যদি আমি ভাৰতীয়বিলাক স্কুল-কছাৰীলৈ নেযাঁও, আমি ৰেল নচলাওঁ, তেতিয়া ইহঁত যেতিয়া যেনিয়ে যাব, গোটেইখন মৰিশালী হেন দেখিব ;—পুলিচ বুলিবলৈ পুলিচ, চিপাহী বুলিবলৈ চিপাহী, কতো কাকো লগ পাবলৈ নহব ; ইহঁতে, পকৰাই পোৱা মানুহৰ দৰে কেনি হাবিয়ে জঙ্ঘলে পটি কাটি পলাব কোনেও কব নোৱাৰিব ; আৰু বন্দুক ৰৰতোপৰ এজাঁয়ো যে উৰাব নেলাগিবই হাতৰ চেকনীদালো নোটোঁৱাকৈয়ে দেখিব, দেশখনৰ কতো বগা বঙ্গালৰ সঁচ এটিও নাই। তাৰ মানে ? তাৰ মানেই জানো আমাৰ স্বৰাজ নহয় ? বোলঁক, বন্দে মাতৰম্।” সভা ভঙ্গ হবৰ হওঁতেই পুলিচদলটিৰ নিৰুদ্দেশ।

৬। ভুবনচন্দ্র দত্ত

ৰাতি ঘৰ পাই পুলিচৰ পোচাকৰ মানুহ এজনৰ লগত দেউতা দদাইদেউক মেল মাৰি থকা দেখিলোহি। তৃতীয়জন বোলে পুলিচ ইনস্পেক্টৰ। পুৰণি ইতিহাসেৰে পাতনি মেলি ভুবন দত্তই কলে বোলে তেওঁৰ শিক্ষাগুৰুৰেই মোৰ পিতৃগুরু যেতিয়া আমাৰ দুয়োৰো মাজত ভ্রাতৃ সম্বন্ধ[৬২] এতেকে পুলিচৰ কর্ত্তব্যৰে তেওঁ মোৰ বিৰুদ্ধে যাব লগীয়া হলে, তেওঁৰ পক্ষে বৰ অনুতাপৰ কথা হব ; আৰু

৬২। জাজীৰ গড়মুৰত দ্বিতীয় প্রচেষ্টাত যিখন ইংৰাজী স্কুলত বঙ্গেশ্বৰ বৰঠাকুৰক প্রধান শিক্ষক (অবৈতনিক), নাৰায়ণ বৰুৱা (কুণী মাষ্টাৰ : ৰায়চাহাব) আৰু নিৰঞ্জন ভট্টাচার্য্য আদি শিক্ষক আছিল সেই স্কুলতে ভুবনচন্দ্র দত্তয়ো পঢ়িছিল। দত্ত ডাঙৰীয়া পুলিচৰ পৰা আৰগাৰী অধ্যক্ষ হৈছিল গৈ।

তাকে চাই আকৌ যাতে মই ১৪৪ ধাৰা অমান্য নকৰো তাৰ অনুৰোধ জনালে। আজিৰ সভাস্থল যে ডিব্রুগড় মহকুমাৰ এলেকাত আৰু তাত যে ১৪৪ ধাৰা বলবৎ হৈ আছে, তেতিয়াহে উমান পাইছোঁ।

৭। নকাটনি গাঁও

আকৌ তোষেশ্বৰ বৰুৱাকো লগত লৈ আমি ন-কাটনি গাঁও পালোগৈ। সভাখন নামঘৰতে। ৰাইজ ভৰপূৰ। মোৰ পাল হৈ গলত দেউতাই মানুহৰ হিয়াত লাগি যোৱাকৈ কানিৰ বিষয়ে কবলৈ ধৰিলেঁ। বক্তৃতা চলি থাকোতেই ইটিয়ে সিটিয়ে ফুচফুচকৈ কিবা একোষাৰ কথা হোৱাৰ লগে লগে সুৰসুৰকৈ সভাঘৰ ত্যাগ কৰি যোৱাত সভাখন পাতলিবলৈ ধৰিলে। বক্তৃতাৰ মাজত কৰবাত ঘাটি লগোৱা হ'ল বুলি মনলৈ সন্দেহো আহিছিল। শেহলৈ ইজন সিজনকৈ সমজুৱাসকল যাবলৈ ধৰাত আমাৰ মনো ভাগি পৰিল। পিছে কিছুপৰ টলকা মাৰি আছোঁহে এনেতে ইজন সিজনকৈ মানুহ পোনে পোনে সভাপতিৰ ওচৰ পালেহি। তেখেতৰ সমুখত নিজৰ কানি টেমাটো থয় আৰু "দেউতাৰ চৰণতে শোধালোঁ" বুলি আতৰি বহে গৈ। চাওঁতে চাওঁতে কানি-টেমাৰে দ'ম বান্ধিলে। আমি চাই আছোঁ তেনেই নিটাল মাৰি। এই স্বপ্ন-ৰাজ্যত আমি বিভোৰ হৈ থাকোতেই যেতিয়া বুঢ়া গোপীনাথ গাঁওবুঢ়াই নিজৰ কানি টেমাটো আনি—"দেউতাৰ চৰণত শোধালোঁ বন্দীয়ে"—বুলি অর্পণ কৰিলেহি, সকলোৱে তবধ মানিলে। থৰক বৰকৈ খোজ কেটা দি বুঢ়াই নৌ বহিবলৈ পাওতেই বৰঠাকুৰদেৱে তেওঁক আকোৱাল মাৰি ধৰিলগৈ। সভাস্থল কাঁহ পৰি জীন যোৱাৰ দৰে হ'ল। সকলোৰে চকুত আনন্দ লোটকৰ তিৰবিৰণি উঠিল। গাঁওবুঢ়াই বোলে সাঁজত এতোলোকৈ কানি পান কৰিছিল। এনেজন আলৰ বুঢ়াই কানি এৰা কথাষাৰ অনেকে ধাৰণাই কৰিব

নোৱাৰিছিল। পিছত জহনীত পৰা মানুহৰ দৰে ছেদ্‌ভেদ নোহোৱাকৈ গাঁওবুঢ়াৰ পেট ৰবলৈ ধৰিলে। আনক দিয়াৰ দৰে তেওঁকো হোমিওপেথিক ঔষধ দিয়া হৈছিল। সিমানতো শেহলৈ প্ৰায়ে আশা এৰিলে। পুতেকহঁতে বধ-শপত দিও চালে, কিজানিবা কোনো প্ৰকাৰে কানি অকণ চেলেকাই বুঢ়াক বচাবই পাৰে! বুঢ়াই নেমানে,—"নামঘৰত বিপ্ৰজনৰ চৰণ চুই এৰিলোঁ, এতিয়া আৰু আন কথা নেচেল।" পুতেক কেজনে বোলে আমাৰ ওপৰতে দাঁত কৰচি আছিল। যায় যায় হৈ পৰি থাকিল বুঢ়া এপষমান। পিছে ৰাখে হৰি মাৰে কোনে? ধৰ্ম্মৰ জয় হ'ল। গোপীনাথ গাঁওবুঢ়াই আকৌ বহু বছৰলৈ আয়ুস পালে আৰু ৰাইজেও ইমূৰৰ পৰা সিমূৰলৈ "ইটো গান্ধী মহাত্‌মাৰ হে কৃপা" বুলি জয়-গান গালে। কানি এৰি যে মানুহ মৰিব নোৱাৰে তাত আৰু সন্দেহ নোহোৱা হ'ল।

৮। হোমিওপেথিক

ৰৰদলৈ ডাঙৰীয়াৰ মতে গাঁৱলীয়া ঠাইত থাকোতে নিজৰ আৰু দহৰ উপকাৰৰ অৰ্থে কংগ্ৰেছ কৰ্ম্মীৰ হাতত যেন একো ৰাকচ হোমিওপেথিকৰ ঔষধ ৰখা হয়। ৰৱনগৰত কিছুদিন (গোৱালপাৰাৰ) মণিকান্ত দাস (পিছত এম্‌-এল-এ) থাকোতে, তেওঁক সেইমতে ৰৰদলৈয়ে এৰাকছ দিছিলেও। গোপীনাথ গাঁওবুঢ়াৰ ক্ষেত্ৰতো হোমিওপেথিকেহে গুণ দিলে। কিন্তু যিখন সমাজত কথাই পতি অপদেৱতা বা ভূতৰ নামহে মানুহে বেচিকৈ লয়, সেইখন সমাজে দৰৰৰ নামত দূৰতে তিনি জাপ মাৰে। বকতাৰ কুকুৰাচোৱা গাঁৱৰ পোৱালী দেওধায়ে বৰ চিন্তা-গ্ৰস্ত হৈ কলেহি, তেওঁৰ ল'ৰা কণক খেতৰে পাই একেদিনাই দুবাৰ তিনিবাৰকৈ মাৰি পেলাই থয়, কথমপিহে বোলে জীৱটোৱে বুকুত ঢিপিং ঢিপিং কৰি থাকে। সেইটো ৰেমাৰ বুলিলে পোৱালীকায়ে নেমানে। মনা হলে

হোমিওপেথিক চিকিৎসা কৰিব পাৰিলো হয়। তথাপি,—"মই পানী এটুপি জাৰি দিম বাৰু, কাইলৈ পুৱাই আহিবা" বুলি কলো। পিছদিনা পুৱা তেওঁ আহিলত এচুঙা পানী অনাই চিচা এটাত তেওৰ হাতেৰেই বকোৱাই লৈ খৰিকা তিনিদালেৰে পানীখিনি জৰাৰ ভাও ধৰি ঠাইতে ভিতৰ সোমাই তাতে চাৰি টোপাল দৰব পেলাই দিলো আৰু কলো যে এই মন্ত্রটো এনে জয়াল যে পানীখিনি সমানে চাৰিভাগ কৰি চাৰি বাৰত খাব লাগিব, কম বেচ হলে ক্ষেতৰৰ দোষ থাকি যাব। কথাষাৰত পোৱালীকাইৰ মূৰে আচন্দ্রাই কৰিবলৈ ধৰিলে। শেহত মই এটা উপায় উলিয়াই শুধিলো, "কেনে দেখাহে? ডাক্তৰবোৰে যেনেকৈ দাগ কাটি ভাগ কৰি লয়, তেনেকৈ লৰাঁ?" সেই ফেৰা কামো মোকেই কৰিবলৈ কোৱাত কথাটো ৰাখিলো। ল'ৰা ভাল হ'লত ঘৈণীয়েকৰ লগতে ল'ৰাটোকো আনি চোতালত ঠাই এচমকাত হাত ফুৰাই ডাঙৰ বটা এটাত খনীয়া কাপোৰ এখন, গামোচা এখন আৰু তামোলপান এটাতে টকা এটা দি সেৱা জনালেহি। পিছতো লগ পালেই "দেউতাৰ লৰাকণ" বুলিহে মোক পুতেকৰ পৰিচয় দিছিল। কেইদিন কৈ চালো 'মই আচলতে দৰবহে দিছিলো' বুলি, তেওঁ নেমানে; কাৰণ তেওঁ বঢ়িয়াকৈ জানে মই হেনো পানী জাৰি হে দিছিলো।

৯। আন্দোলনৰ ক্ষিপ্র গতি

এইদৰেই আশাতীত কৃতকার্য্যতাৰে কংগ্রেছ অগ্রসৰ হ'ল। মানী মানুহ, গোপীনাথ গাঁওবুঢ়া। তেওৰ খবৰ লোৱা মানুহো অপাৰ। ন-কাটনি গাৰ্ৱৰ খবৰ কেউফালে বৈ বৈ গ'ল। এতিয়া আমি ইটিৰ পিছত সিটিকৈ কানীয়াৰ পিছ ধৰিব পৰা হলো। আনকি ইখনৰ পিছত সিখনকৈ গাঁও জয় কৰি গলো। আন্দোলনৰ বা বকতাত

তীব্ৰ বেগে বলিবলৈ ধৰিলে। তেনে শুভক্ষণত মহাত্মাজীৰো[৬৩] অসমত পদাৰ্পণ।

১০। মহাত্মাজী যোৰহাটত

অসহযোগ আন্দোলনৰ জন্মৰ পূৰ্ব্বৰ কথাতো বাদেই, ই বছেৰেকত ভৰি দিবৰে হ'ল, তথাপি কোনো সৰ্ব্বভাৰতীয় খ্যাতি-সম্পন্ন কংগ্ৰেছ নেতাৰ অসমলৈ শুভাগমন নহ'ল। ৰৰং বৃটীছ পক্ষৰ পৰা হলে ইতিমধ্যে স্বয়ং ৰৱলাট বাহাদুৰে আনকি কাশীক্ষেত্ৰহেন চাৰিসত্ৰৰ মাজুলীখণ্ডতো সৰ্ব্বতোভাৱে ৰাজপয়োভৰেৰে দৰ্শন দি গ'ল। একেবাৰে আগষ্ট মাহতহে মহাত্মাজীৰ পদাৰ্পণৰ দিন। দিন যিমানেই চমু চাপি আহিল, অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে জাতীয় ভাৱত আপ্লুত জনতাৰ সিমানে হৈ চৈ উঠিল। আকাশীযান তেতিয়া অলীক সপোন। মটৰ গাড়ী বুলিবলৈকো অতি বাচকবনীয়া দুই চাৰিজনৰ হে আছিল। 'বাচ' বোলাবিধনো কেনে কথা তাক জনতাই নুবুজিছিল। এতেকে পৰিবহনৰ নামত ৰেল-জাহাজৰ বাদে গত্যন্তৰ নাছিল; আনকি সদৌ ভাৰতৰ মুকুটবিহীন সম্ৰাট মহাত্মা গান্ধীজীকো মৰিয়ণী জংছনৰপৰা তেতিয়াৰ দিনৰ সেই কপ্লিংছিগা ৰেলখনেৰেহে যোৰহাট পোৱাবহি লগীয়াত পৰিছিল। ৰেল আহি পোৱাৰ নিৰ্দ্দিষ্ট সময়ৰ কেইবাঘণ্টাৰো আগৰ পৰাই ৰেলৰ ষ্টেছনত জনসমাৰোহৰ দল-দোপ হেঙোল-দোপ, কেনিও বিৰ দি সন্ধি পাবলৈ নাই, আলি পদুলি সকলো হেজাৰ হেজাৰ লোকেৰে লোকাৰণ্য। সিপিনে প্ৰখৰ ৰ'দ। ৰিণিকে ৰিণিকিও ৰেলখন নেদেখে মানে কোৱাকুই উঠিল কিজানি বা কৰবাত ৰেলখন ৰাখিয়ে থলে? কথাটো তেনে অমূলক নহয়। সৌ সিদিনা মাত্ৰ, ১৯১৯ চনৰ এপ্ৰিলত মহাত্মাজীৰ দিল্লিলৈ অহাৰ বাটত পালোৱাল ষ্টেছনৰপৰা

৬৩। ১৯২১ চনৰ ২৪ আগষ্টৰ দিনা যোৰহাটত পদাৰ্পণ।

ৰেলখনকে বোম্বাই অভিমুখে ফিৰাই নি মহাত্মাজীৰ যাত্রা ভঙ্গ কৰিছিল যি ভাৰত গৰৰ্ণমেণ্টে, এতিয়াও সেই চৰকাৰে তেনে ধৰণেৰে মন কৰিলে যি ইচ্ছা তাকে কৰিব পাৰে। পিছে তেনে ঘটনা নঘটিল। "জয় মহাত্মাজীৰ জয়" ধ্বনিৰে ধৰণী কঁপি উঠিল। সকলো ৰেলৰ মুখত উবুৰি খাই পৰিলগৈ।

গগণভেদী জয়ধ্বনিত কাৰো মাত কোনেও শুশুনা হৈ পৰিল। চাহখেতিয়ক ফণী শর্ম্মাৰ মটৰত শৰীৰ ৰক্ষকৰ ভাৱত মৌলানা মহম্মদ আলিৰ লগত কৰপুটে সিজন মহাত্মাজী। প্রজাৰ ওপৰত প্রজা। "মটৰ চলাবৰ আৱশ্যক নহ'ল বুলিলে বঢ়াই কোৱা নহব। বিৰ দি সন্ধি পাবলৈ নোহোৱা হ'ল। চলন্ত জনস্রোতত মটৰখনিও ভাহি যাবলৈ ধৰিলে।

মহাত্মাজীৰ অসম ভ্রমণৰ স্বৰূপ বৃত্তান্ত লিপিবদ্ধ কৰাটো আচল সাহিত্যিকসকলৰহে কাম। এই কঠুৰা লিখনীৰ পক্ষে তেনে দুৰাকাঙ্ক্ষা পৰিত্যাগ কৰা হল।

নগৰে নগৰে যি ময়দানতে হয়তো মহাত্মাজীৰ সম্বর্দ্ধনাৰ আয়োজন, তাৰ ওপৰতে পৰেহি চৰকাৰৰ নিষেধাজ্ঞা। সেই বুলি কোনো ক্ষেত্রতে অভ্যর্থনাৰ উদ্যম ত্যাগ কৰা নহ'ল। বৰং আশাতীত ভাবে সফল হ'ল।

মহাত্মাজীৰ মধুৰ বাণী স্বয়ং তেখেতৰ মুখৰ পৰাই শুনিবৰ হাবিলাষত দূৰদূৰণিৰ হজুৰা চহা, কানীয়া ভঙুৰা, নিছলা পিছলা প্রজায়ো গাঁঠিৰ ধন ভাঙি গুৱাহাটী, নগাঁও, যোৰহাট, ডিব্রুগড় আদি চহৰবিলাক যে পাবগৈ পাৰিব আগতে এনে ধাৰণা নহৈছিল। কিন্তু নিৰক্ষৰ জনতাক মহাত্মাজীৰ দর্শনৰ আকাঙ্ক্ষাই এনে উদ্বাউল কৰি তুলিলে যে আওহটীয়া আৰু এমুৰীয়া গাঁওবিলাকৰ পৰা পদব্রজে যোৱা মানুহেৰে নগৰ বিলাকলৈ সোঁত বৈছিল। কেইদিনমানৰ আগত মাথো উশাহ পাহৰিবলৈ লোৱা সেই গোপীনাথ গাওবুঢ়াই নকাটনি গাৱঁৰ পৰা প্রায় আঠেকুৰী মাইল খোজ কাঢ়িয়েই যোৰহাট

ওলালগৈ। বি-এ জগন্নাথৰ[৬৪] বাটচৰাতে মহাত্মাজীক জিৰণি লোৱা দেখি গাঁওবুঢ়াই তাৰে পৰা চকুকে নলৰোৱা হ'ল, বোলে "ত'ত প্ৰভু ভগৱন্তৰ শয়নটি চাই লওঁ।" পিছে অকল গোপীনাথ গাওঁবুঢ়াই নহয়, কোটী কোটী ভাৰতবাসীৰ মনত সম্পূৰ্ণ ধাৰণা যে "অভ্যুত্থানম্ অধৰ্ম্মস্য তদাত্মানং সৃজম্যহম্",—গীতাৰ এই আষাৰ বাণী মহত্মাজীৰো। 'মহাত্মাজী'—নামটোতে জনতাৰ আন্তৰিক প্ৰেম, অকৃত্ৰিম শ্ৰদ্ধা আৰু অচলা ভক্তিৰ প্ৰভাৱত, কংগ্ৰেছ প্ৰতিভায়ো অসীম শক্তিৰে, সূৰ্য্যৰ প্ৰভাই অখণ্ড মণ্ডল পোহৰোৱাৰ দৰে, বিজুলী সঞ্চাৰে বৃটীচ ভাৰত, দেশীয় ৰাজ্যবোৰ, ভাৰতৰ চাৰিও-কাষৰীয়া দেশবিলাকৰ উপৰিও, আংশিকৰূপে হলেও আন আন মহাদেশবিলাকো উজলাই পেলালে। মহামানবৰ ইচ্ছা শক্তিৰ প্ৰভাৱত মাতৃভূমিৰ জাতীয় চেতনা আশাতীতৰূপে সজাগ হ'ল।

১১। অলক্ষিত জাতীয় প্ৰেৰণা

নিজৰ পক্ষেও সহকৰ্ম্মী বন্ধুসকলৰ লগত সাক্ষাত হোৱাৰ সৌভাগ্য ঘটিল। দুটা এটা পাৰিপাৰ্শ্বিক কথা এতিয়াও মনলৈ আহে। ৰায়চাহাব উপাধিৰে অলঙ্কৃত সত্ত্বেও নাৰায়ণ বৰুৱাই[৬৫] মূৰৰ পৰা ভৰিলৈকে মুগা পাটৰ পোচাকেৰে বিভূষিত হৈ সহযোগিতা কৰিছিলহি আৰু তেওঁৰে পুতেক বিষ্ণুপ্ৰসাদ বৰুৱাই (বাসু বৰুৱাই) মহাত্মাজীৰ দৰ্শনৰ অৰ্থে চাহ-বাগিছাৰ কামৰপৰা ছুটী নেপাই, অৱসৰকে লৈ পেলালে। এনে ধৰণৰ উদাহৰণ বহুতো। এইদৰেই অপূৰ্ব্ব জাতীয় জাগৰণে দেশত তোলপাৰ লগালে।

ইয়াৰ পিছত সংগঠনৰ কাম পানী যেন উজু হৈ পৰিল। অতি

৬৪। ৰায় বাহাদুৰ জগন্নাথ বৰুৱা, উজনি অসমৰ প্ৰথম গ্ৰেজুৱেট, আজীৱন স্বাধীনচিতীয়া, মানিকচন্দ্ৰ বৰুৱাৰ সহকৰ্ম্মী-সুহৃদ। সেই ঘৰটি পিছলৈ জগন্নাথ বৰুৱা কলেজ-ভৱন।

৬৫। ৰায়চাহাব নাৰায়ণ বৰুৱা।

কম দিনৰ ভিতৰতে গাঁৱেপতি গাওঁ পঞ্চায়ত আৰু কংগ্রেছ, তদুপৰি বকতা আৰু খাওৰাত মৌজা কংগ্রেছ আৰু মৌজা পঞ্চায়ত স্থাপিত হ'ল। গাৱলীয়া কংগ্রেছবিলাকে নিজা নিজা ঘৰত কার্য্যালয় স্থাপন কৰাৰ লগে লগে সংগঠনো নিকপকপীয়া কৰি তুলিলে।

তিনিচুকীয়ালৈকে আসাম বেঙ্গল ৰে'লৱেইদি (এ. বি. আৰ্) আৰু তাৰপৰা ডিব্রু-সদিয়া ৰেলেদি (ডি. এচ. আৰ্) গৈহে ডিব্রুগড় পায়। অনেক সময়ত আসাম বেঙ্গলে ডিব্রু-সদিয়া ৰেল ধৰিবহি নোৱাৰে আৰু পৰিবহন কৰি অনা যাত্রী সকলক তিনিচুকীয়াত দলনীত পোনা মেলাদি এৰি দিয়েহি। এনে পৰিস্থিতিয়ে পন্থ-ছালেগৈ সোমেশ্বৰ বৰুৱাৰ (মিঃ এচ্. বৰুৱাৰ) ঘৰ। নিচেই নিছলা-পিছলা অৱস্থাত অনেক প্রৱন্ধেৰে জাজী মধ্য ইংৰাজী স্কুলৰপৰা গৈ হাইস্কুলত নামটোহে লগাইছিল। পয়চাৰ অভাৱত পঢ়া আৰু নহ'ল। মনৰ দুখত ল'ৰা নিৰুদ্দেশ। গোটেইখন ভাৰতত পিয়ন, চৰ্দাৰ, ট্রামৰ কণ্ডাক্টাৰ[৬৬] আদি চাকৰি কৰি ভ্রমি ফুৰি বহুৰ চেৰেকৰ মূৰত ডিব্রুগড়ত ওলালহি। চাহ বাগিচাৰ সৰু কেৰাণী কামৰপৰা ক্ষিপ্র গতিৰে উধাই "আসাম ফ্রন্টিয়াৰ টী কোম্পানী"ৰ একাউণ্টেণ্ট হল। দৰমহাৰ হাৰ তেওঁৰ আগৰ ফিৰিঙী জনৰ সমানে নোপোৱাত প্রতিবাদ স্বৰূপে কাম এৰি দিলে আৰু লগে লগে ধাৰে ঋণে আৰু নিজৰ মূলধনেৰেও 'এচ্ বৰুৱা এণ্ড কোং' নামে দোকান এখন আৰু চান্দমাৰী নামে চাহ বাগিচা এখন খুলিলে। চাহগুটি নীলগুটি আদি ব্যৱসায়ৰ দ্বাৰা বাগিচাৰ মূলধনৰ ব্যৱস্থা কৰিলে। বন্ধু-বান্ধৱ বুলিবলৈ অসমীয়া, বঙালী, ভাৰতৰ অন্যান্য প্রদেশৰ মানুহ, ফিৰিঙী আদি আলহীৰে তেওঁৰ ঘৰ ভৰপূৰ। সেইদৰেই গোঁসাই, মহন্ত, মেধি-সাতোঁলা আদিৰ শ্রেণীকো অতি নিষ্ঠাৰে শুশ্রূষা কৰিছিল। এনেই হলে তেনেই মূৰৰপৰা ভৰিলৈকে চাহাবটি। এওঁ এতিয়া খদ্দৰ কাপোৰ পৰিহিত, তদুপৰি টকাত

৬৬। Tram Conductor.

যোল অনীয়া কংগ্রেছকর্ম্মী। এনে দৃষ্টান্ত যে আমাৰ পক্ষে কিমান উৎসাহপ্রদ তাক সাধাৰণ কথাৰে প্রকাশ কৰাও টান।

ডিব্রুগড়ত সেইদৰে অভাৱনীয় পৰিৱর্ত্তন ৰজনী বৰুৱাৰ। কংগ্রেছৰ, বিশেষকৈ মহাত্মাজীৰ পদার্পণে, দেশৰ ওপৰত কি প্রভাৱ পেলালে তাৰ জ্বলন্ত দৃষ্টান্ত আগতে উল্লেখ কৰা এচ্ বৰুৱা আৰু এই ৰজনী বৰুৱা ; আৰু হয়তো ক'ত কিমান আছে বা কিমান জনৰ কিমান বাতৰি সাধুকথাৰ দৰে সকলোৰে মুখে মুখে, তাৰ বর্ণনা দিবলৈ যোৱাটো ধৃষ্টতা মাথোন। ডিব্রুগড়ত কংগ্রেছৰ নেতা বা কর্ম্মী যি বোলে তেওঁবিলাকৰ ভিতৰত যিসকলৰ লগত দেখাশুনা হ'ল,—যেনে, চাহ খেতিয়ক প্রসন্নকুমাৰ বৰুৱা[৬৭], হাতীৰ ব্যৱসায়ত মৰিচ্ চাহাৰৰ সহযোগিতাত থকা ৰজনী বৰুৱা (পিছত এম্. এল. এ.), ৰাজবালা বৰুৱা (পিচত দাস আৰু গুৱাহাটী সন্দিকৈ গার্লচ কলেজৰ প্রিন্সিপেল), লক্ষেশ্বৰ বৰুৱা (পিছত এম. এল. এ.), যাদবেন্দ্রনাথ ঠাকুৰ (উকীল ডিব্রুগড়), যোগেশচন্দ্র গোহাঁই (পিছত এম্. এল. এ.), সুৰেন্দ্রনাথ শর্ম্মা, নবকুমাৰ বৰুৱা, দেৱকুমাৰ বৰুৱা (দুয়ো প্রসন্ন বৰুৱাৰ সহোদৰ), পণ্ডিত শিৱসিংহাসন মিশ্র, মৌঃ ফিজনুৰ আলি (পিছত এম্. এল্. এ.), বিনয়কুমাৰ চক্রৱর্ত্তী (ডাক্তাৰ), গুণকান্ত বৰঠাকুৰ, বিষ্ণুপ্রসাদ চক্রৱর্ত্তী, পৰেশচন্দ্র সেন, চর্দাৰ বৈৰাম সিং, এজন শর্ম্মা (মাৰোৱাৰী) আৰু বহুতো। মুখ চিনো কিন্তু নাম নেজানো বা হয়তো সেই কেইদিনৰ ভিতৰত দেখাৰ সুযোগকে নেপালো, এনেও হ'ব পাৰে, যাৰ কথা কেনেবাকৈ পাহৰি গৈছো—আৰু বা কিমান থাকিল!

৬৭। প্রসন্নকুমাৰ বৰুৱা বি-এ, প্রবীণ চাহ খেতিয়ক। অসমত মণ্টেগু চেমচ্‌ফোর্ডৰ স্বায়ত্ব শাসনৰ প্রবর্ত্তনৰ কাৰণে নবীন বৰদলৈ ডাঙৰীয়াৰ লগত এখেতো আছিল। নিজ খৰছত গৈছিল। এখেত সকলে বিলাতত কেনেকৈ নিৰাশাৰ মাজত অশেষ পৰিশ্রম কৰি কৃতকার্য্য হৈছিল, সিও এক ইতিহাস।

১২। অসমৰ মানুহ

চাহ বাগিচাৰে পৰিপূর্ণ ডিব্রুগড়ৰ নিচিনা এটা মহকুমাৰ শক্তি-শালীৰূপে সংগঠিত জিলা কংগ্রেছ কমিটী এখন আছিল বুলিহে ইয়াতো অসহযোগ আন্দোলনে মূৰ জিলিকাই থাকিব পাৰিছিল। সাম্প্রদায়িক বা আঞ্চলিক পক্ষপাতিতাৰ মনোভাৱাপন্ন লোকতকৈ উদাৰনৈতিক প্রকৃতিৰ মানুহৰ প্রতিপত্তিয়েই জয় লাভ কৰি থকা হেতুকে ডিব্রুগড়ে কংগ্রেছ আন্দোলনৰ কাৰণে আর্থিক বৰঙণি যোগোৱাত সকলোৰেপৰা সমানে সহযোগিতা লাভ কৰিছিল। আর্থিক ক্ষেত্রতো অৱস্থাভেদে ডিব্রুগড়বাসী সকলোৱে উদাৰভাৱে বৰঙণি যোগাইছিল। অসমীয়া, বঙালী, মাৰোৱাৰী, দেছুৱালী আৰু পাঞ্জাৱী সকলোৱে সমানে আগভাগ লোৱাত অসমৰ আন কোনো ঠাইতকৈ ডিব্রুগড় পাচপৰা বিধৰ নাছিল।

বিদেশী বর্জ্জনৰ ক্ষেত্রত অসহযোগ আন্দোলনৰ জয়যাত্রাতে মাৰোৱাৰী সকলৰ সহানুভূতিত কার্পণ্যতা অনুভৱ কৰা হৈছিল। অৱশ্যে সময় অতিক্রম কৰাৰ লগে লগে কংগ্রেছ অনুষ্ঠানৰ ৰাজশক্তি পৰিচায়ক কার্য্যকলাপ নিৰীক্ষণ কৰি চতুৰমতি সকল ভিতৰপকীয়াকৈ হলেও ক্রমশঃ কংগ্রেছমুখী হবলৈ ধৰিলে। ইয়াৰো মূলতে হয়তো যমুনালাল বাজাজ আৰু 'বাজাজ ফণ্ড'ৰ দৃষ্টান্ত। আন্দোলনৰ প্রচাৰ উকিলৰ দ্বাৰা বেছি সহজ বুলি বিবেচনা কৰি আদালত বর্জ্জন কৰা উকীল সকলৰ প্রায় ভাগকে 'বাজাজ ফণ্ডে' মাহে ৫০ টকা বা তদুর্দ্ধে খোৰাকৰ বাবদ সহায় কৰিছিল। কংগ্রেছৰ কামত কম সময়ত বিশেষ সফলতাৰে আগ বাঢ়িবলৈ, এই বাজাজ ফাণ্ডে যি বৰঙণি যোগালে সি দৰাচলতে অতুলনীয়।

অপ্রিয় হলেও সত্য যে অনা-অসমীয়া অসমবাসীসকলে একে ধৰণৰ কথা একোটাকে তেওঁ বিলাকৰ নিজৰ দেশত যেনে দেখে, আসামত হয়তো বিভিন্ন চকুৰে চায়। অর্থাৎ আসাম-বাসী আৰু

তাৰ ভিতৰতে থকা অসমীয়াভাষী, দুয়োৰে যে একে স্বার্থ তাক সহজে উপলব্ধি কৰিব নোৱাৰে। অৱশ্যে ইংৰাজৰ দিনৰ আমদানি হোৱা সকলৰ সৰহ ভাগৰে ক্ষেত্ৰত এই কথা খাটে। প্ৰাক্-বৃটিছ যুগত অহা সকলৰ কথা তেনেই সুকীয়া। আহোম বিলাকেই দেখোন মূলতে অনা-অসমীয়াতকৈয়ো অনাভাৰতীয় তথাপি তেওঁবিলাক হাড়ে-হিমজুৰে অসমীয়া। সেইদৰেই তুৰুং সকল আৰু অসমীয়া শিখ সকল, তেওঁবিলাকক খাটি অসমীয়া নুবুলিলে গালি পৰাহে হব। হিন্দুসমাজৰ ভিতৰতো "মাৰোৱালীৰ ঘৰ" আদি অসমীয়া সকল গুৰিতে যে মাৰোৱাৰী আছিল, তাৰ প্ৰমাণৰ নিশ্চয় কোনো আৱশ্যকতা নাই। বিহাৰী পণ্ডিত এজনৰ প্ৰশ্নৰ উত্তৰত লিখক "যজুৰ্ব্বেদীয় কণ্ব শাখাৰ" বুলি কোৱাৰ লগে লগে তেওঁ ক'লে "অ' তেনে আপোনালোক কনৌজৰ পৰা আহিছিল?" বৃটিছৰ দিনতো সুপ্ৰসিদ্ধ আগৰৱালাৰ ঘৰ আৰু বহুতো বঙালী, দেছুৱালী মানুহ আহিছিল, যি আজি জাতে পাতে অসমীয়া। বহিৰাগতৰ দ্বাৰা গঠিত অসমীয়াৰ শতকৰা আশীভাগ, যি সকল আছে বুলিহে আজি অসম দেশ পোহৰৈহে আছে। অসমলৈ আহিলে তেনেই অসমীয়াৰ আৰ্হিত জাহগৈ সৰ্ব্বতোভাৱে অসমীয়াহৈ পৰা ঘটনাৰ পৰাই সৌ সিদিনালৈকে বঙালীৰ মুখত ওলাইছিল বোলে, "আসাম গেলে ভেড়া বানায়।" তথাপিতো বৃটিছৰ দিনতেহে বিদেশী মানুহৰ সুঁতিয়ে অসমীয়াৰ লগত কিবা যেন তেলপনীয়া সম্বন্ধৰ প্ৰৱৰ্ত্তন কৰিলেহি। এই প্ৰসঙ্গতে শৌৰ্য্য-বীৰ্য্যৰ ক্ষেত্ৰত অসমীয়া আৰু প্ৰতিবেশী দেশৰ ভাই সকলক ঐতিহাসিক ঘটনাৰ ভিতৰেদি বিজাই চাবলৈ ইচ্ছা হয়। ১১৯০ খৃঃত সোতৰজন মাত্ৰ অশ্বাৰোহী সৈন্যৰ বলত বলীয়ান হৈ যি বক্তিয়াৰ খিলিজীৰ ৰাজধানী প্ৰৱেশৰ বাতৰিতে বঙ্গৰাজ লক্ষ্মণ সেনে, পুত্ৰ, কলত্ৰাদি ৰাজপৰিয়াল, ৰজাৰ ধন-দৌলত, বন্দী-বেটী, সকলোকে পৰিহাৰ কৰি পলাই বঙ্গদেশৰ হিন্দুৰাজত্বৰ চিৰ অৱসান ঘটালে; দিগ্বিজয়ী সেই মহমদ্‌দিন্

বক্তিয়াৰে তাতে আৰু পাচ বছৰে সৰ্ব্বতো ভাৱে যুদ্ধায়োজন কৰি বিৰাট এক সৈন্য বাহিনী লৈ অসমৰ ভূমিত পদার্পণ কৰিছিলহিহে, অসমীয়া সৈন্যৰ হুহু খেদাৰ প্ৰকোপত উশাহ এৰি পলাওঁতে অতলস্পৰ্শী নদীৰ গৰ্ভত অশ্বসহ সৈন্যদল নিপাত হ'ল, নিজেও প্ৰাণলৈ পলাই সাৰিছিল আৰু শেহত মৃত্যুক বৰণ কৰিব লগীয়া হ'ল।

কত শ বছৰ যে বঙ্গদেশ মুছলমানৰ অধীনত থাকিল। শেহত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সিংহবিক্ৰমেৰে মুছলমানক বঙ্গদেশৰপৰা উত্তৰ মুৱাকৈ হুৰাই দিলত সিৰিলাকে অসমৰ পশ্চিম অংশলৈ অৰ্থাৎ ৰংপুৰ (ভাট্টি ৰংপুৰ) কোচবেহাৰ আদিলৈ চোং সলায়। শেনচকুৱা কোম্পানীয়ে মোগল শক্তিক ঠেক ছিগা পাই সিমানতো ক্ষান্ত নহৈ চিলনী থপিওৱাদি সেই খণ্ড কাঢ়ি লৈ যায় আৰু বঙ্গদেশৰ লগত চামিল কৰে। (অতি পৰিতাপৰ কথা যে স্বাধীন অসমে, কবলৈ গ'লে, স্বাধীনতাৰ বন্দীশালত অসম মাতৃৰ এই অঙ্গক্ষত স্বীকাৰ কৰি ললে, নিৰ্ব্বিকাৰ চিত্তে)। সেই খণ্ড বঙালী কৰ্ম্মচাৰীৰে গোটেই উপচি পৰিল। বঙ্গদেশৰ পৰা বঙালী পমুৱাই হো-হোৱাবলৈ ধৰিলে। কবলৈ পাহৰিছোঁ, গোৱালপাৰা জিলাৰ গোৱালপাৰা থানা, ধুবুৰী থানা আৰু কাৰৈবাৰী থানাৰ এলেকাৰ ঠাইখিনি এই খেলিমেলিতে দিল্লীৰ সম্ৰাটে লৈ গ'ল। পিছে ১৭১৫ চনৰ ১২ আগষ্টত সেই ছোৱা মোগলে ইষ্ট ইণ্ডিয়া কোম্পানীক দান কৰে। গোৱাল-পাৰাক ৰংপুৰ জিলাৰ লগত চামিল কৰিলে ১৮২৩ চনত। গোৱাল-পাৰাত চিৰস্থায়ী বন্দৰস্ত হ'ল। এই নতুন প্ৰথাৰ চলন্তিৰ কাৰণে জমিদাৰৰ কাম চলাবলৈ শই শই, হেজাৰে হেজাৰে বঙালী আমদানি কৰিবলগীয়া হ'ল। কৰ্ম্মচাৰীৰ ঘাই সুঁতিৰ লগত তেওঁবিলাকৰ লালিত পালিত বুঢ়া-বুঢ়ী, লৰা-তিৰোতা আদিৰ সমাগমে অতি কম দিনৰ ভিতৰতে অসমৰ গোটেই পশ্চিম খণ্ডৰে ৰং তেনেই বঙলুৱা কৰি পেলালেহি। ১৮২৬ চনত মানৰ হাতেদি অসমৰ বাকীছোৱাও

ইংলণ্ডৰ হাতলৈ গ'ল। বঙালী আমদানি সংক্রামক ব্যাধিয়ে গোটেই দেশৰ বাহিৰখনত বঙলুৱা বহন ঢালিলে। এইদৰেই অসমীয়াৰ লগত যুজ বাগৰ নোহোৱাকৈয়ে অসমত ইংৰাজৰ ৰাজত্বৰ বিজয় পতাকা, বঙালী শাসনৰ বিজয় পতাকা আৰু সেইদৰেই বণুৱা পাঞ্জাবী আৰু নেপালীৰ বিজয় অভিযান, লগে লগে পৰদেশী ধোৱা-নাপিত, ৰছদ যোগানৰ কেঁঞা-মাৰোৱাৰী বেপাৰী আৰু বিহাৰী কুলীৰ ধাৰ নিছিগা সোঁত বৱলৈ ধৰিলে। প্রতিজন বগা বঙালৰ লগত—"ধনে ধানে পুষ্পে ভৰা" তেওঁবিলাকৰ যে "সেই বসুন্ধৰা" এৰি আহিল অন্ততঃ এজন কেৰাণী, এজন দোৱনীয়া, এজন ডাক্তৰ, এজন মিস্ত্রি, ৰছদপাতি সংগ্রহ আৰু যোগান তদুপৰি ইষ্ট ইণ্ডিয়া কোম্পানীৰ লাল পাৰী ধূতি আদি ৰকম ৰকম বিলাতী সামগ্রী আদিৰ বেহাবেপাৰৰ কাৰণে ৰাজস্থানী পুৰুষ, যি ভায়া সকলৰ তাৰণাত আমাৰ সোণ ৰূপ, মাটি একো চপৰাৰ দামত উৰি গৈছিল আৰু বিলাতী মাটিয়ে আমাৰ ইয়াত সোণৰ স্থান অধিকাৰ কৰি শোকাতুৰ ভাৰত মাতৃক কন্দুৱাইছিল আক্ষেপত—

"ভায়া, দেশ্‌কা এ ক্যা হাল্‌
খাক্‌ মিট্টি, জওহৰ্‌ হৌতি জওহৰ্‌ হ' জঞ্জাল্‌
ভায়া, দেশ্‌কা এ ক্যা হাল্‌।
আপন্‌ চোৰ্‌কে পৰ্‌কো সেরে
ভাইকো দেৎ ভাগাই,
সাগৰ পাৰ্‌মে সব্‌ ধন গিয়া আউৰ ঘৰ্‌মে লচ্‌মী নাই।
ভায়া, দেশকা এ ক্যা হাল্‌!
গো সুৱৰ্‌কো লহু মে শোধ্‌কৰ্‌
চিনি নিমক্‌ খাওরে;
টিন্‌ ভৰকে যো দুধ্‌ বিলাইতী
উচ কো মিঠা বুজে
ভায়া, দেশ্‌কা এ ক্যা হাল্‌।" ইত্যাদি, ইত্যাদি

ইয়াত বাদে পাঞ্জাৰী, দেছুৱালী, নেপালী আদি আছেই। বঙালীয়ে ভাষাৰ মূৰত পূৰ্ণহতীয়া টাঙোন বহুৱালেহি আৰু বাকী সকলে, বিশেষকৈ মাৰোৱাৰীয়ে সকলো পক্ষে স্বাৱলম্বী এখন দেশক তেনেই পৰমুখাপেক্ষী কৰি পেলালে।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগুৱা লিকচৌ দলবিলাকৰ শোভা থাকে, 'যাৱৎ কিঞ্চিৎ ন ভাষতে' তেতিয়ালৈকেহে। গোজেই ৰৰ গছ হোৱাৰ পিছত যেতিয়া মুখত "অসমীয়া" শব্দটো ফুফুটে—ফুটে "আচামী" বুলিহে আৰু তাৰ নেজতে "জংলী ভূত" বোলা লৰজ্ এষাৰো লগাই দিয়ে তেতিয়াহে চিনাকীটো ওলাই পৰে, ইজন মহাপুৰুষ নো কোন দেশৰ কোন এলাগি সমাজৰো শাওঁ-শপনি খাই অসমত গা বচাইছেহি। এনে জাতীয় সংস্কাৰেৰে শোভিত সকলক উদ্দেশ্য কৰি আমাৰো চহা সকলে কয় ;—

"চপনীয়া চপাবৰ গুণ
তাৰ টপটপনি শুন
বাৰীৰ পাত পচলা খায়,
—বুঢ়ালৈকে হুমিয়ায়।"

এই সন্দর্ভত সাংবাদিক জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ[৬৮] "মোৰ জীৱন-স্মৃতিৰ পৰা যৎকিঞ্চিৎ" প্ৰবন্ধৰ (সপ্তম বছৰৰ অষ্টম সংখ্যা 'আবাহন'ৰ) পৰা কিছু কথা হুবহু উদ্ধৃত কৰা হ'ল।

".....বাটে-ঘাটে যাতে মানুহে বঙালী বুলি চিনিব নোৱাৰে সেই কাৰণে বঙালীয়ে বঙলাৰ বাজহৈ পশ্চিমফালে গলে হয় পাগুৰি নহয় টুপী নাইবা চাহাবী সাজপাৰ পিন্ধি ছদ্মবেশ ধৰি ফুৰিবলৈ ভাল পাইছিল। কোচবিহাৰ আৰু ৰংপুৰৰ মানুহ, যি সকলক আজিলৈকে ভাটীৰ বঙালীয়ে 'কালিকা' (চিলিম) দিয়া নাই, সিবিলাকে নিজকে

৬৮। গোৱালপাৰা জিলাৰ মেচপাৰাৰ জমিদাৰ এখেত নগেন্দ্ৰনাৰায়ণ চৌধুৰী অসম সাহিত্য সভাৰ ত্ৰয়োদশ (শিৱসাগৰ) অধিবেশনৰ সভাপতি আৰু সুবিখ্যাত "আবাহন" খনিৰ প্ৰতিষ্ঠাপক আছিল।

বঙালী বুলি পৰিচয় দিবলৈ লাজ কৰি বাটে ঘাটে "অসম ফ্রণ্টিয়াৰত ঘৰ" বুলি পৰিচয় দিয়াটোকে সুবিধা বুলি ভাবিছিল।··· গৌৰৱ কৰা হৈছিল অন্ততঃ নিজকে অবঙালী বুলি ভাবি।····· "আসামী"ৰ দলটোৰ জনসংখ্যা সৰহ হলেও শিক্ষিতৰ সংখ্যা নাই বুলিলেই হয়, কিন্তু আন দলত জনসংখ্যা তাকৰ হলেও, মহকুমাৰ হাকিমৰ পৰা কৰ্টৰ অধিকাংশ বিষয়া, ডাঙৰ সৰু উকীল মোক্তাৰ, এনেকি স্কুলৰ শিক্ষক পর্য্যন্ত। অকল সেয়ে নহয়, জমিদাৰ সকলৰ প্রধান বিষয়াবিলাক বঙালী থকাত—বিশেষকৈ বিজনিৰ খ্যাতনামা দেৱান ৰবদানাথ হালদাৰ যাক স্বয়ং স্যাৰ বোম্‌ফিল্ড ফুলাৰ বাহাদুৰে দী পারাৰফুল দেৱান[৬৯], দি ৰাজা মেকাৰ[৭০] আদি বিশেষণ দিবলৈ বাধ্য হৈছিল, তেওঁ জীয়াই থকাত কিছুমান দেশী মোক্তাৰ আদি উক্ত বিষয়াসকলৰ আশাধাৰীয়ে বিভীষণ হৈ বঙালীৰ দলত মিলিবলৈ বাধ্য হৈছিল। কিন্তু গোৱালপাৰাৰ জমিদাৰবিলাক আছিল সম্পূর্ণ উদাসীন। কাৰণ বঙালী কর্ম্মচাৰীৰ ব্যূহ ভেদ কৰি এইবোৰ আন্দোলনৰ ভিতৰলৈ সোমাব পৰা নাছিল।·····সি যিয়েই নহওক এই 'অসমীয়া-বঙালী' দলাদলিটো ফটফটীয়াকৈ ফুটি উঠিছিল তেতিয়া, যেতিয়াই ভূতপূর্ব্ব মাননীয় চীফ কমিছনাৰ কটন চাহাব[৭১] বাহাদুৰে প্রথম আদেশ প্রচাৰ কৰিলে যে "অসমত সর্ব্বপ্রথমে অসমীয়াৰ দাবী (চাকৰি সম্বন্ধে) পূৰণ কৰিব লাগিব।"

ভাষাৰ খেৱালী জালেৰে আমাৰ চুবুৰীয়া দেশৰ ভাই সকলে আমাক যি মূর্ত্তিৰে টানি আজুৰি নিছিল আৰু আমাক যেনেকৈ মাতৃভাষাৰ ক্ষেত্রত দ্রৌপদীক কৰাৰ দৰে বিবস্ত্র কৰিছিল—কবলৈ গলে, আমাক যি অঠাইসাগৰত কক্‌বকোৱাই থৈছিল, তাৰপৰা

৬৯। The powerful Dewan. ৭০। The Raja-maker.

৭১। এইজন কটন চাহাবৰ নামতে অসমৰ সপ্রর্ব্বথম কলেজ, "কটন কলেজ।" এথেতেই ভাৰতীয় জাতীয় কংগ্রেছৰ ১৯০৪ চনৰ বোম্বাই অধিবেশনৰ সভাপতি আছিল।

পৰিত্রাণ পাবলৈ শক্তি সঞ্চয় কৰোঁতে কৰোঁতে ৰাজনৈতিক পৰাধীনতাৰ শিকলি চিঙাৰ কথা তল পৰি গৈছিল।

মানে স্বাধীনতা হৰি নি শাসনত ইষ্ট ইণ্ডিয়া কোম্পানীক প্রতিষ্ঠিত কৰি আমাক যিমান পৰাধীন কৰিলে, হলা গছ যেন পাই আমাৰ দেহ-মন ভাগি যোৱা কালত এৰা সকলে যি শতুৰু শালিলে তাৰ পোটকত বিশ্ব নিয়ন্তাই "যাদেৰ কৰেছ অপমান, অপমানে হতে হবে তাদেৰ সবাৰ সমান"—বোলা ঋষি-মন্ত্ৰৰ সত্যতা প্রকাশিল বুলিহে। তথাপি অসম মাতৃৰ কোলাৰ সন্তান কোচবিহাৰখনক মৰ-কাংমোৰ দি নি অসমৰ অঙ্গক্ষত কৰাটো কম পৰিতাপৰ কথা নহল।

ৰাজস্থানীসকল ভাষা শিকাত অতি পটু। নিজক মাৰোৱাৰী বুলি পৰিচয় দিয়া সকলেও শলশলীয়াকৈ অসমীয়া কব পাৰে। শোষণৰ পাটত অভিযানৰ পৰ্ব্বতী লগাই একাষে মাৰোৱাৰী গণেশ আৰু সিকাষে বঙালী কার্ত্তিকক লৈ সহস্রভূজীয়া বৃটীছাসুৰে অসমত পোৱা পূজাৰ শাম কাটিবলৈ হলে মূল দেৱতা তত বৃটীছ ৰাজক সিফলীয়া নকৰিলে নহলিব। মূলদেৱতাৰ বহিষ্কৰণত তেওঁবিলাকৰ আশ্রিত উপদেৱতা সকলৰ ছত্রভঙ্গ অৱশ্যম্ভাবী। ভাৰতৰ অন্যান্য প্রদেশতকৈয়ো অসমৰ পৰা বৃটীছ শক্তিক বহিষ্কাৰ কৰাটোহে যেন বেচি প্রয়োজনীয়।

বঙ্গদেশৰ স্বদেশী আন্দোলনৰ প্রভাৱত কিমান উচ্চ শিক্ষিত তেজস্বী বীৰ ডেকাই দলে দলে গুপ্ত ষড়যন্ত্রত লিপ্ত হৈ অকাতৰে অমূল্য প্রাণৰ আহুতি দিছিল ; দেশবন্ধু চিত্তৰঞ্জন দাশ, যতীন্দ্রমোহন সেনগুপ্ত আদিৰ দৰে হেজাৰে হেজাৰে দেশৰ কাৰণে যথাসর্ব্বস্ব ত্যাগ কৰি তৰুণ সকলক লগত লৈ আন্দোলনত জপিয়াই পৰিছিল, এই সকলোবিলাক দৃশ্যপট চকুৰ আগত তিৰ্‌বিৰাই থকা সত্ত্বেও আসামত থকা তেওঁবিলাকৰ ভাইসকলৰ শতকৰা আঠাণ্ণৰৈ জনে অসম যেন ভাৰতৰপৰা এখন সুকীয়া দেশহে এনে ভাব পোষণ

কৰি (অসমত) সৰ্ব্বভাৰতীয় জাতীয় আন্দোলনৰ পৰা ফালৰি কাটি কেৱলমাত্ৰ শত্ৰুপক্ষ বৃটিছৰ ধামা ধৰাতে জোক লগা দি লাগি থকাটো হৃদয় বিদাৰক ঘটনা।

১৩। জুটুলিটিং[১১(ক)]

এই গাওঁখনে আন্দোলনৰ বিৰোধিতাহে কৰা দেখি শুকুৰবাৰে মছজিদৰপৰা সকলো ওলাই আহোতেই মৌলবী চাহাবক গৰিহণা দি কলোঁ, মুছলমান ভাই সকলক খিলাফটত যোগ দিবলৈ নিদিয়া এনে ইচ্‌লাম-বিৰোধী কথাৰ সম্ভেদ আন আন ঠাইৰ মৌলানা সকলে জানিবলৈ পালে আমাৰ জুটুলিটিঙৰ মুছলমানসকলক কাফেৰ মুবুলি কি বুলিব? কিন্তু মৌলবী চাহাবে সদলবলে কংগ্ৰেছত যোগ দিলেহি। তেওঁক মৌজা কংগ্ৰেছৰ সহকাৰী সভাপতিৰ পদত অধিস্থিত কৰা হ'ল।

১৪। কোঁৱৰ আৰু গোহাঁই

সাধাৰণতঃ কোঁৱৰ আৰু গোঁহাই সকলক হাত কৰাটো তেনে উজু কথা নহয়। নোমলচন্দ্ৰ গোহাঁইৰ চেষ্টাত পুণিবিল গোহাঁইগাওঁ-খন পোৱা হ'ল আৰু লগে লগে হিতেশ্বৰ বৰগোঁহায়ে গোটেই বৰগোহাঁই গাওঁখনকে লৈ কংগ্ৰেছত যোগ দিলেহি। সদৌ শেষ-তহে কোঁৱৰ গাওঁখন আমাৰ লগলৈ আহিল। সি জুটুলিটিঙৰ পিছতহে।

১৫। বাগিচাৰ ঠাইত ৰাইজৰ হাট

মহখুটী বাগিচাৰ মাজত সেই বাগিচাৰে শাখা বাগিচা, আমোল গুৰি আৰু সলগুৰিৰ কেন্দ্ৰস্থলত, ৰুকাং জানখনৰ গাতে এখন দেওঁবৰীয়া হাট বহিছিল। হাটখনৰ আশে-পাশে কেনিও মানুহ দুনুহ নাই। এই হাটখনত বাগিচাৰ মানুহবিলাকে গাৱলীয়া

১১(ক)। জুটুলিটিং বকতা মৌজাত।

ৰাইজক ৰৰ দুৰ্গতি কৰাৰ বাতৰি ওলালহি—বোলে ন-দহ টকীয়া খাচী একোটা বাগানৰ চাহাব-মহৰি আদিয়েও বলেৰে দহ মহা বা তিনি টকাতে লয়। আনবিলাক পণ্য দ্ৰব্যৰ ক্ষেত্ৰতো বোলে সেই একে ধৰণৰ লুটপাট। কেৰাণী-মহৰী সকলো অসমীয়া। তদুপৰি মহখুটিৰ ৰৰমহৰী, সোমেশ্বৰ বৰুৱা, এই বকতাৰে মানুহ। শান্তশিষ্ট বৰুৱাৰ ঘৰৰ বুলি নিজৰ মানসম্ভ্ৰম ৰাখি চলে। সেইদৰেই আমোল-গুৰীৰ ৰৰমহৰী, চৰণচন্দ্ৰ গগৈ দেৱেও অসমীয়াৰ ওপৰত এনে অত্যাচাৰ কৰাটোত প্ৰত্যয় যোৱা টান। কাৰণ মানুহজন ধৰ্ম্ম-ভীৰু আৰু তেওঁৰ আত্মসম্মানৰ জ্ঞান আছে। সেই কাৰণে ৰকম ৰকম পটন্তৰবোৰ শুনি স্বচক্ষে বুজ লবলৈ বুলি হাট পালোগৈ। সেই দিনা ২৭ নবেম্বৰ হব লাগে। দুজনমান কৰ্ম্মচাৰী আৰু কেইজন মান চৰ্দ্দাৰ চৌকিদাৰেৰে সৈতে চেঙেৰা চাহাব পোৱালী এটিক দেখিলোঁ। তেওঁবিলাকে পোন্দোৱাপুন্দিকৈ মোৰ ফালে লক্ষ্য কৰা দেখি, "বাবু, আপুনি এতিয়াই ইয়াৰপৰা যাওঁক গৈ, চাইকোলখনকে লৈ যাওঁক, এই বান্দৰবোৰৰ হাতত ৰৰ 'চৰম' পাব লাগিব, আমি সহিব নোৱাৰিম," বুলি কৈ মহখুটী বাগিচাৰ ৰৰদোকানী সেখ্ মহম্মদ চাই, মোক উশাহ লবলৈ নিদিয়াকৈ খেদি পঠিয়ালে। সেই দিনাই ৰৰমহৰী চৰণচন্দ্ৰ গগৈৰ পৰা বুজিলো বোলে তেৱোঁ হাটলৈ নহাৰ গুৰি কাৰণ সেয়ে—তেওঁতো নিজৰ চাহাবৰ লগত ফেৰ পাতিবগৈ নোৱাৰে! পিছে এটা কথা মনত খেলালে যে বাগিচাৰ বনুৱাবিলাকৰ ধান, চাউল, মাহ, শাক পাচলি আদি যাবতীয় সামগ্ৰীৰ যোগান এই হাটখনেই ধৰে যেতিয়া বেপাৰী পোহাৰীবিলাক হাত কৰি বাগিচাৰ বাহিৰে ওচৰতে কৰবাত এইবোৰৰ যোগান দিলেও, এই মানুহবোৰ তালৈকে যাব লাগিব। গতিকে একে সময়তে এইখন হাটৰ বয়কট আৰু আন এখনৰ সৃষ্টিৰ পৰিকল্পনা কৰিব লগাত পৰিল। সেই উদ্দেশ্যে পুণিবিল গোঁহাই গাওঁ, মাচৈ গাওঁ, কুকুৰা চোৱা গাওঁ, দেওধাই

গাওঁ, নকাটনি গাওঁ, নেমুগুৰিৰো মানুহেৰে বাইজ বহুৱা হ'ল, য'ত আগৰ মাইনৰ স্কুলখন আছিল, চিঙিগাঢ়া বস্তিৰ সেই ঠাইতে। সকলোৱে একবাক্যে হাট এখন পাতিবৰ কাৰণে স্থিৰ কৰিলে। হাটখন গাওঁবিলাকৰ মাজ ঠাই হ'ব, তদুপৰি মহখুটী বাগিচাৰ সীমা মুৰিয়ালিত হোৱাৰ কাৰণে বাগানৰ বাসীন্দা সকলৰ পক্ষেও সুবিধা হ'ব। কোৱা বাহুল্য যে মাটিখিনি বাইজক এৰি দিয়া হ'ল[১২]।

কথাটো গাৱেঁ ভূঁয়ে দোকানে পোহাৰে আনকি বাগিচা কেখনতো প্ৰচাৰ কৰা হ'ল। ঘূৰি দেওবাৰে খৰিদ্দাৰ বৈ গ'ল মহখুটী বাগিচাৰ খন হাটত আৰু বেচোঁতা বৈ গ'ল এই নতুন "বকতা হাট খোলাত।" গতিকে হাট বহিলহে কিন্তু নচলিলেই বুলিব পাৰি। তাতে মহখুটী বাগিচাৰ বৰদোকানী মহম্মদ চাহ, সৰু দোকানী আহমদ চাহ আৰু আমোলগুৰি বাগিচাৰ শিউচৰণ বাবু, এনে যি কেখন ডাঙৰ দোকানী, তেওঁবিলাকৰ বাগিচাত দোকান থকা হেতুকে তেওঁবিলাকে বাগিচাৰ হাটত পোহাৰ মেলিবই লাগিব—বিক্ৰী হোৱা নোহোৱা সি পিচ্ কথা। বাগিচাৰ গুদামৰপৰা ধান চাউলৰ যোগান দিয়াৰ আওপুৰণি ৰীতিটো তেতিয়া উঠি গৈছিল —বকতা মৌজাৰ এখন 'জলহুপথাৰৰ' ধানকে খাই ঢুকাৰ নোৱাৰা কাৰণেই হ'ব পায়। গাৱঁৰ মানুহে ভাৰে ভাৰে ধান হাটলৈ আনে আৰু সেই ধানেই বাগিচাৰ কাৰণে উভৈনদী। ধান বিচাৰি ফুৰা বনুৱা বিলাকৰ পৰা বুজিবলৈ বাকী নেথাকিল যে নতুন হাটখনক অচল কৰিবৰ মনেৰে বাগিচাৰ ফিৰিঙি পৰিচালকসকলে আমাৰ বিৰুদ্ধে যৎপৰোনাস্তি চেষ্টা চলাইছে আৰু সেইমতেই বাগিচাৰ বনুৱাবোৰক ধান বিচাৰিবৰ কাৰণে গাৱঁলৈ পঠিয়াইছে। তলৰ মৰ্ম্ম মতে বনুৱা এদলৰ লগত আমাৰ কথা হৈছিল :—

"ধান চাউল বিচাৰৰ কাৰণে হাজিৰা নোপোৱা নহয় ?"

১২। এই হাটখন পিছত বৰ ডাঙৰ হ'লত চৰকাৰী আলিটোৰ পশ্চিম পাৰৰপৰা পূব পাৰলৈ স্থানান্তৰিত হ'ল।

"নেপাওঁ।"

"তেনেহলে আজিৰ হাজিৰাটো এনেয়ে হেৰাল, নহয় ?

"বাবু, তুমিয়ে আমাক ইমান দুখ দিছা।"

"বোলো মই নহয়, তোমালোকৰ চাহাববোৰেহে।"

"চাহাবৰ গাত কচুৰ নাই, চাহাবে কৈছে তুমিহে চৰ গোলমাল লগাই দিছা বুলি।"

"সেইবোৰ মিছা কথা। বস্তিৰ মানুহে এইটো নিজৰ হাট পাতিছে। তোমালোকে ইয়াৰ পৰা নিবা। চাউল, দাইল, তৰকাৰী, চৰ্ পাবা ইয়াত।"

"গান্ধীৰ হাটত আহিবলৈ চাহাবৰ মানা।"

"চাহাবে হুকুম নিদিয়ে যদি চাহাব কেটাক ক'বা বাগানতে চৰ্ যোগাৰ দিব। নিদিলে, গাৱঁলৈ যোৱাৰ বাবদ হাজিৰা লাগিবই।"

ইতিমধ্যে হাটকৰা বাইজক উৎসাহিত কৰি বাখিবৰ হাবিলাষেৰে হাটখোলাখন চিকনোৱা হ'ল আৰু তাতে বহামেলা কৰিবৰ কাৰণে ৬ হাতমান দীঘল ৪ হাতমান বহল জুপুৰি অকমান তৰা হ'ল[১৩]।

আকৌ দেওবাৰ পালেহি। দোকানী, পোহাৰী আৰু খেতিয়কৰ পোহাৰে আমাৰ বাজহুৱা হাট নদন বদন। বহুতে ত্যাগৰ উদ্দেশ্যে হাতত পুজি একোটি লৈ আহিছে, যাতে গাৱলীয়া মানুহৰ বহুত বস্তু কিনি ওলোটাই নিয়া ভাৰবোৰ পাতলাই পঠিয়াব পাৰি। সেইদৰে নামত হলেও এই হাটখনত এটা চলন্ত ৰূপ প্ৰৱর্ত্তোৱা হ'ল। বাগিচাৰখন হাট তেনেই এবাপৰলীয়া অৱস্থাত পৰিল। বাগিচাৰ বনুৱা জুমে জুমে বকতা হাটলৈ আহোতে বাটতে তেওঁ-বিলাকক মেনেজাৰ, ছোটচাহাব, মহৰীৰ দল, ডাক্তৰ, কেৰাণী আৰু জাক জাক চৌকিদাৰ চৰ্দ্দাৰে আগভেটা দিলে, ঠিক বাগিচাৰ মাটিৰ সীমনাতে, চৰকাৰী আলিটোত থকা দলংখনৰ বাগিচাৰ পাৰে।

১৩। এই পঁজাটিকে পিছত দোকানত পৰিণত কৰা হ'ল।

খবৰটো আমাৰ হাট পালেহি। দুসপ্তাহেও মাল বেচিব নোৱাৰি শুদা হাতে ঘৰলৈ ফিৰিবলৈ ধৰা ধান, চাউল, শাক পাচলিৰ খুচুৰা কাৰবাৰী কিছুমান আগবাঢ়ি আহিল। এনেতে দেবেশ্বৰ বৰঠাকুৰ আৰু বিশ্বনাথ বৰঠাকুৰে কোবাকুবিকৈ গোটেই বিলাককে চেৰাই আগতে কৈ অহা দলংখনৰ ইটো মুৰে থিয় হৈ আমাৰ বিলাকক আগচি ধৰিলে। দলংখনৰ দুমুৰে দুদল। ইদলে সিদলৰ লগত পূৰ্ণ সহযোগিতা কৰিবলৈ প্ৰস্তুত। কিন্তু বাগিচাৰ মেনেজাৰৰ সেনাপতিত্বত দলঙৰ দক্ষিণ পাৰৰ বাহিনীক যেনেকৈ থমাই থোৱা হৈছে, সেইদৰে উত্তৰপাৰে দেবেশ্বৰ বৰঠাকুৰ আৰু বিশ্ব বৰঠাকুৰে গাৰলীয়া বাইজসকলৰ গতিৰোধ কৰি ৰাখিছে। মাজত মাত্ৰ এৰেওঁ মানৰ দলংকন। দুপৰীয়া ১২ মান বজাৰ পিছত দুয়োপক্ষৰ মানুহ-বিলাক ঘৰা ঘৰি গ'ল। ফলাফল বুলিবলৈ ইমানেই হ'ল যে, বকতা হাটৰ মানুহে নামলৈ হলেও অলপ বিক্ৰী কৰিব পাৰিলে, কিন্তু বাগিচাৰ কৰ্ম্মচাৰী আৰু বনুৱাসকল তেনেই শুদা মুখেই উভতিল।

১৬। চাহ বনুৱাৰ ধৰ্ম্মঘট ?

ৰাতি এদল বনুৱাই লগ ধৰিলহি। তেওঁবিলাকৰ বৰ চাহাবৰ ওপৰত ৰোহ পাতি তেওঁবিলাকে কাম বন্ধ কৰিব খুজিছে ; তাৰ উপায় দিব লাগে মই। শুনিয়েই মোৰ বুকুৱে চিৰিং কৰি গ'ল। বেচিদিন হোৱাই নাই, সেই একেখন আসাম কোম্পানীৰে চণ্টক বাগিচাত ধৰ্ম্মঘট হোৱাৰ ফলত যাঠীজনমান কুলীৰ ফাটক হ'ল। এইটো তেনেই ভয়াবহ ধৰণৰ ঘটনা হৈছিল, যাৰ পৰিণামত সেই বাগিচাতে চাকৰি কৰি কৰি চুলি পকাই সোলা যেন হোৱা গোটেই-খিনি কৰ্ম্মচাৰী আৰু গোৰা চাহাব কেজনে, অনেক প্ৰৱন্ধেৰেহে প্ৰাণ লৈ পলালে। তাৰো কেইমাহমান আগতে আসাম বেঙ্গল ৰেলৱেৰ ধৰ্ম্মঘটত যতীন্দ্ৰমোহন সেনগুপ্ত তেনেই সৰ্ব্বস্বান্ত হোৱাৰ

উপৰিও অসম আৰু বঙ্গদেশত সীমা সংখ্যা নোহোৱাকৈ ৰৱঙণি তোলা সত্ত্বেও ধৰ্ম্মঘটকাৰী সকলৰ দুখে কুলাই পাচিয়ে নধৰা হৈছিল। যি বনুৱাটিয়ে ধৰ্ম্মঘটৰ প্ৰস্তাব দিছিল, তেওঁ বাঁচী জিলাৰ মানুহ। হৈ যোৱা চণ্টকৰ গোলামালখনৰো গুৰি ধৰাখিনিও বোলে বাঁচী জিলাৰ। সেইকাৰণে এই ধৰ্ম্মঘটৰ নামত স্বাভাবিকতে গা জিকাৰ খাই উঠিল আৰু মনলৈ বেচি ৰকমে অনুশোচনা আহিল—কিয় যে আগ্‌পিচ্‌ নুগুনি চাহ বাগিচাৰ বনুৱাৰ মাজত সোমাই পৰিলো। তেওঁবিলাকক বঢ়িয়াকৈ বুজালো যে ধৰ্ম্মঘট মানে কাম বন্ধ। বিনা কামত হাজিৰা নাই। হাজিৰা নহলে নিজৰ কথা বাদেই—বুঢ়াবোৰ, ল'ৰা-ছোৱালীবোৰ, ইহঁতকনো কোনে খুৱাব? সেইয়ে, অন্ততঃ ভাতমুঠিৰ কাৰণেও পয়চা লাগিব, তাৰ কাৰণেতো কতো পয়চা তুলি ভঁৰাল বন্ধা নাই! গতিকে পেটৰ ভোকত মানুহে যাঠি, জোং, দা-কটাৰী, কোৰৰ নাল আদিৰে চণ্টকত আক্ৰমণ কৰাদি যুদ্ধ দিলেহিহে হ'ব। সেই লড়াইত চৰকাৰে মানুহ গুলিয়াই মাৰিব, শ শ মানুহক ফাটকত আটক কৰিব। কিমান ডাঙৰ যে বিপদ হ'ব, ভাবিলে গাৰ নোম দাল দাল হয়। এইখিনি কথাত বহুত শাম কাটিলে। তথাপি নেৰে। বোলে কিবা নহয় কিবা উপায় এটা নিদিলেই নহব। জালত পৰি নিকপায় হলোঁ। এতিয়া ষ্ট্ৰাইক[১৪] বাদ দি সন্তোষজনক কিবা এটা সমিধান দিব পাৰিলে মিতিৰো ৰয় চাউলো সিজে। গতিকে দিন পালে ক্ষণ পায়, ক্ষণ পালে অজৰ অমৰ হোৱাৰ আশাতে মানুহ কিজনক বুজালো যে ঘূৰি দেওবাৰে পুৱা তেওঁবিলাকৰ মতা মাইকী নিৰ্ব্বিশেষে গোটেইখিনি বনুৱাই চাহাবৰ বঙলা ঘেৰাও কৰি, এজন বা দুজন চাহাবৰ ওচৰলৈ আগবাঢ়ি গৈ ধান, চাউল, আদি খোৱা সকলো সামগ্ৰীৰ কাৰণে চাহাবৰ ওচৰত জনাব। "তাত কি ফল ধৰে মোক জনালে আৱশ্যক মতে যথোচিত ব্যৱস্থা কৰিম।"

১৪। Strike.

তথাপি মই গভীৰ চিন্তাত পৰিলোঁ। যি সময়ত বকতাখন আশাতীত ভাবে জাগৃত, তেনে সময়ত বাগানৰ বমুৱাই গা জোকাৰি উঠি চণ্টকৰ দৰে কিবা অঘটন ঘটাব লাগিলে, বকতা আৰু থাওৱাৰ বিলৈ হ'ব; খাবলৈ নেপাই বাগিচাৰ মানুহে আসুৰিক মূৰ্ত্তি ধৰি গাওঁ ভুঁই, লুটপাট কৰিবগৈ লাগিলে, যি কৰা হ'ল সকলো পণ্ড হব। ইয়াৰ এটা দিহা পৰামৰ্শ কৰিবৰ কাৰণে শিৱসাগৰলৈ যোৱাটোকে স্থিৰ কৰিলো।

১৭। গোপীনাথ গাওঁবুঢ়া

দিনে এতোলাকৈ কানি খাই তাকে এৰি নমৰাত, গোপীনাথ গাওঁবুঢ়া, চৰকাৰৰ চকুৰ কূটা দাতৰ হুল হৈ পৰিল। "মানুহে আইন নেমানিবৰ মনেৰে চলোৱা মন্ত্ৰণালৈ চাই এইবাৰ বকতাৰ খাজানা উঠা অসম্ভৱ" বুলি মৌজাদাৰ মহবুৰ আলিয়ে গণিং[১৫] চাহাবক জনালে আৰু জনালে যে, 'আইন অমান্যৰ নেতৃত্ব ল'ব গাওঁবুঢ়া বিলাকে। গাওঁবুঢ়া বিলাকৰ নেতা হ'ল আগৰ দৰা কানীয়া গোপীনাথ গাওঁবুঢ়া।' গোপীনাথক মতাই নি গণিং চাহাবে ডবিয়ালে বোলে—আৰু কংগ্ৰেছ কৰিলে তেওঁক কামৰ পৰা বৰখাস্ত কৰা হ'ব। হজুৱা গোপীনাথে বোলে, "হজুৰ, সেইফেৰা দয়া কৰিলে বন্দীয়ে পৰিত্ৰাণহে পাওঁ। আজিৰপৰা আৰু ইষ্টফাহে।" তেতিয়া বৰচাহাবে ডবিয়াৰ সুৰতে কলে, "তোমাক ফাটকত দিম।" গোপীনাথো কম নহয়—চাহাবক সমিধান দিলে বোলে, "হজুৰ, নেমাৰিলা প্ৰভূ কৰিলাহা দয়া, এতিয়া যিখনত আছোঁ, ডাঙৰ জয়াল ফাটক, বৰপুখুৰীৰ পাৰৰখন সকহে।" ইমান টান মাত মাতিলতো গনিঙ্গে গাওঁবুঢ়াৰ নোম এদালো নিচিঙি এৰি দি সকলোকে অবাক কৰিলে। বাটে বাটে এইবোৰ কথাৰে বকলা মেলি মেলি গাওঁবুঢ়া ঘৰ পালেহি আৰু লগে লগে বকতা মৌজাৰ গাওঁবুঢ়াই কাম

১৫। চী-এছ-গাণিং আই-চী-এছ্, মহকুমাধিপতি।

এৰাটো সংক্রামক ব্যাধিত পৰিণত হৈ পৰিল। ইয়াৰ ফলত চৰকাৰী হাকিম, মণ্ডল, পুলিচ, চিপাহী, টেকেলা আদি বকতাৰ গাওঁবুঢ়া বিলাকৰ সহযোগিতাৰ পৰা বঞ্চিত হ'ল। চৰকাৰী বিষয় ৰাৰ খোৱা কোনো মানুহকে গাঁৱৰ মানুহে শোধপোছ নকৰে আৰু চৰকাৰী কামত অহা জনক আশ্রয়ো নিদিয়ে। জিলাৰপৰা কিবা কাম লৈ অহা মানুহ বকতাত বৰ বিথানিত পৰিবলৈ ধৰিলে। গাঁৱৰ এঘৰত নেথাকিলেতো বকতাত কেনিও ক'তো চৰকাৰী ঘৰ বুলিবলৈ ঘৰ নাই। তাতে ঘটনাৰ গুৰুত্বতকৈ বাহিৰত বিশেষকৈ শিৱসাগৰত এনে গুৰুতৰ হৈ ওলালগৈ যে বকতালৈ চৰকাৰী কাম লৈ কোনো নহাই হ'ল। গতিকে চমন, পৰোৱানা আদি মৌজালৈ নহা হ'ল। পঞ্চায়ত গাৱঁে গাৱঁে পতা হৈছিল। তাত গোচৰ বিলাকৰ সুন্দৰ মিমাংসা হৈছিল। ফাকি বা জাল এনেদৰে হাতে হাতে ধৰা পৰিছিল যে তেনে অন্যায় অধর্ম্মৰ প্রতি কাৰো সাহস নহৈছিল। এটা মেল মোকর্দ্দমাও কাছাৰীলৈ যাব লগীয়াত নপৰিল। মহকুমাৰ সদৰৰ লগত বকতাৰ এক ৰকম সম্বন্ধ ছিগিল। কানি দোকানখন নামতহে বৈ আছিল। বিদেশী কাপোৰৰ মেজি পোৰা কথাটো এটা দৈনন্দিন কথা হৈ পৰিল। নাজিৰাত আসাম কোম্পানীৰ সদৰ ঠাই। তালৈ এই অঞ্চলৰ ফিৰিঙি কেজনৰ বকতাৰ মাজেই বাট। এদিনো এজন ফিৰিঙিকো কোনোবাই কৰবাত অপমান কৰা বা বাট বন্ধ কৰা বা কিবা কোৱা কোনেও নেজানে; তথাপি কাৰ দুষ্ট বুদ্ধিত সকলো কথাৰে ৰৌটোকে ঢোটো কৰি ৰজন্ জনাই মিছা গুজৰ তুলি ফিৰিঙি সমাজত এনে আতঙ্কৰ সৃষ্টি কৰিলে যে চাহাৰবিলাকে বকতাৰ মাজে বাট এৰিলে। আলিটো এইদৰে অগম্য কৰি তোলাত আসাম কোম্পানীৰ দৈনন্দিন কার্য্যাৱলীত বিষমৰূপে বাধা পৰিল। আসাম কোম্পানীৰ জেনেৰেল মেনেজাৰ আৰু সংশ্লিষ্ট বাগিচাৰ মেনেজাৰ সকলে মহকুমাধিপতি গণিং চাহাবৰ ওচৰত গোচৰ দি প্রতিকাৰ বিচাৰিলে।

কিন্তু জনৰৱ তুলি গোৰাসকলক আতঙ্কিত কৰি ৰখাৰ মূলতে অকংগ্রেছী কোনোবাহে। কংগ্রেছী নিশ্চয় নহয়।

১৮। শিৱসাগৰ

খোজ ললোঁ, ৰাজমাই বাগিচালৈ। এইখনেই মাত্ৰ এখন চাহ বাগিচা যত শিৱসাগৰলৈ আহ-যাহ কৰোতে নোসোমালে ৰা ৰাতিটোলৈ নৰলে, ভাগৰ নমৰিছিল। আৱশ্যক মতে আন্দোলনৰ কাৰণে খিৰাৱও পাৰিছিলোঁ। মই আলহী থাকোঁ ৰৰকেৰেণী টঙ্কেশ্বৰ শৰ্ম্মাৰ ঘৰত। কংগ্রেছৰ কথা নিঃসঙ্কোচে তেখেতে বাগিচাৰ চাহাবৰ লগত পাতে। আমাৰ আলপৈচান ধৰে তেখেতৰ কনিষ্ঠ পুত্ৰ কনক শৰ্ম্মাই। তেতিয়া তেওঁ স্কুল ত্যাগ কৰি গৈছিল। ল'ৰা মানুহ, (পিছত যোৰহাটৰ জন্মভূমি প্রেছৰ মালিক আৰু পৌৰ-সভাৰ অধ্যক্ষ)। মাজুজন ল'ৰা সিদ্ধেশ্বৰেও তেতিয়া কলেজ ত্যাগ কৰি যোৰহাটত ককায়েক দেৱেশ্বৰ শৰ্ম্মাৰ লগত কংগ্রেছৰ কার্য্যত ৰত। (এই দেবেশ্বৰ শৰ্ম্মাই, পিছত এম, এল, এ, কংগ্রেছৰ চীফ্ হুইপ, বিধান সভাৰ সদস্য, মণিপুৰৰ এজেণ্ট্, অসম প্রাদেশিক কংগ্রেছৰ সভাপতি, নিখিল ভাৰত কংগ্রেছ কমিটীৰ সভ্য, লোকসভাৰ সদস্য আৰু শেহত অসমৰ অর্থ, যোগান আৰু শিক্ষামন্ত্রী হৈছিল।)

সেইদিনাই শিৱসাগৰ পালোগৈ। কংগ্রেছীয়ে অকংগ্রেছীৰ ঘৰত আলহী হোৱাৰ পৰা আন্দোলনৰ অশেষ উপকাৰ সাধিত হয়। কোনো চেষ্টা নকৰাকৈ একো একোঘৰ মানুহৰ দাস্যবৃত্তিৰ দেহাটোৰ পৰা মনটো নিজৰ ফলীয়া কৰিব পাৰি। কুলধৰ চলিহায়ো বোলে এই নিয়মকে মানিছিল। মই আলহী হৈছিলো "হেমকোষ"ৰ মালিক আনন্দৰাম বৰুৱাৰ ঘৰত। এওঁবিলাক বেজবৰুৱাৰ ঘৰৰ গজপুৰীয়া বৰুৱা ঠালৰ। সেইকাৰণেই হেমচন্দ্র বৰুৱায়ো বেজবৰুৱা নিলিখিছিল। বোধকৰো একে কাৰণতে গুঞ্জানন বৰুৱা, ৰাধাগোবিন্দ বৰুৱা আদিয়েও বৰুৱা উপাধিকে লিখি থাকিল। এই আনন্দৰাম

ৰকৰাকহে নেলাগে আৰু কিমানক যে চাকৰি একৰাই আনিব পৰা হলহেতেন।—ইতিমধ্যে সকলোৰে দৰ্ম্মহা আশাতীতৰূপে বঢ়াই চৰকাৰে আমাক ঠগালে বুলিহে।

ৰাতিপুৱা কংগ্রেছৰ মৌনী অথচ অক্লান্ত কৰ্ম্মী ৰিমলাকান্ত ৰকৰাৰ সৈতে ওলাই আহোতে কংগ্রেছৰ এজন কৰ্ম্মী (নাম 'ৰফি' নে কি) তেনেই ভয় বিহ্বল ধৰণেৰে আগবাঢ়ি আহি এটা টেলিগ্রামৰ সংবাদ দিলে বোলে গুৱাহাটীত তৰুণৰাম ফুকন, নৱীনচন্দ্র ৰৰদলৈ, কুলধৰ চলিহা, দুর্গাপ্রসাদ ৰৰঠাকুৰ আদি প্রাদেশিকৰ সকলো কেইজন সভ্যকে গ্রেপ্তাৰ কৰিলে।

ভুবন গগৈ নাছিল। লক্ষ্মীকান্ত ৰকৰাৰ (মাখন উকীলৰ) লগত তেতিয়া মোৰ চাক্ষুষ পৰিচয় নাছিল। তথাপি সেই সময়ৰ চিনাকি অচিনাকিৰ ভিতৰত বহুত গোট খালোহঁক। স্থিৰ হ'ল যে সভা এখনি অবিলম্বে আহ্বান কৰি তাৰ দ্বাৰাই মানুহৰ মনত উত্তেজনাৰ সৃষ্টি কৰিব লাগে। দুপৰীয়া সাজ ধৰি বকতালৈ বুলি ৰাওনা হলোঁ। বকতাত কি উপায়ে ততক্ষণাৎ মানুহবিলাকক সঞ্জীৱিত কৰিব পাৰি তাৰ উপায় চিন্তা কৰি লাহে লাহে খোজ লৈছোঁ। এনেতে ডঁৰিকাৰ দলং পাওঁতে নৌপাওঁতেই সম্মুখত পৰিলোহি এটি মহাজনীয়া টকচ্ ঘোঁৰাৰ ওপৰত আমাৰ কংগ্রেছ চেক্রেটৰী ভুবন চন্দ্র গগৈ। মোৰ মুখৰ প্রথমটি বতৰাতে তেওঁ ঘোঁৰাৰপৰা নামি পৰিল। তেওঁ বোলে বিৰাট এখন ৰাজহুৱা সভা পাতিব ১৫ ডিচেম্বৰৰ দিনা আৰু সেই সভাখনিলৈ মোক যেনেতেনে আহিবলৈ ক'লে। অহাৰ প্রতিশ্রুতি দিলত, বোলে তেখেতৰ এখন বেটবাৰীত আৰু এখন কেন্দুগুৰিত মিটিং আছিল তেতিয়াই। এতিয়া তেখেত নগৰত ব্যস্ত হৈ পৰিব লাগিব, তালৈ যোৱাৰ আশা নাই। মোক ক'লে বোলে ৰৰৰকৰা আলিয়েদি ৰাজমাই খৰাহাটেদি নগৈ বেটবাৰীৰ মাজেদি মই যাৰ লাগে। তাত গগৈদেৱৰ হৈ ময়ে সকলো বুজাই কেন্দুগুৰিলৈ যাব লাগিব।

তাতো সেই একে কথা। আৰু কেন্দুগুৰিৰপৰা কিবা উপায়ে বকতালৈ যাবলৈ ক'লে। আঘোনমহীয়া ৰ'দ যদিও, বৰ টান। তথাপি কৰ্ত্তব্য কৰিব লাগিব, যদিও এই দুয়োখন ঠাইৰ লগত মোৰ অলপো পৰিচয় নাই। দুয়ো এৰা এৰি হলো বিপৰীত মুখে।

১৯। বেটৱাৰীৰ সভা

সভাপতিৰ আসনত স্থানীয় মানুহ এজনক বহুৱাই লৈ জনাকীৰ্ণ এই সভাখনিত ফুকন বৰদলৈ আদিৰ গ্ৰেপ্তাৰৰ বাতৰি শুনোৱাৰ লগে লগে গোটেইখন কাঁহপৰি জীন যোৱাৰ দৰে হ'ল। সকলোৰে মুখ শুকাই গ'ল। কিন্তু এশবছৰৰো কম হে পৰাধীনতাৰ পাশত কটোৱা আমাৰ এই সমজুৱা সকলৰ তেজ তেনেই চেঁচা পৰি যোৱা বিধৰ নহয়। তেজ তুলিবলৈ বৰ বেচি পৰ নেলাগিল। ইমানতে কলোঁ বোলো "নিয়া সকলক হেকৰালো যি হেকৰালোৱেই ; আমাৰ আৰু কিমানক ধৰি ধৰি নি সি সকলৰ লগতে সাঙুৰি গুলিয়াই মাৰিব তাক ঠাৱৰোৱা টান।" তেতিয়াও দেখিলো কোনেও চকু খোৱা নাই, বৰং মোকহে চকু খুৱাই দিলে চিঞৰি বাখৰি বোলে, "মৰিব লাগিলে মৰিম, সকলো মৰিম, কি আছে?".....এই সভাখনে নিচেই সময় নোলোৱা নহয়, কিন্তু ই প্ৰাণত অসীম শক্তিৰ সঞ্চাৰ কৰিলে। এতিয়া বেতবাৰীৰে এজনক লৈ কেন্দুগুৰি বুলি চকভঙা দিহিঙীয়া অভিমুখে গতি কৰিলো।

২০। কেন্দুগুৰিৰ সভা

কেন্দুগুৰি পাওতে বেলি পশ্চিমত। সভাস্থল মানুহেৰে ভৰপুৰ। এই জন-সমাৰোহৰ দৃশ্যটিয়ে বহুত আতৰৰপৰা মন পৰম আহ্লাদিত কৰি তুলিলে। দুটা 'শূন্য' (০) লগ লগাই আমাৰ 'চাৰিৰ' (৪) অঙ্কটো দেখিবলৈ যেনে হয়, সভাস্থলখনত মানুহ বহা নক্সাটিও ঠিক তেনে ধৰণেৰে হৈছিল, মাত্ৰ দুইটি শূন্যাকাৰৰ মাজত দুহাতমান ব্যৱধান আছিল। তেনে দিনৰ তেনেকুৱা এখন সভাত মখ্‌মল্

পাৰিৰ ফিৰ্‌ফিৰিয়া পাতল চুৰিয়া আৰু কলপতীয়া ৰঙৰ সুদ্ধ বিলাতী কামিজ এটাৰে বিভূষিত ডেকা কৰ্ম্মী এজন দেখি আচৰিত মানিলো। সভাৰ কোনো আৰু এই ডেকাও মোৰ পৰিচিত নহয়। পিচে এই ডেকাজনেই আগবাঢ়ি আহি ফুচ্‌ফুচাই কলেহি ৰোলে মানুহহে দুভাগ, কিন্তু সভা একেখনেই ; সকলো ৰাইজ একেলগে নৰহে। এদল চমুৰা আৰু সিদল কাঁড়ী। এই গুপুত ৰাতৰিয়ে মোৰ পুলকিত প্ৰাণত তেনেই চেঁচা পানীহে যেনিবা ঢালিলে। অতখিনি ৰাটকুৰি ৰাই অহাৰ ভাগৰ, তাৰ ওপৰতে বিৰক্তি আৰু হতাশৰ ভাৰে মন বিমৰ্ষিত কৰি পেলালে। দুঠাইত দুযোৰ চকী মেজ আছিল। তাৰে মেজ এখন টানি নি উভয় জুমৰ মাজতে পাতি লৈ তাৰে পৰা বক্তব্য আৰম্ভ কৰিলোঁ প্ৰায় এই দৰেই, "আজি সেই ৰামো নাই, অযোধ্যাও নাই ;—আৰু কাঁৰী চমুৰা সকলোটি আজি ঘাটমাউৰা। চমুৰা আৰু কাৰীৰ ঠাইত ৰগা ৰঙাল আৰু আমি এই ক'লা দেশী মানুহৰ জাত ;—আমোলা আৰু ৰাইজ, শাসক আৰু শাসিত প্ৰতিষ্ঠিত। এনেদিনত ধৰম কুল, ধনী-দুখীয়া, এনে ভাৰ পুলিয়ে পোখাই উঘালি সকলো প্ৰজা মিলি একগোট হৈ একেটা ঠেলাতে আমোলাতন্ত্ৰীয় চৰকাৰক কোঙা কৰি পেলাৰৰ তেনেই মূৰামূৰি সময়ত কিহৰ আকৌ ভেদাভেদ্‌ ?··· ইত্যাদি।" কোৱাখিনি তেনেই অপ্ৰিয় ৰা কটু নোহোৱা নহয়। কিন্তু ই লগে লগে গুণ দিলে। মই অবিৰাম মোৰ কথা কৈ গৈ আছোঁ। হঠাৎ মূৰটো কিবা আচন্দ্ৰাই কৰি উঠিল। মেজখনৰ পৰা নামি পৰিলোঁ। পানী কেইচলুমান খুৱাই কেইচলুমান মূৰত দিলে। পুনৰ ঠিয় হৈ দেখোঁ দেখোন দুয়োজুম সভাসদ সানমিহলি হৈ পৰিল ; আৰু পুনৰ বক্তৃতা দিবৰ কাৰণে মোৰো মেজৰ ওপৰত উঠিব লগাত নপৰিল। লগে লগে মোৰ কামো সহজ হৈ পৰিল। সন্ধ্যা আহি পৰিল। সভাস্থলী পোহৰাবৰ কোনো ব্যৱস্থা নাই। আচৰিত কথা যে মানুহ কমক চাৰি ৰাঢ়িবলৈহে ধৰিলে। ডেকা

বুঢ়া ল'ৰা, দলে দলে স্বেচ্ছাসেৱকৰ তালিকাত নাম লিখাবলৈ আহিল। কোনো প্রতিজ্ঞা কৰিবলৈকো পিচ নোহোঁহকে। যেনেকৈ বুকুফিন্দাই আহিল তেনেকৈ প্রতিজ্ঞা কৰোৱাও হ'ল।

২১। হৰতাল

বেতবাৰীত হৰতালৰ বিষয়েও উমুকিউৱা হৈছিল। তাকে কেন্দুগুৰিতো দোহোৰোৱা হলহি। পিচে যথার্থতে দোকান-বজাৰ, বেহা-বেপাৰৰ সঁচ নথকা এই গাওঁবিলাকে কেনে ধৰণেৰে হৰতাল পালন কৰিব সিও এক প্রশ্ন। তেওঁবিলাকে হালখতি কৰি আঁউসী, একাদশী, গুৰুসকলৰ তিথি, ঘৰৰ মূলজনৰ সকামৰ তিথি, তদুপৰি জন্মাষ্টমী আদি পালন কৰাত অভ্যস্ত, কিন্তু হৰতাল পালনটো সুকীয়া কথা। অসহযোগ নীতিয়ে গজালি মেলিলে জালিনৱালা-বাগৰ তেজৰ উমত, তাৰো উৎপাদক শনিপতীয়া সেই ৰাওলাট আইনখন। ৰাওলাট আইনৰ বিৰোধিতাত ১৯১৯ চনত কলিকতাত হোৱা হৰতালেই আমাৰ কিছুমানৰ পক্ষে হৰতালৰ লগত পোন-প্রথম পৰিচয়। (পিছত অখণ্ডিত বঙ্গদেশৰ প্রধান মন্ত্রী আৰু সদৌ শেষত পাকিস্তানৰ গৱর্ণৰ হোৱা সেই) মৌলবী ফজলুল হক, বিপিনচন্দ্র পাল, ব্যোমকেশ চক্রৱর্ত্তী আদি জাতীয়ভাৱাপন্ন নেতা সকলে সেইদিন নিৰন্ন হৈ নগ্ন পদে বিৰাট সমদলৰ নেতৃত্ব কৰি হেজাৰ হেজাৰ কলিকতীয়া প্রজাক জাতীয়তাৰ প্রেমত মতলীয়া কৰি তুলিছিল। অক্‌টাৰ্লনী মনুমেণ্টৰ গাতে যিখন ৰাজহুৱা সভা হৈছিল, তাত উপস্থিতিৰ সংখ্যা কাকতে পত্রই দুইলাখ বুলি অনুমান কৰি লিখিছিল; বোলে, কলিকতাত একেখন সভাতে সিমান মানুহ হোৱা সেয়ে প্রথম। হৰতালটো নিঃসন্দেহে স্বতঃপ্রণোদিত। ইয়াৰ আগতে হৈ যোৱা ঈদৰ সময়ত একপক্ষে মাৰোৱাৰী-দেছুৱালী হিন্দু আৰু সিপক্ষে মুছলমানৰ সাম্প্রদায়িক সংঘর্ষৰ ফলত, দিন দুপৰত হেৰিছন ৰোদ আলিৰ নিচিনা ৰাজআলিত উভয় সম্প্রদায়ৰ

অলেখ মানুহে প্ৰাণ এৰিছিল। সেই নিকৰুণ দৃশ্য আমাৰ মনৰ পৰা আঁতৰাই নাই; অথচ আমাৰ চকুৰেই দেখিলো, সেই হৰতাল উপলক্ষত আন আনৰ লগতে মাৰোৱাৰী-দেছুৱালী হিন্দু-মুছলমানে একমন একপ্ৰাণে সন্মিলিত হৈ স্নেহ প্ৰীতিৰে চাহ মিঠাই চৰবৎ আদি খাইছিল—জাত কুল ধৰ্ম্মাধৰ্ম্মৰ কোনো বিচাৰ নৰখাকৈ। জননী জাগৃত। ভাৰতীয় আইন সভাৰ মুষ্টিমেয় সংখ্যাৰ দেশীয় সদস্য সকলৰ ভিতৰত মহম্মদ আলি জিন্না (কোৱা-দী-আজাম), পণ্ডিত মদনমোহন মালব্য, অখিলচন্দ্ৰ দত্ত, বি.এন্. শৰ্ম্মা, বিষ্ণুদত্ত শুক্ল আদি কৰি ছজনে বাওঁলাৎ আইনৰ প্ৰতিবাদকল্পে ইম্পিৰিয়েল কাউন্সিলৰ সদস্যপদ পৰিত্যাগ কৰাৰ উপৰিও, একমাত্ৰ ভাৰতীয় সচিব চাৰ শঙ্কৰণ নায়াৰে বছৰি একলাখ বিচ্ হেজাৰ টকীয়া বিষয়বাব ইষ্টফা দি আহিল। এই অসহযোগমূলক কাৰ্য্যকলাপেই পিছৰ বছৰত (১৯২০ চনত) কলিকতা অধিবেশনৰ কংগ্ৰেছত মূৰ্ত্তিমান হৈ উঠা অসহযোগ নীতিৰ সূচনা কৰিলে। স্বতঃপ্ৰণোদিত হৰতালটিয়ে প্ৰজাৰ মতামতৰ পৰিষ্কাৰ চিত্ৰ এটি জোখে মাপে দেখুৱাই দিলে।

গাইপতি যেনেকি তাকৰীয়াকৈয়ে হওক তেনে পচাঁৰেহে কোটী-টকীয়া 'তিলক স্বৰাজ ফণ্ডৰ পুজি' বান্ধিবলৈ মহাত্মাজীয়ে ৰেজৰাদাত নিৰ্দ্দিষ্ট সময় এটা বান্ধি দিছিল। সিহাতে অৰ্থেৰে বলবান অঞ্চল বিলাকে দৰিদ্ৰ অঞ্চলৰ হৈ বৰঙণি দিয়াৰ প্ৰতিবন্ধক স্বৰূপে প্ৰত্যেক প্ৰদেশ আৰু তাৰ অন্তৰ্ভুক্ত প্ৰত্যেকখন জিলা আৰু জিলা একোখনে সাঙুৰি ৰখা প্ৰত্যেক মহকুমাৰ কাৰণে বৰঙণিৰ মুঠ ধাৰ্য্য কৰি দিছিল যাতে ত্ৰিছ কোটি দৰিদ্ৰ নাৰায়ণৰ স্বৰাজ আন্দোলনৰ প্ৰতি সমৰ্থন থকাৰ প্ৰমাণ দেখ্ দেখ্কৈ পাব পাৰি। ১৯২১ চনৰ নিছিনা এটা প্ৰথম মহাৰণৰ পৰৱৰ্ত্তী কালৰ দুৰৱস্থাৰ এই দৰে ভাগে ভাগে নিৰ্দ্দিষ্ট সংখ্যক চাঁদা তুলি সেই নিৰ্দ্দিষ্ট কালৰ ভিতৰত কোটি টকা পূৰাই দিলেহে দেশ যে অসহযোগ আন্দোলনৰ কাৰণে সৰ্ব্বতোভাৱে

প্ৰস্তুত, তাৰ এটা উমান কংগ্ৰেছ অনুস্থানৰ জৰীয়তে মহাত্মাজীয়ে পাব। এই শুক্ক পৰীক্ষাত দেশ উত্তীৰ্ণ হোৱাৰ পিছত একো একোটা হৰতালেৰে দেশবাসীৰ জাগৰণৰ মাপ জোখ বুজা হৈছিল। এনেও আশা কৰা হৈছিল যে কেদিনমান জুৰি হোৱা একোটা হৰতালৰ মূৰতে দেশখনে আপোনা আপুনি পৰাধীনতাৰ বাঘজৰীৰ পৰা মুৰ পোলোকা দি স্বাধীন হব আৰু স্বাধীনতাৰ শান্তি-বাৰিৰে হৰতালৰ পৰ্ব্ব সমাপন কৰিব। কিন্তু এনে এটি দীঘলীয়া হৰতাল, যি কাৰ্য্যত একেবাৰে শীৰ্ষ স্থানীয় ৰাজবিষয়াকে মুখ্য কৰি অফিচৰ পিয়ন পৰ্য্যন্ত সকলোৰে পূৰ্ণ সহযোগিতা প্ৰয়োজন, তাৰ সেই উদ্দেশ্যে কোটি কোটি দেশবাসীৰ একতাৰ বান্ধ, তদনুকল্পে চমুৰা কাঁৰী আদিৰ কথাটো নাই, জাতি, ধৰ্ম্ম, অঞ্চল প্ৰদেশ নিৰ্ব্বিশেষে সকলোৱে একেটি জাতীয়তাৰ ভাৱত অনুপ্ৰাণিত হব লাগিব, তাকে বাইজক পানী যেন কৰি বুজাই ১৫ ডিচেম্বৰৰ দিনা হৰতাল পালন কৰি শিৱসাগৰত কংগ্ৰেছ অনুষ্ঠানৰ সন্দৰ্ভত পাতিৰলৈ লোৱা ৰাজহুৱা সভাখনিত দলেবলে যোগ দিবলৈ বুলি অনুৰোধ জনাই মেলানি মাগিলো। গড়গাওঁ নগৰৰ উত্তৰ ফালৰ যি বাহিৰ গড়, তাৰ হাবিৰ ভিতৰৰ পটিয়ে পটিয়ে সৰকি কেনেবাকৈ নঙলামৰাত ওলাইহে কঁকাল পোনাইছোঁ। হাতত লণ্ঠনেৰে মানুহ এজনে বাট দেখুৱাই নলা হলে সেই হাবিতলীয়া বাটত পকৱাই পাই আমাৰ আধ্যা পেলালেহেতেন। তাৰোপৰা আলিয়ে আলিয়ে ছমাইল। তাৰোপৰা দিৰৈ নৈ পাৰ হৈ মুঠতে ছমাইল মান গৈ হে ঠাকুৰবাৰী পালোগৈ। কিমানবাতি ক'ব নোৱাৰোঁ।

২২। শোৱন খাৱন হৰিল

এতিয়া বাতিক দিন কৰি অবিৰাম ব্যস্ত হব লগীয়াত পৰিল। মিটিঙৰ পিছত মিটিং। আপোন মনে সকলো কৰ্ম্মীয়ে নিজৰ নিজৰ কামৰ আঁত উলিয়াই ব্যস্ত হৈ পৰিছে। তথাপি মোক যে মাইলৰ

পিছত মাইল খোজ কঢ়াই টনা আজোৱা কৰি লৈ ফুৰোৱা নাই এনে নহয়। সেই যে কেন্দুগুৱিত তালুৰপৰা তলুৱালৈকে বিলাতী কাপোৰ পৰিহিত ডেকাজন পাইছিলোঁ, পিচৰ দিনাই তেওঁ লগ ধৰিলেহি বোলে তেওঁবিলাকে নতুনকৈ সজা কংগ্রেছ ঘৰটো চাই তাতো ৰাইজক চকুভঙা দিহিঙ্গীয়াত* কোৱাদি দু-আষাৰ মান কথাৰে উৎসাহিত কৰিবগৈ লাগে। মন কৰিলো, মানুহজনৰ সাঁজটোৰ কিঞ্চিৎ পৰিবৰ্ত্তন ঘটিছে। তেওঁৰ চুৰিয়া বিলাতী ফিৰ্‌ফিৰিয়া-খনেই, কিন্তু কামিজটো বগা আৰু সি আঠুৰ তললৈকে নমা হলৌ ধৰণৰ। এই মানুহজনক চৰকাৰৰ চোৰাংচোৱা বুলি আচম্বিতে মনলৈ আহিল। হলেই যেনিবা, এতিয়াতো জোৰ পুৰি ৰৰলাৰ হাত পালেহি, জেলৰ বাহিৰ জীৱনৰ অন্তিম কাল উপস্থিত। এনে সময়ত সভাখনলৈ নোযোৱাটো অসঙ্গত হ'ব। এই ভাবি সভা-খনিলৈ গলোঁ। আহল বহল আৰু বেচ মজবুতকৈ সজা সভা ঘৰটি। দেখিয়েই ৰৰ ভাল লাগিল। সভাখনিও জমিছিল।

২৩। ভয় দেখুৱাই লোৱা সাহসৰ পৰীক্ষা

এতিয়া প্রতিখন সভাতে স্বেচ্ছাসেৱক-প্রার্থী সকলক অনেক প্রকাৰৰ ভয় দেখুৱাবলৈ ধৰিলো। তথাপি জুমে জুমে নাম লিখালে—হিয়েই। মোৰ যি এটা দৃঢ় ধাৰণা আছিল তাকে কংগ্রেছ কৰ্ম্মী সকলক ব্যক্ত কৰাটো নিতান্ত উচিত বুলি ভাবিয়েই বুজাইছিলো যে এইটোৱেই যেতিয়া সদৌ ভাৰতৰ সকলো শ্রেণীতে ব্যাপক হৈ উঠা সর্ব্বপ্রথম স্বাধীনতাৰ আন্দোলন, এই সম্পর্কত যিবিলাকক গ্রেপ্তাৰ কৰা হৈছে আৰু যিবিলাকক গ্রেপ্তাৰ কৰা হব, তদুপৰি বন্দীশালৰ বাহিৰত যিবিলাকে চৰকাৰক ব্যতিব্যস্ত কৰি তুলিব, এই সকলোবিলাকৰে এনে প্রাণৰ সংশয় যে, তেওঁবিলাকক ঠাই বিশেষে জুম জুম কৰি গোটাই লৈ জাঁয়ে জাঁয়ে বন্দুক ৰৰটোপৰ-

* চকুভঙা দিহিঙীয়া আৰু কেন্দুগুৰি প্রায় একে কথাই।

গুলি উৱাই (ই বিলাকৱ) জীৱনৱ অৱসান ঘটাই, ভাৱতময় হেজাৱ বিজাৱ জালিনৱালাবাগৱ সৃষ্টি কৰি গোটেই ত্রিশ কোটী ভাৱত-বাসীক আতঙ্কিত কৰি তুলিবলৈ শাসক যদি সক্ষম নহয়, তেন্তে সিটো শত্রু পক্ষৱ সামৰিক দুৰ্ব্বলতা নহয় ৰৱং হয়তো মহাত্মাজীৱ আবিষ্কৃত অহিংস অস্ত্ৰৱ প্ৰতিক্ৰিয়া স্ৱৰূপে লাভ কৰা পৰম কৰুণাময়ৱ কৃপাহে। এনেস্থলত কোনেও যাতে কেৱল মনৱ আৱেগতে এই আন্দোলনৱ সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ নাহে, তাকে বাৰম্বাৰ বুজোৱাতো দলে দলে স্বেচ্ছাসেৱক ভৰ্ত্তি হ'ল।

২৪। দোকান

ইতিমধ্যে কেইজনমান নিবনুৱাই হাটখন নহলেও তাৱ কিবা এটা চিন থাওক বুলি আমালৈ বাকী ৰোৱা মাটি চমকাতে অস্থায়ী ধৰণৱ জুপুৰী এটিত দহটকা মানৱ বেহানিৰে দোকান এখন আৰম্ভ কৰিলে। এই নিবনুৱা দুজনৱ এজন মহেশ্বৱ ৰৱঠাকুৰ[১৬] সিজন লক্ষ্মীনাথ ৰৱঠাকুৰ[১৭]। এই দুই ভায়ে লগ লাগি বেকাৱ সমস্যা সমাধানৱ অৰ্থে দহ টকা মূলধনৱ শাক পাচলি আৰু মণিহাৰী মালৱ দোকান খুলিলে। শিৱসাগৱৱ পৰা ঘুৰি অহাৱ পিছত সেই দোকানতে খপিলোহি। দোকানত থাকি কিবা যেন গ্ৰহণী হে চপালো। ধলপুৱাতে পালেহি মহখুটীৱ মানুহে। এইবাৱ লগত ৰৱ ফট্‌ফটাই কথা চলোৱা বিধৱ উঁৰীয়া বনুৱা এটি, ঘনীয়া তাঁতী। কথা সেই আগৱ বোৱেই। সেই কাৰণেই মোৱো উপদেশ

১৬। ১৯২১ চনত জাঁজী হাইস্কুলৱ পৰা প্ৰথম পোনপটীয়াকৈ দিয়া মেট্রিকুলেচনৱ পৰীক্ষাৰ্থী গোটেই আঠজনেই পৰীক্ষাত উত্তীৰ্ণ হৈছিল। প্ৰথম বিভাগত যি এজনে পাচ কৰিছিল, সেই জনেই মহেশ্বৱ ৰৱঠাকুৰ। অসহযোগ আন্দোলন মানি উচ্চ শিক্ষাৰ্থে কলেজলৈ নগ'ল।

১৭। লক্ষ্মীনাথ ৰৱঠাকুৰ, পিচলৈ শেঙুণবাৰী, ৰংদৈ, হেৰেদা আদিৱ মেনেজাৱ।

আগৰটিয়েই বাহাল ৰাখিলো। অর্থাৎ দেওৰাৰে পুৱা তেওঁবিলাক সদলবলে মেনেজাৰৰ বঙলালৈ যাওক। 'দুজন বা তিনি জনে মাত্র চাহাবৰ লগত কথা হবলৈ গেট্ পাৰ হৈ যাব। আনবিলাক বাহিৰত থাকিব। যদিহে চাহাবে বন্দুক টোৱাঁই, টোৱাঁৰ দিবাঁ। হিলৈ ফুটালেও ফুটাব, উলটি চাহাবক ধৰিবৰ কাম নাই। হাট কৰিবৰ কাৰণে পয়চা পাতি হাতত লগত লৈ আহিব। এতেকে চাহাবৰ মুখৰ পৰা সমিধান নেপাই অকল ভয় খুওৱা বিধৰ ব্যবহাৰ পালে বাহিৰে বাহিৰে বকতা হাট পাবহি। তাত হাট কৰি বাগিচালৈ ঘুৰি যাব। বাটত কোনোবাই আগভেটা দিলেও ভেটা ভাঙি হাটলৈ আহিব। বাকী কি কৰিব লাগে সময়ত উপায় দিয়া হব। কিন্তু দাঙ্গা হাঙ্গামা একো হ'ব নেলাগে, তেহে!' বৰ প্রফুল্লিত হৈ তেওঁবিলাক কামলৈ বুলি ঢাপলি মেলিলে।

পিচে ইতিমধ্যে মোক আটক কৰিলেই। বাগিচাৰ বমুৱাবিলাক বোলে লানি নিছিগা ধাৰে বৰ চাহাবৰ বঙ্গলালৈ পোনাই আগুৱাই গৈ থাকোতে নিৰস্ত্র হৈ মেনেজাৰজন ওলাই চিঞৰি চিঞৰি কবলৈ ধৰিলে, "তহঁতৰ স্বৰাজ হ'ল। যাহঁক কংগ্রেছ-হাটলৈ[১৮] (তোম লোগোকা স্বৰাজ মিলা। যাও আভি কংগ্রেছ-বাজাৰ মে)।" কৰুণাময়ৰ পৰম কৃপাত ধর্ম্মঘট হে নেলাগে কাৰো কাণৰ পানী কাণে নোযোৱাকৈ জটিল সমস্যা এটিৰ উজুতে সমাধান হৈ গ'ল।

২৫। শিৱসাগৰ অভিমুখে

অৰুণোদয়তে, বাৰীৰ পাচ চোতালেদি দিনে ৰাতিয়ে অবিৰাম গতিৰে দিচাং নৈক কৰ শোধাই ভাগৰি নোযোৱা সেই দিবৈ নৈখনিতে জোৰোৱা এটি মাৰি আহি চাহ জলপান খাওঁতে এনেয়ে

১৮। বকতাৰ এই নতুন হাটখোলাখনেই গান্ধী-হাট, কংগ্রেছ-হাট আদি নাম পাইছিলে। পিছলৈ হাটখন আলিটোৰ পশ্চিম ফালৰপৰা পুবলৈ স্থানান্তৰিত হ'ল।

মাতৃদেৱীক কৈ চাইছিলোঁ "বৌ!" (এৰা, আমিহে মাতৃক বৌ বুলি সম্বোধন কৰিছিলো এনে নহয়, আমাৰ পিতৃমাতৃয়েও বুঢ়ী আইতা সকলক "বৌ" বুলিহে মাতিছিল) "ঘুৰি নাহিলে আৰু জানিবা বগা ঘৰেহে টানিলে।" আচৰিত কথা যাত্ৰাৰ আগ মুহূর্ত্তত সেৱাটি কৰোতে বৌৱে আশীর্ব্বাদ দি পেলালে, "দিন কেটা যেন ভালেৰেই যায়।"

শিৱসাগৱলৈ বুলি মাছৈ গাঁৱেদি সৰকি আঠাবাৰী বাগিচাত হাৰিপৰা আলিত উঠিলোহি। হাৰিপৰা আলিটো লোকেলবোর্দৰহে। কোনো বাগিচাৰ ভিতৰুৱা বাট নহয়। ওখ ঘোঁৰা এটাত উঠি ফিৰিঙি এটাই মোৰ পাচ ললে। ময়ো তাৰ ঘোঁবাৰ খুৰাৰ খটৰ্ খটৰ্ আৱাজো যেন শুনা নাই, এনে ভাৱে গৈ থাকিলোঁ। খৰাহাট বাগিচাৰ মেনেজাৰৰ বঙ্গলামুখ পাওঁ পাওঁ হওঁতেই ঘোঁৰাটোৰে মোক পাছ পেলাই, ঠিক দিৱৈ বাগিচাৰ মূৰতে চাহাবটোৱে মোক আগচি ধৰি কিবা যেন ফেৰ পাতিবৰহে উপক্রম কৰিছে, এনে লাগিল। কিবা প্রশ্ন কৰিলেই কোনো অঘটন ঘটোৱাৰ ভয়ত 'ত্যজ দুর্জ্জন সংসর্গ'-ভাবি কেনেবাকৈ কাষৰি কাটি বেগাবেগিকৈ দিৱৈ বাগিচাও পাৰহৈ দিৱৈ ঘাটটো পাইহে উশাহ লৈছোঁ। চাহাবো ফিৰিল। সদায় মই ববৰকৱা আলি ধৰি ৰাজমাই হৈ যাওঁ। সেইটো বাট বেচি ঘুৰণ আৰু হাৰিপৰা আলিয়েদি নিচেই চমু বুলি লোকে কোৱাতহে এই অচিন্ বাটেৰে বাট বুলিলো আৰু কাণে কাণ মাৰিহে ফিৰিঙিৰ[১৯] লগত হওঁ হওঁ হোৱা সংঘর্ষণৰ হাত সাৰিলো। তেনে হোৱাহলে হয়তো মোৰ লাচ্টোহে কোনোবাই চিনাক্ত কৰিব লাগিলহেতেন। যাত্রাকালত শিৰে লোৱা মাতৃৰ আশীর্ব্বাদ অথলে নগল। অলপ গৈয়ে য'ত সেইদিনা

১৯। এই ফিৰিঙি জনেই যে লিখকৰ বিৰুদ্ধে চৰকাৰী সাক্ষী, আঠাবাৰীৰ ছোট চাহাব ব্রীজনেল্দ্, তাক পিছত ঠাৱবোৱা হ'ল। দিৱৈ বাগিচাখনো আঠাবাৰী বাগিচাৰ ঠেঙুলিহে।

ৰেতৰাৰীত সভাখন হৈছিল সেই ঠাইডোখৰো দেখিলোগৈ। তাৰপৰা কিছুদূৰ গৈ ট্ৰাঙ্কৰোদ ওলালোগৈ। এইখিনি ঠাইকো শুকানপুখুৰী বোলে নে কি? তথাপি মই শিৱসাগৰ পাওঁতে স্কুল কেছাৰীৰ মানুহ ওলাবৰে হোৱা নাই।

প্ৰথম খবৰ পাইছোগৈ বোলে ইতিমধ্যে ভুবনচন্দ্ৰ গগৈ আৰু ৰাহাৰুদ্দিন আহ্মদকো হাজোতত সুমুৱালেগৈ। এইদৰেই আজিৰ সভাখনিত যোগদানৰপৰা তেওঁবিলাকক বঞ্চিত কৰিলে।

২৬। শিৱসাগৰত

সম্মিলিত স্বৰৰ এটি স্বৰাজ সঙ্গীতৰ ধ্বনিয়ে কংগ্ৰেছ অফিচৰ ফালে মোক আকৰ্ষণ কৰি নিলে। গানটিৰ অলপ যেনে—

"সৌযে উৰিছে স্বৰাজ-নিচান
উন্নত শিৰে হোৱা আগুৱান।

* * *

জাগে আজি বঙ্গ,
মগধ কলিঙ্গ,
গুৰ্জ্জৰ ৰাজপুতান,
কিয় থাকো পৰি আমি
অসম সন্তান!
উন্নত শিৰে হোৱা আগুৱান।"

* * *

কংগ্ৰেছৰ অফিচত দেখিলোগৈ হাতত এটি হাৰ্ম্মোনিয়ম লৈ লগে লগে কাগজত ৰচনা কৰিছে যি গান, একে লগতে সুৰ দি কেজন-মানক পদ্মধৰ চলিহাই[৮০] সেই গান গোৱায়ো গৈছে। এয়ে চলিহাদেৱৰ লগত মোৰ প্ৰথম পৰিচয়। ইয়াৰ আগতে তেখেতৰ

৮০। এই পদ্মধৰ চলিহাই শেহান্তৰত শিৱসাগৰ কলেজৰ প্ৰতিস্থাপক, পোন প্ৰথম অধ্যক্ষ (Principal)।

'ফুলনি'খনৰ বোধকৰোঁ আটাইখিনি গানকে মোৰ মুখস্থ হৈ গৈছে। পদ্মধৰ চলিহাৰ গানে সেই সময়ত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ভৈয়ামে পাহাৰে মুখৰিত হৈ পৰিছিল। এৰা, শিৱসাগৰীয়া নাগৰিক সকলৰ ভিতৰত সমসাময়িক বন্ধুসকলৰ বাদে বাকী বিলাকৰ লগত মোৰ চাক্ষুষ পৰিচয় লাভৰ সৌভাগ্য বৰ নঘটিছিল বুলিলে মিছা কোৱা নহ'ব। এনেয়ে (পূজ্যপাদ কাশীনাথ শর্ম্মা দিলিহিয়াল ভট্টাচার্য্য, লম্বোদৰ শর্ম্মা, গৌৰীসাগৰীয়া বৰঠাকুৰ, আদি বিদ্যা বিনয়ালঙ্কৃত পণ্ডিত মণ্ডলীৰ বাসভূমি আৰু ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে এচাম সাহিত্যিকৰ চহাৰো চহা আও চহা গাৱলীয়া শ্ৰেণী বুলি পটন্তৰত দিয়া উপলুঙাৰথল) 'জকাইচুকৰ' ল'ৰা, মধ্যস্কুলৰ পঢ়া সাং নোহোৱা পর্য্যন্ত তাতে নিবাসো ; তাতে, নগৰ নহয়, নাজিৰা হেন গাৱলীয়া হাইস্কুলৰপৰা পাচ কৰি, পিছৰ-ছোৱা কামৰূপ আৰু আসামৰো বাহিৰত কটোৱা হেতুকে, এই অসহযোগ আন্দোলনে কেইমাহমানৰ আগতে আওহতীয়া সেই বকতাখনতে গুজি দিলেহি বুলিহে কংগ্ৰেছৰ সন্দর্ভত যি অকণ চা-চিনাকী হবৰ সুযোগ মিলাইছে। আনকি সহকর্ম্মী সকলৰ ভিতৰৰো অনেকক লগ ধৰি পৰিচিত হোৱাৰ সুযোগ কিছুমানো দুর্ভাগ্যক্ৰমে হৰি নিলে। সভাখনত লগ পাম বুলি আশা কৰা বন্ধুসকলৰ ভিতৰত যাদৱপ্ৰসাদ চলিহা আৰু কনক চেতীয়া আহিব নোৱাৰিলে। একো একো অঞ্চলত একো একোজন ববমূৰীয়াক আঞ্চলিক দায়ীত্বৰ চূড়ান্ত ভাৰ দি, সংগঠন কৰা হৈছিল। এনে অনেক আঞ্চলিক ববমূৰীয়া লাগ বুলিলেই আহিব নোৱাৰাটো স্বাভাৱিক। বামুণপুখুৰী আদি যোৰহাট মহকুমাৰ অঞ্চলবিলাক যোৰহাট জিলা কমিটিৰহে অন্তর্গত। তাত ৰামেশ্বৰ ভট্টাচার্য্যৰ নেতৃত্বত বামুণপুখুৰী অঞ্চলটো আইন অমান্যৰ কাৰণে তেনেই তৈয়াৰ হৈ পৰিছিল বোলে। তেওঁৰ সহকর্ম্মী দেবেন্দ্ৰনাথ ঠাকুৰ, হেমনাথ ফুকন, দেবেন্দ্ৰনাথ বৰুৱা আদি কেইজনকে হয়তো শিৱসাগৰতে

লগ পাইছোহি। নাজিৰাৰ ফালৰ মোৰ সহপাঠী বোধেশ্বৰ গগৈ, ৰাধানাথ শর্ম্মা ৰৰঠাকুৰ তদুপৰি গিৰীন্দ্রনাথ গগৈ, জীৱেশ্বৰ ফুকন, ইন্দ্রধৰ চলিহা, কণ কোঁৱৰ, বিমলামোহন বৰুৱা, যাদবানন্দ বৰুৱা আদিয়ে অসম কোম্পানীৰ চেপাৰ মাজতে নাজিৰাখনক কংগ্রেছৰ পক্ষে দ্বিতীয় শিৱসাগৰ কৰি তুলিছিল। এওঁবিলাকৰ অনেকক সভাস্থলতো লগ পোৱা হ'ল। চাৰিং অঞ্চলৰ অক্লান্ত কর্ম্মী বেনুধৰ শর্ম্মা (বুৰঞ্জীবিদ্ আৰু সাহিত্যিক), নামতী, কালুগাঁও আদিৰ যোগকান্ত বৰুৱা (পিছলৈ এম্. এল্. এ), ইন্দ্র চুতীয়া, পুণাৰাম গগৈ আৰু জাঁজী অঞ্চলৰ কৃষ্ণনাথ শর্ম্মা, চন্দ্রধৰ শর্ম্মা, (জকাইচুক ৰামুণ গাঁৱৰ), পূর্ণ বৰুৱা, প্রিয় বৰুৱা, ঘনাই মুক্তিয়াৰ, ফণীনাথ ফুকন (ভূঁয়াহাটৰ), কৃষ্ণকান্ত শর্ম্মা (আমগুৰীৰ) আদিকে ধৰি সংগঠক সকলৰ, অনেকক লগ পাইছিলোঁ। আদর্শনীয় আৰু একতাবদ্ধ সংগঠন বুলি জাজীয়ে সেই সময়ত প্রশংসা লাভ কৰিছিল। সেই সভাখনত নগৰৰ ভিতৰৰ যি সকলে অংশ গ্রহণ কৰিছিল, মোৰ মনত পৰাৰ ভিতৰত লক্ষ্মীকান্ত বৰুৱা (মাখন উকীল), বিমলা বৰুৱা, ৰামচন্দ্র ৰৰা (উকীল), হেমকান্ত ৰৰপূজাৰী, শিৱ বৰুৱা, ফটিক চলিহা, তাৰা সিং, অম্বিকাকুমাৰ বৰুৱা, পদ্মধৰ চলিহা, অভয়াচৰণ শর্ম্মা, সহজানন্দ ভৰালী, ধর্ম্মৰঞ্জন বৰুৱা, বৈদ্যনাথ কাকতী, গুণেশচন্দ্র ভট্টাচার্য্য প্রমুখ্যে কিমানক যে লগ পাইছিলো সকলোৰে নাম মনত নপৰে।

দূপৰীয়াতেই কংগ্রেছ কার্য্যালয়ৰ প্রাঙ্গণত জনতাৰ বিৰাট সমাৰোহ। উত্তেজনামূলক জাউৰিয়ে জাউৰিয়ে চলি থকা অবিৰাম বক্তৃতাৰ মাজত হঠাৎ আবির্ভাব হ'ল নৱনাথ শর্ম্মাৰ, তেতিয়াও মৌজাৰ মোজাদাৰ আৰু সেই সময়ৰ মৌজাদাৰৰ একান্ত কর্ত্তব্য আছিল চৰকাৰৰ লগত পূর্ণ সহযোগিতাৰহে; তেনেস্থলত জাঁজীৰ এই মানুহজনৰ মুখত গৱর্ণমেণ্টৰ প্রতি তীব্র বিৰোধিতা মূলক, উস্কানা সূচক অসহযোগ আন্দোলনৰ পূর্ণ সমর্থনত দিয়া বক্তৃতাই

সকলোকে তৰধ মনালে। বিশেষতঃ সেই সময়ত গনিং চাহাবৰ অশেষ ভৰসাৰ স্থল আছিল চৰকাৰৰ অনুষ্ঠিত সেই মৌজাদাৰ সম্মিলন খনিত। মৌজাদাৰ সকলক ৰাইজৰ স্বাভাবিক নেতা (নেচাৰেল লীডাৰ্) বুলি গৱৰ্ণমেণ্টৰ যি ধাৰণা আছিল সি একেবাৰে ভুল নাছিল আৰু মৌজাদাৰ সম্মিলনীখন, সেই ধাৰণাৰ বশীভূত হৈয়েই, গনিং চাহাবে তেওঁৰ মহকুমা পর্য্যায়ৰ কংগ্রেছ-বিৰোধী[৮১] এখন কাউন্সিল বুলি ধৰি লৈছিল আৰু চৰকাৰী উপাধিধাৰী, ৰায়চাহাব, খাঁ চাহাব, ৰায়বাহাদুৰ, খাঁ বাহাদুৰ আদিকো এই সভাত লোৱা হৈছিল। এই কংগ্রেছ বিৰোধী সভাখনি সঘনে পতা হৈছিল। জাঁজী অঞ্চলৰে এজন মৌজাদাৰ, বোধেশ্বৰ খাউন্দ ডাঙৰীয়াৰ মুখে শুনিছিলো, বোলে এই মৌজাদাৰ সম্মিলন খনিৰে এটি অধিবেশনত কথা প্রসঙ্গত মহকুমাধিপতি গানিঙে বোলে কৈ পেলালে, "গান্ধী এটা মস্ত পাগল, তেওঁৰ কথাত কোনো সঙ্গাত নাই……।" গান্ধীজীৰ প্রতি এনে তুচ্ছ তাচ্ছিল্যতাৰ ভাষাৰ প্রয়োগত সমবেত সভ্য সকলৰ অস্বস্তিৰ ভাৰ অহাতো যেতিয়া কোনেও প্রতিবাদ কৰিবলৈ সাহ কৰা নাই, তেতিয়া হেনো নৰ-মৌজাদাৰেই জকাইচুকীয়া হজুৰাটিৰ দৰে তেনেই সজ পৰামর্শৰ সুৰত ক'লে, "হজুৰ তেওঁক দেখোন তেনেহলে পগলা ফাটেকত সুমুৰাই থলেই সকলো লেঠা মৰে।" উপাধিধাৰী বিলাককো লৈ গঠিত আগতে কৈ অহা সেই মন্ত্রণা সভাৰ সদস্য হৈ নৰমৌজাদাৰ ডাঙৰীয়াই পূর্ণ অসহযোগৰ বক্তৃতা দিয়াটো কিবা নাভূত নাশ্রুত কথাৰ দৰে হৈছিল।

২৭। ওৰাৰেণ্টৰ আগৰতৰা

চৰকাৰী চাকৰিয়াল বিলাকৰ লগত সমিল মিলেৰে থকাৰ পৰা, সমাজৰ এজন হিচাপে এটা ডাঙৰ সুযোগ আছিল যে হাট-বাটে-

৮১। এই বিলাকেই আছিল এণ্টি-নন-কো-অপাৰেশ্যন আন্দোলনৰ কৰ্ম্মী দলৰ সংঘ। চৰকাৰৰ দ্বাৰা প্রতিষ্ঠিত আৰু প্রতিপালিত।

ঘাটে চৰকাৰৰ চোৰাংচোৱা বিয়পি দি থকাতো আমি চৰকাৰৰ ভিতৰুৱা বুজ-বাতৰি যিমান পৰিমাণে পাইছিলো, চৰকাৰে আমাৰ আভ্যন্তৰীণ খবৰ তাৰ অনুপাতে অতি কমহে পাব পৰিছিল ; আৰু যি পাইছিল সিওঁ অতি বহন সনা, অনেক সময়ত তেনেই পানীৰ ঔ টেঙা। মোৰ বিচাৰখনতে ব্যক্তিগত অভিজ্ঞতাৰ পৰা পৰিষ্কাৰকৈ বুজিব পাৰিছিলো যে চৰকাৰৰ গুপ্ত চৰে সমূলি চোৰাংচোৱাগিৰি নকৰাকৈয়ে নেহাৎ মিছা কথাৰ এটি সাক্ষ্য বচনা কৰি লৈছিল ; অথচ কুলধৰ চলিহা ডাঙৰীয়াই কোৱা মতে যোৰহাটৰ ডেপুটী কমিছনাৰৰ বঙলালৈ কেতিয়া কোন যায় আৰু কংগ্রেছৰ প্রসঙ্গত কি কি কথা বতৰা হয়, এই সকলোবিলাক ডাঁৰৰ বাতৰি ডাঁৰে অহাদি কংগ্রেছ অফিচত সোমাই পৰেহি। দূৰদূৰণিৰ অনেক খবৰ বিজুলী সঞ্চাৰে কংগ্রেছ অফিচত ওলায়হি।

এটা মাথোন দৃষ্টান্ত দিলো, মই আনন্দৰাম বৰুৱাৰ ঘৰত আলহী। তাতে গধূলি-বেলিকা গেলেকী মৌজাৰ মৌজাদাৰ ফণীভূষণ বৰুৱাদেও ওলালহি। তেখেত আহিছে গণিং চাহাব আৰু তেওঁৰ অতি প্রিয়পাত্র পেস্কাৰ উপেন্দ্রনাথ শর্ম্মাক লগ পাই। দেউতা, কণকচন্দ্র চেতীয়া, পুণাৰাম গগৈ আৰু মোৰ নামত যে ওৱাৰেণ্ট ওলাল আৰু দেউতাকে মোকে গ্রেপ্তাৰ কৰিবলৈ যে পুলিচ গৈছে, এইখিনি কথা বৰুৱাদেৱে মোকে কৈ পেলালে।

চতুর্থ অধ্যায়

কয়দী জীৱন

দেউতা গ্রেপ্তাৰিত

যেনে তেনে নিজৰ কার্য্যক্ষেত্রতেহে পুলিচৰ হাতত ধৰা দিয়াৰ অভিলাষত ১৬ তাৰিখে দোকমোকালিতে গা-পা ধুই জা-জল পান খাই উঠিছোঁহে মাত্র, এনেতে আনন্দৰাম বৰুৱাৰ চোতালত বলদৰ ডিঙিৰ ঘণ্টাৰ আৱাজ তুলি, যি গৰুগাড়ীখন হাজিৰ হলহি, তাৰ পৰাই ওলাই পৰিল দুজন পুলিচ কর্ম্মচাৰীসহ দেউতা। বোলে আগদিনা অর্থাৎ ১৫ ডিচেম্বৰৰ দিনা ভাইহঁতে পাতি অনা দোকানৰ পজাঘৰটোকে মোৰ ঘৰ বুলি ধৰি আৰু ঠাকুৰবাৰীখন দেউতাৰ বাসস্থান বুলি লৈ দুয়োখনতে খানাতালাচ কৰিলে। দিয়া-সকলে যে ৰাতিখন খানাতালাচ কৰিবলৈ অনুমতি দিলে, সিও এক কথা। খানাতালাচৰ প্রণালীটোও মন কৰিব লগীয়া। দোকানত মোৰ সহোদৰ মহেশ্বৰ বৰঠাকুৰ আৰু লক্ষ্মীনাথ বৰঠাকুৰক অনুৰোধ জনালে বোলে "এখন হলেও কংগ্রেছ সংক্রান্ত কিবা কাগজ পত্র দিয়ক।" চাই চিতি কৰবাৰ পৰা কিবা এখন নি বোলে দিলে। ঠাকুৰবাৰীতো সেই একে সুৰকে ব্যক্ত কৰাত সহোদৰ বিশ্বনাথ বৰঠাকুৰে ভলণ্টিয়াৰ কৰাটো বে-আইনী বুলি ঘোষণা কৰি দিয়া চৰকাৰী ইস্তাহাৰ এখন দিলে আৰু তাক লৈয়ে সন্তুষ্ট। দোকান আৰু বাগিচাৰ ঘৰ দুয়ো ঠাই একেলগে ক্রোক কৰে ঠায়ে প্রতি দুজনকৈ বিষয়াই।


মোৰ নামত যিখন ওৱাৰেণ্ট নিছিল তাত মোৰ নামটো "পদ্মনাথ শর্ম্মা"—দেখি এজনে মাত দিছিল বোলে "এইখন বৰঠাকুৰৰ

ওৱাৰেণ্ট নহয়। নতুবা দেউতাকৰ খনত কিয় "ৰত্নেশ্বৰ শৰ্ম্মা ৰৱঠাকুৰ হল?" সি যি কি নহঁওক ফৌজদাৰী সংশোধিত ১৭ (১) আৰু ১৭ (২) ধাৰাত আমি গ্ৰেপ্তাৰিত হলো। ইধাৰৰ মূৰত সিধাৰ পুষ্পমাল্যই আমাৰ মুখ কেখনো ঢাকি পেলালে। হোমিওপেথিক ডাক্তৰ উপেন্দ্রনাথ মজিন্দাৰ বৰুৱাই "জয় ৰত্নেশ্বৰ ৰৱঠাকুৰ,[৮২] পদ্ম ৰৱঠাকুৰ, পিতা-পুত্ৰৰ জয়" বুলি লগাই দিবলৈহে পালে, "জয় মহাত্মা গান্ধীৰ জয়! জয় কংগ্রেছৰ জয়! জয় মহম্মদ আলি চৌকত আলিৰ জয়! জয় তৰুণৰাম ফুকনৰ জয়! জয় নবীনচন্দ্র ৰৱদলৈৰ জয়! জয় কুলধৰ চলিহাৰ জয়! জয় দুৰ্গাপ্রসাদ ৰৱঠাকুৰৰ জয়! জয় ভুবনচন্দ্র গগৈৰ জয়! জয় বাহাৰদ্দিন আহম্মদৰ জয়!" ইত্যাদি ইত্যাদি যাৰ মুখত যেনেকৈ ওলাইছে বা যি যেনেকৈ লগাই দিছে তেনেকৈ জয় জয় ৰাও আৰু বন্দে মাতৰম্ ধ্বনি আৰু তাৰো প্রতিধ্বনিয়ে বায়ু আকাশ খলক লগালে। আনন্দত আমাৰো চকু সেমেকি গৈছে। গগণভেদী এই ৰৱৰ প্রতিধ্বনিয়ে দী-ক্লা-মেণ্ট আৰু গনিং চাহাবৰ কেনেকৈ ধৈৰ্য্যচ্যুতি হেকৰাইছিল তাক দোহৰা নিষ্প্রয়োজন।

২। হাজৎ

আমাক ভৰালেগৈ বগিতামৰ ছাউনীৰ দেখাত গির্জ্জা হেন দিনতে আন্ধাৰ পকীঘৰ এটাত। কথমপি মানুহ এটিৰ দেহা পিঞ্জৰটি দীঘল দি পৰি থাকিব পৰা কৰৰ সদৃশ হৈ দুশাৰী পকা ভেঁটি বিদ্যমান। তিনিতা কৰৰ অধিকাৰ কৰি আছে বাহাৰুদ্দিন, ভুবন গগৈ আৰু প্রসাদ উকীলে। সেয়ে তেওঁ বিলাকৰ শয্যা। এতিয়া আকৌ দুটি কৰৰৰ আশ্রয় ললোহি আমি দুয়ো।

৮২। ৰত্নেশ্বৰ ৰৱঠাকুৰে প্রথমতে দেউতাক লম্বোদৰ পণ্ডিতৰ ওচৰত সংস্কৃত পঢ়ি, উচ্চ শ্রেণীৰ সংস্কৃত পঢ়ে আৰু জ্যোতিৰ্ব্বিদ্যা শিক্ষা লয়—মোমায়েক পণ্ডিৎ কাশীনাথ ভট্টাচার্য্যৰ ওচৰত। তেতিয়াহে শিৰসাগৰৰ


কামেং সীমান্ত অঞ্চল
মিকিৰ পাহাৰ আৰু উত্তৰ কাছাৰ জিলা বোকাজান
শিৰসাগৰ জিলা
০ ৩২ ৬৪
কিলোমিটাৰ
ব্ৰহ্মপুত্ৰ নদ
দিচাংমুখ
শিৰসাগৰ
গৰমৰ
কাকজান
যোৰহাট
দেৰগাঁও
ভোগদৈ
গোলাঘাট
সৰুপথাৰ
ডিমাপুৰ
(মণিপুৰ ৰাজ্য)
লাহৰিঘাট
নামতি ঘাট
সাপেখাতী
২৭
২৬
৯৩
৯৪



কুলধৰ চলিহা



ভুবন চন্দ্ৰ গগৈ



পণ্ডিত কণকচন্দ্ৰ শৰ্ম্মা, কাব্যতীৰ্থ




লক্ষেশ্বৰ বৰুৱা




শ্রীবিষ্ণুরাম মেধী



শ্রীদেবেশ্বর শর্ম্মা



শ্রীফকরুদ্দিন আহমেদ



শ্রীবিমলাপ্রসাদ চলিহা

দেউতাৰ কাৰণে মই চিন্তিত যে নহৈছিলো এনেও নহয়; আজীৱন নিকপকপীয়া নৈষ্ঠিক ব্ৰাহ্মণৰ ধৰ্ম্ম পালন কৰি, আজৰি কাক বোলে তাক বুজি নোপোৱাকৈ চলি, এতিয়া বাৱান্ন বছৰ বয়সত কাৰাৰুদ্ধ হৈ নিষ্কৰ্ম্মাৰ জীৱন পালন কৰিব লগীয়া কথাটোলৈ মনত পৰিলে বৰ বিষাদিত হৈ পৰো।

৩। শিশু সদানন্দ

নিতৌ আমাৰ ভাত জলপানৰ যোগাৰ ধৰিবৰ কাৰণে আনন্দ বৰুৱাদেৱে তেখেতৰ বৰটি ল'ৰা সদানন্দক বৰাদ দিলে, অথচ

বঙ্গলা স্কুলত নাম লগায়। তাৰ পৰা শিৱসাগৰ গভৰ্ণমেণ্ট হাই স্কুলত পঢ়ে। কেইবাটাও ডবল প্ৰমোছন পায়। প্ৰথম শ্ৰেণীলৈ প্ৰমোছন পোৱা বছৰত হেড্‌মাষ্টাৰ চন্দ্ৰমোহন গোস্বামী বদলি হৈ যায়। তেতিয়া আগৰ এণ্ট্ৰেন্স্ ফেইল হৈ থকা ২৫জন লগাই নতুনকৈ প্ৰমোছন পাই অহা, এণ্ড বিলাকৰ ২৫ জন সহ সৰ্ব্বমুঠ পঞ্চাছজনৰ শ্ৰেণীটো অতি ডাঙৰ দেখি নতুনকৈ প্ৰমোছন পাই অহা বিলাকক নতুন হেড্ মাষ্টাৰে দ্বিতীয় শ্ৰেণীলৈ (আজি কালিৰ মতে নবম মানলৈ) নমাই দিলে। তাৰ প্ৰতিকাৰ কৰিব নোৱাৰি দীননাথ বেজবৰুৱাদেৱে যিখন স্কুল খোলাই দিলে সেইখনেই "শিৱসাগৰ বেজবৰুৱা হাইস্কুল।" বত্নেশ্বৰ বৰঠাকুৰৰ স্বৰচিত কিতাপ হল (১) জ্যোতিষ ৰত্ন সংগ্ৰহ, (২) অশৌচ তত্ত্ব সংগ্ৰহ, (৩) শ্লোকমালা, (৪) শ্লোক পুষ্পাঞ্জলী (৫) এন্ ইংলিছ গ্ৰামাৰ। সম্পাদিত পুস্তক হল, (৬) কিৰাত পৰ্ব্ব (৭) পাতালীকাণ্ড ৰামায়ণ আদি। এই বিলাক প্ৰকাশিত। হাতে লিখা অৱস্থাত আছে এখন শ্ৰীমদ্ভাগৱৎ গীতা। আকাৰত ডাঙৰেই। বৰঠাকুৰ প্ৰথমে শিক্ষক, পিছত অসম কোম্পানীৰ কৰ্ম্মচাৰী। তাৰ পিছত কুহিয়াৰ, জলকীয়া, হালধী আদিৰ এখন বুজন পাম কৰে। এইবিলাকৰ মূল ধন আক ধাৰতে খুলিলে শিৱসাগৰৰ ডিমৌৰ ওচৰত ঠাকুৰবাৰী চাহবাগিচা। এইখন বাগিচা যথার্থতে কংগ্ৰেছ আন্দোলনত জড়িত হোৱাৰ কাৰণেই মাৰোৱাৰীৰ গ্ৰাসত পৰিল। সেই বাগিচা পিচলৈ জনাজাত হল কৃষ্ণবিহাৰী টী ইষ্টেট বুলি।

এই শিশুটি তেতিয়া নিম্ন প্ৰাথমিক বৃত্তি পৰীক্ষাৰ পৰীক্ষাৰ্থী। পঢ়া শুনাত বাচকবণীয়া। এই শিশুটিয়ে আমাৰ পূজাৰ অৰ্থে তেওঁৰ পৰীক্ষা জলাঞ্জলী দিব লগীয়াত পৰিল। এইদৰেই দেহি, বেচেৰাৰ এটি সুন্দৰ ভৱিষ্যতৰ ওপৰত মাধমাৰ পৰিল। এনে এটি ঘটনা যে এলাপাকতে ঘটি গৈছিল তাকো ফাটকৰ পৰা ওলোৱাৰ বহুত দিনৰ পিছতহে উমান পালো। কাছাৰীৰ আমোলা এজনৰ আৰু তেওঁৰ আঠ-ন বছৰীয়া লৰাটিৰ ওপৰত অসহযোগ আন্দোলনকাৰী পিতা-পুত্ৰৰ অজ্ঞানপূৰ্ব্বক হলেও ই নিশ্চয় নিৰ্ম্মম অত্যাচাৰ। তাৰ ফলত হোৱা ক্ষতি আনন্দ বৰুৱা দেৱেযে নিৰ্ব্বিকাৰ চিত্তে মানি ললে তাৰ কাৰণে আমি কৃতজ্ঞতা পাশত আবদ্ধ থাকিলো। পৰি-তাপৰ কথা যে স্বাধীনতাৰ দিনত কংগ্ৰেছৰপৰা তেওঁবিলাকক কোনো ব্যক্তিগত উপহাৰৰ ভাগ দিব নোৱাৰিলো। নিজে ব্যক্তিগতভাৱে যৎকিঞ্চিতো লাভ কৰা হলে নিশ্চয় তেওঁবিলাক তাৰ অংশীদাৰী স্বত্বৰপৰা বঞ্চিত নহ'লহেতেন।

পিছে সিমানতে কথাৰ ওৰ নপৰে। আমাক যোৰহাট জেইললৈ চালান দিয়াৰ পিছত, দেউতা, যেতিয়া কাঁহ এটা মাৰিলেও তাৰ প্ৰতিধ্বনিয়ে গোটেইখন জনজনাই উঠা সেই শ্মশান সদৃশ জয়াল জেইল ঘৰটোত তেনেই অকলশৰীয়া হৈ, জেইলৰ বন্ধা ভাত-পানীত মুখ নিদি লঘোনে ভোকে ছদিন কটালে, তেতিয়া সেই সম্ভেদ পোৱাৰ লগে লগে, আনন্দ বৰুৱা আৰু তেওঁৰ ভায়েক বসন্তৰাম বেজবৰুৱা উভয়ে অযাচিতে তেখেতৰ কাৰণে জামিনতীৰ খটপত্ৰ চহী কৰি তেখেতক পোতাশালৰপৰা উদ্ধাৰ কৰি নিলে।

৪। গনিঙৰ উদ্ভন্দালি

বুঢ়া ভদ্ৰলোক এজনক নিজৰ বাসস্থানলৈ মাতি নি তাৰপৰা লগতে লৈ গৈ নিজৰ ৰাজক্ষমতাৰ নেহাৎ অপব্যৱহাৰৰ দ্বাৰা টিপতে ফাটকত সুমুৱাই এইদৰে নগুৰ-নাগতি কৰাৰ নিচিনা উদ্ভন্দালি

গনিঙৰ অসংস্কৃত বা নীচ চৰিত্ৰৰ পৰিচায়ক নহৈ কি হব পাৰে? এইটিকে আখৰা বুলি মানি ইয়াৰ পিছত তেওঁ বোলে লক্ষ্মীকান্ত বৰুৱা ডাঙৰীয়াৰ মূৰৰ পৰা গান্ধীটুপীটো নিজহাতে সোলোকাই নিছিল আৰু যাদৱপ্ৰসাদ চলিহা ডাঙৰীয়াক বঙ্গলালৈ মাতি নি তাতে গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াইছিল। পিছে, নৱনাথ শৰ্ম্মা মৌজাদাৰকো একে ধৰণে ধৰাতহে অৱশ্য অন্য অপৰাধত আমাৰ গনিঙ চাহাবক মৌজাদাৰ ডাঙৰীয়াই জোলোকা-জোলোকে পানী খুৱাই এশ গৰু মাৰিলে যে বাঘৰো মৃত্যু হয় তাকে উপলব্ধি কৰাৰ সুযোগ দিলে।

৫। যাদৱপ্ৰসাদ চলিহা

আমাক আশ্বাস কৰি জেলত ঠাই দিছিল দুৰ্গাপ্ৰসাদ বৰঠাকুৰ, ভুবন গগৈ আৰু বাহাৰুদ্দিন আহমদে। এওঁবিলাক তিনিও জেলত আৰু আমি বাহিৰত থকা কালৰ বেটবাৰী কেন্দুগুৰিৰ সভা, কংগ্ৰেছৰ অফিছত সভা, আমাৰ গ্ৰেপ্তাৰ আদিৰ বৃত্তান্ত, অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে এই কেইদিনৰ খবৰ, তদুপৰি বাতৰি কাকত আদিত পোৱা মতে সদৌ ভাৰতৰ খবৰ বাতৰি দিয়া হ'ল; কিন্তু বৰঠাকুৰ বা গগৈদেওৰ ঘৰুৱা খবৰ সম্পূৰ্ণ আমাৰ অবিদিত হেতু একোকে কৰা নগ'ল। এতিয়া ডাঙৰ প্ৰশ্ন আহিল সম্প্ৰতি কাৰ নেতৃত্বত শিৱসাগৰ চলিব সেইষাৰ।

শিৱসাগৰৰ কংগ্ৰেছ নেতৃত্বৰ বিষয়ত দেখিলোঁ ভুবণ গগৈ বৰ গহীন। তেওঁ বোলে মাখন উকিলক ধৰাৰ লগে-লগে বাপে (অৰ্থাৎ যাদৱ চলিহাই) জিলা কংগ্ৰেছৰ নেতৃত্ব গ্ৰহণ কৰিবহি আৰু তেওঁক গ্ৰেপ্তাৰ কৰিলে নেতৃত্বৰ দায়িত্ব কাৰ গাত পৰিব, সেইটো চলিহাইহে ঠিক কৰি লবহি। তেতিয়া যাদৱ চলিহাই বনমালী আৰু গোসাঁই-বাৰী নামৰ বাগিচা দুখনৰ বাহিৰেও, আন এখন বাগিচা (বোধ কৰোঁ লংবৈখনকে, চাৰিঙৰ বিখ্যাত হাতী মহলদাৰ বাধাকান্ত ফুকনৰ

লগত) যুটীয়া প্রচেষ্টাত তৰি লৈছে। তদুপৰি চফ্রাইত কাঠ-ফলা কল এটাও চলাইছে। ইমানখিনি জঞ্জাল হঠাতে ককাইদেৱেক তাৰাপ্রসাদ চলিহাৰ মূৰত দি যে লাগ বুলিলেই আহি যাব পাৰিব, মোৰ তাত সন্দেহ আছিল। কিন্তু যাদৱপ্রসাদ চলিহা ঠিক সময়তেই শিৱসাগৰত ওলাই পৰিলহি। কামত হাত দিওঁতে নিদিওঁতেই গনিঙে জৰৰদস্তি ফাটকত ভৰালেহি। পিছে ছমাহ মানলৈহে ম্যাদ হোৱাত, নেতাৰ দল গোটেইটো জেলৰ ভিতৰত থাকোঁতে, যাদৱ চলিহাই প্রাদেশিক কংগ্রেছৰ সভাপতিত্ব গ্রহণ কৰিব লগীয়াত পৰিল। প্রাদেশিক কংগ্রেছখনো নিয়াঁৰিকৈ চলাই দিলে।

৬। অভিযোগ

১৭ কি ১৮ ডিচেম্বৰত দেউতাৰ বাদে আমাৰ বাকী ছজনৰ প্রত্যেকৰে নামত একোখনকৈ অভিযোগপত্র[৮৩] জাৰি কৰিলেহি। তাৰ সাৰাংশ যেনে :—ভাৰতীয় ফৌজদাৰী দণ্ডবিধিৰ (১৪৩ক, ১৪৮ নে ১৮৮ আৰু ১৫৩-ক নে এনে বিধৰ কিবা কিবি ধাৰাৰ) প্রযোজ্য সাংঘাটিক বিধৰ দোষ আচৰণ কৰি বৃটিছৰাজ আৰু মহামান্য ভাৰত সম্রাটৰ আইনতঃ সংগঠিত চৰকাৰক ওফৰোৱাৰ দূৰভিসন্ধিৰে আৰু সেই চৰকাৰৰ বিৰুদ্ধে সমৰ সজ্জাৰ আয়োজন আৰু তদর্থে ৰাজভক্ত প্রজাসকলৰ মাজত অপপ্রচাৰ চলাই আইনতঃ প্রতিষ্ঠিত চৰকাৰক হেয় প্রতিপন্ন কৰাৰ নিচিনা ৰাজদ্রোহৰ অপৰাধ হেতুকে মই চি-এছ গনিঙ্, আই-চি-এছ্ হাকিমে ফৌজদাৰী আইনৰ ১০৮ ধাৰাত তোমাক অভিযুক্ত কৰিছোঁ। উনৈছ শ একৈছ চনৰ বিশ ডিচেম্বৰৰ দিনা মোৰ এজলাছত তোমাৰ বিচাৰ লোৱা হ'ব।

জেইলৰপৰা বত্রেশ্বৰ বৰঠাকুৰক উলিয়াই দিওঁতে এটা অনুৰোধ জনালে, যাতে দেউতাই চৌবিছ ঘাৰিখে দুপৰীয়া তেওঁৰ বঙলাত

৮৩। Charge sheet.

তেওঁক লগ ধৰেহি। দয়াপৰবশ হৈ বিনাশোধে তেখেতক এইদৰে খালাছ দি পঠিওৱাত আমি সকলোৱে বৰ আনন্দ লাভ কৰিলোঁ। কুৰি কি একৈছ তাৰিখে আৰু দুজন ল'ৰাৰ সৈতে কামালুদ্দিনো [৮৪] সোমাই আমাৰ সংখ্যা ন জনত পৰিণত কৰিলে (দেউতাৰ বাদে)।

কুৰি তাৰিখে আমাৰ লিখিত বর্ণনা পেচ্ কৰা হল। এজ্লাছ বহিল। গুচৰীয়া গনিঙেই বিচাৰক। উপেন্দ্রনাথ শর্ম্মা, পেস্কাৰ ৰামচন্দ্র বৰা, ভূপেন্দ্রনাথ ঘোষ, অন্নদাচৰণ শর্ম্মা আদি কেইবাজনো উকিল আহিছিল—চৰকাৰ নিযুক্ত নে দর্শক স্বৰূপে আহিছিল তাৰ স্বৰূপ লবলৈ থাকিল। সেইদিনা দুর্গাপ্রসাদ বৰঠাকুৰ, ভুবনচন্দ্র গগৈ আৰু বাহাৰুদ্দিন আহমদৰ শুনানি সমাপণ কৰি আমাৰটো পিছদিনালৈ থলে।

৭। বিচাৰ

একৈচ তাৰিখে পুণাৰাম গগৈ, কণকচন্দ্র চেতিয়া আৰু মোৰ বিচাৰ।

প্রথম সাক্ষী কমৰদ্দিন নে এনে নামৰ চোৰাংচোৱা এজন। তেওঁ হেনো মোক বঢ়িয়াকৈ চিনে আৰু মই বোলে দুশ মান মানুহ ভলণ্টিয়াৰ কৰোঁতে তেওঁ সেইখন সভাতে। দিন, বাৰ, সময়ৰ বিতং বিবৰণলৈ লক্ষ্য কৰিলে কথাখিনিযে তেনেই সাজি কোৱাহে তেনে ধাৰণা কৰা টান। এনেতে কিবা জেৰা কৰিম নেকি সোধাত, বেচেৰাক ধৰা পেলাই দিবৰ কাৰণে, মনৰ উচ্পিচনি গুছাবলৈ বুলি ভাবি সমিধান দিলো বোলো—"আমি আত্মপক্ষ সমর্থন কৰাটো নীতি বিরুদ্ধ, গতিকে যি এটি প্রশ্ন কৰিম, আত্মপক্ষ সমর্থনৰ উদ্দেশ্যে নহয়।" গুপ্তচৰটিক সুধিলো, "হাট খোলাত তুমি কোৱা দিন-বাৰ-তাৰিখত তুমি আছিলা বুলি কচম্ খাই কব পাৰিবা

৮৪। বাকী দুজনৰ নাম হেৰাল। শুনাত কামালুদ্দিন হেনো পিছত চৰকাৰৰ Boiler Inspector হৈছিল।

নহয়?" উত্তৰ :—"চাৰ্, আপোনালোক ডাঙৰ মানুহ, বিদ্বান মানুহ, মোক ৰৰচাহাবৰ আগতে মিছলীয়া পাতিছে। চাৰ, ৰৰ দুখ পালোঁ।" ভাও চাই হাঁহিহে উঠিল। দ্বিতীয় সাক্ষী আঠাৰাৰী বাগিচাৰ ৰৰচাহাব মিষ্টাৰ হাণ্ট[৮৫]। তেওঁ কয় যে তেওঁৰ ৰৰমহৰীজনৰ ঘৰৰ ওচৰতে দেউতাই ময়ে বোলে ভলণ্টিয়াৰ ভর্ত্তি কৰোঁতে তেওঁ হেনো তেওঁৰ এচিষ্টেণ্ট মেনেজাৰ ব্রীজনেল্ড চাহাবৰ সৈতে তাতে আছিল। এওঁ বহাৰ লগে-লগে ব্রীজনেল্ড[৮৬] চাহাবে, তেনেই মিটিং এখনত আনৰ প্রস্তাৱ সমর্থন কৰাদি, হাণ্ট চাহাবক সমর্থন কৰি পেলালে। চতুর্থ সাক্ষী হ'ল ৰৰমহৰী জন। তেওঁ মুখস্থ কৰি থোৱা ৰচনৰ দৰে গাই যাবলৈ ধৰিলে, "হজুৰ, ধর্ম্মাৱতাৰ, আমাৰ ৰৰচাহাব, চোট চাহাব হজুৰ সকলে যি যি কৈছে সচাঁ কৈছে।" আটাই কেউজনে অদ্ভুত ধৰণে সাজি মিছা কোৱা দেখি মই অবাক মানিলোঁ। নিজৰ কান কেখনকে নিজে বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। ৰৰমহৰীজনক সুধিলোঁ, "ৰৰমহৰী ডাঙৰীয়া, মিটিঙত আপোনাৰ পিতাকহে আছিল, আপুনি নাছিল হবলা?"

"হয়, নাছিলো"—বুলি উত্তৰ দিলে।

"চাহাববিলাক জানো আপোনাৰ ঘৰলৈ যায়?"

"নাযায়।"

মই বিচাৰকক কলো বোলো "বুজিছে কিজানি, হাণ্ট চাহাব জাতে-পাতে মিছলীয়া[৮৬ক]।" গনিঙে···মাত লগালে,—"পদ্মনাথ,··· মিঃ হাণ্টৰ নিচিনা বুঢ়া ভদ্রলোক এজনক মিছলীয়া বোলাটো গর্হিত কথা।" মই কলো, "এতিয়াৰ পৰা তেওঁ সত্যবাদী হ'ব[৮৭]।" তেতিয়াও হাণ্ট্ বুঢ়াই তলৰপৰা মূৰ ওপৰ কৰিব পৰা নাই।

৮৫। T. A. Hunt.

৮৬। Bridgenald.

৮৬ক। Mr. Hunt is a deliberate liar.

৮৭। He will be truthful from now on.

কনক চেতিয়া আৰু পুনাৰাম গগৈৰ বিৰুদ্ধে সাক্ষী যে ঠিয় কৰোৱাহি নায়েই, তেওঁবিলাকক এষাৰ কথাও মুসুধিলে। কেনেকৈ যে তেওঁ বিলাকক মোৰ লগতে সাঙুৰি পেলালে, সি এক সাঁথৰ হৈয়েই ৰল।

মই জেৰা কৰাটো প্ৰসাদ উকিলে অলপো সমর্থন নকৰিলে; কিন্তু মিছা কওঁতে ধৰা পেলাই দিয়াটো ভুবন গগৈৰ মতে যুক্তিযুক্ত। পিছে অতি মাৰ্ঘাৎ হ'ল সেই বৰমহৰীজনৰ—নাম ডিম্বেশ্বৰ কি ঘনকান্ত হব লাগে। সেই দিনাই বাগানত চাহাবসকলে মিলি তেওঁৰ পৰা জৰিমনা বুলি ২০০৲ টকা নে কিমান আদায় কৰিলে। তিমানেও তেওঁবিলাকক নাটিলে। শেহত বৰমহৰীক কামৰ পৰা বর্খাস্ত কৰিলে। যথার্থতে হাণ্ট বা ব্ৰীজনেল্ডৰ লগত আমাৰ দেখা-দেখি হোৱা নাছিল। তেওঁবিলাকে যে তেওঁলোকৰ ৰাজ-প্ৰতিনিধিৰ (ক্ৰাউন্ ৰিপ্ৰেজেণ্টেটিভৰ) হকে ইচ্ছাকৃতভাৱে মিছা কথা কৈছিল, তাত বিন্দুমাত্ৰও সংশয় নাই। হয়তো জালখন গনিঙেই গুঠিছিল। তথাপি চাহাব কেজনৰ পক্ষে কোটাৰ ঘৰৰ কুটী হৈ আমালৈ বুলি হুল পুতি আপুনি ফুটি মৰাৰ দশা ঘটিল।

ঘটনাটো ঘটালে ভাষাবিভ্ৰাতে। বৰমহৰীজন হয়টো ইংৰাজীত বিদ্যাবাগীশ্। গতিকে চাহাব কেজনৰ সাক্ষ্যদান তেওঁৰ কানত পশিব নোৱাৰিলে। ভাবিছিলে কিজানি, কংগ্ৰেছীয়ে আত্মপক্ষ সমর্থন নকৰে যেতিয়া যিহকে তিহকে কৈ হেলাৰঙে সাৰি যাব পাৰিব। পিছে ঈশ্বৰে তাকে নসহিলে। কংগ্ৰেছৰো লাভ হ'ল। বৰমহৰীৰ ককায়েক হৰিনাথ গগৈ[৮৭ক] চৰকাৰী মণ্ডলৰ কাম এৰি দি বৰমহৰীকো সাৱটিলৈ কংগ্ৰেছৰ লেখত লৰলগীয়া কৰ্ম্মী হৈ পৰিলে।

৮। হুকুম

চৌৰিছ তাৰিখেও আদালতৰ আখৰা বহিল। পিছত অহা ল'ৰা কেজনৰ তলৰ্ হল। "আকৌ ভলণ্টিয়াৰ নহওঁ" বুলি মচুলুকা

৮৭ক। হৰিনাথ মণ্ডল।

দিলে "তেতিয়াই এৰি দিম বুলি" গণিং চাহাবে দিয়া আশ্বাস তেওঁ-বিলাকে নেমানিলে। তেতিয়া ১০৮ ধাৰাত একো বছৰকৈ প্রসাদ উকিল, ভুবন গগৈ আৰু বাহাৰুদ্দিনৰ অশ্রম, চেতীয়া, পুনাৰাম গগৈ আৰু মোৰ সশ্রম, বাকী লৰাকেজনক ১৭ ধাৰাত কেইমাহমানকৈ সশ্রমৰ আদেশ হ'ল। আমাক জেইলাস্তৰ কৰাৰ হুকুম জাৰি কৰি ৰৰদিন মানিবলৈ বুলি গনিং চাহাব নাজিৰাৰ জেনেৰেল মেনেজাৰৰ[৮৮] বঙলা পালেগৈ।

৯। স্থানান্তৰ

ৰৰচাহাব যোৱাৰ পিছতে জেইলাৰ জনে দেউতাকো যে আন এঠাইত বন্দী কৰি ৰাখিছে, তাৰ খবৰ দিয়াৰ অলপ পিছত আমি জেইলৰ অফিছ পালোঁগৈ। তিন্ তিনকৈ তিনিখন গৰুগাড়ীৰে ন জনে ৰাওনা কৰিলোঁ।

গাৰীকেখনে শিমলুগুৰি[৮৯] ষ্টেছন অভিমুখে বাট ললে। হিলৈদাৰী পুলিচ[৯০] প্রহৰী কেজমানে কেউখন গাড়ীকে আগুৰি লৈ পদব্রজে চলিবলৈ লাগিল।

আমাক শিমলুগুৰি অভিমুখে পঠিওৱা খবৰটো কেনেবাকৈ ৰাষ্ট্র হৈ পৰিল। আমি হাঁহচৰা পাওঁতে নৌ পাওঁতেই, বিশেষকৈ ৰাইস্কোলীয়া মানুহেৰে, আলি ভৰি পৰিল। তেওঁবিলাকৰ জয় ধ্বনিৰ গাজনিত বুঢ়া-ডেকা-ল'ৰা নিৰ্ব্বিশেষে ৰাজ আলি ঢাকি ধৰিলহি। পুলিচৰ ফৌজটো এটা কথাত হুচিয়াৰ, কিজানিবা

৮৮। আসাম কোম্পানীৰ জেনেৰেল মেনেজাৰ। ১৯৬৬ চনত এশৰো ওপৰ বয়সীয়া এই অফিছে কৰ্ম্মচাৰীসকলক দলনিত পোণা মেলা দি মেলি কলিকতালৈ ভটিয়ালে।

৮৯। শিমলুগুৰি ষ্টেছন, পিছত Sibsagar Road Station, যেতিয়া শিৱসাগৰলৈ বেলৰ সংযোগ নাছিল।

৯০। Armed Police.

কোনোবাই আমাক চিলনী থ'পিয়া দি লৈ যায়, এনে আতঙ্কতে হব পায়, গাড়ী কিখনব পিছফালে কাকো ওচব চাপিবলৈ নিদিয়ে। পিছে তেওঁবিলাকে পকাচুলিয়াব সম্মানার্থে প্রসাদ উকিলব দেউতাক গোলাপচন্দ্র ববঠাকুবক তেওঁব পদুলি মুবত দেখি, গাড়ী ক্ষন্তেকলৈকো হলেও বখালে। আমি তেখেতক সেৱা জনাই বিদায় লওঁতে সাজ লাগে লাগে। যি হে মাবোক পানী বলধ—কুঁজি-বালিব পবা শিমলুগুবি ষ্টেছন পাওঁতে আন্ধাব নামিল। বিবাট জনতাব দৃশ্যটো গনিঙ চাহাবে দেখা হলে নিশ্চয় উপলব্ধি কবিল-হেতেন যে আমাক যেন তেওঁ ইবিলাকব জাগবণব কাবণেহে এই বাটেদি পঠিয়ালে। এনেহে লাগিছে, জনতাই যেন মাত তুলি অভয়হে দিছেহি, "নাই ভয়! আমিও আহিছোঁ আগুবাই।"

১০। শিমলুগুবি ষ্টেছনত

আমি ষ্টেছনব বাবাণ্ডাতে বহি থাকিব পবাকৈ, গাইপতি একোখনকৈ চকী পাইছিলোঁ। হবেক বকমব ফল-মূল, সন্দেশ-মিঠাই আমাব সম্মুখত দ'ম-দ'ম হৈ পবিল। টিক্-টিক্কৈ বঙচুবা পুব পুব গাল দুখনিব তেনেই পকা থেকেবা যেন আটক-ধুনীয়া মুখখনিবে অন্ধ এজন বৃদ্ধ মৌলবী চাহাবে[৯১], যেতিয়া আমাব মুখব আগত মিঠাইবে ভবপুব চিক্‌মিকীয়া প্রকাণ্ড থাল এখন ডাঙি ধবিলেহি আক যেতিয়া আমি তেখেতব স্নেহাশীর্ব্বাদ শিবোধার্য্য কবি লোৱাব লগে-লগে, লোকে নাম কৈ কৈ ধবাই দিয়া অনুসবি, আমাব প্রত্যেককে ব্যক্তিগতভাবে আকোৱালি ধবি আশ্বাস জনাবলৈ লাগিল, তেতিয়া আমাবহে নেলাগে আনবো চকু ঢুলঢুলীয়া হৈ পবিছিল। জেলব পবা ওলোৱাব পিছত মৌলবী চাহাবব লগত সাক্ষাৎ হবলৈ বব হেপাহ কবিছিলো; পিছে ঈশ্ববে নসহিলে। যাইহওক কানতাল মবা জয়ধ্বনিব মাজতে বেলে ষ্টেছন এবিলে।

৯১। মতা নাম "বগা মৌলবী" আছিল বুলি শুনা যায়।

শিমলুগুৰিৰ পৰা এই গগণ ফলা ৰব্ নিশ্চয় আসাম কোম্পানীৰ জেনেৰেল মেনেজাৰৰ[৯২] অতিথি গনিং চাহাবৰ কানৰ ভিতৰেদি সৰকি হৃদয় বিদৰাই দিছিল। আমাক যোৰহাটলৈ নিনি চেনীমৰা[৯৩] ষ্টেছনতে ৰেলৰ পৰা নমালে।

৯২। ষ্টেছনৰ পৰা কাঁড় যেন কৈ পোনাই দিলে আসাম কোম্পানীৰ জেনেৰেল মেনেজাৰৰ বঙলালৈ পোৱা মাইলো হব কি নহ'ব।

৯৩। চেনীমৰা নে চীনামৰা?

পঞ্চম অধ্যায়

যোৰহাট

১। চেনীমৰা

আমি যে কয়দী আৰু আমাক যে যোৰহাট জেললৈ আনিছে, কথাটো গুপুততে থকা দি আছিল। তথাপি ৰেলৰ কৰ্ম্মচাৰীসকলে অযাচিতে আমাক পুৱাৰ চাহ জলপানৰ যোগাৰ ধৰিছিল। দেওবৰীয়া হাতখন ষ্টেছনটোৰ গাতে পূব পিনে বহিছিল। পুলিচ প্ৰহৰী-সকলৰ অনুমতি ক্ৰমে হাতখনৰ ভিতৰত ঘু�ৰিও আহিলো।

কেইবা ঘণ্টাও চেনীমৰাত খাপ দিব লগীয়াত যে পৰিল, তাৰ কাৰণটো পিচতহে বুজিছোঁ। কথাটো হল, আমাক শিৱসাগৰৰ পৰা শিমলুগুৰিলৈ গৰুৰ গাড়ীৰে অনা হৈছিল যেতিয়া চেনীমৰাৰ পৰা ৰৰভেটালৈ একে ধৰণৰ বাহনত নিনিলে তেওঁবিলাকৰ কৰ্ত্তব্যৰ ত্ৰুটী হয় বুলি ভাবি প্ৰহৰী সকল গাড়ী বিচৰাত লাগিল; আৰু অৱশেষত তিনিখন গৰু-গাড়ী গোটাই তাতে আমাক গাড়ীয়ে পতি তিনিজনকৈ সুমুৱাই ৰৰভেটা বুলি বাওনা হল।

২। ৰৰভেটা জেইল[৯৪]

ন মান ৰজাত গাড়ী ৰৰভেটা পালেগৈ। জেইলৰ অফিছত পুনাৰাম গগৈ, কণক চেতীয়া আৰু মোক—লগৰ লৰা কেজনকো—বন্দী-সাজ অর্থাৎ জেইল কীট[৯৫] পিন্ধালে আৰু আমি পিন্ধি যোৱা চুৰীয়া চোলা আদিৰ অফিছৰ ৰৰপেৰাতে ফাটক হল। আজিৰ পৰাহে যে ৰজাৰ আলহী হলো, বুজিবলৈ আৰু বাকী নৰল।

৯৪। যোৰহাট জেইল। ৯৫। Jail kit.

অফিছ পাৰ কৰিলত জেইলৰ উদৰস্থ হলো। পিচত তাৰো অন্তৰ্গত থকা অর্থাৎ তিৰীবন্দী সকলৰ কাৰণে আছুতীয়াকৈ ৰখাখন জেলত ভৰালেগৈ। এই ধর্ম্মতঃ প্রমিলা ৰাজ্যখনিৰ পৰা আই সকলক স্থানচ্যুত কৰি সেই ঠাইত অসহযোগৰ ৰণুৱাদলক গর্ভস্থ কৰিলে। বিধিৰ কি বিধান! ইয়াৰ পিচৰ কিবাৰৰ আন্দোলত কিন্তু তিৰোতা সকলেও মুনিহৰ লগতে খোজত খোজ মিলাই জেইলৰ দখল লবলৈ ধৰিলে। এই জেলতে বোলে পিচৰবাৰ পুষ্পলতা দাস (পিচলৈ এম পি) আদি আছিল। ১৯৪২ চনত, তেখেতৰ উপৰিও আছিল ঘনকান্তী ফুকন, মোহিনী গোঁহাই, গুণদেশ্বৰী, কিৰণবালা, চন্দ্রপ্রভা শইকীয়া আদি অনেক।

৩। অসহযোগৰ জোকাৰত যোৰহাট

জেলৰো ভিতৰত জেইল হৈ থকা এই ক্ষুদ্র স্থান খনিকে আৰ্চি ৰূপে লৈ অসহযোগৰ জোকাৰত জাগৃত হোৱা যোৰহাটখনৰ কথা উলিয়াইছোঁ।

ভিতকুৰা এই বন্দীশাল খনত লখিমী সোমালহি কুলধৰ চলিহা আৰু কৃষ্ণনাথ শর্ম্মা। দীঘে পুতলে আঠ হাত আঠ হাত মানৰ খেৰৰ জুপুৰী এটিয়েই তেওঁবিলাকৰ আশ্রম। তাৰ ভিতৰত ছজনৰ মাথোন ঠাই; পিচে, আমাক লগাই দল শকত হৈ এঘাৰজনীয়াত পৰিল। আমাৰ পিচতে আকৌ সোমাই পৰিলহি ৰত্নধৰ বৰুৱা (বাগিচাৰ মেনেজৰ), খেটকধৰ বৰুৱা (পিচলৈ বাহাদুৰ বাগিচাৰ মেনেজাৰ), বাবুলা নাথ (ৰাজগুৰু) ফুকন, গোপাল চন্দ্র বৰুৱা আদি দহ বাৰ জন মানৰ এদল। এই দলটিৰ প্রত্যেকজন মানুহে আগদিনাই নিজৰ নিজৰ মাক, দেউতাক, ককায়েক, ভায়েক, পৰিবাৰ, বৌৰেক, মাহীয়েক, পেহীয়েক, ৰায়েক, ভনীয়েক আদি যাৰ যি আছে, সেই দিনাই ফাটকত সোমাই পৰা আশাৰে, সেই সকলোৰে পৰা বিদায় লৈ বালিগাঁও অঞ্চলৰ পৰা—

"সৌ যে উৰিছে স্বৰাজ-নিচান।
উন্নত শিৰে হোৱা আগুৱান॥"

ইত্যাদি গীত গাই গাই কংগ্রেছ পাতাকা উৰোৱাই আহিলে, আলিয়ে আলিয়ে; আনকি কাছাৰী আৰু ডেপুটী কমিছনাৰৰ বঙ্গলাৰ মুখেদিয়েই সমদল পাতি চিয়ঁৰি চিয়ঁৰি ডিঙি ঘোগোলা কৰিলে; সাজ লাগিল, ভাগিল, তথাপিতো অত পুলিচমখাই কেৰেপকে নকৰিলে। বেচেৰাইঁত হতাশ হৈ ৰাতিটো ধোৱাং জুৰি পৰি থাকি আকৌ পিচদিনা পুৱা এমুঠি ধৰি স্বৰাজ আশ্রমৰ নাম লৈ সমদল পাতি—

"ত্রিশ কোটি সন্তানে
হিন্দু মুছলমানে
যাওঁ আহাঁ বীৰ বেশে
মাতৃৰ আহ্বানে॥"

আদি স্বৰাজ সংগীতৰ গগনভেদী ধ্বনিৰে ধৰণী কম্পমান কৰি আহোতে পুলিচে আগচি ধৰি নি থানাত ভৰাই, তাৰ পৰাই জেইললৈ চালান কাটি ভদ্রলোক সকলৰ মনৰ অভিলাষ পূৰণ কৰিলে। ফটামুখে হয়তো দৰক মাৰি গুণিব পাৰে, "এনেকৈ দলে দলে চখতে জেইল জয় কৰিবলৈ যাবলৈ এই শনিপতীয়া ডেকামখাক কি উকহে খাইছে?" পিচে বুজাই নিশ্চয় বুজিছিল, যে জননী জন্মভূমিৰ দাসত্ব মোচনৰ অর্থে পোতাশালৰ বন্দী হোৱাটো যে লেশমাত্রও ভয় সংশয়ৰ কথা নহয়, তাক স্বয়ং কার্য্যৰ দ্বাৰা প্রমাণেৰে উদাহৰণ দেখুৱাই ৰাইজৰ মাৰ খোৱা, ফাটকত পৰা বা মৰাৰ ভয় ভাঙি দিয়াটোৱেই এই স্বয়ং সেৱক সকলৰ আদর্শনীয় লক্ষ্য।

মৌলানা মহম্মদ আলি আৰু মৌলানা চৌকৎ আলিয়ে বন্দীশালত প্রবেশ কালত যি বাণী দিছিল তাৰ দ্বাৰা ভাৰতবাসীক আহ্বান জনাইছিল,—জেইলবোৰ স্বৰাজ সংগ্রামৰ বীৰ সকলেৰে এনেকৈ ঠাহ খুৱাই দিব লাগে, যাতে ফাটকবোৰৰ

দেৱাল ফাটি যায়। সঁচাকৈয়ে চৰকাৰ বাহাদুৰক সেইদৰে ঘটুৱাও হল।

শোৱাহে নেলাগে বহিবলৈকো ঠায়ে নোজোৱা হৈ পৰিলহি। সেই কাৰণে দিনটোৰ সময়খিনি এইখন খোলাতে পাৰ কৰোৱাই, বাতি ছজনৰ ওপৰঞ্চি সকলক পুৰুষৰ খন জেইলৰ কেচা ভেটীৰ গোট বাঁহৰ বেৰৰ খেৰী ঘৰ এটিত, পিচলৈ দুটিতো, শুবলৈ দিয়া হল। কিন্তু দিনৰ দিনটো, মূৰ ঢাকিবলৈ একো নথকাত, একেবাৰে ৰদৰ তাপত গাৰ ছাল ডেই পুৰি যাবলৈ ধৰিলে। গতি বিষম দেখি বাঁহৰ খুটা মাৰলীৰে খেৰী চালি এডোখৰ সজাই দিলে। মানুহ বাঢ়ি যোৱাৰ লগে লগে চালিখনো আয়তনত বাঢ়ি গৈছিল। এই চালিখন আমাৰ বৈঠকখানা, আমাৰ প্ৰাৰ্থনাৰ ঠাই আৰু পুৱাৰ মাৰ ভাত, তদুপৰি দুপৰ আৰু বিয়লি পৰৰ ভাত খোৱা মজিয়া।

এতিয়া আমি মিয়াদা কয়দী। আমাৰ খোৱাৰ ব্যৱস্থা বাহিৰৰ পৰা চলিব নোৱাৰে। গতিকে, জেইলৰ সমূহীয়া পাগত, অৰ্থাৎ জেনেৰেল ফাইলত, খোৱা নিয়ম হল। বাচনৰ নামত গাইপতি দুটাকৈ মামৰে ধৰা লোহাৰ গোতোঙা বাটি আমাৰ ভাগত পৰিল। এটা বাটি আনটোতকৈ নামনাচ্ সৰু। এই ৰঙচুৱা বাটিকেটা ইটা এটুকুৰাৰে ঘহোঁতে ঘহোঁতে তাত চকচকীয়া ৰূপালি জেউতি চৰি উঠিল। ধুই পখালি কাপোৰেৰে নিমজকৈ মোহাৰি সুকুৰাই নথলে ততালিকে মামৰে ধৰেহি। অতি প্ৰশস্ত, যদিহে এটোপালমান মিঠা তেল বাটিটোৰ বাহিৰে ভিতৰে সানি থৰ পাৰি,—গোটেই তিৰবিৰাই থাকিব, পিচে পানী লাগিলেই মামৰে ধৰিব।

৪। জেইল মাছ

সেইদিনা দেওবাৰ—মাছ দিয়া দিন। মাৰোৱাৰী সাধাৰণ কয়দী এজনে ভাত বাঢ়িছিল। মিং দাখণ যেন বহল এছটি চেপেতা লোহাৰে ভাত-জোখা বাটিটোৰ কাণৰ ওপৰে ওপচ্ হোৱা খিনি

ভাত কাটি ৰাখি বাকীখিনি বিলাই যায়; আটকে বা নাটকেই দোহোৰাৰ নিয়ম নাই—জেইল-কানুন মতেই বাটিটোৰ এমূৰীয়াৰ ওপৰে দিয়াটো অবিধি হব পায়। মাছৰ আঞ্জাখন লোহাৰ হেতা এখনেৰে পাতে পাতে বিলাই গল; পিচে দেখাত বা গোন্ধ ভাপত আঞ্জা খনত মাছৰ লেশ মাত্রও চিন নাই। খুদ খুদ টুকুৰা কিছুমানকে মাছৰ কাঁইট বুলি মানি লব পাৰিলে, এইখনৰো নাম হব মাছৰ আঞ্জা, অথবা 'মৎস্যেৰ ঝোল'। সেই কাঁইট বুলি ধৰি লোৱা পদার্থ খিনি নিশ্চয় খুন্দি পিহি লোৱা কিবা কিবি পোক পতংগৰ হাড় মূৰ। জীৱনত পোন প্রথম বাৰলৈ জেইল-ভাতৰ গৰাহ মাৰোতেই যি বিক্‌চিনা লাগিল, খোৱা আৰু নহল।

কুলধৰ চলিহা আৰু কৃষ্ণ শর্ম্মা দুয়োজন নেতাকে বুজালো যে জেইল বিধতা সকলে আমাক মাছৰ নামত বিহ খুৱাইছে। যদি হে আঞ্জাৰ কুটাবোৰ পোক পৰুৱাৰ নহয়, তেন্তে পুঠি-খলিহা দনিকণা পিহি পানীত সিজোৱাৰ কিবা। ই তিল তিল কৈ আমাৰ প্রাণ সংহাৰি নিব। তাতকৈ মাছ নেখালোৱেইবা, পিচে? তদুপৰি উৎকৎ ফৌজাদাৰী অপৰাধীৰ হাতে খোৱা হৈছে। তাতকৈ আমাৰ ভিতৰতে নিজে ৰান্ধি-বাঢ়ি খোৱাৰ ব্যৱস্থা কৰাই শ্রেয়ঃ।

কলোঁহে মাথোন, "কৃষ্ণ মামাই"[৯৬] সানুনয়ে বিনয়ে অনুৰোধ জনালে যাতে জেইল্ কোদ্ অর্থাৎ ফাটক কানুনৰ নিয়মানুবর্ত্তিতা[৯৭] সম্পূর্ণ ৰূপে মানি চলা হয়। এই আপত্তিবোৰ নোতোলাকৈ, হৰিয়ে যেনেকৈ মিলাইছে তাতে সন্তুষ্ট থাকি জেইলৰ ধৰণ কৰণকে নিজৰ পক্ষে সুজাই লোৱা হওক। শর্ম্মা দেৱৰ মতে মহাত্মাজীয়ে নির্দ্দেশ দিছে, জেইলৰ ৰীতি-নীতি সকলো আখৰে আখৰে মানিবলৈ। গতিকে যেনে আছে তেনে মতে চলিবই লাগিব। মোৰ মনে হলে

৯৬। কৃষ্ণনাথ শর্ম্মাক অন্ততঃ জেইলত, "কৃষ্ণ মামা" নামত চিনাকী পোৱা হয়।

৯৭। Jail (code) Manual.

নেমানিলে। মোৰ কথা হৈছে যে জেলৰ পাগত যদি নিতান্ত খাবই লাগে, তেন্তে মাছ বৰ্জ্জন কৰা হওক। মাছ বন্ধ কৰাবলৈ চলিহাই গাত ললে। পিচলৈ কি হল নাজানো যদিও, অন্ততঃ মই থকা ডোখৰ কালত এটা দেওবাৰতো মাছৰ আঞ্জা উলিওৱাহি নাছিল।

৫। ৰৰদিন

মাছৰ আঞ্জাৰ দুৰৱস্থাই এটা কথালৈ মনত পেলাই দিছিল।—সেই দিনটো অকল দেওবাৰ বা চাবাথ্-দে' ই নহয়, ইটো পঁচিশ ডিছেম্বৰৰ আচল ৰৰদিন[২৮] আৰু সেইদিনা সুখাদ্য আশা কৰা স্বাভাৱিক। পিচে আমাৰ কপালত পৰা মৎস্যৰ সম্ভাৱে ৰৰদিনৰ উপহাৰৰ যি নমুনা দেখুৱালে তাক সতকাই পাহৰা নেযাব। অৱশ্যে আমাৰ ভিতৰত হিন্দু আছে, শিখ্ আছে, সকলো ধৰ্ম্মী আছে বুলিব পাৰি, নাই মাথোন খৃষ্টিয়ান ভাই!—কিয়? কাৰণ দেশীয় খৃষ্টান সকলৰ অন্তৰত বগা পাহুৰীসকলে এনে এটা ভাব দৃঢ়মূল কৰি দিছিল যেন খৃষ্টান্ সকল ভাৰতীয়ৰপৰা সুকীয়া অস্তিত্ব থকা এজাতিহে! যেন তেওঁবিলাক ৰাজধৰ্ম্মী হেতুকে শাসক ইংৰাজ জাতিৰ হে সমকক্ষ! অকল সেয়ে নহয়, তেওঁবিলাকৰ চকুত হিন্দু মুছলমান আদি পৰধৰ্ম্মী সকল এনে তল খাপৰ মনিচ যে তেওঁবিলাকৰ উদ্ধাৰৰ আৰু আশাই নাই, উদ্ধাৰ পাব লাগিলে নৌ মৰোতেই পাহুৰীৰ শিষ্যত্ব গ্ৰহণ কৰিলেহে ৰক্ষা।

কথাত কথা ওলায়। ঠাকুৰবাৰী বোলা বাগিচাখনৰ চকলীয়া বস্তিত এটি বঙুৱা শ্রেণীৰ মানুহ আছিল, নাম ভৰত। বেচেৰা হেনো হঠাতে এক ফৌজাদাৰী পাকচক্রৰ তলত পৰিল। কথাটো নি কোনোবা পাণ্ডাজাতীয় এজনে পিন্ধালেগৈ বগা-পাহুৰী চাহাবৰ কাণত। ওপৰে ওপৰে চাবলৈ গলে এই কাৰ্য্যৰ কোনো মূল্য নাই; কাৰণ ৰংপুৰৰ পাহুৰী চাহাৰ উকীল, মুক্তিয়াৰ, ৰেৰিষ্টাৰ, বা বিচাৰক

২৮। Christmas Day.

একো নহয়। পাছৰী চাহাবে ভৰতৰ লগত জেইলতে চিনাকি হলগৈ। ইয়াৰ পিচত ভৰত মুকলি হল আৰু "ভৰত খৃষ্টান" নামে জনাজাত হল। মোকৰ্দ্দমা কলৈ উৰিল তাক জানে কৰ্ত্তা, জানে কৰ্ম্ম আৰু জানয় ঈশ্বৰে। ভৰতে "প্ৰচাৰক"ৰ পদ পালে। অবৈতনিক নহয়। বন্ধুৱা আৰু খেতিয়ক শ্ৰেণীৰ মানুহক খৃষ্টান্ ধৰ্ম্মত দীক্ষিত কৰাত ভৰত মহোঁ জীওঁ সোঁ আধিকৈ লাগি গল। লাগি নেযাবনো কিয়? অকল বে-কচুৰ খালাছ পালে বুলিয়েই নহয়, বৃত্তিৰো ব্যৱস্থা লাগিল, প্ৰচাৰক খিতাপেৰে নেগুৰীয়া হল; তাৰ উপৰিও, শাসক গোষ্ঠীৰ ধৰ্ম্মত দীক্ষিত হোৱা হেতুকে তেওঁৰ পক্ষলৈ চৰকাৰৰ ঘৰত পক্ষপাতিতাৰ ৰক্ষা কবচৰ উপায় হল।

আমাৰ শিক্ষা গুৰু এজনৰ সন্দৰ্ভত আৰু এটি দৃষ্টান্ত দিব পাৰি। গুৰুজনা সদ্বংশীয় মুছলমান, নাম আছিল মফজল হুছেইন। তেওঁকো পালেহি এপাত ফৌজাদাৰী কোঁহকালে। খৃষ্টীয়ান ধৰ্ম্মত শৰণ লৈ মফৎ হেন্ৰী নামত জনাজাত হৈ এগৰাকী খৃষ্টিয়ান মহিলাৰ পাণি গ্ৰহণ কৰি তেওঁ শৰশয্যাৰ পৰা গা ডাঙিলে। তাৰ পিচত হলহি আমাৰ শিক্ষক। এতিয়া আৰু খৃষ্টীয়ান ধৰ্ম্মৰ গুণ আৰু বাকীবিলাক ধৰ্ম্মৰ দুগুৰ্ণৰ কথা তেওঁৰ মুখত অনবৰত আখৈ ফুটা দি ফুটিবলৈ ধৰিলে—আনকি শ্ৰেণীত আমাক পঢ়াই থকা সময়তো। বাইবেল আৰু খৃষ্টিয়ান সাহিত্যৰ লগত মোক স্কুলীয়া ছাতৰৰ জীৱনতে পৰিচয় কৰি দিয়াৰ গুণ মই পাহৰিব নোৱাৰো।

ব্যৱস্থাপক সভাৰ যিটি উপনিৰ্ব্বাচনত সোনাৰাম দত্তক তোলা হৈছিল, আমাৰ 'চাৰে' এই উপলক্ষত নেমুগুৰিৰ ভোট লোৱা কেন্দ্ৰত কংগ্ৰেছৰ বিৰুদ্ধে উঠি পাৰি লাগিছিল। অথচ তেওঁক ভোট দিবলে যোৱা নেদেখিলো। অমুছলমান সমষ্টিত মুছলমান বাদে সকলোৱেই ভোটাৰ; গতিকে খৃষ্টিয়ানো অমুছলমানহে। তেতিয়াহে তেখেতৰ নিজৰ মুখৰ পৰাই জানিবলৈ পালো যে তেখেতৰ নাম আকৌ 'মফজল' হল। কাৰণ মোকৰ্দ্দমাই নাকনি-কাননি কৰাৰ

সময়ত যাৰ পাণি গ্ৰহণ কৰি তেওঁ উদ্ধাৰ পাইছিল, সেই গৰাকী মহিলা আৰু ইহ সংসাৰত নাই! এতেকে আমাৰ শিক্ষক ডাঙৰীয়ায়ো যীশুৰ প্ৰতি সংহাৰ মুদ্ৰা দি 'পূণৰ্মূষিকো ভৱ'ত পৰিণত হল।

ধৰ্ম্মবিশ্বাসৰ আকৰ্ষণত পৰি ধৰ্ম্মান্তৰ গ্ৰহণ কৰাত যুক্তি আছে, কিন্তু ৰাজ শক্তিৰ প্ৰভাৱত দূৰ্ব্বলীৰ মনুষ্যত্বক প্ৰতাৰণা কৰি যি কোনো ধৰ্ম্ম সম্প্ৰদায়ৰ অবয়ব বঢ়োৱাটো, আনৰ নহলেও ধৰ্ম্মগুৰু শ্ৰেণীৰ পক্ষে নিতান্তই নিন্দনীয়।

এই পদ্ধতিৰ গুণত ভাৰতীয় খৃষ্টিয়ানৰ লোকসংখ্যা ১৮৮১ চনৰ ১৮ লাখৰ পৰা ১৯০১ চনত ২৯ লাখ; ১৯২১ চনত ৪৫ লাখ; আৰু ১৯৪১ চনত ৭৪ লাখ পালেগৈ। ভাগ্যে এনেতে দেশ স্বাধীন হল আৰু স্বাধীনতা-সংগ্ৰামৰ কালত ইংৰাজৰ প্ৰতি সহানুভূতি দান কৰা দিনবোৰ ওৰ পৰিল। সেয়েহে ১৯৫১ চনত ৮২ লাখ। এতিয়া আৰু বাঢ়িছেহে। যিমান পাৰে বাঢ়ক, বাঢ়িয়ে থাওঁক; কাৰণ এতিয়া তেওঁবিলাকে বঢ়িয়াকৈ বুজি উঠিছে যে তেওঁবিলাক স্বাধীন ভাৰতৰহে নাগৰিক, বৃটীছৰ প্ৰজা নহয়। ৰেভাৰেণ্ড স্কট্ আদি কৰি খৃষ্টিয়ান সাম্ৰাজ্যবাদৰ গুপ্ত দূত একোজনৰ কবলত পৰি কোনোবাই বিদ্ৰোহাত্মক মতি গতি দেখুৱালেও পৰম কৰুণাময়ৰ অশেষ কৃপাৰ বলত তেনে সকলে নিশ্চয় এদিন নহয় এদিন নিজৰ এই মাৰাত্মক ভুল বুজি উঠিব। পাকিস্তান আতৰি যোৱাত ১৯৫১ চনৰ পিয়ল-মতে ভাৰতৰ লোক সংখ্যাৰ শতকৰা ২·৩ জন (দুই দশমিক তিনি) খৃষ্টিয়ান; তাৰ ভিতৰত অসমতে ছয় লাখ। এতিয়াও যদি কৰবাত ইংৰাজৰ বিৰহত হৃদয় বিদাৰিত হৈ থকা কোনোবা আছে, ই অতি পৰিতাপৰ বিষয়।

৬। যোৰহাট জেললৈ অসহযোগীৰ সোঁত

যোৰহটীয়া ৰাইজে জেইললৈ অসহযোগীৰ প্ৰবল সোঁত বোঁৱালে। মনত পৰাৰ ভিতৰত কেইজনমানৰ নাম যেনে;—

দেবেশ্বৰ শৰ্ম্মা, গোপীনাথ বেজবৰা (উকীল), সদলবলে পজিৰুদ্দিন আহ্মদ, বিদ্যাধৰ শৰ্ম্মা, বাবুলা শৰ্ম্মা, ডম্বৰু শইকীয়া (নেকি এজন বৰ তজবজীয়া বুঢ়া), দেবেন্দ্রনাথ ঠাকুৰ। শেহৰজনক পুলিচে গুৰুলা গুৰুলকৈ কিলালে, "জয় মহাত্মা গান্ধীৰ জয়" বুলি চিয়ঁৰা দোষত। এই লৰাজনে কিন্তু দক্ষিণা লৈ বিপ্রসকলে স্বস্তি বোলাৰ দৰে পুলিচৰ হাতৰ প্রতিটো কোৰ গ্রহণ কৰিছিল, "জয় মহাত্মাজীৰ জয়" হুঙ্কাৰেৰে। কোবাই কোবাই শেহত সেহাই ফোপাই পুলিচ ভাগৰি পৰিল যদিও, মাৰৰ কোবত গা উখহি যাওঁতেও ভাগৰ নামানি তেওঁ "জয় মহাত্মা গান্ধীৰ জয়, জয় মহাত্মা গান্ধীৰ জয়" কৈ জয়ধ্বনি তুলিয়েই থাকিল। তেওঁক মৰিয়াওঁতে দেখায়ো বোলে হৰি হৰি কৰিছিল। ফাটকত যেতিয়া মেলি দিলেহি, এই লৰাটিয়ে যি ধৰণেৰে হাঁহি মাতি মনৰ আনন্দেৰে কথা কবলৈ লাগিল, মাৰত আধামৰা হৈ অহা বুলি ভবা অসম্ভব হৈ পৰিছিল। লৰাজন তেতিয়া দশমমান শ্রেণীৰ ছাত্র। এওঁ পণ্ডিত লক্ষ্মীনাথ শৰ্ম্মা হেড্‌মাষ্টাৰ ডাঙৰীয়াৰ এনে প্রিয় ছাত্র আছিল যে সেইদিনত বেলত বাদে কোনো পৰিবহনৰ ব্যৱস্থা নথকা স্বত্বেও, শৰ্ম্মাদেৱে শিৱসাগৰৰ পৰা (তেতিয়া তেখেত শিৱসাগৰৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ প্রধান শিক্ষক) গৈ যোৰহাট জেলত গজলীয়া ডেকা ঠাকুৰক মাত লগাইহে নিজৰ মনলৈ শান্তনা আনিব পাৰিছিল। মোহিনীকান্ত হাতীবৰুৱাক[৯৯] বোলে পুলিচে ধৰি নি সাহিত্যিক বেণুধৰ ৰাজখোৱা হাকিমৰ আগত "চাৰ্, এওঁ হাটখোলাত পিকেটিং....." বুলি কথমপি ভেটাবলৈহে পালে, শোধপোচ নোহোৱাকৈয়ে তেওঁৰ কেইমাহৰ কাৰণে দণ্ডাদেশৰ হুকুম হৈ গল। চেহেৰাত নিশ্চয় হাকিম ডাঙৰীয়াই উমানকে ধৰিব নোৱাৰিছিল যে থুলস্তৰ এই গ্রেজুৱেত হাতীবৰুৱায়েই অসমীয়াৰ ধনকুবেৰ চাহ খেতিয়ক

৯৯। ১৯২৬ চনৰ কংগ্রেছ অধিবেশন নিমন্ত্রণকাৰী এই হাতী-বৰুৱায়েই।

ৰায়বাহাদুৰ শিৱপ্রসাদ বৰুৱাহেন জনক সহজে হৰুৱাই অসম ব্যৱস্থাপক সভাৰ এজন প্রখ্যাত সদস্য হৈ উঠিব। এওঁবিলাকৰ উপৰিও যোৰহাটৰ তৰফৰ পৰা ৰৰভেটা বন্দীশালৈ অহা নেতা আৰু স্বেচ্ছাসেৱকৰ দলৰ লেখ্-জোখ্ নোহোৱা হৈ পৰিল।

৭। নগঁয়া দল

নগাঁৱৰ পৰা দহজনীয়া এদল পালেহি। সিবিলাকৰ নাম পৰিচয় আন ঠাইত দিয়া হৈছে। ইয়াৰ পিচতো নগাঁৱৰ প্রকাণ্ড দল আহিছিল, পিচে তেওঁবিলাক অহাৰ আগতে আমাৰ স্থানান্তৰ ঘটিল। নগঁয়া দহজনীয়া দলটিয়ে নিতৌ জেইলৰ পৰা সিধা পাতি লৈ বেলেগে,—মুকলি আকাশৰ তলতে, নিজৰ ভিতৰতে পাগ্ কৰি খাইছিল। তেওঁবিলাকৰ ভোগ দেখি আমাৰ মনলৈ যে আপ্চোচ আহিছিল তাক নকলেও হব। কেইজনমানে এওঁবিলাকৰ বন্ধা-বঢ়াৰ অলপ নহয় অলপ জুতি লৈছিলো।

নগাঁৱৰ দলটিৰ ভিতৰত যোৰ পাতি তিনিযোৰ সহোদৰ ভ্রাতৃ আহিছিল; তাৰে এযোৰ বৃন্দাৱন গোস্বামী আৰু তেওঁৰ ভায়েক গোলোক গোস্বামী, দ্বিতীয় যোৰ কমলানন্দ ভট্টাচার্য্য আৰু তেওঁৰ ভায়েক কেশৱানন্দ ভট্টাচার্য্য। এই ভট্টাচার্য্য ভ্রাতৃদ্বয়ৰ আৰু এজন সহোদৰক বোলে নগাওঁ জেইলতে ৰাখিলে। তৃতীয় যোৰা হল কালীপ্রসাদ বৰা আৰু লক্ষ্মীপ্রসাদ বৰা।

ইয়াৰ ভিতৰত কমলানন্দ ভট্টাচার্য্যক যথার্থ সাহিত্যিক আৰু সঙ্গীতজ্ঞ বুলিব পাৰি। তেওঁ গোৱা বহুতখিনি গান তেওঁ নিজে ৰচি নিজে সুৰ দিয়া। তেওঁ ৰচা এটা হিন্দীগান, যেনে:—

"দেশ্কো সেৱা সৱ্কোই কৰ্ণা
পৰ্দেশী চোৰ্ণা
চৰ্কা ঘৰ্ ঘৰ্ কাৎনা জী……।"

অসমীয়া গান এটিৰ কলি, যেনে :—

"বাজে মঙ্গল শঙ্খ প্ৰতি প্ৰাণে
বাজে স্বৰাজৰ অমিয়া বাণী।
বাণী বাণী বাণী……।"

৮। শিৱসাগৰীয়া

শিৱসাগৰৰ পৰা অহা মানুহে জেইল ওপচায় দিলেহি। তাৰ ভিতৰত যোগকান্ত বৰুৱা (পিচলৈ এম-এল-এ), অম্বিকাকুমাৰ বৰুৱা, শঙ্কৰ বৰুৱা (পিচলৈ এম্-এল-এ) ইত্যাদি ইত্যাদি।

৯। গুৱাহাটীৰ সকল

গুৱাহাটীৰ পৰা অহা দলটি শকত বিধৰেই আছিল যদিও তাৰ ভিতৰত যি সকলৰ নাম ভালকৈ মনত আছে সি সকল হল, কৰ্ম্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু তেখেতৰ বৰজন পুতেক উমেশচন্দ্ৰ বৰদলৈ (পিচত ডাক্তাৰ, স্বাধীন ভাৰতৰ স্বাস্থ্য বিষয়ত অসমৰ সৰ্ব্বোচ্চ বিষয়া), ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, মহেন্দ্ৰনাথ ফুকন (পিচলৈ দৈনিক বাতৰিৰ 'ডেকা ফুকন'), সুৰেশচন্দ্ৰ ভট্টাচাৰ্য্য (স্বাধীন অসমৰ প্ৰচাৰ বিভাগৰ মুখ্য বিষয়া), বকোৰ মুফ্তি ওৱাৰেদ্ আলি, চৰ্দ্দাৰ চুভক চিং (পঞ্জাবী শিখ), কৃষ্ণপ্ৰসাদ বৰুৱা (পিচলৈ টী প্লেণ্টাৰ)। বৰুৱাৰ দেউতাকো বোলে জেইলত; তেখেতৰ নাম নীলকান্ত বৰুৱা।

১০। গোলাঘাট জেইলৰ পৰা

গোলাঘাটৰ পৰা অহা দুয়োজন দেৱগাঁৱৰ। তাৰ ভিতৰত এজন পূৰ্ণদেৱ ঠাকুৰ (পিচত ইন্দ্ৰাণী হাইস্কুল নামে দেৱগাঁৱৰ ছোৱালী হাইস্কুল এখন দান দিয়ে) আৰু সিজন প্ৰাক্তন চাহু কৰ্ম্মচাৰী ৰগাই দত্ত হাজৰিকা।

১১। ৰৰভেটাৰ জেইলত

সকলোৱে শাৰী পাতি ঠিয় হোৱাটোকে 'ফাইল কৰা' বোলে। 'চালাম' বোলোতে আমি যিহকে চেলাম বোলো সেয়েই; ই নমস্কাৰ অর্থত। "চৰকাৰ চালাম" মানে চৰকাৰৰ প্রতি নমস্কাৰ। যি চৰকাৰক 'হয় শুধৰাম নহয় ধ্বংশ কৰিম' বুলি আমাৰ প্রতিজ্ঞা, ফাইল কৰি সেই চৰকাৰৰ প্রতি 'চৰকাৰ চালাম' দিয়াটো যোৰহাটৰ এই জেইলখনত ৰাজনৈতিক বন্দী সকলৰ পক্ষেও নিত্য নৈমিত্তিক ধৰা-বন্ধা বিধৰ কর্ম্ম।

সশ্রম সকলক এ'লোপাত খুন্দিবলৈ দিছিল। অত পাতবোৰৰ যোগাৰ ক'ৰ পৰা যে হৈছিল! এ'লোপাত খুন্দিলে তাৰ পৰা মিহি সূতা যেন যিবোৰ আঁহ ওলায়, সি বোলে মহার্ঘ। এ'লোপাতৰ ৰসৰ এঠাই, যেতিয়া হাতৰ ঠাৰিত ঘাঁ লগালে, জেইললৈ চুপাৰিণ্টেডেণ্ট আহোতে হাতখন দেখুৱালো,—উমেশ্ ৰৰদলৈয়েও। তেতিয়া আমাৰ কেজনমানক নাৰিকলৰ বাকলিৰ আঁহ দিলেহি, তাৰে ৰছি বতিবলৈ—যিখিনি দিনটোত পকাবই লাগিব তাৰ ওজন নির্দ্ধাৰিত আছিল। উমেশ্ ৰৰদলৈয়ে বাঁহৰ খুটি দুটা পুতি তাতে বাঁহৰ শলা এদাল ভৰাই নাল লগাই সূতা পকোৱাদি এনে ধৰণৰ ৰছি পকোৱা সহজ উপায় এটি উদ্ভাৱন কৰিলে যে নিচেই কম সময়তে আমি হাজিৰা পুৰাব পাৰিছিলো। ইয়াৰ পিচত আমাৰ দুয়োৰো পালত পৰিল নগা ঢাৰি ৰবলৈ। পুৰণি কয়দীৰ ভিতৰৰ পৰা পৰিচালকৰ দলত কর্ম্মচাৰীৰ নামনাচত চর্দ্দাৰৰ দৰে কাম চোৱা বোৰক মেঠ্ বোলে। আমাৰ কামৰ আহিলা পাতিৰ যোগান ধৰি কর্ম্ম শেষত আকৌ সকলো চমজি লোৱাটো এই মেঠ্ শ্রেণীৰ কাম। মেঠৰ ওপৰত 'কলা পাগুৰি'। সিও মেঠৰ পৰা ওপৰলৈ উঠা কর্ম্মচাৰী। আমাক ঢাৰি ৰবলৈ দিওতে মেঠটোৱে কাঠি তুলাই আনি লগাই দি আমাৰ কাম তেনেই উজু কৰি দিয়ে।

দুটা বাঁহৰ ঢাৰি বৈ এটোৱাৰ পিচত বেতৰ মূঢ়া সজাৰ পাল পৰিল। তাৰ কাৰণেও মেঠে বাঁহৰ শলিবোৰ চাঁচি নিমজকৈ লৈ আহে আৰু বেতখিনিও তুলাই মিহি কৰি দিয়েহি। কামৰ মাজতো ছেগ্ বুজি আমাক সহায় কৰি দিয়েহি। দুটা মাত্ৰ মূঢ়া সজাৰ পিচত মোৰ স্থানান্তৰ ঘটিল।

১২। সৈনিকৰ কচৰৎ

প্ৰথমখন মহাসমৰৰ সময়ত কলিকতা বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা ভাৰত ৰক্ষা ফৌজ (ইণ্ডিয়ান্ ডিফেন্স ফোৰ্চ, চুটিতে, আই-দী-এফ্) নামে সৈনিক প্ৰশিক্ষণৰ বাহিনী এটি গঠন কৰিছিল। তাত দেবেশ্বৰ শৰ্ম্মাই 'হাবিলদাৰ' পদ পাইছিল। যোৱহাট জেইলত আমি এখেত শৰ্ম্মাৰ নায়কত্বত সৈনিকৰ কচৰৎ আদি শিকিছিলো।

এই সন্দৰ্ভত গোলাঘাটৰ গুনিন বৰুৱাৰ নামো উল্লেখযোগ্য। এওঁ মিলিটেৰীৰ চেকেণ্ড লেফ্টানেণ্টৰ বিষয় বাৰ খাই থাকোতেই বোলে "জয় মহাত্মা গান্ধীৰ জয়" বুলি ধ্বনি তুলি গ্ৰেপ্তাৰিত হল। এই দৰেই গ্ৰেপ্তাৰিত হৈছিল ক্ষীৰ বৰুৱা। তেওঁ ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাৰ ককাইদেৱেক। পুলিচ বিভাগৰ বিষয়া আছিল। আমাৰ শাসক সকলৰ এনে বিচাৰ যে হেম বৰুৱাক গ্ৰেপ্তাৰ কৰাৰ ভাৰ ককায়েকৰ গাত দিলে। বৰুৱায়ো ভায়েকক লৈ গল। যাক শোধাৰ লাগে শোধাই দিলে। তাৰ লগে লগে মহাত্মাজী আৰু কংগ্ৰেছৰ নামত জয়ধ্বনি দিলে আৰু লগে লগে তেওঁৰো ফাটক হল।

১৩। গুটু, বৌ-চুৰি আদি

আমাৰ ভিতৰত গুটু আদি কেইবাটাও খেল-ধেমালি চলিছিল। এই খেলবিলাকত খেলুৱাইৰ ধৰাবন্ধাকৈ সংখ্যা নিৰ্দ্দিষ্ট কৰা

নথকাৰ হেতু, বেমাৰী বা নিচেই নিশকতীয়াজনৰ বাহিৰে সকলোৱে সমানে ভাগ লৱ পাৰিছিল। জোকোৱাঁজনে একেবাৰে উসাহ নসলোৱাকৈ যদি পৰ পক্ষলৈ "গুহু গুহু, গুহু" কৈ মুখেৰে উচ্চাৰণ কৰি বা আমি সৰুকালতে গাৱঁত "হে গুহু মালী, ভগন্ লেটি-পেটি" ইত্যাদি কৰি গোৱাৰ দৰে গোটেইখিনি গাই গাই,— কোনোবাই আজুৰিলে বা গৰা মাৰি ধৰিলেও সেইবোৰক চিন্-ভিন্ কৰি এৰ্ খাই, একে উশাহতে নিজৰ পক্ষৰ মাজত সোমাই যাবহি পাৰে, তেওঁৰ জিৎ; আৰু জিগিনীৰ সিপাৰে যাৰ গাত হাত বুলাই আহিব পাৰিছে সিজনৰ মৰণ। মৰণ হলেও আকৌ জিকাৰু পক্ষৰ এজনে "মৰা খবৰ! মৰা খবৰ!! মৰা খবৰ!!!" বুলি দূতৰ কামটো উশাহ নসলোৱাঁকৈ কৰি আহিব পাৰিলে ভালেই, কিন্তু সিদলে ধৰিব পাৰিলে তেওঁৰো মৰণ। খেলৰ সামগ্রী বুলিবলৈ কুটা এদালিও নেলাগে; অথচ দীঘলীয়া উশাহৰ অভ্যাস-টোৰ পৰা প্রাণায়মৰ ফল পোৱা যাব পাৰে। সবাৰোপৰি প্রধান কথা হৈছে যে, এই খেলটোত সকলোৱেই খেলুৱাই আৰু সকলোৱেই দর্শক হোৱাৰ হেতুকে কোনেও ব্যায়াম চর্চ্চাৰ পৰা বিৰত থাকিব লগা নহয়।

১৪। স্বৰাজ্যং দেহি কৃপাবলম্বনকৰী মাতান্নপূর্ণেশ্বৰী

নবীন ৰৱদলৈৰ লগত 'নিত্য ক্রিয়া পদ্ধতি' নামৰ কিতাপ এখন আনিছিল। ৰাতিপুৱা মাৱ্-ভাত খোৱাৰ আগতে কি পিচতে পাহৰিছো, কর্ম্মবীৰদেৱে শ্রীপৰমহংস পৰিব্রাজকাচার্য্য শ্রীমচ্ছঙ্কৰাচার্য্য বিৰচিত অন্নপূর্ণা স্তোত্রটি সুৰ ধৰি লগাই যায় আৰু লগে লগে আমি সকলোটিয়ে সমস্বৰে গাওঁহক। স্তোত্রটিৰ "ভিক্ষাং" শব্দটিৰ পৰিবর্ত্তে তেখেতে "স্বৰাজ্যং" শব্দটি ব্যবহাৰ কৰিলে। ৰৱদলৈ ডাঙৰীয়াই স্তোত্রটি ধীৰে জুৰে গম্ভীৰ ভাৱে সুললিত সুৰেৰে গাই যায়; আনকি শেষৰ ৰাৱলৈ "স্বৰাজ্যং

দেহি কৃপাবলম্বনকৰী মাতান্নপূর্ণেশ্বৰী" বুলি দোহৰাৰ পিচত তলৰ পদ কেফাঁকিৰেহে সামৰণি মাৰে,—

"অন্নপূর্ণে সদা পূর্ণে শঙ্কৰপ্রাণবল্লভে।
জ্ঞানবৈৰাগ্যসিদ্ধ্যর্থং ভিক্ষাং দেহি নমস্তুতে॥
মাতা চ পার্ব্বতী দেবী
পিতা দেবো মহেশ্বৰঃ।
বান্ধবাঃ দেশভক্তা চ
স্বদেশো ভুবনত্রয়ম॥"

ধর্ম্ম আৰু সম্প্রদায় নির্ব্বিশেষে সকলোৰে দ্বাৰা এই স্তোত্রটি আবৃত্তি কৰা হৈছিল।

১৫। প্রার্থনা

স্তোত্রটি গোৱাৰ শেষত ব্রাহ্ম সমাজৰ সাঁচতে ইজনৰ পিচত সিজনকৈ সমজুৱা ভাবে পৰম পিতা পৰমেশ্বৰৰ উদ্দেশ্যে প্রার্থনা জনোৱা হয়। মৌলবী পজিৰুদ্দিন আহমদে প্রায়ে প্রার্থনাৰ নেতৃত্ব লৈছিল। তাত আমি সকলোৱে যোগ দিছিলো।

১৬। গীতা চর্চ্চা

দুপৰীয়াৰ সাজ পেটত হজম হোৱাৰ পিচতে আমাৰ এদল বহোঁ পণ্ডিত কণক চন্দ্র শর্ম্মা কাব্যতীর্থৰ মুখৰ পৰা গীতাৰ ব্যাখ্যা শুনিবলৈ। শ্রীকৃষ্ণানন্দ স্বামীৰ দ্বাৰা সম্পাদিত প্রায় আঠ শ পৃষ্ঠাৰ গীতাখনি পণ্ডিতজীৰ কাষলতিৰ আশ্রয়তে বন্দীশালত সোমাই পৰিল। পণ্ডিতজীয়ে একোটা শ্লোকৰ ব্যাখ্যা কেতিয়াবা দুদিনেহে দিব পৰিছিল,—কথাবিলাক তেনেই পানী যেনকৈ বুজাই-ছিল। কুৰুক্ষেত্র হেন অভূতপূর্ব্ব মহাৰণৰ থলীত, সমুখ সমৰত নিজৰ আপোন বুলিব পৰা সকলোকে দেখি "সামান্য ৰাজ্যসুখৰ লোভত পৰি আমি আত্মীয় স্বজনৰ প্রাণ বধৰ নিমিত্তে উদ্যত হৈছোঁ"

—বুলি খেদ কৰি শোকত আকুল অর্জ্জুনে যেতিয়া ধেনুশৰ ত্যাগ কৰি বহি পৰিল, এনে শংকত কালত শ্রীকৃষ্ণই দার্শনিক উপায়েৰে আধ্যাত্মিক জ্ঞানৰ বস্তিবে তেওঁৰ মায়া দূৰ কৰিলত, "হে অচ্যুৎ, তোমাৰ পৰম কৃপাত মোৰ সকলো মোহ আতৰি গল, মই আত্ম-জ্ঞানস্বৰূপ স্মৃতি লাভ কৰিছোঁ, তোমাৰ উপদেশতে মোৰ চিত্ত স্থিৰ হল আৰু মোৰ সকলো সংশয়ৰ ওৰ পৰিল, এতিয়া আৰু মই তোমাৰ উপদেশ মতেই যুদ্ধত প্রবৃত্ত হলো।" বুলি কুৰুক্ষেত্রৰ যুদ্ধত নমাকৈ নামিলে।

গীতাৰ জন্মভূমি কুৰুক্ষেত্রৰ ৰণস্থল—তাকো কেতিয়া? যেতিয়া সাৰথিয়ে কুৰু-পাণ্ডৱ সেনানীৰ ভিতৰলৈ অর্জ্জুনৰ ৰথ সুমুৱাই নিলে, তেতিয়া। যেতিয়া উভয় পক্ষতে পিতৃ পিতামহ আদিৰ তুল্য গুৰু-সকল আনকি তেওঁবিলাকক যুদ্ধবিদ্যাত পাৰগ কৰি তোলা মহাবীৰ শিক্ষকসকল, তদুপৰি বংশৰ বা সম্বন্ধীয়া ভাইককাই, ইষ্ট, মিত্র, কুটুম্ব সকলোকে দেখিলে তেতিয়াহে অর্জ্জুনে সখিয়েক সাৰথি কৃষ্ণক বোলে, "এই সকলোকে দেখি মোৰ দেহ-মন অৱশ হৈ পৰিছে, ওঁঠ মুখ দেখোন শুকাই গৈছে, গাৰ কঁপনি উঠিছে, গাৰ নোম দাল দাল হৈ পৰিছে আৰু হাতৰ পৰা গাণ্ডীৱ ধেনুখন খহি পৰিছে; হে হৰি! যি বিলাকৰ হন্তে আমি ৰাজ্য আৰু সুখ বিচাৰিছো, সেই বিলাকেই দেখোন যুদ্ধত প্রাণত আহুতি দিবলৈ আহিল! সজ্জনক বধাৰ পৰা নো কত সুখ হব? হায়! হায়! ৰাজ্যৰ লোভত পৰি আমি ঘোৰ পাপ-সাগৰত নিমগ্ন হব ধৰিছোঁ! ধৃত-ৰাষ্ট্রৰ পুতেক মখাই নিৰস্ত্র অৱস্থাত আমাক মাৰি পেলালেওতো সুখৰ কথাই হব।" ইয়াকে কৈ ধনুর্বান ত্যাগ কৰি অর্জ্জুন ৰথতে বহি পৰিল। অর্জ্জুনৰ গতিগোত্র দেখি কৃষ্ণই বোলে, "তুমি কিহৰ মোহত পৰিছা? এতিয়া মনৰ দুর্ব্বলতা আৰু এৰি দিয়া।" অর্জ্জুনে কলে "মধুসূদন! পূজনীয় ভীষ্ম, দ্রোণলৈ মই কি সতে নো কাঁৰ মাৰিম? মহানুভব গুৰুসকলৰ বধৰ ভাগী হোৱাতকৈ, মাগি খাম,

সিও ভাল। মই আৰু বিহ্বল হৈ পৰিলো।” তেতিয়াহে কৃষ্ণই আৰম্ভ কৰিলে, “তুমি দেখোন যাৰ কাৰণে শোক কৰিব নেলাগে, তেওঁবিলাকৰ কাৰণে শোক কৰিছা; অথচ পৰম জ্ঞানীৰ দৰে কথাও কৈছা? পিচে পণ্ডিতসকলে মৃত বা জীবিত কাৰো কাৰণে শোক নকৰে। দেহাটোৰ যেনেকৈ কুমাৰ, যৌবন আৰু বুঢ়া অৱস্থাৰে ৰূপৰ পৰিবৰ্ত্তন ঘটায়, সেইদৰেই আত্মাই ধাৰণ কৰা দেহাটিৰো দেহান্তৰহে হয়। ধীৰ জনে তাৰ মোহত নপৰে। এই সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডত ব্যাপ্ত হৈ থকা জনৰ যে বিনাশ নাই, সেই কথা সদায় মনত ৰাখিবা। কোনেও এই অব্যয়ৰ বিনাশ সাধন কৰিব নোৱাৰে; এওঁ কেতিয়াও নোপজে বা কেতিয়াও নমৰে, বা এটা দেহাত এবাৰ জন্মগ্ৰহণ কৰি আকৌ আন এটা দেহাতযে জন্ম নলব, সিও নহয়; এওঁ নিজে জন্মহীন, আগৰে পৰা আছে আৰু আগলৈকো থাকিব, অর্থাৎ নিত্য; এতেকে অনাদি।—শৰীৰ হত হল বুলিয়েই আত্মা হত নহয়। মানুহে যেনেকৈ পুৰণি পচা কাপোৰ পেলাই দি তাৰ সলনি নতুন কাপোৰ পিন্ধে,—তাত কাপোৰৰ হে সলনি হয়, মানুহজনৰ নহয়, সেই দৰেই আত্মাই এটি দেহ এৰি আন এটি দেহ গ্ৰহণ কৰে, সেই বুলি আত্মা মৰিল বুলিলে ভুল হব।”

“উপজিলে মৰিব বুলি ভাবিলেও দেখোন, মৰাজন যেতিয়া আকৌ উপজিবই, জানি বুজি তাৰ বিষয়ে তুমি শোক নকৰিবা। হে ভাৰত, জীৱবিলাক জন্মৰ আগতে অব্যক্ত, মাজ ডোখৰত, অর্থাৎ জীবিত কালত মাথোন ব্যক্ত, মৰাৰ পাচত আকৌ অব্যক্ত, এনে স্থলত নো খেদ্ কৰিব লগীয়া কি আছে?

“শ্ৰেয়ান্ স্বধৰ্ম্মো বিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ।
স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্ম্মো ভয়াবহঃ॥”

“নিজ ধৰ্ম্মৰ পৰা গুণ নাপালেও সি অতি নিষ্ঠাৰে পালন কৰা পৰধৰ্ম্মতকৈয়ো শ্ৰেষ্ঠ। আৰু স্বধৰ্ম্মৰ বিচাৰ ললেও তুমি ক্ষত্ৰিয়। ক্ষত্ৰিয়ৰ পক্ষে ধৰ্ম্মযুদ্ধই শ্ৰেষ্ঠ ধৰ্ম্ম। স্বৰ্গৰ দুৱাৰ তোমাৰ সমুখত

মুকলি হৈ ৰৈ আছে। সাতে পাছে গুণি যদিহে তুমি এই ধর্ম্ম-যুদ্ধৰ বিমুখ হোৱা, তেন্তে স্বধর্ম্ম হেকৰাই মহাপাপী হবা। মৰিলে স্বর্গ, জয়লাভ মানেও তোমাৰ ৰাজ্যলাভ আৰু ভোগ, এতেকে হে কৌন্তেয়, যুদ্ধৰ কাৰণে তুমি গা তোলা। সুখ-দুখ, লাভ-অলাভ, জয়-পৰাজয়, সকলোকে সমান জ্ঞান কৰি তুমি নিজকে যুদ্ধত নিয়োগ কৰা আৰু তাকে কৰিলেহে তুমি পাপৰ পৰা হাত সাৰিবা।"

"তদুপৰি, "কর্ম্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন", অর্থাৎ ধর্ম্ম-মতে কর্ম্মৰ ফলত নহয় ৰৰং কর্ম্মতহে তোমাৰ অধিকাৰ; গতিকে ফলাফলৰ প্রতি পিঠি দিয়া, সেই বুলি নিষ্কর্ম্মাও নহবা; কর্ত্তব্য কর্ম্ম কৰি গৈ থাকাঁ।"

স্বয়ং অনন্ত কোটি ব্রহ্মাণ্ড আৰু সেই ব্রহ্মাণ্ডতে নিজে লয় পাই থকাৰ সম্পূর্ণ এটি জল্ জল্ পৎ পৎ জীৱন্ত পট অর্জ্জুনৰ সম্পূর্ণ দৃষ্টিগোচৰ কৰি তেওঁক ভগৱানে পৰমার্থ তত্ত্ব সম্পর্কে জ্ঞান দান দিলে। অর্জ্জুনক বিশ্বৰূপ দর্শন কৰালে।

সামৰিবৰ আগে ভগবানে কৈ উঠিল বোলে "ঈশ্বৰে হৃদয়ত অধিষ্ঠান কৰি সকলোকে যন্ত্রই চলোৱাৰ নিচিনাকৈ চলাই আছে,—

"ঈশ্বৰঃ সর্ব্বভূতানাং
হৃদ্দেশেঽর্জ্জুন! তিষ্ঠতি।
ভ্রাময়ণ্ সর্ব্বভূতানি,
যন্ত্রাৰূঢ়ানি মায়য়া॥"

গীতাৰ উপদেশ বিলাকেই সন্ত্রাসবাদী সকলকো বৃটীছৰ বিপক্ষে উঠিবলৈ প্রেৰণা যোগাইছিল। এনে এটা দিনো হৈছিল যেতিয়া বৃটীছ ভাৰতীয় কর্ত্তাসকলৰ চকুত গীতাই বিপ্লৱৰ চকমকনিত মতিভ্রম কৰাই দিছিল,—গীতা যাৰ হাতত, সেই ডেকা যেন ৰাজ-দ্রোহী হোৱাতো নিশ্চিত। সেই যুগটোৰ, অৰশ্যে ১৯২১ চনৰ আগে আগে ওৰ পৰিল। তেতিয়াও গীতাই বিদ্রোহী কৰা শ্রীঅৰবিন্দ ঘোষকে আদি কৰি অসংখ্য দেশভক্ত জীবিত আছিল।

১৭। বাতৰি কাকত

জেইলৰ বঙালী ডাক্তৰজনে 'চার্ভেণ্ট'[১০০] নামৰ দৈনিক ইংৰাজী-খন টিপতে আমাক দি যায়হি। সেই সময়লৈ "অসমীয়া" খনো (সাপ্তাহিকহে তেতিয়া) কংগ্রেছৰ সমর্থকহৈ পৰিছিল। পিচে এইবিলাক কাকত আমালৈ নিষিদ্ধ। চৰকাৰৰ ফালৰ পৰা বোলে "ষ্টেৎচ্‌মেন"[১০১] "নিউ ইণ্ডিয়া"[১০২] আদি দিয়াত বাধা নাছিল। পিচে, এই কেখন তেতিয়া উৎকৎ কংগ্রেছ-বিৰোধী।

১৮। চোৰাং খবৰ

নিতৌ আমাৰ সতীর্থৰ সংখ্যাৰ উজান উঠাৰ লগে লগে বাহিৰৰ খবৰ বাতৰিবো ধুম উঠিছিল। তদুপৰি শঙ্কৰ বঙ্কৰাৰ দৰে একো-জনে জেলৰ বাহিৰৰ গছত উঠি তাৰ পৰা লদি একোটাত মেৰিয়াই দলিয়াই দিয়া বাতৰি সন্দেশে বায়ু পথেদি আমাক পশিছিলহি। শেহতীয়া বাতৰি বোৰো সততে পাই আছিলো।

১৯। জেল-পৰিদর্শকৰ মন্তব্যৰ প্রতিক্রিয়া

এজন পৰিদর্শকে তেওঁৰ জেইল-পৰিদর্শনৰ টোকাত মন্তব্য দিলে বোলে "ৰাজনৈতিক বন্দী সকলে সদৌ শেষৰ বাতৰি (আপ টু দেৎ নিউজ্‌) পাই আছে। কাৰণ, তেওঁবিলাকে বোলে কথা প্রসঙ্গত একেবাৰে শেহতীয়া বাতৰি লৈয়ে কথা হল। গতিকে জেললৈ কিবা স্বৰূপে যে খবৰ কাগজ পাৰ হৈছে, তাত সন্দেহ নাই।" এই মন্তব্যৰ কথাটো আমাৰ কাণত পৰিবলৈ বেচি দেৰি নালাগিল। ৰৰদলৈ ডাঙৰীয়া গোটেই টিক্‌চি-বিক্‌চি উঠিল। আমাক সাৱধান কৰি দিলে, যাতে এই ই-এ-চী জনৰ পৰিদর্শন-কালত নিত্য নৈমিত্তিক ভাবে "চৰকাৰ চালাম" দিয়াৰ উপৰি তেওঁ

১০০। Servant. ১০১। The Statesman.

১০২। New India.

মাত একাষাৰেৰে ভদ্রতা কৰিবলৈ আহিলেও, আমাৰ কোনেও সঁহাৰি দিব নালাগে। যথা আদেশ তথা কৰ্ম্ম! ঘূৰিবাৰ ৰাজ-খোৱা ডাঙৰীয়া আহোতে তেওঁৰ প্রতি এই আচৰণ কঠোৰ ভাবে পালন কৰা হল। মাতি, কাৰো মুখৰ পৰা মাত একাষাৰো নাপাই বেচেৰা ওঁঠ মুখ চেলেকি সেমেনা সেমেনকৈ গুছি গল।

২০। ডেকা ডি-এছ্-পি

ডি-এছ্-পিজন ডেকা। নাম মনোমোহন ঘোষ হব পায়, সঠিক মনত নাই। তেওঁৰ পৰিদর্শনত 'চৰকাৰ চালাম' পর্ব্ব শেষ হোৱাৰ লগে লগে তেওঁ কর্ম্মবীৰ ৰৰদলৈদেওৰ চৰণ স্পর্শ কৰি ভদ্রতা দেখুৱায়। পিচে এদিন বিশ্বাসযোগ্য মহলৰ পৰা ৰৰদলৈ ডাঙৰীয়ালৈ খবৰ আহিল, তিতাবৰৰ ফালে কোনোবা ঠাইত ৰাজ-হুৱা ৰৰ সবাহৰ প্রসঙ্গত ৰাইজ অসহযোগৰ আলোচনাত ৰত হৈ থকাৰ সময়ত এই পুলিচৰ ৰৰবিধিয়া ছোট চাহাৰজনৰ হুকুমত ৰভা ঘৰত জুই দিয়া হ'ল। ৰৰসবাহ সর্ব্বস্বান্ত হ'ল! ইয়াৰ পিচত তেওঁৰ পৰিদর্শনতো 'চৰকাৰ চালাম' অব্যাহত থাকিল, কিন্তু কাৰো মুখত চ-কাৰ ব-কাৰ একো নোলালত বেচেৰা হটনি খাই যাব লগীয়াত পৰিল। এইদৰে ছেগ্ পালে ৰোগ চাই চিকিৎসা বিহা হৈছিল।

২১। সাক্ষাৎ

এদিন ন-গোঁসাইৰ ঘৰৰ বাবুলা গোস্বামীয়ে মোক দেখা কৰি-বলৈ আহিছিল। তেওঁ কংগ্রেছী বা কংগ্রেছ-বিৰোধী, একো নহয়। তেওঁ বাহিৰত, মই ভিতৰত আৰু ব্যবধানত গোটা গোটা লোহাৰ বিশাল দুৱাৰখন। মোৰ গাতে গা লগাই থকাৰ দৰে আছিল এজন পুলিচ প্রহৰী। কথা পতা হল। পিচে এই দৃশ্যটিৰ কাৰণে গোস্বামী সাজু নাছিল। তেওঁৰ চকু ঢুলঢুলীয়া হল। ইয়াৰ

পিচত জেইলাৰ জনক জনোৱা হল যাতে মোৰ লগত সাক্ষাৎ কৰিবলৈ কৰা কাৰো অনুৰোধ নাৰাখে।

২২। বিহু

যোৰহাট জেইলত থকা দিনতে মাঘৰ বিহুটি আহিল। কৰ-পৰা যে কিমান ঘিলা পিঠা, খোলা চপৰীয়া পিঠা, চিৰা, সান্দহ, লুচী, কাঠ আলু, মিৰি আলু, তদুপৰি সুমঠিৰা টেঙা আদিয়ে আমাৰ ঠাই ওপচাই পেলালেহি। আলুৰ দম, কবিৰ ভাজি, আদিলৈকো দেখোন জেল-প্ৰবেশ-নিষেধ নহল[১০৩]। এই বিহুৰ সম্ভাৰৰ লগত সান খাই অহা মৰম আৰু সহানুভূতিৰ জৰিয়তে ৰাইজৰ পৰা আমালৈ উৎসাহ আৰু কৰ্ম্মপ্ৰেৰণাৰ যি অনুভূতি আহিছিল, তাৰ পৰা হোৱা আমাৰ বং ৰহস্যৰ কথা বৰ্ণাৰ নোৱাৰি।

২৩। সাম্প্ৰদায়িকতা

যোৰহাট জেলত আমাৰ ভিতৰত ধৰ্ম্ম, জাত বা সাম্প্ৰদায়িক বিচাৰ কোনো ক্ষেত্ৰতে নাছিল। অৱশ্যে নগাঁৰৰ দলটিয়ে ফাইলত নেখাই পৃথকে ৰান্ধি খাইছিল আৰু এই কাৰ্য্যত হয়তো কোনোৱে কিহবাৰ গোন্ধ পাব পাৰে। মোৰ পক্ষে তাত মায়া দেখা অসম্ভৱ; কিয়নো, নগাঁয়াসকল অহাৰ আগতে এনে প্ৰস্তাৱ মোৰ মুখৰ পৰাই ওলাইছিল। কৃষ্ণ শৰ্ম্মা দেৱে নেমানিল বুলিহে কথাষাৰ তল পৰিল। নগাঁৱৰ সকল হিন্দুহে যদিও, বিভিন্ন কুলীয়া।

আমাৰ মাজৰ না না তৰহৰ কথোপকথন, তৰ্ক, আলোচনা আদিৰেও আমি অনেক সময় কটাইছিলোঁ। ক্ষেত্ৰ চাই নিচেই শান্ত গহীন বিধৰ আলোচনাৰ পৰা তৰ্ক বিতৰ্কৰ তুমল সংগ্ৰামলৈকে চলিছিল।

১০৩। পদ্মশ্ৰী নলিনীবালা দেৱীয়ে কোৱামতে এই বিহু জলপানৰ পূৰ্ণ আয়োজনৰ মূলতে বিপিনচন্দ্ৰ বৰদলৈ (তেতিয়া গোবিন্দপুৰ বাগিচাৰ মালিক)।

গাধীৰৰ নামকে চকুৰে দেখা মনত নপৰে। খোৱাবোৰ দানাৰ লগৰে। লোহাৰ বাচনত খোৱা মাৰ-ভাতে দেখাত কাকো খিনাবলৈ যে নিদিছিলেই ৰবং দেহাৰ ওজনো বঢ়াইছিলেহে;—পিচে মগজ হলে তিলতিলকৈ শুকুৰাই নিছিল। পৰিণামত, জনদিয়েক যে স্বভাৱতে খিংখিঙীয়া হৈ নপৰিছিল এনেও নহয়। এই কথাষাৰৰ প্রতি লক্ষ্য ৰাখিও কাৰো জগৰ নলগোৱাকৈ কথা পাতিবলৈ শিকিব লগীয়াত পৰিছিল। 'বামুণে ইতৰ জাতৰ মানুহৰ সৈতে বিয়া-বাৰু পাতি সম্বন্ধ যে নঘটায়েই, আনকি তেওঁবিলাকৰ লগত খোৱা-লোৱা কৰিবলৈকো ঘিণ কৰে।' এই কথাষাৰ এজনে উগাৰি দিবলৈহে পালে, তাকে থপিয়াই লৈ বন্ধুবৰ ভূবনচন্দ্র গগৈ ডাঙৰীয়াই দেখোন মোকেহে দোষাৰোপ কৰি বহিল, যেন চাৰি কোটিমান ভাৰতীয় বামুণৰ মই হে প্রতিনিধি! মোৰ কাৰণে কথাটো আপচু হৈ পৰিল, কাৰণ মই নিজে জাতত বামুণ। লাহেকৈ কুলধৰ চলিহালৈ চালো, উত্তৰৰ অপেক্ষাত। চলিহাই আৰম্ভ কৰিলে, "বুজিছা ভুবন, এই সম্পর্কে আমাৰো কৰিব লগীয়া বহুত আছে, কিন্তু আমি একোকে নাই কৰা হবলা।" তেখেতে আকৌ কলে, "মুঠ লোক-সংখ্যাৰ অনুপাতত বামুণ একেবাৰে সংখ্যা-লঘিষ্ঠ। ভাৰতীয়ৰ ভিতৰতে নহয়, মুঠ হিন্দুৰ লোক সংখ্যাতে। গতিকে বামুণ বিলাকৰ ওপৰত কোনো হেঁচা নেপেলোৱাকৈয়ে এইবিলাক সমস্যা সম্পন্ন কৰা যায়। ধৰাঁ, গোটেই বামুণ জাতি-টোৱেই সংৰক্ষণশীল, আমি অব্রাহ্মণবিলাক উদাৰ। আমি সকলো-বিলাক অব্রাহ্মণ হিন্দুৰ ভিতৰত যদি কি খোৱা-লোৱা, কি বৈবাহিক সম্বন্ধ, একোতে বাচ-বিচাৰ নাৰাখো তেন্তে হিন্দুৰ ইমানবোৰ জাত কুলৰ ভিতৰত মুঠতে দুটা জাতহে ৰবগৈ,—ব্রাহ্মণ আৰু অব্রাহ্মণ। ক্ষত্রিয়, বৈশ্য, শূদ্র আকৌ তাৰ ভিতৰতে কাকতি কায়স্থ, কোচ-কলিতা, আহোম-শূদিৰ, কৈবর্ত্ত-বৃত্তিয়াল আদি সকলোখিনি জাতনামৰ সমাধি হব, বা সকলো এক অবামুণ জাতত

লয় পাব। বামুণ বাহিৰত বৈ গল। এইদৰে যিটো সংশোধিত হিন্দু জাতি হ'ব, অনুপাতত বামুণ হয়তো তাত শতকৰা পোন্ধৰটিৰ ওপৰ নহব। পঁচাশী জনৰ ওচৰত পোন্ধৰজনে সেও হৈ চলিবই লাগিব। তুমি আমি নিজৰ পালি কৰাহে কথা, ৰঠাকুৰক দোষিলে নহব।" এইদৰেই এই শিয়াল উকীল চলিহাদেৱৰ সুকীয়া যুক্তিয়ে মোক মই কৰিয়েই ৰাখি থলে। কথাটো কিন্তু আৰম্ভ হৈছিল মূলতে তেনেই যুক্তিসংগত প্ৰশ্ন এটিৰ ওপৰতহে।—আহোম সকলে হিন্দু ধৰ্ম্মত দীক্ষিত হওতে তেওঁলোকক সৈনিকৰ শ্ৰেণী বুলি স্বীকাৰ কৰি ধৰ্ম্মৰ গুৰিয়াল সকলে ক্ষত্ৰিয়ৰ জাতত অন্তৰ্ভুক্ত কৰি নললে কিয়? অথচ আহোম সকলে হিন্দুধৰ্ম্ম গ্ৰহণ কৰি মাছ মাংস পৰিত্যাগ কৰি বৈষ্ণবৰ শাৰী পূৰাবলৈ নোযোৱা হলে, সকলোবিধ মাংস ভোজনকাৰী সবল দেহাৰ এই আহোম জাতিক আগৰ একে লগৰ ভাই-ৰজা, মান দেশৰ মানুহে কিয় ঘটুৱাবহি পাৰিল-হেঁতেন। এই প্ৰশ্নৰ মীমাংসা অতি জটিল।

২৪। শ্ৰীহট্টলৈ স্থানান্তৰ

১৯২২ চনৰ আঠ ফেব্ৰুৱাৰীৰ দিনা ৰৱদৌলীত আইন-অমান্য আন্দোলনৰ সূত্ৰপাত; আৰু তাৰ দুদিনৰ মুৰত অৰ্থাৎ দহ ফেব্ৰুৱাৰীৰ দিনা গধূলি পৰত জেইলৰ জামাদাৰজনে আমাৰ জন-চেৰেকৰ নাম ফোকাৰিলেহি, বোলে সোনকালে খাই বৈ আন এখন জেইললৈ যাবলৈ সাজু হৈ থাকিব লাগে। কিন্তু হাইকোৰ্টীয়া উকীল আৰু বৃটীছ-ভাৰতীয় ৰাজনীতিবিদ্ ৰৱদলৈ ডাঙৰীয়াই হলে, কথাটো শুনাৰ লগে লগে তেনেই ধৰি ললে যে আমাক চিলট জেইললৈহে চালান দিব; কাৰণ, সেই সময়ত ৰাজনৈতিক বন্দীৰ ওপৰত কৰা অমানুষিক অত্যাচাৰৰ সংক্ৰান্তত চিলট জেলৰ নাম সকলোতে জনাজাত হৈ পৰিছিল।

২৫। ৰৱদলৈৰ উদ্বিগ্নতা

এই জেইলান্তৰৰ খৱৰটোত ৰৱদলৈ ডাঙৰীয়াই অলপ ভয় খালে। আমি বিদায়ৰ নামত মাতযাৰ লগোৱাৰ লগে লগে ৰৱদলৈ ডাঙৰীয়াই সাৱট মাৰি ধৰি চকু চুলচুলীয়া কৰি "এওঁক আৰু ইহঁতে মাৰি পেলাৱলৈ বুলিহে নিছে" বুলি সোঁতসোঁতাই যি দুৰ্ব্বলতাৰ পৰিচয় দিলে, কথাৰ গাজনি মাৰি থকা এই ৰীৰজনত মই তেনে আশা কৰা নাছিলো।—অথচ মই অকলেতো নহয়, আমি এদল যাৱলৈ ওলাইছো। তেখেত মোৰ কাৰণে চিন্তিত হোৱাৰ কাৰণো নোহোৱাঁ নহয় হৱলা। ১৬ ডিচেম্ৱৰত শিৱসাগৰ জেলত মোৰ ওজন যিমান আছিল ২৪ ডিচেম্ৱৰৰ দিনালৈকে তাৰ আঠ পাউণ্ডমান বাঢ়িলহে। যদিও মাৰ-ভাত নাই খোৱা, তথাপি ঘৰৰ ভাত আৰু তাকো খাই খাই জেইলত জিৰাই আছিলো, সেই কাৰণেই হৱলা দিনে এক পাউণ্ডকৈ বাঢ়িছিল। কিন্তু যোৰহাট জেইলত থকা গোটেই সাতচল্লিশদিন মাৰ-ভাত খোৱা স্ৱত্ৱেও সেই ওজনৰ ষোল পাউণ্ড কমিলেহে[১০৪]। তেনেই ডেই পুৰি যোৱাৰ দৰে ক'লা পৰিলো। ৰৱনগৰত থকা দিনৰে পৰা মোক ৰৱদলৈ ডাঙৰীয়াই প্ৰায় দেখি আছে। সেই কাৰণে তেখেতৰ আশংকা তেনেই অমূলক বুলিৱলৈকো টান।

যোৰহাট জেইল এৰাৰ আগ মুহূৰ্ত্তত, দেৱেশ্ৱৰ শৰ্ম্মা ডাঙৰীয়াই কলপতীয়া ৰঙৰ এক আঙুলমান ডাঠ লেপ এখন অযাচিতে মোৰ গাত পেলাই দিলেহি। এই মণিপুৰী লেপখন নোপোৱা হলে যে বাটত কি কষ্ট ভুগিব লগীয়া হলহেতেন, তাক সেই ৰাতিয়েই বুজিলো। হৃদিস্থিতজনে নিশ্চয় শৰ্ম্মাদেৱক নথৈ আশীৰ্ব্বাদ জনাইছিল।

১০৪। ২ পাউণ্ড, ৪০ সেৰ আৰু ৩৮ কিলো—সকলো সমানেই।

২৬। সাজ-সলন

আমি অফিছত সোমাই পৰিলোহি। তাত আমাৰ জেইল-কিটবোৰ সোলোকাই থবলৈ দি আগতে ফাটক দি ৰখা কাপোৰবোৰ সলাবলৈ দিলে। একে ঠাইতে ডেৰমাহ গাপ্ দি পেলাই থোৱা কাপোৰ কেটা পিন্ধিবৰ সময়ত বৰ অস্বস্তি বোধ কৰিছিলো। টালি-টোপোলাখিনি গাই পতি হাতে হাতে লৈ হৰি সন্তোষৰ অৰ্থে যাত্ৰাৰ কাৰণে আমি প্ৰস্তুত হলো।

২৭। জোঁটাশালী

তেনেতে আমাক আন এটা কোঠালৈ নিলে। একোপাত হেণ্ডকাফ এজনৰ সোঁ হাতত বান্ধিলৈ আন এজনৰ বাওঁ হাতত লগাই দুজন দুজনক সাঙুৰি এহাল এহাল কৰিলে। যিখন হাতত হেণ্ড-কাফ নাই তাৰ কাষলতিত টালিটোপোলা লবলৈ দিলে। অৱশ্যে টালিটোপোলাবোৰ পিঠিত পেলাই লোৱাটোতো আপত্তি নাই। আঠপাট হেণ্ডকাফেৰে এইদৰে ষোল জনক যুতি আঠ যোৰা কৰিলে। তিমানতো এজন একণীয়া হৈ বল। বুদ্ধিত বৃহস্পুতি দাৰোগা পুৰুষে এটা পকা বুদ্ধি উলিয়ালে। ৰছি এদাল আনিলে আৰু প্ৰত্যেক যোৰ হেণ্ডকাফতে একো পাক দি দি একেদাল ৰছিৰে গোটেই আঠ যোৰাকে সাঙুৰি পেলালে, ৰছিদালৰ লেজৰ ফালৰ খিনিৰে শেহৰ জনৰ ককালটো মেৰিয়াই জোঁটাশালিটো বেচ মজবুত কৰি পেলালে। এতিয়া এজনে খোজ দিলে, গোটেই সোতৰ জনে খোজ নিদিলে নহব; আৰু এজন ৰব লাগিলে সোতৰ জনেই নৰলে নচলিব। ইযোৰৰ পৰা সিযোৰলৈ ব্যৱধান দুহাত মানৰ হ'ব। শৌচ, ক্ষুদ্র-শৌচৰ বেগ আহিলে ঘটনা কেনে হবগৈ পাৰে তাৰ উল্লেখৰ পৰা বিৰত থকা হল।

আচম্বিতে এই দৃশ্য প্ৰবৰ্ত্তন কৰোৱা জন এজন ঝাকৰা পুলিচ পুংগৰ। তাত থকা বাকী পুলিচ বিলাকে পোন্দোৰা পোন্দোৰ কৈ

এওঁলৈ লক্ষ্য কৰি আছিল। এই মুধৰ খুটা হোৱা 'ধতুৰণী' যেন বিষয়াজনে তেৰ জন সৈনিক পুলিচৰ হাতত আমাক গতাই দিলে। পদব্রজে তুজনীয়াকৈ শাৰী বান্ধি পুলিচ-নায়ক সকলে নিয়া মতে মাঘ মহীয়া জাৰ নগণি অন্ধকাৰ ভেদ্ কৰি ৰাজপথেদি আমাক অগ্রসৰ কৰোৱা হল। এৰা, ফিৰিঙি গণিঙক এইজনা ঝাকৰা অসমীয়াই চেৰ পেলালে। এই নিকৰুণ অসমীয়া সন্তানৰ আচৰণে হতাশ কৰিলে। আমাক বান্ধিবৰ সময়ত তেওঁৰ সুখৰ কিছু গোন্ধ পোৱা হলেও ইংৰাজ চৰকাৰক চাব্বাইছ্ দি তেওঁক ক্ষমা কৰি থৰ পাৰিলো-হয়। স্বাধীনতাৰ লাভৰ পিচত এওঁ ছাগৈ কিমান উচ্ছ খাপৰ পুলিচ বিষয়া হল !—কৰ কোনে ?

২৮। যুদ্ধ-বন্দী

যুদ্ধ-বন্দীৰ দৰে খোজত খোজ মিলাই আহোতে কোন টলকতনো ৰেল-ষ্টেছন পালোহি উমানকে ধৰিব নোৱাৰিলো। ষ্টেচনত ৰায়চাহাব গোলাপ চন্দ্র বৰুৱা (শিক্ষা বিভাগৰ অসম উপত্যকাৰ এচিষ্টেণ্ট ইন্স্পেক্টৰ), পূর্ণানন্দ পাঠক (উকীল, মোৰ শিক্ষাগুৰু) আৰু দেবেশ্বৰ চলিহাক (উকীল) পোৱা মনত পৰে। ৰায়চাহাব ডাঙৰীয়া চৰকাৰৰ এজন দায়ীত্বশীল বিষয়া যদিও হাৰেহিমেজুৰে জাতীয়তাৰ ভাবেৰে অনুপ্রাণিত ; আৰু তেখেতৰ ডেকা পুতেক বিপিন চন্দ্র বৰুৱা (সাহিত্যিক, পিচলৈ এচিয়াটিক প্রিন্টিং ওৱার্কছৰ মালিক), পাঠক আৰু চলিহা কেউজন কংগ্রেছ-কর্ম্মী। এওঁবিলাকৰ পৰাই খবৰ পালো, যাদৱপ্রসাদ চলিহা, লক্ষ্মীকান্ত বৰুৱা (মাখন উকীল), বেণুধৰ শর্ম্মা (খ্যাতনামা সাহিত্যিক) আদিকো ইতিমধ্যে শিৱসাগৰৰ বগাঘৰত ভৰালগৈ বুলি। ছাত্র জীৱনৰ পৰা শর্ম্মা দেও আৰু মোৰ মাজত কিবা যেন এটা বিশেষ ধৰণৰ আত্মীয়তা আছিল। কলিকতাত থকা কালত তুয়ো বেলেগ বেলেগ ছাত্রাবাসত থাকি বেলেগ বেলেগ কলেজত পঢ়িছিলো যদিও, পৰস্পৰৰ আর্থিক

অনাটনে শর্ম্মাদেৱৰ চুৰীয়া এখনকে কাটি দুটুকুৰা কৰি এটুকুৰা তেখেতে আৰু এটুকুৰাৰে মই তিয়নীৰ ব্যৱস্থা কৰিছিলো। শর্ম্মাই কলিকতা মহানগৰীৰ ৰাজপথত ফুৰোতে ফেৰীৱলাই গুজি দিয়াৰ উপৰিও যিমান পাৰে সিমান হেণ্ডবিল আদি সামৰি ফুৰে আৰু এই নিমিলা জোখৰ কাগজবোৰ একত্ৰ কৰি লৈ তাৰ উকা পিঠিত যতমানে প্ৰবন্ধপাতি লিখে ; আৰু এই অনুক্ৰমেই অতি প্ৰখৰ গতিৰে তেখেত সাহিত্য ক্ষেত্ৰত অগ্ৰসৰ হল আৰু অসমীয়া সাহিত্যত নিজৰ ৰবীয়াকৈ এখন আসনৰ অধিকাৰ লাভ কৰিলে। তদুপৰি, অতীতৰ অসম আৰু অসমীয়াৰ সংক্ৰান্তত পুৰণি তথ্যপাতিৰ অনুসন্ধানত ইজন এজন এনে পাকৈত চোৰাংচোৱা যে অজানিতে কালক্ৰমত বিশিষ্ট ঐতিহাসিক সকলৰ শাৰীতো তেখেতৰ আসন প্ৰতিষ্ঠা কৰা হল।

২৯। মৰিয়নী ষ্টেচনত

মৰিয়নী ষ্টেছনত আসাম বেংগাল ৰেইলওৱেইৰ ভাটিমুৱা ডাকগাড়ীখন আহি ৰলত, আমাৰ তেৰজনীয়া হিলৈদাৰী পুলিচ বাহিনীৰ প্ৰধান বিষয়াজনে আমাক ষ্টেছনৰ প্লেৎফৰ্ম্মতে ৰাখি খালি কোঠা বিচাৰি যাওক। এনেতে ষ্টেচন মাষ্টাৰে মাতি নি আমাক কোঠা এটাত সোমাবলৈ দিছেহে মাথোন, পুলিচৰ বিষয়াজন ঘপ্ কৰে আহি পাই "সেইটো কোঠাই আমাক নাটে" বুলি স্বাভাবিক মিলিটাৰী মাতেৰে মাষ্টাৰক ডবিয়াই উঠি আমাক তাত সোমাবলৈ নিদিলে। ষ্টেছন মাষ্টাৰ আৰু গার্ডজনৰ মতে সেইটোৰ বাদে আৰু খালি কোঠা নাই, সিহাতে মেইল ট্ৰেইন্ ৰকিবও নোৱাৰি ; গতিকে, সময় নষ্ট নকৰি সকলোটি জৎ পৎ কৰে ৰেলত সোমাই পৰাৰ হে কথা। সৈনিক পুলিচ জন গোটেই গুজৰি গুমৰি উঠিল ; বোলে "আমি জনোৱাৰ্ অনা নাই। দেশৰ বাচক-বনিয়া লোক এই সকল। আমি এনেকৈ তেওঁবিলাকক নিৰ নোৱাৰো,—লাগে এইখন গাড়ী যাওকগৈ। যিখন ৰেলতে এৰা সকল আমাৰ ফৌজৰ

সৈতে একেটা কোঠাতে যাব পাৰে সেইখন ৰেলতহে আমাৰো যোৱা হব।" কিবা হাই উৰুমিৰ নিচিনাখন হৈ পৰিল। ৰেল কৰ্ম্মচাৰীৰ দলে প্লেৎফৰ্ম ভৰি পৰিলহি। এনেতে গার্দে তৃতীয় শ্রেণীৰ ডাঙৰ ডবা এটাৰ পৰা সমুদায় যাত্রীকে উলিয়াই সেই ডবাটোতে আমাক তুলি দিলে। ৪৮ নে এনে কিবা সংখ্যক ধৰা ডবা এটাত আমাৰ সোতৰ আৰু চিপাহীদলৰ তেৰ, মুঠ ৩০ জন মানুহেৰে পুৰাই দিলে। মেইলৰ বহুত পলম ঘটিল আৰু সেই দিনত মেইল কোনো ষ্টেছনত আটক হৈ থকাটো সংশ্লিষ্ট ষ্টেছন মাষ্টাৰ আৰু গার্দৰ কাৰণে বিশেষ অপৰাধৰ কথা।

৩০। জনতাৰ আদৰ

কেনেকৈ যে বাহিৰত কথাটো ওলাল! ষ্টেছনটোৱে পতি ফল-মূল মিঠাই আদি আমাৰ কোঠাত জমা হবলৈ ধৰিলে। একোটা ষ্টেছনত পৰিচিত মানুহৰো সাক্ষাৎ পোৱা হৈছিল। লামডিং জংছনতো খোৱা বস্তুৰে ওপচাই পেলাইছিল, আনকি আমাৰ ৰক্ষী বাহিনীকো লৈ গোটেই ত্রিশ জনে খাই ঢুকুৱাও অসম্ভৱ হৈ পৰিছিল। দিন পাৰ হৈ গৈ থকাৰ লগে লগে এই গোটেইবোৰ কাহিনী মধুৰ সপোনৰ সোৱৰণী যেন লাগিছে।

৩১। ৰৰদৌলী-চৌৰীচৌৰা

এই ভ্রমনকালত পোৱা হিয়া-ভগা ঘটনা হল ইতিমধ্যে ৰৰ-দৌলীকে পৰীক্ষাগাৰ পাতি সংকল্প লোৱা কংগ্রেছৰ আইন-অমান্য আন্দোলনৰ বিৰতি। চৌৰি-চৌৰাত জনতাৰ হাতত পুলিচ বধ অভিনয় কৰা হল। এই হিংসা-কার্য্যত অসন্তুষ্ট হৈ মহাত্মাজীয়ে আইন-অমান্য আন্দোলন বন্ধ কৰিলে। ইয়াৰ স্বৰূপ উপলব্ধি কৰি পিচত মহাত্মাজীয়ে এই কার্য্যক তেখেতৰ হিমালয় সদৃশ ভুল (হিমালয়ান্ ব্লান্দাৰ) বুলি মানি লৈছিল।

৩২। কুলাউৰা পালত

এঘাৰ ফেব্রুৱাৰীৰ দিনা ৰাতি কুলাউৰাত ওলালোগৈ। তাত আমাৰ ওপৰত নজৰ ৰাখিবৰ কাৰণে চৰকাৰে পুলিচ বিষয়া দুৰ্গা প্রসাদ কটকী দেওক নিযুক্ত কৰি ৰাখিছিল। আমি এই জংশনত খপিব লগীয়া হলত এই পুলিচ বিষয়া জনে স্থানীয় কংগ্রেছ কৰ্ম্মী সকলৰ সহযোগত ওচৰৰে হোটেল এটাত আমাৰ ভাত সাজৰ দিহা কৰিলে। একেটা বান্ধতে গৈ আন এঠাইত খাবলৈ কৰা বন্দোৱস্তটো আমাৰ প্রথমে ভাল নালাগিছিল। তদুপৰি সন্দেহো হৈছিল, প্রহৰীসকল নামঞ্জুৰ হয়, এনে ভাবি। কটকী ডাঙৰীয়াৰ অনুৰোধত পুলিচে আমাৰ ৰছিদাল যে সোলোকালেই, হেণ্ডকাফ্‌বোৰো খুলি মুকলি কৰি দিলে। তেতিয়া আমি পুলিচ কেজনক জোকালো,—"আমাৰ দুই এজন এই সুযোগতে হেৰালে কি কৰিবা?" তেওঁ-বিলাকৰ প্রধান জনেই টপৰাই উত্তৰ দিলে—"হেৰাব নালাগে, গলেই আমি এৰি দিম। আপোনালোকেহে ফাটক খাটিব পাৰে। —আমি নোৱাৰিম নে কি?"

হোটেলত স্থানীয় কংগ্রেছ—খিলাফটীয়া মানুহে উবুৰি খাই পৰিলহি। সৈনিক পুলিচ তেৰ জনকো লৈ আমি গোটেই ডেৰকুৰি জনৰে এই ভোজটি হেপাহ পলোৱা বিধৰ হল। তাতে আগৰ সাজ ভাত খোৱাৰ পৰাও ত্রিশ ঘণ্টা মান সময় অতিবাহিত হৈছিল। এযাৰ কথা একাধিকবাৰ আমাৰ মাজত ওলাইছিল, যোৱহাট জেইল অফিছৰ সেই পুলিচ ঝাৰুৱা ভাই আৰু এই কুলাউৰাত পোৱা পুলিচ, সেই কটকীজন,—"দুয়োৰো মাজত আকাশ-পাতাল প্রভেদ।"

পিচ দিনা পুৱা শ্রীহট্টৰ ষ্টেছন পালোগৈ; তাৰিখটো ১৯২২ চনৰ বাৰ ফেব্রুৱাৰী হব লাগে। আমাৰ টালিটোপোলাবোৰ চকুৰ পচাৰতে থপিয়াই হাতে হাতে অচিনাকি দল এটিৰ একোজনে এনেদৰে লৈ গল যে সেইবোৰ বস্তু সেই যোৱাতে গল বুলিয়েই সন্দেহ হৈছিল।

ষষ্ঠ অধ্যায়

শ্রীহট্ট

১। চিলট ৰেল ষ্টেছনৰ পৰা

নাৱেৰে নৈ পাৰ হোৱা হল। ইয়াৰ পিচতে যোৰ পতা হল। হালে হালে সাঙুৰি আগৰ দৰেই একেদাল ৰছিৰে কেউযোৰাকে জোঁটাই শেহ ফালে একনীয়া হৈ পৰা চৰ্দ্দাৰ চুভক চিঙৰ ককালটোও মেৰিয়াই পেলালে। মূৰত তীখাৰ টুপীৰে ষ্টীল হেলমেৎ, চাঙিন লগোৱা হিলৈধাৰী পঞ্চাশ জন পুলিচ সমুখত আৰু পঞ্চাশ জনক পিচত দি সেই শিৱসাগৰত দৰ্শন লাভ কৰা দী-ক্লা মণ্ট্ নামৰ পুলিচৰ অধ্যক্ষজনে ৰাজ-অতিথি, আমাক সমাদৰি নিবলৈ বুলি প্ৰস্তুত হৈ ফোকাৰিলে "হুকুম মার্চ্চ"[১০৫] বুলি। আমাৰ ৰক্ষী ফৌজটিয়ে শিকালে "মার্চ্চ নকৰিবছোন। এতিয়াও আপোনালোক আমাৰ জিম্মাত হে, সিহঁতৰ তলত নহয়।" গতিকে আমি মার্চ্চ নকৰি গা ঘেলাইহে যাবলৈ ধৰিলো। পৰিণামত, আগত যোৱা পঞ্চাশটা চিপাহী কোনোৰাখন পালেগৈ আৰু পিচত অহা পঞ্চাশটায়ো[১০৬] আমাক চেৰ পেলাই কদমত আগুৱাই গল।—আমি ৰৈ পৰিলো সবাৰে পিচত। এইবাৰ কমাণ্ড পৰিল, "হাল্ট্"[১০৭]। সেই গোটেই ফৌজ সেনা ঠৰঙা হৈ ৰল। আমাৰ জন বিষয়াই আমাক ৰৰলৈ নিদিলে। আমি পাচতীয়া পঞ্চাশক চেৰাই গলো হে মাথোন,

---

১০৫। March : কদমত যোৱা।

১০৬। মুখৰ পিনে পঞ্চাশ, পিঠিৰ পিনে পঞ্চাশ।

১০৭। Halt

আকৌ দী ক্লা মণ্টৰ গাজনি উঠিল,—"মার্চ্চ্"; এইবাৰো পাচতীয়া পঞ্চাশ গল আগবাঢ়ি। আমি তেনেই পিচ পাৰিলো। আকৌ—"হাল্ট্।" পুণৰপি পাপী পুণৰপি দৰিদ্ৰ!

পুলিচ আৰু আমাকো ঘেৰাও কৰি ধৰা হেজাৰ-বিজাৰ জন-সমাজৰ মাজেদি এই খেলা খেলি গৈ আছো, মহানন্দেৰে।

২। জনতাৰ ওপৰত লাঠি-চালনা

প্ৰজাৰ ওপৰত প্ৰজা। জনতাৰ ভিৰত পুলিচৰো বিৰ দি সন্ধি পোৱা টান হৈ উঠিল। তাতে উঠিল কাণ তাল মৰা "জয়" "জয়" নিনাদ। কাৰো মাত কেনিও নুশুনা এই পৰিবেশত দী ক্লা মণ্ট চাহাবৰ কমাণ্ডৰ ধ্বনিও তল পৰিবলৈ ধৰিলে। এই এশ গোলন্দাজে নাটিল হবলা; আৰু এগাল পুলিচে আলিৰ দুয়ো কাষে লাঠিৰ প্ৰহাৰত মানুহক তৎ হেঁকৰাবলৈ ধৰিল। আচৰিত এয়ে যে তিমানতো—যঃ পলায়তি স জীৱতি—বোলা বাক্যষাৰ মানিবলৈ কোনো নোলালে।

৩। লাঠিৰ কোবত আই-চী-এছ

এই হুলস্থুলত মাৰখোৱা সকলৰ ভিতৰত আছিল, আমাৰ চৰকাৰৰ আইনসচিব মৌলবী আব্দুল মজিদ[১০৮] বেৰিষ্টাৰ চাহাবৰ পুতেক ইনামুল মজিদ, মনোনীত নতুন আই-চী-এছ বিষয়া। আমি ভাবিছিলো ডেকাই অকাৰণত মাৰ খালে যেতিয়া, নিশ্চয় তদ্দণ্ডে চাকৰি পৰিত্যাগ কৰি অসমৰ সম্ভ্ৰান্ত মজিদ বংশৰ মৰ্য্যদা অক্ষুণ্ণ ৰাখিব। পিচলৈ বিষয়-বাৰ খাই সুখ্যাতি লাভ কৰিব লগাটোকে

১০৮। আব্দুল মজিদ চাহাব বিলাতত আই-চী-এছত অকৃতকাৰ্য্য হৈ বেৰিষ্টাৰ হৈ আহিল। অসমীয়াৰ ভিতৰত, অতি কম সময়ৰ কাৰণে হলেও, এইজন বিষয়া প্ৰথম হাইকোৰ্টৰ বিচাৰপতি হৈছিল।—কলিকতাৰ হাই-কোৰ্টত।

নচীপত থকাৰ কাৰণেই হব পায়, ঈশ্বৰে তেওঁৰ চাকৰীত বাধা নজন্মালে।

৪। চিলট জেইলৰ বুকুত

জেল পোৱাৰ লগে লগে আমাৰ গোটেই টালিটোপোলাখিনি মুখৰ আগতে ওলাই পৰিলহি। সেই যি তেৰজনীয়া ফৌজটিয়ে আমাক লৈ আহিছিল, তেওঁবিলাকৰ প্ৰতিজনে জেলৰ দাৰোগা, আনকি জেল চুপাৰিণ্টেদেণ্ট্ আদিৰ প্ৰতি সমূলি কটাক্ষ নকৰাকৈয়ে আমাৰ দলটোৰ প্ৰত্যেকৰে ভৰি চুই চুই হাত যোৰ কৰি সেমেকা চকুৰে বিদায় লৈ গল। কবলৈ থাকিল যে এই ফৌজটো আছিল মহাৰাষ্ট্ৰীয়।

আমাক "কেনেকৈ খোৱা হব" বুলি জেইলাৰে শোধাৰ মূৰতেই বৃন্দাবন গোস্বামীয়ে তপৰাই কৈ পেলালে—"নিজা পাগত।"

ভিতৰ সোমাই বুজিলো, ইয়াত ৰাজনৈতিক বন্দীৰ প্ৰতি সাধাৰণ ফাইলত নিষিদ্ধ ব্যৱস্থাই চলি আছে। যথা স্থানত মঙ্গলদৈ, তেজপুৰীয়া পাচ জন, চিলটীয়া চাৰিজনমান আৰু সশিষ্যে বাবাজীক[১০৯] পালোহি। আমাৰ দলটোৱেই বেচি ডাঙৰ। চিলটীয়া আব্দুল মতিন চৌধুৰীৰ দেহাৰ অৱস্থা নিচেই কাহিল। কিবা এটা মৰসাহতহে যেন তেওঁ জেলতে আছিল। তেওঁৰ বাবাকে চৰকাৰী চাকৰীৰ অজুহাতত গোটেইখন অসমৰ সকলো ঠাইলৈকে গৈছিল। সেয়েই মতিন চৌধুৰীৰ কাৰণে অসমখন সুপৰিচিত। তেওঁ বি-এল্। আদালতত ওকালতী ব্যবসায় তেতিয়া চলাইছিল নে নাই নাজানো। তেওঁ জিলা কংগ্ৰেছৰ সভাপতি আৰু খিলাফৎ কমিটীৰ সম্পাদক আছিল। অতি তীক্ষ্ণ বুদ্ধিৰ মানুহ। পিচলৈ তেওঁ অসমত মন্ত্ৰীৰ বাব খাইছিল, ভাৰতীয়

১০৯। এই পুস্তকৰে দ্বিতীয় অধ্যায়ৰ "ছিটিকাত যেন চৰাইহে পৰিল" —দ্ৰষ্টব্য।

উচ্চ পৰিষদতো তেওঁ উপ-সভাপতিৰ আসনত কিছুদিন অধিষ্ঠিত আছিল।

ফজলুল হক বোলাজনক হেনো খাইবাৰ পাচৰ পৰা ধৰি আনি ইখনৰ পিচত সিখনকৈ জেল বগৰাই নগুৰ নাগতি শাস্তি দি শেহান্তৰত চিলট জেইল পোৱাই প্ৰথমে শিকলি-দাণ্ডাৰে অলঙ্কৃত কৰি চেলতেহে স্থান দিছিল, এতিয়াহে বোলে কংগ্ৰেছী কয়দীৰ লগত সামৰিছেহি।

মহমদ আব্দুল্লা বোধকৰো জমিদাৰ শ্ৰেণীৰ। শিক্ষিত মানুহ। স্থানীয় খিলাফট্ কমিটিৰ সভাপতি।

কুমুদৰাম বৰা দৰাচলতে উত্তৰ গুৱাহাটীৰ হলেও মঙ্গলদৈৰ উকীল আৰু তাৰ সৰ্ব্বপ্ৰধান ৰাজনৈতিক নেতা। মণ্টেগু চেমচ্‌ফোৰ্দ শাসন সংস্কাৰৰ অজুহাতত তেওঁ কাউন্সিলৰ সদস্যপদ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ উঠাই নোলোৱাত এম্-এল্-চী নিৰ্ব্বাচিত হল। সদস্যপদ কিন্তু ত্যাগ নকৰিলে আৰু এই দৰেই এই আসন খনি কংগ্ৰেছ বিৰোধী শক্তিৰ কবলৰ পৰা সৰুৱাই ৰাখিছিল। প্ৰকৃত-পক্ষে সেই একে যুক্তিতে পিচলৈ কংগ্ৰেছ নেতা সকলে পণ্ডিৎ মতিলাল নেহেৰু আৰু দেশবন্ধু চিত্তৰঞ্জন দাসৰ নেতৃত্বত প্ৰাদেশিক আৰু কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ আসন বিলাক জব্দ কৰি থৈছিল। সেই কাৰণে ববাদেউৰ এই দূৰদৰ্শিতা নিশ্চয় প্ৰশংসনীয়। এদিন ববাই কিবা এটা ঘটনাৰ কথা বৰ্ণাই থাকোতে কথাৰ লাচতে কিবা এটাত মই "হয় নে?" বুলি সুধিলো। মোৰ এই মাতষাৰত কষ্ট পাই তেওঁ "তেনেহলে মই মিছা কথাকে কৈছোঁ" বুলি সমিধান দিয়াৰ পৰাই, এই সত্যপ্ৰিয় মানুহজনৰ লগত মই হুঁচিয়াৰে কথা পাতিবলৈ চেষ্টা কৰিলোঁ। এই সুদক্ষ উকীলজনক নিজৰ সৰল বিশ্বাসে কেনেকৈ যে প্ৰতাৰণা কৰিছিল তাক বাঢ়িয়াকৈ বুজিলো, যেতিয়া মহাত্মা গান্ধীয়ে চৰ্ত্ত সাপেক্ষে দুৰ্জ্জয় "যদি" এটাৰে একৈশ চনৰ একত্ৰিশ ডিচেম্বৰত স্বৰাজ লাভৰ কাৰণে দিয়া আশ্বাসটোৰ

"যদি"-টোলৈ ভ্রুক্ষেপ নকৰি, সেই দিনাৰ ভিতৰত স্বৰাজ পোৱা হব বুলি তেওঁ প্রত্যয় যোৱা কথাষাৰ জনালে। ৰৰা আৰু তেওঁৰ সতীর্থ সকলক মহকুমাধিপতি মেহতা ডাঙৰীয়াই কৰা আচৰণটোও তেনেই সুকীয়া বিধৰ। এদিন মহকুমাধিপতিয়ে নেতা সকলক মাতি আনি বিচাৰৰ কাৰণে দিনবাৰ ধার্য্য কৰি দিলে। যথা দিনবাৰত সকলোটি আদালতত হাজিৰ হলত প্রতি জনকে ভাৰতীয় দণ্ডবিধি আইনৰ এশ সাত ধাৰাত দোষী সাব্যস্ত কৰি ফাটকত ভৰালে। এই কথা গণিঙীয়া চালৰ লগত ৰিজাই চাব লগীয়া।

শশীধৰ শর্ম্মা আচলতে শিৰসাগৰৰ। তেওঁ চৰকাৰী পশু চিকিৎসক (ভেটেনেৰী ডাক্তৰ) পদ ত্যাগ কৰি কংগ্রেছী হোৱাৰ অপৰাধেৰে অপৰাধী। এওঁৰো আছিল বছেৰেকৰ ম্যাদ।

সেই দৰেই ৰুদ্রকান্ত শর্ম্মা। বোধকৰোঁ এও এই লিখকৰ দৰেই শিক্ষকতা কৰিছিল। চাকৰি এৰি কংগ্রেছত সোমাই ফাটকত পৰি, পিচত শশী শর্ম্মাই শিৰসাগৰত পশুচিকিৎসক হোৱাৰ দৰে, এওঁ গুৱাহাটীত হোমিও ডাক্তাৰ হলগৈ। শিৰপ্রসাদ আগৰৱালা তেজপুৰ বিশ্বনাথৰ, পিচত তেওঁ ৰেৰিষ্টাৰ হয় আৰু বিধান সভাৰ সদস্য পদো পাইছিল। তেজপুৰ জেইলৰ পৰা অহা পঞ্চমজন হল যোৰহাটৰ মৌলৱী ফজলৰ ৰহমান। হাৰ শকত গাঠীমুঠী টনটনীয়া স্বাস্থ্যৱন্ত পুৰুষ। চৰকাৰী স্কুলৰ চাকৰি ত্যাগ কৰি স্বাধীনতাৰ সংগ্রামত জপিয়াই পৰিলহি। গুণী, জ্ঞানী, পণ্ডিৎ মানুহ জন।

আমাৰ যেনেকৈ কেইজনমানকহে আনিছে, তেজপুৰৰ ক্ষেত্রতো একেই কথা। তেতিয়াও তেজপুৰত আটক কৰি ৰখা সকলৰ ভিতৰত যি সকলৰ নাম সুঁৰৰিব পৰা হৈ আছে, সি সকল হল মহাদেৱ শর্ম্মা[১১১], কুমুদ চন্দ্র শর্ম্মা, পীয়াৰী মোহন চৌধুৰী, ফটীক

১১১। পিচত এম্-এল্-এ সাহিত্যিক।

চন্দ্র শর্ম্মা, মহিমচন্দ্র সিংহ, লক্ষ্মীধৰ শর্ম্মা, প্রফুল্ল চন্দ্র বৰুৱা[১১২] (পিচলৈ শিৱসাগৰত), তিলকচন্দ্র শর্ম্মা আৰু বগীৰাম শইকীয়া, নৰেন্দ্র নাথ গোস্বামী, হেমচন্দ্র হাজাৰিকা, মোলান চন্দ্র শর্ম্মা, লক্ষ্মীৰাম বৰুৱা, গহণ চন্দ্র গোস্বামী, ছবিলাল উপাধ্যায়, তুলসী হাতীবৰুৱা, চেনীৰাম দাস, ৰামলাল উপাধ্যায়, হাৰাং চন্দ্র কোচ, মোলাই কটকী, মদন চন্দ্র শইকীয়া, চন্দ্রধৰ নাথ, থীৰেশ্বৰ গগৈ, জীউৰাম নাথ, ৰুদ্র কান্ত বৰা, সংৰাম নাথ ইত্যাদি ইত্যাদি।

শিৱেন্দ্র চন্দ্র বিশ্বাস[১১৩] আৰু সুৰেশচন্দ্র দে দুয়ো হবিগঞ্জৰ। শিৱেণ বাবু মোক্তাৰ আৰু সিজন শিক্ষক। দুয়োজন আদহীয়া। ঘৰ বনিয়াচোঙত। বনিয়াচোংখনেই বোলে ভাৰতবর্ষৰ ভিতৰতে সবাতোকৈ ডাঙৰ গাওঁ। মানুহৰ অতি ঘন বসতি। তেওঁবিলাকৰ পৰা পোৱা বিবৰণ মতে বনিয়াচোঙত যি বর্ব্বৰোচিত অত্যাচাৰ হৈছিল সি জালিনৱালাবাগৰ নৃশংসতাৰ সমকক্ষ। অসহযোগৰ সভা এখনত, প্রজাৰ ওপৰত প্রজা। তাৰ সাক্ষাত লবলৈ বন্দুক বাৰুদেৰে সুসজ্জিত বণুৱা পুলিচৰ এটি পল্টন লৈ চুবমা উপত্যকা আৰু পার্ব্বত্য বিভাগৰ কমিছনাৰ ওৱেৰষ্টাৰ চাহাবৰ আবির্ভাব। জনতাৰ ওপৰত গুলী চলাবলৈ পল্টনটোৰ মুখ্য বিষয়াজনৰ ওপৰত কমিছনাৰ চাহাব বাহাদুৰৰ আদেশ হল। গোটেই খন সমাজ শান্ত, অহিংস আৰু নিৰস্ত্র হেতু তাত প্রতিহিংসাৰ কোনো কাৰণ নেদেখি বিষয়াজনে নুগুলিয়ালত, আয়ুক্ত ওৱেৰষ্টাৰে নিজ হাতৰ বন্দুকৰ একে জাই গুলীৰে সেই কর্ম্মচাৰীজনক নিপাত কৰিলে। একেটি নৰবধে মানুহ-চিকাৰী ওৱেৰষ্টাৰক উন্মত্ত কৰি তুলিলে। সমাজৰ মাজলৈ বন্দুক টোঁৱাবলৈহে পালে বাইজে যেনি পাই তেনি পলাবলৈ বাট বিচাৰিলে। পুলিচেও বলীয়া

১১২। প্রফুল্ল চন্দ্র বৰুৱা এম্-পি আৰু সুন্দৰপুৰ আদি চাহবাগিচাৰ মালিক।

১১৩। পিচত এম্-এল্-এ।

শিয়ালৰ দৰে ভগনীয়াৰৰ পাচ ললে। ক'ৰ মানুহ কেনি পলাল কাৰো উমান নোহোৱা হল। গুলিৰ ওপৰত গুলী পৰাত চৰম বিপদৰ সম্মুখীন বুজি ঘৰে ঘৰে তিৰোতা সকল কান্দি কাটি বাউল হল। জাক জাক তিৰী মানুহ ঘৰৰ বাজ ওলাল। দেখি পুলিচে মাৰিলে চোঁচা আৰু হুৰাই নিলে তিৰোতাদলক। এখন ঠাইত নিৰাশ্রয়া এই অবলাজাতিক ভয়ত কেকুৰি-মেকুৰি ঠাহ খাই থকা পাই সকলোকে ঘেৰাও কৰি চক্রবেহুত পেলাই লৈ হিন্দু মুছলমান, বুঢ়ী তিৰী, গাভৰু জীয়ৰী নির্ব্বিশেষে বিবস্ত্র কৰাই লৈ ঘৰৰ কেচা ভেটী খানিবলৈ বহুত নাঙঠীৰ হাতত কোৰৰ নাল ধৰাই কোৰ মাৰিবলৈ লগাই দিলে। চুড়ান্ত পর্য্যায়ৰ এক অভূতপূর্ব্ব পাশবিক অত্যাচাৰেৰে এইদৰেই বনিয়াচোং হেন গাওঁখনৰ পিৎ মাৰিলে।

৫। শিলচৰ জেইল

শিলচৰ জেইলৰ খবৰ ভাল। তাৰ অধ্যক্ষ ডাক্তৰ লক্ষ্মীপ্রসাদ চলিহা। জেলখন বোলে দেশভক্ত ফুকন ডাঙৰীয়াৰ হাতত এৰি দিয়াৰ নিচিনা। তেখেতৰ কতো প্রবেশ নিষেধ নাছিল। সাধাৰণ কয়দী সকলৰ লগতো বোলো অবাধে কথা বতৰা হৈ চলিছিল। তেখেতৰ আহাৰো বোলে ডাক্তৰ চলিহাদেৱৰ বঙলাৰ পৰা আহিছিল।

৬। বাবাজী, হলধৰ ভুঁয়া আৰু গোলোক গোস্বামী

যিদিনা পুৱা বাবাজীৰ সুৱদি মাতষাৰৰ পৰা বঞ্চিত হওঁ, জানো আৰু সেইটো তেওঁৰ মৌন ব্রতৰ দিন বুলি,—যেনে সময়ত তেওঁৰ খোৱাটো নিষেধ। এনেও তেওঁ এসাজহে ধৰে। পিচে খায় নো কি? বাবাজীৰ চাউল বেলেগ। চাউলৰ পৰা শিলাময় পদার্থখিনি বাচি উলিয়াব পাৰিলে পৃথক ওজনত শিলগুটিহে

জিকিব হবলা। এদিনাখন হলধব ভূঁয়া আৰু গোলোক গোঁসাইব কি চখ্ উঠিল জানো, বাবাজীক কলে বোলে দুয়ো সেই সাজ বাবাজীব লগতহে ধবিব। পুৱাব গোটেই বেলাটো দুয়ো বহি বহি বাবাজীব চাউলব শিলগুটি বাচিছেহে বাচিছে, বাচে মানে ওলাইহে গৈছে। শিলব গুবাব ওব নপৰা হল। শেহাস্তবত শিলব কণা এটিও নথকাকৈ যে বচা হল সেই সম্পর্কে দুয়ো নিঃসন্দেহ হৈ উঠিল। বাবাজীয়ে চাউল সিজাই হোমব কার্য্য সমাপন কবি এওঁবিলাকক ভাত বাঢ়ি দিলে। তেওঁবিলাকব দাঁতব মাজে মাজে পাথব গুবি সোমাই যে খাজ ললেই, কটব্ কটব্ কবে লাগি দাঁতো ভাঙো ভাঙো যেন কবিলে। তৎ নেপাই হাত ডাঙিল, খোৱা আৰু নহল। অথচ শিল নবচাকৈয়ে নিতৌ চাউল সিজাই খাই অবাধে হজম কবি থকা জনব বয়সে সত্তবব ফালে গতি কবিলে আৰু ইমান বাচি এটায়ো খাব নোৱাৰা দুয়োজনেই কুমাব।

৭। সশিষ্যে বাবাজী যোৰহাটলৈ

এনেতে এদিন চবকাব বাহাদুবে বাবাজীক যোৰহাট জেললৈ পঠিয়ালে; লগতে পাণ্ডেজীকো। ইমান খব-খেদাবে জেলব পৰা উলিয়াই নিলে যে যোৰহাট জেলব বীতি-নীতি সম্পর্কে এষাব বুজাই কবলৈকো সময় নহল। একেজন বাবাজী যোৱাতে গোটেই-খন উৰুঙা উৰুঙা লাগিবলৈ ধবিলে।

একে সময়তে মহাত্মাজীক গ্রেপ্তাব কবি নি ছ-বছবলৈ ম্যাদ দি বন্দী কবাব খবব পাইছো। [১১৪]

১১৪। পঞ্চম অধ্যায়ব "বৰদৌলী চৌৰী চৌৰা" দ্রষ্টব্য। আইন অমান্য আন্দোলন বন্ধ কবাব ছেগতে লর্দ বীদিডব চবকাবে মহাত্মাজীক বন্দী কবিলে।

৮। ৰৱদলৈ আৰু চলিহা

বাবাজী আৰু পাণ্ডেজী যোৱাৰ কেইদিনমানৰ পিচত আচম্বিতে দুজন ভব্য-গব্য পুৰুষক গা ঘেলাই ঘেলাই ৰাজহংস গতিত আমাৰ বাসাৰ ফাললৈ অহা দেখিলো। সাইলাখ ৰৱদলৈ আৰু চলিহা যেন দেখি সপোন যেন লাগিছিল যদিও ক্ষন্তেকৰ মূৰতে স্বপ্ন ভাগিল,—সঁচাকৈ নবীন ৰৱদলৈ আৰু কুলধৰ চলিহা! আশ্রম গহীন হৈ পৰিল। আনন্দ-আহ্লাদত আমাৰ সকলোৰে মন বুৰ গল। এতিয়া শেহতীয়া বাতৰিৰ কাৰণে সকলোৰে উগুল-থুগুল মন ব্যাকুল!

৯। যোৰহাট জেলত বাবাজী

বাবাজীৰ কথাই বাতৰিৰ মোখনি গুছালে। বোলে চিলট জেলত থকাৰ দৰেই যোৰহাট জেলতো বাবাজীয়ে এঠাইত নিৰলে ধ্যানমগ্ন হৈ আছিল, এনেতে জেইল চুপাৰিণ্টেদেণ্ট ডাক্তাৰ গ্রাহাম চিভিল চার্জন চাহাবৰ আবির্ভাব আৰু লগে লগে ফাইল আৰু "চৰকাৰ চেলামৰ" হুকুম পৰিল। বিপৰীত দিশে মুখ কৰি বহু আতৰত আসন কৰি বহি থকা সেই কয়দীটিৰ প্রতি চাহাবৰ চকু পৰিল। তেওঁক আনিবলৈ হুকুম হল। মতা হল, কিন্তু তন্ময় অবস্থাত পৰি তেওঁ অচেতন; শ্রবণ শক্তি তেওঁৰ লোপ পাই আছিল। এইবাৰ বলাৎকাৰৰ আদেশ দিলে। তেওঁক যোগাসনৰ পৰা লুটি খুৱাই পেলাই চিপাহীয়ে চোঁচোৰাই লৈ আহিল। এই আচৰণত ঘটনা চূড়ান্ত পর্য্যায়লৈ উঠিল। যোগী এজনৰ প্রতি এনে অমানুষিক অত্যাচাৰ কৰাৰ কাৰণে ৰৱদলৈ ডাঙৰীয়া সেই ইংৰাজ চিভিল চার্জ্জনজনৰ প্রতি অগ্নি শর্ম্মা হৈ উঠিল। ভগৱন্তৰ ধ্যানত ৰত হৈ থকা অৱস্থাত সিদ্ধপুৰুষ এজনক এনে পাশবিক ধৰণেৰে অপমান কৰিবলৈ তেওঁ কোন? সিজন তেওঁৰ স্বধর্ম্মী হোৱা হলে (অর্থাৎ খৃষ্টীয়ান হোৱা হলে) তেওঁ আজি এনে গর্হিত

কার্য্য কৰিবলৈ সাহ পালেহেতেন নে? পিচে বান্দৰক বুজনি দিলে কি হব? ৰৱদলৈ আৰু চলিহা দুয়োকে শ্রীহট্ট জেইল অভিমুখে চালান দিলে আৰু লগে লগে যোৰহাট জেইলৰ ৰাজনৈতিক বন্দী সকলৰ ওপৰত অমানুষিক অত্যাচাৰৰ উজান তুলিলে।

১০। পঢ়াৰ সুযোগ

ৰৱদলৈ ডাঙৰীয়াৰ আগমনৰ আগছোৱাত, পৰিদর্শনত জেলৰ কোনো অংশ এৰা নপৰক বুলিয়েই হবলা চুপাৰিণ্টেদেণ্ট কর্ণেল ইনিচ চাহাবে আমি থকাৰ ফালেও পাক্ এটা দি যায়। আহে আৰু যায়। আহোতে যেনে অমাত, খোজ বুলাওতেও বোৰাৰ দৰে নিমাত। এনে নিবোকা-চামোনীয়া গুণৰ পম খেদি গম পালো, তেওঁ বোলে ৰাজনৈতিক বন্দীৰ লগত আলাপৰ অনিচ্ছুক; কিয়নো, তেওঁৰ মতে অসহযোগী সকলে অকস্মাতে অপমান কৰি পেলাব পাৰে ("দে কেন্ ইঞ্জাল্ট্ আছ্ এৎ এনী ম'মেণ্ট")[১১৫]।

পূর্ব্ব পৰিচিত বুলিয়েই নহয় আৰু কিবা কিবি কাৰণত কর্ণেল ইনিচে কর্ম্মবীৰ ৰৱদলৈক পৰম শ্রদ্ধাৰ চকুৰে চায়; আৰু সেই কাৰণেই তেখেতৰ লগত আলাপ কৰেহি। এদিন ডেপুটী কমিছনাৰ ল'য়দ্ আৰু কর্ণেল ইনিচ্ দুয়ো আহক। ৰৱদলৈ ডাঙৰীয়াই এই ছেগতে কিতাপ পত্রৰ অভাৱৰ কথা উলিয়ালে। সেই দিনাই ফৰাচী বিপ্লব (ফ্রেন্স ৰিভলিউছান), হেষ্টিংচ্-গৰিহণা (ইম্পিছ্-মেণ্ট অব্ ওৱাৰেণ হেষ্টিংচ্) আদি কৰি সংখ্যাত এশ কিতাপ ভৰাই বাকচ এটা পঠিয়াই দিলে যে দিলেই, দুই এদিনৰ ভিতৰতে কোনোবা 'খিৰোদ বাবু' বোলা জাতীয় ভাবাপন্ন উকীল এজনৰ হতুৱাই নেৎছান্ কোম্পানীৰ সুবৃহৎবিধ সংস্কৰণৰ দাদাভাই নৌৰজী, গোপালকৃষ্ণ গোখলে, পণ্ডিত মদনমোহন মালব্য,

১১৫। They can insult us at any moment.

বালগঙ্গাধৰ তিলক আদিৰ বাহুল্য জীৱনী আৰু সুৰেন্দ্রনাথ বানার্জ্জীৰ "এ নেশ্যন ইন্ দী মেকিং"[১১৬] আদি শ্রেণীৰ কিতাপৰ উপৰিও বঙালী ভাষাৰ উপন্যাস আৰু আনকি শ্রীশ্রীবিজয়কৃষ্ণ গোস্বামীৰ শিষ্যৰ শ্রীশ্রীসদগুৰু সংগ, তদুপৰি জন্মান্তৰ ৰহস্য আদি এশখনমান কিতাপ পঠিওৱালে। প্রথম কিস্তি ফিৰত পালে দ্বিতীয় কিস্তি পঠিয়াব বুলিও আশ্বাস পালো।

দাদাভাই নৌৰজীয়ে বিলাতৰ পার্লিয়েমেণ্টৰ মেম্বাৰ হৈ থকা কালত আকালগ্রস্ত ভাৰতীয়ৰ সাহায্যৰ অর্থে চাঁদা সংগ্রহৰ কাৰণে "ভাৰতৰ ৰক্তপাত হবই লাগিব (ইণ্ডিয়া মাষ্ট্ বি ব্লেদ")[১১৭] শিতানেৰে যিটি বক্তৃতাৰ দ্বাৰা হোৰা হোৰে ধন সংগ্রহ কৰিছিল, তাকো য'ত সন্নিবিষ্ট কৰা আছে, এনে এখন কিতাপ ৰাজদ্রোহীৰ দলক পঢ়িবলৈ দিয়াটো চৰকাৰী চাকৰিয়ালৰ পক্ষে কম সাহসৰ পৰিচায়ক নহয়।

১১। আৰু সহবাসীৰ আমদানি

যোৰহাটৰ পৰা আকৌ এদল পালেহি। প্রায়বিলাকেই নগঁয়া ডেকা। কেইজনমানৰ উপাধি বঙলুৱা যদিও, খাচ্ অসমীয়া। আদহীয়া বয়সৰ এজনো আহিছিল, উপাধিত তেৱোঁ বঙালী। এওঁৰ হেনো বহু সতি সন্ততি। "সন্তাননো কেইটি?" বা "আপোনাৰ লৰা কেইটি আৰু ছোৱালী কেইটি?" বুলি শুধিলে ৰৰটিৰ পৰা আৰম্ভ কৰি এমূৰৰ পৰা নাম কাঢ়ি কাঢ়ি আঙুলীৰ মূৰত গস্তি কৰিহে শেহত সংখ্যাটো কৈ ভাল পায় আৰু আমাকো আমোদিত কৰে। আমাৰ ভিতৰত যি জন সতীর্থই তেওঁক ওপৰত কৰা প্রশ্ন কৰি প্রায়ে ৰহস্য কৰিছিল, তেৱেঁই বোলে পিচত সেই মানুহজনৰ জোৱাঁয়েক হল। সেইজন হলধৰ ভূঞা।

১১৬। A Nation in the Making.

১১৭। "India must be bled"

১২। বাবাজীৰ দেহত্যাগ

যোৰহটীয়া দলটিৰ মুখে শুনা মতে সেই যে চিপাহীয়ে চোঁচোৰাই অনাত আমাৰ বাবাজী মৌনী আৰু অনাহাৰী হল, হলেই ; কেই সপ্তাহমান সেইদৰেই পাৰ কৰি এদিন এই নশ্বৰ দেহা ত্যাগ কৰিলে। ৰাজনৈতিক অপৰাধী সকলেই তেওঁৰ সংকাৰ কৰিলগৈ। বাবাজীক আৰু 'বাবাজী', 'গুৰুজী' আদি বোলোতেই গল, তেওঁৰ আচল নামটো জানি থবলৈ নহল। তেওঁ আগতে গল, বৃটীচৰ নৃশংসতাৰ প্ৰতিদান স্বৰূপ ভাৰতলৈ স্বৰাজৰ আশীৰ্ব্বাদ বিচাৰি। স্বৰ্গতো তেওঁৰ কৰ্ত্তব্য কৰিলগৈ। এনেজন পুৰুষক পাহৰণিত পেলোৱাটো অতি পৰিতাপৰ কথা।

১৩। যোৰহাটত জেলে বাহিৰে দলন

এটা মাথোন দৃষ্টান্ত। কৰ্ম্মবীৰ বৰদলৈৰ বৰ পুতেক উমেশচন্দ্ৰ বৰদলৈ বোলে ঘানী ঘুৰাই ঘুৰাই মুচকচ হৈ পৰি গৈছিল। (এওঁ স্বাধীন ভাৰতত অসমৰ স্বাস্থ্য বিভাগৰ প্ৰধান বিষয়া হৈছিল)। হেমচন্দ্ৰ বৰুৱাৰ নিচিনা হাতী যেন ডেকাজনো বোলে কেনেবাকৈহে সজ্ঞানে ৰৈছিল। (এওঁ প্ৰাক্-স্বাধীনতাৰ দিনৰ খ্যাতিমন্ত প্ৰাদেশিক কংগ্ৰেছ সভাপতি আছিল। এওঁৰেই "ত্যাগবীৰ।") এয়ে যোৰহাট জেলৰ ভিতৰছোৱাৰ নমুনা। তেতিয়াৰ এই নিৰ্য্যাতনভোগী সকলৰ ভিতৰত শশীধৰ মলীয়া-বৰুৱা আৰু মহেশ্বৰ কটকী আদিৰ পৰা পোৱা বৰ্ণনা বিলাক অতি হৃদয় বিদাৰক।

তথাকথিত সদ্‌বংশজাত সদ্য-নিযুক্ত একষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰ এজন আৰু চব্ ডেপুটী কলেক্টৰ এজনৰ যুটীয়া নেতৃত্বত যোৰহাটৰ পৰা এক পল্টন চিপাহীয়ে পিউনিটিভ্ পুলিচ নাম লৈ ছেউনি আলি, মাছখোৱা গড়, বৰ আলি আদিৰ কাষৰীয়া গাঁওবিলাকত কেইবাদিনেও লেহেমীয়া গতিৰে লুটপাত কৰি আহি এদিন শিৱসাগৰ পালেগৈ। পিউনিটিভ্ ফৌজটোৰ একমাত্ৰ উদ্দেশ্য

আছিল হোজা চহাৰ মাজত ঘোৰ আতঙ্কৰ সৃষ্টি কৰা। হিৰণ্যকশিপুৰে শত্রুভাবে ভগৱন্তক লাভ কৰাৰ দৰে, এই ফুকন আৰু ৰাজখোৱা পুৰুষ সিংহ দুজনেও দেশ স্বাধীন হোৱাৰ লগে লগে চৰকাৰৰ উচ্চ শৃঙ্গলৈ উত্তীর্ণ হৈ সর্ব্বশক্তিমানজনৰ বিচাৰৰ ওপৰত সন্দেহ জন্মোৱাই দিলে।

১৪। চন্দ্রনাথ শর্ম্মা

দুপৰীয়া ভাতৰ পাতত বহিছোহে তেনেতে আওবাটেদি অহা অপ্রত্যাশিত ভাবৰ টেলিগ্রাফ এটিয়ে সকলোৰে হিয়া ভাঙি দিলে —চন্দ্র শর্ম্মা আৰু নাই[১১৮]! ৰৱদলৈ চলিহাকে মুখ্য কৰি আমি সকলোটিয়ে বাঢ়ি লোৱা সকলোখিনি ভাত পানী দলিয়াই পেলাই গা-পা ধুই শোক-সভাত বহিলোহঁক। এনে নিদাৰুণ সংবাদ আমাৰ জেল জীৱনত এয়ে প্রথম।

১৫। পদ্মশ্রী নলিনীবালা দেবীৰ পুত্র

এইদৰেই হঠাৎ এদিন ৰৱদলৈদেৱৰ জী-নাতি এটিৰ আকস্মিক মৃত্যুৰ সংবাদটি ওলালাহ। থুলন্তৰ সেই লৰাটি পাণ্ডুৰী মাৰি সাইলাখ মূর্ত্তিমান স্বামী বিবেকানন্দ যেন হৈ অসহযোগীৰ সমদলত আগভাগ লৈ দেখুৱা অকণমান লৰাটিৰ কার্য্য কলাপৰ দৃশ্য মোৰো চকুৰ আগত ভাঁহি পৰিলহি। পিতৃহীন এই নাতীয়েকটি ঢুকুৱাৰ বাতৰিয়ে ৰৱদলৈক তেনেই ম্রিয়মান কৰিলে; কিন্তু এই নিদাৰুণ বেথা সহ্য কৰিবলৈ শক্তি বিচাৰি ৰৱদলৈ ডাঙৰীয়াই কাকত কলমহে লৈ বহিল। মর্ম্মান্তিক বেদনাৰ তাপত তেখেতৰ কলমৰ পৰা যিটি কৰুণ ৰসৰ বিৰহৰ কবিতা নিজৰি ওলাইছিল সিও অসমীয়া সাহিত্যৰ কাৰণে এক আপুৰুগীয়া সম্পদ। অতি বেদনা-কাতৰ অৱস্থাত লিখিত সেই ভাৰ আৰু ভাষাই ৰৱদলৈদেৱৰ

১১৮। ১৯২২ চনৰ ২০ জুলাই বুধবাৰে ঢুকায়।

অন্তর্নিহিত কবিত্ব শক্তিব মাথোন পবিচয় দিছিল। পিচে এই কবিতাটি কতো প্রকাশিত হোৱা দেখা মনত নপবে।

১৬। স্বাস্থ্য

আমাক কঢ়িয়াই নিয়া বেলখনে যিদিনা লামডিং জংছন এবি পাহাববোবেদি সবকিবলৈ লাগিল, সুৰুঙাবোৰত হলধব ভুঁয়াই উশাহ পাহবা যেন আশঙ্কা হৈছিল। বেচি আতঙ্কিত হলো চিলট জেল পায়ো আমাক এসেকা দিয়েগৈ বুলিহে। পিচে জেলব দিন কেইটা ভুঁয়াদেৰব ভালেই চলিল।

তেনেই ককাল খামুচীয়া আব্দুল মতিন চৌধুবীটিক বিশেষকৈ কুলধব চলিহা ডাঙবীয়াই সেক্-তাপদি মালিছ কবি জেলব বছবটো বচাই বাখিল বুলিহে, পিচত তেওঁ আনকি চাব মহম্মদ্ চাহুল্লা চাহাবব লগতো টিঘিল্‌ঘিলাই তলব মাটি ওপব কবি ফুবিব পাবিছিল।

ববদলৈ ডাঙবীয়াব আল্‌জিভাব তলতে দ গাঁতব নিচিনা কিবা এটি হৈছিল। গাতটি চর্ম্ম চক্ষুবেই ফটফটীয়াকৈ দেখা গৈছিল। সেই খোবোং কণত জিভাখনব আগটো কেনেবাকৈ এবাব সোমাব লাগিলে তেখেতব তেনেই যোৱা থোৱা দশা হোৱা দি হৈছিল। দিনত চোৱা চিতা কবিবলৈ আমি গোটেইখন আছোঁ, কিন্তু চলিহা-ববদলৈব বাতি শোৱা ঠাই আমাব পবা বহু আতবত। এনেস্থলত গধূলিতে কোনোবাজনব কিবা এটা অঘটন, দুটা চোঙব এটাত ঘটিবলৈ হলেও, পুৱাতহে সিঠাইত খবব ওলাবহি পাবিব। সিহাতে টোপনিয়ে চিলমিলালেই বিকাৰটোৱে উগ্রমূর্ত্তি ধাৰণ কবে আৰু এইদবেই চলিহাবো অনিদ্রাব অভ্যাস গঢ়ি উঠিল। চলিহাব টোপনি নিচেই পাতল হৈ পবিল।

১৭। তেজে নেমানিলে

বোগব লক্ষণ বিষম বুজি চিভিল চার্জ্জন কর্ণেল ইনিচ, জেল-অধ্যক্ষই ববদলৈক ইউবোপব ভিয়েনা নে কোনোবা এখন ঠাইলৈ

চিকিৎসাৰ কাৰণে পঠিয়াবলৈ চৰকাৰ ওচৰত পৰামর্শ আগবঢ়ালে। এই প্রস্তাৱৰ যুক্তি যুক্ততাৰ নির্ণয়ৰ সম্বন্ধে ভাৰ পৰিল, আইন সচিব, আব্দুল মজিদ চাহাবৰ ওপৰত। আইন-সচিবৰ আগমনৰ দিনা পুৱা আমি ৰৱদলৈ ডাঙৰীয়াক অনুৰোধ জনালো, যাতে মজিদ চাহাবৰ ওচৰত সেও মানি কার্য্য সিদ্ধি কৰে; আৰু বুজালো যে, স্বাধীনতা সংগ্রামৰ সন্দর্ভত তেখেতৰ জীৱনৰ যি এক বিশিষ্টতা গঢ়ি উঠিলে, হঠাত এনে সন্ধিক্ষণত তেখেতৰ কিবা হব লাগিলে গোটেই অসমৰ কাৰণেই বিষম হব; এতেকে, আন সকলো কথা কাতি কৰি থৈ অকল অঁসম দেশখনৰ হকে হলেও নিজৰ দেহাটি তেখেতে সুস্থ সবল কৰি ৰাখিবই লাগিব। হাঁহি মুখে আমাৰ কথা শুনি শুনি, এবাৰ তেখেতে কৈ উঠিল, "বুজিচা? শৰীৰম্ আদ্যম্ খলু ধর্ম্মসাধনম্। মজিদৰ ওচৰত আজি মই কেনে শান্ত শিষ্ট শিশুটিৰ নিচিনা আচৰণ কৰিম চাই থাকিবাঁহক।" তেতিয়া আমাৰ মনৰো খুহুৰনি মৰিল।

টুপৰ কোঠাটোৰ দুৱাৰ মুখৰ পোনে পোনে বহিছে চলিহা আৰু ৰৱদলৈ, দুয়ো মূৰে মতিন চৌধুৰী, ৰৱা, গোস্বামী, পণ্ডিতজী, মৌলবী চাহাব আদি। এনেতে পালেহি কমিশ্যনাৰ ওৱেষ্টাৰ, আই-জী-পি চাহাব, ডেপুটী কমিশ্যনাৰ, জেইল চুপাৰিণ্টেডেণ্ট, এদল চাহাব আৰু পুলিচৰ সৈতে পৰিবেষ্টিত হৈ আমাৰ মজিদ্ চাহাব। দুৱাৰ মুখতে ঠিয় হৈ লগৰ দলৰ পৰিচয়ৰ অর্থে ৰৱদলৈলৈ আঙুলিয়াই মজিদ্ চাহাবে কবলৈ আৰম্ভ কৰিলে,—"সেই জন নবীন চন্দ্র ৰৱদলৈ, স্বর্গীয় ৰায় বাহাদুৰ মাধৱ চন্দ্র ৰৱদলৈ ডাঙৰীয়াৰ পুতেক। মাধৱ চন্দ্র ৰৱদলৈ আমাৰ গৱর্ণমেণ্টৰ বৰ বিশ্বাসভাজন বিষয়া আছিল। অতি সুখ্যাতিৰে তেওঁ বহুত দিন চৰকাৰী চাকৰি কৰি পেঞ্চন পাইছিল। তেওঁৰ দুজন পুতেক এতিয়াও ই-এ-চী কামত আছে,—ৰায়বাহাদুৰৰ সেই দুজনৰ, প্রবোধ ৰৱদলৈ এওঁ নবীন ৰৱদলৈতকৈ ডাঙৰ আৰু গিৰীশ্ ৰৱদলৈ নামৰ ই-এ-চী সক……।"

তাৰ পিচত চলিহাৰ পিনে আঙুলিয়াই আৰম্ভ কৰিলে, "তেওঁ ৰায় বাহাদুৰ ফণিধৰ চলিহাৰ পুতেক, কুলধৰ চলিহা। ৰায় বাহাদুৰে এতিয়াও পেঞ্চন পাই—" বোলোতেই ৰৱদলৈ ডাঙৰীয়া উঠি মজিদৰ মুখৰ ওপৰতে বজ্রগম্ভীৰ সুৰে কৰলৈ আৰম্ভ কৰিলে, "মিষ্টাৰ মজিদ্, চলিহাৰ চিনাকি সেই পাতনিৰে দিবৰ কোনো আৱশ্যক নকৰে। 'কুলধৰ চলিহা' নামটোতে আজি তেওঁক অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে সকলো মানুহে চিনি পায়। সেই কাৰণে ৰায়বাহাদুৰৰ নাম লৈ টনা অজোৰা কৰি তেওঁৰ চিনাকি নিদিলেও চলে। তেওঁ চৰকাৰী ই-এ-চী কাম লখিয়াই এৰি আহিছিল। আৰু মোৰো চিনাকিটো পৰিস্কাৰ দিব পাৰিল হেতেন এই বুলি—'এওঁ অনা শাসন সংস্কাৰ আইনৰ জহতে মই আইন সচিব আৰু ৰৱদলৈয়ে অসহযোগ নকৰা হলে বৰ্ত্তমান মই তেওঁৰ শাসনৰ অধীনতহে থাকিলো হেতেন।"

সাউৎ কৰে মজিদ চাহাৰ ওলাই যোৱাত বাকী বিষয়া সকলেও তেওঁৰে পাচ ললে। ইফালে আমাৰ মাজত ইচ্ আচ্ উঠিলে —"খালে; ৰৱদলৈয়ে খালে" বুলি। ৰৱদলৈ কিন্তু গহীন গম্ভীৰ। —কলে, "বুজিছাঁ? মই পুৱা কৈছিলো 'শৰীৰম্ আদ্যম্ খলু ধর্ম্মসাধনম্', পিচে অন্তর্য্যামীজনৰ সন্মান ৰক্ষা কৰিবলৈ প্রাণৰ আহুতি কোনো ডাঙৰ কথা নহয়। যি শাসনতন্ত্রক ধ্বংশ কৰাৰ প্রতিজ্ঞাৰে তাৰ লগত অসহযোগত নামিলো, কতই কিমান নির্য্যাতন ভুগিব লগীয়াত পৰিছোঁহক, ইহঁতক এতিয়া আমাক হেয় জ্ঞান কৰিবলৈ সুবিধা দিলে আন্দোলনৰ শিৰতে মাধমাৰ শোধাবলৈ দিয়া হব। তাৰ দ্বাৰা ইহঁতৰ শাসন প্রণালী যুগমীয়া হৈ পৰিব।"

পৰমেশ্বৰৰ পৰম কৃপাত গুৱাহাটীৰ পৰা গুণিন্দ্র নাথ ৰায় নামৰ এজনে, পিচ দুৱাৰেদি অর্থাৎ চিলট জেইলৰ ডাক্তৰ জনৰ হাতেদি, যি এটি হোমিওপেথিক ঔষধ পাৰ কৰি দিলে তাৰ গুণতে ৰৱদলৈ ডাঙৰীয়াৰ এই গুৰুতৰ ৰোগৰ অন্ত পৰিল। পিচে জেললৈ বাহিৰৰ

ঔষধৰ প্ৰবেশ নিষেধ। গতিকে এই চোৰাং চিকিৎসাৰ সংবাদ সদৰি নোহোৱা কাৰণেহে ৰৱদলৈ যে এক অস্বস্তিকৰ পৰিবেশৰ হাত সাৰিল, বেচেৰা সেই সৰলমতীয়া এচিষ্টেণ্ট চার্জন জনৰো লটিঘটিখন নহল; তাৰ ফলত, ৰৱদলৈক নিৰোগী কৰাৰ যশস্যা চিভিল চর্জ্জিন কর্ণেল ইনিচ চাহাবৰ হে হল।

ৰাজনৈতিক বন্দী জীৱনত ৰৱদলৈ দেৱৰ আৰ্থিক দুৰৱস্থা ইদিন সিদিনকৈ বাঢ়ি গৈছিল। এই সময়ত তেখেতক অযাচিতে জেইলৰ পৰা উলিয়াই দিয়া হলে ইউৰোপলৈ গৈ চিকিৎসা লোৱা সম্ভৱপৰ নহল হেতেন। গতিকে এলোপেথিক চিকিৎসাকে মোৰ বুলি লবলৈ হোৱা হলে ৰৱদলৈৰ সেই সময়তে লোকান্তৰ ঘটিল হেতেন। মূল কথা, আৰ্থিক অৱস্থা। বেমাৰীক খৰছান্ত কৰা এলোপেথিক চিকিৎসা প্ৰণালীটো আমাৰ দেশৰ জনসাধাৰণ, বা দেশৰ শতকৰা নব্বৈ জনৰ পক্ষে সুলভ নহয়। এতেকে দেশৰ জনতাৰ সামৰ্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ব্যৱস্থা কৰিব নোৱাৰিলে, দৰিদ্ৰ ৰায়ঁতৰ হাড়ক মাটী তেজক পানীকৈ অৰ্জ্জা ধনৰ টকাৰে, কেৱল সমৰ্থবান সকলৰ কাৰণেহে অকল এলোপেথিক দিয়ে চলাৰ যোৱাটো ন্যায় সঙ্গত নহয় যেন লাগে। এতিয়া দেশৰ জনসাধাৰণৰ অবস্থা চাই ব্যৱস্থা নির্ণয় কৰিবলৈ হলে, কোন কোন ক্ষেত্ৰত এলোপেথিক আৰু কোন কোন ক্ষেত্ৰত দেশীয় বা হোমিওপেথিক চিকিৎসাৰ আশ্ৰয় লব লাগে, তাৰ বিষয়ে তৰ্কি চোৱাৰ দিহা কৰাহে যুগুত।

১৮। ভোজন

যোৰহাট জেলৰ তিক্ত অভিজ্ঞতাই চিলটত আমাক দৰঙীয়াদলৰ পাগৰ ভিতৰলৈ সুমুৱাই স্বপাকীত পৰিণত কৰিলে। যোৰহাটত নৰহন্তা পাতকীৰ হাতে খাই বৰ বিষম লাগিছিল। পাপ ঘৃণনীয় যদিও নৰহত্যাকাৰী পাপীজনক ঘিণ কৰাটোত কোনোবাই অস্পৃশ্যতাৰো চেকা দেখা অস্বাভাবিক নহয়। কাৰোবাৰ হাতে

কোনোবাই নেখালে বুলিয়েই যে সিজন অস্পৃশ্যতাৰ অপৰাধত অপৰাধী এনে কথা মানি লোৱা টান। এই প্ৰসঙ্গত ব্যক্তিগত মন্তব্য একাষাৰ হয়তো অবান্তৰ নহব। আন আন দেশৰ দৰে অসমৰো সুকীয়া জাতীয় সংস্কাৰ আছে। পাপীয়ে প্ৰশ্ৰয় পালে পাপে শিয়ায় বুলি জন সমাজত আমাৰ এটি ধাৰণা আছে। অসমৰ পৰ্ব্বতে ভৈয়ামে থকা আদিবাসীসকলৰ বুকলৈকে বাহিৰৰ পুৰ পচিম উত্তৰ দক্ষিণ আদি চৌদিশৰ পৰা নিছিগা ধাৰে অহা ভাৰতীয় অভাৰতীয় শ শ জাতিৰ সংমিশ্ৰিত সুঁতীয়ে আমাৰ সুদূৰ অতীতৰ পমুৱা পিতৃ পিতামহ সকলৰ ভিতৰত ভাষা সংস্কৃতি আচাৰ নীতি আদিৰ সামঞ্জস্যৰ ওৰ পেলাইছিল। সিহাতে পৰশুৰাম কুণ্ড, কুণ্ডিল, মণিপুৰ, শোনিতপুৰ, বশিষ্ঠাশ্ৰম, কামাখ্যা, পাণ্ডু, ধুবুৰী আদি অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে সিচৰিত হৈ থকা বুৰঞ্জী প্ৰসিদ্ধ স্থান বিলাকে প্ৰাক্ শঙ্কৰী যুগহে নেলাগে ৰামায়ণৰ যুগৰ পৰাই অসমত হিন্দুৰ বিশেষ প্ৰতিপত্তিত্বৰ ঘোষণা কৰি আছে। এনেদৰে বাৰ ৰৰণীয়া জাতি আৰু সম্প্ৰদায়ৰে সংগঠিত অতীতৰ এই অসম ভূমিত, পদেপতি পৰিলক্ষিত হোৱা বিভিন্ন সংস্কাৰ আদিৰ স্বত্বেও, প্ৰাপ্তবয়স্ক যুবক যুৱতীৰ বৈবাহিক মিলন অপৰিহাৰ্য্য হোৱাত, সেই প্ৰশ্নই জটিল আকাৰ ধাৰণ কৰা স্বাভাবিক; আৰু তাৰ সমাধান কল্পে এনে পৰিবেশত ডেকা আৰু গাভৰু, উভয় পক্ষৰ অভিভাৱক সকলে 'অচিন কাঠৰ ঠোৰা' বুলি কৰা বৰ্জ্জন-নীতি বাধ্য হৈ পৰিহাৰ কৰিব লগীয়াত পৰিল। ভোজন এক প্ৰকাৰ স্বপাকী হৈয়েই ৰল। ধৰ্ম্ম জাত আদিৰ যথাসম্ভৱ বিচাৰ লৈ কুটুম্বিতা পাশত আবদ্ধ হোৱা স্বত্বেও ইঘৰে সিঘৰৰ বন্ধা নাখায়; জোঁৱায়েকে শহুৰেকৰ ঘৰতো নিজে ৰান্ধি হে খায়; অনেক ক্ষেত্ৰত আনকি বোৱাৰীয়েও মাকৰ ঘৰত টো-খুটি মাৰি খাব লগীয়াত পৰে। হেজাৰ বছৰীয়া এনে আচাৰ পদ্ধতি পাশ্চাত্য শিক্ষিতৰ সমাজত শিথিল হৈছেহি যদিও চলিত যুগৰে দুই এটি পটন্তৰ দিয়াৰ লোভ সামৰিব নোৱাৰিলো। তেতিয়া

আমি লৰা। ১৯০৫-১০ চনৰ ভিতৰৰ কথা। ধনীকাই আমাৰ ঘৰত কাম কৰা কলিতা কুলীয়া লৰা। আমি নিকপকপীয়া বিধৰ বামুণ। ধনী কাইৰ পিতাক আহিল ৰাতি থকাকৈ,—পুতেকক চাই যাবলৈ বুলি। পিচে তেওঁ আমাৰ ভিতৰৰ চাউল-সিজোৱা নধৰে। গতিকে তেওঁক বুলনী ঘৰতে খুটি পুতি নিজে ভাত মুঠি বহাই খাবলৈ সিধা-পাতি যোগাৰ দিয়া হল। অথচ আহি পায়েই আৰু যাবৰ পৰতো তেওঁ দেউতাক সেৱা কৰিছে। ই যদি অস্পৃশ্যতা, তেন্তে সি নো কোন জাতীয়? আবিয়ৈ অথবা দহ ঠাই দেখা ডেকা গাভৰুৰ হাতে তেওঁবিলাকৰ গুৰুস্থানীয় সকলে নোখোৱা প্রথাটো অপ্রচলিত হৈ পৰা নাই। ধর্ম্ম প্রথামতে তিৰীজাতিৰ হাতে পাকান্ন খোৱা অবিধি বুলি মহাপুৰুষীয় বৈষ্ণব সাহিত্যিক হলীৰাম মহন্তদেৱে কোনো তিৰোতাৰ হাতে যে নেখাইছিলেই, তেওঁৰ পৰিবাৰহে নালাগে মাকৰ পগোৱা ভাততো মুখ নিদিছিল। স্বনামখ্যাত গৰমূৰীয়া সত্রাধিকাৰ পূজ্যপাদ শ্রীশ্রীপীতাম্বৰ দেৱ পোস্বামী প্রভুৱে ১৯০৯ কি ১৯১০ চনত তেৰাৰ জাঁজীৰ গৰমূৰৰ বাহৰত পতা বিৰাট এটা ভোজত শ শ জনক বেলেগে বেলেগে চৰু পাতি বন্ধা দেখিছিলো। নিজ শিষ্যই ৰান্ধি বাটি দিলে খাবলৈ সাজু, গোঁসাই মহন্তনো কত ওলাইছে? এতিয়াও সমাজৰ মাৰ নেওচিলে, গাঁৱত যাক এঘৰীয়া কৰা হয়, তাৰ লগত ৰাইজৰ হোকা পানী বন্ধ। এই বিলাকৰ ভিতৰত অস্পৃশ্যতাৰ জুইকুৰানো কত গাপ লৈ আছে সিও অনুসন্ধানৰ কথা হে। অসমীয়া হিন্দুৰ সমাজত এবিধ অস্পৃশ্যতাই ধৰা নিদিয়া হৈ চলি আছে,—যেতিয়া আই সকলৰ মাহেকীয়া চুৰ নোৱাৰা হয়, তাৰ তিনি চাৰি দিন। জীৱনত, মাহে চাৰি দিন আৰু প্রসৱৰ পিচৰ অশৌচীয়া মাহত তেওঁবিলাকৰ ওপৰত অস্পৃশ্যতাই ৰাজত্ব কৰে। এতেকে আমাৰ থন দেশৰ প্রকৃত অস্পৃশ্যতা কোনখিনিত সি সুধী সকলৰ বিচার্য্য।

আমি খাবলৈ পোৱা যোৰাহাট জেলৰ খাদ্য মানুহ মাত্রৰে

অখাদ্য। জেলপক্ষৰ দুর্নীতিৰ কথাবোৰ আমালৈ প্রথমতে সাধুকথা হোৱা যেন হে হৈছিল। জেল কানুন অনুযায়ী পুৱাৰ মাৰ ভাত আৰু দুবেলাৰ দুয়োসাজৰ কাৰণে যিমানখিনি বছদৰ বিধান, জেল কর্ত্তৃপক্ষই যোগনীয়া মহাজনক সিমানখিনি বস্তু পোৱাবে বছিদপত্র দিয়ে যদিও, প্রকৃততে তাৰ তিনিভাগৰ এভাগ গোলাতে এৰি আহে আৰু তাৰ যি মূল্য, সংশ্লাষ্ট সকলোৰে কাৰণে তাত অংশ থাকে। এই উপায়ে নৰনাৰায়ণৰ পেট মাৰি, এৰা সকলে নিজৰ নিজৰ আর্থিক অৱস্থাৰ পুষ্টি সাধন কৰিছিল। মাছৰো বোলে চাৰিভাগৰ তিনিভাগেই বাহিৰে বাহিৰে তালুৰ পৰা তলুৱালৈকে কর্ম্মচাৰীবৃন্দৰ ঘৰে ঘৰে প্রবেশ কৰিছিল। বাদ বাকী বোৱাখিনি মাছহে খুন্দি পিহি লন্দন কৰি আমাক পিণ্ড স্বৰূপে দান কৰিছিল। জেলখানাৰ নিজাকৈ কবি-বাৰী, শাকনি আদি আছে। সেইবোৰ জেইলৰ সশ্রম কয়দী সকলেই হাড়ক মাটি আৰু তেজক পানী কৈ কৰিছে। তথাপি আমাক, বাচি পেলোৱা শাক-পাচলিৰ লগত বনপাত আদিও মিহলাই কিবা এসোপা তৈয়াৰ কৰি তাকে ভাজি বা তৰকাৰীৰ নামত খুৱাইছিল। এনে অৱস্থাত পণ্ডিতজী আদি নগঁয়া সকলে যোৰহাটত আমাৰ লগত 'ফাইলত' নেখাই পৃথকে ৰান্ধি-বাঢ়ি খোৱা ব্যৱস্থাটো চলাই, বুদ্ধিমানৰ কাম হে কৰিলে। চিলট জেইলৰ ফাইলৰ খোৱাৰ লগত আমাৰ কোনো সম্পর্ক নথকাত তাৰ ভিতৰুৱা কথা যোৰহাটৰ লগত ৰিজাই চাবলৈ সুযোগ নিমিলিল। চিলট জেলত আমাৰ খোৱা বেয়া বুলিবৰ কিন্তু স্থল নাছিল। জেইলৰ নিয়ম অনুযায়ী একোজন কয়দীৰ সাজে পতি চাউল-দাইল, তৰী-তৰকাৰী, মছলা, তেল, টেঙা আদি যাৱতীয় উপাদানেৰে যি সিধা প্রাপ্য, আমি একে পাগতে খোৱা লোকৰ গণনামতে যিমান যিমান হব লাগে মুঠতে সিমান সিমান-খিনি এজনৰ সাক্ষাততে জুখি আমালৈ পাৰ কৰি দিয়ে। প্রতিবিধ বস্তুৰে এজনক যিমান দিব লাগে আমাৰ একে পাগৰ, ধৰক, বাৱন্ন

জনলৈ তাৰ বাৱন্ন গুণ দিয়ে নহয়! এনে কৰাত বস্তু অপর্য্যাপ্ত হয়। মিঠা তেল ইমান বাহি হয় যে তাক আমি প্রত্যেকে গাত ঘঁহাৰ উপৰিও আমাৰ বাচনো চিক্‌চিকীয়া কৰি ৰাখো। বন্ধাৰ ৰীতি সকলো আমাৰ ইচ্ছাধীন।—তাত কাৰো মাত মাতিবৰ নাই। কেতিয়াবা চাউল হয়তো নকৰাকৈয়ে পঠিয়ায়। তেনে চাউল আমি ওলোটাই দিওঁ। পুনৰ সেই চাউল নি মহিলা ফাটকত কৰাই নানে মানে আমি চকুৰ তললৈ জুই নিনিওঁ। খৰি কেচা হলেও তেনে ধৰণৰ ব্যৱস্থাই। অৱশ্যে শুকান খৰি আৰু মহিলা সকলৰ চোঙৰ পৰা নানে, আন কৰবাৰ পৰাহে যোগান ধৰেহি। এনে অসুবিধাবোৰ আবেলি সাজত হলে হে বৰ ভাল পাওঁহক; কাৰণ, তেনেকুৱাত ভাত খোৱা কেতিয়াবা ইমান পলম হয়গৈ যে ঘৰৰ ভিতৰলৈ আমাক সুমুৱাই তলা মাৰিব লগীয়া সময়টো বহুত অতিক্রম কৰে; অথচ ধৰা বন্ধা সময় মতে আমাক তলাৰ ভিতৰত সুসুমুৱাকৈ থলে, জেল ৰখীয়া সকলৰ পক্ষে অমার্জ্জনীয় অপৰাধ। আমাৰ আকৌ মুকলি আকাশৰ তলত থাকিবলৈ পোৱাটোৱেই পৰম আনন্দৰ বিষয়।

১৯। গীতা-ব্যাখ্যা

যোৰহাটৰ দৰে চিলটতো গীতা-পাঠ হৈছিল, নিতৌ আবেলি পৰত, কেতিয়াবাহে পুৱা। গীতাৰ ব্যাখ্যা পণ্ডিত কণকচন্দ্র শর্ম্মা কাব্যতীর্থ দেৱে কৰি শুনাইছিল। যোৰহাটত যতে এৰিলো তাৰ পৰাই ইয়াত আৰম্ভ কৰিলো। পণ্ডিতজীয়ে শ্লোকৰ শব্দৰ বাচনি বিলাকৰ প্রতিও, ভাবৰ লগত মিলাই আমাৰ মনত গীতাৰ তথ্যৰ বিষয়ে আপোনা আপুনি প্রশ্ন হোৱাৰ সুবিধা কৰি দিছিল। দিনে গড়ে একোটামানকৈহে শ্লোক গৈছিল।

২০। স্বৰাজ্যং দেহি

ৰৰদলৈ ডাঙৰীয়া আহিবৰে পৰা যোৰহাটৰ দৰেই সদায় ৰাতিপুৱা প্ৰাৰ্থনা কৰাৰ নিয়ম চলিল। কিন্তু আমাৰ এই স্তোত্ৰ পাঠ বা সাধাৰণ প্ৰাৰ্থনা একোতে চিলটীয়া মুছলমানসকলে যোগ দিছিল বুলি মনত নপৰে।

২১। সংকীৰ্ত্তন

ৰাতি একে ঠাইতে লগ হৈ সংকীৰ্ত্তন গোৱাটো আমাৰ পক্ষে নিত্যনৈমিত্তিক প্ৰথাৰ নিচিনা হৈ পৰিছিল। প্ৰায়ে চিলটীয়া অবলা গুপ্ত,[১১৯] কেদাৰ ভট্টাচাৰ্য্য আৰু তেওঁৰ লগৰীয়া সকলে ইয়াত আগভাগ লৈছিল।

২২। মুছলমান সকলৰ প্ৰাৰ্থনাদি

এজনে আজান দিবলৈ ধৰাৰ লগে লগে বাকীবিলাকে উজু কৰাত লাগি যায়। নিতৌ মগ্ৰাৰ, ই-ছা, ফজৰ, আচৰ আৰু জুহুৰ আছেই। তদুপৰি শুকুৰবাৰে জুম্মা আৰু আগদিনা, অৰ্থাৎ জুম্মা ৰাতিৰ দিনা কোৰাণ পাঠ চলে। ৰমজানত আব্দুল মটিন চৌধুৰীৰ বাদে সকলোৱে ৰোজা ধৰিছিল। খিলাফটক্ আমি কংগ্ৰেছৰ ভিতৰুৱা বিধৰ ৰাজনৈতিক আন্দোলন বুলি মানিছিলো যদিও চিলটীয়া মুছলমান সকলৰ অতি সৰহভাগেই খিলাফটৰ সমস্যাটো তেনেই ধৰ্ম্মৰ ভিতৰুৱা কৰি ললে।

ধৰপাকৰৰ ভৰপকত চিলট জেলত থকা ষাঠী সত্তৰজন মুছলমানৰ ভিতৰত, দুই এজন মাথোন ৰাদে, সৰহভাগেই মৌলানা আৰু মৌলৱী। খিলাফট সমস্যাত ৰাজনৈতিক ছাপ্ নিচেই মৃদু-ভাৱে পৰাৰ কাৰণেই কিজানি ই সৰ্ব্বশেহলৈকে স্বাধীনতা লাভৰ অৰ্থে কৰা সংগ্ৰামৰ ভিতৰত থাকিব নোৱাৰিলে; ৰৰং খিলাফটী

১১৯। পিচলৈ এম্. এল. এ।

সকলৰ ভিতৰৰ পৰা ইজন সিজনকৈ আতৰি যাওঁতে যাওঁতেই স্বৰাজ-সংগ্রামৰ মুছলমান ৰণুৱা যিমানে কমিল সিমানে সাম্প্রদায়িক মুস্লিম লীগৰ সভ্য সংখ্যাও বাঢ়িল।

সৰু কোঠাটোত থকা ছয় সাত জনৰ বাদে আমি সকলোবিলাক ৰাজনৈতিক বন্দী, সেই দীঘল হল (Hall) টোতে আছিলো। ঘৰটোৰ দীঘে দীঘে সো মাজেদি বহলকৈ এখন খালি ঠাই বাট যেন কৈ ৰাখি, তাৰ দুয়োকাষে শোৱা বিচনাবোৰ পাৰিছিলো। ঘৰটো উত্তৰা-দক্ষিণা; এতেকে প্রত্যেকখন বিচনাই হল পূবা-পচিমা। এফালে হিন্দুবিলাক শুইছিল পূব মুৰে আৰু তাৰ সমান্তৰাল ফালে মুছলমানসকল শুইছিল পচিমলৈ মুৰ-শিতান পাতি। গতিকে দুয়োদলৰ ভৰিপথান পৰিছিল খোলা ঠাইছিটাৰ কাণে কাণে।

জুম্মা ৰাতিৰ দিনা কোৰাণ পাঠত বিঘিনি ঘটে বুলি, সেই ৰাতি আমি সংকীর্ত্তন আদি হুলস্থুলীয়া কথাবোৰ বাদ দিছিলো।

ৰোজাৰ মাহত বিয়লি পৰতে মুছলমান সকলৰ কাৰণে দুয়ো সাজৰ আহাৰ পৰিপূর্ণভাবে যোগাৰ হৈ যায়; তাৰে মুনিচুনি বেলিকা এসাজ আৰু পুৱতীয়া নিশাতে এসাজ খোৱা হয়। অনেকৰ ক্ষেত্রত বাহিৰৰ পৰাও উপাদেয় খানা আহিছিল আৰু এনে আমদানিৰ আহার্য্যবস্তু বহুতে ভগায়ো খাইছিল।

ফুট গধূলিতে মুখুলি তাৰো আগতেহে বুলিব পাৰি,—যেতিয়া আমাক তলামাৰি বন্ধ কৰি পেলায়, সেই সময়টো। এনে দিনে-পোহৰে একে লেথাৰিকৈ নেহাৎ কমেও বাৰ ঘণ্টালৈ শুই পৰাও টান। সেই কাৰণে জুমজুমকৈ বহোহঁক। সমাজখন গহীন হলে বক্তৃতা আদিও চলে। গান গোঁৱা হয়েই। বাবাজীকো মাজে সময়ে বক্তৃতা দিবলৈ লগাইছিলো; পিচে বাবাজীৰ বক্তৃতা ধর্ম্ম-মূলক, আধ্যাত্মিক ধৰণৰ। বাবাজীৰ পিচতে মোল্লা এজন তুলি দিলেহে সমাজখনৰ পক উঠে।

২৩। সঙ্গীত

সঙ্গীতত বেচি বাপ আছিল ববদলৈদেও আৰু কমলানন্দ ভট্টাচার্য্যৰ। দুয়োৰো গান উচ্ছপর্য্যায়ৰ। ববদলৈৰ নিচিনা ববগীত গাব পৰা কাৰো লগত মোৰ ভেট্ হোৱা মনত নপৰে। "তুমি" খন[১২০] ওলোৱাৰ পিচত তৰুণ কবিক উৎসাহ প্রদান কৰাৰ অভিপ্রায়ে চন্দ্রনাথ শর্ম্মাৰ ইংগিত মতে কটন হোষ্টেলত এখন বুজন বিধৰ সভা পাতি অম্বিকাগিৰি ৰায়চৌধুৰী ডাঙৰীয়াক সংবর্ধনা জনোৱা হৈছিল। অনুবোধক্রমে সেই সভাত স্বয়ং ৰায়চৌধুৰীদেৱেও ববগীত গাইছিল। সেই দিনলৈকে এনে সুললীতকৈ ববগীত গোৱা আনত শুনা মনত নপৰে। কিন্তু নবীন ববদলৈৰ বেহেই সুকীয়া। যতদূৰ বিশ্বাস ববদলৈৰ নিচিনাকৈ ববগীত গাব পৰা মানুহ আছে যদিও নিশ্চয় অতি বিৰল। ববদলৈ ডাঙৰীয়াৰ প্রাণৰ সৰলতাৰ সুযোগ লৈছিলো প্রায়েই তেখেতক গান গোঁৱাই। বাকীবিলাকৰ ভিতৰত চিলটৰ অবলা গুপ্ত আৰু কেইজনমান তেনে ডেকা, নাম আৰু পাহৰণিত পৰিল; আৰু ইয়াৰ লগতে আমাৰ পুণাৰাম গগৈ। অবলা গুপ্তই গোৱা প্রায়খিনি গানকে পুণাৰাম গগৈয়ে হুবহু ভাবে খাচ অসমীয়ালৈ ভাঙি তাতে আগৰ বঙালী সুৰৰ সংযোজনা দিয়ে গাইছিল।

২৪। আলোচনী

চিলট জেলত আমি দুখন মাহিলী আলোচনী হাতে লিখি উলিয়াইছিলো। ইংৰাজীখনৰ সম্পাদক মতিন চৌধুৰী আৰু অসমীয়াখনৰ পুণাৰাম গগৈ। গগৈদেও যদিও দেশৰ আহ্বানত মেত্রিকো নিদিয়াকৈ অহা ছাত্রহে, অসমীয়া সাহিত্যত কিন্তু তেওঁৰ সুন্দৰ হাত আছিল। তেওঁৰ আখৰ কেটাও গোটাগোট,—টলবলীয়া।

১২০। এইখনেই বোধকৰো ৰায়চৌধুৰীদেৱৰ প্রথম প্রকাশিত কবিতা কিতাপ।

আমি নৌ ওলাওতেই গগৈদেৱে আলোচনীখিনি নগাঁৱৰ লক্ষীপ্রসাদ বৰাৰ হাতেদি জেলৰ পৰা পাৰ কৰি পঠিয়ালে, কিন্তু তাৰ একোকে প্রকাশিত হোৱা দেখা মনত নপৰে।

২৫। টলষ্টয়ৰ সাধু

"ট্রেজেডি থ্রী টেল্‌ছ ফ্রম টলষ্টয়" এখন পাই চলিহা, গোঁসাইদেৱ আৰু মই লগলাগি তাৰ বাৰ কি তেৰটা মান গল্পৰ এনে ভাঙনি কৰিছিলোহঁক যে সেইখিনি অসমীয়া সমাজৰ লগত খাপ খাই পৰিছিল। বৃন্দাবন গোস্বামী আগতে ওলোৱাত প্রকাশনৰ সুবিধা কৰিবৰ কাৰণে কিতাপখন তেওঁৰ হাততে দি পঠিওৱা হল। লিখকৰ নাম, চলিহা-বৰঠাকুৰ-গোস্বামী বুলি দিয়াৰ সিদ্ধান্ত লোৱা হৈছিল। কিন্তু ছপোৱা আৰু নহল। তাৰ এঘাৰ কি বাৰ বছৰৰ মূৰত কোনোবা আলোচনী এখনত "এজন মানুহক কিমান মাটী লাগে"—এনে শিতানৰ গল্পটো চলিহা আৰু গোস্বামীৰ নামত হে ওলাইছিল। মোৰ নামটো নুমাই পৰিল। পিচতো অনেকবাৰ গোস্বামী আৰু চলিহা উভয়কে শুধি চালো, কিন্তু কিতাপখন কলৈ গলগৈ কোনেও কব নোৱাৰিলে। এই দৰেই বন্দী জীৱনৰ স্মৃতি-চিহ্ন এখনিৰ আধ্যা পৰিল।

২৬। স্বাধীনতা সংগ্রামৰ কাৰণে পুনঃ প্রস্তুতি

বৃন্দাবন গোস্বামী ওলাই অহাৰ আগে আগে ৰৰদলৈ ডাঙৰীয়াকে মুখ্য কৰি গাইগুটীয়া আৰু সমজুৱাভাবে আমাৰ প্রায়খিনিৰ মাজত ভবিষ্যতৰ কেইটামান সমস্যাৰ আলোচনাত তৎপৰ হলোহঁক। আমাৰ স্থিৰ ধাৰণা হল যে স্বাধীনতা আন্দোলনত অহিংসা মন্ত্র লৈ অসহযোগ অস্ত্রেৰে স্বৰাজ লাভ কৰিবলৈ পঞ্চাশ বছৰ পৰিমিত লাগিব পাৰে। এই দীঘল মিয়াদত হেজাৰ হেজাৰ কৰ্ম্মীয়ে দেহত্যাগ কৰিব আৰু সেইদৰে নল মৰি গজালি উঠাদি হেজাৰ বিজাৰ

সতীর্থৰ সৃষ্টি হব, অনেকে হয়তো আন্দোলনৰ পৰা সৰি পৰিব। আধা শতিকা হেন দীঘলীয়া এই কালছোৱাৰ কাৰণে প্ৰত্যেকৰে সংসাৰ নিৰ্ব্বাহৰ অৰ্থে জেইলৰ পৰা মুকলি হোৱাৰ পিচত কিবা নহয় কিবা একোটা ব্যৱস্থা কৰিবই লাগিব। বৰমূৰীয়া কেজনৰ মতে প্ৰতিজনে এনেদৰে কিবা একোটা ব্যবসায়ত লাগি যাব লাগিব যাতে একোজনৰ বছৰি দুহেজাৰ মানলৈকে আয় হয় আৰু সেই আয়ৰ দ্বাৰা সংসাৰ নিৰ্ব্বাহ হোৱাৰ ভৰষাতে বন্দী জীৱন যাপন কৰিব পাৰিব লাগিব। জেইলৰ বাহিৰত থকা কালত, পৰত হাত পাতি চলিব লগীয়া হলে কংগ্ৰেছৰ আন্দোলক মানুহে হেয়জ্ঞান কৰিব। জেইলত থকা দিনত কাৰোবাৰ পিতৃ-মাতৃ, পুত্ৰ-পৰিবাৰ পৰমুখাপেক্ষী হব লগীয়া হলে কৰ্ম্মীজনৰ পক্ষেই নহয়, গোটেই আন্দোলনৰ ক্ষেত্ৰতে ই দূৰ্ব্বলতাৰ হে পৰিচায়ক হব। কাৰণ দুই চাৰি মাহৰ কথা নহয়, ই অতিকে দীঘলীয়া মিয়াদৰ সমস্যা।

বৰদলৈ চলিহা আদি ডাঙৰীয়া সকলৰ মতেও, নিজে ৰাজনৈতিক বন্দী স্বৰূপে স্থানান্তৰিত হৈ থকা দিনতো, ঘৰলৈ দুপয়চা সোমাই থকাৰ নিশ্চিত পথ উলিয়াবলৈ হলে যি কোনো স্থায়ী কৃষিকাৰ্য্যত হাত দিব লাগিব। বৰদলৈৰ মতে যি কোনো উপায়ে চাহ শিল্পত ভাগ লব পৰাটোহে কথা। এই ক্ষেত্ৰত আমাৰ সবাটিৰে ভিতৰত কুলধৰ চলিহাৰ বিশেষ ব্যুৎপত্তি থকা বুলি ধৰি ললো এই কাৰণেই যে টিমন, বৰুৱাছালী, নগা হিলছ আদি চাহ কোম্পানী কেইটা-মানৰ তেখেত বুজন বিধৰে অংশীদাৰ। তেখেতে বৰদলৈ ডাঙৰীয়াৰ কথাখিনিত সমর্থন জনোৱাত আমাৰ মনলৈকো সাহস আহিল। এপুৰা মাটিত বাঁহ আৰু এপুৰা মাটিত তামোল লগাবলৈ হলেও তাৰ উৎপন্নৰ কাৰণে বছৰদিয়েক অপেক্ষা কৰিব লাগিব। আমি ইয়াকো স্থিৰ কৰিছিলো যে আৱশ্যক মতে একো একোজনে এই প্ৰস্তুতিৰ কাৰণে দুই চাৰি বছৰ কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ

পৰা বিৰত থাকিব লাগিলেও তেনে কৰা ন্যায় হব—কাৰণ এই গাইগুটীয়া যুদ্ধ-বিৰতি মাথোন পুনৰ কংগ্রেছত সজোৰে জপিয়াই পৰাৰ এক প্রস্তুতিহে।

কোৱা বাহুল্য যে পিচত ৰদলৈ ডাঙৰীয়াই মহানুভব এজন কলিকতীয়া ব্যবসায়ীৰ সম্পূর্ণ আর্থিক সহযোগিতাত "হাতীজান" নাম দি এখন চাহ বাগিচা পাতিছিল। চলিহা ডাঙৰীয়াই আন আন কোম্পানীত থকা তেখেতৰ সৰহভাগ অংশকে বিক্রী কৰি, আৰু তাতে শকত বিধৰ ঋণৰো ভেজাল দি, "চীনাতলী" নামৰ সৰু বাগিচা এখন ৰায় বাহাদুৰ শিৱপ্রসাদ বৰুৱা ডাঙৰীয়াৰ পৰা কিনিছিল আৰু "ৰংদৈ" নাম দিও এচমকা খুলিছিল। পিতৃদেৱৰ "ঠাকুৰবাৰী"[১২১] নামৰ বাগিচাখনতে নিজৰ মনোনিবেশ কৰিবৰ কাৰণে সংকল্প ললো। সেই অধ্যায় পুনৰ আলোচনা নকৰাই ভাল হব।

২৭। ক্রীড়া কৌতুক

ৰণুৱাৰ কচৰৎ (মিলিটেৰী ড্রিল) যোৰহাটতে ওৰ পৰিল। দেবেশ্বৰ শর্ম্মাৰ ঠাই পূৰাব পৰা কোনো আমাৰ চিলট বন্দী সকলৰ ভিতৰত নোলাল। গুহু খেলটো তেনেই নোহোৱা নহয়। গাৰ তেজ চলাচলৰ কাৰণে আমি থকা ঘৰটোৰ ইমূৰৰ পৰা সিমূৰলৈ আৰু আগফালৰ বননিখনত বেগেৰে মৰণাৰ গৰু ঘূৰি ফুৰাৰ দৰে ফুৰিছিলো। ইয়াত বাজে আৰু অন্য গতিও নাছিল।

আমাৰ মাজত কেইজনমানৰ ভিতৰত তাছ খেল, বিশেষকৈ ব্রীজ, অবিৰাম গতিৰে চলিছিল। চিলটীয়া মুছলমান সকলৰ ভিতৰত একমাত্র মতিন চৌধুৰীয়েহে তাছ খেলৰ ভাগ লৈছিল। এদিন তাছ খেলৰ পক্ উঠিছেহে এনেতে মুছলমান সতীর্থ সকলৰ প্রতিনিধি স্বৰূপে কেইজনমান মৌলানাই আপত্তি দর্শালেগৈ বোলে

১২১। পিচলৈ নাম হল কৃষ্ণবিহাৰী টী ইষ্টেট্।

তাছ্[১২২] যি জুৱাও সি, গতিকে আব্দুল মতিন চৌধুৰী হেন সম্ভ্রান্ত মুছলিম্ নেতা এজনে তাছ্ খেলি দেখুৱা শোভন হোৱা নাই আৰু সেই কাৰণে তেওঁবিলাকৰ অনুৰোধ যাতে মতিন চাহাব আৰু সেই লগতে মৌলবী চাহাবেও (তেজপুৰৰ মৌঃ ফজ্লৰ্ ৰহমান) তাছ খেলা পৰিত্যাগ কৰে। স্বভাৱ সুলভ হাঁহি মুখেৰে গহীন গম্ভীৰটি হৈ মতিন চৌধুৰীয়ে সমিধান দিলে কোৱাণ চৰিফৰ অনেক পিচতহে তাছ খেলৰ জন্ম, তাত জুৱাৰ নাম গন্ধই নাই, নিচেই সাধাৰণ বিধৰ খেল। তথাপি তেওঁ অতি কোমল মাতেৰে আশ্বাস দিলে বোলে মৌলানা সকলে যদি কোৱাণ চৰিফৰ যি কোনো ঠাইতে 'তাছ'-নামটোৰ মাত্ৰ উল্লেখ দেখুৱাব পাৰে, তেওঁ তাছক হাৰাম বুলি ত্যাগ কৰিব। কোৱা বাহুল্য যে আব্দুল মতিন চৌধুৰীৰ তাছখেলৰ কথাষাৰ আৰু দুনাই কেঁৰে নুতুলিলে।

আমাৰ ভিতৰত দৰা, মংগল পাতি আৰু বাঘ গৰুৰ খেল যে ৰাতিয়ে দিনে চলিছিল।

২৮। হলধৰ ভুঁয়াৰ খনিকৰী গুণ

পাচলিহে দিছিল, কিন্তু তাক কুটিবলৈ কটাৰী, মৈদা আদি একোকে নিদিছিল,—দিছিল চেপেটা লোহা একোচটা। বঢ়িয়াকৈ ধৰাই লৈ তাৰেই কাম চলাইছিলো। একোজনে চটিয়া লোহা একোপাটত এনে ধাৰ তুলিছিল যে তাৰ দ্বাৰা ক্ষুৰৰ কামো চলি গৈছিল। বন্দীশালৰ কয়দীৰ হাতত কটাৰী উঠিলে কিবা অঘটন ঘটাৰ আশংকাতে হবলা, কটাৰীৰ প্ৰবেশ নিষেধ আছিল। এনে এখন চটিয়া লোহাৰ চুৰিৰ আলমতে হলধৰ ভুঁয়াই ভাত ৰান্ধিবলৈ দিয়া কোমল কাঠখৰি কাটি সাইলাখ ৰজা, মন্ত্ৰী, সৈনিক আদি মানুহৰ আকৃতিৰ আৰু অবিকল হাতী আৰু ঘোৰাৰ গঢ়েৰে হাতী

১২২। ব্ৰীজ খেলাত ডাক-হোৱা দৰে হয়। তেনেই তাছখেল নজনা মানুহে ব্ৰীজৰ ডাকত জুৱাৰ সন্দেহ কৰা বৰ আচৰিত কথা নহয়।

ঘোৰা, তদুপৰি ক্ষুদ্ৰ ক্ষুদ্ৰ নৌকা সৃজন কৰিছিল। এইদৰেই একেজনীয়া হাত কাৰখানাই আমাৰ দৰা, মঙ্গল পাতি আদি খেলৰ যোগান ধৰিছিল।

২৯। চিঠি

আমাৰ পৰা যোৱা আৰু আমালৈ অহা চিঠিবোৰ জেইলৰ অফিছতে থেকা খাই বৈ যায়। চৰকাৰৰ আপত্তিজনক কথা নথকা চিঠিবোৰৰ পৰা অশ্ৰম সকলক সপ্তাহে প্ৰতি একোখনকৈ দিয়ে, কিন্তু সশ্ৰমসকলৰ মাহেকতহে একোখনকৈ প্ৰাপ্য। লেখৰ ওপৰঞ্চি বা জাতীয় আন্দোলনৰ বাতৰি লৈ অহা চিঠিবোৰ জেইল অফিছতে জাহ যায়।

মাহেকত দিৰ পৰাখন চিঠি গুৱাহাটীৰ হেমৰথ দত্ত নামৰ মানুহ এজনলৈকে দিয়া হৈছিল। তেখেত আচলতে ৰৰপেটাৰহে। "বচন সংগ্ৰহ"—নামকৰণ কৰি অসমীয়া-ইংৰাজী, ইংৰাজী-অসমীয়া, ফকৰা-যোজোনা আৰু সেই সম্পৰ্কীয় কিংবদন্তি কিছুমানেৰে কিতাপ এখনি যুগুত কৰা হৈছিল। কিতাপখনিৰ ওপৰত হাত ফুৰাই দিছিল এই সকলে, (১) প্ৰেমধৰ গোঁহাই (কটন কলেজৰ প্ৰথম অসমীয়া বদলি অধ্যাপক), (২) মহেন্দ্ৰ নাথ গোঁহাই (প্ৰাক্তন হেড্‌মাষ্টাৰ, গোলাঘাটৰ উকীল, পিচলৈ এম্‌-এল্‌-চী), (৩) প্ৰাক্তন হেড্‌মাষ্টাৰ কুমুদ ৰঞ্জন লভ্‌দে, (৪) সাহিত্যিক, সঙ্গীতজ্ঞ, অভিনেতা, হেড্‌মাষ্টাৰ ইন্দ্ৰেশ্বৰ ৰৰঠাকুৰ আৰু (৫) আহোম ভাষাৰ বিশেষজ্ঞ, এচিষ্টেণ্ট ইনস্পেক্টৰ অব্‌ স্কুলছ্‌ ৰায় চাহাব গোলাপ চন্দ্ৰ বৰুৱা। দত্তই সেইখনকে প্ৰকাশ কৰিবলৈ নিছিল ১৯২১ চনৰ জুন মাহতে। সেই কাৰণে মোৰ চিঠি কেৱল হেমৰথ দত্তলৈহে।

যিটো খামৰ বাওপিনে ইংৰাজী হৰফত "ফ্ৰম হিজ্‌ ওৱাইফ্‌ সুবৰ্ণলতা দেবী"[১২৩] লিখা থাকে সেইখন পাওঁৰেই। তাকো

১২৩। "From his wife, Subarnalata Devi".

নোখোলা অবস্থাত। পিচে উত্তৰ দিব পৰা নহয়। আমাৰ চিঠিৰ মালিক ত'ত হেমৰথ দত্ত ডাঙৰীয়াহে বুলি আগতে কোৱা হৈছে।

পোৱাখিনি চিঠিত মহিলা জাগৰণৰ আভাষ থাকিছিল। পত্ৰ প্ৰেৰিকাক ডিবুৰুগড়ৰে একে তপাপুলৰ জীয়াৰী ৰাজবালা দাসে (পিচলৈ, "ৰকৰা" ; সন্দিকৈ কলেজৰ অধ্যক্ষ্যা) প্ৰচাৰৰ কামত নিয়োগ কৰিছিল। ওৰণী দলিয়াই গুৱাহাটীৰ যি সকল সম্ভ্ৰান্ত মহিলাই প্ৰচাৰৰ কামত লাগি গৈছিল সি সকলৰ ভিতৰত ফুকন ডাঙৰীয়াৰ পত্নী (ডিবুৰু পাৰৰ সেই তপাপুলৰে জীয়ৰী), বৰদলৈ-দেৱৰ পত্নী হেমন্ত কুমাৰী বৰদলৈ (এখেতো ডিবুৰুৰে জীয়াৰী), কবি কমলাকান্ত ভট্টাচাৰ্য্যৰ পত্নী সুমিত্ৰা ভট্টাচাৰ্য্য, তদুপৰি গিৰিজাবালা বৰুৱা, ধৰ্ম্মদা দেবী, চন্দ্ৰ শৰ্ম্মা দেৱৰ পত্নী ভুবনেশ্বৰী দেবী, স্নেহলতা ভট্টাচাৰ্য্য (পিচলৈ, বৰুৱা), নীল কান্ত বৰুৱাৰ পত্নী, তেজপুৰৰ কিৰন্ময়ী আগৰৱালা, নগাৱঁৰ প্ৰিয়া বৰুৱা, যোৰহাটৰ শশী প্ৰভা চলিহা,[১২৪] কৃষ্ণনাথ শৰ্ম্মাৰ মাতৃ, হেমলতা বেজবৰা,[১২৫] নিৰ্ম্মলা দেবী,[১২৬] অন্নদা দেবী বৰকটকী[১২৭], শিৰ-সাগৰৰ যোগমায়া বৰকটকী আদি।

গাঁৱৰ ভিতৰতো দলে দলে ওলাল। তাৰ ভিতৰতো তেজপুৰৰ ফালৰ সৰলা দাস আৰু পাটাচাৰকুচীৰ যোগমায়া দেবী আদিৰ নাম বিশেষ উল্লেখ যোগ্য।

বৃন্দাৱন চন্দ্ৰ গোস্বামীক দুমাহ মান অফিছ সংক্ৰান্ত কামত খটুৱাইছিল। কাৰণ, গোস্বামী দেৱো সশ্ৰম হে আছিল। তেখেতক কামত খটুৱাৰ বিনিময়ত তেখেতে জেইল অফিছৰ খোকাত লাগি থকা চিঠি নিজৰবোৰ যে পঢ়িছিলেই, লোককো গুপুতত ইখন সিখনকৈ দেখুৱাই পুনৰ য'ৰ চিঠি তেতে নি থৈ দিয়েগৈ।—একেবাৰে

১২৪। কুলধৰ চলিহাৰ পত্নী ১২৫। গোপীনাথ বেজবৰাৰ পত্নী ১২৬। দেবেশ্বৰ শৰ্ম্মাৰ পত্নী ১২৭। প্ৰখ্যাত ব্যাবসায়ী, ৰাজনৈতিক নিৰ্যাতিত গদাধৰ বৰকটকীৰ সহধৰ্ম্মিণী।

আগৰ চিনে চাবে। জেইলৰ অফিছত কাম কৰাৰ সুযোগ এটি আমাৰো মিলিছিল। সেই সুযোগাত গাপত থকা চিঠিবোৰ নিজ হাতে ঘাটিলো। হেমৰথ দত্তৰ আখৰ এটিও নোলাল।

৩০। আওৰটীয়া বাতৰি

জেইলৰ এচিষ্টেণ্ট চার্জ্জনজনৰ হাতেদি আমি "চার্ভেণ্ট" বা "অমৃতবাজাৰ পত্রিকা," কোনোবা এখন নিতৌ গুপুতে পাওঁহক। কাকতবিলাক আঁৰ-বেৰলৈ পঢ়ি ছেগ বুজি ফিৰাই দিছিলো।

নতুন নতুনকৈ আমদানি হৈ থকা সতীর্থ সকলৰ পৰাও তেনেই শেহতীয়া বাতৰি বোৰকো পাই আছিলো। চিলট বাদে, অসম প্রদেশৰ কংগ্রেছৰ ৰাজধানীৰ স্থান পাইছিল গুৱাহাটীয়েহে। গতিকে সুৰঙ্গাই দি গুৱাহাটীৰ বাতৰি পাই থকা সম্পূর্ণৰূপে স্বাভাৱিক। এই বাতৰি-যোগনীয়া সকলৰ ভিতৰত ৰৰদলৈ ডাঙৰীয়াৰ বিশেষ আগ্রহ আছিল কামাখ্যাৰাম বৰুৱা উকীল ডাঙৰীয়াৰ চিঠিৰ প্রতি। কামাখ্যাৰাম বৰুৱাদেওৰ[১২৮] চিঠিত বা কথাত তিলার্দ্ধও বঢ়া টুটা নেথাকে বুলি কর্ম্মবীৰ ৰৰদলৈ ডাঙৰীয়াই ধুৰুপ মানিছিল।

৩১। বিপিনবিহাৰী দে

এদিন সাক্ষাৎকাৰী কোনোবা এজন আহিছে বুলি "পদ্মনাথ ৰৰঠাকুৰ"ৰ নাম ফোকাৰিলেহি। চিলটতনো কোন কুটুম এজন ওলাবহি পাৰে ভাবি ওৰ পোৱা নহল। এনেতে মনত খুন্দিয়ালেহি, হেমৰথ দত্ত ডাঙৰীয়াই বা! পিচে শ্রীহট্ট বন্দীশালত প্রথম আৰু (সেয়ে) শেষবাৰৰ সাক্ষাতত যাক পালোহি, তেওঁ একেবাৰে অচিনাকি; নাম বিপিন বিহাৰী দে' নহলেও এনে কিবা হব, কিন্তু 'বিপিন বাবু' হয়।

১২৮। পিচলৈ চাহ খেতিয়ক, ব্যৱস্থাপক সভাৰ সদস্য আৰু ন্যায়াধীষ ইত্যাদি।

তেওঁৰ পৰা যি পৰিচয় পাৰ পাৰিলো, তেওঁ চাহ খেতিয়ক অৰ্থাৎ টী প্লেণ্টাৰ বুলি খ্যাত। কিজানি এই অভাজনকো মুখ্য ভাবে টী প্লেণ্টাৰ আৰু গৌণ ভাবে অসহযোগ আন্দোলনৰ স্বেচ্ছাসেৱক বুলি ভাবি লৈছিল।

ইমান দিনে দেখা দিয়াহি নাই যদিও তেওঁ বোলে মাজে সময়ে জেইলৰ অফিছতে মোৰ খবৰ লৈ সেই খবৰ দেউতালৈ পঠিয়ায় আৰু এই সম্পৰ্কৰ আলমতে আমাৰ মাতৃদেবী আৰু পৰিবাৰে নিজে নিজে কটা মিহি সুতাৰে বৈ, মোক দিবৰ কাৰণে চুৰীয়া আৰু গামোচা তেওঁলে পঠিয়াই দিছিল। কেনেকৈ যে এই ভদ্রলোক জনৰ লগত আমাৰ ঘৰৰ সংযোগ ঘটিল সেই কথাৰ সূত্র আৰু নোলাল।

৩২। জেইল অফিছ

আগতে কোৱা হৈছে গোঁসাইৰ লগতে মোৰো জেইল অফিছত কাম মিলিছিল। মোৰ কাম হৈছিল ভৰালৰ হিচাপৰ (ষ্টোৰ্ লেজাৰ্) বহীৰ শুদ্ধাশুদ্ধ পৰীক্ষা [১২৯] কৰি চোৱা। এই কার্য্যৰ আহিলাপাতিৰ নামত ৰঙা-নীলা (অডিং) পেন্সিল[১৩০] এদালো মোৰ ভাগত পৰিছিল। সেই পেন্সিল দাল কামত লগোৱা হৈছিল, —পৰীক্ষা (চেক্) কৰাৰ চিন্ (টিক্ মার্ক) আৰু সন্দেহ স্থলত, প্রশ্নবোধক চিন (কুয়েচ্ছন্ মার্ক্) দিব লগীয়া হোৱাত। পিচে আমাৰ অফিছত অনুপস্থিতিৰ কালত পৰিদর্শনৰ সময়ত সেই দাগ্বোৰ কর্ণেল ইনিছৰ চকুত পৰিল। দাগ্ বহুৱাজন ৰাজনৈতিক বন্দীৰে এজন বুলি জানিবলৈ পাই চাহাবে, জেইলৰ বৰ দাৰোগা ৰায় চাহাব ডাঙৰীয়াক জলজলাই ধৰিলে আৰু সাৱধান কৰি দিলে বোলে "কংগ্রেছীয়ে হোৱাই নোহোৱাই চৰকাৰৰ খুট খুচৰি ফুৰে; এনে স্থলত ফাটকৰ পৰা মুকলি হোৱাৰ পিচত জেইলৰ হিচাবত

১২৯। Check কৰা। ১৩০। Audit Pencil.

বেমেজালী বুলি বাহিৰত ৰৌটোকে ঢৌটো কৰি যে মুলিয়াব বা খবৰ কাগজত প্ৰকাশ নকৰিব, তাৰ মানে কি ?" মূৰকত আমি অফিছৰ পৰা বহিষ্কৃত হলো। জেইল কৰ্ম্মচাৰী সকলৰ ভিতৰত বিশেষকৈ কেৰাণী কামত থকা কেজনে বধ শপত দি কাৰৌ কোকালি কৰিবলৈ ধৰিলে, "যেন চাহাবৰ শংকাটো কাৰ্যতে নফলিয়ায়।

৩৩। আমনি নকৰিলে দিগ্ নিদিবা

প্ৰথম ছোৱাত সশ্ৰমীসকলে নাৰিকল-বাকলিৰ আঁহেৰে ৰছি পকাব লাগিছিল। আৰম্ভতে আঁহবোৰ জোখ কৰিহে গাইপতি ভগাই দিছিল ;—ভাগত পৰাখিনিৰে ৰছি পকাবই লাগিব। আমাৰ দ্বাৰা যে হাজিৰা পূৰিব পৰাকৈ ৰচি বটা নহৈছিল, সেই কথাকে নি জেইলাৰে ভালৰি বোলাবলৈ বুলি চুপাৰিণ্টেডেণ্ট চাহাবৰ কাণত পিন্ধালেগৈ। তেওঁৰ অভিযোগ, "ৰাজনৈতিক সশ্ৰম বন্দীয়ে জোখ মতে জেইল কৰ্ত্তব্য (জেইল ডিউটি) নকৰিলে সাধাৰণ কয়দীবোৰেও তাৰে বাগী ধৰি বন্দীশালৰ নিয়মানুবৰ্ত্তিতাত[১৩১] কেৰোণ লগাব" ডাক্তৰ চাহাবে কিন্তু বিপৰীত ধৰণেৰেহে সমিধান দিলে,—"ইবিলাকক মাত্ৰ আবদ্ধ কৰি ৰাখিবলৈহে কাৰাগাৰত থৈছেহি, শাস্তি দিবৰ উদ্দেশ্যৰে নহয়। আমাক আমনি নকৰিলে তেওঁবিলাককো দিগ্‌দাৰ দিব নালাগে (দে আৰ্ ছেণ্ট্ হিয়েৰ মিয়েৰ্লি ফৰ্ কণ্‌ফাইন্‌মেণ্ট্। দৌণ্ট ডিষ্টাৰ্ব্ ডেম্ আনলেছ্ দে ডিষ্টাৰ্ব্ আছ্)।"

কাম নকৰি বহি থকাতকৈ তাঁত শাল আদিতে কাম কৰিবলৈ বুলি আন কি ৰৰদলৈ, চলিহাকে আদি কৰি বিনাশ্ৰমী সকলেও ইয়াৰ আগতে ইচ্ছা প্ৰকাশ কৰিছিল, কিন্তু প্ৰভুৰ অন্তৰ বুজি লোৱাৰ পিচত জেইলৰ ডাঙৰীয়াই আৰু সেই অনুৰোধলৈ কৰ্ণপাত

১৩১। Jail Discipline.

নকৰা হল; আগতে আমি সশ্রমী কেজনে যি অলপ কাম কৰিছিলো, এতিয়া তাৰো মুদা মৰিল।

৩৪। মানুহ পাতলিল

মহাত্মাক আটক কৰাৰ পিচৰ পৰাই দেখোন বন্দীৰ আমদানিৰ ক্রমশঃ হ্রাস পাবলৈ ধৰিলে। নতুন বুলিবলৈ নায়েই। গতিকে দিন বাঢ়ি যোৱাৰ লগে লগে আমাৰ স্বাধীনতা সংগ্রামৰ ৰণুৱাৰ সংখ্যাও জেইলত পাতলি যাবলৈ ধৰিলে। আমি বছেৰেক বা তাৰ উপৰি মিয়াদ পোৱা বিলাকহে শেহান্তৰত অৱশিষ্ট হৈ ৰলো।

সপ্তম অধ্যায়

ম্যাদৰ অন্ত

১। এঘাৰমহীয়া বছৰ

আদালতে বান্ধি দিয়া ম্যাদৰ ক্ষেত্রতো জেল কানুনে সালসলনি ঘটায়। প্রাণদণ্ডৰ আদেশ পোৱা কোনো আচামীৰ টেটুত ফাঁচ লগাই দিয়া কয়দীজনে এমাহ ম্যাদৰ মাফ পায়। তেওঁবিলাকৰ কোনো কোনোৱে সেইদৰে আমাৰ স্বাধীনতা ৰণৰ ৰণুৱা কিছুমানকো যে এইদৰে টেটু চেপা দি মাৰি একো মাহ মাফ ঘটি নলৈছিল এনে নহয়। কলা পাণ্ডুৰী, মেঠ্ আদিক বোলে সেৱাৰ বিনিময়ত বিশেষ মাফ দিয়া হয়। সাধাৰণ সশ্রমী কয়দীয়ে সৎস্বভাবী হোৱাৰ গুণত মাহে তিনি দিনকৈ বেহাই পায়। পিচে কিবা জেইল-অপৰাধ কৰিলে বা পোচাক, বাচন আদি নিকাকৈ নেৰাখিলে কিবা অনুপাতে বেহাইৰ পৰা বঞ্চিত হয় আৰু তেনেবোৰ কথা কয়দীজনৰ নামত ৰখা টিকটত লিখি থয়। এই মাফৰ কানুন মতে বাৰ মাহৰ মিয়াদক এঘাৰ মাহ বুলি ধৰা হয়। অশ্রমৰ আকৌ বেহাই পোৱাৰ প্রশ্নই নুঠে। গতিকে বছৰেকীয়া ম্যাদৰ দুর্গাপ্রসাদ বৰঠাকুৰ, ভুবন গগৈ আদি আমাৰ সৈতে একে তাৰিখতে এবছৰৰ কাৰাদণ্ড পাইছিল যদিও, সশ্রমীৰ সম্মানেৰে আমি তেওঁবিলাকতকৈ এমাহৰ আগতে মুকলি হলো। বৰদলৈৰ পোন্ধৰ মাহ কি ডেৰ বছৰৰ ম্যাদ। তেখেতেহে ওপৰঞ্চি ইমান দিন অকলে কটাৰ লাগিব। ভাগ্যক্রমে যেনিবা আলজিভাৰ লগৰ অসুখটো আমি থকা দিনতে ভাল হল। আমাৰ দলটোৰ প্রাণ-স্বৰূপ আছিল বৰদলৈ, চলিহা। বৰদলৈয়ে আমাৰ মাজলৈ কোনো ধৰণৰ বিষাদৰ ভাব আহিবলৈ নিদিছিল।

কি তান, কি মান্, কি লয়ৰে যে ৰৱদলৈ ডাঙৰীয়াই সুৱদী সুৱৰ সুললিত ৰৱগীত আমাক শুনাই আছিল। সেই সধোৱা গলাৰ বঙ্গলা, হিন্দী আদি সংগীত তেখেতৰ মুখত এনে শ্রুতিমধুৰ হৈছিল যে জেইলত বঙ্গালী বুলি সগৌৰৱে পৰিচয় দিয়া কোনো এজনো তেখেতৰ সমকক্ষ নাছিল। সততে আবেগময়ী এই নবীন ৰৱদলৈ জনৰ বালসুলভ সৰলতা স্বভাৱজাত যেন পৰিলক্ষিত হৈছিল। এঠাইত তেখেত বহি যাওঁক, কুঁটুৰি কোৱাদি হয়তো কলো, অমুক গান বা তমুক ৰৱগীতটো গাওঁকচোন। শিশুৰ কথাই ককাদেউতাকৰ মন গলোৱাদি, আমাক বিমুখ নকৰি সেইমতে গাবই গাব। এইদৰে তেখেতক আমি কিমান যে লটিঘটি নকৰিছিলো! এতিয়া এমাহ মানলৈ চলিহা, মতিন চৌধুৰী আদি দহ বাৰ জনমান তেখেতৰ লগত ৰ'ব। তাৰ পিচত আপোনমনে গুণগুণাই সেই আচুতীয়া (স্পেশ্যাল) নে ইওৰোপীয়ান ওৱার্দৰ কুঠৰী এটাত নিৰলে নীৰৱে এইবাৰ ফাটকৰ বাকী দিন কেটা কটাৰ লাগিব। ফাটক আমালৈ নহল, হল তেখেতলৈহে! তেখেতৰ সামৰণিত পৰা আধা বছৰ, কবলৈ গলে, নিজান ফাটক হৈ পৰিল।

পিচে ইমানতে কথা এটিৰ আউল ভাঙি থোৱা সমিচীন হব যেন লাগে। এই লিখকৰ জীৱনত (১৯২১ চনৰ যোল ডিচেম্বৰত সোমাই ১৯২২ চনৰ তেইশ্ নবেম্বৰ পর্য্যন্ত, দিন লেখেৰে মিয়াদৰ বছৰটো পুৰিবলৈকো বাইশ্ দিনমান থাকোতেই ওলাবলৈ পোৱাত) এবাৰৰ হে মাথোন তিনি জেইলীয়া বন্দী জীৱনৰ অভিজ্ঞতা লাভ কৰাৰ সুযোগ মিলিছিল। বন্দীশাল কেইখনৰ সম্পর্কে কোৱা সকলোখিনি কথা সেই কালছোৱাৰহে আৰু সেই তিনি কাৰাগাৰৰহে। ১৯২২ চনৰ পিচৰ ছোৱাত জেইলৰ ভিতৰত যত ধৰণৰ যিমান পৰিবর্ত্তন ঘটিল, সি সকলো কথা লিখকৰ অবিদিত।

জেইলৰ পৰা ওলোৱাৰ লগে লগে আচম্বিতে গোপীনাথ গাওঁ-বুঢ়ালৈ মনত পৰিল, বিশেষকৈ তেওঁ গণিং চাহাবক কৈ পেলোৱা

কথাষাৰ,—"হজুৰ, নেমাৰিলা প্ৰভু কৰিলাহা দয়া। এতিয়া যি খনত আছোঁ, ডাঙৰ জয়াল ফাটক, ৰৰপুখুৰীৰ পাৰৰখন সকহে দেখোন।"

চিলটৰ যি জেলখানাৰ পৰা মুকলি হৈছো, বৃটীছ-ভাৰত হেন সেই আচল মহা বন্দীশালত সোমোৱাতেহে দেখোন বৈ গলোঁ! —মুকলি তো নহলো!!

২। শ্ৰীহট্টৰ সাদৰ

জেইলৰ বাহিৰ ৰৰ দুৱাৰেদি আমাক উলিয়াই দিবলৈহে পালে, আদকি নিবলৈ অহা সকলে আমাৰ হাতৰ পৰা থপিয়াথপিকৈ টোপোলাটাপলিবোৰ হস্তগত কৰি আমাক প্ৰাক্তন ৰাজ-অতিথিৰ যোগ্য সম্মানেৰে আগবঢ়াই নিলে। আদৰণিৰ নেতৃত্ব কৰিছিল, আগতে এদিন মোক সাক্ষাৎ কৰি যোৱা বিপিনবাবুৱেই। পোনে পোনে কংগ্ৰেছ অফিছলৈ নি তাতে আমাৰ "বাণী" ললে, তাৰ পিচত বিপিনবাবুৰ লালদীঘিৰ পাৰত থকা বাসালৈ লৈ গল। ইয়াত লগ ধৰা মানুহ অপাৰ।

দুকুৰিমান মানুহৰ এটি প্ৰকাণ্ড ভোজ। বিবিধ তৰীতৰকাৰীৰ সীমা সংখ্যা নাছিল। যিমান বিধ তৰকাৰী সিমান হেতা ভাতেৰেও উদৰ পূৰণ কৰাৰ পৰিণামত, কণক চেতীয়া আৰু পুনাৰাম গগৈৰ পেটৰ ঠিহঠিহনি উঠিল; মাজমূৰত কথমপিহে লেলাই-ধেন্দাই বিচনাত পৰিলগৈ। খাই বৈ উঠি "জন শক্তি" "চিল্‌হেৎ ক্ৰনিকোল"[১৩২] আদি যি প্ৰেছ কেখনলৈ যোৱাৰ প্ৰতিশ্ৰুতি আছিল, তিনিউজনৰ ৰবীয়াকৈ ময়ে সেই দৰ্শন দানৰ পাল মাৰিলোঁ। বেচি বিসদৃশ লাগিল গধূলি পৰত, যেতিয়া আমাক আগত লৈ সকলোৱে সমদল পাতি ষ্টেচনত আগবঢ়াই থৰৰ প্ৰস্তুতি থকা স্বত্বেও, দুয়ো বন্ধুৱে গা লৰাবলৈ সাহস নকৰাত, সকলোকে হতাশাত বুৰাই ঘোৰা গাড়ী এখনেৰেহে আমি ৰেললৈ বুলি ৰাওনা হব লগাত পৰিল। আমাৰ

১৩২। Sylhet Chronicle.

হাততে একো নহলেও জেইল কৰ্ত্তৃপক্ষই মানুহমূলী একো টকাকৈ হাত-খৰছ বুলি দিছিল। বেলৰ ফ্ৰী পাছ। এতেকে তিনিবো মাজত তিনি টকাকৈ চিকা কপ। তাৰে কচোৱানে এভাগ পায়, কিন্তু একোপধ্যে পয়চা নললে। গতিকে উলামূলা নহয় একেবাৰে তিনি টকীয়া পুঁজি এটাৰ আমি প্ৰত্যেকে এটকীয়া অংশীদাৰ।

বাটত কিবা খাওঁ বুলিবলৈকো দুই বন্ধুৰ পেটে একোকে নেমানে। এনেতে কুলাউৰাৰ পৰা লামডিঙলৈকে আমাৰ এজন সহৃদয় সহযাত্ৰীৰ লগ হল। তেওঁ ওপৰৰ শ্ৰেণীত গৈছিল, আমি তৃতীয় শ্ৰেণী বা বয়েল ক্লাছৰ যাত্ৰী। এই ভদ্ৰলোকজনে ওৰে বাটটোতে আমাক খোৱা বস্তুৰ যোগাৰ দি সকলো বুজ বাতৰি লৈ আহিছিল। তেওঁ উপাধিত 'দাস'; অসম ব্যৱস্থাপক সভাৰ সভ্য। বিনন্দীয়া সৌন্দৰ্য্যৰে উপচি পৰা প্ৰাকৃতিক দৃশ্যৰ গৰ্ভত সেউজীয়া পাহাৰ ফালি, তাতে নিজৰ অস্তিত্ব বিলীন কৰি অজানিতে কোনো এক মুহূৰ্ত্তত ৰেলে লামডিং জংছন পোৱালেহি। তেতিয়াও টকা কেটা হাতে হাতে গোটে পাতে বিদ্যমান।

৩। নামতীআলি

পঁচিশ নবেম্বৰৰ দিনা পুণাৰাম গগৈ আৰু মই নামতী আলি ষ্টেছনতে নামি পৰিলোহি; চেতীয়া গল চক্ৰাই ষ্টেছনত নামি মাহমৰাৰ নিজ ঘৰলৈ যাবলৈ বুলি। পুণাৰাম গগৈয়ে খোজকাঢ়ি কালুগাৱঁৰ খৰাগড়লৈ পোনালে। গগৈৰে এৰা এৰি হোৱাৰ আগতে তেওঁৰ সেই খং ছাটলৈ সোৱঁৰাই দিছিলো। সময়মতে আমি তেওঁৰ এই দুৰ্ব্বলতাৰ সুযোগ নোলোৱা নহয়। এনেয়ে হলে হাঁহি খিকিন্দালি কৰিও থাকে, কিন্তু কোন মুহূৰ্ত্তত পাক্ লাগে তাৰ উমান পোৱা টান। সাহিত্য চৰ্চ্চাত ৰাপ্ আছে। মনটো নেপেলায় যদিও হঠাৎ এদিন মোক কৈ পেলাইছিল বোলে, "ওকালতী ব্যৱসায় এৰিবলৈ নহলেও, যদি আপোনাৰ দৰে চাকৰি এটাকে ত্যাগ কৰি

অহাটো ভাগ্যত ঘটিলহেঁতেন, তেতিয়াহে কিজানি আচল পাৱলগীয়া মর্য্যদা পালোহেঁতেন।" তেওঁৰ পিতাকো বোলে কম ফুচুৰি নাছিল। কাৰণ, গগৈদেৱে কোৱামতে, ধল পুৱাতে ঘৰ ঘেৰাও কৰি পুলিচে পুণাৰাম গগৈক গ্রেপ্তাৰ কৰিবলৈ সাজু হৈ আছে, এনেতে তেওঁৰ দেউতাকে বোলে খৰ এমুঠি জলাই লৈ পুলিচক কলেহি, "মই এতিয়া ভঁৰালত জুই দিম, মোৰ লৰাক নিয়াৰ লগে লগে তোমালোকো চেচ্যান্ কেচত[১৩৩] পৰিবা, কোন গনিং চাহাবে ফাটকৰ পৰা সকৰাৰ পাৰে চাম।" মানুকেজনে বোলে সঁচাই পতিয়ন গৈ কাওঁবাওঁ কৰিবলৈ ধৰিলে।

নামতীত নামিলো, ককণাসাগৰত আমাৰ মোমাইদেও সকল,—গোলাপ চন্দ্র শর্ম্মা বৰুৱা আৰ খেটকেশ্বৰ শর্ম্মা বৰুৱা, দুয়োকো শ্রদ্ধা জনাই যাবলৈ। লৰা কালত এইখন নামতীতে মই দুবাৰো শিক্ষার্থীৰূপে আছিলোহি। প্রথমবাৰ যোৰহাটৰ মেলেঙৰ কৃপাল চন্দ্র বৰুৱাৰ (পিচলৈ উকীল) উদ্যমত জাঁজীৰ আমাৰ গাওঁৰ ভাস্কৰ মাষ্টৰ[১৩৪] অর্থাৎ কমললোচন বৰুৱাদেৱে খোলা ইংৰাজী স্কুলত পঢ়িছিলোহি, 'চেকেণ্ড বুক্ অব্ ৰীদীং' কিতাপ[১৩৫]। মোৰ ক-ফলা শিক্ষাও আদিতে এই নির্ব্বিকাৰ চিতীয়া ভাস্কৰ মাষ্টৰৰ হাতত। পিচৰবাৰ স্থানীয় শশধৰ পণ্ডিত[১৩৬] আৰু তেখেতৰ মাজু ভায়েক মুক্তিনাথ ভট্টাচার্য্য, চণ্টকৰ ৰৰকেৰাণীৰ উদ্যোগত স্থাপিত হোৱা সংস্কৃত টোলখনিত। টোলৰ পণ্ডিত আছিল নলবাৰীৰ ফালৰ

১৩৩। Session Court-ওপৰ আদালতৰ ফৌজদাৰী বিচাৰ।

১৩৪। ভাস্কৰ মাষ্টৰ অর্থাৎ কমললোচন বৰুৱা প্রসিদ্ধ ৰসেন্দ্র বৰুৱাৰ বংশধৰ। আজীৱন শিক্ষক। অতি সৰল প্রাণ। তেখেতৰ পুত্র শিৱসাগৰৰ "সৰস্বতী ষ্টোৰ"ৰ কর্ত্তা শিৱ মাষ্টৰ (শিৱ বৰুৱা)।

১৩৫। Second Book of Reading তেতিয়াৰ দিনৰ Seventh classৰ (পিচলৈ class IVৰ) ইংৰাজী পাঠ্য পুথি।

১৩৬। বিখ্যাত দিলিহিয়াল ভট্টাচার্য্যৰ ঘৰৰ।

দেৱনাথ শৰ্ম্মা কবিভূষণ চক্রবর্ত্তী। টোলত আমি তিনিজন মাত্র ছাত্র আছিলো। এনেতে জাঁজীত জামুগুৰি মধ্য ইংৰাজী স্কুলখন খোলাত দদাইদেও দেবেশ্বৰ বৰঠাকুৰদেৱে তাত ইংৰাজী পঢ়াবলৈ বুলি টোলৰ পৰা একৰাই লৈ গল। সাতে পাচে নামতীখন মোৰ নিজ গাঁৱঁৰ তুল্য হৈ আছিল। ইয়াতে নতুনকৈ স্কুল স্থাপন কৰিবলৈ লৈছেহি ত্যাগী মোক্ষনাথ শৰ্ম্মা[১৩৭], আগতে কৈ অহা মুক্তি কেৰাণী দেৱৰ বৰ পুতেক। মোক্ষ শৰ্ম্মা এজন আদর্শনীয় সমাজ কৰ্ম্মী।

১৩৭। ভট্টাচার্য্য যদিও, এখেতে শৰ্ম্মা উপাধি হে লিখিছিল। আজীৱন শিক্ষক আৰু সমাজকৰ্ম্মী, সৰবৰহী সৰলমতীয়া পুৰুষ আছিল মোক্ষনাথ শৰ্ম্মা। গাঁৱঁত কাৰবাৰ অসুখ বুলিলে হোমিওপেথিকৰ বাকচটো লৈ ওলাবগৈ। চিকিৎসক হলেও তাৰ ব্যবসায় নকৰিছিল।

অষ্টম অধ্যায়

পৰিবৰ্ত্তিত পৰিস্থিতি

১। বকতা

পিচদিনা পুনৰ বেলগাড়ীৰ গৰ্ভত। বেলে নামতি এৰিলে। শিৱসাগৰ ৰ'দও চেৰাই গল। লাকুৰা ষ্টেছনৰ জয়ধ্বনিত কান তাল মাৰিলে। কোলাহলৰ মাজতে নামি পৰা হল।

সমদলটি বুজন বিধৰে। তাৰ নেতা প্ৰফুল্ল ফুকন। যোৱা বছৰত এওঁকে কংগ্ৰেছৰ ভাৰ দি আমাৰ আশ্ৰম বাসৰ আয়োজন কৰা হৈছিল। আজিও প্ৰফুল্ল ফুকনৰ[১৩৮] সেনাপতিত্বত সকলোটি প্ৰফুল্লিত।

আলম বিলম কৰি গা ঘেলাই ঘেলায়েই ছমাইল যোৱা হল। ভাগৰ বুলিবলৈ গাতে নালাগিল। বকতাৰ মৌজা কংগ্ৰেছ কাৰ্য্যালয় পাওঁ পাওঁ, এনেতে থমকি ৰ'ব লগাত পৰিল—"কংগ্ৰেছ অফিছত ভূতৰ বাঁহ।"—আমাৰ প্ৰবেশ নিষেধ !!

আমি যেতিয়া বন্দী তেতিয়া পণ্ডিত মদনমোহন মালবীয়, ডাঃ ৰাজেন্দ্ৰপ্ৰসাদ, পণ্ডিত মতিলাল নেহেৰু প্ৰমুখ্যে প্ৰধান প্ৰধান নেতাৰ দলে অসমত চৰকাৰৰ অত্যাচাৰৰ তদন্ত কৰিছিলহি। তদন্তৰ বিবৃত্তি ইয়ং ইণ্ডিয়াত প্ৰকাশ হল। এই পুঠিৰো ষষ্ঠ অধ্যায়ৰ—"যোৰহাটত জেলে বাহিৰে দলন" শিতানৰ উপ-অধ্যায়ত "পোতক তোলা শাস্তি সেনা" অৰ্থাৎ পিউনিটিভ্ পুলিচৰ অত্যাচাৰৰ কথা যৎকিঞ্চিৎ ভাবে উল্লেখ কৰা হৈছে। সেই যে ৰাজখোৱা চৰ্ ডেপুটী কলেক্টৰজন, তেঁৱেই এতিয়া দখলি স্বত্বত কংগ্ৰেছ কাৰ্য্যালয়ৰ

১৩৮। পিচলৈ দিখাৰী কোম্পানীত চাহ কৰ্ম্মচাৰী।

অধিপতি। কংগ্রেছ অফিছ চৰকাৰ-শিবিৰ! তেওঁৰ লগত আছিল যোৱা বছৰত কেন্দুগুৰি আৰু বাঙ্গুত আমাৰ লগ লোৱা সেই ফিৰ্‌ফিৰীয়া বিলাতী কাপোৰ পৰিহিত কৰ্ম্মীজন। তেওঁ দেবানন্দ দত্ত, এতিয়া এই মাথি হাকিম জনৰ তলতে মণ্ডল।

প্ৰায় বছেৰেকৰ আগত যিখন বকতাত চৰকাৰী চাকৰিয়ালে থাকিবলৈ পোৱা দূৰৰ কথা, মূৰ সুমাবলৈকো চালি অকণমান বিচাৰি লোৱাৰ সাহস নাছিল, আনকি, কাৰো মাত একাষাৰ নাপাইছিল, সেই বকতাৰ কলিজা হেন কংগ্রেছ কাৰ্য্যালয়টিতে, পিউনিটিভ্‌ পুলিচৰ সেনাপতি আৰু স্বাধীনতা সংগ্ৰামৰ ঘোৰ বৈৰী চৰকাৰী বিষয়াজনে মহা আয়মেৰে বহি মফছল কৰিছেহি। বোলে কালৰো কাল বিপৰীত কাল। এই মেকুৰীৰ প্ৰতি হঠাৎ এন্দুৰটি হৈ পৰিলোহি। মিত্ৰতা অসম্ভৱ। বুকু ভাগি গল। ভাগৰে হেচি ধৰিলেহি। তাৰ পৰা বকতা হাট-খোলালৈকে দুমাইল বাট। জীৱনত এই এবাৰেই নেমুগুৰিৰ পৰা ঠাকুৰবাৰীলৈ সেই বাটছোৱা মোৰ নাযায় মুপুৰাই যেন লাগিছিল।

২। মিছা সাক্ষী হাণ্ট চাহাব

আঠাৰাৰী বাগিচাৰ ফিৰিঙি মেনেজাৰ মিঃ হাণ্টে ঘৰলৈকে আহি দেউতাৰ হাত জোকাৰি "মাফ কৰঁক আৰু পাহৰি যাওঁক" (ফৰ্গিভ্‌ এণ্ড ফৰগেৎ)[১৩৯] বুলি কলেহি। খবৰটো পাই ভাল লাগিল। ইয়াৰ পিচৰে পৰা দুয়ো বুঢ়াই মিলাপ্ৰীতিৰেই কটালে।

৩। জিৰণিত যদিও জাগৃত

জাঁজীত ডিব্রুগড়ৰ যোগেন্দ্ৰনাথ বৰুৱাৰ[১৪০] বিয়া। মোক ফাটেকলৈ নিয়াৰ আগলৈকে এওঁবিলাকৰ ঘৰত বিদেশী সামগ্ৰীৰ হে

১৩৯। Forgive and forget.

১৪০। উনবিংশ শতাব্দীতে প্ৰতিস্থাপিত যদুনাথ বৰুৱাৰ J. N. Barua and Sonsৰ অন্যতম মালিক, পৰিচালক আৰু পিচলৈ ডিব্রুগড় পৌৰ সভাৰ অধ্যক্ষ যোগেন্দ্ৰনাথ বৰুৱা। চাহ খেতিয়ক।

প্রচলন। জোৰণৰ দিনা কন্যা পক্ষৰ পৰা ৰৰলৈ দিয়া সাজ এটাত বিলাতী সূতাৰ চেলেং এখন পাই হাক বচন নেমানি দৰাই নিজ হাতে কাপোৰখন পুৰি পেলালে। অকংগ্রেছীৰ ক্ষেত্রতো এনে জাতীয় ভাৰাপন্ন ক্রিয়া দেখি আন্দোলনে যেন ভিতৰি শিপাই পৰিছে এনে অনুমান হল।

জাঁজীত কংগ্রেছ কৰ্ম্মীৰ কথা নকৰেই, তিনিটা মহকুমাৰে সম্পূর্ণ এখন জিলা যি বিষয়াৰ এলেকা, গ্রেজিং চুপাৰিণ্টেদেণ্ট তেনে বিষয় খোৱা ডম্বৰুধৰ খাণ্ডন্দ ডাঙৰীয়াৰ নির্ভীক মতামতলৈ লক্ষ্য কৰিলে সিজন যে কোনো জাতীয়তাবাদী নেতা নহয়, তাক অপৰিচিতজনৰ পক্ষে বুজা কঠিন। নহবনো কিয়? অন্তৰঙ্গ বন্ধু যাৰ পৰমত্যাগী মৌন কৰ্ম্মী হেমনাথ শৰ্ম্মা হেড্‌মাষ্টাৰ (বা "হেম ককাইদেও)।"

পাচোটা মৌজাৰ সমষ্টি বিৰাট জাজী অঞ্চলৰ স্নায়ু কেন্দ্র গৰমূৰৰ পৰা চিম্‌কিন্, মফ্‌ফট্ আদি চাহ বাগিচাৰ ফিৰিঙি কেইজন মানৰ চক্রান্তত অজধৰ বৰুৱায়ো সঁহাৰি দিয়াত শিৱসাগৰৰ লোকেলবোৰ্দে "জাঁজী মধ্য ইংৰাজী স্কুল"খন আমগুৰিলৈ স্থানান্তৰ কৰিলত, ১৯০৮ চনত ভগা-মুখ, চাৰিং আৰু জামুগুৰি খণ্ডলৈ ব্যাপ্ত হৈ থকা কেইবাটাও মৌজাৰ সেই বিৰাট অলঞ্চটোৰ লৰা-পঢ়োৱা কথা লৈ ৰাইজে প্রমাদ গণিলে। দেবেশ্বৰ ৰৰঠাকুৰ, পদ্মনাভ কটকী আদি প্রমুখ্যে প্রতাৰিত অঞ্চলৰ সকলোটি একগোট হৈ নতুন এখন স্কুল খুলি তাৰ পৰিচালনাৰ কাৰণে হেমনাথ শৰ্ম্মাদেওক অনুৰোধ জনোৱাৰ লগে লগে তেখেতে তেজপুৰৰ চৰকাৰী চাকৰি ত্যাগ কৰি জাঁজী ওলালহি। চাৰি বছৰকৈ অবৈতনিক ভাবে চলি শিক্ষা বিভাগৰ লগত তয়াময়া ৰণ দিহে স্কুলখনৰ কাৰণে সাহায্যৰ মঞ্জুৰী লাভ কৰিব পাৰিছিল। কেৱল মাইনৰ স্কুল এখনিৰ মঞ্জুৰী আনিবলৈকে ফুচুৰি কথা একোটাতে বিশেষ গুৰুত্ব অর্পণ কৰি মানুহক সেইদিনত চৰকাৰ বাহাদুৰে তৌৰা তৌৰা কৰাইছিল। শিক্ষা বিভাগৰ নিয়মানুক্রমে বোলে দহ মাইলৰ ভিতৰত দুখন হাইস্কুল

আৰু পাচ মাইলৰ কম ব্যবধানত দুখন মাইনৰ স্কুল হব নোৱাৰে। গতিকে জামুগুৰি মাইনৰ স্কুলখনৰ সম্বন্ধে সমস্যাৰ সৃষ্টি হৈছিল বোলে আমগুৰি আৰু জামুগুৰি এই দুয়োখন স্কুলৰ মাজত দূৰত্ব পাচ মাইলৰ কম হেতু। অৱশ্যে এশ এক আসোৱাহৰ মাজত ই মাত্ৰ এটাহে। মাইনৰ স্কুলখনে মঞ্জুৰী পোৱাত এইবাৰ আকৌ শৰ্ম্মাদেৱে বিনা দৰ্ম্মহাৰ ছুটিৰে চাঁদা আৰু ঘৰ সজা সজুলিৰ সংগ্ৰহত মনোনিবেশ কৰিলে,—জাঁজী হাইস্কুল স্থাপনার্থে; আৰু তাত কৃতকার্য্যও হল। কিন্তু ডম্বৰুধৰ খাওন্দ ডাঙৰীয়াৰ পৰা এককালীন দানৰ ভেজনিৰ লগতে ধাৰ বুলি লোৱা হেজাৰ চেৰেক টকা হিচাবতহে বল, পৰিশোধ আৰু নহল।

সেই সময়ৰ অক্লান্ত কংগ্ৰেছ কৰ্ম্মীসকলৰ ভিতৰত জামুগুৰিৰ কৃষ্ণনাথ শৰ্ম্মা, চন্দ্ৰধৰ শৰ্ম্মা আদি কেইজনমানৰ উপৰিও ডিব্ৰুগড়ৰ যাদবেন্দ্ৰনাথ ঠাকুৰ, সুৰেন্দ্ৰনাথ শৰ্ম্মা আদি আৰু টীয়কৰ বিশ্বনাথ পূজাৰীকো পাইছিলো। জাঁজীৰ বামুণপুখুৰীৰ ৰামেশ্বৰ ভট্টাচার্য্য আৰু সেই লগতে গোঁহাইবাৰী বাগিচাৰ মালিক হেমনাথ বৰুৱা, নাজিৰাৰ বেদনাথ বৰঠাকুৰ আৰু চাৰি গাঁৱৰ গুণনাথ বৰঠাকুৰ আদি যোৰহাটত বিচাৰাধীন। আমি এবছৰ (জেলত) জিৰণি লৈ গাত অলপ বল গোটাই আহিব পাৰিলো; এওঁবিলাকে কিন্তু সেই যে আদিতে সমসাময়িক ভাবে আমাৰ লগতে লাগি পৰিল, তেওঁ-বিলাকৰ লগৰ অতি বেচি ভাগকে ফাটকত আটক কৰি থোৱাৰ সময়ত গভীৰ দায়িত্ব লৈ চলালে, তথাপি তেওঁবিলাকৰ কামৰ আৰু অন্ত নপৰিল। এওঁবিলাকক স্বৰাজ-আশ্ৰমত জিৰণি নেলাগে, লাগে কাক? ৰাজ অতিথিৰ প্ৰাপ্য সম্মানৰ পৰা তেওঁবিলাকনো কিয় ৰঞ্চিত হব? পিচে সাহিত্যিক পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেওৰ বিচাৰে পাই দিলে পোন শিৰতে টাঙোন।—তেওঁবিলাকক বিনা বিচাৰে এৰি দিলে। চাৰিগাওঁৰ গুণ বৰঠাকুৰ তেতিয়া যোৰহাট নগৰবাসী। পচিশ কি ত্ৰিশ হেজাৰ টকা মূল্যৰ বেহানিৰ যি

দোকানখন তেওঁৰ আছিল; তাৰপৰা নগদ আৰু মাল কংগ্রেছ আৰু কংগ্রেছীয়ে শোহোতে শোহোতে হাঁহি মাতিয়েই সর্ব্বস্ব ত্যাগ কৰি মানুহজনে নগৰৰ ঘৰ-দুৱাৰ সামৰি চাৰিগাৰঁত আশ্রয় ললে।

সকলোফালে লক্ষ্য কৰিলে বঢ়িয়াকৈ বুজা যায়, আমাৰ আন্দোলনে দুদিনীয়া জিৰণি লৈছে মাত্র।

৪। যেন গনিং তেন নৰমৌজাদাৰ

১৯২১ চনৰ ১৫ ডিচেম্বৰৰ দিনা শিৱসাগৰৰ কংগ্রেছ অফিছ প্রাঙ্গনত বহা ৰাজহুৱা সভাত ওজস্বিনী বক্তৃতাৰে তৰধ মনোৱা সেই যে নৰনাথ শর্ম্মা মৌজাদাৰ, তেওঁক গর্নিং চাহাবে শিৱসাগৰৰ ফাটকতে আটক কৰি ৰাখি তেওঁ তোলা চৰকাৰী খাজনাৰ টকাৰ কাৰণে পানীদিহিং মৌজাৰ অন্তর্গত দিহিং-মুখত থকা তেওঁৰ ঘৰ কোৰোক কৰি একো পয়চা পাতি নেপাই তেওঁক চৰকাৰী খাজনাৰ ধন আত্মসাৎ কৰাৰ অভিযোগত দণ্ড বিহে। পিচে একেজন গনিঙ্গে গোচৰ দি, সেই গনিঙ্গেই ধৰাই আনি সেই একেজন গনিঙ্গেই আকৌ বিচাৰক হৈ ফাটেকৰ ৰায় দি নিজক বহুৰূপী ভাৰৰীয়াত পৰিণত কৰাযাৰ উচ্চ আদালত নেমানিলে। মৌজাদাৰক খালাছ দি তপতে তপতে তেওঁৰ বিৰুদ্ধে আইন সঙ্গত ভাবে পৰৱানা জাৰি কৰিবলৈ হুকুম হল। তালৈকে গনিঙ্গে সুৰঙা পাই মানে মৌজাদাৰে অজ্ঞাত বাসৰ পন্থা বাচি ললেই। শালচকুৰা, পুলিচৰ চকুত ধুলি মাৰি তেওঁ সমস্ত ভাৰতবর্ষ পর্য্যটন কৰিলে, প্রায় বিলাক ধর্ম্মানুস্থানতে যোগ দিলে, জীয়েকৰ বিয়াও পাতিলে, ইষ্ট-মিত্র বন্ধুবর্গৰ প্রায় সকলোৰে ঘৰে ঘৰে দেখা দি ফুৰিলে; তথাপি কোনো চুৰাপাতনীয়া চোৰাংচোৰায়ো তেওঁৰ সন্ধান উলিয়াৰ নোৱাৰিলে; ৰৰং দুবছৰ মানৰ মুৰত গনিং চাহাব শিৱসাগৰৰ পৰা বদলি হৈ যোৱাৰ পিচত, নিজে গৈ শিৱসাগৰ মহকুমাৰ তেতিয়াৰ ভাৰপ্রাপ্ত হাকিম কৰি সাহিত্যিক ৰায়বাহাদুৰ দুর্গেশ্বৰ শর্ম্মা ডাঙৰীয়াৰ বঙলাত আচম্বিতে

আৰ্বিভাব হৈ "নব মৌজাদাব" বুলি চিনাকি দি ইচ্ছাকৃত ভাবেহে ধৰা দিলে। জজৰ বিচাৰত দশ টকা মাত্ৰ জৰিমনাৰেই তেওঁ মুক্তি লাভ কৰিলে[১৪১]। তাৰ পিচত ৰাজনীতি ক্ষেত্ৰতো কি কংগ্ৰেছ আন্দোলন, কি লীগ-মন্ত্ৰী-সভা, সকলোতে মানুহজনে দেশখনত নিজৰ অস্তিত্ব বজাই ৰাখিছিল।

৫। শিৱসাগৰত আদৰণী

১৯২২ চনৰ ২৩ ডিচেম্বৰৰ দিনা দুৰ্গাপ্ৰসাদ ৰৰঠাকুৰ, ভুবন চন্দ্ৰ গগৈ আৰু ৰাহাকদ্দিন আহম্মদো মুকলি হৈ অহাত তেতিয়াৰ বয়োবৃদ্ধ নাগৰিক প্ৰভাকৰ পূজাৰীদেওৰ সভাপতিত্বত শিৱসাগৰৰ এখন ৰাজহুৱা সভাই আমাক অভ্যৰ্থনা জনায়। ফাটকৰ পৰা ওলাই অহা দলটো নিচেই সৰু সুৰা বিধৰ নাছিল, অথচ যি সকলে যোগ দিবহি নোৱাৰিলে সিও সংখ্যাত তাকৰ নাছিল।

৬। আমাৰ কৃষি বাণিজ্য

সহোদৰ ৰাধানাথে[১৪২] আমাক বন্দীশালত ভৰোৱা দেখি তেৰোঁ গোলামখানা—কলেজৰ লোভ সামৰি হালধী খেতিত ধৰিছিল। ওপৰঞ্চিকৈ জলকীয়া বেঙেনাৰো। হালধীৰ বয়স দুবছৰ পূৰ নোহোৱাকৈয়ে তাক খনা হল। হালধী খনোৱাটো আমাৰ হলেও সিজোৱা, সুকুওৱা আৰু বোলোৱা আদিৰ ভাৰ ললে মাতৃ-দেবীয়ে। আধামূলীয়াকৈ হলেও বিকি এই হালধীৰ ঘটনৰপৰা এখন বিয়াৰ খৰছ যে ওলালেই, হাততো কিছু ৰৈ গল। "আধামূলীয়া" বোলাৰ এয়ে কাৰণ যে এই হালধীখিনি দেখাত আৰু গুণত বজকৰা হালধীতকৈ উৎকৃষ্ট হোৱাৰ স্বত্বেও, যি হেতুকে

১৪১। জজ্ আছিল (ৰায় বাহাদুৰ) ৰাধানাথ ফুকন এম্-এ, বি-এল। শ্ৰীমদ্ভাগৱত গীতা আদিৰ সন্দৰ্ভত খ্যাতনামা গ্ৰন্থকাৰ।

১৪২। পিচত, বাহাদুৰ বাগিচা আৰু তাৰো পিচত চাবুৰাৰ নন্দলাল-কৃষ্ণলালৰ চাহ অফিচৰ কৰ্ম্মচাৰী।

তাক অসম দেশতে অসমীয়াই কৰা এনে বস্তু কিনিবলৈ মহাজনসকলে এণ্ডাইছিল,—নিকিনিছিলেই ; ৰৰং তেনেই গুজি দিয়াৰ দৰে দি হে তেওঁবিলাকৰ আনন্দ বৰ্দ্ধন কৰা হৈছিল। এই জাতীয় হালধীৰ খেতি দুবছৰীয়া। লগোৱাৰ দুবছৰৰ মূৰত এমোন হালধীত চল্লিছ মোণ পর্য্যন্ত ফছল পোৱা যায়। এবছৰত খানিলে বৰ কম পোৱা হয়। এই হালধীৰ সঁচ যোৰহাটৰ (গৱর্ণমেণ্ট) এগ্রিকাল্‌ছাৰেল্ ফার্ম্মে যোগান ধৰিছিল।

৭। কংগ্রেছী ধানবেপাৰী

দেউতাক নৰ্চিংদাস আৰু পুতেক সুৰোজমল্। দুয়োৰো নাম মিলাই কৰা ফার্ম্মখনৰ নাম হ'ল নৰ্চিংদাছ ছুৰজমল (নৰসিংহ দাস সূর্য্যমল)[১৪৩], এওঁবিলাকৰ প্রধান ব্যবসায়, ধান আৰু সৰিয়হ কিনি নিজৰ মিলতে চাউল আৰু মিঠা তেল কৰা হয়। তেওঁ-বিলাকৰ বহা গাদীৰ তুলি, পর্দা কাপোৰ, গাৰু গিলিপ্ আদি সকলোবিলাক খদ্দৰ কাপোৰৰ। এনে এঠাইৰ লগত ফুকন-বৰদলৈ—চলিহা ত্রিমূর্ত্তিৰ এজন নহয় এজনৰ সম্পর্ক থকা স্বাভাবিক। সুৰজমল বাবুৰ লৰাটিৰ নাম মুকলী। বয়সত তেতিয়া (১৯২৩ চনত) এঘাৰ বছৰ মান হব। এই লৰাটিক পঢ়াব লাগে। পিচে স্কুলত নপঢ়ায়। কাৰণ ইস্কুলত চলা কিতাপ বোৰত বোলে তেনেই মিছা কথা লিখা থাকে। তাৰৈকে এজন কংগ্রেছী শিক্ষক লাগে। কুলধৰ চলিয়া ডাঙৰীয়াই ৰামেশ্বৰ ভট্টাচার্য্যক দিছিল। তেওঁ নহাত লিখকৰ ভাগত সেই কর্ত্তব্য পৰিল। এনেদৰেই অতি কম দিনৰ কাৰণে হলেও মুকলীধৰ জালানক পঢ়াব লগীয়াত পৰিল। "লৰাক বুৰঞ্জী পঢ়াবই লাগিব।" কিন্তু চৰকাৰে পাঠ্যপুথি কৰি চলোৱা ভাৰত বুৰঞ্জীটো বোলে মিছা কথাৰ ভৰপুৰ। সেই কাৰণে

১৪৩। নৰ্চিংদাছ চুৰজমলেই শেহাস্তৰত চাহ উদ্যোগী জালান ইন্দাষ্ট্রিজ (প্রাইভেট) লিমিটেডত পৰিণত হল বুলিব পাৰি।

পঞ্জাব-কেশৰী লালা লাজপৎ ৰায়ৰ ভাৰতবৰ্ষৰ ইতিহাসখন[১৪৪] পঢ়াৰ লগাত পৰিল।

এই ডেৰমাহ কি দুমাহ যে তিনিচুকীয়াত কটোৱা হল, তাত আমাৰ কংগ্রেছী সতীর্থ সকলৰ বহুতক বহুত কাৰণত লগ পোৱা হৈছিল।

এদিন পালো বৈদ্যনাথ কাকতীক। তেতিয়াও ওকালতী এৰিয়ে আছে। তেওঁৰ মহা প্রমাদ! চেলেং নে নকছাৰী ষ্টেছনত পোৱা ধানৰ ওজনকে ৰেলৰ বিলতিত সন্নিবিষ্ট কৰা আছে, তথাপি তিনিচুকীয়াৰ যিটো ৰাইচ্ মিলিত ধানখিনি দিলেহি, সেই মিলৰ ওজনত এওঁৰ এক-পঞ্চমাংশ ধান হেৰালেই। বিপদটো বুজি আনত বিকাৰ প্রস্তাৱ তুলিলো। পিচে, তাৰো ভিকাচন ভাগিল। কাৰণ ওজন লওতে মহাজনৰ দস্তুৰ অনুযায়ী এটি ধানৰ বস্তা পাল্লাত পেলাই ওজনৰ অঙ্কটো টুকি লয় আৰু বস্তাৰ মুখ মোকোলাই ধানখিনি আগৰ ধানৰ দ'মৰ ওপৰতে ঢালি দিয়ে। এইদৰেই কাকতীৰ ধানৰ চিন্চাৰ হেৰাল। এতিয়া ওভোটায় কি উপায়ে? বেচেৰাৰ মূলৰো হানি পৰিল।

একেদৰে ওলালহি এদিন কুলধৰ চলিহা। কাকতীৰ পৰা ধান লোৱা সেই মহাজনৰ ফালে টোঁৱাই গৈছেহে,—কাকতীৰ ঘটনাটিৰ উমান পালে। তেওঁ যেনিবা তেতিয়া নার্চিংদাস্ সুকজমলৰ 'তিনিচুকীয়া ৰাইচ্ এণ্ড অইল্ মিল'ত বিলতিখন শোধাই পয়চা কেটা লৈ গল।

এনে ধৰণৰ ধানৰ বেপাৰে আমাক মুসুজিবৰে কথা। খেতিৰ আৰম্ভনিতে মোনে আধলীটোৰ পৰা টকাটোলৈকে দৰ বান্ধি ঘূৰি ৰাৰিষা ধানৰ মোনে দুটকা আঢ়ৈ টকা হোৱাৰ দিনত চুক্তি মতে সেই ধান দাবি কৰি জোখ লওতে হাতৰ টিপা আৰু পাল্লাৰ ফেৰত শতকৰা দহ ভাগ হলেও ঘাটি খুৱাই কংগ্রেছীয়ে ধান লবলৈ শিকা

১৪৪। লালা লাজপৎৰায়ৰ ইতিহাসখন হিন্দুস্থানী ভাষাত লিখা।

নাই আরু বিদ্যাটো জানিলেও তাক খটুওরাব নিচিনা মার্ঘাৎ কাম কবিব নোরাবে। অথচ যি ব্যবসায়ী সকলে এনে মার্ঘাত কবি কৃতকৃত্য ভাবে, সি সকলব পক্ষে বোলে এনে কবাটোহে ব্যবসায়িক ধর্ম্ম। এনেদবে সংগ্রহ কবা ধানব বাবদো সমস্ত মূল্য নগদ পোরা নাযায়। আংশিক ধানব সলনি দোকানীয়ে পাইকাবী দবত কিনি অনা সামগ্রী খুচবা দামত বিক্রি কবে। তেনেদবে কবা লাভব উপবিও এনে বস্তুও ওজনত চুবি কবি বেপাবীয়ে লাভব ওপবতে লাভ কবে। থাউকতে কিনি আনি পায়কাবীকৈ বেচা সকলে কাকতীব দবে মূলবো পবালি পেলায়।

৮। মহাত্মাজী ওলাল

মহাত্মাজীব শবীবত অস্ত্রোপচাব কবিব লগীয়াত পবিছে বুলি খবব ওলাল।[১৪৫]

মহাত্মাজীক ফাটকব পবা মোকোলাই দিলে। সেই দিনা উনেশ শ চৌবিশ চনব পাঁচ ফেব্রুৱাবী। ইয়াব পিচত তিনি মাহে দেশখনব নাড়ীজ্ঞান কবি দহ এপ্রিলব "ইয়ং ইণ্ডিয়াত" মহাত্মাজীয়ে প্রায় এনেদবে মনব দুখ প্রকাশ কবিছিল,—"উকীলব কুবিয়ে কুবিয়ে আকৌ ওকালতীত ধবিলগৈ। ওকালতী এবাব কাবণে অনেকে আনকি আপচোচ হে কবিছে। চবকাবী শিক্ষাব অনুস্থান ত্যাগ কবি অহা লবাছোৱালীব শই শই অনুতাপ কবি আকৌ পঢ়িবলৈ গল।"

পণ্ডিত মতিলাল নেহেৰু আৰু দেশবন্ধু চিত্তবঞ্জন দাস হেন আদর্শনীয় ত্যাগী সর্ব্বভাবতীয় নেতাসকলেও পৌব সভা (মিউনিছি-পেলিটি, কর্পবেছন) ব্যবস্থাপক সভা আদি স্বায়ত্ব শাসনব সহায়ক অনুস্থানবোবব দখল লৈ তাব আলমত ভাবত চবকাবক তেনেই উচ্ছেদ কবিব নোৱাবিলেও অচল কবাব মানসেবে প্রস্তাব উৎথাপন কবিলে।

১৪৫। অস্ত্রোপচাবব তাবিখ ১২ জানুবাবী ১৯২৪ চন।

সাম্প্রদায়িক বিৰোধে জাতীয় একাত্মবোধত অজগৰৰ দৰে হলাহল বিহ উগাৰিবলৈ ধৰিলে। মহাত্মাজীয়েও কংগ্রেছখনক একতীয়াকৈ পেলাই থৈ হিন্দু মুছলমানৰ ভিতৰত একতাৰ ভাৱৰ সাধনাৰ উপায় উদ্‌ভাৱনৰ চেষ্টা কৰিবলৈ ধৰিলে।

৯। আন্তর্জাতিক কানি সন্মিলন

১৯২১ চনৰ আৰম্ভণিতে অসমত কংগ্রেছ যজ্ঞৰ হোমাগ্নি জ্বলাবলৈ জোৰ বান্ধি লৈছিলো মাদকতা নিবাৰণৰ অভিযানেৰে। বিশেষকৈ ৰণ দিয়া হৈছিল কানিৰ বিৰুদ্ধে। অসম ভ্রমণ সমাপ্ত কৰি মহাত্মাজীয়ে এই বুলি মন্তব্য কৰিছিল—"কিবা স্বৰূপে ভয়ঙ্কৰ কানি হেন বৰ বিহৰ গৰাহৰ পৰা মুকুতি লব নোৱাৰিলে অসমীয়া জাতিৰ ধ্বংশ অনিবার্য্য ; আৰু সেয়ে হব লাগিলে অন্যান্য জাতিয়েহে অসমৰ দখল লৈ পেলাব।" মহাত্মাৰ এনে উক্তি জগৎময় ৰজন্‌জনাই যোৱাত ১৯২৫ চনত বহিবলগীয়া জেনেভা আন্তর্জাতিক আফিং সমিতিক (জেনেভা ইণ্টাৰনেছনেল অপিয়ম্ কনফাৰেন্সক) ৰিপ'ৰ্ট দিব পৰাকৈ সর্ব্বভাৰতীয় কংগ্রেছ সমিতিয়ে কানি প্রচলনৰ তথ্য অনুসন্ধানৰ কমিটী এখন, দীনবন্ধু এন্দ্রুজ্ (ৰেভাৰেণ্ড চী এফ্ এন্দ্রুজ্) চাহাবৰ নেতৃত্বত তৰুণৰাম ফুকন, নবীনচন্দ্র ৰৰদলৈ, কুলধৰ চলিহা, কৃষ্ণনাথ শর্ম্মা, ৰোহিণীকান্ত হাতী বৰুৱা, অমিয়কুমাৰ দাস আৰু অম্বিকাগিৰি ৰায়চৌধুৰীক লৈ গঠন কৰিছিল। কানিৰ বিষয়ত বকতা মৌজাৰ বিশেষ খ্যাতি থকা হেতুকে তাত এই সুধী সকলৰ পদার্পণৰ দিন গণিব ধৰিলো। যথা দিনবাৰত সকলো আহিলা পাতিৰে সুসজ্জিত হৈ বৈ বৈ হতাশ হলো। গেলা ডাৱৰীয়াৰ পেক্ পানী ভাঙি তালৈ যোৱাটো সমিতিৰ সভ্যসকলৰ পক্ষে আৰু সম্ভৱ হৈ নুঠিল।

১০। ব্যক্তিগত নির্ব্বাচনা প্রতিযোগিতা

১৯২৪ চনত ব্যক্তিগতভাবে ব্যৱস্থাপক সভাবিলাকৰ সদস্যপদৰ প্রার্থী হবলৈ কংগ্রেছৰ বাধা তুলি লোৱাত, অসমত তাৰ যি চমকপ্রদ প্রতিক্রিয়া হৈছিল, তাত নিজৰ বুলিবলৈ অৱিহণা যোগাব পৰা নহল ; অথচ অসমীয়াৰ ধনকুবেৰ ৰায়বাহাদুৰ শিৱপ্রসাদ বৰুৱা হেন ৰজা প্রজা উভয়ৰে মাজত অশেষ প্রতিভাশালী, পুৰুষ এজনক, যোৰহাটতে টলৌ টলৌকৈ ফুৰি নির্ব্বাচন চলোৱা, সেই তাহানিখন চহা লৰা বুলি পৰিগণিত হৈ পিকেটিঙৰ অপৰাধত বিনা বিচাৰে বেণুধৰ ৰাজখোৱা হাকিমৰ হাতত দণ্ডিত হোৱা ৰোহিণীকান্ত হাতী বৰুৱাই নির্ব্বাচন যুদ্ধত হাৰ মনোৱাই সকলোকে অবাক কৰি তুলিছিল। দলীয়ভাবে ননমা স্বত্বেও কংগ্রেছী আৰু কংগ্রেছ ভাবাপন্ন সকলৰ যে এই নির্ব্বাচনত হাতী-বৰুৱাৰ পক্ষে পূর্ণ সমর্থন আছিল, সি দেখ দেখ্ কথা। এই নির্ব্বাচন যুদ্ধত তালুৰ পৰা তলুৱালৈকে সর্ব্বতোভাৱে চাহাবী সাজেৰে বিভূষিত হৈয়ো বলমা বাগিচাৰ মালিক আৰু পৰিচালক চন্দ্রকমল বেজবৰুৱা ডাঙৰীয়াই উঠি পৰি লাগি হাতী-বৰুৱাদেওক সহায় কৰাটো এক উল্লেখযোগ্য কথা।

গোলাঘাটত যি ঘটিল সি আৰু আচৰিত ধৰণৰ। যোৰহাটৰ সর্ব্বপ্রথম বি-এল্ উকীল গোলাঘাটৰ চাহ খেতিয়ক ৰায় দেবীচৰণ বৰুৱা বাহাদুৰ হেন বয়োবৃদ্ধ ডাঙৰীয়াৰ পৰাজয় ঘটিল, নিছলা পিছলা এঘৰৰ মেত্রিকৰ পৰা ধর্ম্মঘট কৰি অহা "তাৰা প্রসাদৰ" (বৰুৱা) নিচিনা এটি লৰাৰ হাতত।

জনতাৰ হৃদয় পোহৰাই থকা কংগ্রেছ প্রভাৱৰ মাত্রা এই নির্ব্বাচন-প্রতিযোগিতা বিলাকৰ ফলাফলেই কংগ্রেছ কর্ম্মীসকলৰ উপৰিও গবর্ণমেণ্ট আৰু অকংগ্রেছী মহলবো বোধগম্য হল। দেশ যে শোৱা ভাও ধৰি সাৰেই আছে তাক উপলব্ধি কৰিবলৈ কাৰো বাকী নাথাকিল।

১১। মহাত্মাজীৰ অনশন

হিন্দু-মুছলমানৰ বিৰোধ ভাবৰ মাত্ৰা ইদিনতকৈ সিদিন চৰি আহিবলৈ ধৰিলে। তাৰ ফলত আলি ভাই দুজনৰ (মৌলানা মহম্মদ্ আলি আৰু মৌলানা চৌকৎ আলিৰ) ঘৰত হিন্দু-মুছলমানৰ একতা স্থাপনৰ সংকল্প লৈ মহাত্মাজীয়ে একৈশ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰিলে। সেই দিনটো আছিল ১৯২৪ চনৰ ১৬ চেপ্তেম্বৰ। মহাত্মাজীক এই সময়ত যিজন চিকিৎসকে পৰীক্ষা কৰি আছিল, ধৰ্ম্মত তেওঁ আছিল মুছলমান। আলপৈচান ধৰা জন স্বয়ং দীনবন্ধু এন্দ্ৰুজ্ চাহাব।

মহাত্মাজীৰ অনশনৰ তাৎপৰ্য্য সকলোৰে পক্ষে যেন এক সাঁথৰ। মহাত্মা গান্ধীৰ অনশন হৈছে মন আৰু অন্তৰ ভেদি আকুল কৰাৰ এটি উপায় মাত্ৰ। এই কৌশলেৰে নিজৰ আপোনসকলৰ মানসিক পৰিবৰ্ত্তন ঘটোৱা যায়। সেই বুলি, মহাত্মাজীৰ মতে, আসুৰিক প্ৰকৃতিৰ বিলাকত এই উপায় প্ৰযুজ্য নহয়। কাৰণ, অসুৰ প্ৰকৃতিৰ সকলে দয়া মমতাৰ মোল নুবুজে। সেই কাৰণে নিজে যি সকলৰ প্ৰিয় বা নিজৰ প্ৰিয় সকলৰ ওপৰতহে অনশনৰ প্ৰভাৱ পেলাব পাৰি। পিতাকৰ অনাচাৰৰ সংশোধনৰ অৰ্থে, মহাত্মাজীৰ মতে, পুতেকে অনশন কৰিব পাৰে; সেই বুলি পৈতৃক সম্পত্তিৰ লোভত দেউতাকৰ বিৰুদ্ধে অনশন ব্ৰত পালন কৰিলে অবিধি হব। সেই কাৰণেই, বৃটীছৰ পৰা কিবা এটি আদায় কৰি লবৰ কাৰণে মহাত্মাই অনশন নকৰে। অনশনৰ লক্ষ্য ব্যক্তিগত লাভ হব নালাগে, দহক অৰ্থাৎ বাইজক লাভবান কৰোৱাৰ ক্ষেত্ৰতহে ই প্ৰযুজ্য। অক্তোবৰৰ ছ দিন যোৱাত একৈশ দিন পূৰ হলত অনশন ব্ৰত ভঙ্গ হল। মহাত্মাজীৰ অমূল্য জীৱনো কৰুণাময়ে বচালে।

১২। চিলটৰ অসম ত্যাগ সংকল্প

১৯২৪ চনৰ অসম কাউঞ্চিলে চিলটক তেওঁবিলাকৰ সৈতে একে ভাষাভাষী আৰু একে সংস্কৃতিৰ বঙ্গদেশৰ লগত চামিল কৰি দিব লাগে বুলি এটি প্ৰস্তাৱৰ দ্বাৰা ভাৰত চৰকাৰক অনুৰোধ জনালে। এই প্ৰস্তাৱ লোৱাৰ পিচত চিলটীয়া সকলৰ আনন্দৰ সীমা নোহোৱা হল। অসম উপত্যকাই ভাল পোৱাৰে কথা! কাৰণ, খৰছত শ্ৰীহট্টৰ সদায় ঘাটি আৰু এই ঘাটিৰ ধন অসম উপত্যকাৰ ৰাজহৰ পৰা পূৰণ কৰা হয়; এতিয়া বঙ্গদেশলৈ যাব লাগিলে ভৰণিৰ ভাৰ বহন- কৰিব লাগিব বঙ্গদেশে; আৰু সিমানখিনি ৰাহিৰ টকাৰে অসমৰ ৰাজভঁৰালো টনকিয়াল হৈ পৰিব। সদায় বঙালী বঙালী বুলি আকোৱাল মাৰি ধৰিবলৈ সাজু হৈ থকা যেন দেখুৱা বাংলাদেশে এই প্ৰস্তাৱত কোনো সঁহাৰি নিদিলে। পুনৰ নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ ১৯২৬ চনৰ গুৱাহাটী অধিবেশনৰ আগে আগে সেই একে প্ৰস্তাবকে অসম ব্যৱস্থাপক সভাত গৃহীত হলত, বংগদেশৰ কাউন্সিলেও সেই একে প্ৰস্তাৱকে গ্ৰহণ কৰিলে।

বোলে "অতি কথকীক কথাই খায়"; চিলট হল অসমত, চিলটৰ মাত কথাৰ লগত বঙালীৰ মাত কথাৰ মিল নাই, কিন্তু চিলটে বঙলা সাহিত্যৰ পূজা কৰিবলৈ ধৰিলে; পৰিণামত চিলটৰ ভাষা হল এক আৰু তাৰ সাহিত্য সুকীয়া। বিপিন চন্দ্ৰ পালে, আদিবে পৰা অসমৰ প্ৰতিনিধি স্বৰূপেহে কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশন বিলাকত যোগ দিছিল; বঙাল বুলি নহয়। তথাপি চিলটীয়া সকলে নিজক বঙালী বুলিহে পৰিচয় দি গৌৰৱান্বিত বোধ কৰে; সিহাতে বঙালীসকলেও চিলটক বঙালী নুবুলি আন বুলিবলৈ হলে বঙলা ভাষাই দাবি কৰা ৰাজ্যৰ পৰা চিলটৰ অত লাখ জনসংখ্যা হেৰায়। গতিকে তেওঁবিলাকে আঁহ ফালি বঙালী বোলোতে বোলোতে এই বাৰ নিজৰ ভণ্ডামীৰ জালত নিজে বান্ধ খাই পৰিল।

সিহাতে চিলটখন অসম প্ৰদেশত যদিও তাৰ জিলা কংগ্ৰেছ কমিটী বিলাক বংগ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ হে অন্তৰ্ভুক্ত। এইদৰেই জাতীয়তাৰ বৰাই কৰিবলৈ গায়,—

"বংগ আমাৰ, জননী আমাৰ, ধাত্ৰী আমাৰ, ৰমণী দেশ।
কেন গো মা তোৰ শুষ্ক আনন্
কেন গো মা তোৰ মলিন বেশ।"

অথচ চৰকাৰী চাকৰিৰ ক্ষেত্ৰত সদায় দাবি জনায়, অসমৰ চাকৰি বিলাকৰ ওপৰত। সেই কাৰণেই হবলা. ঈশ্বৰে নসহিলে, বংগ প্ৰদেশৰ ব্যৱস্থাপক সভাই চিলটক আবাহণ কৰিবলগীয়া হল।

এতিয়া গাৰ পোৰণি উঠিল বৃটীছ ভাৰতীয় চৰকাৰৰহে। বৃটীছ কেশৰীৰ উদ্দেশ্য হল যে অসমে চিলটে যাতে নিজৰ নিজৰ স্বাৰ্থ লৈ যুজি থাকি অসমীয়া-বঙালী আৰু হিন্দু মুছলমানৰ গৃহ কন্দল যাউতি-যুগীয়া কৰি ৰাখি তেওঁবিলাকৰ বিভেদ নীতিক শক্তিশালী কৰি তোলে; আৰু প্ৰথম মহাৰণৰ সময়ৰ পৰাই বোৱাই দিয়া মৈমনচিঙীয়াৰ অবাৰিত সোঁতৰ দ্বাৰা যি উদ্দেশ্য পূৰণ হব লগীয়া আছে, সি যেন হৈ উঠে। এই চালৰ চলনাত শ্ৰীহট্টই কালক্ৰমত পাকিস্তানৰ ছত্ৰ-ছায়াত সুদীৰ্ঘ কালৰ কাৰণে বিশ্ৰাম লভিলেগৈ।

১৩। ভ্ৰমণ

নিজৰ স্বাৰ্থত লিখকে বাইচায়কেলেৰে নগাওঁ বুলি ওলালত, 'অসম উইভীং ফেক্টৰীৰ'[১৪৬] মেনেজাৰ (প্ৰকৃততে সৰ্ব্বেসৰ্ব্বা) নকচাৰী মাজকুৰীৰ বিষ্ণুপ্ৰসাদ (বাসু) বৰুৱাও লগ লাগিল। বৰুৱাৰ এই অভিযানত দুটা কাম আছিল,—অসম উইভীং ফেক্টৰীৰ আগতে বিক্ৰি হৈ যোৱা অংশবিলাকৰ দ্বিতীয় কিস্তিৰ ধন তোলা,

১৪৬। বিষ্ণুপ্ৰসাদ বৰুৱাৰ ঐকান্তিক চেষ্টাৰ সমবায় কাৰবাৰ, Assam Weaving Factory, দ্বিতীয় কিস্তিৰ ধন মুঠিলত লোপ পালে।

আৰু নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ গুৱাহাটী অধিবেশনৰ অভ্যর্থনা সমিতিৰ সভ্যপদৰ কাৰণে টীকট বিক্রি কৰা। দ্বিতীয়টি উদ্দেশ্যত এই নিঃকিনৰো সহযোগ আছিল।

১৪। ব্যৱস্থাপক সভাৰ নির্ব্বাচন

ডিচেম্বৰত পাণ্ডুত কংগ্ৰেছ অধিবেশন বহিব। সিহাতে ব্যৱস্থাপক সভাৰ নির্ব্বাচনে গা পালেহিয়েই। কংগ্ৰেছৰ যি সকল এই নির্ব্বাচনৰ প্রার্থী আছিল, সি সকলৰ দলটিক বুলিছিল স্বৰাজ পার্টি। এই দলক কাউন্চিল-কামীৰ (প্র-কাউঞ্চিলাৰৰ[১৪৭]) দলো বুলিছিল। এই দলৰ গুৰি ধৰা সর্ব্বপ্রধান সকল হল—পণ্ডিত মতিলাল নেহেৰু, দেশবন্ধু চিত্তৰঞ্জন দাস, দেশপ্রিয় যতীন্দ্রমোহন সেনগুপ্ত আৰু আমাৰ দেশভক্ত ফুকন আদি। স্বৰাজ পার্টিৰ সংকল্প হল ব্যৱস্থাপক সভাৰ ভিতৰে বাহিৰে তীব্র বিৰোধিতা চলাই বৃটীছ ভাৰতীয় চৰকাৰটোক অচল কৰি পেলোৱা। এই উদ্যমৰ সন্দর্ভত, কাউঞ্চিল পক্ষীসকলৰ প্রতি পৰিবর্ত্তন-বিৰোধী (ন-চেঞ্জাৰ[১৪৮]) সকলৰ বেচি সংখ্যকে সাহায্যত কৃপণালি দেখুৱা নাছিল। স্বৰাজদলৰ প্রথম আৰু প্রধান চর্ত্তই হল, মন্ত্রীপদ গ্রহণ নকৰাটো। এই চুক্তি মানি লোৱাৰ বুজাবুজিত স্বৰাজ পার্টিয়ে অকংগ্রেছী কিন্তু জাতীয়তাবাদী এনে প্রার্থীকো সমর্থন দিছিল। এনে সমর্থন লাভ কৰা সকলৰ ভিতৰত মহম্মদ চাদুল্লা আৰু তাৰাপ্রসাদ চলিহা বেৰিষ্টাৰ অন্যতম। পিছে বৃটীছৰ মায়াজালত পৰি চাদুল্লা চাহাবে মন্ত্রীৰ আসন গ্রহণ কৰি পেলালে আৰু তাৰ প্রতিদানত নাইট উপাধিৰ বাজ-নির্ম্মালি শিৰ পাতি লৈ "চাৰ চৈয়দ মহম্মদ চাদুল্লা"ত পৰিণত হৈ পৰিল।

নগাৱঁত তোলা হৈছিল লিখকৰ লগত তাহানি হাতকেৰেয়াৰে যোৰ পতা বৃন্দাবন চন্দ্র গোস্বামীক।

১৪৭। Pro-councillor ১৪৮। No changer

গোলাঘাটত দেখিলোহি পণ্ডিত হেমচন্দ্ৰ গোস্বামী, সাহিত্যিক আৰু প্ৰাক্তন এক্ষ্ট্ৰা এচিষ্টেণ্ট কমিছনাৰৰ সপক্ষে যেন চাৰি ভাগৰ তিনি ভাগ লোক আহি গল। পণ্ডিতজী পিচে পণ্ডিত মদনমোহন মালব্যৰ সৰ্ব্বভাৰতীয় নেতৃত্বত মূৰ ডাঙি উঠা ৰেস্পন্সিভ্ কো-অপাৰেছন্ দলৰহে[১৪৯]। এই দলৰ কৰ্ম্ম-পন্থা কংগ্ৰেছৰ পৰা কিছু পৃথক। এওঁলোকে যত অসহযোগ নীতি মানিলে জাতীয় স্বাৰ্থ পূৰণ হৰ বুলি ভাবে, তেনে ক্ষেত্ৰত স্বৰাজীদলৰ লগত হাত মিলাই চলিব; আৰু যিখিনি কথাত জাতীয় স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰৰ লগত সহযোগৰ প্ৰয়োজন বুলি ভাবে, তেনে পৰিস্থিতিত স্বৰাজী দলৰ পৰা ফালৰি কাটি চলিব। এওঁবিলাকে মন্ত্ৰী পদো গ্ৰহণ কৰিব পাৰে। স্বৰাজ পাৰ্টিৰ মুখ্য উদ্দেশ্য হল চৰকাৰটোক অচল অৱস্থাত পেলোৱা আৰু ব্যবস্থা পৰিষদবিলাক যে ভেকো-ভাৱনাহে, তাকে দেশৰ আগত জল জল পৎ পৎকৈ প্ৰমাণিত কৰা।

পণ্ডিত গোস্বামীয়ে ৰৰকৈ লাগিছিল, তেখেতসকলৰ ভিতৰৰ পৰা শিৱসাগৰ মহকুমা সমষ্টিত কংগ্ৰেছ মনোনীতজনৰ বিপক্ষে ঠিয় দিবলৈ। নিৰ্ব্বাচন সংক্ৰান্তৰ যাৱতীয় খৰছ ৰায়বাহাদুৰ শিৱপ্ৰসাদ বৰুৱা ডাঙৰীয়াই দিব বুলি তেখেতে ন দি কৈছিল। লিখক অমাস্তি হোৱাত বন্ধু ৰামেশ্বৰ ভট্টাচাৰ্য্যক যোৰহাটত নিদি শিৱসাগৰত দিলে। স্বয়ং ৰায়বাহাদুৰেই যোৰহাটৰ পৰা উঠিলে।

আমাৰ ফালৰ পৰা গোলাঘাটৰ মনোনীত প্ৰাৰ্থী আছিল কুলধৰ চলিহা। চলিহা ডাঙৰীয়াৰ দেখোন তেতিয়ালৈকে কোনেও ছাঁটোকো দেখিবলৈ পোৱা নাই। অথচ এবাৰ মাথোন চলিহা ডাঙৰীয়াই দেখা দিবহে লাগে বাকীখিনি কাম ৰাজেন্দ্ৰনাথ বৰুৱা, মহেশ্বৰ বৰুৱা, তাৰাপ্ৰসাদ বৰুৱা, শঙ্কৰ বৰুৱা, আদি শ শ জনে হেলাৰঙে কৰি উঠিব। তেওঁবিলাকৰ হাতত যে চলিহাৰ জিৎ, সি ধ্ৰুৱক।

১৪৯। Responsivist, Responsive Co-operation.

আমি আলহী আছিলো বিষ্ণুচন্দ্র গোস্বামীৰ। তেওঁ তেতিয়া ওকালতী ব্যৱসায়ত নাম কৰিবলৈ ধৰিছে (গোস্বামী পিচলৈ ই-এ-চী হল)। এওঁ পণ্ডিত গোস্বামীৰ সোঁ হাত। পণ্ডিত গোস্বামী যি তীব্রবেগে আগবাঢ়িছে, তালৈ চাই চলিহালৈ মনত পৰিলে হতাশ হব লগা হয়। এনেতে চলিহা গোলাঘাটত ওলালহি। এনে পলম কৈ অহাৰ কাৰণে শেহত তেখেতে যে কংগ্রেছৰহে পৰাজয় আনিব, তাকে খণ্ডে বেজাৰে কোৱা দি তেখেতক কৈহে মনক প্রবোধ মনাব পাৰিছোহঁক।

নির্ব্বাচন অভিযানৰ একেখন সভাতে প্রতিদ্বন্দ্বী কেউজনেই স্বাধীনভাবে নিজৰ নিজৰ বক্তব্য কোৱাৰ ৰীতি চলি আছে। এই তর্ক যুদ্ধত তেজ দেখুৱাই যেয়ে ৰাইজক বেচি ভালকৈ মোহ নিয়াব পাৰে, তেওঁৰে জয় অনিবার্য্য। এনে ক্ষেত্রত উকীলৰ সুবিধা আনতকৈ বেচি। সেয়ে চলিহাদেৱৰ পক্ষে আমাৰ আশাৰ ৰেঙনি। চলিহাৰ অনুপস্থিতিতে যোৱা ডেৰ মাহে বহুত এনে সভা-সমিতি হৈ গৈছে। য'ত চলিহাৰ সপক্ষে কোনোবাই একাষাৰ কবলৈ উঠিলেও গোঁসাইদেৱে ঘপৰাই "যিজনে প্রতিদ্বন্দ্বিতা কৰিছে সেই ডেকা ইমান ৰৰ-মানুহ যে তেওঁ ৰাইজক মুখখনকে নেদেখুৱায়, বা দেখুৱাবলৈ সাহ নকৰে ; এনে জনৰ ফলীয়া হৈ মাত মতাজনৰ কথা শুনিবলৈ ৰাইজ ইয়াত উপস্থিত হোৱাহি নাই"—বুলি সিজনক জব্দ কৰি পেলায়। স্বৰাজ পার্টিৰ নির্ব্বাচনৰ ক্ষেত্রত আমাৰ পৰাও কিবা সহযোগিতাৰ কিজানি আৱশ্যক হব পাৰে, এনে ভাবি গুণিহে বাসু বৰুৱাই ময়ে গোলাঘাটত কেইবাদিনো খাপ দিব লগীয়াত পৰিছিলো।

১৫। নীল খেতিৰ দশাই বোলে চাহ খেতিৰো দশা

আগতে আহিব নোৱাৰাৰ কাৰণে চলিহাৰ গাত দায় নাই। অলপ দিনৰ আগতে মাথোঁ চলিহাই ময়ে চাহ বাগিচাৰ কাৰণে টকা বিচাৰি কলিকতাত ঘুম্মুটিয়াই ফুৰিছিলো।

সেইবোৰ দীঘলীয়া কাহিনী। ইয়াত সেইখন ৰামায়ণলৈ ঠাইৰ নাটনি। তথাপি এটি মাত্ৰ উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলো। এদিন নহয়, দুদিন নহয়, কেইবাদিনো আমি নলিনী ৰঞ্জন চৰকাৰৰ ওচৰলৈ গৈছিলো। নলিনী চৰকাৰৰ হিন্দুস্থান কো-অপাৰেটিভ্ বেংকটা সৰ্ব্বতোভাবে এটি জাতীয় অনুষ্ঠান বুলি আন নহলেও অন্ততঃ বঙালী মহলত প্ৰখ্যাত। আসামত আকৌ আমি কাষকে চাপিব নোৱাৰা ইম্পিৰীয়েল বেংকৰ যি শাখা এটি আছিল, তাৰ বাহিৰে বেংকৰ নামত নোম এদালো নাছিল। অৱশ্যে চৰকাৰী উদ্যোগত গাৱঁলীয়া সমবায় বেংক কিছুমান যে নহৈছিল, এনে নহয়; পিচে সিবোৰ গাৱঁলীয়া খেতিয়ক সমাজক নামমাত্ৰকৈ ধন ধাৰে দিয়াৰ অনুষ্ঠানহে। আমি নলিনী চৰকাৰক অশেষ অনুনয় বিনয় কৰি ধৰিলো, অসমৰ যি কোনো ঠাইতে বেংক্ এটি খোলক বুলি। সেই বেংকে মুখ্যভাবে, উৎপাদিত চাহৰ জামিনত, চাহ বাগিচাৰ চলন্তি খৰছৰ ধন যোগাব। চাহ সম্ভায়েই বেস্কটোৰ উন্নতিৰ সহায়ক হব। চৰকাৰ যেন গবেষণাগাৰত হে বহি পৰিল! —এদিন সমিধান দিলে: "চাহ শিল্প নীল খেতিৰ দৰেই ওৰ পৰিব। এনে দৰে ৰসাতললৈ মূ' কৰি থকা উদ্যোগৰ শ্ৰাদ্ধত আমি আমাৰ চিকা ৰূপবোৰ (শুদ্ মণী) ধ্বংশ কৰিব নোৱাৰো।" ভগবানৰ এনে লীলা যে পিচত নলিনী চৰকাৰে বোলে মালিকী স্বত্বেৰেই চাহ বাগিচাত ধন খটাওতে সেই ধন কেনেবাকৈ সেই বাগিচাকেখনতে জাহ গল। অৱশ্যে শুনা কথাহে।

সিহাতে, অসমত "গুৱাহাটী বেংক্" খুলিবলৈ যো যা কৰা কথাটো ইকাণ সিকাণ হবলৈহে পালে, গৰ্ভস্থ হৈ থকা এই বেংক্টোৰ বিনাশৰ কাৰণে ততাতৈয়াকৈ কলিকতীয়া বেংক্বোৰে কংসৰূপ ধৰি ইমুৰৰ পৰা সিমূৰলৈকে গোটেইখন অসমদেশ ছাতি ধৰিলেহি।

মই কলিকতা এবাৰ বহু পিচতহে চলিহা ডাঙৰীয়াই পিচ লৰ পাৰিলে আৰু এইবোৰ কাৰণতেই তেখেত গোলাঘাটত ওলায়হি

মানে বাট চাওঁতে চাওঁতে তেখেতৰ হিতাকাঙ্ক্ষী আৰু স্বৰাজদলৰ শুভাকাঙ্ক্ষীসকলৰ চকু বিষাই গৈছিল।

১৬। আমি দুই বন্ধু

ৰামেশ্বৰ ভট্টাচার্য্যই আমাক বন্ধুত্বৰ এক জটিল সমস্যাৰ পৰীক্ষার্থীত পৰিণত কৰিলে। যিমানেই হওঁক, স্বৰাজ পার্টিটো কংগ্রেছৰ ভিতৰৰ। ভট্টাচার্য্য হল, পণ্ডিত মালব্যৰ দলৰ। তেওঁ-বিলাকৰ ৰেছপঞ্চিভ কো-অপাৰেছন হৈছে চর্ত্তসাপেক্ষীয় সহযোগ। আমি জাতে পাতে অসহযোগী। তেওঁৰ কিন্তু দৃঢ় বিশ্বাস হল সিটো পন্থাতহে। আমাৰ মন আৰু মিলাব নোৱাৰিলো। তদুপৰি যিটো যোৰহাট সমষ্টিৰ পূৰ অঞ্চলত তেওঁৰ অশেষ প্রতিপত্তি তাক এৰি তেওঁ শিৱসাগৰ সমষ্টি বাচি নোলোৱা হলেহে উত্তম হল হেতেন। মোৰ মতামত বিচৰাসকলক তাৰা প্রসাদ চলিহাক ভোট দিবলৈ বুলিহে পৰামর্শ দিলো। তৃতীয়জন প্রতিদ্বন্দ্বী হল, দিহিংমুখৰ ধনকুবেৰ আৰ্-এ-উড্। ইংৰাজে সাধাৰণ (অর্থাৎ অমুছলমান) সমষ্টিৰ সুযোগ লবলৈ বিচৰাও এয়ে প্রথম। আনত নহৰ লাগিলেও অসমত হয়। তাকে দেখি পিচত ৰাজমাই বাগিচাৰ ইংৰাজ মেনেজাৰ গ্রে চাহাবো লোকেলবোর্দৰ সাধাৰণ নির্ব্বাচনত কৃতকার্য্য হৈ অসমীয়া গাঁৱলীয়া ৰাইজৰ এজন সৰবৰহী প্রতিনিধি হৈ পৰিছিল। উড্ চাহাবৰ কথা যে তেনেই সুকীয়া। ইংৰাজ হৈয়ো তেওঁ দেখ্ দেখ্ অসমীয়া পত্নী গ্রহণ কৰি অসমকে নিজ দেশ বুলি মানি ললে। এনে স্থলত স্বৰাজ পার্টিৰ প্রতিদ্বন্দ্বিতা নথকা হলে উড্ চাহাব হে সমর্থনৰ যোগ্য আছিল। জনসাধাৰণৰ ওপৰত প্রভাৱ থকা এনে উদ্যোগী আৰু উদাৰচিত্তীয়া পুৰুষক সামৰি লোৱাহে যুগুত। ৰুটিছ পার্লিয়েমেণ্টতে দেখেনে দাদাভাই নৌৰজী আৰু চাকলৎৱালা আদি সদস্য আছিল। আমিও উড্ চাহাবকে সমর্থন দিব পৰা হলে বেয়া নাছিল। অৱশ্যে, চাহাবেও নির্ব্বাচনত প্রতিদ্বন্দ্বিতাৰ সিদ্ধান্ত

লোৱাত বৰ পলম কৰিলে। ইয়াৰ আগৰ বাৰতে ব্যক্তিগত ভাবে উঠা হলে উড্ চাহাবৰ চেষ্টা কিজানি সফলেই হল হেতেন।

ৰামেশ্বৰ ভট্টাচার্য্যয়ো আমাৰ ওপৰত নির্ভৰ নকৰি থকা নাই। এদিন যে বিষম পৰিস্থিতিত পৰিছিলো। সভা এখনত ভট্টাচার্য্যই তেওঁক নির্ব্বাচন কৰিবৰ কাৰণে বক্তৃতা দি থাকোতে, মোৰ মৌন হৈ থকাৰ বাহিৰে উপায় নাছিল আৰু পিচত যি গম পালো, "মৌনং সম্মতি লক্ষণম্" বুলি মানি সেই ঠাইৰ ভোটাৰৰ সৰহ ভাগে ভট্টকে ভোট দিলে।

সেই বুলি ভট্টাচার্য্য সেই দিনাও টকাত ষোল অনা (বা টকাত এশ পয়চালৈকে) কংগ্রেছী। তেওঁ স্বৰাজ পার্টিৰ বিৰুদ্ধে উঠাত কংগ্রেছৰো বিৰোধিতা কৰা হৈছিল বুলি ভাবিবই নোৱাৰিছিল; আৰু নিশ্চয় সেই কাৰণেই পৰাজয়ত তেওঁ সম্পুর্ণ নির্ব্বিকাৰ হৈ আছিল। আজীবন ৰামেশ্বৰ ভট্টাচার্য্যই কংগ্রেছ বাদে আন একোৰে সংস্পর্শত সক্রিয় ভাবে নাছিল বুলিলে অলপো অত্যুক্তি কৰা নহব। পিচৰ কিবাৰৰ আন্দোলনৰ প্রত্যেক বাৰতে তেওঁক ফাটকে টানি নিছিল আৰু বিয়াল্লিশ চনৰ সন্দর্ভত তেওঁ জ্যেষ্ঠ পুত্র অৰুণ কুমাৰ ভট্টাচার্য্যই[১৫০] (পিচলৈ আই-এন্-টি-ইউ-চীৰ নেতা, তেওঁবিলাকৰ কাকতৰ সম্পাদক আৰু ডিব্রুগড়ৰ উকীল) মেত্রিকুলেছন পৰীক্ষা দিয়েই দেউতাকৰ লগে সঙ্গে ফাটকত দিন কটাই থাকোতে থাকোতে তেওঁৰ প্রাক্তন সহপাঠী সকলে বি-এ মহলাত প্রবেশ কৰিলগৈ। ভট্টাচার্য্য আৰু মোৰ মাজত এনে মতভেদ্ হোৱাৰ ফলত আমাৰ অকৃত্রিম বন্ধুত্ব ম্লান হব নোৱাৰিলে।

১৭। কংগ্রেছৰ প্রথম অসম অধিবেশন (১৯২৬)

এই নিঃকিনো কংগ্রেছ প্রতিনিধিৰ বাছনিত উঠিছিলো। সিও অযাচিতে। পিচে বিধিৰ বিধান নহয় যে এনে অভাজনে

১৫০। পিচত এম্ এ, বি-এল্।

তেনে সোনালী সুযোগৰ ভাগ লৰ পাৰে। তেনেই মুৰামুৰি সময়ত দুয়োটা ভৰি কলাফুললৈকে উখহি ভিণ্ডাকাৰ হৈ দেহাটি এনে অচল কৰিলে যে পুতেকক দুৰ্দ্দিনত এৰি পিতৃ মাতৃয়েও কংগ্রেছৰ দৰ্শন লবলৈ যাবলৈ সাহ নকৰিলে। এইদৰে গুৱাহাটীতে কংগ্রেছৰ অধিবেশন বহিলতো আমাৰ দৈব দুৰ্ব্বিপাকৰ ফলত তাৰ কায চাপিবৰো সক্ষম নহলে,—আলোচনা আদিত ভাগ লোৱাটো মনৰো অগোচৰ হৈ ৰ'ল।

পাণ্ডুতে কংগ্রেছ বহিল। আমাৰ প্রতিবেশী প্রদেশ খনৰ চকুচৰহা-ভাই সকলে অসমখনক পাণ্ডৱবৰ্জ্জিত প্রদেশ বুলি আমাৰ আন আন জ্ঞাতি প্রদেশ বিলাকৰ আগত অসমীয়াক হেয় জ্ঞান কৰোৱাৰ প্রয়াসটো যে নীচ প্রকৃতিৰ সেই কথা কংগ্রেছ শিবিৰত পদার্পণ কৰাৰ আগে আগে সি সকলে সহজে বুজি লৈছিল। আততায়ীৰ হাতত শ্রদ্ধানন্দ স্বামীৰ প্রাণ হানিৰ সম্বাদে সকলোকে মর্ম্মাহত কৰিলে। এই জনেই সেই শ্রদ্ধানন্দ স্বামী, যি গুলীলৈ উদং কৰি বুকু পাতি দিয়াতো বৃটীছ সেনাৰ হাতৰ পৰা বন্দুক সৰি পৰাটোৰ সাক্ষী স্বয়ং মৌলানা মহম্মদ আলি। এনে মহাপুৰুষ জনক সেইদৰেই আকৌ বুকু পাতিবলৈকে বুলি আহ্বান নজনাই সাম্প্রদায়িকতাৰ অন্তর্নিহিত কাপুৰুষালিৰে হত্যা কৰি ভাৰতৰ জাতীয় বুৰঞ্জীতে যে কলঙ্ক সানিলে এনে নহয়, সাম্প্রদায়িক-বিৰোধ ভাবৰ পৃষ্ঠপোষক সেই বৃটিছকো সাময়িক ভাবেৰে হলেও আৰু সবল কৰিলে। এই দুঃসম্বাদৰ ফলত সর্ব্বভাৰতীয় নেতাসকল খৰধৰকৈ উলটি গল।

তথাপি সদৌ ভাৰতীয় জাতীয় মহাসভাৰ এই অধিবেশনখন, অসম আৰু অসমবাসীৰ কাৰণে অভূতপূর্ব্ব। ইয়াৰ সামৰণিত, দেশভক্ত ফুকন আৰু কর্ম্মবীৰ ৰৰদলৈ অসমৰ এই দুয়োজন প্রধান নেতা আৰু মোহিণীকান্ত হাতী বৰুৱা সাধ্যৰ অতীত ৰূপে ঋণগ্রস্ত হৈ স্বাধীনতা সংগ্রামৰ ইতিহাসত ত্যাগৰ আদর্শমূলক দৃষ্টান্ত ৰাখি থৈ গল।

নবম অধ্যায়

আলেঙ্গে আলেঙ্গে

১। বাতৰি কাকতৰ বাতৰি

কংগ্রেছ আন্দোলনৰ কথা কাগজে পত্রই হে যি পাওঁ, স্বাধীনতাৰ সংগ্রামত নিজে অংশ গ্রহণ কৰাযাৰ বাদ পৰি আহিল। চেন্দার্চ চাহাবৰ হত্যা, কলিকতা-কংগ্রেছত স্বাধীনতাৰ অর্থে নেতাজী সুভাষ চন্দ্র বসুৱে তেজ বিচৰা "(গিভ্ মী ব্লাদ, আই প্রমিজ্ ইউ ফ্রীদম্)"[১৫১] আদি কথা একানে সোমাই সিকানে ওলাই যাবলৈ ধৰিলে। কাগজ পত্র বুলিবলৈকো হল "ষ্টেৎচমেন"। এইখন শত্রু। ভাৰতৰ আশা-আকাঙ্ক্ষাৰ সম্পূর্ণ বিৰোধী। লোকমান্য বাল গঙ্গাধৰ তিলকৰ তিৰোধানত এইখন কাগজে তেখেতৰ বিৰুদ্ধে লিখাত, জাপে জাপে ষ্টেটচ্মেন কাগজক অগ্নিত আহুতি দিয়া হৈছিল, এদিন দুদিন নহয়, ভালকৈ কিছুদিন। ব্যৱসায়ীৰ পক্ষে বোলে আকৌ এইখন এৰিব নোৱাৰা কাকত। বিশেষকৈ চাহ-সন্থাৰ কাৰণে। অকল ইংৰাজলৈকে নহয়, ভাৰতীয় চাহখেতিকৰ[১৫২] (টী প্লেণ্টাৰ) সকলৰ কাৰণেও এইখন কাগজৰ আৱশ্যকতা আছিল, কাৰণ তাত সপ্তাহে প্রতি একোখন ওপৰঞ্চি[১৫৩] (চাপ্লিমেণ্ট্) কাকতত চাহ বিক্রিৰ পুঙ্খানুপুঙ্খৰূপে প্রত্যেক বাগিচাৰ নামে নামে ৰিপোর্ট প্রচাৰ হৈছিল। মোৰ ভাগ্যতো ষ্টেৎচ্মেন হে লস্তিলে। খবৰো সেই বোৰেই। বিলাতত আকৌ লেবাৰ পার্টিয়ে মন্ত্রীত্ব

১৫১। Give me blood, I promise you freedom.

১৫২। Planting constituency.

১৫৩। Tea Sale Supplement.

পালে আৰু ভাৰতৰ হকে মাতমাতি থকা বাম্‌চে মেক্‌দোনাল্‌দ চাহাবেই প্রধান মন্ত্রী হল। ইয়াতে আশাই বেঙালে। চিমন কমিচন আহি লাভৰ ভিতৰত পঞ্জাব-কেশৰী লালা লাজপৎ ৰায়ক বলি ললে। বাউণ্ড টেবুল কন্‌ফাৰেন্স্‌[১৫৪] অনুষ্ঠিত হল আৰু অসমৰ প্রতিনিধিত্ব কৰিবলৈ চৰকাৰে যোৰহাটৰ চন্দ্রধৰ বৰুৱা সাহিত্যৰত্ন, চাহখেতিয়কক মনোনীত কৰিল।

কিন্তু মহাত্মাজীয়ে আইন অমান্য কৰাৰ সঙ্কল্প জনাই গবর্ণৰ জেনেৰল লর্দ আৰ্‌উইনলৈ যিখন চিঠি দিছিল, তাক পঢ়ি কংগ্রেছৰ বাহিৰৰ্ত থকা কিমান টান তাক, মোৰটো দুৰবস্থাত তেতিয়া যি সকল কংগ্রেছ কৰ্ম্মী পৰিছিল, তেওঁবিলাকেহে উপলব্ধি কৰিব হয়তো পাৰিছিল।

মহাত্মাজী কংগ্রেছৰ একৰকম দর্শকৰ শাৰীত হে। কংগ্রেছৰ প্রধান নেতাসকলৰ অনেক সময় কাউন্সিলৰ ভিতৰ সোমাই চলোৱা বিৰোধিতাতে অতিবাহিত হৈছে। হেজাৰ হেজাৰ কৰ্ম্মীৰ কাৰণে কামৰ অভাব হোৱাত, সন্ত্রাসবাদীৰ দলে নিজৰ অস্তিত্বৰ জান দিবলৈ সুবিধা ললে। এনেতে কংগ্রেছ পুনৰ মহাত্মজীৰ নেতৃত্বৰ শৰণাগত হল। 'ত্রিশ চনৰ বাৰ মার্চ' আইনো অমান্য আন্দোলনৰ দিন বুলি স্থিৰ হল। কোনখন আইন অমান্য কৰিব সেই কথা মুৰামুৰি সময়লৈকে অজানিত হৈ থকাত, কলিকতাৰ ষ্টেট্‌চমেন কাকতে ইতিকিং কৰিছিল বোলে এইটোও কংগ্রেছৰ নামত গান্ধীৰ ভুক্তকনিহে নতুবা, অতদিনে সিদ্ধান্ত ওলাল হয়। তাৰ উত্তৰত দেশপ্রিয় যতীন্দ্রমোহন সেন গুপ্তই তেখেতৰ "এডভান্স"[১৫৫] বোলা কাগজ খনত লিখিছিল বোলে "কোনেও নিজৰ সমৰ-সজ্জাৰ[১৫৬] সন্ধান শত্রুপক্ষক পাবলৈ নিদিয়ে। কংগ্রেছৰ পক্ষেও সেই একে কথাই। ৰণহুঙ্কাৰৰ পিচে পিচে আমাৰ যুদ্ধৰ প্রণালী আপোনা-

১৫৪। Round Table Conference. ১৫৫। Advance.

১৫৬। Mobilisation

আপুনি শত্রুপক্ষৰ গোচৰত পৰিব।" মহাত্মাজীৰ এটা খ্যাতি আছিল যে আন্দোলনৰ কোনো কথাত ঢাক্ ঢুক্ নাৰাখে। তিমানতো ষ্টেটচ্‌মেন্ আৰু এড্‌ভান্সৰ মাজত এনে বাকবিতন্দা। হেজাৰো হওঁক সুযোগ বুজি নিজক বনিয়া বুলি পৰিচয় দি থকা যি মহাত্মাজীৰ স্বভাব, তেনেজনে সময়ৰ বহুত আগতে অকাৰণত সিপক্ষক সকলো কথা জনাই ৰাখিব বুলি আশা কৰা দুৰূহ। তথাপি পূৰ্ব্বাপৰ ৰীতি অনুযায়ী মহাত্মাজীয়ে ৰবলাট লর্ড আৰউইনলৈ যিখন আগজাননী দিলে, সেই চিঠিখনি স্বাধীনতা সংগ্রামৰ ইতিহাসত সোণালী আখৰে লিখা থাকিব।

২। লোণ আইন অমান্য

১৯৩০ চনৰ মার্চত সঁচাকৈয়ে আঠসত্তৰজনৰ সমদলেৰে দাণ্ডী[১৫৭] (লোণ অমান্য) অভিযান (দাণ্ডী মার্চ) আৰম্ভ হল। একে লেঠাৰীয়ে চৌবিশ দিনত দুশ একচল্লিশ মাইল এইদৰে পদব্রজে গৈ থাকোতে বাটে বাটে সমদলৰ কলেৱৰ হেজাৰ হেজাৰ লোকলৈ বৃদ্ধি পাই, সাগৰৰ পাৰ লোকে লোকাৰণ্য হৈ পৰিল। মহাত্মাজীয়ে আটাইতকৈ আগবাঢ়ি গৈ হাতৰ তলুৱাত নিমখ এমুঠি তুলি আনিলে। এইদৰেই লোণ আইন অমান্য কৰা হল। যেন বহ্বাৰম্ভে লঘুক্রিয়াহে! —মহাত্মাজীৰ এই নিমখকণ ষোল শ টকাত নীলাম হল। নীলাম হল, কেতিয়া? যেতিয়া ভাৰতমাতা বৃটীছৰ নাগ-পাশৰ বান্ধত, তেতিয়া। স্বাধীনতাৰ যুগ নহয় যে এনেকৈ এখুদমান নিমখত ষোল শ টকাৰূপ ঢালি দেখুৱাই জাতীয় চৰকাৰৰ প্রিয়-ভাজন হব; ৰৰং যাৰ সামাজ্যত বেলি-মাৰ যাব নোৱাৰে, তেনে বৃটিছ কেশৰীৰ বন্দুক ৰৰটোপৰ সম্মুখত, বৃটীছ চৰকাৰৰ মহাবৈৰী গান্ধীৰ পৰা কিনি নিজেই নিজৰ মহামাৰ চিন্তাৰ বাদে কি হব পাৰে? অপাৰ সমুদ্রত ডুব দিবলৈ জাঁপ দিয়া মানুহৰ সীমা সংখ্যা

১৫৭। Dandi March

নোহোৱা হল। ধৰপাকৰৰ ধুম উঠিল। হৰতালে হৰতালে ৰজা ঘৰৰ থৰ-কাছুটি হেৰাবলৈ ধৰিল। ৮০ বছৰীয়া আব্বাছ তায়েবজীক বাটতে ধৰি নি ন মাহ কাৰাদণ্ড দিলে। নেতাকৈ নেতা, কৰ্ম্মীকে কৰ্ম্মী হেজাৰে বিজাৰে যোগ দিবলৈ ধৰিলে; মৰা মৰিছে, ঘাইল হোৱা ঘাইল হৈছে,—যাৰ যি হওঁক নহওঁক, এই ধৰ্ম্মক্ষেত্রত নিমখ-আইন অমান্যৰ ধুম দিনে দিনে চৰি যাবলৈহে ধৰিলে। মহাত্মাজীক গ্রেপ্তাৰ কৰিলে। তেখেতৰ স্থান অধিকাৰ কৰিলে নাইটিংগেল, সৰোজিনী নাইডুৱে। যি কোনো শাস্তিলৈ কেৰেপকে নকৰাকৈ, দলে-দলে স্বতঃ-প্রণোদিত হৈ আইন অমান্য কৰিবলৈ ধৰিলে। বৃটিছ-ৰাজৰ আত্মসম্মানত বাগীকুণ্ঠাৰৰ কোব পৰিবলৈ ধৰিলে। আত্মসম্মান ৰক্ষার্থে বৃটিছ সৈন্যই ৰণচণ্ডীৰ কাল মূর্ত্তিৰে আইন অমান্যকাৰীৰ ওপৰত নৃশংসৰূপে দলন চলালে। নিৰস্ত্র জনতাৰ ওপৰত অস্ত্র চলাই কৰা এই এক পক্ষীয় সমৰৰ নৰ-ৰক্তত সাগৰ তেনেই ৰঙা নপৰিলেও জালিনৱালাবাগৰ তুলনাত যে ই অতি বেচি তাক কোৱাৰ সকাম নাই। এই অভিযানৰ পিচত আৰু বৃটিছৰ বুজিবলৈ বাকী নৰল যে দিন আহিছে, যেতিয়া ভাৰতে বৃটীছ শাসনতন্ত্র সমূলি নমনা হব, নতুবা বৃটীছে নিজেই শাসনতন্ত্র সামৰি ভাৰত ত্যাগ কৰি যাব লাগিব। লোণ আইন অমান্যই অহিংস অসহযোগীৰ অভূতপূর্ব্ব সমৰ শক্তিৰ পৰিচয় দিলে[১৫৮]।

নিমখ আইন অমান্য অভিযানত প্রাক্তন মৌজাদাৰ নৰনাথ শর্ম্মাদেৱে বোম্বাইতে ভাগ লৈ যি এমুঠিমান লোণ আনিছিল ৰাইজে সেই চমকাকে জগন্নাথৰ প্রসাদ লোৱা দি লৈ তৃপ্তি লাভ কৰিছিল আৰু যথাসম্ভৱ দক্ষিণাৰেও নিমখ কণৰ প্রতি সম্মান জনাইছিল।

১৫৮। এই লোণ-আইন অমান্য অভিযানক নেতাজী সুভাষচন্দ্র বসুৱে এইবুলি বর্ণাইছিল—"Nepoleon's march to Paris after his return from Elba."

৩। আইন অমান্যৰ উত্তৰ

লোণ আইন অমান্যৰ আধ্যাৰ ওৰ পেলালে কংগ্রেছ আৰু ৰৰলাটৰ মাজত হোৱা চুক্তিয়ে[১৫৯]। এই চুক্তি-পত্রখনত কংগ্রেছৰ হৈ মহাত্মাজী আৰু চৰকাৰৰ পক্ষ হৈ লৰ্দ আৰউইন ৰৰলাট চাহাবে চহী কৰাৰ কাৰণে ই গান্ধী আৰউইন পেক্ট নাম পালে। লৰ্দ আৰউইন তেতিয়া ভাৰতবৰ্ষৰ গৰৰ্ণৰ জেনেৰেল (ভাইচ্‌ৰয়)। এই চুক্তি সম্পন্ন হোৱাত বিলাতত পতা ঘূৰণীয়া মেজমেলত (ৰাউণ্ড টেবুল কন্‌ফাৰেঞ্চত) কংগ্রেছৰ একমাত্র প্রতিনিধি স্বৰূপে যোগ দিবলৈ বুলি মহাত্মাজী লণ্ডন পালেগৈ[১৬০]।

বৃটিছে ভাৰতৰ ওপৰত খোপন নিচিলোৱাৰ সঙ্কল্প নেৰে। গতিকে ৰাউণ্ড টেবুল কন্‌ফাৰেন্সত আমাৰ উদ্দেশ্য সফল নহল।

১৯৩১ চনৰ ৰৰদিনৰ সময়। শিৱসাগৰত অসম সাহিত্য সম্মিলনীৰ ৰছেৰেকীয়া সাধাৰণ অধিবেশন চলি আছে। ইয়াৰ মাজতে মহাত্মাজী উভটি আহি ৰোম্বাই চহৰত পদার্পণ কৰিছেহি বুলি খবৰ অহাত কংগ্রেছ আন্দোলনৰ অদূৰ ভবিষ্যতৰ সম্পর্কে জল্পনা-কল্পনাৰ প্রতি অনেকৰ মন ঢাল খালে। কিন্তু কেইদিন-মানৰ মূৰতে ১৯৩২ চনৰ জানুৱাৰীত যিটি ৰাতৰি আহিল, সি সকলোকে অৰাক কৰিলে। মহাত্মাজী আৰু সেই লগতে নেহেৰু আদিক আকৌ জেইলত ভৰালে।

৪। মনে যে নেমানে

যি সময়ত লিখক মাহমৰা অঞ্চলৰ টিমনত, তেতিয়া যাদৱপ্রসাদ চলিহা ডাঙৰীয়া নিজৰ বাগিচা কৰঙাণিত। টান অসুখৰ পিচত

১৫৯। Gandhi Erwin Pact of March 5, 1931.

১৬০। ২৯ আগষ্ট ১৯১৩ তাৰিখে যাত্রা কৰে। লগৰীয়া সকলৰ ভিতৰত যেনে, পণ্ডিত মদনমোহন মালব্য, সৰোজিনী নাইডু, মিছ্‌ ষ্লেড্‌, মহাদেৱ দেশাই, পিয়াৰীলাল নেয়াৰ, বিৰলা আৰু দেৱদাস গান্ধী।

মানুহজনে গা তঙাব পৰা নাই। চাহৰ বজাৰো তেতিয়া তেনেই হতাশজনক। চলিহাৰ আর্থিক অৱস্থাৰ পিনেও তথৈবচ। এনেতে এদিন গৰু গাড়ীৰে ওলালহি শিৱসাগৰলৈ বুলি। তেখেতক কলো যে আন্দোলন পূর্ণ পয়োভৰে চলি থকা দিনত, যেতিয়া কংগ্রেছী বন্ধু-বান্ধৱসকলে, অর্থাৎ আমাৰে ৰাজনৈতিক সহযোগী সকলে আন্দোলন পাতি গোটেইখন তোলপাৰ লগাই আছে, এনে সময়ত নিজে হাত সাৱটি সেইবোৰ চাই থকা সম্ভৱ নহব; এতেকে এনে দিনকালত অসুস্থ দেহা লৈ শিৱসাগৰৰ নিচিনা মুকলি ঠাই এখনলৈ ওলাই যোৱা সমীচীন নাই হোৱা। চলিহাই কিন্তু তেনে আশংকা কৰিবৰ কোনো থল নাই বুলি মোক আশ্বাস দিলে। চলিহা শিৱসাগৰতে আছে। এনেতে ফাগুৱাৰ সমদলৰ ওপৰত, কেইটামান বাটেদি গলে সাম্প্রদায়িক সংঘর্ষৰ আশংকা কৰি চৰকাৰে তাত নিষেধাজ্ঞা জাৰি কৰিলে। হিন্দু মুছলমানৰ, যাৰ পৰ নাই সম্প্রীতি থকা শিৱসাগৰ নগৰৰ নিচিনা এখন ঠাইত এনে বিৰোধ ভাৱ অহাটোত বে-চৰকাৰী মহলৰ পতিয়ন নগল। গতিকে নগৰৰ নেতৃস্থানীয় লোকসকল আৰু সেই লগতে যাদৱ চলিহা ডাঙৰীয়াও নিষেধাজ্ঞা অমান্য কৰিবলৈ দল বান্ধি ওলাল। ক'তো কোনো অঘটন নঘটিল। তথাপি এৰা সকলক মহকুমাধিপতিৰ ওচৰত হাজিৰ কৰা হল। চাহাবে, লিখিতহে নালাগে মৌখিক ভাবেও কোনো প্রতিশ্রুতি নিবিচৰাকৈয়ে অযাচিতে সকলোটিকে নিজ নিজ জামিনতে এৰা হৈছে বুলি শুনাই কলে, "কোনদিনালৈ আদালতত হাজিৰ হব লাগিব, সময়ত চমন পাব।" পিচে সেই চমন কিথনৰ জন্ম আৰু নহল।

৫। ব্রুটেনৰ অভিনৱ অস্ত্রোপচাৰ

১৯০৯ চনতে ধর্ম্মৰ ভেটিত পৃথক নির্ব্বাচন প্রবর্ত্তিত হৈছিল। হিন্দু আৰু মুছলমানৰ মাজৰ ভাই ভাই ভাবত এইখিনিতে প্রথম

কেৱোণ লাগিল। মহাত্মা গান্ধীৰ প্ৰভাৱত ১৯২০ চনৰ পৰা উভয় সম্প্ৰদায় পৰম সুহৃদ ভাবেৰে একতা পাশত বান্ধ খাই পৰিল। ইয়াত বৃটিছ-কেশৰীৰ ঈৰ্ষা ভাৱ জাগৃত হৱৰে কথা। গতিকে আকৌ এই জাতীয় একতাক চুৰমাৰ কৰিবৰ কাৰণে ইংলণ্ড তৎপৰ হল। এইবাৰৰ কূটনীতি বিফলে নগল। কৃষ্ণৰ ইংগিতত ভীমসেনে জৰাসন্ধক দুচিৰাকৈ ফালি পেলোৱাৰ দৰে মুস্লিম লীগ পক্ষৰ ওকালত নামাৰে পুৰোহিত বৰণদি কোৱাই-দি-আজাম জিন্নাৰ হতুৱাই ভাৰতবৰ্ষৰ জাতীয়তাক দুভাগত বিভক্ত কৰি পেলোৱাৰ এখন আচনি তলপকীয়াকৈ হৈ গল। ই বিভাজন পৰিকল্পনাৰ এটি সামান্য অংশ মাথোন।

আগতে হিন্দুধৰ্ম্ম অবলম্বন কৰি থকা সকলক দুভাগত বিভক্ত কৰি লৱ পাৰিলে বাকী অহিন্দু অমুছলমান বিভিন্ন ধৰ্ম্মীয় সকলক ধৰ্ম্মানুযায়ী বিভেদকৰণৰ দ্বাৰা বিভাজনৰ বলিশালত পেলাই লৱলৈ বেচি সময় নেলাগিব।

সেই কাৰণে এইবাৰ বৃটীছৰ কূটনীতিয়ে তীক্ষ্ণবুদ্ধি সম্পন্ন উকীল ডাক্তাৰ ভীমৰাও ৰামজী আম্বেদকাৰক শিখণ্ডী ৰূপে ডাঙি ধৰিলে। আম্বেদ্কাৰ ঘৃণীয়া মেজ মেলত এই তৃতীয় বিভাজনৰ প্ৰস্তাৱকত পৰিণত হল। মহাত্মাজী মান্তি নহল। ইংৰাজ মহাজন কিন্তু দগা পাল্লা এৰি যোৱা জাতি নহয়। তেওঁলোকে মহাত্মাজীক ভাৰতৰ যাৰৱেদা জেইলত আবদ্ধ কৰি থৈ মুছলমানৰ কাৰণে কৰাৰ দৰে অনুসূচিত জাতিৰ কাৰণেও সুকীয়া নিৰ্ব্বাচনৰ ব্যৱস্থা লৱলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে। ৰাজনৈতিক বন্দী মোহনদাস কৰমচাঁদ গান্ধী আৰু বৃটীছ্ ৰাজৰ প্ৰধান মন্ত্ৰী ৰামছে মেক্‌দোনাল্‌দৰ মাজত ১৯৩২ৰ ১১ মাৰ্চৰ পৰা চিঠি-পত্ৰৰ আদান প্ৰদান চলিব ধৰিলে। সদৌ শেষত প্ৰধান মন্ত্ৰীয়ে জনালে যে হৰিজন সকল আৰু বাকী হিন্দুসকলৰ ভিতৰত প্ৰশ্নটোৰ মিমাংসা হৈ যি সিদ্ধান্তত ৰয়গৈ বৃটীছ্ গৱৰ্ণমেণ্টে সেই মতকে গ্ৰহণ কৰিব।

সজ বিধৰ এটা শেষ সিদ্ধান্তত উপনীত হোৱাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি মহাত্মা গান্ধীয়ে ২০ চেপ্তেম্বৰ দিনা জীৱন মৰণ পনেৰে অনশন ব্ৰত আৰম্ভ কৰিলে। ২৩ চেপ্তেম্বৰ দিনা মহাত্মাজীৰ যোৱাথোৱা অৱস্থা। মহাত্মাজীৰ কাৰণে ভাৰতবৰ্ষৰ সকলো ঠাইতে প্ৰাৰ্থনা হবলৈ ধৰিলে। ইতিমধ্যে হৰিজনকো লৈ হিন্দুৰ ভিতৰত "যাৰৱেদা চুক্তি"[১৬১] বুলি পিচত খ্যাত হোৱা চুক্তিপত্ৰ খনিও স্বাক্ষৰিত হৈ গল। বিলাতৰ চৰকাৰেও তাক মানি ললে। স্বাধীনতাৰ সংগ্ৰামত শেষ পৰ্য্যায়লৈকে নেতৃত্ব দান কৰিবৰ কাৰণে এইদৰেই কৰুণাময়ৰ অশেষ কৃপাৰ ফলত মহাত্মাজীৰ অমূল্য জীৱন ৰক্ষা পৰিল।

এই পৰ্ব্বটিৰ সংক্ষেপ কিন্তু হুবহু বিবৰণ এটি লুই ফিছাৰৰ "গান্ধী" নামৰ কিতাপখনত বঢ়িয়াকৈ সন্নিবিষ্ট কৰা আছে। (প্ৰথম পৰিশিষ্ট চাওঁক)।

৬। হৰিজন সেৱা

১৯৩৪ চনৰ এপ্ৰিলত হৰিজন সেৱাৰ সন্দৰ্ভত মহাত্মাজী অসমলৈকো আহিছিল। এই বাৰো মহাত্মাজীৰ হুৱমূৰীয়া এই ভ্ৰমণ কালত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে গোটেইখন দল্‌দোপ্‌ হেন্দোল্‌দোপ্‌ হৈ পৰিছিল। দৰ্শনৰ কাৰণে আৰু হৰিজন-পুঁজিলৈ দান দিবৰ কাৰণে হেজাৰ হেজাৰ মানুহ ব্যাকুল হৈ পৰিছিল। মহাত্মাজীও যেতিয়া কংগ্ৰেছৰ পৰা আঁতৰত, ডাঙৰ সৰু নিৰ্ব্বিশেষে দেশৰ নেতাসকল মহৎ উদ্যমেৰে সংগঠনৰ কামত মন প্ৰাণ দি লাগি গল।

পূজ্যপাদ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গৰমূৰীয়া সত্ৰাধিকাৰ গোস্বামী-দেৱৰ[১৬২] সক্ৰিয় নেতৃত্বত অসমতো "হৰিজন সেৱক সংঘ" সংগঠিত

১৬১। Yarbeda Pact.

১৬২। স্বাধীনতাৰ মন্ত্ৰত দীক্ষিত এই অধিকাৰ গোস্বামীয়ে ডেকা গোঁসাইকো লগত লৈ কাৰাবৰণ কৰিছিলে।

হয় আৰু তাৰ এক মুখ্য বিষয়া স্বৰূপে দেবেন্দ্ৰ নাথ শৰ্ম্মাই (পিচলৈ এম্-এল-এ) কিছুদিন অভাজনৰে সহবাসী হৈ অন্যান্য কাৰ্য্যাবলীৰ উপৰিও টিমন বাগিচাৰ সমীপৰ বঙাবাস বস্তিৰ গিৰ্জা ঘৰৰ গাতে এখন হৰিজন পঢ়াশালী বহুৱায়। খৃষ্টীয়ান ছাত্ৰৰে স্কুল ভৰি পৰিছিল। পিচে এইখন পঢ়াশালীয়ে তাৰ গাতে লাগি থকা সমপৰ্য্যায়ৰ লোকেলবোৰ্দ-স্কুলখনৰ ছাত্ৰবিলাককো গ্ৰাস কৰি পেলোৱাত স্কুলখনৰ পুঁজি স্থানীয় ভাবে টনকিয়াল কৰাটো কঠিন সমস্যা হৈ পৰিল ; অথচ বোৰ্দৰ স্কুলখনত ছাত্ৰ-ছাত্ৰীৰ একান্ত অভাৱ হোৱাতো সি সহজে চলি আছিল ; গতি বিষম বুজি তেতিয়া নামত দুয়োখন স্কুলকে চামিল কৰি লোকেলবোৰ্দক প্ৰাধান্য দি তেওঁ-বিলাকৰ মৰা-মূচা স্কুলখনিকো বচাই ৰখা হল। এই দৰেই আয়ুসৰ অন্তপৰা স্কুল দুখনৰ ভিতৰত এখনে উদ্ধাৰ পালে।

১৯৩৪-৩৫ চনত, তিনিখন ছোৱালী পঢ়াশালীও লগাই অসম হৰিজন সেৱক সংঘই ৭৬খন প্ৰাথমিক স্কুল স্থাপন কৰে ; তাত ছাত্ৰ-ছাত্ৰী আছিল ৩৩০৮ আৰু খৰছ পৰিছিল, ৬৬২৯৲ টকা।

দশম অধ্যায়

কাষৰে-পাজৰে

১। নতুন শাসনতন্ত্রীয় নির্ব্বাচন

বৃটীছ-ৰাজে কংগ্রেছ-বিৰোধিতা উপেক্ষা কৰি যুক্তৰাষ্ট্রীয় শাসন-তন্ত্র প্রবর্ত্তনৰ কাৰণে দৃঢ়প্রতিজ্ঞ হৈ পৰিল। কেন্দ্রত আমোলা-তন্ত্রীয়ৰ ঠাইত দুৱলীয়া আৰু প্রদেশত দুৱলীয়াৰ ঠাইত স্বতন্ত্ৰীয়া শাসনৰ বিধান হল। ইণ্ডিয়া-কাউন্ছিল বাতিল হল। ভাৰত চৰকাৰটো বোলে যুক্তৰাষ্ট্রীয় ধৰণৰ হবলৈহে হল; পিচে সদনক উপেক্ষা কৰি চলিবলৈ লাট বৰলাটৰ ক্ষমতা অটুট থাকিল। আন সকলো কথা তল পেলালেও এই একেষাৰ কথাই নতুন শাসনতন্ত্রখন যে ভেকোভাৱনা তাৰ প্রমাণ দিলে।

ভাৰতীয় উচ্ছ সদনৰ ডেৰশ খন আসনৰ ভিতৰত, মুছলমানৰ কাৰণে আছুতীয়াকৈ ৰখা দুখনো লগাইহে, অসমৰ ভাগত পাঁচখন মাত্র আসন। যুক্তৰাষ্ট্রীয় পৰিষদৰ আঢ়ৈ শৰ ভিতৰত অসমৰ ভাগত পৰা দহখনৰ অনুসূচিত লগাই সাধাৰণ বুলিবলৈ চাৰিখন, মুছলমানৰ তিনিখন, ইউৰোপীয়ানৰ এখন, এখন আকৌ ভাৰতীয় খৃষ্টানৰ আৰু এখন শ্রমিকৰ।

অসমতো দুখন পৰিষদ। তাৰ ভিতৰত উচ্ছ-পৰিষদত সাধাৰণৰ দহ, মুছলমানৰ ছয়, ইউৰোপীয়ানৰ দুই আৰু চৰকাৰ-মনোনীত সদস্য তিনিজন। এইখন পৰিষদত অসমীয়াক সংখ্যা লঘিষ্ঠ কৰি পেলোৱা হল। ইউৰোপীয়ান আৰু চৰকাৰ-মনোনীত একগোট হোৱাটো স্বতঃসিদ্ধ। গতিকে মুছলমানৰ দলটিয়ে যি ফালে ভৰ দিয়ে সেইফালেই জিৎ। সেইফালৰ পৰা চালে

মুছলমানৰহে প্রাধান্য আৰু তাকো গজ্‌গজীয়া কৰিবলৈ হলে হিন্দু এজনক সভাপতিৰ পদত অধিষ্ঠিত কৰিলেই হল।

অসমৰ ব্যৱস্থাপক সভাখন এনেদৰে গঠিত :—অসম উপত্যকাৰ বত্রিশ আৰু চুৰমা উপত্যকাৰ পোন্ধৰ, মুঠ (সংৰক্ষিত লগাই) সাঁতচল্লিশটা সাধাৰণ সমষ্টি; দুয়ো উপত্যকাৰে পৰা একোজনকৈ দেশীয় চাহ খেতিয়ক; মুছলমান-সমষ্টি :—অসম উপত্যকাত বাৰ আৰু চিলটৰ বাইশ, মুঠতে চৌত্রিশ; ইউৰোপীয় ন জন; ভাৰতীয় খৃষ্টান এজন; ট্রাইবেলৰ পাহাৰী পাঁচ আৰু সমতলৰ চাৰি; আৰু বনুৱা পাঁচজন। সকলো লগাই অষ্টোত্তৰ শত সদস্যৰ সদন। মুছলমান সমষ্টিৰ পৰা মুছলমানহে উঠিব পাৰে; সেইদৰে ট্রাইবেলৰ সমষ্টিত ট্রাইবেল, ইউৰোপীয়ৰ সমষ্টিত ইউৰোপীয়, শ্রমিকৰ সমষ্টিত শ্রমিক আৰু ভাৰতীয় খৃষ্টানৰ সমষ্টিৰ পৰা কেৱল ভাৰতীয় খৃষ্টানহে উঠিব পাৰিব যদিও, সাধাৰণ সমষ্টিৰ ক্ষেত্রত এই বিধি কটকটীয়াকৈ প্রয়োগ কৰা নহয়[১৬৩]।

২। ভাই ভাই ঠাই ঠাই

ওপৰত বিবৰণ দিয়া হল বাৰ ভাগত বিভক্ত পৰিষদৰ। পিচে সিমানতে সকলো ওৰ নপৰে।

১৯৩৬ চনত চাৰ মাইকেল কীন্ গৰৰ্ণৰ বাহাদুৰে দেখ দেখকৈ ডমিছাইলদ্ বঙালীৰ কাৰণে সুকীয়া বঙ্গালী স্কুল খোলালে। অসম উপত্যকাত যেতিয়া এই অপকৰ্ম্মৰ বিৰোধিতা চলিল কীন চাহাবে "ই কেইজনমান মানুহৰ সন্দেহমূলক আন্দোলনহে" বুলি উৰাই দিলে। ইয়াৰ আগতে প্রাদেশিক ভেদ্ ভাব নাৰাখি সকলোৱে একেলগে পঢ়িছিল, বঙলা পঢ়াবলৈ স্কুলে পতি বঙ্গালী শিক্ষক

১৬৩। সাধাৰণ সমষ্টিটো ইবোৰ সমষ্টিৰ দৰে কোনো শ্রেণী বা সম্প্রদায়ৰ নহয়। ইয়াৰ আন এটা নাম "অমুছলমান সমষ্টি"ও Non-mahomedan constituency."

আছিল। বঙ্গালী স্কুলে অসমীয়া আৰু বঙালীক এনেকৈ ফালিলে যে একেখন নগৰৰে আগৰ বিলাক স্কুলীয়া ছাত্ৰৰ মাজত থকা সমিল মিলৰ ভাবৰ ঠাইত পিচৰ চামৰ অসমীয়া বঙালী লৰাৰ মাজত চিনাচিনিয়েই নোহোৱা হল।

ইয়াৰ পিচত গজি উঠিল মাৰোৱাৰী, শিখ আদি আঞ্চলিক আৰু সাম্প্রদায়িক ভেটিত গঢ়ি উঠা স্কুল।

লগে লগে ছোটনাগপুৰী এছোছীয়েছন এখনৰ আবির্ভাব হল। অসমত নো সঁচাসচি ছোটনাগপুৰী বুলি পৰিচয় দিব পৰা মানুহ কেইজন? এই এমুঠি মানুহৰ কাৰণে যেনিবা এছোছীয়েছন এখন হলেই; সি নিশ্চয় তেওঁবিলাকৰ ভালৰ কাৰণেই হব। পিচে নামটিহে সেইটো! যাৰ মগজ-প্রসূত, এই নামত তেৰা সকলে চাহ বাগিচাৰ ভিতৰে বাহিৰে থকা বনুৱা বিলাকক সামৰিছে, লাগে সিবিলাক মাদ্রাজী, উড়িয়া আদি যিয়েই নহঁক; আৰু একেবাৰে ভিতৰপকীয়াকৈ ললে গাৰলীয়া খৃষ্টান সকলক। এছোছীয়েছন-খনৰ গুৰি ধৰিলে বৃহত্তৰ বাংলাৰ চেষ্টাকামী সকলে। দেশৰ নেতা-সকলে কংগ্রেছতে এহাণ্ডধিয়াকৈ লাগি থাকোতে এইবিধ কুমটিয়ে মানুহ-পিয়ল উজাৰি হোজা চাহ-বনুৱা সকলক বঙ্গালী বুলি গণনা কৰাই দিলে। সিহাতে অসমলৈ হোঁ-হোঁৱাই আহিবলৈ ধৰিলে বঙালী কোৱা মানুহ। পিচে সেই কার্য্য বৃটীছেহে কৰিছিল,—ঠিক বঙালীৰ সংখ্যা বঢ়াবলৈ বুলিয়েই নহয়,—যাতে চিলটীয়া মুছলমানৰ সংখ্যা-গৰিষ্ঠতাৰ লগত, অসমতো মুছলমানৰ ভেজনি দি, গোটেইখন মুছলমানেৰে ঢৌৱাই দি, দুয়ো সম্প্রদায়ৰ মাজৰ বিভেদ্ ভাবটো যুগমীয়া কৰিব পাৰি, সেই উদ্দেশ্যবেহে। ইয়াৰ বিৰুদ্ধে মাত লগালেই কলিকতীয়া বঙালী কাগজবোৰ "অসমত বঙাল খেদা আন্দোলন" বুলি কোহাঁল লগায়। কলিকতাৰ কাকতৰ বঙালীৰ প্রতি থকা প্রেম-ভাবত এইদৰে আঘাত দি অসম-বিৰোধী কৰি পেলোৱাটো অসম চৰকাৰৰে যে এক চক্রান্তৰ ফল, তাক বঢ়াই

কৰৰ আৱশ্যক নাই। ইয়াৰো বহুদিনৰ আগত, ১৯২৬ চনত, চাহমেল এখনত কলিকতাতে "চার্ভেণ্ট"খনৰ সম্পাদক শ্রদ্ধাষ্পদ শ্যামসুন্দৰ চক্রৱৰ্ত্তী ডাঙৰীয়াৰ আগত এই বিষয়টো ফঁহিয়াই বুজাই দিলত, তেওঁবিলাকৰ কাকতবিলাকৰ এই ভুল অথচ সাংঘাটিক আচৰণত তেওঁ বৰ দুখ প্রকাশ কৰিছিল। দুটা প্রবল বাহিৰা শক্তিৰ স্বভাষা-বৰ্দ্ধন আৰু স্বধৰ্ম্মী-বৰ্দ্ধনৰ অস্ত্রৰ আঘাতত অসমলৈ কি দুৰ্দ্দশা আহিল তাক চেঞ্চাছ কমিছনাৰ মোলান চাহাবৰ ভাষাত কবলৈ হলে, "দুঃখৰ বিষয়, কিন্তু ই অসম্ভৱ নহয়; যদি আৰু ত্রিশ বছৰৰ মূৰত শিৱসাগৰ জিলাখনৰ বাহিৰে অসমীয়াই নিজৰ বুলিবলৈ কৰবাত ঠাই এচমকা উলিয়াব পাৰিব (ইং ইজ্ ছেদ্ বাট্ বাই নো মিন্চ্ ইম্প্রবেবোল্ দেৎ ইন্ এনাদৰ থার্টি ইয়েৰ্চ ছিৰ্ছাগৰ্ উইল্ বী দী ঔন্লি পার্ট অব্ আছাম্ ইন্ হুইচ্ এন্ আছামীজ্ উইল্ ফাইন্দ্ হিমছেলফ্ এট্ হোম)।"[১৬৪]

৩। নির্ব্বাচন সংগ্রাম

নতুন শাসনতন্ত্রৰ যুক্ত-ৰাষ্ট্রীয় খণ্ড স্থগিত ৰাখি সিছোৱা প্রবর্ত্তন কৰা নিশ্চিত হলত, লক্ষ্ণৌ কংগ্রেছত[১৬৫] সিদ্ধান্ত লোৱা মতে অসমতো তাৰ প্রতিক্রিয়া আৰম্ভ হল।

ব্যক্তিগত গুণ বখানি ৰাইজৰ ওচৰত ভোট-ভিক্ষা মগাৰ পৰিবর্ত্তে, কংগ্রেছৰ উদ্দেশ্য ব্যাখ্যা কৰি নির্ব্বাচনৰ কার্য্য চলোৱা এয়ে প্রথম। কিন্তু কংগ্রেছ-বিৰোধী মহলত[১৬৬] কংগ্রেছৰ বিৰুদ্ধে মাত নেমাতি

১৬৪। It is sad but by no means improbable that in another thirty years, Sibsagar will be the only part of Assam in which an Assamese will find himself at home.

১৬৫। সভাপতি পণ্ডিত জৱাহৰলাল নেহেৰু। ১৯৩৭ চন।

১৬৬। কংগ্রেছৰ বাহিৰে একমাত্র মুস্লিম লীগ আৰু হিন্দুমহাসভাহে সংগঠিতভাবে দলবদ্ধ আছিল।

ব্যক্তি-বিশেষৰ নিন্দাৰে ভোটাৰক জয় কৰাৰ চেষ্টাহে দেখা গৈছিল। জনসাধাৰণৰ মন প্রতিদ্বন্দ্বীৰ কার্য্যসূচীৰ প্রতি তেনে আকর্ষিত হোৱা যেনো নালাগিছিল। এইবাৰ কংগ্রেছে কাউন্‌ছিল্‌ বয়কট্‌ কৰা বা মন্ত্রীত্ব গ্রহণ নকৰা ধৰণৰ কথা কোৱা নাই; কিন্তু মন্ত্রীত্ব গ্রহণ কৰিব লাগিলেও স্বাধীনতা-ৰণৰ আহ্বানত এৰিব লগা হলেই যে এৰি দিব এই কথা খাটাংকৈ কৈছিল। এই প্রতিশ্রুতিকেই লৰা-ধেমালি বুলি নীলমণি ফুকনকে[১৬৭] মুখ্য কৰি বিপক্ষীয়সকলে ৰাইজক বুজাবলৈ প্রয়াস পাইছিল। কিন্তু জনসাধাৰণৰ হিয়া তলিত কংগ্রেছৰ আসন যে সুপ্রতিষ্ঠিত, তাক কংগ্রেছী নির্ব্বাচন প্রার্থীসকলৰ বঢ়িয়াকৈ যে জনা আছিল, তাৰ দৃষ্টান্ত স্বৰূপে ডিব্রুগড়ৰ ৰজনীকান্ত বৰুৱা আৰু যোৰহাটৰ দেবেশ্বৰ শর্ম্মা দেৱৰ কথাকে উনুকিয়াব পাৰি। ৰজনীকান্ত বৰুৱা আৰু ৰায় নীলাম্বৰ দত্ত বাহাদুৰ একেটি সমষ্টিৰ প্রতিদ্বন্দ্বী। ৰায়বাহাদুৰ ডাঙৰীয়া নিজৰ ভৰিৰ ওপৰত ভৰ দিয়েই নিচেই নিঃকিণ অৱস্থাৰ পৰা দুখন চাহ বাগিচাৰ মালিক, লোকেলবোর্ড আৰু মিউনিচিপেলেটীৰ নির্ব্বাচিত চেয়াৰমেন আৰু ব্যৱস্থাপক সভাতো নির্ব্বাচিত সদস্য আছিল। চৰকাৰৰ লগত সহযোগিতাৰ একান্ত বিশ্বাসী থকা হেতুকে অসহযোগ আন্দোলনৰ পৰা তেখেতে সদায় নিজকে নিজে আলগ্‌ কৰি ৰাখিছিল। তেখেতক সাম্প্রদায়িকতাৰ ভাবে চুবই নোৱাৰিছিল। ৰজনী বৰুৱা দেৱে গান্ধী অৱতাৰৰ লগে লগে নিজলৈ সম্পূর্ণ পৰিবর্ত্তন আনি একৈশ চনতে সক্রিয়ভাবে কংগ্রেছত যোগ দিয়ে আৰু যাতনাত ভুঞ্জে। এখেতে মূলতে ইৰোপীয়ান মৰিছ চাহাবৰ হাতী ব্যৱসায়তে গা কৰিল যদিও বৃটীছ জাতিটোক লেশমানো বিশ্বাস নকৰিছিল। মনত পৰে, এবাৰ কোনো এজন বৃটীছ মহাপুৰুষে ভাৰতলৈ আহি দেশখন আৰু জাতিটোৰ অশেষ গুণ বখানি লিখিছিল আৰু বক্তৃতা

১৬৭। প্রাক্তন প্রধান শিক্ষক, এম-এল-চী, আৰু চাহ খেতিয়ক নীলমণি ফুকন ডাঙৰীয়া তেতিয়া 'বাতৰিৰ' সম্পাদক, পিচলৈ কংগ্রেছী এম্‌-এল্‌ এ।

দিছিল। সেইখিনিকে, তেখেতক দেখুৱালত পোনেই কৈ উঠিল, "ইহঁতক আপুনি বিশ্বাস নকৰিব, বৰঠাকুৰ। ইহঁতে ইয়াৰৈ আহি আমাৰ লগত ভালৰি বোলাই উলটি গৈ মিছ মেয়োৰ দৰে জঘন্য এসোপা কথা লিখি বৃটীছৰ অনুগ্রহত তাক ছাপা কৰাব আৰু বৃটীছ গবর্ণমেণ্টে আমাৰ বিৰুদ্ধে তেওঁকে সাক্ষী দিব।" আৰু এবাৰ আমি দেখাদেখি হওঁতে তেখেতে মোক কথাটো সোঁৱৰালে; কাৰণ তেখেতৰ ধাৰণা সঁচা হল। যেতিয়া নিজৰ সমষ্টিত শতকৰা নব্বৈ ভাগ ভোটৰ নিশ্চয়তাৰে দত্ত ডাঙৰীয়াই তেখেতৰ নির্ব্বাচনী অভিযান সামৰিব পৰা হৈছেহি, নির্ব্বাচনৰ দিনো গা পালেহি, তেতিয়াহে বৰুৱা ডাঙৰীয়াৰ উম্‌ঘাম্ হৈছে সমষ্টিলৈ যাবলৈ। এনে মুৰামুৰি সময়ত গৈ যে কিবা কৰিব পাৰিব সেই কথাত তেখেতৰ সপক্ষ বিপক্ষ কোনো পতিয়ন যাব পৰা নাই। ত্যাগবীৰ হেমচন্দ্র বৰুৱাদেৱে "কংগেছক কিয় ভোট দিব লাগে"—এনে শিতানেৰে কাগজ এখিলা চাপা কৰি উলিয়াইছিল। তাৰে হেজাৰ ছেৰেক লৈ বৰুৱা নির্ব্বাচনী ক্ষেত্রত অবতীর্ণ হলগৈ। কংগ্রেছৰ কাৰণে মানুহক ৰৰকৈ বুজুৱাত সভাৰ এজনে মাত লগালে—"কংগ্রেছে যিজনক ভোট দিয়াৰ তেওঁৰ মুখখনকে দেখোন দেখি পোৱা নাই।" বৰুৱাই বোলে "আপোনাসকলক অনুৰোধ কৰিছোঁ কংগ্রেছক ভোট দিবলৈ। কংগ্রেছক ভোট দিওতে কোন মানুহজনত পৰৈগৈ তাৰ বিচাৰ নিষ্প্রয়োজন। কংগ্রেছে এই সমষ্টিৰ পৰা ৰজনী বৰুৱাক তুলিছে। তেওঁক যদি চিনিৰ খোজে,—এই মইেই।" কোৱা বাহুল্য, শত্রু-মিত্র সকলোকে অবাক মনাই ৰজনী বৰুৱাহে[১৬৮] নির্ব্বাচিত হল।

সেই দৰেই চাহ খেতিয়ক, নিৰহ নিপানি ভদ্রলোক হেৰম্ব প্রসাদ

১৬৮। মন্ত্রী ৰমেশচন্দ্র বৰুৱা উকীল, আৰু চাহ খেতিয়কৰ পিতৃ ৰজনীকান্ত বৰুৱা।

বৰুৱাৰ[১৬৯] যোৰহাটত অশেষ খ্যাতি আছিল। তদুপৰি, সেই সময়ৰ অসমৰ প্ৰথম "দৈনিক বাতৰি"য়ে কংগ্ৰেছৰ বিৰুদ্ধে সত্যৰ অপলাপ কৰাৰ উপৰিও বৰুৱা ডাঙৰীয়া আৰু তেখেতৰ দলৰ সকলোৰে সমৰ্থনত কেতিয়া কিনো নিলিখিছিল, ঠিক নাই। এনে পৰিস্থিতিত দেৱেশ্বৰ শৰ্ম্মাৰ কৃতকাৰ্য্যতাৰ ওপৰত সন্দিহান হৈ দেখুৱাইছিলোহে, তেখেতে টপৰাই উত্তৰ দিলে "যোৰহাটৰ ভোটাৰ শিক্ষিত। তেওঁবিলাকে দেৱেশ্বৰ শৰ্ম্মাক বুলি নহয়, কংগ্ৰেছক বুলিয়ে ভোট দিব। কংগ্ৰেছ জিকিবই।"—সঁচাকৈ জিকিলেও। সিপক্ষই নৰ মৌজাদাৰৰ[১৭০] হতুৱাই নিতৌ ছাপা ফটোৱা একোখন বাহিৰ কৰিছিল, কেৱল দেৱেশ্বৰ শৰ্ম্মাক ব্যক্তিগত ভাবে কদৰ্য্য আক্ৰমণ কৰি। বহুতে কৈছিল সেই ফটোৱাবোৰৰ প্ৰতিক্ৰিয়া স্বৰূপে বৰুৱাদেওৰ ভোট যিমান কমিল, শৰ্ম্মাৰ ভোটৰ সংখ্যা তদনুপাতে বাঢ়িল। এইবাৰৰ নিৰ্ব্বাচনত পণ্ডিত জওহৰলাল নেহেৰুৰ ভ্ৰমণো কংগ্ৰেছ আশাতীত ৰূপে জয়যুক্ত হোৱাৰ এটি প্ৰধান কাৰণ।

৪। অমুছলমান সমষ্টি (শিৱসাগৰ মহকুমা)

শিৱসাগৰ মহকুমাত অ-মুছলমান সমষ্টি দুটা। লোক-সংখ্যাৰ লেখত শিৱসাগৰ মহকুমাত আহোম কিজানি একক গৰিষ্ঠ। কিন্তু পূৰ সমষ্টিটোত সংখ্যা গৰিষ্ঠই হব, যদিহে চাহ বাগিচাৰ বমুৱা বাদ পৰি ৰয়। ভুবন চন্দ্ৰ গগৈক এবাৰ কোৱা হৈছিল যে যত যি সম্প্ৰদায় সংখ্যা-গৰিষ্ঠ তাৰপৰা সংখ্যা-লঘু সম্প্ৰদায়ৰ প্ৰাৰ্থী তুলিব লাগে। ঈশ্বৰৰ ইচ্ছাত গগৈদেও পচিম-সমষ্টিৰ পৰা উঠা ঠিক হল। পূৰ-সমষ্টিৰ পৰা যাদৱ প্ৰসাদ চলিহাহে যোগ্য পুৰুষ। নিজৰ আৰ্থিক

১৬৯। ৰায়বাহাদুৰ হেৰম্বপ্ৰসাদ বৰুৱা এম-এ, বি-এল, প্ৰাক্তন চেয়াৰমেন অসম পাব্লিক কমিছন, প্ৰাক্তন এম-এল-চী, ইত্যাদি।

১৭০। এই সময়ত প্ৰাক্তন মৌজাদাৰ নৱনাথ শৰ্ম্মা মুস্লিম লীগ চৰকাৰৰ সমৰ্থক স্বৰূপে চাৰ চাদুল্লাৰ সোঁহাত হৈ কংগ্ৰেছৰ বিৰোধিতা কৰিছিল।

দুৱৰস্থালৈ লক্ষ্য ৰাখি যাদৱ চলিহা নিৰ্ব্বাচনত নামি তেওঁৰ কৰঙানী চাহ বাগিচাখনক বিপন্ন কৰা হব বুলি ভয়ত মনটো কোঁচালে। খালৈ-ঘোগোৰা, মাহমৰা, অভয়পুৰ আদি মৌজাত চলিহাৰ বিশেষ প্রতিপত্তি[১৭১]। তেওঁবিলাকৰ বনমালী চাহ বাগিচাখন এই অঞ্চলত থকাত আৰু আন্দোলনৰ প্রথম সূত্রপাতত চলিহাই বাগিচাখন ঘৰকে আন্দোলনৰ স্থানীয় কেন্দ্রৰ দৰে পাতি লোৱাত, স্থানীয় ৰাইজে তেওঁবিলাকক স্বৰূপতে এই অঞ্চলৰে এঘৰ মানুহ বুলি ধৰি লৈছিল। এনে স্থলত এই অঞ্চলৰ পৰা যাদৱ চলিহা নুঠিলে শেহান্তৰত প্রতিক্রিয়াশীল কোনোবাজনহে বাচনিত উঠিব পাৰে। এটা আবেলিৰ পৰা গোটেই ৰাতিটো টিমনত চলিহাৰ লগত সেই একে আলোচনা চলিছিল। পিচদিনা সৈমান হৈ গোলাঘাট বুলি ওলাল, তাতে তাৰো পিচদিনা চলিহা কংগ্রেছ পক্ষৰ বাচনিত উঠিল।

চলিহাৰটো সমষ্টিত কংগ্রেছৰ প্রতিদ্বন্দ্বী ৰূপে ঠিয় দিলে ব্যৱস্থাপক সভাৰ প্রাক্তন সদস্য যোগেন্দ্র নাথ গোহাঁই ডাঙৰীয়া আৰু শিৱসাগৰৰ হলেও, সোনাৰীৰ চাহ খেতিয়ক, কবি পার্ব্বতী প্রসাদ বৰুৱা ডাঙৰীয়া। বৰুৱাদেও আৰু গোহাঁইদেও উঠি-পৰি লাগিছে; চলিহা কিন্তু অসমতে নাই। পশ্চিম সমষ্টিত ভুবন গগৈৰ কোনো প্রতিদ্বন্দ্বী নথকা হেতুকে তেওঁ পূৰ সমষ্টিত চলিহাৰ প্রতিনিধি স্বৰূপে নির্ব্বাচনী সভা সমিতি পাতি ফুৰিছে; লগে লগে দুর্গাপ্রসাদ বৰঠাকুৰ, লক্ষ্মীকান্ত বৰুৱা, দুর্গাধৰ বৰুৱা, হেমকান্ত বৰপূজাৰী, আনন্দ চন্দ্র বেজবৰুৱা আদিয়েও যৎপৰোনাস্তি সহায় কৰিছেহি। পার্ব্বতী প্রসাদ বৰুৱাৰ সোঁ-হাত হৈ খাটিছিলহি "দৈনিক বাতৰি"ৰ সম্পাদক, ব্যৱস্থাপক সভাৰ প্রাক্তন সভ্য, নীলমণি ফুকন বাগ্মীবৰ ডাঙীয়াই; তেখেতে নিজেও যোৰহাটত কংগ্রেছৰ বিৰুদ্ধে প্রতিদ্বন্দ্বিতা চলাইছিল। যোগেন গোহাঁইৰ সমর্থক বুলিবলৈ

১৭১। মুখ্যমন্ত্রী বিমলা প্রসাদ চলিহায়ো এই সমষ্টিতো বিভক্ত হোৱাত দুবাৰ সোণাৰী সমষ্টিৰ পৰা উঠিছে।

ৰাগিচাবোৰৰ ফিৰিঙি গোটেইমখা, তদুপৰি নিজৰ জ্ঞাতি বুলি যি আহোমসকলক তেওঁ ভোটৰ দাবি জনাইছে, সমষ্টিটোত সেই সকলেই সংখ্যা-গৰিষ্ঠ। সেই কাৰণে চলিহাৰ প্রতিদ্বন্দ্বী পার্ব্বতী বৰুৱা মুবুলি গোহাঁইহে বুলিব পাৰি। চৰকাৰৰ ঘৰত মনোনয়ন পত্রত চহী দিবৰ সময়তহে চলিহা ওলাইছেহি। আৰু এক খোদাই ওলাল ভুৰুকাই!—সেইজন কংগ্রেছ নেতা লক্ষ্মীকান্ত বৰুৱা। তেওঁ নিজৰ কংগ্রেছ পক্ষৰ বিৰুদ্ধে প্রতিদ্বন্দ্বিতা কৰাৰ মানসে মনোনয়ন পত্র দাখিল কৰি সকলোকে তবধ মনালে। সমষ্টি ললে ভুবন গগৈৰটো। কংগ্রেছে এতিয়া উভয় সমষ্টিতে সমানে জোৰ দিব লগীয়াত পৰিল। ভুবন গগৈৰ বিৰুদ্ধেহে মাখন উকীল উঠাত সাম্প্রদায়িক ভাবাপন্ন আহোমসকলৰ মাজত ইও আহোম সম্প্রদায়ৰ বিৰুদ্ধে বর্ণহিন্দু সকলৰ কিবা এক কূট চক্রান্ত বুলি সন্দেহ জন্মোৱাত সহায় কৰিলে। সি যি কি নহক সমষ্টিটোৱেপতি সংখ্যা-গৰিষ্ঠ সকলৰ একোজনে প্রবল পৰাক্রান্ত ভাবে প্রতিদ্বন্দিতা কৰা স্বত্বেও কংগ্রেছৰ বাচনিত উঠা সেই সেই সমষ্টিৰ সংখ্যা-লঘিষ্ঠৰ ভিতৰৰ দুয়োজনে নির্ব্বাচনত জয়লাভ কৰিলে। প্রাক্ স্বাধীনতাৰ দিনৰ কংগ্রেছৰ মাহাত্ম্যই এনে।

আৰু এটা লক্ষ্য কৰিব লগীয়া কথা হৈছিল যে ৰোহিণী চৌধুৰী যিটো পার্টিৰ পৰা উঠিছিল, সেই দলত তেখেতৰ বাদে সকলো হাৰিল। চৌধুৰীৰ জিত হোৱাৰ দায় কংগ্রেছৰ হে। কংগ্রেছে কিয় যে তেওঁৰ বিৰুদ্ধে প্রতিদ্বন্দ্বিতা নকৰিলে, চিলটতো কংগ্রেছ বিৰোধী প্রমোদ দত্তকে কংগ্রেছৰ নমিনেছন দিলে, অথচ সর্ব্বভাৰতীয় নেতাৰ সমকক্ষ দেশভক্ত ফুকন ডাঙৰীয়াৰ প্রবল বিৰোধিতা কৰিলে, এই অবোধ নীতিটো আজিও বিষাদৰ সাঁথৰ হৈ ৰল।

৫। চাহ-খেতিয়ক-সমষ্টি

এইবাৰ বাগিচাৰ মেনেজাৰ বুলি চাহ-খেতিয়ক-সমষ্টিৰ নিৰ্ব্বাচনত ভোটাৰ স্বৰূপেই অংশ গ্ৰহণ কৰাৰ সুযোগ মিলিল। এই সমষ্টিৰ ভোটাৰৰ তালিকাত বাগিচাৰ চুপাৰিণ্টেডেণ্ট, মেনেজাৰ, মেডিকেল অফিছাৰ আৰু ইঞ্জিনীয়াৰ সকল পৰিছে। মালিকৰ নাম গন্ধই নাই। আমাৰ বিধৰ টোকোনা বাগিচাবোৰত চুপাৰিণ্টেদেণ্টৰ নামত উঠিল মালিক বা মেনেজিং ডাইৰেক্টৰ, মেনেজাৰজন মেনেজাৰেই; ফিটাৰ মিস্ত্রিক ইঞ্জিনীয়াৰ আখ্যা দিয়া হল আৰু বাগিচাখনত বা তাৰ আশে পাশে থকা এল্-এম-পি, বা ঢাকা-নেছনেল ডাক্তৰ, বা ডাক্তৰ নেপালে কম্পাউণ্ডাৰ একোজনকে, মেডিকেল অফিছাৰ নাম দি মধুৰ অভাবে গুড়ং দদ্যাৎ শাস্ত্ৰ-মত মানি চলোৱা হল। এই সমষ্টিটো পিচলৈকে বৈ যোৱা হলে, ডাক্তৰ, ফিটাৰ আৰু মেনেজাৰক লৈ সমষ্টিটোত হৈ উঠা শতকৰা পয়সত্তৰজন ভোটাৰৰ সংখ্যা-গৰিষ্ঠতাৰ সুযোগ লৈ, মালিক সকলক প্লেণ্টাৰ্চৰ সেইখন আসনৰ পৰা সহজে বহিষ্কৃত কৰি ৰাখিব পৰা গল হেতেন। সেই সময়ত বিদেশী মূলধনৰ চাহ কোম্পানী বিলাকত চুপাৰিণ্টেদেণ্ট, মেনেজাৰ, মেডিকেল অফিছাৰ আৰু ইঞ্জিনীয়াৰ সকলৰ শতকৰা নিৰান্নব্বৈ জনৰো ওপৰ ফিৰিঙি। ফিৰিঙিৰ বাগিচা মাত্ৰেই ইণ্ডিয়ান টী এচোচীয়েনৰ অন্তৰ্ভুক্ত[১৭২]। আমাৰ লৰা-ছোৱালীৰ সম্বন্ধৰ বন্দোৱস্ত অভিভাবকে কৰাৰ দৰেই ইণ্ডিয়ান টী এচোচীয়েচনে তেওঁবিলাকৰ আঠোজন প্ৰতিনিধিৰ নাম আগতে বাচি লোৱা হেতুকে কাৰো কাণৰ পানী কাণে নোযোৱাকৈ এলাপাকতে সিবিলাকৰ শেষ বাচনিৰ সামৰণি পৰে।

সেই সময়ত ভাৰতীয় সকলৰ আসাম ভেলী টিপ্লেণ্টার্চ[১৭৩]

১৭২। Indian Tea Association (I. T. A.)

১৭৩। Assam Valley Tea Planters' Association.
(A. V. T. P. A.)

এচোটীয়েছন বুলি যি এখন মালিকী সঙ্ঘ আছিল, সেইখন নিচেই চালুকীয়া হেতুকে, গৃহকন্দলৰ আশঙ্কাত নির্ব্বাচনত নিৰপেক্ষ হৈ আছিল। নির্ব্বাচন প্রার্থী কাম্যাখ্যা ৰাম বৰুৱা এই এচোটীয়েচন-খনৰ প্রথম উদ্যোক্তাৰ অন্যতম্ এজন যদিও, এচোটীয়েচনে তেওঁৰ বিষয়তো নিৰপেক্ষতা অবলম্বন কৰিলে! নির্ব্বাচন প্রার্থী বহুতো হল। ইয়াৰ আঞ্চলিক বা ব্যক্তিগত বন্ধুত্বৰ প্রেমত পৰি অনেকে অনেকৰ প্রতি ভোট-দানৰ সঙ্কল্প ললে। পৰম সৌভাগ্যৰ বিষয় যে জাতি, ধর্ম্ম বা সম্প্রদায়ৰ ধ্বনি তুলি কোনেও ভোটাৰৰ সম্মুখীন হোৱা নাছিল। কংগ্রেছ মনা সকলে কামাখ্যাৰাম বৰুৱাক হে সমর্থন কৰিছিল।

নির্ব্বাচন পর্ব্বৰ হুলস্থুলৰ মাজতে মোৰ ঘৰ লৰাটি ঢুকাল। নির্ব্বাচনৰ কথাই ব্যস্ত ৰাখি মোৰ শোক-তাপ পাতলাই থৈছিল। এইখিনি ব্যক্তিগত স্বার্থত পৰিও, সাধাৰণ নির্ব্বাচনৰ স্থানীয় প্রস্তুতিৰ উপৰিও, আমাৰে সমর্থনত চাহ খেতিয়ক সমষ্টিৰ পৰা উঠা কামাখ্যা-ৰাম বৰুৱাৰ হকেও যথেষ্ট খটা হল। সেই সময়ত ভাৰতীয়ৰ যিবোৰ ৰাগিচা এ-ভি-টী-পী-এৰ (পিচলৈ এ-টি-পী-এৰ[১৭৪]) মেম্বৰ, তাৰ সৰহ ভাগ আৰু বাকীখিনিৰো শতকৰা নব্বৈ ভাগেই আই-টী-এৰ সভ্য। এনে হোৱাৰ গুপ্ত ৰহস্য এয়ে যে, মালিকসকলে সচৰাচৰ নিজৰ সামর্থ্যেৰে ৰাগিচা চলোৱাৰ ব্যৱস্থা নকৰি কলিকতাৰ এজেন্সী হাউছ বিলাকৰ পৰা সম্ভাব্য ফছলৰ মূল্যাঙ্কনৰ ওপৰত সর্ব্ব সম্পত্তি সোঁতাত ৰাখি, বইনাৰ ধনেৰে ৰাগান চলায়। এনে নিছলা দুর্ব্বলতাৰ ৰাগিচাবোৰ বিনাসোধে আই-টী-এৰ মেম্বৰ হব লাগিছিল। এই সুযোগ বুজি অসম শাখা আই-টি-এৰ পৰা নির্ব্বাচনৰ সন্দর্ভত হকেন্‌হল চাহাবে নবকুমাৰ দত্তকহে সমর্থন দিবৰ কাৰণে এখন ফটোৱা জাৰি কৰিছিল। এইখন ৰণত দত্ত ডাঙৰীয়াৰে জয় হল। পিচত তেখেত লীগ-মন্ত্রী-সভাত সোমাই পৰিল। অসমত কম

১৭৪। Assam Tea Planters Association (A. T. P. A)

বয়সীয়া ডেকাই মন্ত্রীৰ আসন অধিকাৰ কৰাৰ প্ৰথম দৃষ্টান্ত দন্তই হৰ লাগে।

৬। নিৰ্ব্বাচনৰ ফল (১৯৩৭)

এই নিৰ্ব্বাচনৰ ফলত ভাৰতৰ এঘাৰখন প্ৰদেশৰ ভিতৰত বোম্বাই, মাদ্ৰাজ, যুক্তপ্ৰদেশ, মধ্যপ্ৰদেশ, বিহাৰ আৰু উৰিষ্যা, এই প্ৰদেশকেখনত কংগ্ৰেছ সংখ্যা-গৰিষ্ঠ; আৰু উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু অসমত, পাৰ্লিয়েমেণ্টৰী দলবিলাকৰ ভিতৰত কংগ্ৰেছ একক্ গৰিষ্ঠ দল হল; বাকী সকলো বিলাকতে কংগ্ৰেছ সংখ্যা-লঘিষ্ঠ।

৭। দায়িত্ব গ্ৰহণ

কংগ্ৰেছে মন্ত্ৰীত্বৰ দায়িত্ব গ্ৰহণ কৰিবলৈ হলে, ১৯৩৫ চনীয়া শাসন-তন্ত্ৰৰ ফলত লাভ কৰা বিশেষ ক্ষমতা প্ৰয়োগৰ পৰা বিৰত থাকিব বুলি গবৰ্ণৰসকলৰ প্ৰতিশ্ৰুতি বিচাৰিলে। সেই দাবি মানি নোলোৱাত কংগ্ৰেছে বিৰোধী দলৰ স্থান অধিকাৰ কাৰ কংগ্ৰেছৰ সংখ্যা গৰিষ্ঠ প্ৰদেশ বিলাকত চৰকাৰৰ থৰ্-কাছুটি একৰাই সংবিধান অচল কৰি পেলালে। উপায়ান্তৰ হৈ জুলাই মাহত বৃটীছ গবৰ্ণমেণ্ট বুজা পৰালৈ আহল আৰু কংগ্ৰেছেও শাসনৰ দায়িত্বভাৰ কাণ পাতি ললে।

৮। চাৰ ছাদুল্লা চাহাবৰ ৰাজত্ব

অসমত জয়ে জয়ে চাৰ মহম্মদ ছাদুল্লা চাহাবে বিনা চৰ্ত্তে মন্ত্ৰী-সভা এখন গঠন কৰি বৃটীছ ৰাজক আপ্যায়িত কৰিলে। সংসদৰ সভাপতি (স্পীকাৰ) কংগ্ৰেছৰ বসন্তকুমাৰ দাস নিৰ্ব্বাচিত হল। কংগ্ৰেছ পাৰ্লিয়েমেণ্টেৰী দলৰ নেতা গোপীনাথ ববদলৈ ডাঙৰীয়াই বিৰোধীদলৰে নেতৃত্ব লাভ কৰিলে। কংগ্ৰেছদলৰ বহুসংখ্যক কাৰ্য্য

পদ্ধতিৰ ভিতৰত প্রধান প্রধান আছিল; (১) ৰাজহ বৃদ্ধি, (২) মন্ত্রী আৰু পৰিষদ-সভাপতিৰ বেতনৰ হ্রাস, (৩) অনাৱশ্যকীয় ব্যয় ৰহিত, (৪) দ্বিতীয় পৰিষদৰ বিসর্জ্জন, (৫) শ্রীহট্ট বিচ্ছেদ, ইত্যাদি।

চাদুল্লা মন্ত্রীসভাই তেওঁবিলাকৰ ১৯৩৫-৩৬ চনৰ ঘাটি বাজেটৰ ঠাইত এইবাৰ যিখন ৰাহি বাজেট ডাঙি ধৰিলে, অসমৰ বাজেট ইতিহাসত ই নিশ্চয় এক হাস্যস্পদ অধ্যায় হৈ থাকিব।

এই মন্ত্রীসভাৰ সন্দর্ভত ১৮৫৯ শকৰ কাতি মাহৰ, অষ্টম বছৰ একাদুশ সংখ্যা "আবাহন"ৰ ১৩৭১ পৃষ্ঠাৰ সম্পাদকীয় স্তম্ভত লিখা "অসম মন্ত্রীসভা" শীর্ষক আলোচনাখিনিৰ কিছু তলত উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলো—".....প্রধান মন্ত্রী[১৭৫] স্যাৰ ছাদুল্লা চাহাবে পূর্ব্বেই অসমৰ অনিষ্ট সাধনৰ দুটা বাট মোকোলাই থৈছিল। তাৰে এটা হ'ল শ্রীহট্ট বিচ্ছেদ বদ আৰু দ্বিতীয় হল অসম দেশলৈ মৈমনচিঙীয়াৰ অবাধ প্রৱাহ নীতি প্রচলন। এই দুয়ো কার্য্যৰ পৰা অসম আৰু অসমীয়াৰ অৱস্থা কিমান শঙ্কটাপন্ন হৈছে, তাক দোহাৰিবৰ সকাম নাই।"

"স্যাৰ ছাদুল্লা-মন্ত্রিত্বৰ উভালি পৰো পৰো হোৱা হলা গছ জুপি ঢোকা দি ৰাখিবলৈ তেওঁ অসমত মুছলিম লীগ স্থাপন কৰি একাধাৰে অসমীয়া হিন্দু মুছলমান দুয়ো সম্প্রদায়ৰে স্বার্থ বলি দিবলৈয়ো পাছ হোঁহকা নাই। নিজৰ ক্ষুদ্র স্বার্থৰ নিমিত্তে জন্মভূমিক বিদেশীৰ হাতত সঁপি দিয়াৰ উদাহৰণ স্যাৰ ছাদুল্লায়ে এই যুগৰ অসমক দেখুৱালে। হিন্দু-মুছলমানৰ ভেদ ভাব নথকা অসমত ভেদ-নীতি প্রবর্ত্তন কৰি স্যাৰ চাদুল্লা চাহাবে অকল অসমীয়া হিন্দুৰে অনিষ্ট সাধন কৰা নাই, অসমীয়া মুছলমানকো ধ্বংশৰ বাটলৈ টানি আনিছে। স্যাৰ চাদুল্লা আৰু তেওঁৰ সহকর্ম্মীসকলে অসমত ইছলাম

১৭৫। তেতিয়া প্রদেশত প্রধান মন্ত্রী। মুখ্যমন্ত্রী শব্দটো ওলোৱা নাছিল।

ৰাজ্য স্থাপনৰ যি মধুৰ সপোন দেখিছে, সি কেতিয়াবা দিঠকত পৰিণত হলে, সেই ইছলাম ৰাজ্য অসমীয়া মুছলমানৰ মৈদামৰ ওপৰতহে প্ৰতিষ্ঠিত হব পাৰিব। যোৱা নিৰ্ব্বাচনতে অসমীয়া মুছলমানসকলৰ কি দুৰ্দ্দশা হৈছিল, তাক নগাওঁৰ সমষ্টি দুটালৈ লক্ষ্য কৰিলেই গম ধৰিব পাৰি। খান বাহাদুৰ নুৰুদ্দিন আহমদ্ ডাঙৰীয়া ইমান দিন পমুৱা সকলৰ নেতা আছিল; তেওঁ নগাওঁ লোকেল-বোৰ্ডৰ চেয়াৰমেন থকা কালতে এই পমুৱাসকলৰ পামত নানা বাট-পথ আৰু স্কুল আদি পাতি দিছিল। তেওঁৰ কৃপাতে নগাওঁৰ অসমীয়া মুছলমানৰ গাঁৱতকৈ মৈমনছিঙিয়াৰ গাওঁ-ভূঁই বেচি সমৃদ্ধিশালী হৈ উঠিছিল। কিন্তু এই পমুৱাসকলে, যোৱা নিৰ্ব্বাচনত খান বাহাদুৰক যে অকল অসম এচেম্ব্লিৰ প্ৰাৰ্থী মনোনীত নকৰিলে এনে নহয়, তেওঁৰ বিৰুদ্ধে যিবোৰ কুকথা প্ৰচাৰ কৰিলে সি খান বাহাদুৰৰ চৰিত্ৰত চিৰজীবনলৈ দূৰপনেয় কলঙ্ক হৈ থাকিব।"

"অসমীয়া মুছলমান সম্প্ৰদায় অসম উপত্যকাত সংখ্যা লঘিষ্ঠ হলেও সেই কথাতে ভয় খাই বিদেশীৰ লগত মিতিৰালি কৰিবৰ কোনো প্ৰয়োজন নাই। অসমীয়া হিন্দুসকলৰ ওখ মনোবৃত্তিৰ পৰিচয় তেওঁলোকে সদায় পাই আহিছে। গতিকে ছলাহী স্বাৰ্থপৰ নেতাৰ কথাত ভোল গৈ সাধুকথাৰ বান্দৰ বিলনীয়াৰ হাতত মেকুৰী প্ৰতাৰিত হোৱাৰ দৰে অসমীয়া মুছলমান সম্প্ৰদায় প্ৰতাৰিত নহবলৈ আমি আগতে ইঙ্গিত কৰিলো।"

বৃটীছৰ তথা ছাদুল্লা চৰকাৰৰ একান্ত সমৰ্থক কলিকতাৰ ষ্টেটচমেন কাকতৰ ২৭ আগষ্টৰ সংখ্যাত লিখিছে, "যি গবৰ্ণমেণ্টে নিজৰ সমৰ্থক সকলক বশত ৰাখিবলৈ অপাৰগ হৈ লেঠাৰীকৈ বাৰম্বাৰ হাৰি মৰ্য্যাদা হেকৰাইছে, তেনে চৰকাৰৰ স্বত্ব হেৰাল; হয় নিজৰ ক্ষমতা খটাওক, নহয় ইষ্টফা দিয়ক (এ গবৰ্ণমেণ্ট্ হুইচ্ কেন্নট্ কণ্ট্ৰোল ইটচ ঔন্ চাপৰটাৰচ্ এণ্ড ইজ্ কণ্টিনিউৱেলি হিউমিলিয়েটেড্ বাই

ডিফিংচ্ কেবীজ্ লিটল্ অথাৰিটি এণ্ড ছুদ্ ইদাৰ বি-এচ্ছার্ট ইটচ্ অথাৰিটি অৰ বিজাইন্)।"

ষ্টেটচ্মেনৰ এই সময়োপযোগী সজ পৰামর্শৰ পিচৰ বাতৰি যেনে, "প্রধান মন্ত্রী চাৰ ছাদুল্লা ডাঙৰীয়াই প্রকাশ্যভাবে মুছলিম লীগত যোগ দি তাৰ নেতা নির্ব্বাচিত হৈছে; আৰু যোৱা অধিবেশনত তেওঁৰ বিৰুদ্ধাচৰণ কৰা সদস্য মিঃ আবদুল মতিন চৌধুৰী আৰু মিঃ মনোৰৰ আলিক সহকাৰী নেতা পাতি লৈছে।" এয়ে মুমাবলগীয়া বস্তুৰ স্বৰূপ।

৯। অসমত কংগ্রেছ-যুক্ত মন্ত্রীসভা (১৯৩৮)

চেপ্তেম্বৰত অনাস্থা প্রস্তাৱৰ সম্মুখীন হৈ মুছলিম্ লীগ মন্ত্রীসভাই ইষ্টফা দিয়াত ৰাষ্ট্রপতি সুভাষচন্দ্র বসু দেৱে নিজে চিলঙত বহি লৈ অসমত কংগ্রেছ মিলিত মন্ত্রীসভা[১৭৬] (কংগ্রেছ ক'এলিয়েছন মিনিস্ত্রি) গঠন কৰিলে। মন্ত্রীমণ্ডল যেনে,—গোপীনাথ বৰদলৈ (প্রধান মন্ত্রী) ফকৰুদ্দিন আলি আহমদ (অর্থ আৰু ৰাজহ), আলি হায়দাৰ খাঁ (পূর্ত্ত আৰু সাধাৰণ), ৰূপনাথ ব্রহ্ম (বন বিভাগ আৰু ৰেজিষ্ট্রেছন) কামিনী কুমাৰ সেন (স্থানীয় স্বায়ত্ব শাসন, বিচাৰ, আইন), মাহমুদ আলি (শিল্প আৰু সমবায়), ৰামনাথ দাস (জনস্বাস্থ্য আৰু শ্রম) আৰু অক্ষয়কুমাৰ দাস (কৃষি আৰু আবকাৰী)। শিক্ষা, বৰদলৈৰ। মহম্মদ আমিৰুদ্দিনক ডেপুটী স্পীকাৰৰ পদত অধিষ্ঠিত কৰা হল।

১৭৬। "I did not feel very happy about a Government which had to rely for its existence on factors other than solid Congress discipline……(Shri Subhas Chandra Bose) came and asked me immediately to tell the Governor that I would be forming the Ministry"—Gopinath Bordoloi's Reminicences of Gandhiji—"Discovery of Assam."

এতিয়ালৈকে নেতাজী মন্ত্রিত্ব গ্রহণৰ বিৰুদ্ধে আছিল। সেই কাৰণে অসমত মন্ত্রীসভা স্থাপনৰ ক্ষেত্রত এনে যে কিয় হল, সিও সাঁথৰ হৈয়েই থাকিল। মন্ত্রিত্ব গ্রহণৰ ফলত অনেক বিষয়ত যে লাভবান হোৱা হল তাত সন্দেহ নাই। তথাপি ১০৮ জনীয়া পৰিষদখনত নিজৰ পক্ষৰ ৩১ জন মাত্র সদস্যেৰে সংখ্যা লঘিষ্ঠ দল এটাই বাৰ জোৰা মাৰি দল পকাই ক্ষমতাত অধিস্থিত হৈ থাকিব লাগিলত যেনে মাত্রাৰ, তোষণ নীতিৰ আশ্রয় লব লগীয়া হল, তাৰ পৰা কংগ্রেছ সমাজত যে কেৰোণ নালাগিল এনে নহয়। পূৰ্ব্বৰখন চৰকাৰৰ আমোলৰ দুর্নীতিয়ে ৰঘুমলাৰ দৰে বগাবলৈ সুৰুঙা পালে। ই আকৌ উকাল, ৯৩ ধাৰাৰ শাসনৰ দিনত আৰু গজগজীয়া হৈ পৰিল পৰবৰ্ত্তী লীগ্ চৰকাৰৰ আমোলত।

একাদশ অধ্যায়

১। নিকানীয়াকৰণ পৰ্ব্ব

কংগ্রেছে কান্ন নবাৰণী আইনখন বহাগৰ বিহুতে বলবৎ কৰাত, কানীয়াই কোহাল লগালে। বৃটীছৰ পূৰ্ব্বতো যে কানি নাছিল, তাক ন' দি কোৱা টান। আহোমৰ দিনত স্বৰ্গদেওসকলৰ পক্ষেহে কানি যদিও বিলাসৰ বাহন হৈ পৰিছিল, আন কি ডা-ডাঙৰীয়া সকলেও তাৰ গোন্ধ পাব নোৱাৰিছিল। কাননয়ে জুকলা কৰা ৰজাৰ ভাগ্যত পৰিলেহি মোৱামৰীয়াৰ আক্রমণ। এই আক্রমণৰ পিঠিতে উঠি দেশত বিশৃঙ্খলতাই প্রজাৰ মন-ঘোৰা চেকুৰাবলৈ ধৰিলে। চল পাই কানিয়ে ডাঙৰীয়া সকলৰ ঘৰলৈকো শিপালে। পিচলৈ এই কালান্তক প্রেতে পাহাৰী অঞ্চলকো জয় কৰি অসম দেশ ভেদিলে।

প্রবাদ আছে স্বৰ্গদেও লক্ষ্মীসিংহইহে বোলে প্রথম আফুগুটি পচায়ছিলহি। ই কালক্রমত বাঢ়িবলৈ লাগিল। কানিয়াৰ এই দেশখন য়ান্দাবুৰ বিস্তীখেলৰ টুকপত ইংৰাজৰ হাতত উঠে। তাৰ পিচত নিজ ইচ্ছাত সকলোৱে আফুখেতি কৰি যি যিমান পাৰে সিমান কানি খাবলৈ ধৰিলে। আফু খেতিটো বিশেষ লাভজনক দেখি ইষ্ট ইণ্ডিয়া কোম্পানী[১৭৭] সদাগৰ-ৰাজৰ মুখৰ পানী পৰিবলৈ ধৰিলে। এনেতে "কানিয়ে দেশৰ সৰ্ব্বনাশ আনিল, কানিৰ তুৰন্তে বিনাশ হব লাগে" আদি দাবি মণিৰাম দেৱানকে মুখ্য কৰি দেশ-ভক্ত সকলৰ মুখত উঠিবলৈ ধৰাত বিলাতী ব্যবসায়-বুদ্ধিয়ে একে কাঁড়ে দুই পাখি মৰাৰ উপায় উদ্ভাবন কৰিলে:—আফু খেতি

১৭৭। East India Company.



কানি এৰা নগা ৰাইজ
সমদলৰ পিছত জযপুৰৰ কানি-নিৰাৰণী কার্য্যালযৰ সমুখত



তিনিআলি চাহ বাগিচাৰ মাৱোৱাৰী মহিলা
এখেতে পঞ্চাশ বছৰ কানি খাইছিল
১০২ বছৰ বয়সত কানি এৰিলে



বিয়াল্লিশৰ অন্তৰীণ যুবক
সৰবৰহী বনুৱা নেতা
শ্ৰীদলবীৰ ছিং লোহাৰ

বে-আইনী হল। কানিয়াই ছুৱা ছুৱা লগালে। চৰকাৰে ভাৰতী আইৰ বুকুতে কৰবাত আফুখেতিত ধৰিলে। তৈয়াৰী কানি অসমলৈ আমদানি হল। চাওঁতে চাওঁতে কানি বৰবিহৰ আমদানি বাঢ়ি বাঢ়ি ১৯২০ চন মানত ৬০,৮০০ কিলো কানি অসমীয়াই হজম কৰাত লাগিল। ১৯২১ চনত কংগ্রেছৰ অসহযোগ আন্দোলনৰ সন্দর্ভত হোৱা কানি নিবাৰণী অভিযানত একে কোবে ২২,৮৭৬ কিলো কানি কমি গৈছিল। কানি প্রচলন ৰহিত হোৱাৰ আকাঙ্ক্ষাতে একৈশ চনৰ পৰা এই ওঠৰ বছৰ নাযায় মুপুৰাই লাগিছিল। সেই কাৰণে, ৰবদলৈৰ চৰকাৰে হুৰমুৰকৈ কানি নিবাৰণৰ আইনখন বলবত কৰি দেশৰ যে কি এক মহৎ উপকাৰ সাধিলে, তাক বুজোৱা টান। পিচে চৰকাৰে একানপতীয়াকৈ এই অভিযানত আত্মবল প্রয়োগ কৰিছেহে মাথোন, দিগবৈত অভূত-পূর্ব্ব ধর্ম্মঘটৰ তাণ্ডব নৃত্য আৰু ডিব্রুগড়-ৰেল-ষ্টেশনত কেদাৰনাথ গোস্বামীৰ[১৭৮] নেতৃত্বত হোৱা সত্যাগ্রহ, উভয়ে সদ্যপ্রসূত জাতীয় মন্ত্রী-সভাখনিক জলাকলা কৈ শিকালে। ডিগবৈৰ ধর্ম্মঘটৰ পৰিণামত কি হল, অসমীয়াৰ চাউল সুদূৰ ভবিষ্যতলৈয়ো কি দৰে মৰা পৰিল আৰু সেই ছেগতে বহিৰাগতৰা উজান উঠি দেশ ঢৌৰাই দি আনকি অস্তিত্বও নথকা ভাষা-সমস্যা এটাৰ পক্ষে কেনে গুৰুতৰ বিধৰ জটিলতা আনিলে, সি এতিয়াও গৱেষণাৰ বিষয়।

২। কানি নিবাৰণী সমিতি

কানি নিবাৰণী সমিতি (অপিয়ম্ প্রহিবিছন কমিটী) এখন[১৭৯] স্থানীয় ভাবে গঠিত হল। সভাপতিৰ নিযুক্তিত এই অভাজনৰে

১৭৮। কেদাৰ গোস্বামী তেতিয়া "Times of Assam"ৰ সম্পাদক আৰু ডিব্রুগড়ৰ কংগ্রেছ সভাপতি।

১৭৯। কমিটিৰ কার্য্যালয়, চিকিৎসালয় আদি মাহমৰা মৌজাৰ কাকতী বাৰীত ; স্থানীয় কংগ্রেছৰ কেন্দ্রস্থল।

নাম উঠিল। সহকাৰী সভাপতি: দিপ্লিং বাগিচাৰ মেনেজাৰ মিঃ ডব্লিউ-জী-ব্রাফ্ (পিচলৈ যোৰহাট কোম্পানীৰ চুপাৰিণ্টেডেণ্ট); সম্পাদক: দিপ্লিং বাগিচাৰ কেৰাণী তীৰ্থেশ্বৰ বৰকটকী (পিচলৈ বামুণী মৈদাম, গুৱাহাটী); সহকাৰী সম্পাদক টিমন বাগিচাৰ কেৰাণী লীলা প্রসাদ চলিহা (পিচলৈ চাহ বাগিচাৰ মেনেজাৰ) আৰু ভজোৰ পমুৱা খেতিয়ক হৰকুমাৰ বৰুৱা (পিচলৈ ডিকম বাগিচাৰ কৰ্ম্মচাৰী); সভ্যসকল হল ডাক্তৰ সুৰেশ্চন্দ্র সেন, কুল্শী ফুকন (ডবা বৰ-চহকী গাওঁ), খগেন্দ্রনাথ গগৈ। তদুপৰি সকলো সময়ৰ পক্ষে কৰ্ম্মী আছিল: জগৎ চন্দ্র বৰা, বেণুধৰ হাজৰিকা (পিচলৈ চাহ শ্রমিকৰ নেতা) আৰু সুৰেন্দ্রনাথ মিশ্র (পিচলৈ সোণাৰী অঞ্চলৰ চাহ মজদুৰ সংঘ, আই-এন-টি-ইউ-চীৰ বিষয়া)। ইয়াৰ ভিতৰত জগৎ বৰাক সাত টকাকৈ, হাজৰিকা আৰু মিশ্রক মাহে গাইপতি পাঁচ টকাকৈ মাত্র খোৰাকী বাবদ কেইমাহমান দিয়া হৈছিল।

কাকতীবাৰীৰ খালি হৈ পৰা কানি মহলৰ ঘৰটোকে আমাৰ অফিছ আৰু কানীয়াৰ চিকিৎসালয়ৰ কাৰণে অধিকাৰ কৰি লোৱা হল।

৩। খঙ্গত-একোনাই কানীয়া

চিকিৎসাধীন কানীয়া বিলাকৰ ভিতৰত পহু-চুঙ্গী গাৱৰ ধিতাই কায়ে দা জোকাৰি জোকাৰি ঘূৰি ফুৰিছে বোলে, "সেই মেনেজাৰ পাতক আন: তাক চেও চেও কৈ কাটিম। নিচা গুছোৱাব নোৱাৰে, তালৈকে কানি উঠাইছে।"—খবৰটো কানত পৰাৰ লগে লগে বাইচায়কোলেৰে ওলালোগৈ। মই মাতযাৰ দিয়াতে মানুহ-জনে সেও মানিলে যদিও গেমনা বুঢ়াই নাদত পৰি মৰিবলৈ বুলি ঢাপলি মেলিলে। তেওঁকো ধৰি আনি কানীয়াৰ ভালৰ কাৰণেহে যে "কংগ্রেছ চৰকাৰে কানি বন্ধ কৰিছে; কানি খাবলৈ নেপাই

তাহানি বকতাৰ ন কাটনি গাওঁৰ গোপীনাথ গাওঁবুঢ়া যেনেকৈ নমৰিলে, তেনেকৈ কোনো ভকত হানি নহয় ; সেই কাৰণে কানীয়া ভকত সকলে যাতে বেচি ভুঞ্জিব নালাগে আমি তাৰ হে চেষ্টা চলাইছো ; শুশ্রূষা কৰাৰ কাৰণে তেওঁবিলাকে খং খালে আমি আৰু এই ফালে মু'কে নকৰো"—এনে ধৰনে নিচুকাইহে শেহত ঘৰমুৱা হলো।

৪। বেণুধৰ হাজৰিকাৰ লিখিত বিবৃত্তি

এইখিনি বেণুধৰ হাজৰিকাৰ লিখাৰ পৰা হুবহু নকল,—

"কানি নিবাৰণী কমিটিৰ নির্দ্দেশত এদিন মই (হাজৰিকা), ডাক্তৰ সুৰেশ সেন, জগৎ চন্দ্র বৰা আৰু সুৰেন মিশ্র সহ কেউ-জনে বাইচাইকোলৰ বেগত কানীয়া সকলক দিবৰ বাবে, কিছুমান দৰব, কপাহ আদি লৈ কাকতীবাৰীৰ পৰা প্রায় বাৰ মাইল নিলগত থকা খাৰঘৰীয়া-ডবালৈ যাওঁ আৰু তাত গৈ টিফুক গাওঁৰ হাতী-গিৰীয়াৰ ঘৰত প্রায় ৪০।৫০ জন কানীয়া একেলগে চোতালত বহি থকা পাওঁগৈ। আমি গৈ পায়েই তেওঁলোকক কানি খোৱাৰ অপকাৰিতাৰ কথা বুজাই কবলৈ যত্ন কৰো আৰু চৰকাৰে তেওঁ-লোকক কানি এৰাৰ সময়ত পোৱা সকলো অসুবিধা দূৰ কৰাৰ বাবে আমাক দৰবাদি দি পঠাইছে বুলি কোৱাৰ লগে লগে চোতালত বহি থকা সকলো কিজন কানীয়াই তেওঁবিলাকৰ হাতত থকা মেচী দা আৰু লাঠীৰে আমাক মাৰিবলৈ উদ্যত হল। "দৰব আদি আমাক একো নালাগে, তহঁতক কাটিম। কানি দিব পাৰিলে দে নোৱাৰিলে এতিয়াই গুছি যাঁ।"—বুলি আমাক বলেৰে তাৰ পৰা গতিয়াই খেদি দিয়ে। অৱস্থা বিষম দেখি আমি ৰৰচহকী গাৱঁলৈ গুছি আহো। তাত এঘৰ মানুহৰ (নাম মনত নাই) ঘৰত কেপ্টেইন সুৰেন দত্তক (যি সেই অঞ্চলৰ কানি নিবাৰণীৰ কাম পৰিদর্শন কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা আহিছিল, তেখেতক)

সকলো কথা ভাঙি পাতি জনালো। তেখেতে আমাক উপদেশ ও দিহা পৰামর্শ দি চেপনৰ ফালে গলগৈ। আমি তাৰ পৰা আহি মাহমৰা গোহাঁই গাওঁ পাওতে ৰাতি প্রায় ৮টা বাজিল। বহাগ মাহ। সেই দিনা গধূলি প্রায় ৭ মান বজাৰ পৰা বুজন ধৰণৰ বৰষুণ হৈ আছিল। বাট বৰ বেয়া। মাহমৰালৈ সেই বাবে ৰাতি অহাটো অসম্ভৱ হোৱাত গোহাঁইগাওঁত থকা আমাৰ বন্ধু সুৰেন্দ্র নাথ বৰঠাকুৰৰ ঘৰত আমি সোমালো। তেখেতে আমাক খোৱাৰ সকলো সুবিধা কৰি দিলে আৰু ৰাতিটো আমি তাতে থাকিলো। পাচ দিনা পুৱা চাহ-তাহ খাই তাৰ পৰা আহি কাকতীবাৰী কানি-নিবাৰণী অফিছ পাওঁহি প্রায় ৮॥ বজাত।"

এই বিবৃত্তিখন দিয়াৰ সময়ত বেণুধৰ হাজৰিকা চাহ মজদুৰ পৰিষদৰ জেনেৰেল চেক্রেটাৰী, মেজৰ এচ-চী দত্ত পেঞ্চনাৰ, চিলং ; সুৰেন মিশ্র আৰু সুৰেন বৰঠাকুৰ দুয়ো আই-এন-টি-ইউ-চীত। ঘটনাৰ সময়ত মিশ্র, হাজৰিকা আৰু বৰঠাকুৰ পোন্ধৰ ষোল বছৰীয়া লৰা। জগৎ বৰাহে ডেকা। বিবৃত্তিখন দিছে ২৬ বছৰৰ পিছত (এপ্রিল মাহ, ১৯৬৫ চনত)।

৫। চোৰাং বেপাৰীৰ চলনা।

১১ মেৰ দিনা অসমীয়া ভাষী চিনাকি দেছুৱালী মানুহ দুজনে দুপৰীয়া নিজে খুজি চাহ খাই-বৈ মোৰ ঘৰতে বাৰে ভচহু কথাৰ মহলা মাৰি মোকো মিছাতে বহুত পৰ আটক কৰি ৰাখিলে। আৰু এযোৰা মানুহ যেতিয়া ওলালহি, কেউজনে বিদায় লৈ গল। তিনি দিন মানৰ মূৰত লংবৈ বাগিচাৰ কেৰাণী ভুবন চন্দ্র বৰ-কটকীৰ (পিচলৈ লংবৈ, বিহিয়াটিং আদিৰ মেনেজৰৰ) পৰা খবৰ পালো বোলে গৰু-গাড়ী এখনত চাহ বাগিচাত ব্যবহৃত হোৱা চিঁচাপাতৰ বাকচ এটাত এবাকচ কানি টিমনেদি সৰকোতে কৰবাত মোৰ হাতত ধৰা পৰে বুলি মানুহ কেজনে কথা পাতি পাতি

মোক মোৰ ঘৰতে আবদ্ধ কৰি ৰাখিলে আৰু যেতিয়া গাড়ীখন ৰঙাৰামত ডিব্ৰুগড়ৰ সীমাত সোমাল সি দুজন মানুহ আহি ই দুজনক লৈ গল। ভজোঘাটতো বোলে সেই গাড়ীখনৰ বাকচটোত কেন্দুগুৰী বাগিচাৰ চিচাপাত আছে বুলি লোকক ফাকি দি আহিল।

৬। দুতীৰাম ফুকনাট

এওঁৰ ঘৰ বকতাৰ ফালে। বাগিচাৰ কনকনীয়া হাৰৰ টনটনীয়া বুঢ়াটিৰ ডাঢ়িয়ে চুলিয়ে যি ভয়ঙ্কৰ কায়, তেওঁক দেখিলে লৰা-ছোৱালীৰ যে ধাতু যায়েই। মোৰ ছোৱালী ককণাময়ীৰ কাণত ঘাঁ লাগিলত ডাক্তাৰী চিকিৎসা চলাই থাকোতেও কানৰ লতিটো ছিগে ছিগে হৈছে, এনেতে টুকুৰি-সজা এই বুঢ়াই এমহা মান পানীত কেঁচুমটা এখুদমান মিহলাই জাৰি তেতিয়াই অকণমান সানি বাকী খিনি দুপৰীয়া সানি দিবলৈ কলে। একেদিনাই ঘাঁ শুকাই কাণখন আগৰ নিচিনা হলত মানুহজনে কিবা ভেল্কী ভোজ-বাজী কৰা যেন হে লাগিল। তাৰো আঢ়ৈ বছৰ মানৰ পিচৰ কথা। মোৰ লৰা আত্মৰঞ্জনৰ মূৰৰ চুলিৰ পৰা ভৰিৰ তলুৱা লৈকে সৰ্ব্বাঙ্গ শৰীৰতে গাঁৰ হল। গাঁৰৰ সংখ্যা লৰ নোৱাৰি। ডাক্তাৰ কৈলাশ্ চন্দ্ৰ দেই একেদিনাই এঘাৰটা গাঁৰত চুৰি মৰাৰ পিচত লৰাই ঢেলুকাঢেলুক কৰিবলৈ ধৰিলে। ডাক্তৰৰো চুলিৰ আগে জীৱ গল। এতিয়া উপায়? দুতীৰাম ফুকনৰ বিচাৰ লোৱা হল। বুঢ়া পালেহি। বেমাৰী নেচায়, বোলে মঙলত যদি তেওঁৰ বেমাৰী বুলি পায় তেহে বেমাৰী চাব। মাটীতে মঙলৰ আঁচ পাৰিলে। অলপ পৰৰ মূৰত বোলে "হয় দেউতা, মোৰ ভাগতে পৰিছে দেখোন। চাওঁছোন বাৰু কুকৈ কণক।" এমহামান পানীত আদ্মহামান কেঁচুমটা গুলি মাতৃদেবীৰ হাতত দিলে, লৰাটোৰ তালুৰ পৰা তলুৱালৈকে সানিবলৈ; বোলে, আবেলি বেলিকালৈ যদি ৰঙা

পৰি যায় তেন্তে আশা নেৰাখিব; আৰু যদি কোনেও হাত নলগোৱাকৈ আপোনা আপুনি গাঁৰ বোৰ ফুটি ঠাইখন কলা পৰি যায়, বন্দীক খবৰ দিব।" আবেলিলৈকে ঘৰখনৰ মানুহখিনিৰ মুখত পানী নাই। এনেতে পতাপত ফুটি দাগবোৰ কলা পৰিবলৈ ধৰিলে। পিচবাৰ কি কৰিলে নেজানো, চোকোৰা সৰি সেইদিনাৰ ভিতৰতে ঘাঁ শুকাই গল। এয়ে ছুতিৰাম ফুকনৰ মহিমা। গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ সুৰেন্দ্ৰ নাথ শৰ্ম্মা, অসম মেডিকেল কলেজত থাকোতে এই খিনি বকলা মেলিছিলো। তেখেতৰ ধাৰণা যে কেঁচুমটাৰ স্পৰ্শনত পেনিছিলিনৰ গুণ ধৰাত এনে সুফল পোৱা গল। এই আপাহতে আমাৰ গাৱঁলীয়াৰ চিকিৎসাৰ দ্ৰব্যবিলাকৰ গুণাগুণ বিচাৰিবৰ কোনো গবেষণাৰ উপায় কৰিলে মহৎ কাম হয়।—যেনে কিছু কামত কলিকতাৰ বেঙ্গল কেমিকেল এণ্ড ফাৰ্ম্মেচীউটিকেল ওৱাৰ্কচ্‌ক চাৰ প্ৰফুল্ল চন্দ্ৰ ৰায়ে নিয়োগ কৰিছিল।

এবাৰ ফুকনে শুধিলেলি "দেউতা, এইবাৰৰ পাঁজীটোত কিবা পাইছেনে?" মই বোলো, "তেনে একে গম পোৱা নাই দেখোন।" বুঢ়াই তেতিয়াই মোনাৰ পৰা পঞ্জিকা এখন উলিয়াই এটা মাহৰ ৰাশি-চক্ৰটো দেখুৱাই কলে, "চক দেউতা, বুঢ়াক ভাঁৰিছে কেলেই? ৰবি, সোম, বুধৰ লগত মঙ্গল, শনি, ৰাহুগ্ৰহ এনেয়ে লগ লাগেনে? ই সাধাৰণ কথা নহয় একা! বোলো শেনৰ এক জাত,—বন্দীয়ে কৈ থলো।" এই দেওঁধাই ফুকনটিক শিক্ষিত বুলি ভবা দূৰৰ কথা, সাক্ষৰ বুলিও এই প্ৰথম বুজিলোঁ। পিচতে ১৯৩৪ চনৰ ১৫ জানুৱাৰীৰ ভূমিকম্পই উনৈশ লাখ বৰ্গমাইল ভূখণ্ডক জোকাৰি গঁড় গাৱঁলৈকে শিপা মেলি বিহাৰতে দহ হেজাৰ মানুহৰ প্ৰাণ ললে।

মোক বোলে ছুতীৰাম ফুকনে ফাটকত দেখিছিল আৰু চিনিও পাইছিল; পিচে স্বৰ্গৰ তৰাৰ আগত হেনো তেওঁৰ নিচিনা টোপা খহুৰে চিনাকি দিবলৈ ভাল নেপালে। তেওঁ শহুৰেকক ছুটুকুৰাকৈ

কাটি নিজে বৰ চাহাবৰ ওচৰত ধৰা দি বোলে পাঁচ কি ছবছবৰ ফাটক খাটিছিল।

ৰাতি দুপৰতহে কৰবাৰ পৰা এদিন ঘৰ ওলাইছোঁহি। চাউল মুঠি ধৰি উঠিছোঁহে, শুনিলো বোলে আৰু কোনোবা এটি মানুহৰ লগত দুতীৰাম ফুকন ৰাতি আঠ মান বজাত ঘৰ সোমাইছেহি। খাই বৈ শুলে। বোলে কথাই কথাই যেতিয়া ওলাল যে ডিব্ৰুগড়ৰ কোনোবা খেমানীৰ পৰা তেওঁবিলাকে গাই পতি একো পোৱাকৈ কানি লগত লৈ আহিছে, আমাৰ ঘৰৰ বিলাকে আচৰিত মানি কৈ পেলালে যে ময়েই কানি এৰুওৱা কমিটীৰ সভাপতি। পুৱাই উঠি ফুকন শোৱা কোঠাটো পালোগৈ, পিচে ৰাতি যে কোনোবা মানুহ আছিল, কোঠাটোত কোনো চিন-চাবেই নাই। দুনাই আৰু দুতীৰাম ফুকনে মুখ দেখা দিবলৈ নাহিল। ইমানতে আমাৰ ইহকালৰ কাৰণে শেষ সম্বন্ধ।

৭। আইনৰ কবলত চোৰাং বেপাৰী

দেওালপাৰাৰ আব্দুল হাকিমৰ খবৰৰ ওপৰত ভৰ দি সোনাৰীৰ আবকাৰী ইনস্পেক্টৰ বেঞ্জামিন টমাছ আৰু সোনাৰী পুলিচ থানাৰ দাৰোগা নাৰায়ন দত্ত দুয়ো নিজৰ নিজৰ চিপাহী আদিৰে মোকো লৈ গল আমীৰ আলী নামৰ চোৰাং বেপাৰী এটাৰ ঘৰলৈ। কিবা এটা ভুলত এই মানুহটোৱে দুসেৰ কানি য'ত লুকুৱাই থৈছে সেই ভঁৰালটো ধৰা নপৰিল। গতিকে ভিতৰৰ পৰা বেৰৰ ওপৰেদি বাহিৰলৈ দলিয়াই দিয়া চিচাটোতে যি কণ কানি ওলাল, তাকেহে পোৱা হল। কেইদিনমানৰ মুৰতে শিৱসাগৰৰ মহকুমাধিপতি এচ্-কে-দত্ত, আই-চী-এচ-এ, সোনাৰীৰ ডাকবঙলাত বহি বিচাৰ কৰি মানুহজনক কেইবামাহৰ ফাটেকৰ উপৰিও কেইবা শ টকা জৰীমনাৰো হুকুম দিলে। আপীলত যোৰহাটৰ গোলোক চন্দ্ৰ বৰুৱা হেন এজন উকীলক ঠিয় কৰায়ো দণ্ডৰ কিঞ্চিৎমাত্ৰহে বোলে

হ্ৰাস পালে। এইটিয়েই আমাৰ কাঁড়ত লগা পোন প্ৰথম চোৰাং বেপাৰী। ইয়াৰ পিচত চোৰাং বেপাৰী যেনিয়ে পাই তেনিয়ে আৰকাৰী-জালত পৰিবলৈ ধৰিলে।

৮। বহুবাৰম্ভে লঘুক্ৰিয়া

১৯৩৯ চনৰ মে'ৰ বাৰ তাৰিখে চোৰাং-কানি বিক্ৰি অভিযোগৰ বিচাৰ কেইটামান সোনাৰী-ডাক বঙলাত চলি আছে, এনেতে এজনে খবৰ দিলেহি বোলে ফিৰিকা দিনালৈ অৰ্থাৎ তেৰ তাৰিখে আধামোন (উনৈশ কিলো) কানি নাহৰকটীয়াইদি দেঙাল পাৰাৰ প্ৰতিপত্তিশীল দেছোৱালী মহাজন এঘৰত সোমাবহি। তেতিয়াই কটকীজনক মহকুমাধিপতি দত্ত চাহাবৰ লগত ভেটাই দিলো। এচ্-কে দত্ত দৰাচলতে উদ্যোগী পুৰুষ, বোলে "এইবাৰ মই নিজে ওলাম"। পিচে শিৱসাগৰ-লখিমপুৰ জিলাৰ সীমা পাৰ হৈ ডিব্ৰুগড় মহকুমাৰ ভিতৰলৈ দুমাইল মান সোমাই, আগুৱাই গলেহে দেঙাল পাৰা বস্তি আৰু সি শিৱসাগৰ মহকুমাৰ এলেকাৰ (জুৰিচ-দিক্‌চনৰ) বাহিৰ। গতিকে দত্ত ডাঙৰীয়াই দুৰ্গেশ্বৰ শৰ্ম্মা, একসাইজ কমিছনাৰলৈ[১৮০] সংবাদ দিলে, যাতে লখিমপুৰ আৰু শিৱসাগৰ উভয় পক্ষৰ সহযোগত কানিখিনি ধৰিব পৰা হয়।

তেৰ তাৰিখে কাকতীবাৰীত কানি নিবাৰণ অভিযান সম্পৰ্কে বুজন বিধৰ ৰাজহুৱা সভা এখনৰো আয়োজন কৰা হৈছিল। তালৈকে যাদৱ চলিহা, অবৈতনিক প্ৰহিবিছন কমিছনাৰ অমিয় কুমাৰ দাস এম্-এল্-এ, শিৱসাগৰৰ ভুবন চন্দ্ৰ গগৈ এম্-এল্-এ, যোগকান্ত বৰুৱা (স্বাধীনতাৰ পিচৰ এম্-এল্-এ) আদি বহুতো আহিছিল। সেইদিনা মোৰ ঘৰত এছেম্ব্লীৰ মেম্বৰ ছজনৰ লগত ভাত খাইছিলো ; পিচে নামবোৰ এতিয়ালৈ বুঢ়া মগজুৰ পচা কোঠাৰ পৰা পলাল।

১৮০। দুৰ্গেশ্বৰ শৰ্ম্মা Excise Commissioner, কবি, সাহিত্যিক।

খবৰ আহিল যে কানি লৈ অহা ট্ৰাকখন নাহৰকটীয়াৰ পৰা দেঙালপাৰালৈ অহাৰ বাটত, (ভাজোৰ পৰা এঘাৰ মাইল মান দূৰত) ৰায় বাহাদুৰ চহৰীয়াৰ নীলমণি বাগিচাৰ মূল বাটৰ মুৰ এৰি আহি ৰায় বাহাদুৰ দত্ত ডাঙৰীয়াৰ সৰোজিনীৰ গাতে থকা দলংখনৰ পৰা পিচলি গৈ অচলাৱস্থাত বৈ আছে আৰু আমাৰ ফালৰ মানুহেও চকু দি আছে।

চিকাৰত পৰিব লগীয়া হাতী সাৰি যাব লগীয়া হলে চিকাৰীৰ যি চাটফুটি, সেয়ে আমাতো লস্তিলেহি।

ইফালে ৰ'দ বৰ টান।

ভাজোৰ ঘাটত মটৰ পাৰ কৰাৰ, অসুচল বুলি আপত্তি দৰ্শাই অনেক বিলম্বৰ মূৰত ঘাটৈয়ে দুৰ্গেশ্বৰ শৰ্ম্মা, এচ-কে দত্ত, আৰু ডিব্ৰুগড়ৰ আবকাৰী চুপাৰিণ্টেদেণ্ট মহেন্দ্ৰ প্ৰসাদ দত্তৰ মটৰ কিখন পাৰ কৰি দিলে আৰু ইতিমধ্যে কেউপিনে চাইকোল দৌৰাই বিজুলি বেগে চোৰাং বেপাৰী যত যি আছিল সকলোকে সতৰ্ক কৰি দিলে। মহেন্দ্ৰ দত্তৰ লগতে চৰকাৰী প্ৰহিবিছন অফিছাৰ ভুবনচন্দ্ৰ দত্তও আহিলে। সকলো মিটিঙত সোমাই তাৰপৰা মোৰ বাসা পালেগৈ।

এনেতে খবৰ আহিল বোলে সৰোজিনী আৰু নীলমণিৰ মেনেজাৰ সকলে অসংখ্য মানুহ লগাই অচল হৈ থকা লৰীখন তোলাই পঠিয়ালে ; তাৰপৰা লৰীখনে কেনি গতি কৰিলে তাৰ উমান হেৰাল। এই দৰেই বহুবাৰম্ভই ক্ৰিয়াৰ ঘৰত শূন্য পেলালে।

কিছু পৰৰ মূৰত বেঞ্জামিন টমাছ আৰু উপেন্দ্ৰনাথ ফুকনকৈ লৈ আবকাৰীৰ দল এটা প্ৰকাণ্ড বাচ এখনেৰে ৰৰষুণ যোৱাৰ পিচৰ জাপিৰ দৰে ওলাই পৰিলহি। এনেতে ব্ৰাফৰ অনুৰোধত আবকাৰী পল্-টন্‌টি তেওঁৰ বাগিচাত সোমালগৈ। দিপ্লিঙৰ ৰৰচাহাৰ, আমাৰ কানি নিৰাৰণী সভাৰ সহকাৰী সভাপতি ডব্লিউ-বি ব্ৰাফৰ কৰ্ম্মতৎপৰতাৰ চাক্ষুষ প্ৰমাণ লৈ প্ৰাহবিছন অফিছাৰেৰে সৈতে মহকুমাধিপতি

শিৰসাগৰলৈ উভটিলে। বাচখন দিপ্লিঙৰ পৰা পুনৰ আহি পালত দিনটোৰ উদুলি মুদুলিবে টিমনৰ মেনেজাৰৰ ঘৰখন বিয়া-ঘৰ যেন হৈ পৰিল।

আমাৰ লগত তেতিয়াও এম্ এল্-এ সকলকে আদি কৰি বুজন দল এটাই আছিল। কোনোবা বনিয়া এজন আৰু আমাৰ লগতে বহি থকা এজনৰ চাপে চাপে একেঘৰ। আমাৰ বিপুৱা এজনৰ মতে এই বনিয়াজনৰ গোলাখন লুকচকি চাব লাগে। ভুবন দত্তই বোলে বনিয়াৰ চুবুৰীয়াজনৰ দ্বাৰাই চিনাক্তকৰণ কৰিব। এনে প্রস্তাৱত ভদ্রলোকজন নাৰাজ হল। উভয় দত্তই মোক বুজুৱাত লাগিল বোলে এই মানুহজন আগতে গলে বনিয়াজনে বিপদৰ সঙ্কেত নোপোৱাকৈ নেথাকে। গতিকে এৰেষ্ট কৰি হলেও মানুহজনক ৰাখি থব লাগিব। বন্ধু-বান্ধৱ সকলৰ সাক্ষাতেতে নিজে গৃহস্থ হৈ বন্ধু এজনক ছলাহ মাৰিবলৈ মনে নেমানিলে। গতিকে বাকী বিলাকৰ লগতে তেৱোঁ স্থান-ত্যাগ কৰিলে। ভুবন দত্ত ডাঙৰীয়াই হতাশাৰ হুমুনীয়া পেলালে।

মাজৰাতিখন মহেন্দ্র প্রসাদ দত্ত ডাঙৰীয়াই দেখোন গোটেই ফৌজ মানুহ বাচত ভৰাই লৈ যাত্রাৰ প্রস্তুতি কৰিলে। সাৰ পাই উঠি আহি নিজেও জালতে পাৰিলোহি। দত্তই, ভুবন দত্ত আৰু মোক তেখেতৰ মটৰতে ভৰাই লৈ বাচখনৰ পিচ ধৰি বনিয়াটোৰ ঘৰলৈকে টোঁৱাই গাড়ী এৰিল। পিচে বাটতে বৰষুণৰ ভাওলৈ কণা-বিধিয়ে পালে। কেঁচা বাট। মটৰখনৰ কথা নকৱেই, বাচ্খন পিছলি ঘৰামুটি খাই গৈছে। আগবঢ়াটোও এটা সমস্যা হৈ পৰিল। উভটিবলৈকো, এনে ঠেক বাটত বাচখন ঘুৰে কেনেকৈ? তথাপি শামুকীয়া গতিত আগুৱাব লাগিলো। পিচে বিপদৰ ওপৰতে বিপদ! মাজবাটতে এখন দেখোন ছৈ-লগা গাড়ী! দুৰৰ পৰাই হর্ণ দিছেহে দিছে, গাড়ী অলৰ-অচৰ। ইহাতে হর্ণৰ সংকেটতে সন্দিহান সকল ছাগৈ সজাগ হলেই। গাড়ীখনৰ সোঁৱে বাৱেঁ

কেনিও বাট উলিয়াই যাবৰ উপায় নাই। অৱশেষত বাচৰ পৰা মানুহ নামিল। তিতি বুৰি গা-ধোৱা দৰে হল। গাড়ীৰ যুৱলি গৰু হালৰ কানৰ ওপৰতে বিদ্যমান। "গাৰোৱান! গাৰোৱান!! গাৰোৱান!!!" গাৰোৱান নাই। গাড়ীৰ ভিতৰতো একোৰে একোটোকে নাই! গাড়ীখনৰ বলদকেটাক ঠেলি হেঁচুকি এফলীয়া কৰা হল। আকৌ বাচ আৰু মটৰৰ গা লৰিল।

এইবাৰ বনিয়াৰ গোলা পাওঁ পাওঁ হৈছোঁ মাথোন, আলিটোৰ ইদাঁতিৰ পৰা সিদাঁতিলৈকে চৈ নোহোৱা গাড়ী এখনে পঠলীয়াকৈ শুই পৰি আমাক বাট ভেটি ধৰিলে। এইবাৰো কেইজনমানে গৈ গাড়ীখন বাটৰ দাঁতিলৈ পেলাই থলে। বাচখনৰ ইঞ্জিনে ঘেৰ-ঘেৰাইছেহে ঘেৰঘেৰাইছে, বাচ গপতে গেলি আছে, নচলেহে নচলে! চকাৰ টায়াৰ বোলে বোকাত চটহা মাৰিলে। গিৰ্‌গিৰ্‌ কৈ গোটেইমখা নামি বাচ ঠেলিবলৈ লাগিল। গা মূৰ জোকাৰি এইবাৰ বাচে ললে গতি। ক্ষন্তেক পিচতে বনিয়াৰ গোলাৰ মুখ পোৱা হল যদিও বাচৰ ইমান গাজনি গুমৰণিৰ পিচত মিছাতে লাজ পাবলৈ সোমোৱাতকৈ আমাৰ চোৰাংচোৱাজনৰ ইঙ্গিত মতে নেপালী-বস্তি এটিলৈ পোনাই গৈ তাৰে তিনি ঘৰ ঘেৰাও কৰা হল। সকলো কিনকিনিয়া ৰবযুগত তিতি তিতি খাপ দিলো। ইয়াতে যি অলপ অচৰপ পোৱা হল, তাতে শূন্যৰ ঠাইত বহুৱাৰম্ভে লঘূক্রিয়া বা নাই মোমাইতকৈ কণা মোমায়েই বুলি মন তাপৰিবলৈ হল।

৯। কাৰ ওপৰত কিহৰ ৰৰাদ?

অভিনয়ৰ যবনিকা পৰিলত মহেন্দ্র প্রসাদ দত্ত ডাঙৰীয়াই[১৮১] অন্তৰ খুলি বুজাইছিল, বোলে তেখেতৰ অৱসৰৰ সময়লৈ কথমপিহে বছৰ এটি বাকী; সমস্ত চাকৰি জীৱনত তেওঁবিলাকৰ মূল মন্ত্র আছিল, যি বিষয়াৰ এলাকাত যিমান পৰিমাণে কানি আৰু সেই

১৮১। দেওবাৰ, ১৯৩৯ চনৰ ১৪ মে, ৰাতিপুৱা।

অনুপাতে বাজহো বাঢ়ে তেওঁৰ সিমান সুখ্যাতি আৰু প্ৰমোছন। আৰকাৰী বিভাগৰ বিষয়াসকল, অভিজ্ঞতাৰে পুৰঠ হোৱাৰ লগে লগে কানিৰ বিক্ৰি বঢ়োৱাৰ ক্ষেত্ৰতো বিশেষজ্ঞৰ সুখ্যাতি লাভ কৰে। এতিয়া সেই একে তৰহৰ বিষয়া আৰু কৰ্ম্মচাৰীৰ একান্ত কৰ্ত্তব্যৰ ভিতৰলৈ সোমাই পৰিল, কানি নিৰ্ম্মূল আৰু তাৰ খটম্ কৰি যশস্যা লভিবলৈ। একেচাম মানুহকে হঠাৎ সম্পূৰ্ণ বিপৰীত ধৰণৰ কামত ধৰোৱাই দিয়া হেতুকে, জ্ঞান-বুদ্ধি সম্পন্ন বিষয়া সকলো, বুঢ়া-শালিকাই মাত লৰলৈ হোৱাতকৈয়ো চৰা ধৰণৰ বিমোৰত পৰিছে। তেনেই নতুন এচাম মানুহক ভালকৈ প্ৰশিক্ষণ দি আনি কামত লগাবলৈ নহলে, এনে গতিৰে চলিবলৈ হলে কানি নিবাৰণ অভিযানে কৃতকাৰ্য্য হবলৈ বহুত কাল লাগিব।

কত চোৰাং-কানি-কাৰবাৰীৰ বিৰুদ্ধে খটা হল, কিমানক যে দণ্ডিত কৰোৱা হল, তদনুপাতে কানিৰ চোৰাং যোগানৰ ক্ষেত্ৰত আশানুৰূপ ফল পোৱা হল বুলি কোৱা টান। তাৰ মূলতে দত্ত ডাঙৰীয়াই ধৰা আসোঁৱাহ উল্লেখযোগ্য।

এক্সাইজ কমিছনাৰে, অভিজ্ঞতাৰ বিবৃত্তি বিচাৰোতে, মহেন্দ্ৰ প্ৰসাদ দত্ত ডাঙৰীয়াৰ মতামতৰ ওপৰতে গুৰুত্ব দি লিখা হৈছিল।

১০। মানসিক উন্নতি

কিন্তু ইমান কম সময়ৰ ভিতৰত ডেৰ শ বছৰে শিপাই শিপাই শক্তি সঞ্চয় কৰি উঠা প্ৰবল মনোবৃত্তিৰ যি আমূল পৰিবৰ্ত্তন ঘটিল তাক ভাবিলে মনৰ আনন্দত হিয়া নাছি উঠে। যি খন দেশৰ জনতাই কানিক পৰমপিতা পৰমেশ্বৰৰ নিৰ্ম্মালি বুলি গ্ৰহণ কৰিব লৈকো সঙ্কোচ নকৰি কানিয়া-সেৰাৰে ধৰ্ম্মৰ আচৰণ কৰিছিল, যি খন দেশৰ জনতাৰ সমাজত গিৰিয়েকে ঘৈণীয়েকক কানীয়া নকৰে মানে সুখ নেপাইছিল, যিখন দেশৰ জনতাৰ ভিতৰত কানীয়া-বিয়ৈ-লাভৰ সম্ভৰ দেখিলে নিজৰ লৰালৈ ছোৱালী খুজি বা লোকৰ

লৰালৈ ছোৱালী দি তেনে মিতিৰালীৰে মনৰ তুষ্টি সাধন কৰিছিল, সেইখন দেশৰ সেইবোৰ সমাজৰ মানুহে, কানি খাৰ লাগিলে সমাজত নিকৃষ্ট বুলি পৰিগণিত হোৱা, বা চুৰ কৈ কানি খাই হলেও নিজকে নিজে সমাজ আৰু ৰজাঘৰৰ ওচৰত অপৰাধী বুলি জ্ঞান কৰি লোৱাটোৰ নিচিনা পৰিবৰ্ত্তন চকুৰ সাক্ষাতে দেখিও সপোন সপোন যেন লাগিছিল। কানি নিবাৰণী আইনে অশেষ আবৰ্জ্জনা ধুই পখালি অসমীয়া জনসাধাৰণক যে ভালকৈ এছোৱা উধাৰৰ শক্তি যোগালে, কংগ্রেছৰ বাৰ-শত্রুৱেও তাক অস্বীকাৰ কৰিব নোৱাৰে।

দ্বাদশ অধ্যায়

১। দ্বিতীয় মহাৰণ

যুদ্ধৰ কাৰণে বৃটীছে সাহায্য-ভিক্ষা কৰোতে মহাত্মাজীৰ কৰুণাময় অন্তৰত যি প্ৰতিক্ৰিয়া হৈছিল, তাক দেখি তেওঁবিলাক আনন্দত কেনেকৈ আপ্লুত হৈ পৰিছিল তাৰ ধুনীয়া চিত্ৰ এটা পোৱা গৈছিল ১৯৩৯ চনৰ চেপ্তেম্বৰৰ ১৭ তাৰিখৰ সংখ্যাৰ ষ্টেটচ্‌মেনত। আলোচনাৰ কাৰণে কংগ্ৰেছ ওৱাৰ্কিং কমিটীয়ে মিঃ জিন্নাকো নিমন্ত্ৰন জনালে। তেওঁৰ গা-কে লৰাৰ পৰা নগল। তিমানতো, আলোচনাৰ শেষত কংগ্ৰেছ কমিটীয়ে একবাক্যে পোলেণ্ড, বৃটেইন আৰু ফ্ৰান্সে নাজিবাদৰ বিৰুদ্ধে যুদ্ধ দিয়াত একান্ত সহানুভূতি জনায় আৰু নাজী জাৰ্ম্মাণীক নিন্দা কৰে। তাকে দেখি নিজৰ চৰকাৰৰ প্ৰতি পৰামৰ্শৰ সুৰত ষ্টেটচ্‌মেনেও লিখিছিল বোলে ইতিমধ্যে বৃটীছৰ সজ উদ্দেশ্যৰ প্ৰমাণ স্বৰূপে এক উদ্দেশ্যত যাতে জয়লাভৰ অৰ্থে একান্ত সঙ্কল্প লৈ এক-মুঠীয়া হৈ বৃটীছ আৰু ভাৰত কৰ্ম্মতৎপৰ হয়, তাৰ ব্যৱস্থা কৰিব লাগে। বৃটীছে গণতন্ত্ৰ-ৰক্ষা আৰু প্ৰসাৰৰ উদ্দেশ্য লৈ যদি যুদ্ধত নামিছে, তেন্তে তেওঁবিলাকে নিশ্চয় তেওঁ-বিলাকৰ অধিকৃত দেশবোৰত আৰু ভাৰততো সাম্ৰাজ্যবাদী শাসনৰ ওৰ পেলাই ভাৰতত পূৰ্ণাঙ্গে গণতন্ত্ৰ শাসন প্ৰতিষ্ঠা কৰিব লাগিব, এয়ে কংগ্ৰেছ পক্ষৰ খোলা কথা; আৰু তাৰ লগতে ওৱাৰ্কিং কমিটিয়ে আৰু কয় যে, স্বাধীন ভাৰতৰ অসীম শক্তিয়ে মুক্তিলাভ কৰি নিজৰ বিশাল সম্পদেৰে সমগ্ৰ পৃথিবীৰ নতুন গঢ় দিয়াত কৃতকাৰ্য্য ভাবে সহায় কৰিব।

ভাৰতৰ মুক্তি সংগ্ৰামৰ এই প্ৰচেষ্টাত নিশ্চয় বৃটীছৰ সন্তোষাৰ্থেই জিন্নাই আতাহ পাৰিবলৈ ধৰিলে যাতে এই সময়ত সকলো

মুছলমান, আৰবীয় হিচাপে একগোট হৈ লীগৰ পাতাকৰ তলত হিন্দুৰ কবলৰ পৰা পৰিত্রাণ পাই থাকে।

কংগ্রেছ ওৱার্কিং কমিটীৰ পিচতে লীগ ওৱার্কিং কমিটী বহি তেওঁবিলাকৰ ২৭ আগষ্টৰ প্রস্তাৱকে পুনৰ অনুমোদন কৰি দীঘলীয়া বিবৃত্তিৰ মাজত "এচিউৰেন্স আস্কদ্" শিতানৰ দ্বিতীয় পাৰাগ্রাফত কৈছে "মহামহিম মহাৰাজৰ প্রতি কমিটীৰ প্রতিবেদন যে আৰৰ জাতীয় দাবীক মানি লব লাগে" "(দী কমিটী আর্জ্ য়পন হীজ্ মেজেষ্টিজ্ গবর্ণমেণ্ট্ টু চেটিচ্ফায় দি আৰব্ নেছনেল দিমাণ্ডছ।")

যুদ্ধৰ সামূহিক উদ্দেশ্য আৰু সেই উদ্দেশ্য ভাৰতত কেনেকৈ প্রয়োগ কৰিব তাক নজনোৱাকৈ, তদুপৰি ব্যৱস্থাপক সভাবিলাকৰ লগত বিনা আলোচনাই ভাৰতকো যুজাৰু দেশবিলাকৰ লগত এখনকৈ সাঙুৰি পেলোৱাত, কংগ্রেছে মন্ত্রিত্ব ত্যাগ কৰিবলৈ বাধ্য হল। অসমৰখন মিলিত মন্ত্রীসভা হে। সকলোবিলাক অকংগ্রেছী আৰু কংগ্রেছী অনেকে উৎকট সাম্প্রদায়িকতা ভাবে অনুপ্রাণিত চাদুল্লা মন্ত্রী সভাৰ হাতত দেশৰ শাসনভাৰ ন্যস্ত কৰিবলৈ ভয় কৰিছিল। সেই মন্ত্রীসভাই কংগ্রেছৰ সকলোখিনি কামকে বাতিল কৰাৰ উপৰিও চৰণীয়া পঠাৰবোৰ চকুৱা পমুৱাৰ দখলত দি সাংঘাটিক বিধৰ দলীয় বা সাম্প্রদায়িক স্বার্থৰ প্রেৰণাত দেশখনৰ স্বার্থৰ বিষম বিপদ ঘটাই দিব পাৰে। সদৌ শেষত ১৯৩৯ চনৰ নবেম্বৰ মাহত ৰবদলৈ-মন্ত্রীসভায়ো ইষ্টফা দিলে।

এনে কম দিনৰ ভিতৰতে অসমৰ কংগ্রেছ যুক্ত মন্ত্রীসভাই কৃষি-আয়কৰ বিলখন কৃতিত্বৰে পাছ কৰাই অসমৰ বাজহ ত্রিশ লাখ টকা বঢ়াই, তাৰ ধনেৰেই কানি নিবাৰণ, নিৰক্ষৰতাৰ বিৰুদ্ধে অভিযান, টকাত আঠ অনা খাজনা ৰেহাই দিয়াৰ উপৰিও অনেক কাম হাতত লৈছিল। লাইন-প্রথাৰ বান্ধ পূর্ব্বৰ ছাদুল্লা মন্ত্রীসভাই ইৰাৰতকৈ সিৰাৰ সোলোক ঢোলোক কৰি বিদেশীৰ সোঁতত অসমক বুৰাই পেলোৱাৰ পৰা ৰবদলৈ মন্ত্রীসভাই দেশখন বাখি থৈ গল।

জন শিক্ষাৰ ক্ষেত্রত আনকি টিমনৰ ওচৰতো ৰাতি পঢ়োৱা পঢ়াশালী পাতি অনেকক শিক্ষা দিয়া হৈছিল। পৰীক্ষা আদিও চলিছিল।

২। নেতাজী বসু

কংগ্রেছৰ মাজত মনোমালিন্য সোমালহি। কংগ্রেছৰ নৰম-পন্থী[১৮২] অর্থাৎ গান্ধীবাদী সকলৰ কার্য্য প্রণালীৰ সুবিধাৰ অর্থে সুভাষ বসুৱে সভাপতিৰ পদ ত্যাগ কৰিলে। এই সম্বন্ধে ১০ম বছৰ ৮ম সংখ্যা 'আবাহনৰ' পৰাই অলপ উদ্ধৃত কৰি দিয়া হল:—

".....কিন্তু দেখা গল, পদত্যাগ কৰাৰ পিচ মুহূর্ত্ততে তেখেতে ফৰৱার্ড ব্লক স্থাপন কৰি কংগ্রেছৰ হাই-কমাণ্ডৰ বিৰুদ্ধে বিদ্রোহ ঘোষণা কৰিলে। কংগ্রেছ গণতান্ত্রিক প্রতিষ্ঠান। তাত দক্ষিণ বা বাম কোনো পন্থীৰে স্বেচ্ছাচাৰিতা থকাটো উচিত বুলি কোনেও নকয়।....."

"শ্রীযুত বসুই নিজকে বৈপ্লৱিক নেতা বুলি ঘোষণা কৰে আৰু কংগ্রেছকো বৈপ্লবিক প্রতিষ্ঠান কৰি তোলাৰ আৱশ্যকতা অনুভব কৰে। কিন্তু তেখেতে, যি বৈপ্লবিক নীতিৰে কংগ্রেছে মন্ত্রিত্ব গ্রহণ কৰি দিনে দিনে নিয়মতান্ত্রিকতাৰ ফালে গতি লোৱা বুলি কৈয়ো, অসম নিম্ন পৰিষদত ১০৮ জন সদস্যৰ ভিতৰত মাত্র ৩৩জন কংগ্রেছী সদস্য[১৮৩] থকাতে কংগ্রেছ-যুক্ত মন্ত্রীসভা গঠন কৰি দি আহিছিল; আকৌ সিদিনা মহাত্মাগান্ধী আদিয়ে বঙ্গদেশৰ ৰাজনৈতিক বন্দীসকলক অনশন ত্যাগ কৰিবলৈ কোৱাত, বিপ্লৱবাদী বসুই বিষম উষ্মা প্রকাশ কৰি, প্রথমে বন্দীসকলে অনশন ত্যাগ

১৮২। গান্ধীজীক নৰম পন্থীয় পাতি সুভাষ বসুৰ দলক চৰম পন্থী বোলা হৈছিল।

১৮৩। ৩৩ নুবুলি ৩১ বোলা হলেহে হয়তো বেচি শুদ্ধ হলহেঁতেন। প্রতিলিপি হেতু সালসলনি কৰা নহল।

নকৰাৰ পক্ষে কৈ, তাৰ পিচৰ মূহুৰ্ত্ততে আকৌ তেখেতে বন্দীসকলৰ দ্বাৰা অনশন স্থগিত ৰখালে; বোম্বেত মদ বৰ্জ্জন কৰা বাবে গবৰ্ণমেণ্টৰ ঘাটি হোৱা টকা তুলিবলৈ ধনী সকলৰ ওপৰত বহুওৱা কৰ সম্পৰ্কেও বিৰুদ্ধ মত প্ৰকাশ কৰিলে; যোৱা নিখিল ভাৰত ৰাষ্ট্ৰীয় সমিতিত নিয়মমতে অধিক সংখ্যক ভোটত গৃহীত হোৱা প্ৰস্তাৱ দুটা সম্পৰ্কেও ফৰৱাৰ্দ ব্লকৰ নেতা শ্ৰীযুত বসুই 'নিখিল ভাৰত দিন' ঘোষণা কৰিলে আৰু নীতিবাদৰ কথা এৰি দি পণ্ডিৎ জৱহৰলাল নেহৰুকো ব্যক্তিগত আক্ৰমণ কৰিলে, তেনে বৈপ্লবিক নীতিৰ সাৰ্থকতা কত?.....।"

৩। ভুবন চন্দ্ৰ গগৈ

অঘটন ঘটিল ভুবন চন্দ্ৰ গগৈ ডাঙৰীয়াৰ দেহান্তৰত। অসমত বহুত স্কুল, বহুতে অশেষ কষ্ট আৰু স্বাৰ্থ-ত্যাগেৰে পাতিলে। ডাঙৰীয়া দীননাথ বেজবৰুৱা, গোবিন্দ বেজবৰুৱা আদিৰ বেজবৰুৱা-স্কুল বুলি যোৰহাট, শিৱসাগৰ, গোলাঘাট আৰু দেৱগাঁৱত থকা খিনিয়ে আমাৰ শিক্ষা বিভাগৰ এক অংশ হৈ পৰিছিল। সেই দৰেই ডেকা ইন্দ্ৰেশ্বৰ বৰঠাকুৰ আৰু ৰাধিকানাথ শৰ্মাৰ, যুটীয়া প্ৰচেষ্টাত বহুত স্কুল হৈ শেহত সঁচ বলগৈ ফুলেশ্বৰী ছোৱালী স্কুল খন। নীলমণি ফুকনৰ জৰ্জ স্কুল, হেমনাথ শৰ্মাৰ জাঁজি হাইস্কুল, সোনাৰাম ইনিষ্টিটিউট আৰু উত্তৰ গুৱাহাটীৰ কমল দত্ত ইনষ্টিটিউছন আদি বহুত স্কুল আছে, যাৰ লেখ দিব নোৱাৰি। পিচে সকলো খিনিৰে শিক্ষা প্ৰণালী গতানুগতিক ধৰণৰ। এই ক্ষেত্ৰত ভুবন গগৈক বুকাৰ টি ওৱাচিংটনৰ শাৰীত পেলাই বঢ়িয়াকৈ বিজাৰ পাৰি। এই জন ৰাজনৈতিক বিদ্ৰোহীয়ে শিক্ষাবিদ্ হিচাপে পাটশাকোত পোন প্ৰথম স্কুল খোলোতে হাবিত কাঠ কাটি, কঢ়িয়াই আনি, তাৰে খুটা, ছতি, মাৰলী আদি আৰু বাহঁৰ বেৰ-ছাল আদিৰে স্কুল ঘৰ সাজিছিল, তেওঁৰ স্কুলত পঢ়িবলৈ অহা

ছাত্ৰৰ শ্ৰমেৰে। সূতা কটা, তাঁতবোৱা, কাপোৰ শিয়া তদুপৰি কাঠ মিস্ত্ৰিৰ কাম আৰু বাঁহৰ কাৰু-কাৰ্য্য আদি এই স্কুলৰ লৰাৰ শিক্ষাৰ বিষয়। পাটশাকোৰ খনৰ পিচত এখন গৰগাওঁৰ পশ্চিমে চূণপোৰা ঘাটৰ ওচৰত পাতিছিল। পিচত এইখন স্কুলকে শিৱসাগৰলৈ স্থানান্তৰিত কৰি বঢ়িয়া এখন পলিটেক্‌নিক স্কুলত পৰিণত কৰিলে। ব্যক্তিগত ভাবে কোনোৱে সেই সময়ত অসমত এনে ধৰণৰ স্কুল পতাৰ সম্ভেদ নাপাও। স্কুলখন কাশী হিন্দু বিশ্ববিদ্যালয়ৰ মঞ্জুৰীত থকাৰ কাৰণে তাৰ প্ৰবেশিকা (মেট্ৰিকুলেচন) পৰীক্ষার্থীয়ে বেনাৰসতহে পৰীক্ষা দিব লাগিছিল। ইয়াক অসুবিধা বুজিলেও, যি লৰাৰ মেত্ৰিকৰ পিচত পঢ়িবৰ যোত্ৰ নাছিল, তেনে লৰাই পৰীক্ষাৰ সন্দৰ্ভত বাৰ জোৰা মাৰি দেশ ভ্ৰমণৰ—সামান্য হলেও, শিক্ষা এটি এই ছেগতে পাই উঠিছিল। তদুপৰি পটন্তৰ স্বৰূপে কব পাৰি যে স্বাধীনতা আন্দোলনৰ সম্পর্কত ধৰ্ম্মঘটত লগ দিয়া বুলি যিবিলাক ছাত্ৰৰ স্কুলৰ পৰা নাম কটা গৈছিল, তেনে ছাত্ৰই শিৱসাগৰ পলিটেক্‌নিক স্কুলৰ আলমতে ছাত্ৰ জীৱনটো ওৰ পৰিবলৈ নিদিয়াকৈ ৰাখিছিল। বেণু হাজৰিকাও এনে বিধৰ, যি নাজিৰা হাইস্কুলৰ পৰা জাতীয় দিন পালনৰ দোষত বহিষ্কৃত হোৱাত, গগৈদেওৰ স্কুলৰ পৰা বেনাৰসত পৰীক্ষা দি পাছ কৰি পৰিত্ৰান পালে।

যেতিয়া ভেদ নীতিৰ প্ৰবৰ্ত্তনৰ দ্বাৰা আহোমৰ প্ৰতি সুকীয়া নিৰ্ব্বাচন আদিৰ ব্যৱস্থা হবলৈ হয়, গগৈদেওৰ নেতৃত্বতে চৰকাৰৰ এই নীতিৰ চেষ্টা ব্যর্থ হল। অনুন্নত সম্প্রদায় বুলি দহটকীয়া আহোম-বৃত্তি এটাৰ উদ্ভৱ হওতে গগৈদেওৰ বিবেকে নেমানিলে। ৰাজবংশী আহোম কুলক অনুন্নত বুলি আখ্যা দিবলৈ লোৱাটো তেখেতৰ পক্ষে আহোমৰ প্ৰতি অতি হেয়জ্ঞান সূচক ব্যৱস্থা। সংগঠনৰ কামতো গগৈদেও ওজা আছিল। তেখেত ঢুকুৰাৰ সময়ত শিৱসাগৰ মহকুমাৰ প্ৰাথমিক কংগ্রেছ নোহোৱাকৈ এচমকা ঠায়ো

নাছিল। আনকি টিমন বাগিচাৰ ধৰণৰ বাগিচাবিলাকতো কংগ্রেছৰ সভ্য হোৱা বন্ধুৱা বহুতো আছিল।

৪। গগৈদেওৰ লোকান্তৰত

ভুবন চন্দ্র ডাঙৰীয়াৰ লোকান্তৰত আহোম সভাই সাম্প্রদায়িক ৰাজনীতিৰ ধাৰা এটি মানি ললে; আৰু লীগ্ মন্ত্রী-সভাৰ প্রৰোচনাত তেনে মূলত সাৰ জাবৰো গোট খোৱাত কালক্রমত যেন মুছলিম লীগৰ সৈতে শাৰী পাতিবলৈহে আহোম সভাৰ নামটোও সলাই 'আহোম লীগ্' কৰি পেলালে। ভুবন গগৈ আহোম হেতুকে তেখেতৰ সমষ্টিত যেন আহোম বাদে আন হোৱা অবিধি!—ঘটনাই এনে ৰূপ লৈছিল গৈ। গগৈদেৱৰ মৃত্যুত খালি হোৱা আসনখনৰ কাৰণে কংগ্রেছী আহোম প্রার্থী গিৰীন্দ্র নাথ গগৈ ডাঙৰীয়া[১৮৪] ওলোৱা স্বত্বেও, তেওঁক বাচনিত নুতুলি, এহাণ্ডধীয়া কংগ্রেছকর্ম্মী সোনাৰাম দত্ত ডাঙৰীয়াক প্রাদেশিক কংগ্রেছে মনোনয়ন দিয়াত্তে লেঠা লাগিল। একেদিনাই শিৱসাগৰ জিলা কংগ্রেছৰ অন্তর্ভুক্ত শতকৰা ষাঠিখন মান প্রাথমিক কমিটী, তাৰ পুঁজি আৰু যথাসর্ব্বস্বৰে আহোমসভাত পৰিণত হল। অসমৰ আন আন ঠাই বাদ দি অকল শিৱসাগৰ মহকুমাখনৰে আহোম সকলৰ মাজত আৱহাওৱা এনে সলনি হৈ পৰিল যে কংগ্রেছী-আহোম সকলক, সংখ্যাত অৱশ্যে যাক তাকৰীয়াও বুলিব নোৱাৰি,—আহোম সভাৰ বিলাকে শত্রুজ্ঞান কৰিলে আৰু বর্ণ হিন্দুবিলাকক আন কি গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধিৰ নিচিনা প্রধান প্রধান নেতা সকলকো লঘূ-লাঞ্ছনা কৰিবলৈ পিচ নুহুঁহকিল। কংগ্রেছৰ বিপক্ষে আহোম সভাৰ তৰফৰ পৰা প্রতিদন্দ্বী কিন্তু গিৰীন্দ্র নাথ গগৈ নহল। সুবিধা দিলে যোগেন্দ্র নাথ গোহাঁই-

১৮৪। গগৈ ডাঙৰীয়াই পিচত কংগ্রেছৰ জৰীয়তে এম-এল-এ হৈ মন্ত্রিত্ব গ্রহণ কৰিবলৈ পালে।

দেওকহে। সাধাৰণ নিৰ্ব্বাচনত অকৃতকাৰ্য্য হৈছিল যদিও আগৰবাৰ পূৰ সমষ্টিত যাদৱ প্ৰসাদ চলিহাৰ বিৰুদ্ধে উঠোতে দিয়াৰ দৰে এইবাৰ ফিৰিঙি চাহ কোম্পানী সকলৰ পূৰ্ণ সমৰ্থন পাইছিল; তদুপৰি মুছলিম্ লীগ আৰু লীগ মন্ত্ৰী সভাৰ পৰাও পূৰ্ণ সমৰ্থন পাইছিল,—যোগেন্দ্ৰ নাথ গোহাঁই ডাঙৰীয়াই।

৫। উপ-নিৰ্ব্বাচনৰ সংস্পর্শত

যাদৱ চলিহা আৰু থাওৰা-মৌজাদাৰ শিৱনাথ শৰ্ম্মাই কোৱা-মেলা কৰোতেহে বুজিলো বোলে হৰিনাথ গগৈয়ে পাটশাকোতে যি অলপ প্ৰভাৱ পেলাব পাৰে, তাৰ বাদে বকতা মৌজাৰ কতো কংগ্ৰেছে ভোটৰ আশা ৰাখিব পৰা নহব। পিচত কুলধৰ চলিহা আৰু যাদৱ চলিহা উভয়ৰে পৰামৰ্শ মানি বাগিচাৰ কামৰ পৰা তিনি কি চাৰি দিনৰ ছুটি লৈ উপ-নিৰ্ব্বাচন-অভিযানত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যে ওলোৱা হল। পোনেই শিৱসাগৰত ওলালোগৈ।

শিৱসাগৰৰ পৰা নঙলা মৰাইদি চকভঙা দিহিঙীয়াৰ বেটৰাৰী মৌজাৰ এলেকাৰ তাহানিখনৰ কেন্দুগুৰি পালোগৈ, বিমলা প্ৰসাদ চলিহা আদিৰ দলত। ৰাইজ ছাপিছে। আহোম সভাৰ তৰফৰ পৰা চাৰিজনমান কলেজীয়া ছাত্ৰও আছে। কংগ্ৰেছৰ নামত যোৱা সকল (যিবিলাকৰ নাম মনত পৰিছে) হল, যাদৱ প্ৰসাদ চলিহা, ভদ্ৰকান্ত ফুকন[১৮৫] বিমলা প্ৰসাদ চলিহা [১৮৬] দেৱকান্ত বৰুৱা[১৮৭] অজিত চন্দ্ৰ গগৈ, হৰিনাথ গগৈ আৰু কিজানি পূৰ্ণানন্দ চেতীয়া[১৮৮]

১৮৫। গোলাঘাটৰ

১৮৬। পিচলৈ অসম বিধান সভাৰ সংসদী সচিব, এম্ পি, অসম প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি আৰু সুদীৰ্ঘকাল অসমৰ মুখ্যমন্ত্ৰী (বিমলা প্ৰসাদ চলিহা)।

১৮৭। পিচলৈ এম, পি, অসম বিধান সভাৰ অধক্ষ্য আৰু মন্ত্ৰী।

১৮৮। পিচলৈ উপমন্ত্ৰী আৰু মন্ত্ৰী।

আদি। "কোনেও নমাতাকৈ কংগ্রেছৰ মানুহ কিয় আহিছে ?"—এই প্রশ্ন তুলিলে আহোম সভাৰ ফালৰ লৰা বিলাকে। সমিধান দিয়াৰ পিচত যাদৱ প্রসাদ চলিহাক সভাপতিৰ আসন গ্রহণ কৰিবলৈ অনুৰোধ কৰা হল। আহোম সভাৰ পক্ষৰ ঘোৰ আপত্তি উঠিল বোলে তেওঁবিলাকেহে সভাপতি বাচিব। তাত মাস্তি হোৱা হল। এতিয়া পিচে সভাপতি এজনৰ নাম প্রস্তাব নহয় হে নহয়। এনেকৈয়ে বহুত পৰ গল ; সভাসদ নিমাত নিস্তব্ধ। তেওঁবিলাকৰ আৰু সভাপতি এজন নোলাল। শেহত দায়িত্ব ভাৰ কংগ্রেছলৈ দিয়াত চলিহাকে সভাপতিৰ বৰণ দিয়া হল। এইবাৰ এটা বুজা-বুজিলৈ অহা হল যে একে ফৈদৰ দুজনে একেলেঠাৰীয়ে নকৰ, ইদলৰ এজনৰ পিচত বিপক্ষৰ এজনে কৰ। চুক্তিৰ মূৰত কার্য্যাৰম্ভ।

এজন চেঙেৰাই সোঁহাতৰ তর্জনী আঙুলিটো টোঁৰাই তেনেই যাদৱ চলিহাৰ তালুত চোৱা যেন কৈ কৈছে, "ৰাইজ! এই যে মানুহটো সভাপতি হৈ বহিছে, এইটোৱে দুনিয়াখনক ঠগাই বাগিচা পাতিছে। বাগিচাবোৰত মানুহৰ তেজ শুহিছে। ইহঁতে এহাতে কানি বন্ধ কৰি দেখুৱাইছে, সিহাতে ৰাতিয়ে দিনে ধুম ধাম চোৰাং কানিৰ বেপাৰ চলাইছে। এই চোৰ ডকাইত মখাই নিজৰ নিজৰ সুবিধা কৰি লবলৈহে কানি নিবাৰণী আইন এখনকে কৰি পেলালে .....ইত্যাদি।"

এনে ধৰণৰ আচৰণ হোৱা সভা-সমিতিত এয়ে মোৰ প্রথম প্রবেশ। ওঁঠ চেপিলে গাখীৰ ওলোৱা খুদ্ খুদ্ এই চেঙেলীয়া কলেজীয়া বিলাকৰ মূৰত সোমোৱা এই বীজেই যেতিয়া বিষবৃক্ষ হৈ উঠিব, তেতিয়া যে দেশখনলৈ যি দুর্দ্দশা আহিব, ভাবি চাটিফুটি লাগিল। মই অসহযোগ কৰাটো, বিমলা চলিহাই কিবা স্বৰূপে উমান ধৰি মোক একাষৰীয়াকৈ লৈ বুজালগৈ যাতে লৰা কেজনৰ ব্যবহাৰত খং নোতোলোঁ বা কোনো ৰকমৰ কুঠুৰা মাত নেমাতো ; কাৰণ তেওঁবিলাকৰ মূল উদ্দেশ্যই হৈছে হতাহতি ঘটোৱা আৰু তাৰ

দ্বাৰা যি হুলস্থুলৰ সৃষ্টিৰ সম্ভৱ, তাৰ ফলত সভাখন ভাঙি কংগ্রেছীক হিংসা-ভাবেৰে অনুপ্রাণিত কৰোৱা। বিমলা চলিহা তেতিয়া চফল ডেকা। ইমানখিনি কথা গৰকি লৈ তেখেত যেনে গহীনে গম্ভীৰে আছে, মোৰ সিমানখিনি শক্তিৰ অভাৱ বুজি আন্তৰিক লাজো লাগিছিল। বাহিৰৰখন সমাজৰ লগত চুলিদালমানহে সম্বন্ধ ৰাখি চাহ বাগিচা আৰু তাৰ পাৰিপার্শ্বিক হাবি বননিবোৰকে মোৰ বুলি বহুত বছৰ কটাই দিয়াৰ কাৰণে নতুন যুগৰ নতুন নতুন ভাবধাৰা মোলৈ যে সাঁথৰ হৈ পৰিছে, তাৰ কিছু উপলব্ধি কৰিলো। কিন্তু ভাবিবলৈ টান যদিও, এটা কথা ধুৰুপ যে এই গজলীয়া ডেকাৰ দলে এনেঁ আদর্শবে অনুপ্রাণিত হৈ দেশত যি কেৰোণ লগাব আৰু এওঁবিলাক নাগৰিক হৈ যেনে এখন সমাজৰ গঢ় দি যি দুৰৱস্থা আনিব সি ভয়াবহ কিবা হব। ইয়াৰ কেইবছৰ মানৰ পিচত শুনা মনত পৰে তেওঁবিলাকৰ লৰা দুদল হৈ এদলে শুধিব, "পুখুৰী কোনে খানিলে?" সিদলে উত্তৰিব, "আহোমে।" আকৌ সুধিব মাছ কোনে খায়?" উত্তৰ হ'ব, "আহোমে।" অকৌ প্রশ্ন, "কাঁইট কোনে খায়?" উত্তৰত "অইনে" বুলি কব। পৰ-পদ দলিত জাতি এটাৰ ভিতৰলৈ এনে সমাজ আৰু ধর্ম্ম বিৰোধী কুৰুচিপূর্ণ শিক্ষা যি সকলে লৰা ছোৱালীক দিছিল, তেনে বিলাকৰ যেন আৰু জন্ম নহয়।

সেইদিনা বিশেষকৈ দেৱকান্ত বৰুৱা (পিচলৈ এম-পি, মন্ত্রী) আমাৰ শাক-খোৱা ভাত-খোৱা বিধৰ গাৱঁলীয়া ভাষাৰে যিখিনি কলে, উপস্থিত সকলে তাৰ পৰাই সকলো কথা বঢ়িয়াকৈ উপলব্ধি কৰিলে। লৰাবিলাকক সম্বোধন কৰি মোৰ এযাৰ মাথোন কোৱা মনত পৰে যে আমি লৰা কালতে "পকা চুলীয়াক সম্মান কৰিব লাগে '(প্রে হেয়াছ ছুদ্ বী বেচ্পেক্টৈদ্)' বুলি কথা এযাৰ সদায় মানিছিলো আৰু এতিয়াও মানি আছোঁ আৰু তেওঁবিলাককো তাকে কৰিবলৈ অনুৰোধ জনালো।"

উপস্থিত বাইজ আহোম-সভাৰ তৰফৰ সেই লৰা কেজনৰ

আচৰণত অতিষ্ঠ হল। মুনি-চুনি বেলিকা সভাস্থল এৰিব ধৰোতে কোৱা সকলে কৈয়ে গৈছে বোলে তেওঁবিলাকে কংগ্রেছকহে ভোট দিব। ৰাতি বিমলা চলিহা, অজিৎ গগৈ, হৰিনাথ গগৈ আৰু মই পাটশাকোৰ স্কুলতে থাকিলোগৈ। কিন্তু সেইযে লৰাকেজনৰ আচৰণৰ কথা মূৰত সোমাল, ৰাতি ৰাতি তাৰ ভাবনাতে গল।

৬। ভোটৰ সন্ধানত

পিছদিনা বিমলা প্রসাদ চলিহাৰ দলৰ ভিতৰতে এটি হৈ ইঠাই সিঠাইত সোমাই সোমাই গৈ বকতাৰ কুকুৰাচোৱা দেওধাই গাৱঁৰ বাটত পোনেই জাপিসজীয়াৰ বৰঠাকুৰৰ ঘৰত ওলালোগৈ। গৃহস্থই যিটো আগ্রহেৰে অতিথি শুশ্রূষা কৰিলে আৰু যি ধৰণেৰে কথা বতৰা হৈছিল, তেওঁক বিপক্ষদলৰ বুলি ভাবিবৰ অৱকাশ নাছিল। তেওঁৰ মতামতলৈ অপেক্ষা নকৰি মই তেওঁৰ আলহী হৈ পৰিলো, কাৰণ তেওঁ আমাৰ বঙহেই নহয়, আমাৰ গাৱঁত ঢাপে ঢাপে একেঘৰ আৰু দুয়ো স্কুলীয়া সহপাঠী আছিলো; তেওঁক মই "ককাইটি" বুলি মাতো।

তেওঁৰ কোঠাৰ মেজত যোগেন গোহাঁইৰ কাগজপত্রহে। কথাই কথাই তেওঁ কৈয়েই পেলালে যে তেওঁ আহোম সভাৰহে কর্ম্মী; এশ টকাৰ বন্দোবস্ত যদিও তেতিয়ালৈকে পাই এটিও হাতত পৰা নাই। আহোম সভাৰ অফিছত বোলে ভোটাৰৰ তালিকা নাই। সেই কাৰণে তেওঁ কংগ্রেছীৰ ভেশত গৈ শিৱসাগৰ জিলা কংগ্রেছ অফিছৰ পৰা ছাপা ভোটাৰৰ তালিকা আনিলে। এই কাৰণেই তেওঁক আনকি চলিহাইঁতেও কংগ্রেছ কর্ম্মী বুলি ধৰি লৈছে। তেওঁ বোলে কোনো ভুল কৰা নাই, ভুল লাগিছে কংগ্রেছী মহলতহে।

সক্রিয় কংগ্রেছ-বিৰোধী এজনৰ ঘৰত থাকি, তেওঁৰ আশ্রয়দানৰ প্রতিদান স্বৰূপে তেওঁৰ বিৰুদ্ধেই প্রচাৰ কার্য্য চলোৱাটো নিমখ হাৰামী নহলেও অতি অশোভনীয় যেন লাগিল। গতিকে লক্ষ্মী

ৰঠাকুৰৰে পাৰিলে কার্য্য পন্থাৰ পৰিবর্ত্তন ঘটাবলৈ চেষ্টা চলাবৰ মন গল। তেওঁক বুজালো যে এতিয়ালৈকে তেওঁক পাই এটিও নিদিয়াকৈ মাত্ৰ কাণৰ গুৰিত এশ টকাৰ মুখ-বাজনা হে চলাইছে! —শেহান্তৰত তেওঁৰ হাতৰ মুঠিৰ শ শ ভোট কালিয়নে পাৰ কৰিব; অযথা তেওঁ কংগ্রেছৰ বিৰোধ কৰিব; আৰু সিহাতে সাম্প্রদায়িকতা মহাব্যাধিত নিজৰ জননী জন্মভূমিক চিৰদিনলৈ বেমাৰী কৰিব। গতিকে তেওঁক হাতযোৰকৈ অনুৰোধ জনোৱা হল, যাতে যি কৰে কংগ্রেছৰ ৰবীয়াকৈয়ে কৰক।

শেহত এনে সিদ্ধান্তত উপনীত হল যে ফিৰিকা দিনা তেওঁ শিৱসাঁগৰলৈ যাব, সেই দিনাই ফিৰাকৈ। আহোম সভাৰ নির্ব্বাচনী অফিছত পয়চা নেপাৰ লাগিলে, তেওঁ তিমানতে হাত ধুই পেলাব।

সেইদিনা মহখুটীত থাকিমগৈ বুলি ছুয়ো এৰা এৰি হলো। হাতত সময় আছিল কাৰণে প্রথমে ন-কাটনি গাওঁ পালোগৈ। অত কালৰ মূৰত গাওঁবুঢ়াৰ[১৮৯] লগত দেখাদেখি। গাওঁবুঢ়াই বোলে "মহেন আৰু যোগেন ছুয়োটা গাহৰীৰ দৰে পেট পেলাই পৰি আছেহি। ভোট দিম বুলি কথা দিয়া হল। এতিয়া বুঢ়াৰ মুখখন কাটো কেনেকৈ?" মহেন যোগেন সহোদৰ। 'মহেন' বুলি নাম ধৰিছে গোলাঘাটৰ উকীল মহেন্দ্রনাথ গোহাঁই এম-এল-চী ডাঙৰীয়াৰ। মহেন গোহাঁই কম বয়সতে এম-এ, বি-এল হৈ নাজিৰা হাইস্কুলৰ হেড্ মাষ্টাৰ আৰু আমাৰ পৰম শ্রদ্ধাষ্পদ শিক্ষাগুৰু আছিল। তেখেত কেনে ধৰণৰ পূজ্য আৰু লোকপ্রিয় পুৰুষ আছিল, তাৰ দৃষ্টান্ত স্বৰূপে কব পাৰি যে ফৰকাটিং বাহুলিপাৰা যোৰহাট ৰেইলৱেৰ এঠাইত এজন সহযাত্রীয়ে সিজনক বৰ উল্লাসিত ভাৱেৰে কৈছে,— "মহেন গোহাঁয়ে ওকালতনামা ললে যেতিয়া আৰু ভয় নাই হে।" গতিকে সহযাত্রীজনক "ভয় নাই" বোলাষাৰৰ ব্যাখ্যা বিচাৰিলো। তেতিয়া ছুয়ো একমত হৈ বুজাইছে বোলে "উকীল হলেও গোহাঁই-

১৮৯। ত্যাগী সেই গোপীনাথ গাওঁবুঢ়া।

দেৱে মিছা মোকৰ্দ্দমা যে নলয়েই, হাৰিবলগীয়াবোৰো নলয়। সেই কাৰণে তেখেতে কেচলোৱা মানেই সেই মোক্কেলৰ জিত।" ইয়াৰ পিচতো বহুত উদাহৰণ শুনি প্ৰাক্তন প্ৰিয় ছাত্ৰ হিচাপে নিজকে নিজে পৰম গৌৰৱান্বিত জ্ঞান কৰিছিলো। এখেতক দেখা পালে মনলৈ দুৰ্ব্বলতা অহা স্বাভাবিক। সেই কাৰণে গাওঁবুঢ়াই "মহেন" বুলি উচ্চাৰণ কৰোতেই মোৰ বুকু লৰিল।

গাওঁবুঢ়াক সমিধানৰ সুৰতে বুজোৱা হল যে যোগেন গোহাঁইক ভোট লগা হেতুকে তেওঁ নিজৰ ৰবীয়াকৈ নিজে কুটুৰিছেহি। "কুৰি বছৰৰ আগতে তোমালোকক কংগ্ৰেছ শিকাই থৈ, এতিয়া তাৰ প্ৰমাণ লৰলৈহে আহিছোঁ; কংগ্ৰেছৰ স্বাৰ্থত, দেশৰ স্বাৰ্থত। দেশেই কংগ্ৰেছ আৰু কংগ্ৰেছেই বোলোতে গান্ধী মহাত্মা।"

কিবা সূত্ৰে ইজন সিজনকৈ পুৰণি চিনাকিসকল ছাপ খালেহি। নতুন নতুন ডেকা-ডঙুৱাৰ মুখো ওলাই পৰিলাহ। তেতিয়াই গাওঁবুঢ়াই সকলোপিনে মানুহ পঠিয়াই বাতৰি দিবৰ আয়োজন কৰিলে যাতে "ৰাইজে কংগ্ৰেছৰ বাহিৰে, গিয়াতি বুলি যোগেনক ভোট নিদিব; আৰু বহনিৰ কাৰণে লৰী পোন প্ৰথমে ন-কাটনি গাৱঁলৈকে অহাৰ কথা যদিও, ৰাইজে লোকৰ লৰীত উঠি লোকক ভোট দিবলৈ নেযাব। লৰী খালি হৈয়ে উলটি যাব। আৰু গয়াঁ ৰাইজ গাওঁবুঢ়াৰ লগতে বোকাপানী খছকি যাব।"

কৃতকৃত্য ভাৰৰ পৰম আনন্দত পিতৃমাতৃ দৰ্শনৰ অৰ্থে ন-কাটনি গাৱঁৰ পৰা মহখুটি চাইদিং পালোগৈ।

তাৰো পিচদিনা বকতাৰ মৌজাদাৰ মহবুব আলিক লগ ধৰিলো। প্ৰাক্তন ৰাজহ মন্ত্ৰী ফকৰুদ্দিন[১৯০] আলি আহমদ স্বয়ং মৌজাদাৰৰ ঘৰলৈ আহিছিল। মৌজাদাৰে বোলে সমৰ্থনৰ প্ৰতিশ্ৰুতিও দিলে। পিচে কাৰ্য্যতঃ ওভোটাটোহে হলগৈ বুলি আটায়ে কোৱাকুঁই কৰিছিল। মৌজাদাৰৰ ঘৰতে পালো, পুনিবিল গোহাঁই গাওঁৰ

১৯০। স্বাধীন অসমৰ দিনতো ৰাজ্য আৰু কেন্দ্ৰৰ মন্ত্ৰী।

এজনক। কংগ্রেছক নো কিয় ভোট দিব লাগে ৰঢ়িয়াকৈ সেই কথা মৌজাদাৰ ডাঙৰীয়াৰ সাক্ষাততে তেখেতৰ ঘৰতে বুজাই দিয়াৰ ফলত সেই গাওঁখন জয় কৰা হল।

লক্ষ্মী ককাইটিৰ ঢাপে ঢাপে একেঘৰ হৈ আছে তেওঁৰ ককায়েক গোলাপ চন্দ্র ৰৱঠাকুৰ। এওঁ নেমুগুৰি হাইস্কুলৰ শিক্ষক। নেমুগুৰি স্কুলখনৰ হেড্‌মাষ্টাৰ হল আমাৰ প্রাক্তন শিক্ষক মফৎ হেনৰী ওৰফে মফজল হুছেইন। তেওঁ বোলে উঠি পৰি লাগিছে কংগ্রেছৰ বিৰুদ্ধে। সেই বুলি গোলাপ ৰৱঠাকুৰ নহয়। তেওঁ ভিতৰি কংগ্রেছৰ ফলিয়াহে। গাতে লাগি থকা দেওধাই গাওঁখনত ভোটাৰ অপাৰ। এইখন গাৱঁৰ ৰাইজে, ভোজ-ভাত খাবলৈ বুলি হেনো যোগেন গোহাঁয়ে কেইবা কুৰি টকাৰে শৰাই এখন আগবঢ়ালে। ভোট দি আহি বোলে ভোজত বহিবহি। মই গোলাপ ককাইটিক শিকাই দিলো যে ৰাইজক যেন ভালকৈ বুজাই দিয়ে ভোটৰ দিনা, ৰাইজ ভোজত বহি আশীৰ্ব্বাদ দি ভোজ খাইহে ভোট দিয়েগৈ যেন। সেইটো কংগ্রেছৰ পক্ষে অতি উপকাৰত অহা উপায়। মাছে মঙহে দগৰি পিটি খোৱাৰ পিচত আৰু ভোট দিয়া নহয়। কোৱা বাহুল্য যে এই কূটবুদ্ধিটিৰ পূৰাকৈ গুণ ধৰিলে[১৯১]।

এতিয়াও কিবা আগবাঢ়িব পৰা হল বুলি সাহ কৰি কোৱা টান। কিন্তু সময় বুলিবলৈ আৰু মাজতে দিন এটাহে।

মই লক্ষ্মী ৰৱঠাকুৰৰ ঘৰ সোমাওঁতে তেওঁ শিৰসাগৰৰ পৰা পালেহি। তেওঁক বোলে দহ টকা দিলে আৰু বাকীখিনি ভোটৰ দিনাহে দিব। মই বোলো এই দহ টকা, দিয়াজনৰ বুকুলৈকে মাৰি দিব লাগিছিল; তেওঁ আকৌ কয় বোলে "নহয়, তেনে কৰা হলে এই দহ টকাও হেৰাল হেতেন।" এতিয়া তেওঁ মোক কংগ্রেছৰ কাৰণে চেষ্টা কৰিবলৈ স্বাধীনতা দিলে। তেওঁ মোৰ লগত মুফুৰেও

১৯১। সেই দিনৰ গাৱঁলীয়া সমাজত দিনত খোৱা ভোজ এটাৰ সমাপ্তি হয় মানে বেলি পৰিবৰে হয় গৈ।



শ্রীমতী ইন্দিরা গান্ধী



বৃপনাথ ব্রহ্ম



শ্রীঅমিয়কুমার দাস




শ্রীসর্বেশ্বর সরমা



শ্রীমতী বনেলী খংমেন




কুমুদবাম ববা




কুশল কৌরব



বাণী গাইভালু


কা মে ং সী মা ন্ত অ ঞ্চ ল
ভূ টা ন
বাতাবাৰী
হৰিশিঙ্গা
খৈৰাবাৰী
দলগাঁও
মঙ্গলদৈ
বন্নামাটী
ন গা ওঁ
ব্ৰহ্মপুত্ৰ নদ
চাৰদুৱাৰ
মাজবাট
এৰাবাৰী
বালিপাৰা
চতীয়া
জামুগুৰি
চাৰিআলি
বিশ্বনাথ
তেজপুৰ
গহপুৰ
শি ৰ সা গ ৰ
যুক্ত মিকিৰ পাহাৰ
আৰু
উত্তৰ কাছাৰ জিলা
দৰং জিলা
০ ১৬ ৩২
কিলোমিটাৰ
যুক্ত খাচিয়া জয়ন্তীয়া
পাহাৰ জিলা
যুক্ত মিকিৰ পাহাৰ
আৰু উত্তৰ কাছাৰ জিলা


বামুনবাৰী
বাগিচা
মৰাণৰ পৰা
কেন্দুগুৰি
বাগিচা
ৰাজগড়
বাগিচা
লংবৈ বাগিচা
বৰবাম বাগিচা
মাহমৰা মৌজা
শিৰসাগৰ
ৰঙাবাম
ৰাজগড়
দিপ্লিং বাগিচা
জিলাৰ সীমা
কপিনখোলা
টিমন বাগিচা
তিনি আলি
বাগিচা
নাহৰকটীয়া
ষ্টেছন
কলীয়াপানী
বাগিচা
টিংখাং বাগিচা
সৰোজিনী বাগিচা
আজিজবাগ
কৰঙানী
বাগিচা
পাৰ্ব্বতীপুৰ বাগিচা
মনৰ আণ্ডাজত সুঁৱৰি অঁকা
টিংখাং-বৰবাম

বোলে। কিন্তু তেওঁ আহোম সভাৰ কাৰণে বন্দোবস্ত কৰি ৰখাখিনি তেওঁৰ ভোটহে। সেইখিনি যোগেন গোহাঁয়ে পাৰ লাগিব।

এই চুক্তিত ধৰি থাকোতেই ভিতৰত তেওঁৰ পৰিবাৰৰ প্ৰসৱ-বেদনা। ধাই বুলিবলৈ কেওঁ নাই,—লক্ষ্মী ৰৰঠাকুৰ নিজেহে। মই ওলাই গলো কৃষ্ণবিহাৰী বাগিচাৰ ডাক্তৰ শিৱপ্ৰসাদ শৰ্ম্মাক বিচাৰি। প্ৰসূতিৰ যেতিয়া জীৱন-মৰণ সমস্যা, তেনেতে ডাক্তৰে পালেহি। এইদৰেই ভগৱানৰ অনুগ্ৰহ আহে।

ডাক্তৰক বিদায় দি গৃহস্থই পাকঘৰৰ ভাৰ লোৱাত মই চান্দ—বাসা-শিঙিগাৰাত অবিনাশ নাপিতক লগত লৈ যাক যত যেনেকৈ পালো জগাই লৈ হলেও তাত তেওঁক তেনেকৈ কংগ্ৰেছক ভোট দিবৰ কাৰণে বুজালো। এইখন গাওঁ বোলে লক্ষ্মী ৰৰঠাকুৰৰ হে আৰু বন্দোৱস্ত আছে, যোগন গোহাঁইক ভোট দিবলৈ। নিবলৈকো বোলে লৰী আহিব। মানুহ বিলাকক কলো, যাওঁতে যোগেন গোহাঁইৰ লৰীতে উঠি যাবলৈ, পিচে লৰীখন ভোট-ঘৰৰ মুখত ৰওঁতেই অবিনাশে লগাই দিব আৰু সেইমতে সকলোৱে "জয় মহাত্মা গান্ধীৰ জয়" বুলি নামি কংগ্ৰেছত ভোট দিবগৈ।

ৰাতি বহুত হল। পিছদিনা দুপৰীয়া খাই বৈ উঠাৰ পিচতহে ওলাব পাৰিলো। লক্ষ্মী ককাইটি মোতকৈয়ো আগ হল। তেওঁ বোলে কেইখনমান গাওঁ যোগেন গোহাঁইক দিবই। তেওঁৰ খন তালিকাত শিঙিগাঢ়া, চান্দবাছা, দেওধাই গাওঁ আৰু পটীয়া গাওঁ পৰিছে। সেইবোৰ ঠাইলৈকে তেওঁৰ যোৱা হব বুলি মোক কৈ গৈছিল।

মোৰ এসময়ৰ সোঁহাত, কেইদিনমানৰ আগলৈকে অক্লান্ত কংগ্ৰেছ কৰ্ম্মী হিতেশ্বৰ বৰ গোহাঁইৰ ঘৰত ওলালোগৈ। তেওঁৰ ঘৰত ডাঙৰ সমাজ এখন দেখি কিবা সকাম পতা যেন হে লাগিছিল। কতকালৰ মূৰত আমাৰ দুজনৰ দেখা-দেখি! তথাপি ৰৰগোহাঁই ডাঙৰীয়াই অনৰ্গল কংগ্ৰেছ বিৰোধী ভাষাৰে বক্তৃতাৰ ফুলজাৰী লগাবলৈ ধৰিলে, বোলে, বকতাত কংগ্ৰেছে গু-হৰা দিব, সমূলি ভোট

নেপায়! তেওঁৰ মতেৰে যেন কংগ্রেছ ইমান দিনে কেৱল আহোম জাতিৰ প্রতি হিংসাত্মক ভাবতে চলিছে। কেইটামান উদাহৰণো দিছে, আচৰিত যে তাৰ এটাও সত্য ঘটনা নহয়। এনে সৰল প্রাণত যে কোন দেশদ্রোহীয়ে মিছা কথাৰ জাল পাতি থৈ গল, ভাবি ভাবি তেওঁৰ মুখলৈকে চাই আছো। অলপ ৰওতেই, মই চাহ জলপান কি আছে খুজিলত মানুহজন তেনেই সেমেকি গল। তেতিয়াহে কলো "আমি হুয়ো সমানে বকতাৰ মানুহ ; গতিকে, আনকি গোহাঁই-দেওৰ গাওঁখনতে কংগ্রেছৰ কাৰণে ভোট নোলালে একালত এই বকতাৰ কাৰণে যদি কিবা কৰা হৈছিল, সকলো অসার্থক হব। ঈশ্বৰে বুকত ইমান ডাঙৰ এটা কামোৰ নমৰায় যেন।"

এইবাৰ লগ ধৰিবলৈ গলো অসম কোম্পানীৰ পেঞ্চন প্রাপ্ত ৰৰমহৰী সোমেশ্বৰ[১৯২] বৰুৱা দেওৰ ঘৰলৈ। তেনে লিখা পঢ়া বিধৰ শিক্ষিত নহলেও আহোম বুৰঞ্জীৰ পুঠি তেখেতৰ ঘৰত থকাৰ কাৰণেই হবলা, সেই সম্পর্কে তেখেতৰ যথেষ্ট জ্ঞান আছিল। ৰৰবাবুৰ চৰা ঘৰটোৱেই যোগেন গোহাঁইৰ নির্ব্বাচনী কার্য্যালয়। পিচ দিনাই নির্ব্বাচন হেতুকে, তাত মানুহৰ ঘিট্‌ঘিটনি আৰু সকলোৰে উলহ মালহ। গৃহস্থই ভিতৰলৈ নি মোক গোটা তামোল পান এটি দিছিল, নিজে কাটি খাবলৈ। মই বোলো "চাহ এবাটিৰ সৈতে কটা তামোল দিয়ক।" ৰৰবাবু অবাক—"বামুণ মানুহে হৈনো দেওধায়ে বনোৱা চাহ আৰু কটা তামোল খায়নে?" যেতিয়া বুজিলে যে ধেমালিত নহয়, সচাঁকৈয়ে কৈছোঁ, মোৰ কথা ৰাখিলে। শহুৰেকৰ আদেশ শিৰোধার্য্য কৰি বোৱাৰীয়েকে মোৰ মুখৰ আগৰ ঠাইখন মচি চাহ এবাটি থলেহি বটা এটাৰ ওপৰত আৰু সেৱা কৰিলে। মোৰ গাৰ পোৰণি উঠাদি উঠি "কেনিনো পলাম" যেন লাগিল। মই তেখেতক কৈ পেলালো যে তেখেতৰ পুতেক (ৰোষেশ্বৰ বৰুৱা) মোতকৈ

১৯২। তেতিয়া সোমেশ্বৰ বৰুৱাই মহখুটী বাগিচাৰ ৰৰমহৰী কাম এৰি আসাম কোম্পানীৰ পৰা পেঞ্চন ললে।

দুবছৰ মাত্ৰ সৰু, ৰোষশ্ববৰ লৰায়ো কলেজত পঢ়িছে। তেনে স্থলত সেৱা কৰোৱা কথাটো কেনেবা কেনেবা যেন লাগিল।" তেখেতে বোলে "ভাই ৰোৱাৰী বুলিহে সেৱা কৰিছে।"

ৰাতি মহখুটিত থাকিলোগৈ। পিচদিনা নেমুগুৰীৰ পলিং বুঠ ওলালোগৈ। কংগ্রেছৰ ফালৰ বিলাকৰো কমেইহে চিনাকি। দুখন লৰীত শিভিগাঢ়া-চান্দবাছাৰ মানুহ লক্ষ্মী ৰৰঠাকুৰে লৈ আহিছে। লৰী ৰওতেই "জয় মহাত্মা গান্ধীৰ জয়" আদি জয়ধ্বনি দিওতে, লগতে ৰৰঠাকুৰেও অজানিতে সেই জয়ধ্বনিতে সুৰ মিলালে। আহোমসভাৰ ফলীয়া বিলাকে তেওঁলৈ পোন্দোৱাপুন্দিকৈ চাওতে মইহে বুজিছিলো কথাৰ গুৰিগছ কোন খিনিত। নকাটনি গাওঁ পদব্রজে ওলালহি। চিনাকিৰ সংখ্যা বাঢ়ি গল। পুনিবিল গোহাঁই গাঁৱৰ মানুহ আহিল আৰু নিশ্চয় কংগ্রেছকে ভোট দিছিল। কুকুৰাচোৱা দেওধাই গাওঁৰ গোলাপ ৰৰঠাকুৰৰ বাদে কাকো যেন নেদেখিলো।

এনে তয়া-ময়া ৰণ যেন নির্ব্বাচনী প্রতিযোগিতা আমি জনাত এয়ে প্রথম। কংগ্রেছ জিকিলে। কিন্তু ভাবিব নোৱাৰা এটা ঘটনা হৈ গল যেতিয়া ডিব্রুগড়ৰ এহাশুধীয়া কংগ্রেছ কর্ম্মী আৰু নেতা যোগেশ্চন্দ্র গোহাঁই[১৯৩] ডাঙৰীয়াই কংগ্রেছী এম-এল-এ হৈয়ো হঠাৎ এচেম্ব্লীত কংগ্রেছ বিৰোধীৰ দলত বহি পৰিল। ভুবন গগৈৰ চিৰ বিদায়ত যি শোক পোৱা হৈছিল, কংগ্রেছী সদস্য যোগেশ গোহাঁয়ে ব্যৱস্থাপক সভাত এই বিৰূপ আচৰণ কৰি প্রায় সমানে বেজাৰ দিলে।

১৯৩। স্বাধীনতাৰ যুগৰ উপমন্ত্রী পদ্মকুমাৰী গোহাঁই ডাঙৰীয়ানী দেশ-কর্ম্মী সেই যোগেশ্চন্দ্র গোহাঁইদেওৰে সহধর্ম্মিণী।

৭। পাৰত গজা উষ্মা

"কংগ্রেছীয়ে কানি ব্যবসায়ৰ সুযোগ লৱলৈহে কানি নিবাৰণী আইন এখন উলিয়ালে" বুলি পঢ়া লৰা কেজনে কেন্দুগুৰীত কোৱা কথাষাৰ গোকাট মিছা হলেও, কল্পনাপ্রসূত এই অভিযোগটিৰ উহ্ লোৱাৰ অলপ চেষ্টা চলোৱা হৈছিল। চাহুল্লা চৰকাৰৰ, কানি নিবাৰণী আইন খনৰ বিৰুদ্ধে জনমত গঢ়াৰ যি প্রচেষ্টা, ই সেই তূণৰ ভিতৰৰ এপাত পাশুপত অস্ত্র মাথোন। আৰকাৰী কর্ম্মচাৰীৰ ক্ষেত্রতো সোঁৱে বাঁৱে টকা নচপোৱা কোনো নাছিল বুলিব নোৱাৰি। কানিৰ মহলদাৰে মেলানি মগাত তেনে বিষয়া সকলৰ মৌচাক শিলাময় হৈ পৰিল। কিন্তু ঢৌ গণোতেও পয়চা উলিয়া সকলৰ বিধৰ চতুৰ পুৰুষৰ চাতুৰীয়ে ভেটা নেমানে। গতিকে এইবাৰ ৰৰশীয়ে কানি মহলদাৰৰ পৰা ঘাট সলাই চোৰাং বেপাৰীৰ বেহাত পৰিলগৈ। ৰৰ বিষয়াৰ ভোজ পাতি থোৱা এনে বেপাৰীৰ গাত সাধাৰণ বিষয়া বা কর্ম্মচাৰীয়ে হাত দিবলৈ গলে, (অর্থাৎ পোনাই কৰলৈ হলে) চোৰাং কানি ধৰিবলৈ হলে, সেই কর্ম্মচাৰীৰ চাকৰীৰ আধ্যা পৰাটো স্বাভাবিক। কোনো কোনো সাধাৰণ কর্ম্মচাৰীৰ বিবেকে যদি উচ্চপদস্থ বিষয়াৰ এনে বিৰূপ আচৰণত বিদ্রোহ তোলে, তেওঁ কংগ্রেছী মানুহৰ আশ্রয় লৱই। এনে কংগ্রেছীয়ে চোৰাং বেপাৰী ধৰা পেলাই যিজন বিষয়াৰে দুর্নাম আনে, তেৱেঁই ফুচফুচীয়া মেলেৰে ইকাণ সিকাণ কৰি এহাণ্ডধীয়া ভাবে কংগ্রেছৰ লাগি থকা মানুহ একোজনক চোৰাং কানি বেপাৰীৰ সহায়কাৰী বুলি সকলোতে জাহিৰ কৰাটো অসম্ভৱ নহয়।

কাৰোবাক বিচাৰত দোষী বুলি প্রমাণ নকৰে মানে তেওঁ আইনৰ ওচৰত নির্দ্দোষী। আইনৰ এই সূত্রৰ সুযোগত কংগ্রেছ কর্ম্মীৰ ভিতৰৰ উকিলে চোৰাং কানিৰ অপৰাধীৰ ওকালতনামা যে নলয় এনে নহয়। আইনত ই কথাৰ কথা নহয় যদিও এনেবোৰ

দৃষ্টান্ত দেখুৱাই জনসাধাৰণক ভুল বুজাই আও বাটে নিয়াটো অতি সহজ।

অসমৰ ফিৰিঙি সমাজতো এনে ভুল বুজাবুজি দৃষ্টান্তৰ বিৰল নাছিল।

চাহ-বাগিচা-বনুৱা-বিষয়ে অনুসন্ধান সমিতি (টী গার্ডেন লেবাৰ এন্‌কোৱায়াৰী কমিটী) এখন, কংগ্রেছ যুক্ত-গবর্ণমেণ্টে অৰুণ কুমাৰ চন্দ, বৈদ্যনাথ মুখাৰ্জ্জী[১৯৪] আৰু দেবেশ্বৰ শৰ্ম্মাৰে গঠন কৰি দিছিল।

কলিকতাৰ ইণ্ডীয়ান টী এচোচীয়েছনৰ চেয়াৰমেন আৰ্‌-বী-লেগ্‌দেন্‌ অ'-বী-ই, এম-চীয়ে তেওঁৰ ১।৭।৩৯ তাৰিখৰ যি খন স্মাৰক পত্র আই-টী-এৰ তৰফে অসম চৰকাৰৰ চীফ চেক্রেটৰী মিষ্টাৰ এইচ-জী দেনেহী চী-আই-ই, আই-চী-এচক দিছিল আৰু ১৯৩৯ চনৰ জুলাই-সংখ্যা দী আছাম বিভিউ এণ্ড টী নিউজে তাত প্রবল সমর্থন জনাইছিল, তাৰ সুৰত বাজিছিল যে দেবেশ্বৰ শৰ্ম্মাই ডিগবৈ গুলী চালনা মোকর্দ্দমাত বনুৱা পক্ষে উকীল থকাৰ উপৰিও তিনিও জন সদস্য চাহ বনুৱাৰ প্রতি সহানুভূতিশীল, এতেকে এনে তিনি-জন সদস্যৰে অনুসন্ধান সমিতি গঠিত হব লাগিলে আই-টী-এই তাত যোগ দিব নোৱাৰিব। শ্রমিকৰ প্রতি সহানুভূতিশীল সকল, শ্রমিকৰ বিষয়ে অনুসন্ধানকাৰী হোৱাত অসহযোগকে ঘোষণা কৰি দিয়াটো কম কথানে? ইয়েই হয়তো গণতন্ত্রীয় অসমত একেজন মন্ত্রীৰ[১৯৫] হাতত শিল্প, বাণিজ্য আৰু শ্রমিক দপ্তৰ দিয়াৰ যুক্তি যুক্ততা দেখুৱালে।

৮। যুদ্ধ-বিৰোধী ধ্বনি।

যুদ্ধ-বিৰোধী ধ্বনিৰে গাইগুটীয়া ভাবে সত্যাগ্রহ কৰিব লগা হোৱাত সত্যাগ্রহী সমিতিবিলাকে কংগ্রেছ কমিটীবিলাকৰ স্থান

১৯৪। পিচত মন্ত্রী।

১৯৫। স্বাধীনোত্তৰ অসমৰ এছোৱাত কামাক্ষ্যা প্রসাদ ত্রিপাঠী।

অধিকাৰ কৰিলে। কার্য্য নির্ব্বাহক সমিতি বিলাকৰ প্রতিজন সভ্যই হয় সত্যাগ্রহৰ প্রতিজ্ঞা লব, নহয় ওলাই যাব। ইও এক সমস্যাত পৰিলো। সত্যাগ্রহীয়ে নির্দ্দেশ পোৱা মতেই যথা স্থানত, যথা দিনবাৰত সত্যাগ্রহ কৰিব লাগিব। কিন্তু আমি চাকৰিৰ কবলত দুগুণে পৰাধীন। অথচ চাহ বাগিচাৰ মেনেজাৰৰ পক্ষে পৰিচালকৰ দায়িত্বৰ উপৰিও অর্থ-সংক্রান্তৰ ভীষণ দায়িত্বই টেটুত চেপা দি ধৰি থাকে। এতেকে চাকৰি নেৰাকৈ সত্যাগ্রহী হোৱাটো বাতুলতা মাথোন। চাকৰি এৰিবলৈ হলে কোম্পানীক অতি কমেও এমাহৰ আগজাননী নিদিলেই নহব। চাকৰি এৰিলেও ষিবোৰ গ্রহৰ ফেৰত পৰি গোলামীৰ ব্রতত ব্রতী হোৱা হৈছিল, সেই সকলোবোৰে জুমুৰি দি ধৰাৰ হাত সাৰিব পৰা নহব। গতিকে জয়ে জয়ে প্রাথমিক কংগ্রেছৰ সভাপতিৰ পদ হে নেলাগে, কার্য্যকৰী সমিতিৰ পৰাও অব্যাহতি লোৱা হল। নিচেই তাকৰীয়া সংখ্যাৰ সত্যাগ্রহী সভ্যৰে কার্য্য নির্ব্বাহক কমিটি এখন গঠন কৰা হল। ৰবীন্দ্রনাথ কাকতীয়ে[১৯৬] কিন্তু মোক সত্যাগ্রহী হৈ থকাৰ হে পৰামর্শ দিছিল আৰু তালৈকে সামর্থ্য লাভ কৰিবৰ কাৰণে মোক যুদ্ধ-বিৰোধী ধ্বনিৰে সত্যাগ্রহ কৰাৰ পৰা সকুৱাই থব বুলি আশ্বাসো দিছিল। এইটো কিবা অবাঞ্ছিত ধৰণৰ চুক্তি যেন লাগিল। ব্যক্তিগত কাৰণত যাদৱ চলিহা আদি বহুতে যোগ দিব নোৱাৰিলে। সাত পাঁচ গুণি ১২ ডিচেম্বৰৰ দিনা যোৰহাট পালোগৈ। তাতো দেখিলো কুলধৰ চলিহা নাই ওলোৱা। যোৰ-হাটত, প্রথম দেবেশ্বৰ শর্ম্মাই দুদিনৰ পিচত অর্থাৎ ১৪ ডিচেম্বৰত সত্যাগ্রহ কৰাৰ আয়োজন কৰিছে। নিজে সত্যাগ্রহ নকৰি তেখেতৰ ধ্বনি দিয়া চাবলৈ বোৱা নহল। সেই দিনাই ৰাতিলৈ গোপীনাথ বৰদলৈ আদি নেতাসকলক যোৰহাট জেইল পোৱালহি।

আগতে ঘোষণা কৰা মতেই যুদ্ধ বিৰোধী সত্যাগ্রহ কোনো

১৯৬। পিচলৈ এম্-এল-এ, এম্-পি আদি।

নির্দ্দিষ্ট ঠাইত নির্দ্দিষ্ট সময়ত কৰা হয়। চৰকাৰৰ আইন, আদালত, পুলিচ আদি সকলো সেই মতেই সজাগ হৈ থাকে। কিছুমানক পুলিচে বাটৰ পৰাই চিলনী-থপিয়া দি লৈ যায়। সভাপতি আজাদকে তেনেকৈ নিছিল যেন মনত পৰে। একো একোজন আকৌ প্ৰথম মাতাষাৰ মতাৰ লগে লগে গ্ৰেপ্তাৰিত হয়। শিৱ-সাগৰত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি তৈয়বুল্লা চাহাবে দহ জানুৱাৰীৰ দিনা অসমীয়া আৰু হিন্দী দুয়ো ভাষাতে ধ্বনি দিলেহে দিলে, পুলিচে ধৰিবলৈ হুকুম নাপালে। ম্যাদৰ সময়বো দেখোন মানুহে প্ৰতি পৃথক পৃথক দেখা গৈছিল। মৌলানা আবুল কালাম আজাদৰ দেৰ বছৰ; অসমত জিলাই প্ৰতি একোজনৰ এবছৰ, তিনিমাহ, ছমাহ যে বহুতৰে। অনেকৰ ক্ষেত্ৰত জৰীমনাও লাগিছিল। অসমৰ মহিলা সত্যাগ্ৰহী গোলাঘাটৰ স্বৰ্ণলতা বৰুৱা আৰু হৰিপ্ৰিয়া দত্ত আইদেও সকলৰ গাইপতি এমাহকৈ অশ্ৰম; গোলাঘাটৰ বৈকুণ্ঠ সিঙৰ এদিনৰহে ফাটক হয়।

এই হেন্দোলনীতে যোৰহাট জেইলত আটক হৈ থকা সকলৰ ভিতৰত কেইগৰাকীমান যেনে,—অমিয় কুমাৰ দাস, হেম বৰুৱা জগদীশ্ মেধী, তিলক চন্দ্ৰ শৰ্ম্মা, বগীৰাম শইকীয়া, হৰিনাৰায়ণ বৰুৱা, দেবেশ্বৰ শৰ্ম্মা, গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্ম্মা, ডাঃ হৰেকৃষ্ণ দাস, তৈয়বউল্লা, ফখ্ৰুদ্দিন আলি আহম্মদ, বিজয় চন্দ্ৰ ভাগৱতী, ৰবীন্দ্ৰ নাথ কাকতী, বিমলা প্ৰসাদ চলিহা, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, লীলাধৰ বৰা, গৰমূৰীয়া ডেকা গোস্বামী ইত্যাদি ইত্যাদি।

১৯৩৬-৩৭ চনৰ নিৰ্ব্বাচন প্ৰতিযোগিতাত কংগ্ৰেছৰ প্ৰৱল পৰাক্ৰমৰ পৰিচয় পাই বিৰুদ্ধ পক্ষীয় বহুতৰে কংগ্ৰেছৰ প্ৰতি আসক্তি জন্মিল। তেনে ধৰণৰ জনদিয়েকেও ঠায়ে ঠায়ে কংগ্ৰেছত নাম লগাই যুদ্ধ-বিৰোধী ধ্বনি উৰাই বগা-ঘৰত আশ্ৰয় লৈছিল[১৯৭]।

১৯৭। ১৯৪০ চনৰ অক্টোবৰতে ব্যক্তিগত সত্যাগ্ৰহ আৰম্ভ হৈ ১৯৪১ চন পাই গৈছিল।

তাৰ ভিতৰত শ্রদ্ধেয় নীলমণি ফুকন ডাঙৰীয়াও এজন। ইয়াৰ পিচতেই হবলা পঢ়িবলৈ পালো ফুকন ডাঙৰীয়াৰ "দৈব চক্র" নামৰ কবিতা এটি "জয়ন্তী"ৰ পাতত। তাৰপৰা কেইশাৰীমান তলত উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলো,—

" * * * *

বাৰিষা সাতুৰি পাৰ হৈ আহিলো, লুইতৰ উঠিলো পাৰ;
দুখোজ গৈয়ে পৰিলো পলসত, নাই যে আৰু উদ্ধাৰ।

* * * *

নেখাটে পুৰুষৰ পুৰুষালি যত, দেবই পাতি থয় জাল;
উঠিলে বিপৰীত হৈ কাল, বাঘৰে হৰিণাই চেলেকে গাল।"

কাকতীৰাৰীৰ তিনিআলিতো সুৰেন্দ্র নাথ মিশ্রই যুদ্ধ-বিৰোধী ধ্বনিৰে সত্যাতহ কৰিছিল।

৯। ধর্ম্মীয় ৰাজনীতি

যেতিয়া ভাৰতে শুধি শুধি যুদ্ধৰ উদ্দেশ্য নো কি জানিবলৈ নেপাই যুদ্ধ-বিৰোধী সত্যাগ্রহৰো এছোৱা পাৰ হল, তেতিয়া বৃটিছ প্রধান মন্ত্রী চার্চ্চিল চাহাবে এংলো-মার্কিণ সম্প্রীতিৰ সন্দর্ভত লণ্ডন চহৰত কয়, "সমগ্র জগতৰ ভবিষ্যত আৰু খৃষ্টীয় নীতিৰ ওপৰত গঠিত সভ্যতাৰ প্রসাৰৰ আশা, বৃটীছ সাম্রাজ্য আৰু মার্কিণ যুক্ত-ৰাষ্ট্রৰ সম্পর্কৰ ওপৰত যে নির্ভৰ কৰে, এই কথা কলে বঢ়াই কোৱা নহয়।"

(তর্জমা, "জয়ন্তী"ৰ ৪র্থ বছৰ ১ম সংখ্যাৰ)

তেনেহলে এচিয়াৰ একমাত্র শক্তি জাপানক ধ্বংশ কৰি দুর্ব্বল প্রাচ্য দেশবোৰক পাশ্চাত্য খৃষ্টান্ শক্তি সমূহৰ গৰকত ৰখাটোৱেই যুদ্ধোত্তৰ পৰিকল্পনা নহৈ আন কি হব পাৰে?

১০। লীগ মন্ত্রীসভা আৰু ৯৩ ধাৰা

১৯৪১ চনৰ মাজভাগত গোপীনাথ বৰদলৈ জেলৰ পৰা ওলাল; আৰু ইতিমধ্যে অসম উপত্যকাত মুছলমানৰ সংখ্যা বঢ়াবৰ কাৰণে বহিৰাগতক অবাধ গতিত আমদানি কৰি, কানি—নিৰাৰণী আইন খনক কার্য্যতঃ মৰ্-কিল দি, লীগ চৰকাৰ উধাও হল; আৰু লগে লগে অসমত তিৰান্নবৈ ধাৰাৰ গবর্ণৰৰ শাসন প্রবর্ত্তিত হল। ইপিনে জাপান ৰণত অবতীর্ণ হোৱাত যুদ্ধ অসমৰ গা পালেহি; আৰু আমেৰিকাক ইয়াতে যুদ্ধৰ ঘাটি বহুৱাবলৈ দিয়াত চকুৰ পচাৰতে অসমখন ৰণ ক্ষেত্রত পৰিণত হল।

১১। সতর্কতা

কংগ্রেছ নেতৃত্বই জনতাক তুখ্-কংকৈ বুজাই দিছিল, হঠাৎ কেনেবাকৈ জাপানী নামিলেহি তেওঁবিলাকক যাতে সকলো ধৰণৰ থলুৱা সহায়ৰ পৰা বঞ্চিত কৰা হয়। আজি অত বছৰ ইংৰাজৰ লগত হলিগলি কৰি, তেওঁবিলাকৰ লগত কেতিয়া কেনেকৈ চলিব লাগে আমি তাৰ আওভাও পাওঁ বুলিহে অহিংস অসহযোগ অস্ত্রৰ প্রয়োগেৰে সিবিলাকক ইদিনৰ পিচত সিদিন হীন বল কৰি আনিব পাৰিছো; পিচে জাপানৰ যে আমি সমূলি আশয় নেপাওঁ! গতিকে, ইংৰাজৰ গৰাহৰ পৰা দেশখন এক ৰকম মোকোলাই অনাৰ মুৰামুৰি সময়ত কেনেবাকৈ জার্ম্মান, ইটালী বা এনে অচিনাকি আন কোনোবা জাতিৰ বশ মানিব লাগিলে, স্বাধীনতাৰ পোহৰ দেখিবলৈকে আকৌ কত শ বছৰ জোপ দি থাকিব লাগিব, তাক কোনো কল্পনাৰে ঢুকি পোৱাও সহজ কথা নহয়।

গাওঁ-ৰক্ষাৰ কাৰণে শান্তি-সেনা (গাওঁ-ৰক্ষী) বাহিনী সংগঠিত হল।

১২। শান্তি সেনা

কাকতীবাৰী, ভজো, লংপতীয়া, আদি অনেক ঠাইত শান্তি-সেনাৰ দল সংগঠন কৰা হল। ৰঙাবামত অনেক প্ৰবন্ধেৰেহে মানুহক কথা বুজুৱাৰ সুযোগ উলিওৱা হৈছিল। এই ৰঙাবামকে কেন্দ্ৰ কৰি আছে সাপমাৰা, বৰবাম, ভলুকাগুৰি, ৰংছোৱাল, টিপমীয়া, কৌপিন খোলা আদি গাওঁবোৰ। ৰঙাবামৰ ৰাইজক কংগ্ৰেছ হে নেলাগে ৰায়ত সভাখনত সুমুৱাৰ চেষ্টাত হাৰ মানিছিলো। এনে অনুষ্ঠানত তেওঁবিলাক কিবা অখৃষ্টানী গন্ধ পায়। ৯ বছৰি চাব্বিশ্ জানুৱাৰী দিনটোত কাকতীবাৰী আৰু ৰঙাবাম, এই দুয়োখন স্কুলৰ প্ৰাঙ্গনত আমি ত্ৰিৰঙ্গ পাতাকাৰ অভিবাদন জনাই তাৰ তলতে স্বাধীনতাৰ প্ৰতিজ্ঞা লৈছিলোহঁক। যাদৱ চলিহাক প্ৰায়ে এই দিনা আমাৰ নেতা পাতি লৈছিলো। চুবুৰীয়া গাওঁবোৰৰ ৰাইজ ৰঙ্গাবামতে ছাপেহি, নাহে মাত্ৰ ৰঙ্গাবমীয়া সকলহে। গেব্ৰেলক হাত কৰি এবাৰ কানি-নিবাৰণ সম্বন্ধে গীৰ্জ্জা ঘৰৰ প্ৰাঙ্গনতে সমাজ বহুৱাইছিলো। এই বাৰো তেওঁৰ সহায়তে সেনাদললৈ সুমুৱা হল। এই দুয়ো কাৰ্য্যতে বোলে বগা, কলা কোনো পাতুৰীয়ে আপত্তি নেদেখুৱালে।

মাৰোৱাৰীৰ ভিতৰত কাকতীবাৰীৰ আগৰৱালা ভ্ৰাতৃদ্বয়ৰ নন্দকিশোৰ আৰু দীনদয়াল আগৰৱালা আৰু ৰঙাবামৰ পান্নালাল ঠাকুৰে শান্তি বাহিনীত যোগ দি আমাক নথৈ সহায় কৰিছিল।

কাকতীবাৰীত আহল বহল বিধৰ কংগ্ৰেছ ঘৰ এটিও সজা হল।

১৩। বিভীষিকাময় পৰিস্থিতি

আই বসুমতীৰ বুকত যেনেকৈ ইখনৰ পিচতে সিখন মিলিটেৰী বেলৰ গুম্‌গুমনি আৰু যেনিয়ে পাই তেনিয়ে লানি নিছিগা লৰী আৰু জীপৰ গোৰ্‌গোৰনি, তেনেকৈয়ে আকাশ মণ্ডলতো উৰা-জাহাজৰ হোঁহোৱানি, গোঁগোঁৱনীয়ে তল ওপৰ মহাৰণময় কৰি

ধৰণী কপাই আছিল। হুকং উপত্যকাইদি চুলিৰ আগত জীৱ বান্ধি হিল্‌দল ভাঙি আহিল প্রচণ্ড সোঁত মান-ভগনীয়া ভাৰতীয়ৰ। যেনিয়ে মন কৰে তেনিয়ে যেন অবিৰাম গতিৰে ব্রহ্ম-ত্যাগীৰ দল আহিবই লাগিছে। অহাৰ বাটতো যে ভগনীয়া সকলৰ ওপৰত ভয়ঙ্কৰ লুট্-পাট। ভৈয়ামে পাহাৰে হাবিয়ে জঙঘলে প্রাণৰ কাতৰে আহোতে আহোতে একো একোটা পৰিয়ালৰ ইজনৰ পিচত সিজনকৈ মানুহ মৰি হাজি পটীয়ে পটীয়ে পৰি থকাতে এৰি এৰি হয়তো সকলো সাং হৈ আধা-মৰা আধাজীয়া এজন মানহে লামডিঙত ওলাইছেহি। মানৰ দেশত ঘটা সকলো ঐশ্বর্য্য বিভূতি নেওঁচা দি, দুই এপদ মাত্র মূল্যবান সম্পদেৰে সৈতে প্রাণ লৈ পলাই অহা আঢ্যৱন্ত সকলৰ ভিতৰত যথাসর্ব্বস্ব ডকাইতৰ হাতত এৰি দি হয়তো লৰা তিৰোতাকো হেকৰাই 'নানং ন বস্ত্রং ন চ বাৰি পত্রং' হৈ যি এজন ওলাইছেহি, তেওঁকে নো চাই কোনে?

অতর্কিতে পণ্ডিৎ জওহৰ লাল নেহেৰুৰেও এভুমুকি দি গলহি। আমাৰ অনেক আছিলগৈ এওঁবিলাকৰ শুশ্রূষাত। প্রত্যক্ষ দর্শীৰ বর্ণনা 'দি ফর্গটন ফর্টিয়ার্ছ[১৮৯] নামৰ কিতাপ খনত এই বিষয়ে যি লিখিছে, পঢ়িলে গাৰ নোম দাল দাল হয়।

১৯৮। আৰু এটা বাটেদি ভগনীয়া হিলদোল ভাঙি আহিছিল। সেইটো আৰু জঁয়াল। অনেক নদী পাহাৰ আদি অতিক্রম কৰি আহিবলগীয়া দীঘল বাট। মান্দালয়ৰ পৰা কেমেং প্রায় ৪০০ মাইল। তাৰ পৰা চিন্দুইন্, টাইপা, নিংগান, নাথ্‌কো, টাগাপকা, নামলিপ আদি ৬০০ কি ৭০০ মাইল পাৰ হৈ পাংছাও পাছে দি অসম আৰু ব্রহ্মদেশৰ সীমান্ত অতিক্রম কৰি নাম্‌গৈজুপ, চাইমন, জাগুন, নিংগ্রাম আদি পাই লিডু বা মার্ঘেৰিতাত ওলাবহি পাৰে। এইটো বাটেদি অহা মানুহৰ সৰহ ভাগটিয়েই বাটতে উচন হল। কম সংখ্যকহে অসম পহুছিলহি। এই বাটবোৰৰ বঢ়িয়া বর্ণনা আছে কলিকতাৰ Thacker spink Co.ৰ প্রকাশিত Captain R. H. Gribble লিখিত "Out of Burmah Night" কিতাপখনত।

ৰেলৰ বাহিৰে আন পৰিবহন যে নায়েই। একোটা ষ্টেচনত ডাক-গাড়ী একোখনেই সাত আঠ ঘণ্টা পর্য্যন্ত ৰবলৈ ধৰিলে; সঘনে পাই থকা বিপদ সঙ্কটৰ দিৰ্দ্দেশত। ৰেলত যাত্রীৰ এনে ভীষণ ভিৰ যে কিবা স্বৰূপে কোনো ষ্টেচনত ৰেলৰ কোঠালৈ সোমাৰৰ শক্তি লাভ কৰাটোৱেই পৰম তৃপ্তিৰ কথা। কেনেবাকৈ সোমাই লৰ পাৰিলেও কাতি-কুতা কৰা কম কথা নহয়। অসাধ্য সাধন বুলিব পাৰি, এটা বা দুটা ষ্টেচনৰ পৰা সাজু হৈ আহি, সান্দিৰ বাঁহ বুধিৰে কটাৰ দৰে, ৰেলৰ দুৱাৰ খন খোলাই ওলাই পৰাটোও।

ত্রয়োদশ অধ্যায়

১। ভাৰত ত্যাগ[২০০]

১৯৪২ চনৰ ৬ জুলাইৰ দিনা কংগ্রেছ ওৱাকিং কমিটীত (ওৱার্দ্ধাত) ভাৰত ত্যাগ প্রস্তাৱ গৃহীত হয় আৰু ৮ আগষ্টৰ অল ইণ্ডিয়া কংগ্রেছ কমিটীৰ[২০১] বোম্বাই অধিবেশনত সেই প্রস্তাৱ সমর্থিত হয়।

৪ আগষ্টৰ দিনাই মোৰ নগাওঁ যাত্রা।

ভজো ষ্টেচনৰ পৰা নগাওঁ পাওঁতে তিনিদিনমান লাগিল। নগাওঁৰ জখলাবন্ধাৰ ফৌজ এটাই কদমত (মার্চ কৰি) যোৱা চকুত পৰিল। যোৰ পাতি পাতি লেথাৰি নিছিগাকৈ অহিংস মন্ত্রত দীক্ষিত সেনাৰ দল আহি আছে, আহি আছে, আহি আছে আৰু আমাক পাৰ হৈ কদমত গৈ আছে, গৈ আছে, গৈয়েই আছে; দহ মিনিতৰ পৰা পোন্ধৰ মিনিত, পোন্ধৰ মিনিতৰ পৰা কুৰি মিনিত, কুৰি মিনিতৰ পৰা আধা ঘণ্টা চাই আছোঁ, চাই আছোঁ, চাই আছোঁ, এঘণ্টায়ো যেন লানিটোৰ অন্ত নপৰেহে নপৰেহে। এনে বিশাল এটি শান্তি বাহিনী, একেবাৰে গাৱঁলীয়া ঠাইত, এই প্রথম দেখা। বিয়াল্লিশৰ আন্দোলনলৈ গাৱঁৰে ভূঁয়ে যি ধুনীয়া প্রস্তুতি ই তাৰ সামান্য এটি নমুনা মাত্র।

ৰেলেৰেই ফিৰিলো। চাপৰমুখ ষ্টেছনতে ছ-ঘণ্টা ৰেললৈ পৰ দিব লগীয়া হল। তাতে ভাৰত ত্যাগ প্রস্তাৱৰ মূৰতে ৯ আগষ্টৰ দিনা সর্ব্বভাৰতীয় নেতৃবৃন্দক বোম্বাইত গ্রেপ্তাৰ কৰাৰ বাতৰি

২০০। Quit India.

২০১। A. I. C. C.

পালোঁ। ভাৰতত বৃটীছৰ দিন যে সঁচাকৈয়ে ছাপি আহিল মনত ছাঁট্ কৰে যি লাগিল আৰু সেই বিশ্বাসৰ সমর্থন কেউফালৰ পৰা যেনেকৈ পাবলৈ ধৰিলো, সুশীঘ্রে স্বৰাজ-লাভৰ বিশ্বাসে অন্তৰত দৃঢ়ভাবে থিতাপি ধৰিল।

চাপৰ মুখৰ পৰা ষ্টেছনটোৰেপতি আধাঘণ্টাৰ পৰা তিনি-ঘণ্টালৈকে ৰৈ ৰৈ ৰেলখন লামডিং ষ্টেছনত আধাঘণ্টাৰ কাৰণে থাকিল যদিও আগত, মাজত, বা শেষ মুহূৰ্ত্ততো গম নাপাওঁ কোন সময়ত ৰেলখন এৰিব পাৰে ; গতিকে থাকি যোৱাৰ ভয়তে এবাৰো ৰেলৰ পৰা নামি চাবৰ চেষ্টা কৰিব নোৱাৰিলো। এদিন ৰাতি আঠ বজাত ডিমাপুৰ এৰিলে। তাৰ পৰা ভজো ষ্টেছন পাওঁতে কথমপিহে দুদিন নালাগিল।

ইতিমধ্যে ৯৩ ধাৰাৰ শাসন বাতিল কৰি চৰকাৰে চাৰ ছাহুল্লা চাহাবক, ভোটত টিকিব নোৱাৰি বাৰে বাৰে গাদীচ্যুত হৈ থকাৰ শোক নিবাৰণৰ উদ্দেশ্যেই হবলা প্রধান মন্ত্রীৰ[২০২] আসনত পুনৰ আৰোহণ কৰাই দিলে। এইবাৰৰ মন্ত্রী সভাত অসমৰ একমাত্র মহিলা সমষ্টিৰ পৰা বাচনিত উঠা সদস্যা[২০৩] মেভীছ্ দুন্ বি-টি, বি-এল প্রথম মহিলা মন্ত্রী হয়। ৰূপনাথ ব্রহ্ম নথকা মন্ত্রীসভা নায়েই, এতেকে তেওঁ থকা স্বাভাবিক। বাকীবিলাক আগৰ লীগ-মন্ত্রী দলৰে, মাত্র কোনোবা এবাৰত ইয়াৰ পিচত ৰোহিণীকুমাৰ চৌধুৰীৰ আসনৰ দখল নৰকুমাৰ দত্তই ললে।

২। থাই পাত ফলা আচৰণ

জাপানৰ আক্রমণৰ ভয়ত পলায়, পলাওক ; যি কৰে কৰক ; কিন্তু, কেনেবাকৈ বৃটীছৰ দুর্গতি হলে, মানদেশত ভাৰতীয়ক কৰাৰ দৰে, ইয়াতো জঙ্ঘলী এই অসমীয়াবোৰে তেওঁবিলাকৰ ওপৰত

২০২। প্রাক্ স্বাধীনতাৰ অসমৰ মুখ্যমন্ত্রী।

২০৩। মেভীছ দুন অসমৰ সর্ব্বপ্রথম মহিলা সদস্যা আৰু মহিলা মন্ত্রী।

অত্যাচাৰ কৰিব বুলি আশঙ্কা প্ৰকাশ কৰি, অনা-অসমীয়া সকল, প্ৰধানকৈ মাৰোৱাৰী বিলাকে, হিল্‌দল্‌ ভাঙি পলোৱাৰ যেনে অভিযান তুলিলে আৰু তাৰ দ্বাৰা অসমীয়া মানুহৰ ওপৰত তেনে বিধৰ অবিশ্বাসৰ ভাব এটাৰ জন্ম দিলে, বা প্ৰকাৰান্তৰে অসমীয়া সকলক বৰ্ব্বৰৰ লগৰ বৰ্ব্বৰ জাতি বুলি অভিহিত কৰিছিলে, এনে ক্ৰিয়া-কাণ্ড দেখি এই ছপনীয়া শ্ৰেণীৰ বিজতৰীয়া মানুহবোৰৰ ওপৰত ঘৃণা ওপজাত কাৰো আচৰিত হবৰ লেশ-মাত্ৰও স্থল নাছিল। সৰ্ব্বভাৰতীয় নীতিৰ ভিত্তিত গঢ়ি উঠা আমাৰ শান্তি-সেনা বাহিনীক যেন অনা-অসমীয়াৰ লুণ্ঠন-কাৰ্য্যত লগোৱাৰহে চক্ৰান্ত! এনে নীচমনীয়া ধাৰণাই যেতিয়া তেওঁবিলাকৰ অন্তৰত শিপাই পৰিল, তাৰ প্ৰতিক্ৰিয়াই সংক্ৰামক ৰোগ ধাৰণ কৰাত অনেক ডেকা ডঙুৱাৰ, এই নিমখ-হাৰামীবোৰৰ খোচৰ পৰা অব্যাহতি পাবৰ ইচ্ছা যে নহৈছিল, এনে নহয়।

৩। ভয়াতুৰ কুল

ভজোৰ দ্বাৰিকাদাস আগৰৱালাৰ দোকানত বহুত মাৰোৱাৰীৰ লগত ভেট্‌ হল। এওঁবিলাক টালি-টোপোলা লৈ ভটীয়াই যাবলৈ উদ্যত। গৰ্ভত অসমীয়া মানুহৰ প্ৰতি ভয় সোমালতহে তেওঁ-বিলাকে অসমৰ বাহিৰৰখন স্বদেশলৈ বুলি যাবলৈ ওলাইছে,—লাজ-কাজ কাটি তেনে কথাষাৰো মোক কৈ পেলালে। তেনেতে ভজো ষ্টেচনৰ ষ্টেচন মাষ্টাৰ হৰিমোহন সিঙ্গেও সমাজত যোগ দিলেহি। হঠাৎ অৰাজকতা আহি পৰিলে তেওঁবিলাকৰ কৰ্ত্তব্য কি হব আৰু যদি তেওঁবিলাকে শত্ৰুৰ লগত বিৰোধিতা কৰে, তেন্তে তেওঁবিলাকৰ পৰিয়ালবৰ্গক কেনেকৈ বচাব? এই প্ৰশ্ন সমিধান হল, "আলিবাটেদি যোৱাই আলি বাটে বাটে, পথৰুৱা বাটেদি যোৱাই পথাৰে পথাৰে, হাবিয়েদি যোৱা সকলে হাবিয়ে বননিয়ে আৰু দিচাঙেদি যোৱা সকলে নৈয়ে নৈয়ে আমাৰ টিমন বাগিচাত

একগোট হৈ কংগ্রেছে যি পন্থা দিয়ে তাকে অবলম্বন কৰিব। এয়ে বিপৎকালৰ কাৰণে আমাৰ অভয় দান।" ইতিমধ্যে তেওঁবিলাকে আমাৰ শান্তি সেনাৰ লগত একযোগ হৈ কাম কৰক, তেওঁবিলাকৰ মাজৰ পৰাও শান্তি সেনাত ভর্ত্তি হবলৈ ওলাই আহক; তদুপৰি দোকানী বিলাকেই যেতিয়া থলুৱা আমদানি আৰু ৰপ্তানিৰ বেপাৰী, তেওঁবিলাকে যেনেকৈ পাৰে তেনেকৈ নিজৰ নিজৰ বনিয়া বুদ্ধিৰ সহায়ত স্থানীয় ৰাইজৰ নিত্য নৈমিত্তিক সামগ্রী, বিশেষকৈ ৰছদ পাতিৰ যোগান ধৰি থাকিলে, ৰাইজে তেওঁবিলাকক নিজৰ কোলাৰ সন্তান যেন জ্ঞান কৰিব। দ্বাৰিকাদাস বাবুৱে টপৰাই কৈ পেলালে বোলে সকলো বঙ্গালী, মাৰোৱাৰী ভাগিলেও তেওঁ মৰিব লাগিলে ভজোতে মৰিব। তেওঁ কথা ৰাখিল।

মাৰোৱাৰী আদি ভীৰু সকলক অভয়দান দিয়া খবৰটো বীৰ সোনকালে বিয়পি পৰিল। সাধাৰণতঃ মোৰ মুখলৈ চাই কথা কবলৈ সাহ নকৰা ডেকা তেজৰ একোজনে মুখে মুখে মোক গৰিহনা দিলেহি। তেওঁবিলাকৰ মতে ঠেং ডাঙি থকাবোৰক যোৱাৰ পৰা বিৰত ৰাখি ফটা বাঁহ যোৰা নিদিয়াই মঙ্গল আছিল। যাওঁ বোলোতেই যাবলৈ নিদি কলগ্রহ ছপোৱাৰ বোলে কি লাভ? এৰা, দেশ স্বাধীন হোৱাৰ পিচত লাভৰ খাতাত কি উঠে, তাক নেদেখা জনেহে জানি থৈছে?

৪। যুদ্ধ প্রস্তুতিৰ ঠিকাদাৰ

যুদ্ধ প্রস্তুতিৰ প্রতি অসহযোগিতাৰ নীতি জনতাই মানি ললে যদিও, তথাকথিত অকংগ্রেছী শিক্ষিত সমাজৰ ডাঙৰ এক সংখ্যকে তাৰ বিৰুদ্ধাচৰণহে কৰিলে। বিদেশী সমৰ সজ্জা ঠিকাদাৰৰ (ওৱাৰ্ কনট্রেক্টৰৰ) ধুম উঠিল। আনকি অসমতে জন্ম লৈয়ো যি অসমত বিদেশী, এনে স্থায়ী বাসিন্দাৰ চামে চামে পলোৱাৰ কথা পেলাই, মাছ মাংসৰ লগতে তিৰোতাকো ভেটি দি চকুৰ পচাৰতে

লাখপতি হৈ পৰিল। তেওঁবিলাকৰ কেইবা তৰপৰো তলত হলেও মাখি-ঠিকাদাৰ স্বৰূপে অনেক অসমীয়াই যে যোগ নিদিছিল এনে নহয়।

৫। অঘৰী জাতীয়তা

এইখিনিতে মনত পৰিছে নাট্‌ছীৰ আত্মজীৱনী আৰু হিট্‌লাৰৰ 'মেইন কেম্ফ' উভয়তে প্ৰাধান্য দিয়া ইহুদী-বিৰোধী কথাবোৰলৈ। ধনৰ মায়াই ইহুদীৰ চকুত বোলে এনে চমক লগাই থৈছে যে সিবিলাকে কোনো এখন দেশকে, অন্ততৰত মাতৃভূমি বুলি মানি লব নোৱাৰে। তেওঁবিলাক ব্যবসায় বাণিজ্যত এনে মত্ত যে নিজৰ লাভৰ কাৰণে নিজে উপজি ডাঙৰ হোৱা দেশখনকে ৰণত লিপ্ত কৰাব পাৰে আৰু সেই দেশখনৰ যেতিয়া জিকিবৰ সময় হয়, তেনে সময়ত শত্ৰুপক্ষ হাৰিবলৈ হলে, সেই দেশত থকা নিজৰ বেপাৰত হানি হব যেন বুজিলে, মুৰামুৰি সময়তো নিজৰখন দেশৰ হতুৱাই অস্ত্ৰ সম্বৰণ কৰাই, দুই দেশৰ মাজত শান্তি স্থাপনাৰ বাট মোকোলাই দিব পাৰে। শত্ৰু-মিত্ৰ নেমানি সকলো দেশকে লৈ—'স্বদেশো ভুবন-ত্ৰয়ম্' ভুৱাৰে অৰ্থতন্ত্ৰীয় সাম্ৰাজ্য প্ৰতিষ্ঠা কৰাত, নাৎচী আৰু হিটলাৰৰ মতে, এই অঘৰী জাতিটো বোলে অদ্বিতীয়। সদৌ ভাৰতৰ লগত অসম ওতঃপ্ৰোতভাবে জড়িত হলেও অসমৰ নিজৰ বুলিবলৈ নিশ্চয় থলুৱা স্বাৰ্থ আছে,—যাক অৱজ্ঞা কৰি চলা অসম্ভব। ভাৰতীয় হলেও, অসমৰ লগত যাৰ স্বাৰ্থ একমাত্ৰ ধনৰহে আৰু যি সকল এনে আন্তঃপ্ৰাদেশিক ধনতন্ত্ৰীয় সাম্ৰাজ্যৰ অধিপতি, এনে জাতীয় মানুহে অসম দেশখনক ইচ্ছাকৃতভাবে বান্দৰ নচুওৱাদি নচুৱাই থাকিলেও, সেই নাচোনৰ ওৰ পেলাবলৈ "বিনাশায় চ দুষ্কৃতাং" বুলি কোনোবা অৱতাৰী পুৰুষ নোলালেহি, অসম আৰু মাতৃৰ কোলাতে ধনতন্ত্ৰীৰ ধামা ধৰা থলুৱা সকলো, নিগমে ডুবিব। মাছুৱৈৰ লগত মাছ ধৰি, মৰিয়াৰ লগত পিতল খুন্দি একে সময়তে

দেশদ্রোহী ওৱাৰ—কণ্ট্রেক্টৰ আৰু মন্ত্রীমণ্ডলীৰ চৰণৰ দাস, ভব্য গব্য এনে কংগ্রেছীয়ে, ডেৰশ বছৰৰ আগত মানে কৰিবলৈ বাকী থকা গোটেইখিনি কাম কৰি অসমৰ খটম্ পেলাব।

৬। আকাশী অভিযান

জাপানৰ সাহায্যত নেতাজী সুভাষ চন্দ্র বসু ডাঙৰীয়াই নিজৰ নেতৃত্বত ভাৰতীয় জাতীয় সৈন্য বাহিনী (আই-এন্-এ ফোর্চ) সৃষ্টি কৰিলে; আৰু এদিন আকাশ মণ্ডল আৰু ধৰণীৰ থৰহৰি কম্পুমান কৰি তিনিখনকৈ আকাশী যানেৰে ত্রিভুজৰ আকৃতি কৰি, তেনে তিনিটা ত্রিভুজেৰে একোটি ডাঙৰ ত্রিভুজ আৰু এনে ডাঙৰ ডাঙৰ তিনি ত্রিভুজেৰে বৃহৎ একোটা ত্রিভুজ, আৰু তেনে বৃহৎ বৃহৎ একোটা ত্রিভুজেৰে একে বাহিনীতে নিজ নিজ স্থানত কাকতী ফৰিঙৰ দৰে লেখ জোখ কৰিব নোৱাৰো শ শ এৰোপ্লেনে বায়ু মণ্ডলত মেঘ নমাৰ নিচিনা গোটেইখন কলা কৰি কাণ তাল মৰা অভূতপূর্ব্ব গাজনি গোমৰণিৰে আমাৰ মূৰৰ ওপৰেদি পাৰ হৈ মোহনবাৰী, নাহুৰা, চাবুৰা আদি এয়াৰ ফিল্ডত বোমা বৰশি বজ্র-পাতৰ ধ্বনিৰে তিনিকুৰি মাইল নিলগত আমি থকা ঠাইলৈকে গুম্‌গুমণি তুলিছিল; আৰু সময়ে সময়ে ভূমিকম্পৰ দৰে দেহাৰ নাচন তুলি দিছিল। সেইদিনা বোধ কৰো বিয়ল্লিশ চনৰ দহ অক্টোবৰ; তাৰ কেইদিনমানৰ পিচত আকৌ সেই একে সমৰ অভিযান। জাপানৰ বেদিয়েই সেই সময়ত আমাৰ আন্দোলনক অভাৱনীয় ইন্ধন যোগাইছিল। ডিব্রুগড়ৰ নীলমণি ৰৰঠাকুৰৰ গ্রেপ্তাৰৰ খবৰো আমি প্রথমে জাপানৰ পৰাহে পাওঁ।

৭। অগুণকাৰীৰ দেশত্যাগ

ৰাখে হৰি মাৰে কোনে—বুলি থকা খাৰ খোৱা আমি অসমীয়া-মখাক নেওচা কেওচা দি এৰি বাকী অলেখ আতঙ্কিতৰ অসম ত্যাগ

অভিযান অবিৰাম গতিত চলিবলৈ ধৰাটো জাতীয়তাৰ দৃষ্টিপটৰ সিপিঠিৰ ছবি। ইপিনে মুখ কৰোতে চকুত ধূলি পৰাত সিপিনে মুখ কৰি সাৰিব খোজোতে আকৌ যি দুর্দ্দশা ঘটে, কলিকতা চহৰতো জাপানী বোমাৰ ৰৱণষত ভগনীয়া সকলৰ একে দুগতিয়েই হবলৈ ধৰিছিল। অদ্ভুত কথা যে সেই একে সময়তে বহিৰাগত মুছলমানৰ সোঁতো অসমলৈকেহে অবাধ গতিৰে ৰবলৈ ধৰিলে। এইবাৰ আনকি লখিমপুৰ, মঙলদৈ আদিতো খুটি পুটিলেহি। যিবিলাক অনা অসমীয়াই অসম এৰি পলাল, সিবিলাকৰ এৰি যোৱা মাটীবাৰী সম্পত্তি অটুট থাকিল। এইবোৰ পমুৱা মুছলমানক নাই দিয়া। ন পমুৱা বিলাকে অধিকাৰ কৰিলেহি লাইল চ্যুৎ হোৱা অসমীয়াৰ ভাগৰ মাটীবোৰ; তদুপৰি গ্রেজিংবোৰ।

৮। অনাটনি

কিবা নহয় কিবা একোটা লেঠাত ঘনাই গুৱাহাটীলৈ যোৱা হৈছিল। ত্যাগবীৰ হেমচন্দ্র বৰুৱা দেওৰ লগত প্রতিবাৰতে দেখা হৈছিল। বৰুৱা দেওৰ পৰামর্শ মতে অযথা গ্রেপ্তাৰ নহৈ অতি সতর্কতাৰে কংগ্রেছৰ লগত সহযোগিতা ৰাখি চলিলেহে আমালোকৰ লেখিয়া সকলৰ পক্ষে কংগ্রেছৰ প্রতি কর্ত্তব্য পালন কৰা হব। প্রভুৰ চৰণে তেনে সুযোগ মিলায়ো দিলে। অজিৎ চন্দ্র গগৈ, প্রিয়নাথ বৰুৱা আদিৰ ইজনৰ পিচত সিজনক ধৰি নিয়া অনুযায়ী, ইজনৰ পিচত সিজনকৈ ক্রমশঃ জিলা কংগ্রেছ কমিটিৰ ভাৰপ্রাপ্ত প্রধান বিষয়া হোৱা লগে লগে প্রতিবাৰতে আমাৰ ফালৰ পৰা যথা সম্ভৱ ধন সংগ্রহ কৰি দিব লগা হৈছিল। কংগ্রেছী আলহীৰে কেইমাহমান ঘৰখনো ভৰপুৰ। জয়ন্ত বৰুৱা আদি পঢ়া লৰাৰ দলে আমাৰ নাম কৈ সোনাৰী থানাৰ ভাৰ প্রাপ্ত বিষয়া প্রমিলাৰঞ্জন দেৰ পৰাও ৰৱঙনি তুলিছিল। স্থানীয় ভাবে হাতেৰে ঢুকি পোৱা অঞ্চলত বিৰিঙি উঠা পয়চা কেটাই এইদৰে শিৰসাগৰলৈ বাট বোলাত

মাহমৰাৰ (কাকতীৰাৰীৰ) প্রাথমিক কংগ্রেছখনৰ খৰছৰ যোগান ধৰাটো এটা সমস্যা হৈ পৰিল। ঘটনা চক্রই এনে পাক লয় যে, কেতিয়াবা হয়তো সাজ লাগি ভাগিছেহে, এনেতে খবৰ আহিল বোলে অমুক তমুক ঠাইৰ পৰা ইমানখিনি সিমানখিনি স্বেচ্ছাসেৱক কংগ্রেছ অফিছ পাইছেহি ; ৰছদ পাতিৰ পিনে হলে উদং। কিবা ব্যৱস্থা কৰিবই লাগিব। খৰছৰ তুলনাত মেনেজাৰ হাকিমৰ ছকুৰি টকা আয়েৰে পিতৃ মাতৃ থকা খন এখন আৰু বাগিচাত, নিজৰ বুলি থকাখন, এই দুখন ঘৰৰ খৰছৰ উপৰি আন সকলোৰে দৰে স্কুলীয়া-খৰছ আদি লেখ-জোখ নোহোৱা সাংসাৰিক লেঠা মাৰি চলা অসম্ভব হৈ পৰিছিল। শেহান্তত ভজোৰ দ্বাৰিকাদাস আগৰৱালাক যি হেণ্ডনোট দিয়া হল, কংগ্রেছৰ পৰা কোন সূত্রে কেনেকৈ এই ধাৰ পৰিশোধৰ ব্যৱস্থা কৰিব পাৰি তাৰ উৱাদিহ নেপাওঁতেই সেই কথা তল পৰিল যদিও চক্রবেহু সূদৰ হেণ্ডনোট সলাই থকাৰ পৰা পৰিত্রাণ পোৱা নগল।

৯। চৰকাৰী ঘৰত কংগ্রেছ পাতকা

গোহাঁই গাওঁখনত কংগ্রেছ-কর্ম্মী এজন মাত্র আছিল। মাহমৰাৰ ভিতৰত এই এখন গাৱেঁই কংগ্রেছ বিৰোধী আছিল। কংগ্রেছ কার্য্যালয়ত সকলো সময়তে মানুহৰ ৰৰ ভিৰ্। ভিতৰুৱাকৈ বহুত সভা সমিতি টিমনত, এই অভাজনৰ বাসাতে বহিছিল। ওচৰ ছাপি আহিল এঘাৰ চেপ্তেম্বৰৰ সেই দিনটো, যি দিনা চৰকাৰী কার্য্যালয়ত কংগ্রেছ-পাতাকা তুলি সেই স্থানখন যেন কংগ্রেছৰ অধিকৃত এনে দৰে মানিব লাগিব। এই অঞ্চলত তেনে ঘৰ হল, সোনাৰীৰ থানাখন। সকলো কার্য্য-পন্থাৰ বিষয়ে মিমাংসা কৰিবলৈ আগদিনা স্থানীয় আৰু বাহিৰৰ কংগ্রেছ কর্ম্মীৰ বুজন দল এটা মোৰ ওচৰলৈ বুলি আহি বাগিচাৰ কর্ম্মচাৰী সকলৰ নিবাসত সোমাইছেহে, এনেতে প্রমীলা বঞ্চন দেই কনিষ্টবলৰ সৈতে মোৰ ঘৰ পালেহি।

এওঁ আহিছিল, পিছদিনা পুলিচ ষ্টেচনলৈ পাতাকা লৈ মানুহ যোৱাৰ কিবা যো যা কৰা হৈছে নেকি আৰু যদিহে হৈছে সমদলটোত কিমান মানুহ যোৱাৰ সম্ভৱ, তাৰ উমান লবলৈ। অথচ সেইখিনি কথা মোৰে অবিদিত। তেওঁৰ পৰা বুজিলো যে সোনাৰী থানাৰ কনিষ্টবল আঠজন মাত্ৰ আৰু ইয়াৰ ভিতৰতো একে সময়ত দুজনৰ অধিক থানাত নেথাকে।

১০। দৃঢ় সংকল্প

দে যোৱাৰ পিচত মুখিয়াল কংগ্রেছ কৰ্ম্মীৰ ডেকা দল এটি ওলালহি। তেওঁবিলাকে সোনাৰী পুলিচ থানাৰ ঘৰটোৰ ওপৰত কেনেবাকৈ তুলিব নোৱাৰিলেও, থানাৰ চাবি ঢাপৰ ভিতৰৰ কোনো এচমকা ঠাইত পাতাকাখন গুজিবৰ ইচ্ছা কৰে। সোনাৰীখন আন্দোলন সম্পৰ্কে উদাসীন। স্থানীয় সহায় সহানুভূতিৰ আশাও নাই। পুলিচে খুন্দিয়াই আধামৰা কৰিলেও শুশ্ৰূষাৰ কাৰণে তাত মানুহ যে ওলাবহি, তেনে আশা কৰাও টান। এনে স্থলত য'ত মানুহৰ হিয়া কোমলাৰ নোৱাৰি তাত সত্যাগ্রহ অবান্তৰ। এয়ে আছিল থুল মূল কথা। মোৰ কথাৰ মূৰতে সুৰেন্দ্র নাথ মিশ্রই গোঁৰ্‌গোৰাই উঠিল বোলে "যিহেই নহঁক লাগে, আমি কাইলৈ সোনাৰী থানাত পাতাকা তুলিহে এৰিম।"

১১। ঢাক-ঢুক্ নাই

তেতিয়া হলে কৰ্ম্মী সকল কেবাটাও সমদলত বিভক্ত হৈ আগবাঢ়ি থানাতহে একগোট হব লাগিব। এই পৰামৰ্শ আগ-বঢ়াওতে বুজাৰ লগীয়া হোৱাত কোৱা হল যে এদলে পূৰপিনৰ পৰা বজাৰৰ ফালৰৈ যাব; তাকে দেখি পুলিচ নিশ্চয় আগ-বাঢ়ি আহিব। এনেতে দ্বিতীয় দলটোৱে জয়ধ্বনি তুলি ডাক-ঘৰৰ ফালৰ পৰা কদমত আহিব; এই দললৈকো চোঁচা দি পুলিচৰ দলটোও দুভাগ

হওঁতেই, তৃতীয় দলটো ভজোৰ ফালৰ পৰা গলে, তিনি ফালে আঠোটা মাত্ৰ পুলিচৰ মানুহে ব্যতিব্যস্ত হৈ থাকোতে, চতুৰ্থ দলটিয়ে জবকাৰ ফালৰ পৰা চিয়ঁৰ বাখৰ নকৰাকৈ আহি সহজে থানা সোমাই জয়ধ্বনি তুলি কংগ্রেছ-পাতাকা উত্তোলন কৰিব পাৰিব। প্রস্তাবটোত প্রায় সকলোৱে 'হয়' দিলে, এনেতে ঘপবাই উঠি উমা কোঁৱৰে সগর্ব্বে কবলৈ ধৰিলে "আমাৰ কংগ্রেছত ইমানবোৰ ফাক্ ফুক নেখাটিব। গোটেইখিনি লগ লাগি চিধা যাম। —আঠোটাহে নেলাগে যিমানবোৰ পুলিছেই লাগে ধৰকহি। ঘাইল হলে-হম। মৰিলেও মৰিমহঁক। তথাপি এটা নহয় এটাই এখন নহয় এখন পাতাকা, জকৰ জকৰ পুলিচৰ থানাত গুজিহে এৰিম।" এই বীৰৰ নিচিনা দাম্ভিকতা-পূৰ্ণ হুঙ্কাৰে মোক নিমাত কৰিলে। উমা কোঁৱৰ মাহমৰাৰ নহয়, লাকুৰাৰ। তেওঁৰ পৰিচয় তেওঁৰ এই মাত কেষাৰেই প্রথম দিছে। তেওঁ ফৌজত যাব, মোৰ যোৱা নহয়; গতিকে তেওঁৰ কথাৰ মূল্য বেচি। সময়ে যে মোৰ ব্যুৎপত্তিক বঁহীয়া কৰি পেলালে, তাক বুজিবলৈ বেচি বেলি নেলাগিল।

১২। মাহমৰা কংগ্রেছৰ সেনা-বাহিনী

পিচদিনা কংগ্রেছ অফিছৰ সমুখৰ মুকলি ঘাহনিত তিনি চাৰি কুৰিমান ডেকা-ডঙুৰাৰ প্রকাণ্ড ফৌজ এটা দীঘলকৈ দুশাৰীত সৈনিকৰ দৰে ঠিয় দি সাজু হৈছে, এনেতে আমি পাইছোগৈ বায়-চায়কোল কোবাই। আমাৰ নিচিনা দর্শক বহুতো। সুৰেন্দ্র নাথ মিশ্রই এটি উদ্দীপনাময় বক্তৃতাৰে অকল ফৌজটিকে নহয়, উপস্থিত দর্শক বৃন্দকো উত্তেজিত কৰি তুলিলে। সকৰে পৰা পাইছোঁ, নিজৰ পৰা যেনেকৈ,—এই সুৰেনটিক; কিন্তু ইমানখিনি তেজৰ সম্বল তেওঁৰ গাত আছে বুলি এয়েই প্রথম বুজিব পাৰিছো। তাৰ পিচত যথা-বিধি মতে মিশ্রৰ নায়কত্বতে গিৰিপ্ গিৰিপ্ কৰি দলাটো কদমত ওলাল। দিচাঙৰ ভজো ঘাটৰ খৰালিৰ দলংখন হেলাবঙে পাৰহৈ

সোনাৰী অভিমুখে আগুৱাই গল। বুকুৰ ধৰফৰণিবে মই আৰু পিচ নললো।

১৩। হোৱাটো হবই

শুনাত সোণাৰি থানাৰ ভাৰপ্রাপ্ত বিষয়াজনৰ তেনে তৎপৰ হবৰ আৱশ্যক নহল। কনিষ্টবলকেজনৰ সৰহ সংখ্যক আহোম লীগীয়া হোৱা হেতু সত্যাগ্রহীৰ দলটোৰ যাক যত যেনেকৈ পালে তাক থিতাতে টঙনিয়াই টঙনিয়াই ধৰাশায়ী কৰিলে। ত্রিৰঙ্গ-পাতাকাধাৰী সুৰেণ মিশ্র, উমা কোঁৱৰ, দুবৰ বাইলুং আৰু পানীৰাম গগৈক থানাখনৰ জপনামুখতে গুৰুলা গুৰুলকৈ কিলাই গ্রেপ্তাৰ কৰিলে। পাতাকাৰ দশা কি ঘটিল, জানে কর্ত্তা, জানে কর্ম্ম, জানয় ঈশ্বৰ।

অৱশ্যে ঢেকীয়াজুলী আদিৰ তুলনাত সোনাৰী থানাৰ নন্দী-ভৃঙ্গী সকলে বিশেষ উল্লেখযোগ্য যে কিবা কৰিব পাৰিলে মনে নধৰে। পাতাকা বক্ষা কৰিবলৈ যাওঁতে ভোগেশ্বৰী ফুকননীয়ে, গহপুৰৰ কনকলতাই আৰু ঢেকীয়াজুলীৰ খহুৰী নাথনী আদি আই সকলে আৰু তাৰ উপৰিও পুৰুষৰ ভিতৰত গহপুৰৰে মুকুন্দ কাকতীয়ে আৰু ঢেকীয়াজুলীৰ মনৰৰ কছাৰী, মংলু কর্পু, মণিৰাম কছাৰী, ৰতন নাথ আদিয়েও বুকু পাতি নৃশংস পুলিচৰ গুলী অকাতৰে গ্রহণ কৰি আত্মবলিদানৰ দ্বাৰা অমৰত্ব লাভ কৰিলে। এই স্বহীদ সকল চিৰনমস্য।

অহিংস অসহযোগী আনকি অবলা সকলৰো বধৰ মহাপাতকীয় কথা ঢাকিবলৈকে হবলা অসম চৰকাৰে নিৰপৰাধী কুশল কোঁৱৰক অপৰাধৰ জালত পেলাই ফাঁচী দি মাৰিলে; সমসাময়িক ভাবেই কমলা মিৰি ঢুকাল যোৰহাট জেলত।

চৰকাৰৰ অত্যাচাৰৰ নমুনা স্বৰূপেই এই পুঠিৰ শেষত দ্বিতীয় পৰিশিষ্ট এখনি সন্নিবিষ্ট কৰা হল।

১৯২১ চনত অসমীয়া মহিলাৰ জাগৰণৰ যি সূত্রপাত হল ১৯২৯ চনৰ পৰা তাৰ দ্বিতীয় অধ্যায়ৰ সূচনা কৰিলে, তেখেত সকলৰ কাৰাবৰণে। সন্তর চন্দ্রপ্রভা শইকীয়ানীয়েই এই ক্ষেত্রত প্রথম নেতৃত্ব লৈছিল। ১৯৪২ চনত যে পুষ্পলতা দাস আদি অনেকে কাৰাবৰণ কৰিলে।

১৪। বনবিভাগৰ বঙলা

কিবা কাৰণত এদিন ৰাতি একমান বজাতহে টিমন পাইছোহি। ধল পুৱাতে লীলা চলিহাই সুধিলেহি ৰাতি হিলৈ ফুটাৰ নিচিনা কিবা আওৱাজ ময়ো শুনিছিলো নে নাই। ৰাঙলী ৰিজার্ভৰ বঙলাটোত বোলে লাডু (বেণু হাজৰিকা), লীলা গগৈ আদিয়ে জুই দিলে। লগত আন বয়সীয়াল মানুহৰ কথা বাদেই, লক্ষী কাকতী নে এনে নামৰ যিজন মানুহ তেতিয়া তাত জিলা কংগ্রেছ অফিছৰ তৰফৰ পৰা আছিল, তেওঁ নগল। অথচ বুদ্ধি-সন্ধি সকলো বোলে তেওঁৰে।

অলপ পিচতে জংঘলী পিয়নটি ওলালহি। তেওঁ বোলে ঘৰত জুই দিয়া খবৰটো তেওঁবিলাকৰ অফিছত দিবলৈ যায়। মই বোলো "ঘৰত জুই লগোৱা বুলি তোমাকহে ধৰিব লাগিব।" বোলে তেওঁ টোপনিৰ পৰা খক্‌মক্ কৈ উঠি দেখে যে জুই লাগিলেই; —পুৰি যে নমৰিল সেয়ে বহুত। "কোনেনো এনে অকার্য্যখন কৰিলে" বুলি শুধিলত আচৰিত হৈ মোলৈ চাই কলে,

"এঃ হাকিমে জানেই দেখোন। হাকিমৰ হুকুম নেপালেনো এনে কথা হব পাৰেনে?"

"বোলে, জুই লগোৱা মানুহটোৰ নামটোকে কোৱাঁছোন।"

"আকৌ দেখোন হাকিমে মোলৈকে ঠেলিয়ালে?—সেই যে লাডু[২০৪] আৰু নীল?—এওঁবিলাকেই।" "তোমাক কলে কোনে?"

২০৪। বেণু হাজৰিকাৰ উপনাম।

"মই দেখিছোঁৱেই দেখোন। জুই আকাশলৈ ওখ হৈ গৈছে মানে গোটেইখন ভকভকীয়া পোহৰ হৈ পৰিছে। ইপিনে মুকলি পথাৰ। তেওঁবিলাক এই পিনে ঢপলিয়াই আহিছে নহয়? সেই বাটে বাটেহে ময়ো আহিছোঁ। তেওঁবিলাকে কনমুছলমানৰ বাৰীত সোমাই গছৰ ডাল ভাঙি বোলে চকলাটেঙা খাই আহিছে।"

মই থৰ লাগিলো।

পিয়নটোক ভয় খুৱাবৰ মনেৰে গল্প আৰম্ভ কৰিলো, "বুজিছা, তুমি সাইলাখ মোক কোৱাৰ দৰে কলে মৰিবা আৰু। সিদিনা নগাঁৱত এজন মানুহে এনেকৈ ৰিপোৰ্ট দি আহিলেহে, লাডু, নীলৰ নিচিনা এজাকে তাক নাদলৈ সকৰাই দি ঠিয়ৈ ঠিয়ৈ পুতি পেলালে। পুলিচে বিচাৰি চুলাংপাত কৰিছে, পিচে পায় ক'ত? সেই এঘৰ মানুহ নিগমে মৰিল। ইহঁততো সঞ্জাৎ নাই। তুমি তেনেকৈ ৰিপোৰ্ট দি নিজৰ মৰণ নিজে নিচিন্তিবা। কবা বুলি 'টোপনিত লাল কাল দি পৰি থাকোতেই দপ্ দপ্ কৈ জুই উঠি আকাশ চুব লগীয়া হওঁতেহে দেখিলো। কেনেবাকৈ হে প্ৰাণটি লৈ সাৰিলো।' —বচ। কোনে এনে কৰিলে জানিবলৈ কিবা তুমি সৰবজান নে?"

কোন গোঁসায়ে আখ্যানটোৰ কল্পনা দিলেহি, নাজানো; কথাৰ কিন্তু আখৰে আখৰে গুণ ধৰিলে।

১৫। কুলধৰ চলিহা

দেবানন্দ ভৰালী[২০৫] টিমন টি কোম্পানীৰ মেনেজীং ডিৰেক্টৰ। গতিকে কেইদিনমানৰ কাৰণে বাগিচালৈ আহিছে। সেই লগতে কুলধৰ চলিহা ডাঙৰীয়াও মোৰ মৰমত ওলালহি। সেই সময়ত চলিহা ফাটকৰ বাহিৰত থকাৰ কাৰণে কিছুমানে বোলে তেওঁৰ বিষয়ে ৰটনা কৰিছে। এই গাওনিবোৰ যে কিমান অমূলক তাক

২০৫। প্ৰাক্টন চৰ ডেপুটী কলেক্টৰ।

বুজাওতে কৈছিল বোলে ৰক্ত-চাপৰ কাৰণে তেওঁ যুদ্ধ-বিৰোধী সত্যাগ্রহত অংশ গ্রহণ নকৰাত মহাত্মাজীৰো হেনো সমর্থন আছিল ; এইবাৰ আকৌ তাৰ লগতে জুমুৰি দি ধৰিলেহি ধাৰৰ বাবদ ওলোৱা ডিক্রীজাৰী আদিয়ে। কিন্তু প্রায়বিলাকে তেখেতক ভুল বুজিলে !

এই ভুল বুজাৰ প্রসঙ্গত ৰহস্যপূর্ণ ঘটনা এটিৰ উল্লেখ কৰা বোধকৰো অবান্তৰ নহব। যুদ্ধৰ দিনত, প্রধানকৈ নগৰীয়া অঞ্চল-বিলাকত, শত্রুৰ আক্রমণৰ সময়ত গা বচাবৰ নিমিত্তে ঘৰে ঘৰে কৰাৰ উপৰিও, হাটকৰা বাটকৰা মানুহেও ৰক্ষা পাবৰ কাৰণে, ঠাই চাই চাই প্রাণ বচোৱা একা-বেকা গাঁত (ছেল্টাৰ) কৰা হৈছিল : হঠাৎ যাতে বিকুলৰ (চাইৰেণৰ) মাত শুনাৰ লগে লগে সেই গাঁত বোৰত নিগণি, এন্দুৰৰ দৰে লুকাই আত্মৰক্ষা কৰিব পৰা যায়। কেতিয়াবা কেতিয়াবা বাইজনো দৰাচলতে কিমান সাজু থকা উচিত, তাৰ কচৰতৰ মর্ম্মে ভুৱা আক্রমণৰ প্রচেষ্টা দেখুৱাই, এই বিষয়ে সচেষ্টাৰ নমুনা চোৱা হয়। এই সন্দর্ভত এদিন ওপৰে প্লেন উৰুৱাই যোৰহাট নগৰৰ মানুহক সতর্কতাৰ প্রণালী শিকাব লগিয়াত পৰিল। মিউনিচিপেলিটীৰ চেয়াৰমেন প্রসন্ন কুমাৰ বৰুৱাই[২০৬] ঢোল পিটি নাগৰিক সকলক শুনাই দিবলৈ আদেশ দিলে যে ৰাতিকৈ ভুৱা আক্রমণ হলে মানুহবিলাকে যাতে ভয় নেখাই চেল্টাৰত[২০৭] সোমাব। ঢোল বজোৱা মানুহটোৱে কথা বিপৰীত বুজি ঢোলৰ চেৰে চেৰে শুনাই দিলে যে ৰাতিলৈ আক্রমণ হলে মানুহ হুঁচিয়াৰ থাকিব। শুনি নাগৰিকসকল ভয়ত ত্রাস্তমান হল। লৰা-তিৰোতা লগত লৈ যি যেনিয়ে পাৰিলে তেনিয়ে পলাবলৈ ধৰিলে।

দেশৰ নেতাৰ দল জেলত, কিন্তু এশ জালুকৰ মূল কুলধৰ চলিহায়েই বাহিৰত। বিপৎকালৰ বুদ্ধি এষাৰৰ কাৰণে পৰমেশ্বৰে

২০৬। যোৰহাটৰ চাহ খেতিয়ক প্রসন্ন বৰুৱা।

২০৭। Shelter.

কৃপা কৰি তেওঁক জেলৰ বাহিৰত থৈছে, তাকে ভাবি পৰামৰ্শৰ কাৰণে দলে দলে মানুহ চলিহাৰ ঘৰ পালেগৈ। পিচে, চলিহাৰ ঘৰ উদং! বোলে "ঢুলীয়াৰ আতাহৰ পিচতে ঘৰৰ সকলোকে লৈ মালিক কেনিবাদি গল।" খণ্ডত একোনাই হৈ এওঁবিলাকে দেখিলেহি যে তেওঁবিলাকৰ হে দেৰি। হোঁহোঁৱাই মানুহ নগৰৰ বাজ ওলাইছে। গৰুগাড়ী একোখনো পাবলৈ নাই। কৰবাত লোকক বাহিৰত এৰি থৈ ঘূৰি অহা একোখনৰো ভাৰা জুই চাই। এখন সদৰ ঠাই। সিও ফোনৰ একেলুৱা। লাউড্‌স্পীকাৰৰ তো মানুহে নামেই শিকা নাই। কংগ্রেছ সেৱক সকলে প্রচাৰকার্য্যত গ্রামোফনৰ হৰ্ণকে ব্যবহাৰ কৰিছিল। মাহমৰাত যে গ্রামোফনৰ হৰ্ণে বাতি-বাতিৰ প্রচাৰকার্য্যত বৰ গুণ দিছিল। চৰকাৰৰ প্রচাৰৰ বীতিত ঢোল কোবোৱা তেতিয়াও চলিয়েই আছিল। গতিকে পৌৰ সভাতো। সেয়েহে এই উৎপাতখনৰ সৃষ্টি।

১৬। চলিহা বাচিল

যিদিনাৰ বাতিৰ বেলত চলিহা আৰু ভৰালী যোৰহাটলৈ বুলি ওভটে, সেইদিনা গধূলিয়েই লংপটীয়াৰ মিলিটেৰী গুদামত অগ্নিদাহ। আকাশলঙ্ঘী এই জুইৰ পোহৰ হয়তো ভজো ষ্টেচনৰ পৰা তেওঁ-বিলাকে দেখিছিল। পুৱাই পুলিচৰ প্রবেশ। এই অকার্য্য সাধনৰ ব্যৱস্থা কুলধৰ চলিহাৰে বুলি পুলিচৰ সন্দেহ উপজিল। কবলৈ গলে ঘৰ জ্বলোৱা, বেল পেলোৱা আদি ধ্বংসাত্মক কার্য্যৰ মই সম্পূর্ণ বিবোধী আছিলো। চলিহাও, একেই। তদুপৰি স্থানীয় কর্ম্মীৰ কার্য্যালয়লৈ চলিহা যোৱা নাছিল। গতিকে পুলিচৰ আশঙ্কা যে তেনেই অমূলক, পুলিচক বঢ়িয়াকৈ বুজাই দিলো।

এই ধ্বংশাত্মক ঘটনাটো কাকতীৰ নির্দ্দেশমতেই বেণুধৰ হাজৰিকা, নীলকান্ত গগৈ, চেণীৰাম গোহাঁই, শ্রীকণ্ঠ দেওঘৰীয়া আৰু ৰূপধৰ খামনৰ দ্বাৰা সংঘটিত হল। লৰা কেজনে ফটা বাঁহত ফটাকানি

মেৰিয়াই কৰা আৰিয়াত জুইচলা কাঠি মাৰি সেই খেৰৰ ঘৰটোৰ ছাললৈ দলিয়াই অগ্নিসংযোগৰ ব্যৱস্থা কৰিয়েই সেই ফালে পিঠি দি দিচাং নৈলৈ পোনাই, মাজে মাজে একোবাৰ পিচলৈকো চাই, চেকুৰ দিলে। সিহাতে হাতত লাঠী, টাঙোন, দা আদি লৈ শান্তি-সেনা আৰু গাওঁৰ মানুহ, তদুপৰি ৰেল লাইনৰ প্ৰহৰী, সকলোৱে জুই কুৰালৈ পোনাই ঢাপলি মেলিছে। "হেৰওঁ কটা কোন বাঘে-খোৱাই এই কামোৰ মাৰিলি ঔ?" "বোলো ধঁৰ্, ধঁৰ, ধঁৰ পলৰীয়াক"—আদি শব্দ যিমানেই পলৰীয়া লৰাকেজনৰ কানত পৰিছে সিমানেই তেওঁবিলাকে থৰ কাচুটি এৰি উফৰি আহোঁতে জেতুলিপকাৰ আঁচোৰত তেওঁবিলাকৰ কাপোৰ কানি ফাটি বিবস্ত্ৰ হোৱাৰ লগতে গাত তেজে তুংৰলি বান্ধিলে। আকৌ সাজপোচাক কিনি লৰাহঁতক সজাব লগীয়া হল। এই কাৰ্য্যতো কাকতীৰ নেতৃত্ব বুলিবলৈ পৰামৰ্শহে, নিজে বিপদৰ ভাগ লোৱা নাছিল। এতেকে তেওঁৰ নেতৃত্ব পৰিহাৰ কৰিবলৈ দিয়া হল।

১৭। ৰেল-পেলোৱা

তনুশ্যাম গোস্বামীয়ে প্ৰায়ে লগ ধৰেহি। চচিয়েলিজিম্ আৰু কমিউনিজম্ সম্পৰ্কে ইমান পঢ়া ডেকা আগতে কৰ লগ নেপাই-ছিলো। এচীয়া-ইউৰোপৰ ঐতিহাসিক জ্ঞানো কম নাছিল। গতিকে, আহিলে সদায় ভালকে পাইছিলো।

এদিন এদাল ডাঙৰ ৰেন্সি[২০৮] বিচাৰিলেহি, বোলে সেই ৰেন্সি টিমনৰ কলঘৰত আছে আৰু তেওঁক দিব লাগে,—লাকুৰাৰ ওচৰত কোনোবা কেকুৰী এটাত ৰেল পেলাবলৈ; সহকৰ্ম্মী কেজনৰ নামো নিঃসংশয়ে কৈ পেলালে। ৰেল পেলোৱা কথাটোৰ যে মই সম্পূৰ্ণ বিৰোধী, তেওঁক কিবা কাৰণত কবলৈ সাহ নহল। কিন্তু তেওঁক কলো যে টিমনৰ কলঘৰত থাকিলেও, তেনে এডাল ৰেঞ্চি দিব

২০৮। Wrench.

পৰা অসম্ভৱ। পিচে নিজৰ পৰাই নগদ দহ টকা দিয়া হল, তেনে ৰেঞ্চি এডাল সেই পয়চাৰেই কিনি লৱলৈ। পিচদিনা মই ৰৱ-ৰামৰ ফালে চাইকোলেৰে গৈ আছোঁ; সম্মুখত তেওঁক দেখি ৰলো; টান ৰদ; হাতত ছাতি এটা থাকোতেও মূৰত ৰ'দটো লৈ অহা দেখি অলপ কিবা কওঁতেই তেওঁ ছাতিটো অলপকৈ মেলি মোক দেখুৱালে। ভিতৰত প্ৰকাণ্ড এডাল ৰেঞ্চি!—ৰোলে তেনেই জোখৰে, গতিকে দিনে বাৰে কৈ থৈ গল, কোন দিনা লাকুৱাৰ ওচৰত ৰেল পেলাব আৰু কোন দিনা নামতি আলি ষ্টেচনৰ ওচৰতো। প্ৰত্যেকটো ঘটনাৰ পিচে পিচে আহি প্ৰমাণ দেখুৱাইছে, যেনেকৈ পাঙিছিলে তেনেকৈ যে যথা দিন-বাৰত কাৰ্য্যসিদ্ধি কৰা হল। লগত "ডেকা" উপাধৰি দুজন ডেকা আছিল। তাৰ ভিতৰত এজন পিচত ঘোৰ কমিউনিষ্ট হৈ পৰিল। কিন্তু এওঁবিলাকৰে কোনোবা এজনৰ মুখৰ পৰা চৰকাৰৰ ফালৰ কোনোবাই উহ্-উলিয়াই তনুশ্যাম গোস্বামী, ডবাৰ ফালৰ মুছলমান এজন[২০৯] আৰু বনমালী বাগিচাৰ কৰ্ম্মচাৰী এজনক গ্ৰেপ্তাৰ কৰিছিল। গোস্বামীয়েও তেতিয়া বনমালীত কিবা চাকৰি এটাৰ আলমত আছিল হব পায়। বহুত দিনৰ পিচত গোস্বামীক পাওঁতে তেওঁ চেপনৰ মাইনৰ স্কুলৰ হেড্ মাষ্টাৰ, কিন্তু কমিউনিজিমৰ কথা তেতিয়ালৈ বাদ দি পেলালে যেন লাগিল। বনমালীৰ মালিক আশাশুধীয়া কংগ্ৰেছী বিমলা চলিহা তেতিয়া ৰাজ-অতিথি, যোৰহাট জেলত।

১৮। আটকৰ অভিসন্ধি

সোনাৰী থানাৰ ওপৰৰ পুলিচ ইনস্পেক্টৰ জনে বোলে মোক কিবা উপায়ে এৰেষ্ট কৰিবলৈ দে'ক আদেশ দিছিল। তেওঁৰ মতে বোলে পতাকা উৰাবলৈ যোৱা কংগ্ৰেছ ফৌজটোক ভজোত আগ-

২০৯। মহম্মদ আলি হব লাগে।

বঢ়াই থোৱাৰ পৰা লেচু উলিয়াই মোক আতক কৰিব পৰা যায়। দেই হেনো কৈফিয়ৎ দিলে বোলে যিজন মানুহৰ হাতত কংগ্রেছৰ বেয়া মানুহবোৰে দম্ লৈ আছে, সেইজন মানুহকে ধৰি এই অঞ্চলটোলৈ অৰাজকতা আনিব নালাগে। কথাখিনি দেৰ মুখৰ পৰা হে শুনা। সেই দিনা তেওঁ আহিছিল খানা-তলাচী পাৱৱানা হাতত লৈ মোৰ ঘৰৰ পৰা শঙ্কৰ চন্দ্র বৰুৱা এম-এল-এ আৰু লক্ষ্মীপ্রসাদ গোস্বামীক এৰেষ্ট কৰি নিবলৈ। এওঁবিলাক দুয়োজনে গ্রেপ্তাৰী ওৱাৰেণ্ট উলঙ্ঘা কৰি অজ্ঞাত বাসত আছে। যিদিনা পুলিচে এওবিলাকক বিচাৰি যায়, সেইদিনা মোৰ ঘৰত হেম গোহাঁই (পিচত ডিব্রুগড়ৰ উকীল) আদি দুই এজন নথকা নহয়, কিন্তু শঙ্কৰ বৰুৱা হলে তেতিয়ালৈকে মোৰ কাষ ছপা নাই আৰু লক্ষ্মী-প্রসাদ গোস্বামী[২১০] (পিচলৈ এম্-এম-এ) মোৰ অপৰিচিত। সেই সময়ত সোনাৰীত চব-ডেপুটী কলেক্টৰ আছিল, চন্দ্রমোহন গোস্বামী। কিবা কিবি কথাত তেওঁ ঘনাই টিমনলৈ গৈছিল। তেওঁ লক্ষ্মী-প্রসাদ গোস্বামীৰ অতি আপোন। ইয়াৰ ওপৰতে কিবা কল্পনা কৰি লৈ, পুলিচৰ সন্দেহ চলিছিল বুলি চন্দ্রমোহন গোস্বামীৰ ধাৰণা।

বাহিৰৰ বাৰান্দতে আমি দুয়ো চাহ-জলপান খাই কথা পাতি-ছিলো, চিপাহীকেজন কিছু নিলগত। কিবা এটা মৰ-সাহসত মই পুলিছ অফিছাৰ জনক ঘৰৰ ভিতৰখন চাই পেলাবলৈ কলো; বোলো, "মই কাকো একো জানিব নিদিওঁ, মই নিজে ভিতৰলৈকো নেযাওঁ, আপুনি ভিতৰ সোমাই য'ক, যত যি মানুহ দুনুহ যেনেকৈ আছে, তেনেকৈ থকাতে চাই চিতি আহঁক। যদিও মোৰ ঘৰত শঙ্কৰ বৰুৱা বা লক্ষ্মী গোস্বামীৰ কোনো নাই, তথাপি আপনাৰ লগত যদি এনে কোনো আছে, যি তেওঁবিলাকক চিনাক্ত কৰিব পাৰে, তেওঁকো লৈ বলক।" কথাখিনি কওতে মাতটোও ডাঙৰ হৈ গৈছিল। কনিষ্টবল কেটায়ো নিশ্চয় শুনিছে। তথাপি দেই

২১০। পিচলৈ মন্ত্রী।

"আপুনি যেতিয়া নাই বুলি জানে, নিশ্চয় নাই বুলি মই মানি লৈছো। এয়ে খানা-তালাছ" বুলি এৰি গল।

১৯। চোৰাং চোৱা

কেইদিনমানৰ পিচত ওচৰ সম্বন্ধীয়া এজন হঠাৎ আলহী হৈ বিনাশোধে বাহিৰে-ভিতৰে যেনিয়ে মন যায় তেনিয়ে এনে কৈ ওলাই-সোমাই ঘূৰি ফুৰিছে, যেন আমাৰ পৰম আত্মীয়তাৰ খাটিৰত এনে দৰে মোৰ ঘৰ খনত চলিবলৈ তেওঁৰ স্বত্ব পুৰাকৈ আছে। মোৰ ৰৱজনী ছোৱালী কমলাইহে প্ৰথম ফুচ্‌ফুচাই কলে বোলে "এই ৰৱদেউতাজন চী-আই-দী হব পায়। তেওঁ দেখোন আপোনাৰ কংগ্ৰেছৰ কাগজপত্ৰবোৰ হে চাবলৈ বাকী।" কথাষাৰ মোৰ মনত বিশেষকৈ লাগিল এই কাৰণেই যে আমি কথা পাতি থাকোতে আমাৰ অতিথিয়ে আমাৰ পিছফালৰ প্ৰকাণ্ড কলনিখনত টাকুৰী ঘূৰাদি ঘূৰি ফুৰিছে। এই সুযোগত কংগ্ৰেছৰ নথি-পত্ৰ যি আছিলে গোটেইখিনি বাকচ এটাত ভৰাই বাগিচাৰ আপিচৰ ওপৰচাঙত তুলি থবলৈ পঠাই দিলো।

পিচদিনা তেওঁৰ মুখত বহুতৰ বহুত আখ্যান। তেওঁৰ ঘৰখন বোলে কংগ্ৰেছী মানুহেৰে ভৰি থাকে। এই আটাইবোৰ হেনো পলৰীয়া (এৰ্‌স্কন্দাৰ্‌)। শঙ্কৰ বৰুৱাও বোলে প্ৰায়ে থাকে। দুদিন শঙ্কৰ বৰুৱাক তেওঁ কেনেকৈ পুলিচৰ হাতৰ পৰা সৰুৱাইছে, তাৰ এটা লোমহৰ্ষক গল্পৰো অৱতাৰণা কৰিলে। কোৱাৰ এনে এটা ঠাচ্‌ আছে যে কথাবোৰ মিছা বুলি ভাবিবলৈ টান লাগিল। তেওঁ আবেলি পৰত গলগৈ। আমাৰো গা পাতল লাগিল। যদিও এওঁৰ ওপৰত চোৰাংচোৱা গিৰিৰ বুলি সন্দেহ ক্ৰমশঃ ভাগি আহিল, তথাপি সন্ধ্যা লগাৰ লগে লগে আকৌ যেতিয়া মহাপুৰুষৰ আবিৰ্ভাব হলহি, এইবাৰ তেওঁৰ ওপৰৰ আশঙ্কাৰ ভাবো দহ্‌দহীয়া হৈ পৰিল। ভাগ্যে এই দুদিন কোনো অজ্ঞাতবাসী আলহী

নাছিল। বন্ধুবৰ যে কাকতীবাৰীলৈ গৈছিল, কংগ্রেছ কৰ্ম্মী দুই চাৰিজনৰ লগত বোলে মোৰ ককায়েক বুলি ঘটনাক্রমে (?) পৰিচিত হৈ আহিছিল আৰু সোণাৰী লৈকো গৈছিল ; তাত হেনো তেওঁৰ এজন পুৰণি বন্ধু প্রমিলাৰঞ্জন দে কো লগ পাইছিল ; সেইদিনা আৰু ঘৰলৈ উভটিবলৈ সময় নোহোৱাত পুনৰ টিমনলৈকে ঘূৰি আহিলে। পিচদিনাও মানুহজন দুপৰীয়া খাই বৈ উঠি যাবলৈ ওলাল, পিচে নেযায় হে নেযায়! কিবা এটা চক্রান্ত কৰি নিজৰ পৰাও দহোটি টকা তেওঁৰ স্বার্থ পূৰণৰ কাৰণে অযাচিতে ভাঙিহে এৰাৰ পঠিওৱা হল।

মই কৰঙাণীলৈ যোৱাৰ পিচত শঙ্কৰ চন্দ্র বৰুৱা সঁচাকৈয়ে মোৰ লগত থাকি অজ্ঞাতবাস কৰিছিল, আনকি লীলা কাকতীৰ বিয়াত বৰযাত্রীৰূপে ছোৱালীঘৰলৈ যে গৈছিলেই, ক্ষোভাক্ষোভীৰ দিনা নিজে মহাদেউ-পার্ব্বতীৰ আখ্যানখন কাকতী আৰু কন্যা, সৰোজক[২১১] ব্যাখ্যা কৰি শুনাইছিল। মোৰ সেই আত্মীয়জনৰ বিষয় উল্লেখ কৰাত বৰুৱা দেৰে কৈছিল বোলে তেওঁক চোৰাংচোৱা বুলি আগৰে পৰা জানে আৰু সেই কাৰণেই সেইজন পুৰুষৰ থলিত তেখেতে ভৰি দিয়াগৈ নাই।

আৰু এদিন ওলালহি এজন আদহীয়া মানুহ,—বাজকোঁৱৰ বোলে। পিতৃদেবৰ লগত পৰম সৌহার্দ্যৰ তেওঁ বহুত পুৰণি কথা কলে ; আৰু সেইমতে মই তেওঁৰ "পোৰ লগৰ" আৰু আমাৰ পৰিবাৰ "বোৱাৰী" ইত্যাদি। এৱোঁ একে ঠাইতে থাকিব নোৱাৰে। এৱোঁ পিচফালৰ কলণি ডৰাত মৰণা মৰা দি মাৰিলে। চিলিমে চিলিমে ধপাত উৰালে। গলগৈ। দেউতা আহোতে কথাটো উলিয়ালতহে বুজিছো এওঁক সমূলি চিনিকে নেপায়। এইজনক দ্বিতীয় চোৰাংচোৱা বুলি গণ্য কৰা হল।

২১১। পিচলৈ সৰোজ কাকতী শিক্ষয়িত্রী (শিৱসাগৰত)।

২০। সমূহীয়া জৰীমনা

ই "কেৰ্কেটুৱাই তামোল খায়, নেউলক বান্ধি কিলায়" বিধতকৈ অলপ চৰা দণ্ডবিধান। ৰাজহুৱা সম্পদ, যাৰ মালিক ৰাইজ নহয়, চৰকাৰহে—তেনে সম্পত্তিৰ যি অনিষ্ট কৰে, তাক ধৰিবলৈ অক্ষম হলে, থলুৱা ৰাইজৰ পৰা তোলা দণ্ডই, কবলৈ গলে, সমূহীয়া জৰীমনা (কলেক্‌টিভ্ ফাইন)[২১২]। ঘটনাস্থলীৰ পৰা নির্দ্দিষ্ট এক সীমাৰ ভিতৰত, ৰায়তৰ পৰা বিনা বিচাৰে একোজন মানুহৰ, যথা সম্পত্তিৰ আনুমানিক মূল্যাঙ্কনৰ ওপৰত জৰীমনাৰ বিধান দি তুৰন্তে নগদে নগদে এই দণ্ডৰ ধন আদায় কৰি লোৱা হয়। আচৰিত কথা যে চাহ বাগিচাৰ ভিতৰৰ লোকৰ ওপৰত এই আইন প্ৰয়োগ কৰা নহয়। সামূহিক জৰীমনা লাগিবলৈ পালে, জজ্বলী ৰীট্ অফিছৰ [২১৩]অগ্নিদাহ হেতু। জুই যি লগালে, তাৰ গুৰি গছ টিমন বাগিচাত্। যেহেতু চাহ বাগিচা, সমূহীয়া জৰীমনাৰ কৰলৰ বাহিৰত, টিমন বাগিচাৰ সকলো সাৰিল। কাকতীৰাৰীৰ মাৰোৱাৰী দোকান এখনতে এই দণ্ড বিহি, পয়চা তোলা অভিযান আৰম্ভ হয়। চৰকাৰৰ লগত অযাচিত পূৰ্ণ সহযোগিতাৰ প্ৰতিফল স্বৰূপে কংগ্ৰেছ-বৈৰী গোহাঁই গাওঁখনৰ মানুহ বিলাকেই অতি বেচি টকা ভৰিলে। কোনো কোনোৰ মতে সেই একেখন গাৱঁৰেই তুলিৰ লগীয়া মুঠ ধনৰ আধাৰো বেচি অংশ ভৰিলে। সুৰেণ মিশ্ৰ ফাটকত। তেওঁৰ দেউতাক যদুনাথ মিশ্ৰ[২১৪] সেই আদালতখনৰ আগেদি যোৱা দেখি, এজনে হাকিমক তেওঁলৈ বুলি আঙুলিয়াই দিয়াত, মতাই আনি, দুকুৰি নে আঠেকুৰি জৰীমনা ভৰালে। মিশ্ৰৰ বাদে কংগ্ৰেছ কৰ্ম্মী কোনেও জৰীমনা ভৰা নাই। কোনোৰ পৰা কম আৰু কাৰোবাৰ পৰা বেচিকৈ তোলাৰ উপৰিও, এটা নৃশংস

২১২। Collective fine বা পাইকাৰী জৰীমনা।

২১৩। ৰাঙলী ৰিজার্ভৰ ডাক বঙলা।

২১৪। কাকতীৰাৰী নিম্ন প্ৰাথমিক পঢ়াশালীৰ অধ্যক্ষ।

অবিচাৰত সেইদিনা গাৱলীয়া ৰাইজৰ চকুৱে ধোঁৱা-কোঁৱা দেখিলে[২১৫]।

২১। ৰণ-মুখীয়া

বিয়াল্লিশ চনত ধানৰ দাম চৰাৰ লক্ষণ দেখি বমুৱাবিলাকৰ কাৰণে ধান অলপ গোটাই লোৱাৰ চেষ্টা চলালো। ধানৰ দাম মোনে আঢ়ৈ টকা, তিনি টকাৰ পৰা চাৰি টকা, চাৰে চাৰি টকা পালেগৈ। কোম্পানীৰ মেনেজিং ডিৰেক্টৰৰ পৰা নতুন দৰ মঞ্জুৰ কৰাই যোৰহাটৰ পৰা ভজো পাওঁহি মানে ভাও উঠি এঘাৰ টকা পালেগৈ। এইবাৰ কোম্পানীৰ পুনৰ বৰ্দ্ধিত দৰৰ মঞ্জুৰ কৰোৱা বাদ দি এঘাৰ টকা মোনে ধান কিনিলোহে মাথোন, সেই দিনাই ভাও উঠি তেৰ টকা পালেগৈ। যুদ্ধৰ সন্মুখীন হৰৰ কাৰণে পূৰ্ব্বাঞ্চল অৰ্থাৎ অসম আৰু বঙ্গদেশৰ ধান, ভাৰতৰ পৰাও ৰপ্তানি হৈ ওলাই যোৱাৰ কাৰণেই যে ধান চাউলৰ দাম দোপত দোপে চৰিবলৈ ধৰিলে আৰু লগে লগে বঙ্গদেশখন আকালৰ ভীষণ গৰাহত পৰিল, তাৰ বৰ্ণনা দিবলৈ গলে এখন মহাভাৰতৰ অৱতাৰণা কৰা হব।

২২। ধান চাউলৰ ভিতৰ-ৰপ্তানি

পিচলৈ একেলুৱা বঙ্গদেশলৈকে অসমৰ ধান চাউল ৰপ্তানি হবলৈ ধৰিলে। অসমৰ প্ৰধান মন্ত্ৰী চাৰ মহম্মদ চাদুল্লা চাহাবে কাকজানত 'নেছনেল ওৱাৰ ফ্ৰণ্টৰ' সভা এখনিত সভাপতিৰ আসনৰ পৰা এই প্ৰসঙ্গত এনেকৈ ঘোষণা কৰিছিল,—

"অসম চৰকাৰে বঙ্গ আৰু ভাৰত চৰকাৰলৈ সাতাইশ লাখ মোণ পৰ্য্যন্ত চাউল অসমৰ পৰা ৰপ্তানি কৰাৰ স্থিৰ কৰিছে আৰু

২১৫। ফকিৰা গাওঁৰ নিধন ৰাজবংশী সমুহীয়া জৰীমনাৰ অনাদায়ত দেহত্যাগ কৰিবলগীয়া হয়।

তাকো কৰা হৈছে আমাৰ প্ৰদেশৰ স্বাৰ্থৰ খাটিৰতহে ; যাতে, ভাৰতৰ অন্যান্য ঠাইৰ পৰা অহা চেনী, দাইল আদিৰ আমদানিৰ বিনিময়ত এই দৰে ক্ষতি পূৰণ বুলি দিব পৰা হয়।"

এই ঘোষণাটিৰ ওপৰত কলিকতাৰ মিঃ চী-এফ্ হুপাৰ চাহাৰৰ সম্পাদিত 'দী আছাম বিভীউ এণ্ড টী নিউজ'ৰ ১৯৪৪ চনৰ মার্চৰ সংখ্যাত এই বুলি সতর্ক কৰি দিছে,—

"ধান চপোৱাৰ পিচতো চাউলৰ মোণে কুৰি টকা হৈছে, গৰৰ্ণমেণ্ট আৰু ডাঙৰ ডাঙৰ চাহ বাগিচাবোৰে এতিয়া ধান বিচাৰি ওলালে দাম আৰু চৰিবহে। সেই কাৰণে চৰকাৰে এতিয়াই যিমান দূৰ সম্ভৱ সিমান তৎপৰতাৰে সতর্ক হব লাগে যাতে ১৯৪৩ চনত বঙ্গদেশে নিজৰ কার্য্য আৰু হিচাবত যেনে ভুল কৰিলে, তেনে ভ্ৰমত যেন পৰা নহয়।"

২৩। মহার্ঘ বজাৰ

১৪ শ বছৰ ৫ম সংখ্যা 'আবাহন'ৰ সম্পাদকীয়[২১৬] স্তম্ভৰ যৎকিঞ্চিত তলত উদ্ধৃত কৰি দিয়া হল,—

" * * যোৱা বাৰ বঙ্গদেশৰ প্ৰায় ৩৬ লাখ লোক আকালত খাবলৈ নাপাই মৰাৰ পিছত যেতিয়া লোকসংখ্যা বহুখিনি হ্ৰাস হ'ল, তেতিয়াহে তাত বেশ্যনিং প্ৰৱৰ্ত্তনৰ বাবে বঙ্গ গভৰ্ণমেণ্ট উঠি পৰি লগা দেখা গ'ল। অসম চৰকাৰেও অসমৰ খাদ্য সঙ্কট বিষয়ে তেনে কিবা সুবিধালৈয়ে বাট চাইছে নে কি ? * * * * * বস্তু-বাহানিৰ দৰৰ কথাই অসমৰ সাধু কথাৰ বাজ্যকো চেৰ পেলাইছে। যোৱা সংখ্যাত আমি অসমৰ ঠায়ে ঠায়ে লোণৰ ২৲ পৰা ২৷৹ টকালৈ কিনিব লগীয়া হোৱাত বাইজৰ দুৰ্গতি অসম গবৰ্ণমেণ্টে কেনেকৈনো চাই আছে বুলি আচৰিত হৈছিলো। কিন্তু এতিয়া গৈ সি ৭।৮ টকা

২১৬। আবাহানৰ সম্পাদক—দীননাথ শৰ্ম্মা।

পোৱাতো গৱর্ণমেণ্টৰ ভাৱৰ পৰিৱর্ত্তন কিবা হৈছে বুলি আমি গম ধৰিব পৰা নাই। খোৱা তেলৰ দৰ সেৱে দুটকাৰ পৰা তিনি টকালৈ উঠিল। কেৰাছিনৰ অভাৱত মৰা-পাটৰ ঠাৰিবে জুই ধৰিহে ৰোগীৰ পৰ দিয়াৰ ব্যৱস্থা কৰিব লগীয়াত পৰিল। আন পিনে মাছ-শাকো অসমৰ বজাৰৰ পৰা অদৃশ্য হ'ল। দুখীয়া ৰাইজৰ দুর্গতি দূৰ কৰিবৰ কাৰণেই তৈয়াৰী বুলি কথিত ষ্টেণ্ডার্ড ক্লথ[২১৭] পোৱাৰ ষ্টেণ্ডার্ডত, অসম চৰকাৰৰ বিবেচনাত, বোধ কৰো অসমীয়া বিপন্ন ৰাইজ এতিয়ালৈও উঠিব পৰা নাই। চেনী, আটা আদিঁ বহু বস্তুকে নিয়ন্ত্রিত দৰত সর্ব্বসাধাৰণে আশা কৰা নিতান্ত দুৰাশা মাথোন। * * * * লোণৰ বেচ দুটকাৰ পৰা ৭।৮৲ টকা, গুড়ৰ বেচ এটকা, তেলৰ সেৱে ২।৩৲ টকা, চাউলৰ মোনে ২০।২৫৲ টকা * * * কাৰণ ধানৰ মোনে ১১।১২ টকাকৈ ধৰি অকল এসেৰ লোনৰ কাৰণেই যেনেকৈ অসমৰ খেতিয়কে ত্রিশ সেৰ ধান বেচিব লগাত পৰে তেনেকৈ কম বেতনৰ কেৰাণী এজনৰ দৰমহা অকল লোন-তেলতে কিমানখিনি যায়, তাক অনুমান কৰা কঠিন নহয়। অকল কেগৰাকীমান চাহ খেতিয়ক আৰু যুদ্ধ সংক্রান্ত কিবা ঠিকাৰ সুযোগত নতুনকৈ ধনী হোৱা ঠিকাদাৰ কেজনমানৰ বাহিৰে বস্তুৰ ক্রমাৎ বাঢ়ি অহা বেচৰ আগত, জনসাধাৰণৰ উপার্জ্জনেৰে পাৰ নোপোৱা অৱস্থা। এই ভীষণ অৱস্থাৰ প্রতিকাৰ বিচৰাতকৈ নিজ নিজ অৱস্থাৰ উন্নতি বিধানেই অসমৰ মন্ত্রী সকলৰ পক্ষে আচল কথা হোৱা যেন লাগে। * * * সাম্রাজ্যবাদী আমোলাতান্ত্রিক দেশৰক্ষা ব্যৱস্থাৰ কি চমৎকাৰ বিধান!"

২১৭। Standard Cloth.

২৪। চুকতে থাকি বুকতে কামুৰিলে

যি ফিৰিঙিৰ সমাজ লীগৰ পৰম পৃষ্ঠপোষক আৰু চাৰ চাদুল্লা চৰকাৰৰ একান্ত সমর্থক, অসম ব্যৱস্থাপক সভাৰ সেই ইউৰোপীয়ান গ্ৰুপৰ নেতা আৰ্ণলড্ হুইটেকাৰে[২১৮] বাজেট্ অধিবেশনত চৰকাৰৰ চাকৰিয়ালসকলৰ দুর্নীতিৰ প্ৰতিবোধ কৰিব নোৱাৰাৰ সমালোচনা কৰি পুলিচৰ ফৌজটো শক্তিশালী কৰিবলৈ এইদৰে দাবি জনায়।

"নতুন নতুন নিয়ন্ত্রণ প্রণালী যিমানেই ওলাইছে, পাৰ লগীয়া বস্তু পোৱাটো শান্ত শিষ্ট মানুহৰ পক্ষে পোৱা, সিমানেই টান হৈ পৰিছে। সচৰাচৰ ব্যবহাৰত লগা সামগ্রীবিলাক যোগান ধৰিবৰ কাৰণে স্থাপিত হোৱা প্রতিটো নতুন অনুষ্ঠানে তেনেই নতুন নতুন অনৰ্থ মানুহ এসোপাক তৰঙাই দিছেহি। কিছুমান ক্ষেত্রত নতুন মানুহ-বিলাকৰ ইমান অভিজ্ঞতা নাই যে, তেওঁবিলাকৰ তলতীয়া সকলে বেপৰোৱায় ভাবে ভেটী হজম কৰিব পাৰে। যুদ্ধৰ দিনত চৰকাৰী চাকৰিয়াল বলৱন্ত হৈ থকাটো অপৰিহার্য্য। কিন্তু চৰকাৰ বিৰোধীয় অভিযোগবিলাক জুখি মেলি নিচেই নৰম ভাষাত কোৱা হৈছে যদিও, কথা হৈছে যে যি দুর্নীতিৰ প্রচলনৰ কথা চৰকাৰে জানে, মোকো লগাই এচেম্ব্লীৰ সদস্য সকলে জানে, তাক নির্ম্মূল কৰিবলৈ চৰকাৰ-পক্ষৰ কোনো চেষ্টাৰ প্রমাণ পোৱা নাই। দায়িত্বশীল মন্ত্রীসকলেও যদি এই বিষয়ত পোৱামুঠীয়াকৈ নেলাগে, তেন্তে দুর্নীতিৰ প্রকাশ আৰু চৰিহে যাব। পিচৰ পুৰুষৰ কাৰণে প্রত্যেক বাজেটতে এই ৰীতি চলন্তি হৈ থাকিব।

"ব্যাধি উৎকট হৈ পৰিল। আৰু ইয়াক সমূলে সংহাৰ কৰিবলৈ হলে তীব্র অস্ত্র প্রয়োগ কৰিব লাগিব। মোৰ মতে, কৰদাতা-সকলৰ অজস্র ধন বচাবলৈ হলে সদাচাৰী বুলি প্রমাণিত কর্ম্মচাৰীৰ বিশেষ চোৰাংচোৱা-বিভাগ এটা খুলিব লাগে। এইটো গবর্ণৰ

২১৮। Arnold Whittaker.

আৰু মন্ত্ৰীসকল একগোট হৈ কৰিব পৰা কৰ্ম্ম। মই আৰ্টিকোল টুৱেল্ভী অৰ্থাৎ বজাই সকলো গবৰ্ণৰৰ প্ৰতি দিয়া অধ্যাদেশৰ প্ৰতি এচেম্ব্লীৰ মনযোগ আকৰ্ষণ কৰিব খোজো। ই, যেনে :— 'আৰু সাধাৰণতঃ এটা স্তৰৰ মৰ্য্যদা মনাই চলাবলৈ আমাৰ গবৰ্ণৰ সকলৰ ওপৰত সম্পূৰ্ণ ভাৰ থাকিল।'

"ইয়েই এনে এটি ক্ষেত্ৰ যত আমাৰ ওপৰত অধিষ্ঠিত কৰ্ত্তৃপক্ষ, মন্ত্ৰীসকল আৰু গবৰ্ণৰ সকলক, শাসনতন্ত্ৰৰ মান বজাই ৰখা প্ৰসঙ্গত নিবেদন জনাব পাৰো।"

চতুর্দ্দশ অধ্যায়

পৰিবৰ্ত্তন

১। টিংখাং

তিয়াল্লিশ চনৰ অন্তিম কালৰ লগতে নিজৰ মাহমৰীয়া জীৱনৰ অন্তিম কালৰ মাৰ নাওত উঠি কৰঙানি ঘাটত লাগিলোহি। এইখনেই আগৰ সেই কলীয়া-পানীখন। ভদ্রেশ্বৰ শর্ম্মা ডাঙৰীয়াৰ বাগিচাখনেও কলীয়া-পানী নাম লৈ বুৰঞ্জীৰ মান ৰক্ষা কৰিলে। চাহ উদ্যোগে এই কলীয়া-পানীতে আৰু মেলিলেহি ৰায় নীলাম্বৰ দত্ত বাহাদুৰ[২১৯], ৰায় বাহাদুৰ ৰামেশ্বৰ লাল্‌জী চহৰীয়া[২২০], মন্ত্রী চৈয়দুৰ ৰহমান[২২১], হাতিগিৰী ৰাধাকান্ত ফুকন[২২২], ডিব্রুগড়ৰে নন্দেশ্বৰ চক্রবর্ত্তী[২২৩] আদিক। কৰঙানিৰ পৰা ১৫ মাইলৰ ভিতৰত ক'তো ৰেল, জাহাজ বা মটৰ ষ্টেছন এটিও নাছিল।

বাগিচাৰ বনুৱাবিলাকৰ দলে দলে চালান হৈছিল যুদ্ধায়োজনৰ মজদুৰৰ কার্য্যত। ইদলৰ পিচত সিদলকৈ প্রায় বাগিচাৰ পৰাই তাত নিয়োগ কৰা হৈছিল। যাওঁতে যায় সুস্থ সবল দেহাৰে। ঘূৰি আহোতে আনে, এবিধ ঘা আৰু উৎকট বিধৰ মেলেৰীয়া বীজাণু। এইবোৰ বেমাৰৰ সঁচ মেলেহি নিজ নিজ বাগিচাত। প্রথমে এখুদিমান ফোঁৰা দেখা যায়। তাৰ মূৰ ভাগি বেগতে সি

২১৯। ৰায়বাহাদুৰ দত্তৰ বাগিচা "সৰোজিনী।"

২২০। চহৰীয়াৰ "নিলমনী"।

২২১। চৈয়দুৰ ৰহমানৰ "আজিজ বাগ।"

২২২। ৰাধা ফুকনৰ 'লংবৈ'।

২২৩। পার্ব্বতীপুৰ।

ঘাত পৰিণত হয়। ঘা বহল হৈ যোৱাৰ লগে লগে ক্রমশঃ দ হৈ গৈ থাকে। ইটুকুৰা ঘাৰ লগে লগে সিটুকুৰা ঘা, আকৌ এটুকুৰা, আৰু এডোখৰ, এইদৰে সৰ্ব্বাঙ্গ শৰীৰত বিয়পি পৰে। দেহাৰ প্রকাণ্ড প্রকাণ্ড এই অগণন ঘা বোৰে, লগে লগে দেহাৰো পোৰণি তুলি যি যমৰ যাতনা ভোগায় তাক বৰ্ণোৱা সহজ নহয়। এই ঘা বোৰৰ জন্মস্থান ডিমাপুৰৰ আশে পাশে কৰবাত। ইংৰাজ চাহ-খেতিয়ক সকলে কিয় যে ইয়াৰ নাম নগা-ঘা দিলে, বুজা নেযায়। কাৰণ নগাৰ গাত এই ঘা বিধ দেখা মনত নপৰে।

নগা-ঘা আৰু উৎকট মেলেৰীয়া জ্বৰ এই দুয়োটিয়ে সথি পাতি আহি চাহ অঞ্চলৰ মানুহবিলাকক উঠিব নোৱাৰাকৈ পেলাবলৈ আৰু ইহাতে নিত্য প্রয়োজনীয় যাৱতীয় সামগ্রীৰ দৰ দিনে দিনে উধাবলৈ, ধৰিলে। জনসাধাৰণৰ দুর্গতি ইদিন সিদিনকৈ প্রচণ্ড বেগে গুৰুতৰৰ পৰা গুৰুতৰ হৈ পৰিল। সিহাতে এনে পৰিস্থিতিত বনুৱাৰ অভাৱ এক ভীষণ সমস্যা হৈ পৰিল—চৰকাৰলৈ আৰু বাগিচা বিলাকলৈকো। তাৰ প্রতিবিধানকল্পে চৰকাৰে বোম্বাইৰ পৰা আধালাখ মান আৰু বাকীবিলাক প্রদেশৰ পৰা তিনিলাখ মান বনুৱা আনি চাহ বাগিচাবোৰত দিলেহি ভৰাই। বনুৱা ৰণুৱা সকলো লগ হৈ মানুহেৰে অসমদেশ ওপচায় পেলালে। মূৰকত বস্তুৰ চৰা দাম আৰু চৰি যাবলৈ ধৰিলে। যাৰ বন্ধা আয়, সিবিলাকৰ মৰণ। অনেকে এই সময়তে অর্থাভাৱত পৰি চৰিত্র কলঙ্কিত কৰিলে।

২। চাহ বনুৱাৰ হাজিৰা

সময়ৰ গতিলৈ লক্ষ কৰি ইণ্ডিয়ান টী এচোচিয়েছনৰ তৰফৰ পৰা পি-জে গ্রীফিট্চ. আই-চী-এচ ডাঙৰীয়াই ইউৰোপীয়ান ভাৰতীয় নির্ব্বিশেষে সেই অঞ্চলৰ মেনেজাৰ সকলৰ লগত নাহৰকটীয়াতে আলোচনা আৰম্ভ কৰিলে। এই লিখকৰ মতে সেই অঞ্চলত

তেতিয়া বমুৱাৰ দৈনন্দিন জীৱন নিৰ্ব্বাহৰ খৰছ দিনে গড়ে বাৰ অনা[২২৪] অথচ বমুৱাৰ দৈনিক হাজিৰা হৈছিল চাৰি অনা ছয় অনাৰ[২২৫] ভিতৰত। গতিকে দৰ্ম্মহাৰ নিৰিখ বঢ়াবৰ প্ৰস্তাৱ দিয়া হল। সকলোবিলাক ইউৰোপীয়ানে সেই মত সমৰ্থন কৰিলে। (দুঃখৰ বিষয় ভাৰতীয় সকল বিৰুদ্ধে বল)। কৰঙ্গানী বাগিচাৰ মালিক যাদবপ্ৰসাদ চলিহা ডাঙৰীয়াই কলিকতাৰ পৰা তাঁৰ যোগে বাগিচালৈ খবৰ দিলে, সেইমত মানি, বাৰ অনাকৈ হলেও দিবলৈ।

৩। বুৰঞ্জীৰ পাতত

মহাত্মাজীক যে বন্দী জীৱনৰ পৰা অব্যাহতি দিলে[২২৬], তাৰ পিচত তাহানিখন 'নঙঠা ফকীৰ' বুলি হেয়জ্ঞান কৰি দেখা দিবলৈ অমাস্তি হোৱা প্ৰধানমন্ত্ৰী চাৰ্চিল চাহাবৰ আচৰণকে সাৱোগত মানি তেওঁৰ আজ্ঞাধীন ভৃত্য ভাৰতৰ ৰৱলাট লৰ্ড ওৱেভেল চাহাবেও যে মহাত্মাজীক সাক্ষাত হবলৈ নিদি বিমুখ কৰিলে, সোতৰদিন ব্যাপী চলা গান্ধী-জিন্না আলোচনা (ওৱেভেলৰ নিভৃত চক্ৰান্ততে বোলে) যে তেনেই বিফল হল, জাৰ্ম্মেনীৰ অস্ত্ৰ সম্ভৰণৰ পিচতে যে বৃটেইনৰ কনজাৰভেটিভ্ প্ৰধানমন্ত্ৰীৰ আসনত লেবাৰ পাৰ্টিৰ নেতা ক্লীমেণ্ট এট্লি অধিষ্ঠিত হৈয়েই[২২৭] ভাৰতক স্বায়ত্ত শাসন দিবলৈ শীঘ্ৰে সিদ্ধান্ত লোৱাৰ ঘোষণা কৰিলে, ওৱেভেলে হোৱাইৎ হাউছৰ পৰা যে নিৰ্দ্দেশ ললেগৈ, আকৌ ইতিমধ্যে পৃথিবীত প্ৰথম বাৰৰ কাৰণে

২২৪। তেতিয়াৰ বাৰ অনা পিচৰ যুগৰ পয়সত্তৰ পয়চা।

২২৫। পঁচিশ পয়চা আৰু ৩৭ পয়চাৰ ভিতৰত।

২২৬। ৬ মে ১৯৪৪। মহাত্মাৰ শেষবাৰৰ বন্দী-জীৱন সমাপ্ত। এতিয়ালৈকে আফ্ৰিকাৰ ২৪৯ দিনও লগাই মহাত্মাজীয়ে সৰ্ব্বমুঠ ২৩৩৮ দিন জেলত কটালে।

২২৭। ২৬ জুলাই ১৯৪৫।


আমেৰিকাৰ দ্বাৰা হিৰোশ্বিমাত এটম বোমাৰ বিস্ফোৰণ[২২৮] হোৱাত যে জাপানে অস্ত্র-সম্বৰণ নকৰি নোৱাৰিলে, ওৱেভেলে নিজৰ পৰিচালনাত কংগ্রেছ আৰু মুস্লিম লীগ এই দুপক্ষৰ দ্বাৰা যে মন্ত্রী-সভা স্থাপন কৰি যুক্তৰাষ্ট্র বিধান প্রবর্ত্তনৰ কাৰণে প্রস্তাৰ তুলিলে; জিন্নাই, সেই সময়ৰ সীমাত বান্ধ খাই থকা, অসম, বঙ্গ, সিন্ধু, পঞ্জাব, বেলুচিস্তান আৰু উত্তৰ পশ্চিম সীমান্ত প্রদেশক লৈ পাকিস্তান এখনৰ আচনিৰে ভাৰত-বিভাজনৰ দাবিত আকোৰ গোজালীকৈ লাগি থাকিল, আৰু তাৰ পৰিণামত যে কেবিনেট্ মিছনৰ[২২৯] আবির্ভাব হল; ইত্যাদি এশ এটা দীঘলীয়া দীঘলীয়া ঘটনাৰ বিৱৰণ ইতিহাসৰ পাত লুটিয়াই চাই লবলৈ বুলি থোৱা হল, কাৰণ, নিজে উৎকট মেলেৰীয়া ৰোগত ভোগাৰ হেতু লিখকৰ কংগ্রেছৰ সংস্পর্শত থকা আঁত দাল কেনেবাকৈ হেৰাল।

৪। ১৯৪৬-৪৭

ভাৰতৰ স্বাধীনতা লাভ নিশ্চিত। গতিকে ১৯৪৬ চনৰ কেন্দ্রীয় আৰু প্রাদেশিক নির্ব্বাচনৰ ক্ষেত্রত কংগ্রেছৰ আশাতীত ৰূপে জয়লাভ। মুছলমান সমষ্টি বিলাকৰ পৰা লীগেও আশাতীত সমর্থন পালে। মুছলীম লীগ যথার্থতে সাম্প্রদায়িক, কিন্তু কংগ্রেছখন ভাৰতীয় মাত্রৰে। সেই কাৰণে বিশেষকৈ কেন্দ্রীয় মন্ত্রীসভা গঠনৰ সাঁথৰটি অতি জটিল হৈ পৰিল, পাঁচ জন কংগ্রেছী আৰু পাঁচ জন লীগ পন্থীক লৈ অন্তৰ্ৱর্ত্তী সভা এখনি গঠিত হল। মন্ত্রীসভাৰ পাল্লাখনৰ এফালে কংগ্রেছ ৰাজনীতিৰ দগা আৰু সিফালে লীগৰ সাম্প্রদায়িক দগা। কোনো বিচাৰতে ভাৰসাম্য নিটিকিল। দেশ বিভাজনেও সাঁথৰটি তেনেই ভাঙিৰ নোৱাৰিলে। এইদৰেই ১৯৪৭

২২৮। ৬ আগষ্টত হিৰোছিমা আৰু ৯ আগষ্টত নগাচাকী (১৯৪৫ চন)।

২২৯। কেবীনেৎ মিছনৰ ভাৰততত পদার্পণ হয় ১৯৪৬ চনৰ ২৩ মার্চত।


পৰাধীন ভাৰত
০ ৪৮০ ৯৬০
কিলোমিটাৰ
কাশ্মীৰ
পাঞ্জাব
বেলুচিস্তান
ৰাজপুতনা
যুক্ত প্ৰদেশ
অসম
সিন্ধু দেশ
ভাৰত
বিহাৰ
বঙ্গদেশ
মধ্য প্ৰদেশ
উৰিষ্যা
মান দেশ
হায়দৰাবাদ
গোৱা
মহীশূৰ
আন্দামান দ্বীপপুঞ্জ
লক্ষা দ্বীপ
নিকোবৰ দ্বীপপুঞ্জ
স্বাধীন ভাৰত(১৯৪৮)
০ ৪৮০ ৯৬০
কিলোমিটাৰ
জম্মু
কাশ্মীৰ
পূৰ্ব পাকিস্তান
পশ্চিম পাকিস্তান
পাঞ্জাব
ৰাজস্থান
উত্তৰ প্ৰদেশ
অসম
বিহাৰ
পশ্চিম বঙ্গ
মধ্য প্ৰদেশ
উৰিষ্যা
হায়দৰাবাদ
মহীশূৰ
আন্দামান দ্বীপপুঞ্জ
নিকোবৰ দ্বীপপুঞ্জ

চনৰ পোন্ধৰ আগষ্ট ভাৰতবৰ্ষৰ স্বাধীনতা ঘোষণা কৰা স্থিৰ হল।

১৪ তাৰিখে দিহিং মুখৰপৰা কিবা স্বৰূপে শিৱসাগৰ ওলালোহি। দুজনৰ বিয়ৈ-মেল কাণত পৰিল। তেওঁবিলাকৰ এজনেও পতিয়াব পৰা নাই যে ইংৰাজে বিনা বন্দুকে-বৰটোপে ভাৰতীয়ক শাসন ভাৰ শোধাই দিব। "আদি কালৰে পৰা" বোলে "বিনা যুদ্ধে ক্ষমতা লাভ কোনো ৰজাৰে হোৱা নাই। যিহকে কৈ ফুচুলাইছে, তাতে গান্ধীৰ মানুহ খিনি ভোল গৈছে। পিচে কথা একেটাই। ইংৰাজৰে ৰাজত্ব থাকি যাব, কংগ্রেছৰবোৰ বহতীয়া হব।" ।

৫। শিৱসাগৰ জিলাত বিৰাট আয়োজন

তথাপি যোৰহাট পালোঁগৈ। তাত ইণ্ডিপেন্দেন্স ছেলিব্রেছন[২৩০] কমিটিৰ সভাপতি টি-টি-এচ্ হেইলী, শিৱসাগৰ জিলাৰ উপায়ুক্ত চাহাব। সম্পাদক সুৰেন্দ্র নাথ ভড়ালী আৰু সহকাৰী সম্পাদক কামাক্ষ্যা বৰঠাকুৰ আৰু সর্ব্বেশ্বৰ বৰদলৈ।

গোটেইখন আনন্দ মুখৰ। যেনিয়ে চায় তেনি।

ৰাতি দুপৰৰ টোপধ্বনিত গোটেই খন ৰজনজনাই যোৱাৰ লগে লগে শ শ গাওঁৰ হেজাৰ হেজাৰ সমদলে ত্রিৰঙ্গ পাতাকা উৰোৱাৰ লগতে পৃথিবী কপাই তোলা জয়ধ্বনিৰ মাজত টি-টি-এচ-হেইলী চাহাবে পাতাকা উত্তোলন কৰি তাক নমস্কাৰ জনায়।

২৩০। Independence celebration committee.

প্রথম পরিশিষ্ট

আটক-বন্দীর যন্ত্রণা

যম যাতনাতকৈ মরণেই উত্তম।
লাহোর দুর্গত শাস্তি।
ডাক্তর ঋষিয়ে তদন্তর দাবি জনায়।

গ্রেপ্তারিত হোরালৈকে লাহোর পৌরসভার (কর্পোরেছনর) সদস্য, ডাঃ আর্ এন্ ঋষিক, লাহোর কিল্লাত (ফোর্টত) দুমাহ থোরা হৈছিল। কংগ্রেছ রাষ্ট্রপতি মৌলানা আবুল কালাম আজাদ চাহাবলৈ তেওঁর আবেদনত এনে দাবি জনোরা হৈছিল যে ১৯৪২ চনর পরা সেই কালডোখরত গোটেই ভারতবর্ষর পরা লাহোর দুর্গত আটক করি রখা রাজনৈতিক বন্দীসকলর প্রতি কেনে আচরণ করা হৈছিল তার তদন্ত করিবর কারণে যেন নিরপেক্ষ আয়োগ এটি গঠন করা হয়। ডাক্তর ঋষির মতে, লাহোর কিল্লার কলঙ্কর কাহিনী যে সদরি হবলৈ পালে তার কারণে শ্রীদ্বিজেন্দ্রনাথ বসুহে যশস্যার পাত্র।

এই দুর্গটো আহমদনগর কিল্লা বা আগা খাঁ কাৱেং (আগা খাঁ পেলেছ্) অথবা দেরলী শিবিরর শারীর হাউলি নহয়। এই দুর্গটো বন্দীশাল বিভাগর মুখ্য প্রাদেশিক বিষয়ার (আই-জী-পীর) আধিপত্যর যে বাহিরেই, আনকি বিচারাধীন হাজোতীয়ারর তত্ত্বাবধারক পুলিচদলর প্রতিও লাহোর দুর্গত প্রবেশ নিষেধ। এইটো ভারত গবর্ণমেণ্টর গুপ্তচর গোষ্ঠীর (ইণ্টেলিজেন্স বুরোর) সহায়ত পরিচালিত হোরা পঞ্জাবর বিশেষ চোরাংচোরা (চী-আই-দী) বিভাগর একচেতীয়া শাখা আরু সেই কারণেই এই নরককুণ্ডর পরিচালনার দায়িত্বর ভার কেরল চোরাংচোরার ওপরতহে।

(ক) ডাঃ আৰ এন ঋষিৰ বিবৃতি

"আটক কৰি ৰখা বন্দীসকলৰৰ গাৰ দাতিত গোটেই চৌব্বিশ্ ঘণ্টাতে ঢাকনি গুছাই ৰখা পাত্ৰৰ পৰা ওলোৱা মলমূত্ৰ আদি আবর্জ্জনাৰ গেলা গোন্ধত দুর্গন্ধময় হৈ পৰি থকা পৰিবেশত সৰু সৰু অন্ধঘোপত (চেলত) বন্ধ কৰি ৰাখি তেওঁবিলাকক বলপূর্ব্বক অস্বাস্থ্যকৰ জীৱন যাপন কৰোৱা হৈছিল। কেইবা সপ্তাহলৈকে গা-ধোৱা, কাপোৰ-ধোৱা নিষেধাজ্ঞা লাহোৰ দুর্গৰ বন্দীসকলৰ পক্ষে চলিত ৰীতি হৈ পৰিছিল। অশ্লীল ভাষাৰ গালি-শপনি আৰু গোৰটো চৰটোও বন্দীসকলৰ কাৰণে একে ধৰণৰ সাধাৰণ কথা হে আছিল।"

ডাক্তাৰ ঋষিয়ে কোৱা মতে লাহোৰ কিল্লাত দুমাহে তেওঁ যি শাৰীৰিক আৰু মানসিক যন্ত্ৰণাত পীড়িত হৈছিল, তাতকৈ মৃত্যুৰেই কাম্য।

জাৰকালিৰ জাৰত বিনা বিচনাৰে তেওঁক তিনি ৰাতি পেলাই থৈছিল, তাৰ ফলত তেওঁৰ জ্বৰ কাহ যে হলেই থুইত তেজৰ চেকুৰা ওলাইছিল; আৰু তিমানতো তেওঁ একো চিকিৎসা নোপোৱাত যেতিয়া গর্ভ নাৰেঙাৰ নিচিনা বিষত ডেডনি তুলি সিহঁতক নেওচা কেওচা দি ৰকিবলৈ লাগিল, তেতিয়াহে ডাক্তৰ আৰু শোৱা পাটীৰ দিহা হল। এনে এক উৎকট শাৰীৰিক যন্ত্ৰণা দিয়া হৈছিল যে তেওঁক একে লালীয়ে চৌৰাশী ঘণ্টা শুবলৈ যে নিদিছিলেই, চকু মেল খুৱাইহে ৰাখিছিল। —ইয়াৰ লগে লগে "আজাদ পঞ্জাব্ গেজেট" আৰু পঞ্জাবতো হোৱা "ভাৰত ত্যাগ (কুইং ইণ্ডিয়া)" আন্দোলনৰ বিষয়ে নানান প্ৰশ্ন কৰিছিল।

সামৰণিত ডাঃ ঋষিয়ে কয় যে চর্দ্দাৰ ছার্দ্দুল সিং কৰীশেৰ, শ্ৰীজয়প্ৰকাশ নাৰায়ণ আৰু শ্ৰীৰমানন্দ মিশ্ৰৰ লগত সাক্ষাত কৰি তেওঁবিলাকৰ সাক্ষ্য লিপিবদ্ধ কৰিব লাগে আৰু নিৰপেক্ষ আয়োগৰ

তদন্তৰ ফলত দোষী সাব্যস্ত হোৱা ৰেলাকক যুদ্ধ-বন্ধীৰ বিচাৰৰ দৰে বিচাৰ ললেহে ন্যায্য ৰিচাৰ হব।

এতিয়া মিঃ যাজীয়ে নিজৰ কথা কি কয় তাকে শুনা যাওঁক—

(খ) যাজীৰ বিবৃতিঃ—

মোক ১৯৪৩ চনৰ ৩১ জুলাইৰ দিনা বোম্বাইত গ্ৰেপ্তাৰ কৰি ১৯৪৫ চনৰ ১৩ চেপ্তেম্বৰত খালাচ দিয়ে। আটক কৰি ৰখা এই সময়-ছোৱাত মোক ইটো বন্দীশালৰ পৰা সিটো বন্দীশাললৈ আৰু সিটোৰ পৰা আৰু আন এটালৈ, এইদৰে ভাৰতময় ঘুৰাই পকাই লৈ ফুৰাইছিল। পিচে আজি লাল কিল্লাত (ৰেদ্ ফোৰ্টত) ঘটাৰ অভিজ্ঞতাৰ আভাস মাত্ৰ বৰ্ণনা দিম। মোক আধা ৰাজনৈতিক আৰু আধাআধি ফৌজদাৰী অপৰাধীৰ দৰে ব্যৰহাৰ কৰিছিল; আনকি সৰ্ব্বসাধাৰণ কয়দীৰ যি কণ প্ৰাপ্য তাৰপৰাও মই বঞ্চিৎ হৈ আছিলো।

মোক বোম্বাইতে ধৰি মিঃ চৰকাৰৰ সৈতে লাল কিল্লা পোৱালগৈ। মোক থাকিবলৈ দিয়া বাসাটিক পোতাশাল (ডান্‌জীয়ণ) বোলা হয়। এই গহ্বৰটো দীঘে পথালিয়ে দহ ফুট্ মানকৈ হব। বাহিৰ দেৱাল কেখন একেবাৰে ছ ফুটৰ পৰা আঠ ফুট পৰিমিত ডাঁঠ। দহ ফুটীয়া বাৰান্দাটোৰ ভিতৰপকীয়া কাঠৰ জাপ্‌ত্ৰৰাৰ খনে দি গুহাটোলৈ লেশ মাত্ৰও পোহৰ সোমাব নোৱাৰিছিল। ঘৰৰ চালৰ তলত কাঠৰ আতাল (চিলিং) আছিল আৰু সেই বোৰত উৰহ, পঁয়তাচোৰা, বিছা, এন্দুৰ আনকি সাপ আদি নানা তৰহৰ জীৱজন্তুৱে অবাধে বগাই ফুৰিছিল। এই যমালয় বোৰক যন্ত্ৰণা শাল বা শাস্তি-ঘৰৰ (তৰছাৰ চেম্বাৰ) লেখতে লোৱা হৈছিল।

ইয়াত মোক চাৰি মাহ মান থৈছিল। একে ঠাইতে মিঃ মুকুন্দলাল চৰকাৰ আৰু মিঃ কাপাডীয়াও আছিল। কিন্তু আমাৰ ভিতৰত ইজন সিজনৰ লগালগি হবলৈ দিয়াহে নালাগে কাৰো

লগত কাকো কথা একাষার হবলৈকো নিদিছিল। বন্দী হৈ থকার দিনত যি এখন মাত্র মুখ দেখিবলৈ পাইছিলো, সেইখন এখন ইংরাজ পহরারালার মুখ। প্রহরীজনে পুরা চারে পাঁচ বজার পরা চারে ন বজালৈকে এই সময়ছোরার ভিতরত যেতিয়াই তেওঁর খুচি হয় তেতিয়াই মোক রাতিপুরার বাহী মুখ ধুবলৈ আরু শৌচ প্রস্রাবর কারণে বাহিরলৈ উলিয়াইছিল। এই গোটেইখিনি নিত্য কর্ম্মর কারণে বখীয়াটোরে মোক তিনি মিনিতর পরা পাঁচ মিনিতলৈকে সময় দিছিল। আরু প্রাতঃকৃত্যর এই গোটেই কামখিনি পাঁচ মিনিতর ভিতরতো করি উঠিব নোরারিলে, মোর বাহিরত থকা স্বত্বর সময় উকলি যায় আরু মোক গঁতিয়াই নি ঠুহাটোত ভরাই ঠিহামরা দুরারখন লগাই দিয়ে। এই এটি খেনর বাদে দিনটোত মোক কেতিয়াও মলমূত্র ত্যাগর সুবিধা নিদিছিল। ক্ষুদ্র শৌচর কারণে পোতাশালখনত কোনো ব্যরস্থা নাছিল।

কাগজ পেঞ্চিলহে নেলাগে উপকরাকৈ মোক কাপোর এখনো লবলৈ নিদিছিল। গাত লাগি থকা সাজটিয়েই যি কাপোর আরু গুহাটোত থকা পোক পকরাবোরেইহে যি লগর লগরীয়া। এইবোরে ওরে গাটোতে বগাই পিরপিরণি তুলিছিল আরু গাটোও সিরিকিয়াই থাকিছিল। টোপনি নায়েই। উরহরে ছাতমারি থকা ঘুগুলী কম্বল এখন নিদিয়া নহয়। পিচে তাক নলৈ বরং সেই ঠটা ভেঁটিতে পরি থাকিছিলো।

বাহিরত নো দিন নে রাতি তার উমান পারলৈ এটা মাত্র উপায় আছিল,—সি হল বেরত থকা সামান্য ছিদ্র এটা। অরশ্যে মোলৈ রাতি দিন সকলো একে কথা। বিলাতী মাটীরে লিপা পকা বের বোরত দিনত উগ্র তাপ উঠি রাতি তার পরা ফি তমোময় গাপ উঠে, তার প্রতাপত অন্ধকূপটো জ্বলন্ত চৌকা এটাত পরিণত হোরা দি হয় আরু পরিণামত মই দিনে নিশাই ঘাম ঘামি ঘামতে সিক্তি থাকিছিলো।

কটা ঘাত চেঙা তেল দিয়াৰ দৰে মোক লুনীয়া পানীহে খাবলৈ দিছিল আৰু সি পিয়াহ গুছাওক ছাৰি পিয়াহত মোৰ অণ্ঠে কণ্ঠে সুকোৱাই নিছিল আৰু লগতে ওকালি আহিছিল।

পোক পতঙ্গৰ পৰা গা এৰাবলৈ মই ঠুহাটোৰ ভিতৰতে অনবৰত মৰণা-মৰাদি ঘূৰি পকি থাকিছিলো আৰু সেই কাৰণেই ইদিনৰ পিচত সিদিনকৈ মোৰ টোপনিৰ লগত সম্বন্ধ হেৰাই যাবলৈ ধৰিলে। মোক খাবলৈ দিয়া খিনিও বৰ্ণনাৰ অতীত। একাষাৰতে কবলৈ হলে ই মানুহৰ অখাদ্য। মোক গালি শপনিৰ উপৰিও কিলাইছিল। অন্ধকূপবোৰত পহৰা দিয়া ইংৰাজ ঘটীৰাম-বাটিৰাম বোৰৰ আচৰণ অতি জঘন্য, তেনেই অসভ্যালি আৰু অমানুষিক।

এই অৱস্থাত মোক ৪৫ দিন ৰাখিছিল। আনকি সন্যাসী এজনৰো দেহা আৰু মনৰ ধ্বংশ আনিবলৈ এইখিনিয়েই যথেষ্ট। ওৰ নপৰা এই লেলেটীয়া ভীষণ নির্য্যাতনৰ মূৰত আকৌ অশ্লীল প্রশ্নৰ জাঁউৰি উঠিছিল। এই গতিৰে পোন্ধৰ দিনমান কটোৱাৰ পিচত মুকুন্দবাবুৰ গতি বেয়াৰ পিনে ঢাল ললে। তেওঁ চাৰিবাৰ মান সংজ্ঞা হেকৰাৰ পিচত তেওঁক হস্পিটেললৈ নিব লগাত পৰিল। মোৰ নিজৰটো শৰীৰো যে ভাগিয়েই গল। মই গা লৰাব বা ঠিয় হব নোৱাৰাত পৰিলো। আনকি বাহী মুখ হাত ধুবলৈকো মোক হেঁচি ঠেলিহে নিবলগীয়া হৈছিল।

আটক কৰি ৰখাৰ ৪৫ দিনৰ পিচত গুপ্তচৰ বিভাগৰ পৰিচালনাত মোক জেৰা কৰা হৈছিল। প্রকাণ্ড এদল পুলিচ কর্ম্মচাৰীয়ে চিয়ঁৰ বাখৰ লগাই কঠোৰভাৱে মোৰ লগত জবাব চৱাল কৰিব ধৰিলে। ভতৰা ভতৰা গা ৰথীয়া পঞ্জাবীৰ দ্বাৰা পৰিবৃত হৈ ৰায়বাহাদুৰ ৰজ্রীনাথ বাক্সী, চর্দ্দাৰ বাহাদুৰ ছমপুৰণ ছিং আৰু এজন খাঁ বাহাদুৰ, —নাম তেওঁৰ পাহৰিছোঁ—এওঁবিলাককে লৈ নির্দ্দয় নিষ্ঠুৰ আৰু আপোন আপোন ব্যৱসায়ত সুদক্ষ এই ফৌজটোৱে, তেওঁবিলাকে নিজে নিজে কল্পনা কৰি লোৱা কথা কিছুমান মোৰ পৰা উলিয়াবৰ

প্রয়াসেবে ঢকিয়াই মেলি মোব অৱশ হৈ থকা মগজটোব আধ্যা পেলায়।

মোব ওপবত হোৱা প্রশ্নবানব গোটাচেবেক যেনে :—

(১) তুমি গোটেইখন ভাবতবর্ষত পাঁচ বাব ভ্রমণ কবিছা আৰু ১৯৪২ চনব ধ্বংশমূলক কার্য্য তুমিয়েই চলাই দিছিলা নহয় ? এতিয়া তোমাব লগব ষড়যন্ত্রকাৰীবোবব বিতং বাতবি দিয়া।

(২) নিখোঁজ হৈ থকা ১৫ মাহত তুমি কি কবিছিলা ? পুঙ্খানুপুঙ্খৰূপে তাব বিবৰণ দিয়া।

(৩) পলৰীয়াবোবব ভিতবত তুমি কিমানক জানা ? (তেওঁবিলাকব বুলি যি এহেজাব মানব নাম কাঢ়িলে, তাব এজনবো নাম মই আগতে শুনা নাই।)

(৪) তুমি জাপানব ফলীয়া। তোমাব গান্ধীও জাপানব ফলীয়া। তোমাব কংগ্রেছখন জাপানব ফলীয়া। আৰু তোমাব ফবৱার্দব্লকো জাপানবে ফলীয়া। তোমালোকব সকলোটি একগোট হৈ এই আন্দোলনত নামিছা আৰু তাব দ্বাবা জাপানব আক্রমণব সহায় হৈছা। সৈ কাঢ়া।

(৫) সুভাষ বসু পলোৱাব সকলো কথাকে তো তুমি জানা ? তেৱেই তোমাব যোগেদি এই আন্দোলনব খবছ দিছে। কলে সকলো ভালে ভালে ফঁহিয়াই কোৱাঁ, সেয়ে নহলে ইয়াতে খটম্ হবা।

ইয়াব পিচতে আহিল সামবিক তদন্ত। তাব প্রশ্নাবলীব নমুনা, যেনে :—

(১) ভাবতীয় জাতীয় বাহিনীব (আই-এন্-এব) দলপতিবোবব লগত তোমাব নিয়মীয়া যোগাযোগ আছে। তুমি তো ছিংগাপুব, বার্ম্মা, কাবুল, কান্দাহাব আৰু ইবাণ (পার্ছিয়া) আদিলৈ গৈছাই আৰু তোমাব তো নিশ্চয় সুভাষ বসুব লগত যোগাযোগ আছিল। (তেতিয়া তেওঁবিলাকে ভাবতীয় জাতীয়

বাহিনীৰ নেতাৰ বুলি এনে কেতবোৰ মানুহৰ ফটো দেখুৱাইছিল, যাৰ মুখ মই কোনো কালে দেখা নাই গতিকে মই সমূলি নিচিনো।)

(২) তোমাৰ তলত সর্ব্বতোভাবে আয়োজিত বিমান বাহিনী এটা আছিল নহয়? এয়াৰ চার্ভিছ্ অব্ ইণ্ডিয়া লিমিটেদৰ মুখ্য পৰিচালক (মেনেজীং ডিৰেক্টাৰ্) মিঃ কাবালী তোমাৰে তো মানুহ? আৰু এইটো বিমান বাহিনীকে তোমালোকৰ ধ্বংশাত্মক অভিযানত নিয়োগ কৰিছিলা নহয়?

প্রধান সেনাপতিৰ পৰিদর্শন

(চী-ইন-চী ভিজিট্ছ)

এদনৰ এটি সুপ্রভাতে মোক তবধ লগালে। সেইদিনা দেখোন মোক আদৰ সাদৰ কৰি গা যে ধুৱাই দিলেই, নতুন কাপোৰ এসাজো সলাবলৈ দিলে। স্বাভাৱিকতে এই অপাৰ কৰুণাৰ উহ লোৱা হল। বোলে "বৰ্‌ৰা চাহাব" আহিছে। লগে লগে মহামান্যবৰ বৰ-সেনাপতি ডাঙৰীয়া ওলালহিয়েই। কমাণ্ডাৰ ইন্ চীফ চাহাবে হিন্দীতে মোক শুধিলেহি,—

"আপুনি কেনে আছে (আপ কেইছা হেয়)?"

"আপুনি ফৰৱার্দব্লকৰ উপ-সভাপতি (আপ্ ফৰৱার্দব্লক কে ভাইছ্ প্রেছিডেণ্ট হেই)?"

"সুভাষ বসু ক'ত আছে (ছুভাছ্ বোছ্ কাঁহা হেই)?"

"আপোনাৰ লগত নো তেওঁৰ কি সম্পর্ক (আপ্ চে ওন্‌কা ক্যা সম্বন্ধ হেই)?"

"ভাৰতীয় জাতীয় সেনা বাহিনীৰ লগত আপোনাৰ কি সম্বন্ধ? (আপ্ কা ইণ্ডিয়ান নেছনেল আর্মী চে ক্যা সম্বন্ধ হৈ?)"

চাওতে চাওতে মোৰ স্বাস্থ্য হটি আহিবলৈ ধৰিলে। মই মেলেৰিয়াৰ কবলত পৰিলো। জ্বৰত মোৰ তাপ ১০৬° ডিগ্রীত উঠিলগৈ। এই জ্বৰৰ কেদিনত দুবাৰ মই অচেতন হৈ আছিলো

আৰু জীয়াই থকাৰ আশা তেনেই হেৰাই গল। মোক সামৰিক চিকিৎসালয় (মিলিটেৰী হস্পিটেল) এটালৈ স্থানান্তৰ কৰা হল,— চাৰি দিনৰ মুৰতহে পুনৰ জ্ঞান আহিছে। বাৰ দিনৰ চিকিৎসাৰ পিচত মোক আকৌ অন্ধঘোপটোত ভৰালেহি। আকৌ জ্বৰৰ আক্রমণ। তাপ বাঢ়ি একে কোৰে ১০৬ ডিগ্রী পালেগৈ। স্বাস্থ্যৰ গতি এনে দেখি মই কমান্দিং অফিছাৰজনক খাটনি ধৰিলো যাতে চাৰ চুলতান আহমদ বা ডাঃ এন বি খেয়াৰক মোৰ কথা জনায়। কিন্তু বিষয়াজনে মোক উপহাসৰ চলেৰে কলে বোলে ৰৰলাট বাহাদুৰৰ সদস্য (ভাইচ্ ৰয়জ্ কাউঞ্চিলাৰ্চ) সকলৰ ভিতৰতো চাৰ ৰেজীনাল্ড মেক্ছুৱেল বা তেওঁৰ সচিব মিঃ (এতিয়া চাৰ) চী-এম ত্রিবেদীৰ বাহিৰে আন কোনোৱে লাল কিল্লাৰ বন্দীসকলৰ বিষয়ে একো নেজানে আৰু কিবা সহায়-সুবিধা কৰি দিয়াৰ ক্ষমতা চাৰ চুলতান্ বা ডাঃ খেয়াৰ কাৰো নাই।

অক্টোবৰত মোক ওৱার্লি বন্দীশালৈ পঠিয়ালে। এই নাৰকীয় শাস্তিৰ পিচতো যে কেনেকৈ বাচি থাকিলো তাৰ কথা ভাবিয়ে ওৰ নাপাও। এই যম-যাতনা জীৱনৰ সোৱৰণ মোলৈ সপোন সদৃশ হৈয়ে ৰ'ব।

কল্পনাপ্রসূত প্রশ্নাৱলী (ফাণ্টষ্টিক্ কুয়েছন)

কাপাডীয়াই দুমাহকাল বিষম যাতনা ভুঞ্জি বন্দীশালত কটাই যেতিয়া শাৰীৰিক সুস্থতা আৰু মানসিক শান্তি হেৰুৱাই পেলাইছিল, তেতিয়াহে তেওঁক প্রশ্ন কৰিবলৈ আৰম্ভ কৰা হল। তেওঁক কৰা কিছুমান আচৰিত প্রশ্ন যেনে,—

তেওঁক সোধা হল, যে তেওঁ জাপান চৰকাৰৰ ৰাসবিহাৰী বসু অৰু আনন্দমোহন চাহাইৰ পৰা কি কি খবৰ সুভাষ বসু আৰু কংগ্রেছৰ কার্য্য নির্ব্বাহক সমিতিৰ অন্যান্য সভ্য অর্থাৎ পণ্ডিত জওহৰলাল নেহেৰু আৰু ডাঃ ৰাজেন্দ্রপ্রসাদলৈ আনিছে। তেওঁক ৰাতৰি

সৰবৰাহ কৰা বুলি অভিযোগ কৰিছিল আৰু তেওঁক, বম্বেত ধ্বংশাত্মক কার্য্যত লিপ্ত থকা, দোষী বুলি সাব্যস্ত কৰিছিল।

এই তিনিজন ৰাজনৈতিক নেতাৰ উপৰিও তাত জাতীয় সৈন্য বাহিনীৰ ভিতৰৰ বহুতো সম্ভ্রান্তবংশীয় লোক আছিল। এওঁবিলাকৰ হতুৱাই পায়খানা ঘৰ ধোৱা, সৰা, ময়লা চাফা কৰা আদি নানান লেতেৰা কাম কৰোৱা হৈছিল। বহুতৰে শৰীৰ ঘুণীয়া হল আৰু বহুতৰ মুখৰ বিকাৰ আৰম্ভ হল।

দ্বিতীয় পৰিশিষ্ট

অস্পৃশ্যতাৰ সন্দৰ্ভত

যাৰবেদা চুক্তি

নিজৰ আত্মাক ৰক্ষা কৰাৰ মানসেৰে মহাত্মা গান্ধীয়ে অনশন ব্ৰত পালন কৰাৰ সংকল্প গ্ৰহণ কৰিলে।

আম্‌বেদকাৰকে মুখ্য কৰি হৰিজনৰ নেতাসকলৰ লগত আলোচনা কৰিবৰ উদ্দেশ্যে তৎক্ষণাৎ হিন্দু নেতাসকল সমবেত হলহি। যুগ যুগান্তৰৰ পৰা তেওঁৰ সেই দুৰ্ভগীয়া হৰিজন ভাই সকলৰ প্ৰতি হিন্দুৱে কৰা নিৰ্ম্মম ব্যবহাৰৰ কথাই আম্‌বেদ্‌কাৰৰ মনত হিন্দুৰ প্ৰতি ক্ৰোধ আৰু ঘৃণাই বেচি ৰকমে ঠাই পাইছিল। ভাৰতবৰ্ষৰ ভিতৰত যদি কৰবাত এনে এজন মানুহ ওলাব পাৰে যাৰ কাৰণে গান্ধীজীৰ মৃত্যু কোনো কথাৰ কথা নহয়, সেইজন হল ডাঃ আমবেদ্‌কাৰ। তেওঁ মহাত্মাজীৰ অনশন ব্ৰতটোক ৰাজনৈতিক চাল বুলি আখ্যা দিছিল। তেওঁৰ সমুখত হিন্দুৰ মহৎ মহৎ মনিষী-সকল সমবেত হোৱা আৰু এওঁবিলাকে গান্ধীৰ জীৱন বচাবৰ কাৰণে তেওঁক নিবেদন জনোৱা দেখি তেওঁ নিশ্চয় যাৰ পৰ নাই আনন্দ উপভোগ কৰিছিল।

আলোচনাত অংশ গ্ৰহণ কৰা হিন্দু সকলে আগবঢ়োৱা প্ৰস্তাব-মতে, যদিহে হৰিজনৰ প্ৰতিনিধিক লৈ যুটীয়া নিৰ্ব্বাচন প্ৰথা মানি লব লগীয়া হয়, তথাপি আম্‌বেদকাৰে ব্যৱস্থাপক সভাবোৰ্ত হৰিজন সদস্যৰ ইচ্ছাত যেন কোনো বাধা নপৰে সেইটো বিচাৰে। আম্‌বেদকাৰে কয় যে গান্ধীৰ প্ৰস্তাৱমতে হৰিজন সদস্যৰ নিৰ্ব্বাচন হিন্দু আৰু হৰিজন ভোটাৰৰ দ্বাৰা গঠিত হবলৈ হলে, হৰিজন

বিলাক হিন্দুৰ কবলত পৰি যাব, গতিকে দ্বিতীয়বাৰৰ নিৰ্ব্বাচনত কৰবাত হিন্দু সকলৰ ভোটৰ পৰা বঞ্চিত হব পাৰে বুলি আশংকা কৰি তেওঁবিলাকে আইন-সভা বিলাকত নিজৰ দুখ দুৰ্গতিৰ কথা খোলোচাভাবে কবলৈ সাহ নকৰিব।

আম্‌বেদ্‌কাৰৰ যথার্থ ভয় নিবাৰণ কৰাৰ উদ্দেশ্যে ন্যায়নিষ্ঠ চাৰ তেজবাহাদুৰ ছাপ্রু ডাঙৰীয়াই প্রাথমিক মনোনয়নৰ যি এটি প্রস্তাব ডাঙি ধৰিলে সি ভাৰতৰ কাৰণে তেনেই নতুন পন্থা। সেইমতে, গান্ধীজীয়ে অনশন ব্রত আৰম্ভ কৰাৰ আগদিনা মাস্তি হোৱা সংৰক্ষিত আসনখিনিৰ কথা বাদ দি, বাকীখিনি আসনৰ কাৰণে হিন্দু আৰু অনুসূচিতৰ মিলিত দলে ভিতৰুৱাকৈ নাম স্থিৰ কৰিব আৰু সেই নামবিলাকৰ মনোনয়ন কেৱল হৰিজন সকলৰ ভিতৰত হে হব, তাত হিন্দুৰ লগত সংশ্রৱ নাথাকে। প্রতিখন আসনৰ কাৰণে তিনি জনৰ নাম বাচনিত তুলিব আৰু তাৰে এজনক হিন্দুৱে চৰম বাচনিত নিৰ্ব্বাচন কৰিব। এই প্রথাৰ দ্বাৰা হৰিজন সকলে অতি সাহসী আৰু নিৰ্ভীক ভাবে খোলোচা কৰি নিজৰ দৃঢ় মত প্রকাশ কৰিব পৰা মানুহ নিৰ্ব্বাচন কৰিব পাৰিব আৰু হিন্দুৱে তেওঁবিলাকক হকৰাবলৈ উপায় নেপাব।

সূত্রটো আম্‌বেদ্‌কাৰে ধীৰে জুৰে তেনেই ফঁহিয়াই চালে। তাৰ পিচত তেওঁ নিজৰ সহকর্ম্মী সকলৰ সৈতে পৰামর্শ কৰিবলৈ বুলি সভাস্থল এৰি গল। এইদৰে কেইবাঘণ্টাও গল। তেওঁ ফিৰিল, আৰু প্রস্তাৱটোত মত দিলে।

এতিয়া গান্ধীজীক লৈ সমস্যা।

চাৰ তেজবাহাদুৰ চাপ্রু, এম-আৰ জয়কাৰ, ৰাজাগোপালাচাৰীয়াৰ, দেৱদাস গান্ধী, ৰাজেন্দ্রপ্রসাদ আৰু বিৰলাই মাজনিশাৰ বেলত বোম্বাইৰ পৰা পুণা অভিমুখে ৰাওণা হল আৰু অনশনৰ দ্বিতীয়টো পুৱাৰ সাত বজাত মহাত্মাজীৰ আগত ওলালগৈ। তেখেতে মন দি আচনিখন শুনিলে, কিবাকিবি সুধিলেও, এইদৰে বুজিহে ললে, কিন্তু

নিজৰ কথা একোকে নকলে; লিখিত বৰ্ণনাখন বিচাৰিলে আৰু আম্‌বেদকাৰ আৰু এম-চী ৰাজাৰ লগত কথা হোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। ৰাজা, আইন সভাত গান্ধী মতবাদী হৰিজন সদস্য।

পিচদিনা পুৱা ছাপ্ৰুৰ প্ৰস্তাৱটোৰ সমালোচনাৰ চলতে মহাত্মা গান্ধীয়ে সুধিলে, দুদল হৰিজন প্ৰাৰ্থীৰ মাজত বিভেদ কিহৰ? সকলোবিলাক প্ৰাৰ্থী অকল হৰিজনেই মনোনীত কৰিলে নো কি অসুবিধা হব? এজন হলেও হৰিজন, হিন্দুৰ ওচৰত কেলৈ ৰাজনীতিৰ সম্বন্ধত ধকৰা হব লাগিছে?

বিয়লি পৰত আম্বেদকাৰ গান্ধীৰ বন্দীশালত উপস্থিত হলহি। বেচিখিনি কথা আম্‌বেদ্‌কাৰেই কলে। তেওঁ মহাত্মাজীৰ জীৱন ৰক্ষা কৰিবৰ কাৰণে সাজু বুলি কোৱাৰ লগতে "কিন্তু মোক ক্ষতিপূৰণ লাগে" বুলিও দাবি জনালে।

গান্ধীজীৰ অৱস্থাই বেয়াৰ পিনেহে ঢাল লৈছে। লঘোনে গতি বিষম কৰি তুলিছে। আগৰ কিবাৰত তেওঁ ঘণ্টাই ঘণ্টাই পানী খাইছিল। এতিয়া নিচেই অনিয়মিত ভাবেহে খাইছে। আগৰ কিবাৰৰ অনশনৰ কালত গা মালিচৰ পৰা গুণ পাইছিল, এইবাৰ গা পিটিকিবলৈ নিদিয়া হল। তেওঁৰ মন যেন আকুল। তেওঁৰ পৰি অহা দেহাটো বিষে-কোপে জৰ্জ্জৰিত হৈ পৰিছে। এতিয়া গা-ধোৱা কোঠালৈকো চাণ্ডীৰেহে (ষ্ট্ৰেছাৰেৰে) নিব লগাত পৰিছে। অকণমান কাতি-কুতা কৰিলে বা নাম-মাত্ৰ কথা কওঁতেই ভাগৰি পৰিছে। "মোক মোৰ ক্ষতিপূৰণ লাগে"—বুলি আম্‌বেদ্‌কাৰে কলত গাৰ বিষ লৈয়ে হাতৰ কিলাকুটিত ভৰ্‌ দি গান্ধীজীয়ে কেইবামিনিতো কথা কলে। অস্পৃশ্যসকলৰ প্ৰতি কেনে মনোভাৱ তাৰো উল্লেখ কৰিলে। ছাপ্ৰুজীৰ আঁচনিখনৰ প্ৰতিটো পদৰে তেখেতে আলোচনা কৰিলে আৰু তাত কি খুঁত আছে উলিয়াই নিজৰ আপত্তি জনালে; হৰিজন-প্ৰাৰ্থী সকলক অকল হৰিজন

সকলৰ হতুৱাই মনোনীত নকৰায় কিয় ?" তাৰ পিচত ভাগৰ লাগি গাকতে ভেজা দি বল।

আম্‌বেদ্‌কাৰৰ মন প্রফুল্লিত হল ; কাৰণ, তেওঁ ভাবি আহিছিল যে মৰে মৰে অৱস্থাত থকা গান্ধীৰ সমুখত তেওঁক বিচলিত কৰিবৰ কাৰণেহে হেঁচনি দিব ; কিন্তু তাৰ পৰিবর্ত্তে যেতিয়া তেওঁ দেখিলে যে তেওঁ যি বিচাৰিছিল গান্ধী তাৰ সীমা চেৰাই গল, তেওঁ তাক মানি ললে আৰু মহাত্মাজীয়ে ছাপ্রুৰ আঁচনৰ উপৰিও দিয়াখিনিত আম্‌বেদ্‌কাৰে সঁহাৰি দিলে।

সেইদিনাই কস্তুৰীবাঈ গান্ধীক, সবৰমতিৰখন ফাটকৰ পৰা যাৰৱেদা পোৱালেহি। তেখেতৰ স্বামীৰ ফালে এখুজি দুখুজিকৈ আগবাঢ়ি গৈ "আকৌ দেখোন সেই একে কথাই !"—বুলি হাঁহিমুখে সম্ভাষা জনালে। তেখেতৰ সংগত পৰি মহাত্মাৰ মনো প্রফুল্লিত হৈ পৰিল। কস্তুৰীবায়ে গা পিটিকিৰ খোজোতে যে মাস্তি হলেই, নিজতকৈয়ো তেখেতৰ ভার্য্যাৰ সন্তুষ্টিৰ কাৰণেই, গা-পিটিকা যাৰ ব্যবসায়, এনে মানুহকো মালিচ কৰিবলৈ দিলে।

২৩ চেপ্তেম্বৰ শুকুৰবাৰ। হৃদ্‌ৰোগৰ বিশেষজ্ঞ (হার্ট স্পেশ্যালিষ্ট) ডাক্তৰ গিলদাৰ্‌ পালেহি, বোম্বাইৰ পৰা ; আৰু বন্দীশালৰ চিকিৎসক সকলৰ লগতে ডাক্তৰ গিল্‌দাৰেও অৱস্থা সাংঘাটিক বুলি কলে। গুৰুতৰ বিষয়ৰ মীমাংসাৰ সময়ত মহাত্মাজীৰ তেজৰ ছাপ এনেও বাঢ়ে যদিও, এই যে এইবাৰ বাঢ়িছে, ই এনে উৎকট গতিৰে বাঢ়িছে যি কোনো মুহূর্ত্ততে মৃত্যুৰ আশংকা বর্ত্তমান।

গোটেই দিনটোতে আমবেদ্‌কাৰে হিন্দু আলোচনাকাৰী সকলৰ পৰা ইটোৰ পিচত সিটোকৈ সুবিধা আদায় কৰি আছে। "ক্ষতিপূৰণৰ" অজুহাতত তেওঁ এতিয়া নতুন কেইটামান দাবি উৎথাপন কৰিলে,—

প্রথমতঃ প্রধান মন্ত্রী মেকডোনাল্‌দে অস্পৃশ্য সকলৰ কাৰণে প্রাদেশিক ব্যৱস্থাপক সভা বিলাকত যি একসত্তৰখন আসন

দিছিল, তাক বঢ়াই এশ সাতান্নবৈখন কবিব লাগে; দ্বিতীয়তে, চাপ্রুৱে প্রতিখন হবিজন আসনব কাবণে তিনি তিনিজনকৈ হবিজনব নাম স্থিব কবি লবলৈ পবামর্শ আগ বঢ়াইছিল: মহাত্মা গান্ধীয়ে সেই সংখ্যাটো বঢ়াই ৫ (পাঁচ) কবিবলৈ কলে, কিন্তু আম্বেদ্‌কাবব মতে ২ (দুই) হব লাগে। এইখিনিতে আম্‌বেদকাবে এটা কিটিপ বাখিবলৈ বিচাবিছে যিটো হৈছে যে সংখ্যাত সদস্য যিমানে কম হব সেইখিনিক তেনেই তেওঁব কবলত বাখিবলৈ সিমান উজু হ'ব। শেষব প্রশ্নটো হল ম্যাদ লৈ, অর্থাৎ কোন সময়ত গৈ হবিজন সকলে তেওঁবিলাকব কাবণে আসন সংবক্ষিত কবি বখাব নিয়ম উঠাই দি হিন্দু আৰু হবিজনব ভেদাভেদ্ মোহাবি পেলাব?—মহাত্মাজীব মতে ম্যাদ পাঁচ বছব হব লাগে; আম্‌বেদকাবে কিন্তু পোন্ধব বছব বুলি দাবি কবি বহিল।

শুকুৰবাবব অন্ত নৌ পবোতেই আম্‌বেদ্‌কাবে আকৌ গান্ধীজীক দেখা দিলেহি। বহুত ঠাই ঘেবাই ফেবমেলি থকা প্রকাণ্ড আমগছ এজোপাব তলত বগা বঙব খাট্ এখনত মহাত্মাজী শুই আছিল। বতাহে গছব পাত এটিকো লবাব পবা নাই। গান্ধীজীব তেজব ছাপ দুগুণে উধাই গল। ফুচ্‌ফুচীয়া কথাতকৈ আৰু মাত মুফুটা হল। আমবেদ্‌কবে কিন্তু দাবি আদায় কবাত কঠোব ভাব ধাবণ কবিলে; কোনো সিদ্ধান্তত উপনীত হব পবা নহল।

সেইদিনা শনিবাব। ব্রতব পঞ্চম দিন। এইটো দিনেই গান্ধীজীব জীৱনব শেষ দিন বুলি ডাক্তাব সকলে অনুমান কবিছিল। বাতিপুৱাব গোটেই বেলাটো ডাঃ আমবেদ্‌কাবে হিন্দু সকলব লগত বাক্ যুদ্ধ দি দি দুপবীয়া সময়ত মহাত্মাজীব ওচব চাপিলহি। তেওঁ জানিবলৈ দিলেহি বোলে মেকডোনাল্‌দে মঞ্জুব কবা ৭১ খন আসন আৰু তেওঁ দাবি কবা ১৯৭ খন আসনব সংখ্যাব ভিতবত, এটা মিমাংসালৈ অহা হল। সংখ্যাটো ১৪৭। গান্ধীজীয়েও মানি ললে। প্রাথমিক মনোনীতব সংখ্যাব ক্ষেত্রতো তেওঁলোক এটা বুজাবুজিলৈ আহিল।

হৰিজন আৰু হিন্দুৰ মাজত ব্যৱধান ৰাখি চলোৱা এই নিৰ্ব্বাচন প্ৰথাৰ মিয়াদ কেতিয়াকৈ উকলিব সেই কথাহে অমিমাংসিত হৈ ৰল। আম্‌বেদ্‌কাৰ দহ বছৰলৈ নামিল, গান্ধিজী কিন্তু পাঁচ বছৰত অচল অতল।

আলোচনাকাৰীসকল আকৌ মেলত বহিল। আম্‌বেদ্‌কাৰ অচল। এনেতে ৰাজাজীয়ে যি এটা কাম কৰিলে তাৰ জহতে কিজানি গান্ধীৰ জীৱন ৰক্ষা পৰিল।

মহাত্মাজীৰ লগত কোনো মিমাংসা নকৰাকৈয়ে আম্‌বেদ্‌কাৰ আৰু ৰাজাগোপালাচাৰী উভয়ে এটা মতলৈ আহিল যে নিৰ্ব্বাচনৰ বিভিন্নতা উঠাই দিয়াৰ বিষয়ে পিচতহে আলোচনা কৰা হব। গতিকে এই সন্দৰ্ভত পুনৰ ৰাজুহুৱা বিচাৰ আৰু নহব।

হুৰমূৰকৈ জেলৰ ভিতৰ সোমাই ৰাজাগোপালাচাৰীয়ে মহাত্মাজীৰ ওচৰত এই মিমাংসাৰ নিবেদন জানালে।

মহাত্মাজীৰ তেতিয়া সংজ্ঞাহীনহেন অৱস্থা। তথাপি কলে, "আকৌ কৰনে?" ৰাজাজীয়ে পুনৰ উক্তি কৰিলে।

ফুচফুচীয়া মাতেৰে মহাত্মাই কলে—"বঢ়িয়া।"

সেই শনিবাৰেই হিন্দু আৰু হৰিজনৰ মুখ্য নেতা সকলে চুক্তি বিলাক লিপিবদ্ধ কৰি চহী কৰা এই 'যাৰবেদা চুক্তি' ভাৰতবৰ্ষৰ ইতিহাসতো চিৰস্মৰনীয় হৈ ৰৈ গল।

কিন্তু মহাত্মাজীৰ মতে যেতিয়ালৈকে বৃটীছ্‌ চৰকাৰে মেক্‌দোনাল্‌দৰ আচনি বাতিল কৰি এই চুক্তি গ্ৰহণ নকৰে, তেতিয়ালৈকে এই দলীল চুক্তি-পত্ৰ বুলি গ্ৰহনীয় নহয়, গতিকে অনশনো ত্যাগ কৰিব পৰা নহব।

চুক্তিৰ বিষয় বস্তু লণ্ডনলৈ তাঁৰ কৰি জানোৱা হল। পিচে সেই সময়ত ইংৰাজ চৰকাৰৰ সৰহভাগ মুখিয়াল সদস্যই নগৰত নাছিল। প্ৰধান মন্ত্ৰী মেকদোনাল্‌দো সেই সময়ত তেওঁৰ পেহীয়েকৰ অন্ত্যেষ্টি ক্ৰিয়াৰ কাৰণে চাচেক্সতহে।

পুণাৰ চুক্তিৰ খবৰ শুনি মেকদোনাল্‌দ খৰপোচকৈ ১০ নং ডাউনিং ষ্ট্ৰীটলৈ ঘূৰি আহিল। চাৰ চামুৱেল হোৰ আৰু লৰ্দ লোথীয়ানৰ সৈতে তেওঁ মাজনিশালৈকে বিষয়াটো তন্ন তন্ন কৈ পৰীক্ষা কৰিলে।

ইতিমধ্যে মহাত্মাজীৰ জীৱন-ৰস্তি নুমাই আহিব ধৰিলে। মহাত্মাজীৰ বিচনাৰ চাৰিউফালে থকা তেখেতৰ সামগ্ৰীবিলাক বিলাই দিবৰ কাৰণে তেখেতৰ ভাৰ্য্যা কস্তুৰীবাই গান্ধীক কৈ দিলে। মহৰ্ষি ৰবীন্দ্ৰ নাথ ঠাকুৰ কলিকতাৰ পৰা পালেহি আৰু মৃত্যু যাৰ আসন্ন, বন্দীশালৰ সেই বন্দীজনৰ কাণত অন্তিম কালৰ মধুৰ সংগীত শুনাই তেওঁ আত্মাৰ শান্তি কামনা কৰিবলৈ ধৰিলে।

সোমবাৰে ৰাতিপুৱাৰ লগে লগে বৃটীছ চৰকাৰে যাৰবেদা-চুক্তি যে গ্ৰহণ কৰিলে, একে সময়তে লণ্ডন আৰু নতুন দিল্লীত সেই কথা ঘোষণা কৰা হল। পুৱা পাঁচ বাজি পোন্ধৰ মিনিট যোৱাত কস্তুৰীবায়ে অৰ্পণ কৰা সুমথিৰাৰ ৰস অকণমানৰ দ্বাৰা মহাত্মাজীৰ ব্ৰত ভঙ্গ কৰা হল।

ইংৰাজীৰ পৰা কম-বেচ ভাঙনি।

মূলঃ—লুইফিচ্ছাৰৰ "গান্ধী", দ্বিতীয় ভাগ, ভাৰতত গান্ধী
(গান্ধী ইন্ ইণ্ডিয়া—জানুৱাৰী, ১৯১৫—
মাৰ্চ ২৩, ১৯৪৬। ২০ ৰাজীকৰ
(দি মেজিচীয়ান্)
পৃঃ—১১৮

তৃতীয় পরিশিষ্ট

বিস্তৃত সূচী

(বর্ণানুক্রমিক)

(প্রথম সংখ্যাটিয়ে অধ্যায় আৰু সিটিয়ে উপ-অধ্যায় বুজাইছে)

"অকণ" ১।৯
অখণ্ডিত বঙ্গদেশ ৩।২১
অন্তবর্ত্তী মন্ত্রীসভা ১৪।৩
অন্নপূর্ণা স্তোত্রম ৫।১৪
অনা অসমীয়া ১৩।২
অনা-আব্দাবিত ২।৪
অবৈতনিক গোলাম ৩।৩
অমুছলমান সমষ্টি ৫।৫, ৮।১৬, ১০।১, ১০।৪
'অমৃত বাজাৰ পত্রিকা' ১।১৪, ১।১৫, ১।১৭, ১।২৬, ৬।৩০
অল ইণ্ডীয়া কংগ্রেছ কমিটীৰ বোম্বাই (১৯৪২) অধিবেশন ১৩।১
'অশৌচ তত্ত্ব সংগ্রহ' ৪।১
অশ্রম / বিনাশ্রম-কাৰাদণ্ড / কাৰাবাস ১।১৭, ২।১৫, ২।১৮, ৪।৮, ৬।৩৩, ৭।১
অসম ৩।১৬, ৩।২৬
অসম উপত্যকা ১।১৪, ৮।১২, ১০।১, ১০।২, ১০।৮, ১২।১০
অসম এচোচীয়েচন ১।১, ১।১৭
অসম এছেম্ব্লী/অসম নিম্ন পৰিষদ/অসম ব্যৱস্থাপক সভা ১।৪, ১।৮, ১।১৪, ৫।৬, ৭।৩, ৮।১২, ১০।১, ১২।২, ১৩।২৪
অসমৰ কেন্দ্রীয় বন্দীশাল ২।২৭
অসম চৰকাৰৰ অত্যাচাৰৰ তদন্ত ৮।১
অসম জাতীয় সভা ১।২৭
অসম প্রাদেশিক কংগ্রেছ ১।৩১, ৩।১৮, ৪।৫, ৬।১৩, ৬।৩০, ১২।৮
অসম প্রাদেশিক কংগ্রেছৰ ৰাজধানী, গুৱাহাটী ৬।৩০
অসম ফ্রন্টিয়াৰ্ছ ৩।১২
অসম ব্যৱস্থাপক সভাৰ ইউৰোপীয়ান গ্রুপ ১৩।২৪
অসম বিলাসিনী ১।২৬, ১।৩১
অসম সাহিত্য সভা ৩।১২, ৯।৩
অসম হৰিজন সংঘ ৯।৬
অসমত ইসলাম ৰাজ্য স্থাপন ১০।৮
অসমত বঙ্গাল খেদা আন্দোলন ১০।২
অসমৰ অঙ্গক্ষত ৩।১২
অসমীয়া বঙ্গালী দলাদলি ৩।১২
অসমীয়া শিখ ৩।১২
অসহযোগৰ মন্ত্র/অসহযোগ নীতি ১।২৯, ৩।২১, ৮।১৪, ১৩।১

অহিংস অসহযোগৰ অস্ত্ৰৰ প্ৰয়োগ ১২।১১
অহিংস অসহযোগ (আন্দোলন) ১।৩, ২।৪, ২।১১, ৩।৩, ৩।৫, ৩।১০, ৩।১২, ৩।২৬, ৫।৩, ১১।১
আই-এন-এ/ভাৰতীয় জাতীয় বাহিনী/আজাদ হিন্দ ফৌজ ১৩।৬
আইন অমান্য আন্দোলন ৩।১৭, ৫।২৪, বিৰতি ৫।৩১
আসাম ৰিভিউ এণ্ড টী নিউজ ১২।৭, ১৩।২২
আঁজান ৬।২২
আত্মপক্ষ সমৰ্থন ৪।৭
আদালত বৰ্জ্জন ১।১৯, ৩।৩, ৩।১২
আদালতৰ আখৰা ৪।৮
আন্তৰ্জাতিক কানি সম্মিলন ৮।৯
অ'পিয়ম কন্‌ফাৰেঞ্চ ৮।৯
আবকাৰী পণ্টন ১১।৮
'আৱাহন' ৩।১২, ১০।৮, ১২।২, ১৩।২৩
আৱাৰিত / আৱাৰ-প্ৰাপ্ত / বিশেষ ব্যৱহাৰ প্ৰাপ্ত ২।৪, ২।৯, ২।২২
আমগুৰি (পেজেৰা) ৩।২৬, ৮।৩
আমগুৰি (ৰবনগৰ) ১।৯
আমেৰিকা ৩।১, ১২।১০, ১৪।৩
আৰ্টিকোল টুৱেন্টী থ্ৰি ১৩।২৪
আৰৰ নেছনেল দীমাওছ্ ১২।১
আশ্ৰমবাস ৮।১
আহোম ৩।১২
আহোম বৃত্তি ১২।৩
আহোম সভা/আহোম লীগ ১২।৪, ১২।৫, ১২।৬
আহোম সভাৰ যোগেন গোহাঁইৰ নিৰ্ব্বাচনী অফিচ ১২।৬
ইউৰোপ ৬।১৭
ইউৰোপীয়ান সমষ্টি ১০।১
ইণ্ডিপেণ্ডেন্স চেলিব্ৰেছন কমিটীৰ সভাপতি, টি-টি-এছ হেইলী (১৯৪৬-৪৭) ১৮।৫
ইংৰাজ/বৃটীছ ৩।৩, ৩।৫, ৩।১১, ৩।১২, ৮।১১, ৯।৩, ১২।১১
ইংৰাজ চৰকাৰ/বৃটীছ গবৰ্ণমেণ্ট/বৃটীছ ৰাজ ৩।১২, ৫।২৭, ১০।৩, ১০।৮
ইংলণ্ড/বিলাত/বৃটেইন ১।১, ১।১১, ১।১২, ৩।১২, ৯।৫, ১২।১
ইটালী ১২।১১
ইষ্ট ইণ্ডীয়া কোম্পানী/কোম্পানীৰ দিন ৩।৩, ৩।১২, ১১।১
ইহুদী ১৩।৫
'ইয়ং ইণ্ডীয়া' ৮।১, ৮।৮
ঈদ ৩।২১
উজু ৬।২২
উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ ১০।৬, ১৪।৩
উপ-নিৰ্ব্বাচন ১২।৫
উৰিয়া, উৰিয়া ১০।২, ১০।৬
এচিয়া ১২।৯
"এজন মানুহক কিমান মাটি লাগে" ৬।২৫
'এডভান্স' ৯।১
এণ্টি নন্-কো-অপাৰেছন ৫।২৬
১০৭ ধাৰা ৪।৬
১০৮ ধাৰা ৪।৬, ৪।৮
১১০ ধাৰা (বেদ্ লাইভ্‌লিহুদ) ২।১৯
১৪৩ ক ধাৰা ৪।৬
১৪৪ ধাৰা ৩।৬
১৫৩ ক ধাৰা ৪।৬
১৮৮ ধাৰা ৩।৬
এংলো মাৰ্কিন সম্প্ৰীতি ১২।৯
ওৱাৰ্দ্ধা ১৩।১
ওৱালী জেল (বন্দীশাল) পৰিশিষ্ট

ওকালতি বর্জ্জন ১।৩
কটন কলেজ ১।৩, ৩।১২
কর্ম্মবীর নবীনচন্দ্র বরদলৈ ১।১, ১।৩, ১।৯, ১।১১, ১।১২, ১।১৩, ১।২১, ১।২৯, ১।৩১, ১।৩৩, ২।৯, ২।৩০ ২।৩৩, ৩।২, ৩।৮, ৩।১৮, ৩।১৯, ৪।১, ৫।৯, ৫।১৫, ৫।১৯, ৫।২০, ৫।২৪, ৫।২৫, ৬।৮, ৬।৯, ৬।১০, ৬।১৩, ৬।১৪, ৬।১৬, ৬।১৭, ৬।২০, ৬।২৩, ৬।৩০, ৭।৩৩, ৭।১, ৮।৭, ৮।৯, ৮।১৭
ক'লা পাণ্ডুরি ৫।১১, ৭।১
কলিকতা ১।৯, ১।১৪, ১।২৬, ৩।২১, ৫।২৮, ৮।১৫, ৯।১, ১০।২, ১০।৮, ১১।৬, ১২।৭, ১২।১৩, ১৩।৭, ১৪।২ পরিশিষ্ট।
কলিকতা চহরতো জাপানী বোমা ১৩।৭
কলিকতা অধিবেশন কংগ্রেছ ১।২৮, ৩।২১, ৯।১
কলিকতা বিশ্ববিদ্যালয় ২।৩০, ৩।২৪, ৫।১২
কস্তুরীবাঈ গান্ধী পরিশিষ্ট
কংগ্রেছ ১।১৭, ১।২৬, ১।২৭, ১।৩১, ২।১১, ২।১৮, ৩।১, ৩।৯, ৩।১২, ৩।১৩, ৩।১৪, ৩।১৮, ৩।২৬, ৩।২৭, ৪।১, ৪।৩, ৪।৭, ৫।১২, ৫।৩২, ৬।২২, ৮।৪
কংগ্রেছ ওৱার্কিং কমিটী ১২।১, ১৩।১
কংগ্রেছৰ ঘৰ/কংগ্রেছ অফিছ/কংগ্রেছ কার্য্যালয় ৩।২২, ৩।২৬, ৩।২৭, ১২।১২, ১৩।৯
কংগ্রেছৰ নৰমপন্থী ১২।২
কংগ্রেছ বিৰোধী (কাউন্সিল) ৩।২৬, ৫।২১, ১২।৬
কংগ্রেছ মহাসভাৰ গুৱাহাটী অধিবেশন (১৯২৬) ৮।১২, ৮।১৩, ৮।১৭
কংগ্রেছ যুক্ত মন্ত্রীসভা ১০।৯, ১৮।১, ১৯।২, ১২।৭
কংগ্রেছ হাট ৩।২৪
কংগ্রেছী ২।১১, ৪।৬, ৫।২১, ৬।৪, ৬।৩২, ৮।৭, ৮।২৬, ১২।৪, ১২।৬, ১৩।১৯
কংগ্রেছী শিক্ষক ৮।৭
কয়দী নিবাস ২।৩১
কাউন্সিল পক্ষী ৮।১৪
কাউন্সিল বয়কট ১০।৩
কানি নিবাৰণী আইন ১১।১, ১১।১০, ১২।৫, ১২।৭, ১২।১০
কানি নিবাৰণী সমিতি/অপিয়াম প্রহিবিছন কমিটী ১১।২, ১১।৪, ১১।৮, ১ ।৯, ১২।১, ১২।৭
কানীয়া বিয়ৈ/কানীয়া সেৱা ১১।১০
কামৰূপ ১।২৭, ১।৩১, ৩।২৬
কামাখ্যা ৬।১৮
কাশী হিন্দু বিশ্ববিদ্যালয় ১২।৩
কুলধৰ চলিহা ১।৩১, ১।৩৩, ২।৩০, ২।৩৩, ৩।১৮, ৩।২৭, ৪।১, ৫।৩, ৫।৪, ৫।২৩, ৬।৮, ৬।৯, ৬।১৪, ৬ ১৬, ৬।১৭, ৬।২৫, ৬।২৬, ৬।৩৩, ৭।১, ৮।৭, ৮।৯, ৮।১৪, ১২।৫, ১২।৮, ১৩।১৫, ১৩।১৬
কৃষি আয়কৰ বিল ১২।১
কেন্দ্রীয় মন্ত্রীসভা গঠন ১৪।৩
কেবিনেট মিছন ১৪।৩
কোঁচ-বিহাৰ ৩।১২
কোৰাণ ছৰীফ ৬।২২, ৬।২৭
খদ্দৰ বিক্রি ১।৩১
খাইবৰ পাছ ২।২০, ৬।৪
খিলাফৎ ১।১০, ৩।৩, ৩।১৩, ৫।৩২, ৬।৪, ৬।২২

খৃষ্টীয়ান ৫।৫, ৬।৯
খৃষ্টীয়ান নীতির ওপরত গঠিত সভ্যতা ১২।৯
খৃষ্টীয়ান সাম্রাজ্যবাদ ৫।৫
গণতন্ত্রীয় অসম ১২।৭
গণতন্ত্রীয় শাসন ১২।১
গাইগুটীয়া যুদ্ধবিরতি ৬।২৬
গাণ্ডীব ধনু ৫।১৬
গান্ধী অবতার ১০।৩
গান্ধী আরউইন পেক্ট/গান্ধী আরউইন চুক্তি ৯।৩
গান্ধী টুপী ৪।৪
গান্ধী-দা-মেজিচিয়ান পরিশিষ্ট
গান্ধী ভলণ্টিয়ার ৩।১
গান্ধীর হাট ৩।১৫
গারুলীয়া কংগ্রেছ ৩।৩
গারুলীয়া সমবায় বেঙ্ক ৮।১৫
গীতা ২।২১, ২।২৩, ৩।১০, ৫।১৬, ৬।১৯
গুবাহাটী ১।৩, ১।৭, ১।৯, ১।২৯, ১।৩১, ২।৬, ৩।১০, ৩।১৮, ৫।৯, ৬।৪, ৬।১৭, ৬।২৯, ৬।৩০, ১১।২, ১৩।৮
গ্রেজিং টেক্স ১।৯, ৮।৩
গোরার হাউলী/ইউরোপীয়ান ওরার্ড ২।৩৩
গোলন্দাজ ৬।২
গোলাঘাট ২।৬, ৫।১০, ৫।১২, ৬।২৯, ৮।১০, ৮।১৪, ১০।৪, ১২।৩, ১২।৬, ১২।৮
গোলামখানা ৩।৩, ৮।৬
গোরালপারা ১।১৭, ১।৩১, ৩।৮, ৩।১২, ১৩।১৩
গোরালপারার থানা ৩।১২
গো সংরক্ষিণী ২।১
চরকারর নিষেধাজ্ঞা ৩।১০
চরকার চালাম ২।২২, ৫।১১, ৫।১৯, ৫।২০, ৬।৯
চরকারর মনোনীত সদস্য ১০।১
'চার্ভেণ্ট' ১।২৬, ৫।১৭, ৬।৩০, ১০।২
চাহ খেতিয়ক সমষ্টি ১০।৫
চাহ বনুরার ধর্ম্মঘট ৩।১৬
চাহ মজদুর পরিষদ ১১।৪
চাহ মজদুর সংঘ ১১।২
চাহ শিল্প ৩।২৬
চিমন কমিশন ৯।১
চিরস্থায়ী বন্দবস্ত ১।৩৪, ৩।১২
চিলট/শ্রীহট্ট/চিলেত ২।৮, ২।৯, ২।২৭, ২।৩৫, ৬।১, ৬।২৭, ৬।৩০, ৬।৩১, ৭।২, ৮।১২, ১০।১, ১০।৪
চিলট জেইল/বন্দীশাল ২।৭, ২।২০, ২।২১, ২।২৭, ২।৩৪, ২।৩৫, ৫।২৪, ৫।২৫, ৬।৪, ৬।৯, ৬।১৬, ৬।১৮, ৬।১৯, ৬।২২, ৬।২৯, ৬।৩১, ৬।৩২, ৭।১১
চিলট জিলা কংগ্রেছ/চিলট জিলা খিলাফট্ কমিটী ৬।৪
চিলটর অসম ত্যাগ ৮।১২
চিলটীয়া মুছলমান ২।২৯, ৬।২০, ৬।২২, ৬।২৭, ১০।২
চিলটীয়া রাজনৈতিক বন্দী ২।২৯
চিলচর/শিলচর ২।৪, ২।১১
শিলচর/শিলচর জেইল ৬।৯
চিলং ১০।৯
'চিলহেট্ ক্রণিকোল' ৭।২
চুর্ম্মা/চুরমা উপত্যকা ৬।৪, ১০।১
"চেতনা"/চেতনা কার্য্যালয় ১।২৫
চৌরীচৌরা ৫।৩১, ৬।৭
ছোটনাগপুরী এচোচীয়েছন ১০।২

জাতীয় স্কুল/জাতীয় বিদ্যালয়/নেছনেল স্কুল ১।২১, ১।২৯
জাপান ১২।৯, ১২।১০, ১২।১১, ১৩।২, বেদীয় ১৩।৬, ১৩।৭
জাপানী ১৪।৩ পরিশিষ্ট
জালিন্‌ৱালাবাগ ১।১০, ১।২৬, ৩।৩, ৩।২১, ৩।২৩, ৬।৪, ৯।২
টকাত আঠঅনা খাজনা বেহাই ১২।১
ট্রাইবেল সমষ্টি ১২।১
টী গার্ডেন লেবার এনকোৱারী কমিটী ১২।৭
ডমিছাইল্‌দ বঙ্গালী ১০।২, ১২।১২
ডিক্রুগড় ১।১, ১।২৬, ৩।৬, ৩।১০, ৩।১১, ৩।১২, ৬।২৯, ৮।৩, ৮।১৬, ১০।৩, ১১।১, ১১।৫, ১১।৬, ১১।৮, ১২।৬, ১৩।১, ১৩।৬, ১৩।১৮, ১৪।১
ডিক্রুগড় জিলা কংগ্রেছ কমিটী ৩।১২
ডিক্রুসদিয়া বেইলওৱে/ডি-এছ্‌-আৰ ৩।১১
৯৩ ধাৰাৰ (গবর্ণৰৰ) শাসন ১০।৯, ১২।১০, ১৩।১
তিলক স্বৰাজ ফাণ্ড ৩।৩, ৩।২১
তেজপুৰ/তেজপুৰ জেইল ২।৬, ২।৭, ৬।৪, ৬।২৭
দাণ্ডি অভিযান/দাণ্ডি মার্চ ৯।২
দিগবৈৰ ধর্ম্মঘট ১১।১
দিগবৈৰ গুলী চালনাৰ মকর্দ্দমা ১২।৭
দুর্জয় "যদি" ৬।৪
দেউলী শিবিৰ পরিশিষ্ট
দেশভক্ত তৰুণৰাম ফুকন ১।১, ১।১২, ১।২৯, ১।৩১, ২।৪, ৩।১৮, ৩।১৯ ৪।১, ৬।৫, ৬।২৯, ৮।৭, ৮।৯, ৮।১৪, ১০।৪
ধর্ম্মৰ ভেটিত পৃথক নির্ব্বাচন ৯।৫
নগাঁও/নগয়াঁ ২।১৮, ৩।১০, ৫।৭, ৫।২৩, ৬।১১, ৬।২৯, ৮।১৩, ৮।১৪, ১০।৮, ১৩।১, ১৩।১৪
নগাঁও জিলা কংগ্রেছ ৯।৬
নগাঁও লোকেলবোড ১০।৮
নগাঁও সমষ্টি ১০।৮
ন' চেঞ্জাৰ ৮।১৪
নলবাৰী ১।১৩, ১।২০, ৭।৩
নাজিৰা/নাজিৰা হাইস্কুল ১।৩১, ৩।১৭, ৩।২৬, ৪।৮, ৮।৩, ১২।৩, ১২।৬
নাজীবাদ ১২।১
নাজী জার্ম্মানী ১২।১
নিখিল ভাৰত দিন ১২।২
নিৰক্ষৰতাৰ বিৰুদ্ধে অভিযান ১২।১
নেছনেল ওৱাৰ ফ্রণ্ট ১৩।২২
নেতাজী সুভাষ চন্দ্র বসু ৯।১, ৯।২, ১০।৯, ১২।২, ১২।৬, ১২।৭, ১৩।৩ পরিশিষ্ট
পঞ্চায়ৎ ১।২৭, ৩।৩
পণ্ডিৎ জওহৰলাল নেহেৰু ৯।৩, ১০।৩, ১২।২, ১২।১১, ১২।১৩, ১২।১৪, পরিশিষ্ট
পলিটিকেল এজেন্সী ১।১, ১।১২, ১।২৩
প্রতিশ্রুতি আদায় ১।১৮
পাকিস্তান ১।২৬, ২।৩৫, ৩।২১, ৫।৫, ৮।১২, ১৪।৩
পার্লিয়ামেণ্ট সভা (বৃটীছ) ১।২
প্রাদেশিক কংগ্রেছৰ মনোনয়ন ১২।৪
প্রেছ এক্ট ১।২৬
পোতক তোলা শান্তিসেনা/পিউনিটিভ্‌ পুলিছ ফৌজ ৬।১৩, ৮।১
ফৰওৱার্দ ব্লক ১২।২, পরিশিষ্ট
ফাইল কৰা ৫।১১, ৬।৯
ফাইলত থোৱা ৬।১৮
ফ্রান্স ১২।১

ফিমেল ওয়ার্দ বা মহিলা ফাটেক ২।৩৩, ৬।১৮
ফিবিজি সমাজ ১৩।২৪
ফিবিজি চাহ কোম্পানী ১২।৪
বঙ্গ/বঙ্গদেশ ১।১৭, ১।২৬, ৩।১২, ৩।১৬, ৩।২১, ৩।২৬, ৮।১২, ১৩।২১, ১৩।২২, ১৩।২৩, ১৪।৩
বঙ্গদেশর কাউন্সিল/বঙ্গ ব্যরস্থাপক সভা ৮।১২
বঙ্গ প্রাদেশিক কংগ্রেছ কমিটী ৮।১২
বঙ্গদেশর রাজনৈতিক বন্দীর অনশন ১২।২
বঙ্গভুক্ত ১।১৬
বঙ্গরাজ লক্ষণসেন ৩।১২
বঙ্গালী পমুরা ৩।১২
রঙ্গালী ৩।১২, ১৩।৩
বঙ্গালী শাসন ৩।১২
বন্দেমাতরম ৪।১
ব্যরস্থাপক সভার উপনির্ব্বাচন ৫।৫
বরনগর ১।৪, ১।৫, ১।৮, ১।৯, ১।১৮, ১।২১, ১২।৪, ১।২৫, ১।২৭, ৩।২, ৩।৮, ৫।২৫
ব্রহ্মদেশ/মানদেশ ১।৩, ৩।১২, ১২।৩, ১২।১৩ পরিশিষ্ট
ব্রহ্মত্যাগী/মান ভগনীয়া ভারতীয় ১২।১৩, ১৩।২
বয়কট ১।৪, ৩।১৫
বিদেশী মূলধনর বাগিছা ১০।৫
বিপ্লবর চকমকনিত মতিভ্রম ৫।১৬
বিলাত/বিলাতর পার্লিয়ামেণ্ট ১।১, ৩।৩, ৬।১০, ৯।৬
বৃটীছর নাগপাশ ৯।২
ভারত চরকার/ভারত গরর্ণমেণ্ট ৩।১০
ভারত ত্যাগ/কুইৎ ইণ্ডীয়া ৯।২, ১৩।১
ভারতর অঙ্গক্ষত ২।৩৫
ভারতর মুক্তিসংগ্রাম ১২।১
ভারতবর্ষ ৬।১, ৮।৪
'ভারতর রক্তপাত হবই লাগিব ৬।১০
ভারতর আইন সভা ৩।২১
ভারতীয় উচ্ছ সদন ১০।১
ভারতীয় দণ্ডবিধি আইন ২।৩, ৪।৬, ৬।৪
ভারতীয় জাতীয় মহাসভার স্বেচ্ছা-সেরক বাহিনী ২।৪
ভারতীয় খৃষ্টান ২।১
মুচুলুকা ৪।৮
মণ্টেগু চেমস্‌ফোর্ড শাসন সংস্কার ১।১ ১।৩, ১।৪, ৬।৪
মহাত্মা গান্ধী ১।১, ১।১১, ১।২৯, ১।৩১, ২।১৯, ৩।৮, ৩।৯, ৩।১০, ৩।১১, ৩।২১, ৩।২৩, ৪।১, ৫।৪, ৫।৬, ৫।১২, ৫।৩১, ৬।৪, ৬।৭, ৬।৩৪, ৮।৮, ৮।৯, ৮।১১, ৯।১, ৯।২, ৯।৩, ৯।৫, ৯।৬, ১২।১, ১২।২, ১২।৬, ১৩।১৫, ১৪।৩
মহাত্মা গান্ধীর সম্বর্দ্ধনার আয়োজন ৩।১০
মহাত্মা গান্ধীর অনশন ৮।১১, ৯।৫
মহারণ (প্রথম) ৩।৩, ৩।২১, ৫।১১, ৮।১২ (দ্বিতীয়) ১২।১
মহিলা জাগরণ ৬।২৯
মার-ভাত ৫।১৪
মিয়াদী ৫।৩
মুছলমান সমষ্টি ১০।১, ১৪।৩
মুস্লিম লীগ ৬।২২, ৯।৫, ১০।৩, ১০।৮, ১০।৯, ১২।৪, ১৪।৩ (১৯৪৬-৪৭)
মোরামরীয়া আক্রমণ ১১।১
মৌজাদার সম্মিলন ৩।২৬
য়ান্দাবু (ইয়ান্দাবুর) বিস্তীর্ণের ১১।১
য়াবরেদা চুক্তি/য়াবরেদা পেক্ট/ ৯।৫ পরিশিষ্ট

যুক্তরাষ্ট্র বিধান/যুক্তরাষ্ট্রীয় শাসনতন্ত্র ১০।১, ১০।৩, ১৪।৩
যুক্তরাষ্ট্রীয় পরিষদ ১০।১
যুদ্ধবিরোধী ধ্বনি/যুদ্ধবিরোধী সত্যাগ্রহ ১২।৮, ১২।৯, ১৩।১৫
যোরহাট ১।৬, ১।১৮, ১।১৯, ১।৩১, ২।৫, ২।৯, ৩।১০, ৩।১৮, ৩।২৬, ৩।২৭, ৫।৩, ৫।৬, ৬।৪, ৬।৭, ৬।১১, ৬।১৩, ৬।১৯, ৬।২৭, ৬।২৯, ৭।৩, ৮।১, ৮।৩, ৮।১০, ৮।১৪, ৮।১৬, ৯।১, ১০।৩, ১০।৪, ১১।৭, ১২।৩, ১২।৮, ১৩।২১
যোরহাট জিলা কংগ্রেছ কমিটী ৩।২৬
যোরহাট জেইল/বরভেটা জেইল ২।৫, ২।৬, ২।৯, ৪।৩, ৫।১, ৫।২, ৫।৬, ৫।১১, ৫।১২, ৫।২২, ৫।২৩, ৫।২৫, ৫।৩২, ৬।৭, ৬।৯, ৬।১৩, ৬।১৮, ১২।৮, ১৩।১৩, ১৩।১৭
যোরহাট নগর ১।২৬, ৪।১০, ৮।৩, ১৩।১৫ (১৯৪৬-৪৭)
যোরহাট সমষ্টি ৮।১৬
রাউণ্ড টেবুল কনফারেন্স ৯।১, ৯।৩, ৯।৫
রাওলাট বিল/আইন/এক্ট ৩।৩, ৩।২১
রাজ অতিথি/রজার আলহি ২।২২, ৫।২, ৬।১, ৭।২, ৮।৩, ১৩।১৭
রায়ত সভা ১২।১২, ১২।৩৩
রেস্পন্সিভ্ কো-অপারেশন ৮।১৪, ৮।১৬
লালকিল্লা/রেডফোর্ট পরিশিষ্ট
লাহোর দুর্গ/লাহোর ফর্ট/লাহোর কিল্লা পরিশিষ্ট
লীগ মন্ত্রী-সভা/লীগ চরকার ৮।৪, ১০।৫, ১০।৯, ১২।৪, ১২।১০, ১৩।১, ১৩।২৪
লীগ ওয়ার্কিং কমিটী ১২।১
লেবার পার্টি ৯।১
শ্রমিক সমষ্টি ১২।১
শান্তি সেনা/গাওঁরক্ষী বাহিনী ১২।১১, ১২।১২, ১৩।১, ১৩।২, ১৩।৩, ১৩।৬
শিকলী দাণ্ডা/বার ফেটার্স/লোহার জিঞ্জিরি ২।৩২, ৬।৪
শিবসাগর ১।২৯, ১।৩১, ২।৫, ২।১০, ২।১৮, ৩।১, ৩।১৬, ৩।১৭, ৩।১৮, ৩।২১, ৩।২৪, ৩।২৫, ৩।২৬, ৫।১, ৫।৬, ৫।৮, ৬।১, ৬।৪, ৬।১৩, ৬।২৯, ৮।৫, ৯।৩, ৯।৪, ১০।৪, ১১।৮, ১২।৩, ১২।৪, ১২।৫, ১৩।৮, ১৪।৩
শিবসাগর জেইল ২।৩১, ৫।২৫
শিবসাগর কংগ্রেছ অফিছ/শিবসাগর জিলা কংগ্রেছ ৮।৪, ১২।৪, ১২।৬
শিবসাগর পলিটেকনিক ১২।৬
শিবসাগর সমষ্টি ৮।১৪, ৮।১৬, ১০।৪
শ্রীমদ্ভাগবত গীতা ২।১৯
শ্রীহট্ট/চিলট রেল ষ্টেচন ৫।৩২, ৬।১
শ্রীহট্ট বিচ্ছেদ/চিলেট বিচ্ছেদ ১০।৮
শ্রীহট্ট বিচ্ছেদ রদ/চিলট বিচ্ছেদ রদ ১০।৮
ষ্ট্রাইক ৩।১৬
সত্যাগ্রহ ২।২৩
সত্যাগ্রহ রীতি ১।৫
সন্ত্রাসবাদী ৫।১৬
সরলমতী পরিশিষ্ট
সমূহীয়া জরীমনা/পাইকারী জরীমনা/কলেক্‌টিভ্ ফাইম ১৩।১৩, ১৩।২০
সশ্রম/সশ্রমী ২।২০, ২।২৫, ৩।১৭, ৬।৩৩, ৭।১
সহযোগিতা বর্জ্জন ১।১
সংরক্ষিত আসন/সংরক্ষিত সমষ্টি পরিশিষ্ট

স্বদেশী আন্দোলন ১।৫, ৩।১২
'স্বদেশো ভুবনত্রয়ম' ৫।১৪, ১৩।৫
স্বরাজ আশ্রম ২।১২, ২।১৪, ২।১৮, ৫।৩, ৮।৩
স্বরাজ পার্টি ৮।১৪, ৮ ১৬
স্বরাজ সঙ্গীত ৩।২৬
স্বরাজ সংগ্রামর মুছলমান রণুরা ৬।২২
"স্বরাজ্যং দেহি কৃপাবলম্বনকরী মাতান্নপূর্ণেশ্বরী ৫।১৪
সাধারণ সমষ্টি (অমুছলমান চাওক)
সাম্প্রদায়িক সংঘর্ষর আশঙ্কা ৯।৪
স্বাধীনতা রণর আহ্বান ১০।৩
স্বাধীনতা সংগ্রাম/স্বাধীনতার আন্দোলন ৩।২২, ৬।২৬, ১২।৩
স্বাধীনতা রণর শেষ অধ্যায় ১৩।১৩
স্বেচ্ছাসেবক ৩।২০, ৩।২৩
হরিজন ৯।৫, ৯।৬
হরিজন আসন/হরিজন সমষ্টি পরিশিষ্ট
হরিজন সেবক সংঘ ৯।৬
হিন্দুমহাসভা ১০।৩
হিন্দু-মুছলমান একতা স্থাপন ৮।১১
"হিমালয়ান ব্লাণ্ডার" ৫।৩১
হিরোচিমাত এটম বোমার বিস্ফোরণ ১৪।৩
হিলৈধারী পুলিছ প্রহরী/হিলৈধারী পুলিছ বাহিনী ৪।৯, ৫।২৯
হোমিওপেথিক ৩।৭
হেণ্ডকাফ ৫।২৭, ৫।৩২

শুধৰণী

পৃষ্ঠা	শাৰী	ভুল	শুদ্ধ
৯	৭	নামঘৰতে	নামত ঘৰতে
১৪	১৯	ছলাই	জ্বলাই
২২	২৩	নকৰিব	নকৰিলে
২৬	৯	সিহঁতে	সিহাতে
৩১	১৪	মুসুজায়	মুজায়
৩৮	১৩	শিলচৰ	চিলত
৪৩	৯	তেওঁ	তেওঁক
৪৯	১১	ফিৰিক	ফিৰিকা
৪৯	১৩	মাথি	যিউৰে মাথি
৫৩	২	উবাৰি	উপৰি
৬১	২১	তদন্তে	তদ্দণ্ডে
৬৯	১৬	সত্বেওে	সত্বেও
৭৪	১৪	বন্দী শালত	বলিশালত
৮১	শেষ	বিচাৰৰ	বিচৰাৰ
১০৭	১৮	কৰা নগল	কৰিবপৰা নগল
১০৯	১৯	উচাপচনি	উচপিচনি
১১১	১৬	হয়টো	হয়তো
১৩৫	২২	তুমল	তুমুল
১৩৭	৫	শিয়াল	শিয়ান্
১৩৯	১	সাজসলন	সাজ-সলনি
১৪০	৭	সুখৰ	মুখৰ
১৮১	১১	'দাস'	'দাম'
১৮৮	১৬	আদালত	আদালতে
১৮৯	২	দশ	দুশ
১৯০	২০	চলিয়া	চলিহা
২০৪	৬	নহলে	নহলো
২০৯	১০	খোপন	খোপনি
২৪৯	৪	চন্দ্র ডাঙৰীয়া	চন্দ্রগগৈ ডাঙৰীয়া
২৭৫	১০	লাইল	লাইন
২৭৬	১০	শেহান্তৰ	শেহান্তৰত
২৮০	১০	লীলা গগৈ	নীল গগৈ
২৮৬	১২	এম্-এম্-এ	এম্-এল-এ